অসমৰ হিন্দু-মুছলমানৰ সাংস্কৃতিক সম্পৰ্ক

(এক ঐতিহাসিক বিশ্লেষণ)

891.4551
SAR/A

শশী শৰ্মা

বুক হাইভ্

প্ৰকাশক ঃ
শ্ৰীবিজয় কুমাৰ দত্ত,
বুক হাইভ,
জি. এন. বৰদলৈ ৰোড পানবজাৰ
গুৱাহাটী—৭৮১ ০০১

যোগানন্দ গবেষণাগাৰ
লক্ষ্মী কুটিৰ
নলবাৰী – ৭৮১৩৩৫

1564/A/RF/D/D

প্ৰচ্ছদ ঃ
সুব্ৰত চৌধুৰী

প্ৰথম সংস্কৰণ ঃ
জুন, ১৯৯৮

মূল্য ঃ ৬৫.০০ টকা

ছপা ঃ গিৰি প্ৰিন্ট ছাৰ্ভিচ
৯১— এ বৈঠকখানা ৰোড
কলিকতা-৯

প্ৰগতিবাদী সমাজ বিজ্ঞানী
ড° অমলেন্দু গুহৰ হাতত

শশী শৰ্মা

এখানি আন্তৰিক নিবেদন

এই বিবৰ্তমান সমাজখনত অন্যান্য দিশবোৰৰ লগতে হিন্দু-মুছলমানৰ সাংস্কৃতিক সম্পৰ্কতো যে কি শোচনীয় অৱনতিয়ে ঘটা নাই! সমাজত শিক্ষা-দীক্ষা বাঢ়িছে, আনকি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰতো প্ৰায় অভাৱনীয় ৰূপেই বিকাশ ঘটিছে বুলিব পাৰি। কিন্তু সেই অনুপাতে শিক্ষিত মানুহ মৌলবাদ, সাম্প্ৰদায়িকতা, প্ৰতিক্ৰিয়াশীলতাৰ প্ৰভাৱৰ পৰা মুক্ত হ'বলৈ ব্যৰ্থ হোৱা সমগ্ৰ মানৱজাতিৰ কাৰণেই আতংকৰ বিষয় হৈ পৰিছে। মানৱ সম্পৰ্কৰ প্ৰগতিশীল উন্নতি সাধন বিনে যে শিক্ষা-দীক্ষা সকলো অসাৰ্থক, তাকো আজি বিপুলসংখ্যক বিদ্বৎ মণ্ডলীয়ে উপলব্ধি কৰাত ব্যৰ্থ হৈছে।

হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ মাজত উচ্চ শিক্ষিতৰ সংখ্যা বহু বাঢ়িছে। কিন্তু দুখ আৰু পৰিতাপৰ বিষয় যে সেইসকলৰ সৰহসংখ্যক মৌলবাদ, সাম্প্ৰদায়িকতাবাদ আৰু অন্ধ পৰম্পৰাৰ দাস। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ শিক্ষক-শিক্ষয়িত্ৰী, গৱেষক-গৱেষণা পৰিচালক সকলো যেতিয়া মৌলবাদ, সাম্প্ৰদায়িকতাবাদ আৰু অন্ধ পৰম্পৰাৰ উগ্ৰ সমৰ্থক তথা প্ৰবক্তাৰূপে প্ৰতিপন্ন হয়, তেতিয়া দেশৰ-জাতিৰ ভৱিষ্যৎ যে ঘনঘটাচ্ছন্ন নহৈ নোৱাৰে, তাক বিবেকী মানেই অনুভৱ কৰে।

১৯৯২ চনৰ জুলাই মাহৰ একৈশ তাৰিখৰ নিশাৰ কথা। এগৰাকী অৱসৰপ্ৰাপ্ত হাইস্কুলৰ প্ৰধান শিক্ষক আমাৰ ঘৰত আলহী হৈ আছিল। সিদিনাই হিন্দুত্ববাদীসকলে কৰসেৱাৰ দ্বাৰা অযোধ্যাত ৰামমন্দিৰৰ আধাৰশিলা স্থাপন কৰিছিল। ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে হস্তক্ষেপ কৰা কাৰণে বাব্ৰি মছজিদ সিদিনালৈ ৰক্ষা পৰিছিল। কিন্তু এটা কথাত আচৰিত নহৈ নোৱাৰিলো। নলবাৰী কলেজৰ একাংশ ছাত্ৰই খেলৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি জয়যুক্ত হৈ আহি সন্ধিয়া কলেজৰ ছাত্ৰাবাসত আনন্দতে ধ্বনি দিছিল। মই নিজে ধ্বনিৰ অৰ্থ বুজি পোৱা ন ছিলো। কিন্তু বন্ধুজনে পৰম আনন্দেৰে মোক জনাই দিলে যে বাব্ৰি মছজিদ ধ্বংস হ'ল আৰু সেয়ে ছাত্ৰসকলে আনন্দতে বিজয়ৰ ধ্বনি দিছে। বন্ধুগৰাকীৰ উগ্ৰ সাম্প্ৰদায়িকতাই মোক সঁচাকৈয়ে ব্যথিত কৰিছিল।

৬ ডিচেম্বৰৰ দিনা কিন্তু সঁচাকৈয়ে বাব্ৰি মছজিদ ধ্বংস হ'ল। হাজাৰ হাজাৰ বছৰীয়া ভাৰতৰ সভ্যতা-সংস্কৃতিৰ উচ্চশিৰ নত কৰি হিন্দুত্ববাদী অংশই উৰুৱালে হিন্দুত্বৰ বিজয় নিচান। সিয়ে বিবেকী আৰু গণতান্ত্ৰিক মানকে বেদনাহত কৰিছিল নিশ্চয়। আমি আৰু বেছি বেদনাহত হৈছিলো যেতিয়া তাৰ পিছতে এখন ইদগাহ মৈদানক লৈ আমাৰ নলবাৰীত খাণ্ডৱদাহৰ উপক্ৰম হৈছিল। ইদগাহ মৈদান এখন পথাৰ, সি মহাপ্ৰকৃতিৰ অৱদান। তাকে লৈ হিন্দু-মুছলমানৰ মাজত সংঘাতৰ কি যুক্তিসংগত কাৰণ থাকিব পাৰে?

এই ক্ষেত্ৰত মন কৰিব লগা কথা এয়ে যে সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টিৰ পথলৈ সমাজক আগ বঢ়াই দিছিল একাংশ শিক্ষিত লোকেহে। গণ সম্পৰ্ক গঢ়ি তুলি কিন্তু আমি আশ্বস্ত হৈছিলো যে উভয় সম্প্ৰদায়ৰ শ্ৰমকাৰী জনগণ ইদগাহ মৈদানৰ প্ৰতি বা মন্দিৰ-মছজিদ বিবাদৰ প্ৰতিও উদাসীন; তেওঁলোক সম্পূৰ্ণ ৰূপে শান্তিপূৰ্ণ সহ অৱস্থানৰ দৃঢ় সমৰ্থক। বিবাদত লিপ্ত হৈছিল নেতৃত্ব অভিলাষী একাংশ শিক্ষিত লোকহে।

তেতিয়াই মনতে পাঙিছিলো অসমত হিন্দু-মুছলমানৰ ঐতিহাসিক-সাংস্কৃতিক সম্পৰ্ক বিষয়ক এখন বিশ্লেষণাত্মক পুথি ৰচনা কৰিবলৈ আৰু আচলতে কামত হাতো দিছিলো। কিন্তু শাৰীৰিক অসুস্থতাই পদে পদে জন্মাই থাকিল বাধা। সেইকাৰণে পুথিখন পঢ়ুৱৈ সমাজৰ মাজলৈ আগবঢ়োৱাত বহু পলম হৈ গ'ল।

পুথিখনত গ্ৰন্থপঞ্জীৰে সৈতে মুঠ এঘাৰটা অধ্যায় আছে; পঢ়ুৱৈ সমাজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিটো অধ্যায়কে কেতবোৰ উপাধ্যায়তো বিভক্ত কৰা হৈছে। প্ৰতিটো অধ্যায় যথাসম্ভৱ ঐতিহাসিক তথ্যৰ ভেটিত উপস্থাপন কৰিব বিচৰাও হৈছে। অৱশ্যে যিবোৰ কথা প্ৰায় সকলোতে জনাজাত, সেইবোৰৰ ক্ষেত্ৰত ঐতিহাসিক তথ্য উপস্থাপনৰ চেষ্টা কৰা হোৱা নাই। সপ্তম আৰু নৱম অধ্যায়ত অসমৰ দুয়োটা উপত্যকাৰ হিন্দু, মুছলমান, অসমীয়া, বাঙালী, নেপালী আৰু জনজাতীয় ভাবা-ভাষী একাংশ বিশিষ্ট অসমীয়া পুৰুষ-মহিলাৰ সাক্ষাৎকাৰো সংযোগ কৰা হৈছে, -- অৱশ্যে সেইসকলৰ নিজৰ নিজৰ ভাষাত।

পুথিখনত সংযোগ কৰিবলগীয়া কথা আৰু বহুই আছিল। কিন্তু কলেৱৰ বঢ়াৰ আশংকাত সিবোৰ সামৰি লোৱা নহ'ল। অৱশ্যে পঢ়ুৱৈ সমাজে পুথিখন আদৰি লোৱা বুলি অনুভৱ কৰিব পাৰিলে, পৰৱৰ্তী সংস্কৰণত সিবোৰকো সামৰি ল'বলৈ যত্ন কৰিম।

অন্যান্য ত্ৰুটি-বিচ্যুতিৰ প্ৰতিও আমি সজাগ। তথাপি গুণী পঢ়ুৱৈ সমাজে দয়া কৰি দোষ-ত্ৰুটিবোৰ আঙুলিয়াই দিলে পৰম কৃতাৰ্থ মানিম।

পুথিখনে উভয় সম্প্ৰদায়ৰ সকলো স্তৰৰ জনগণৰ মাজত সাংস্কৃতিক সম্পৰ্ক বৃদ্ধিত যদি তিলমানো সহায় কৰে, তেনেহ'লে শ্ৰম সাৰ্থক হোৱা বুলি গৌৰৱবোধ কৰিম নিশ্চয়।

এধানি মৰমৰ আশাত শ্ৰদ্ধাৰে—

লক্ষ্মী কুটিৰ
নলবাৰী- ৭৮১ ৩৩৫

শশী শৰ্মা
৩০।১০।৯৭

কৃতজ্ঞতা নিবেদন

এই পুথিখন দুবছৰ আগতেই প্ৰকাশ হ'ব লাগিছিল ; প্ৰাৰম্ভিক কাম, বিশেষকৈ সাক্ষাৎকাৰ আদি, তেতিয়াই আগবঢ়াই নিয়া হৈছিলো। কিন্তু শাৰীৰিক অসুস্থতাৰ কাৰণে পুথিখন সম্পূৰ্ণ কৰি তোলাৰ আকাংক্ষা প্ৰায় পৰিহাৰ কৰাই হৈছিল। পুথিখন সম্পূৰ্ণ কৰি তুলিবলৈ সঁকীয়াই থাকি বাধ্য কৰিলে প্ৰকাশক বন্ধু শ্ৰীবিজয় কুমাৰ দত্তই। নিৰ্ভৰযোগ্য গ্ৰন্থাগাৰৰ অভাৱত নলবাৰীত পুথিপত্ৰ বিচাৰি হায়ৰাণ হ'ব লাগে। নিজৰ ব্যক্তিগত সংগ্ৰহৰ পৰা পুথি পঢ়িবলৈ দি সহায় কৰিলে যুব সাহিত্যিক ৰফিউল হুছেইন বৰুৱা আৰু ড° শান্ত বৰ্মনে। মঙলদৈৰ সু-সাহিত্যিক অধ্যাপক ইদ্ৰিছ আলী আৰু ডাঃ এম, আবিদ আলীয়েও কেইখনমান পুথি উপহাৰ দিছে। এইসকল আটাইৰে ওচৰত কৃতজ্ঞতা পাশত আবদ্ধ। কে'বাখনো মূল্যবান পুথি পঢ়িবলৈ পাইছোঁ নলবাৰী জিলা পুথিভঁৰাল, নলবাৰী কলেজ পুথিভঁৰাল আৰু পূৰ্বভাৰতীৰ পুথিভঁৰালৰ পৰা। এই অনুষ্ঠানকেইটিৰ ওচৰতো মই কৃতজ্ঞ।

সমগ্ৰ অসমৰ দুয়োটা উপত্যকাৰে যিসকল গুণী-মানী-জ্ঞানীয়ে আগ্ৰহেৰে সাক্ষাৎকাৰ দি পৰিকল্পনা অনুসৰি পুথিখন সম্পন্ন কৰাত সহায় কৰিলে, সেইসকলৰ ওচৰত মই চিৰঋণী হৈ থাকিলো।

প্ৰকাশকৰ লগত যোগাযোগ ৰক্ষা কৰিছে জোঁৱাই-জী প্ৰণৱ, গীতাই আৰু ল'ৰা শৰদিন্দু (মণ্টুই), ৰুগীয়া দেহটো কৰ্মক্ষম কৰি ৰখাত সহায় কৰিছে জোঁৱাই-জী তপন আৰু বিতা(ভনে), ঘৈণী বীণা আৰু নুমলীয়া জী দীপাৰ সাদৰ-যত্নবিনে পুথিখনৰ কাম সম্পন্ন কৰা সম্ভৱপৰ নহ'লহেঁতেন। মই এইসকল আটাইলৈ শুভেচ্ছা নিবেদনৰ উপৰি শলাগৰ শৰায়ো আগবঢ়ালো।

শশী শৰ্মা

সূচীপাত

প্ৰথম অধ্যায় ঃ ভাৰতত মুছলমান ১—৩২

[ভাৰত আৰু আৰবৰ সম্পৰ্ক, আৰব আৰু ইছলামি, ইছলাম আৰু বিশ্বশান্তি, ভাৰতত মুছলমান বসতি, মহম্মদ বিন কাছিমৰ আক্ৰমণ, মুছলমান আক্ৰমণ বনাম ভাৰত, হিন্দু-মুছলমানৰ সমন্বয়, বাবৰ-আকবৰ-ঔৰংজেব, নতুন সাংস্কৃতিক দিগন্তৰ উন্মেষ।]

দ্বিতীয় অধ্যায় ঃ অসমত মুছলমান ৩৩—৫৯

[বখ্তিয়াৰ খিলজীৰ অসম আক্ৰমণ, হাছামুদ্দিনৰ আক্ৰমণ, বত্নধ্বজ পালৰ গৌড় আক্ৰমণ, অসম-মুছলমানৰ সংঘাত আৰু নতুন সম্পৰ্ক, অসমত আহোম শাসন, কালাপাহাৰ আৰু অসমৰ হিন্দু-মুছলমান, অসমত মুছলমান শাসন, আহোম-মোগল সংঘৰ্ষ, আহোমৰ পুৰণি অসম উদ্ধাৰৰ চেষ্টা, মিৰজুমলাৰ অসম আক্ৰমণ, ঘিলাজৰি ঘাটৰ সন্ধিৰ চুক্তি, শৰাইঘাটৰ ৰণ, পুনৰ মোগল, অসমৰ মুছলমানৰ বৈশিষ্ট্য, অসমত ধৰ্মান্তৰিত মুছলমান।]

তৃতীয় অধ্যায় ঃ সমন্বয়ত গঢ় লৈ উঠা অসমীয়া এটা নতুন জাতি ৬০—৮৭

[পৌত্তলিকতা বা প্ৰতিমা পূজা, চুফীবাদ আৰু অসম, লোকসমাজ আৰু নতুন লোক - সংস্কৃতি, সম্প্ৰীতিৰ সঁফুৰাত ফাট, আহোমৰ সাংস্কৃতিক সমন্বয়, খাদ্য-অখাদ্য আৰু সংঘাত, তন্ত্ৰ-মন্ত্ৰ আৰু মুছলমান, উৎসৱ-অনুষ্ঠান আৰু নতুনত্বৰ সম্ভেদ, আদৰ-সম্ভাষণ, সত্যনাৰায়ণ আৰু সত্যপীড়।]

চতুৰ্থ অধ্যায় ঃ হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ কলহত বিষ ৮৮—১১৫

[বিভাজন আৰু শাসন, টিপু চুলতান আৰু ইংৰাজৰ অপপ্ৰচাৰ, চৈয়দ আহমেদ খাঁ আৰু সংঘাত, ভাৰতীয় মুছলিমলীগ আৰু বৃটিছ সাম্ৰাজ্যবাদ, বিভাজন আৰু শাসনৰ জ্বলন্তৰূপ বংগ-ভংগ, মুছলিমলীগ গঠন, মুছলমানৰ সুকীয়া নিৰ্বাচকমণ্ডলী মুছলিমলীগ গঠনৰ প্ৰতিক্ৰিয়া, খিলাফত্ আন্দোলন আৰু হিন্দু-মুছলমান, বেংগল চুক্তি, পাকিস্তানৰ জল্পনা-কল্পনা, জিন্না আৰু পাকিস্তান, মহাত্মা গান্ধী আৰু পাকিস্তান।]

পঞ্চম অধ্যায় ঃ অসমত বিচ্ছিন্নতাবাদৰ উদ্ভৱ আৰু পাকিস্তান ১১৬—১৩৩

[১৮৫৭ চনৰ মহা বিদ্ৰোহ আৰু অসম, বাইজমেল আৰু কৃষক-বিদ্ৰোহ, অসমত বাঙালী হিন্দু-মুছলমান, ছাদুল্লা চৰকাৰ আৰু বিচ্ছিন্নতা, হিন্দু-মহাসভা গঠন আৰু সংঘাত, তৰলিছৰ অধিৱেশন, অসমত মুছলমান ৰাজনীতি, লাইন প্ৰথা, মাতব্বৰ শ্ৰেণী সৃষ্টি, ১৯৩১ চনৰ লোকপিয়ল আৰু মূলাৰ চাহাব, ১৯৩৭ চনৰ নিৰ্বাচন আৰু চৰকাৰ, ১৯৪১ চনৰ লোকপিয়ল আৰু হিন্দু মহাসভা, ১৯৪৬ চনৰ সাধাৰণ নিৰ্বাচন আৰু বিভেদ, মন্ত্ৰী মিচনৰ আগমন আৰু গ্ৰুপিঙৰ প্ৰস্তাৱ, কংগ্ৰেছ সভাপতি নেহৰু আৰু বিভ্ৰান্তি, অভিবাসী উচ্ছেদ আৰু সংঘৰ্ষ, সশস্ত্ৰ বিদ্ৰোহৰ আখৰা, অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰাৰ ষড়যন্ত্ৰ।]

ষষ্ঠ অধ্যায় ঃ ভাৰত বিভাজন আৰু সাম্প্ৰদায়িক সংঘৰ্ষ ১৩৪—১৫৯

[মুছলমান আক্ৰমণকাৰী আৰু ইছলাম, ইছলামধৰ্মীৰ মাজত বিভেদ, মুছলিম আইন,

ব্যক্তিত্ববাদ আৰু বিৰোধ, গৰু আৰু অৰ্থনীতি, কাছ আৰু মুছলমান,বাদ্যৰ বিৰোধ, ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীত, কংগ্ৰেছ বনাম লীগ, বৃটিছৰ পক্ষপাতিতা, বিভাজন অপৰিহাৰ্য আছিলনে? মহাত্মা গান্ধী আৰু বিভাজন, আবুল কালাম আজাদ আৰু বিভাজন, সুভাষচন্দ্ৰ বসু আৰু বিভাজন, কমিউনিষ্ট দল আৰু বিভাজন, সাম্প্ৰদায়িকতা আৰু বিভাজন।]

সপ্তম অধ্যায় ঃ ভাৰত বিভাজন আৰু হিন্দু-মুছলমানৰ সন্দেহ-সন্দিগ্ধতা ১৬০—১৯৫

[সাক্ষাৎকাৰ — গোলাপ বৰবৰা, সতীশ চন্দ্ৰ কাকতী, মেঘ গগৈ, দ্ৰুপদ বৰগোহাঁই, ধীৰেন্দ্ৰ নাথ বেজবৰুৱা, ৰবীন্দ্ৰ সৰকাৰ, জমদগ্নি উপাধ্যায়, অনিল ৰায়চৌধুৰী, লংকাম টেৰণ, বিশ্বনাথ শৰ্মা, টাবুৰাম টাইড, যোগেশ দাস, অবিকেশৰ শৰ্মা, প্ৰমথ নাথ, নিৰুপমা হাগজেৰ, ইদ্ৰিছ আলী, আশ্ৰফ আলী, এম, আবিদ আলী, ড° গিয়াচ উদ্দিন আহমেদ, ৰামচৰণ ব্ৰহ্মা, সোণাৰাম থাওছেন, ডিম্বেশ্বৰ চহৰীয়া,কুশল চহৰীয়া, ৰামচন্দ্ৰ ডেকা, মুকুট ভট্টাচাৰ্য, দিনেশ শৰ্মা,প্ৰসন্ন কুমাৰ ডেকা, হৰেন্দ্ৰ নাথ শৰ্মা, গদাধৰ কলিতা, মূলচান্দ জৈন, আব্দুল মজিদ, ৰহিমন হাজৰিকা, চৈয়দ মফিজুদ্দিন আহমেদ, লোহিত চন্দ্ৰ দাস, লোকনাথ শৰ্মা, অমিত বৰণ ৰায়, গফুৰ আলী, আমীৰ আলী, ৰমণী বৰ্মন, জনগণৰ মাজত দেশ বিভাজনৰ প্ৰতিক্ৰিয়া,বিভাজন আৰু মুছলমানসকল, নেতৃত্বৰ বিভ্ৰাট, বিভাজন আৰু অসম।]

অষ্টম অধ্যায় ঃ ৰাম-জন্মভূমি ঃ বাবৰি মছজিদ ঃ ইতিহাস আৰু সমাজ ১৯৬—২১১

[মন্দিৰ-মছজিদ বিবাদ,অযোধ্যা আৰু ৰাম মন্দিৰ, বাবৰি মছজিদ আৰু শ্ৰীমন্ত শংকৰদেৱ, ইংৰাজ প্ৰশাসন আৰু বাবৰি মছজিদ, পুৰাতত্ত্ব আৰু ইতিহাস, বাবৰি-মছজিদ আৰু প্ৰশাসন, চৰকাৰ আৰু বিচাৰ, বি-জে-পি চৰকাৰ, মছজিদ ধ্বংস আৰু ভাৰত, বি-জে-পিৰ গণতান্ত্ৰিক সততাৰ নমুনা, অসমত মছজিদ ধ্বংসৰ প্ৰতিক্ৰিয়া।]

নৱম অধ্যায় ঃ বিভিন্নজনৰ দৃষ্টিত অসমত হিন্দু-মুছলমানৰ সম্পৰ্কৰ অৱনতিৰ কাৰণ বিচাৰি ২১২—২১৮

দশম অধ্যায় ঃ হিন্দু-মুছলমানৰ সাংস্কৃতিক সম্পৰ্কৰ ভৱিষ্যৎ ২১৯—২৪৪

[ৰবীন্দ্ৰনাথ আৰু ঐক্যৰ আহ্বান, নজৰুল ইছলাম আৰু জাগৰণৰ আহ্বান, লক্ষ্মীনাথ বেজবৰুৱা আৰু হিন্দু-মুছলমান-সম্প্ৰীতি,কালিৰাম মেধি আৰু হিন্দু-মুছলমানৰ সম্পৰ্ক, মৌলবাদ বনাম প্ৰগতি, হিন্দু মৌলবাদ বনাম প্ৰগতি , প্ৰগতিবাদৰ জয়যাত্ৰাৰ সূচনা, মানৱীয়বাদী সমাজৰ পুবেৰুণ, সংবাদপত্ৰ আৰু সাংবাদিকতা, বাংলাদেশী সংবাদপত্ৰ আৰু হিন্দু-মুছলমান সম্পৰ্কৰ ভৱিষ্যৎ, গণতান্ত্ৰিক সংস্কৃতি লাগে, গণতান্ত্ৰিক সংস্কৃতি আৰু শিক্ষা, সামৰণি।]

গ্ৰন্থপঞ্জী ২৪৫—২৪৮

প্ৰথম অধ্যায়

ভাৰতত মুছলমান

ভাৰত আৰু আৰবৰ সম্পৰ্ক :

ভাৰত আৰু আৰবৰ সম্পৰ্ক কিমান প্ৰাচীন তাক আজি কোনেও সঠিকভাৱে ক'ব নোৱাৰে। প্ৰাচ্য-পাশ্চাত্যৰ গৱেষক পণ্ডিতসকল একমত যে প্ৰাচীন সভ্যতাৰ লীলাভূমি ভাৰতৰ জ্ঞান-গৰিমাই এচিয়া, ইউৰোপ আৰু আফ্ৰিকাৰ দেশবোৰক অতি প্ৰাচীন কালৰে পৰা আকৰ্ষণ কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিজ্ঞানী ড° চন্দ্ৰ শৰ্মাই এটা আলোচনাত কৈছে [১] –

"ভাৰতবৰ্ষৰ অতীজত বিজ্ঞানৰ সবল ভেটি এটি গঢ়ি উঠিছিল। খ্ৰীঃ পূঃ ৩০০০ চনত সিন্ধু উপত্যকাৰ মহেঞ্জোদাৰো, হৰপ্পা আৰু আন ঠাইত গঢ়ি উঠা সভ্যতাৰ নিদৰ্শন আজি সৰ্বজন স্বীকৃত। এইবোৰ ঠাইত দশমিক পদ্ধতি ব্যৱহাৰৰ প্ৰমাণ পোৱা গৈছে। ভাৰতীয় সভ্যতাৰ প্ৰথম স্তৰতেই উৎকৃষ্ট কাৰিকৰী জ্ঞান প্ৰয়োগ সম্পৰ্কেও ইতিহাসবিদসকল নিশ্চিত। বুদ্ধৰ ধৰ্ম প্ৰচাৰৰ কালতো (খ্ৰীঃ পূঃ ৫৪০ — ৪৮০ চন) ভাৰতত বৈজ্ঞানিক চিকিৎসা পদ্ধতিৰ প্ৰচলন আছিল। কাশী আৰু তক্ষশীলাত দুগৰাকী প্ৰখ্যাত শল্যচিকিৎসক আত্ৰেয় আৰু সুশ্ৰুতে শিক্ষাদান কৰিছিল। সুশ্ৰুতে দেহতত্ত্ব (Anatomy), শৰীৰতত্ত্ব (Physio- logy), আৰু ৰোগ বিজ্ঞানৰ বিৱৰণ লিখাৰ উপৰিও চকুত ছানি পৰা ৰোগ আৰু বৰ্ধিত অন্ত্ৰৰ অস্ত্ৰোপচাৰ আৰু চিকিৎসা বিধি লিখি থৈ গৈছে। ভাৰতীয় গণিতৰ বিকাশে বিশ্বক মুগ্ধ কৰিছিল। খ্ৰীঃ পূঃ প্ৰথম আৰু দ্বিতীয় শতিকাত ভাৰতীয় গণিতজ্ঞই যি সাংকেতিক চিহ্ন (Notation) ব্যৱহাৰ কৰিছিল, তাৰ পৰা আজি আমি ব্যৱহাৰ কৰা সংখ্যাৰ উৎপত্তি বুলি বহুতে ভাবে। আৰবসকলৰ জৰিয়তে ভাৰতীয় সভ্যতাৰ লগত ইউৰোপীয় সভ্যতাৰ সংযোগ ঘটে। ভাৰতীয় দৰ্শন আৰু বিজ্ঞানে প্ৰথমতে এচিয়া মাটিৰ অঞ্চলত প্ৰভাৱ বিস্তাৰ কৰে আৰু তাৰ পৰা গ্ৰীচলৈ প্ৰসাৰিত হয়। আৰবসকলে ভূমধ্যসাগৰৰ পূব অঞ্চল দখল কৰাৰ পাছত ভাৰতীয় গণিত আৰু চিকিৎসাৰ লগত গ্ৰীচ আৰু ৰোমৰ ধাৰণা মিহলি হৈ স্পেইন আৰু কনষ্টাণ্টিনোপলেৰে পুনৰ ইউৰোপত প্ৰৱেশ কৰে। এইদৰে ভাৰতীয় বিজ্ঞানে আৰবীয় বীজগণিতৰ বিকাশ সম্ভৱপৰ কৰি তোলে। আৰবীয় সংখ্যাৰ বিকাশতো ই সহায় কৰে। অৰ্থাৎ মান (Value) ৰ সলনি ন অংক (Nine digits) আৰু শূন্য (Zero) ৰ বিকাশত সহায় কৰে।"

আৰবসকল অতি প্ৰাচীন কালৰে পৰা আছিল ব্যৱসায়-বাণিজ্যত নিপুণ; যেন

মৰুময় পৰিবেশে তেওঁলোকক ব্যৱসায়-বাণিজ্যত আত্মনিয়োগ কৰিবলৈ জীৱনৰ তাড়নাতে বাধ্য কৰিছিল। ব্যৱসায়-বাণিজ্যৰ সন্দৰ্ভতে ভাৰতৰ দক্ষিণ-পশ্চিম উপকূলীয় অঞ্চলত আৰবৰ বণিকসকলে ব্যৱসায়ৰ ঘাটি পাতিছিল। বিশিষ্ট ঐতিহাসিক পণ্ডিত ড° তাৰাচাঁদে নানা তথ্যপাতিৰ অৱলম্বনত সেই সকলো কথা ফঁহিয়াই আলোচনা কৰি জানিবলৈ দিছে যে ইছলামৰ আৱিৰ্ভাৱৰ পূৰ্বতেই আৰবদেশত হিন্দু আৰু বৌদ্ধৰ প্ৰভাৱ পৰিলক্ষিত হৈছিল।[২] ছিস্তান, বেলুচিস্তান, খোৰাচান, আফ্‌গানিস্তান প্ৰভৃতি দেশত হিন্দু আৰু বৌদ্ধ সংস্কৃতিৰ আছিল অতুল প্ৰভাৱ। আনকি ইছলাম প্ৰৱৰ্তন হোৱাৰ পিছতো খলিফাসকলে ভাৰতৰ লগত মধুৰ সম্পৰ্ক ৰক্ষা কৰিয়ে চলিছিল। ড° তাৰাচাঁদে বিচাৰ কৰি দেখুৱাইছে যে চুফীবাদৰ পীঠস্থানস্বৰূপ বচৰাত আনকি হিন্দু বিষয়াই বিত্ত বিভাগৰ দায়িত্ব বহন কৰিব লগাতো পৰিছিল।[৩] সেই সময়তে ভাৰতৰ পঞ্চতন্ত্ৰৰ সাধুবোৰ সংস্কৃতৰ পৰা পোনতে পহলৱীলৈ আৰু পিছত পহলৱীৰ পৰা ছিৰিয়াক আৰু আৰবীলৈ অনূদিত হৈছিল।[৪]

আন এগৰাকী বুৰঞ্জীবিদ ফিলিপচ কে, হিট্টিৰ মতে[৫] পঞ্চতন্ত্ৰ আৰবীলৈ অনুস্বৰণৰ ৰাজত্বকালতে (খ্ৰীঃ ৫৩১ – ৫৭৮) অনূদিত হৈছিল আৰু সি আৰব জগতে ভাৰতক জনাত বিশেষভাৱে সহায়ক হৈছিল। তেতিয়া ইছলামো প্ৰৱৰ্তন হোৱা নাছিল, আনকি হজৰত মহম্মদো ওপজাই নাছিল। একেখন বুৰঞ্জীৰ পৰা জনা যায় যে আৰবে ভাৰতৰ পৰা জোতিৰ্বিদ্যা, গণিত আৰু সংখ্যাবিদ্যাও আয়ত্ত কৰিছিল। আৰবৰ পৰা সিবোৰ গৈছিল গ্ৰীচলৈ আৰু গ্ৰীচৰ পৰা ক্ৰমে সমগ্ৰ ইউৰোপলৈ সম্প্ৰসাৰিত হৈছিল। ভাৰতৰ জ্ঞান-বিজ্ঞান আৰু সভ্যতা-সংস্কৃতিলৈ আৰব জগতৰ গভীৰ শ্ৰদ্ধা আৰু আকৰ্ষণ আছিল। তাৰ ফলত আৰবৰ পণ্ডিত-সুজন ভাৰত ভ্ৰমণ কৰিবলৈ আহিছিল। ব্যৱসায় সংক্ৰান্তত অহা বণিকসকলে এফালে আৰবৰ বুকুত প্ৰতিষ্ঠা কৰিছিল ভাৰতক আৰু ভাৰতৰ বুকুত প্ৰতিষ্ঠা কৰিছিল আৰবক।

আৰব আৰু ইছলাম ঃ

কোনো কোনো ঐতিহাসিকে ইছলামৰ অভ্যুদয়ক বুলিছে এক ঐতিহাসিক বিস্ময়। ইছলামৰ প্ৰৱৰ্তক পুৰুষ হজৰত মহম্মদে প্ৰবল প্ৰতিকূল পৰিবেশত তিষ্ঠিব নোৱাৰি প্ৰাণৰ তাড়নাত নিজৰ জন্মস্থান মক্কাৰ পৰা এক মুষ্টিমেয় সংখ্যক অনুগামীৰ সৈতে পলাব লগাত পৰিছিল প্ৰায় দুশমাইল দূৰৰ মদিনালৈ। কিন্তু বৰ আচৰিত কথা যে সেই পলাতক পুৰুষজনাৰ উত্তৰ পুৰুষে নিচেই কম সময়ৰ ভিতৰত গঢ়ি তুলিলে এচিয়া, ইউৰোপ আৰু আফ্ৰিকাব্যাপী এখন ধৰ্মীয় সাম্ৰাজ্য। সেই ধৰ্মীয় সাম্ৰাজ্যই হ'ল ইছলামিক সাম্ৰাজ্য।

হজৰত মহম্মদৰ অভ্যুদয়ৰ কালত কেৱল আৰব দেশতেই যে ৰাজনৈতিক, অৰ্থনৈতিক বা ধৰ্মীয় বিপৰ্যয় ঘটিছিল তেনে নহয়, আচলতে সমগ্ৰ এচিয়া, ইউৰোপ আৰু আফ্ৰিকাব্যাপীও চলিছিল ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক বিপৰ্যয় আৰু গোষ্ঠী সংঘাত। বেদুইনৰ বাসস্থান আৰবদেশো অসংখ্য সৰু-বৰ গোষ্ঠীত বিভক্ত

আছিল; গোষ্ঠীয়ে গোষ্ঠীয়ে চলিছিল কেৱল অনন্ত সংঘাতসংগ্ৰাম। তাত ধৰ্মৰ নামতো চলিছিল কেৱল হিংসা-ঘৃণা, খুনা-খুনি সন্ত্ৰাস-ৰক্তপাত। সেইখন দেশতেই একেশ্বৰবাদী ইছলামধৰ্ম প্ৰচাৰৰ পিছত আৰু বিশেষকৈ প্ৰথম খলিফা আবুবকৰ আৰু দ্বিতীয় খলিফা ওমৰৰ শাসন কালত ইছলামে লাভ কৰিলে এক বিশেষ ব্যাপ্তি।

সি কিন্তু এনেই হোৱা নাছিল; খলিফাসকলৰ আদৰ্শ নিষ্ঠা আৰু চৰম ত্যাগৰ ফলতহে সি সম্ভৱপৰ হৈছিল। তেতিয়া খলিফাসকল আছিল ত্যাগৰ জীৱন্ত প্ৰতীকস্বৰূপ। তেওঁলোকৰ নিজৰো ইছলাম আৰু কোৰাণৰ ওপৰত গভীৰ আস্থা আছিল আৰু কোৰাণ নিৰ্দেশিত সকলো ৰীতি- নীতি- অনুশাসন তেওঁলোকে আখৰে আখৰে পালন কৰিছিল। তদুপৰি তেওঁলোক আছিল আনৰ প্ৰতি সহানুভূতিশীল, উচ্চ-নীচৰ ভেদাভেদৰ স্থানো তেওঁলোকৰ মাজত নাছিল, বিলাসিতাক দিছিল সম্পূৰ্ণৰূপে বিসৰ্জন। আনকি শাসক আৰু শাসিতৰ মাজতো নাছিল বিভেদ-বিচ্ছিন্নতা। সেই কাৰণে ইছলামধৰ্মীসকলে দাবী কৰে যে তেওঁলোক কেৱল গণতান্ত্ৰিকেই নহয়, সমাজতান্ত্ৰিকো।

ইছলামৰ আন এটা বৈশিষ্ট্যপূৰ্ণ আকৰ্ষণ এয়ে যে ইছলামে বাস্তৱ জীৱনক অৱজ্ঞা নকৰে। ইছলামে সাহিত্য-সংস্কৃতি, জ্ঞান-বিজ্ঞানৰ বিকাশতো গুৰুত্ব দিয়ে আৰু একে সময়তে ব্যৱসায়-বাণিজ্য আদিৰ ক্ৰমবিকাশৰ ওপৰতো গুৰুত্ব দিয়ে। বাহিৰ্বাণিজ্য বা বৈদেশিক বাণিজ্যৰ জৰিয়তেই দেশ-বিদেশৰ লগত গঢ়ি তুলিছিল সাংস্কৃতিক সম্পৰ্ক। আনকি বৈদেশিক বাণিজ্যৰ মাধ্যমতে ৰাজনীতি, অৰ্থনীতি, ধৰ্ম, সংস্কৃতিৰ ক্ষেত্ৰত গঢ়ি তুলিছিল প্ৰতিযোগিতামূলক পৰিবেশ; আনকি অনেক ক্ষেত্ৰত সংগ্ৰামী পৰিবেশ আৰু চেতনাও গঢ়ি তুলিবলৈ এৰা নাছিল।*

ইছলামধৰ্মীসকল অধ্যাত্মবাদীয়েই, কিন্তু বাস্তৱবিমুখ নহয়; সম্পদক বিপদ বুলি নকয় বা তেনেকৈ নাভাবে; সম্পদৰ সমবণ্টনৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে। ইছলামধৰ্মীসকল সুগভীৰভাৱে আদৰ্শনিষ্ঠ আৰু পৰ ধৰ্মমতৰ প্ৰতি সহিষ্ণু। সেই কাৰণেই ইছলামধৰ্মীসকলৰ সান্নিধ্য বা সংস্পৰ্শ হৈ পৰিছিল সকলোৰে কাৰণে স্পৃহনীয়। বিশ্বশান্তি ইছলামৰ অন্যতম প্ৰধান লক্ষ্য হোৱা হেতুকেও ইছলামৰ আকৰ্ষণ বাঢ়িছিল বুলি অনুমান কৰা হয়।

ইছলাম আৰু বিশ্বশান্তি ঃ

বহুতে কয় আৰু ভাবে যে তৰোৱালৰ বলেৰেহে ইছলাম প্ৰচাৰ কৰা হৈছিল। ইছলামৰ প্ৰচাৰত জোৰ-জুলুম বা বল প্ৰয়োগ কৰা হোৱা নাছিল বুলি কোৱা টান। আৰবত বেদুইনবিলাক সাধাৰণতে দস্যু বৃত্তিসম্পন্ন লোক আছিল। ইছলাম গ্ৰহণ কৰাৰ লগে লগে দস্যু বৃত্তি নাই। সেই পৰম্পৰাগত দস্যু বৃত্তিৰ কাৰণে ধৰ্মৰ নামত দিগ্‌বিজয় কৰিবলৈ লোৱা কালত তেওঁলোকৰ হেনো দুটা দাবী আছিল,— (১) হয় ইছলাম গ্ৰহণ কৰা নহয়, (২) কৰতলীয়া হোৱা। দাবী দুটাৰ এটাও মানি নল'লে, সাধাৰণতে তৰোৱালৰ আক্ৰমণ চলাইছিল। বিশিষ্ট ঐতিহাসিক দ্ৰেপাৰে অনুমান

কৰাৰ দৰে এচিয়া, ইউৰোপ আৰু আফ্ৰিকাৰ ধৰ্মযাজকসকলৰ কুসংস্কাৰ, কুনীতি, কদাচাৰ আদিয়ে জনগণক অতিষ্ঠ কৰি তুলিছিল আৰু সেই কাৰণেহে শান্তিৰ আকাংক্ষাত গ্ৰহণ কৰিছিল ইছলাম।[৭]

আন এগৰাকী বিশ্ববিশ্ৰুত ঐতিহাসিক গিবনেও কৈছিল যে তৰোৱাল নহয়, সাম্য-মৈত্ৰীৰ আদৰ্শইহে ইছলামক বিশ্ববাসীৰ মানত আদৰণীয় কৰি তুলিছিল। নানা মত, নানা ধৰ্ম, নানা কুসংস্কাৰে সমাজ জীৱন তেনেই কলুষিত কৰি তুলিছিল আৰু ইছলামে তাৰ ঠাইত প্ৰৱৰ্তন কৰিছিল শান্তিপূৰ্ণ সহ অৱস্থানৰ পৰিবেশ। সেয়ে শান্তিকামী জনগণে গ্ৰহণ কৰিছিল ইছলাম।[৮]

ভাৰতত মুছলমান বসতি ঃ

ভাৰতত মুছলমান তথা আৰবীয় লোকৰ বসতি কেতিয়াৰ পৰা আৰম্ভ হৈছিল, সেই কথাও আজি সঠিকভাৱে জনা টান। হজৰত মহম্মদৰ জন্মৰ পূৰ্বেই পঞ্চতন্ত্ৰ পাৰচী-আৰবীলৈ অনুবাদ কৰা কাৰ্যই ভাৰতৰ লগত আৰব জগতৰ প্ৰাচীন সম্পৰ্কৰ স্বৰূপ উপলব্ধি কৰাত সহায় কৰে। সেই নিদৰ্শনৰ পৰা অনুমান কৰিব পাৰি যে অন্ততঃ হজৰত মহম্মদৰ জন্মৰ পূৰ্বৰে পৰা আৰব জগতৰ পণ্ডিত লোক ভাৰতলৈ আহি সংস্কৃত ভাষা আয়ত্ত কৰি লৈছিল। সি নিশ্চয় এদিনীয়া কাম নাছিল, অন্ততঃ কিছুকালজোৰা শিক্ষা-দীক্ষাৰ ফলতহে সি সম্ভৱপৰ হৈছিল নিশ্চয়। পঞ্চতন্ত্ৰ যদি খ্ৰীঃ ৫৩১– খ্ৰীঃ ৫৯৮ চনৰ ভিতৰত আৰবীয় ভাষালৈ অনূদিত হৈছিল, তেতিয়া অন্ততঃ ৬ষ্ঠ শতিকাৰ আদিভাগতে সংস্কৃত ভাষা ভালকৈ চৰ্চা কৰিছিল। সংস্কৃত ভাষাৰ চৰ্চা বণিজৰ কাৰণে অহা বণিকৰ দ্বাৰা সম্ভৱপৰ হৈছিল বুলি অনুমান কৰাৰ যুক্তি তৰল; সম্ভৱ পৰৱৰ্তী কালত অহা পৰ্যটক আল-বিৰুণীৰ দৰে পণ্ডিতৰ দ্বাৰাহে সি সম্ভৱপৰ হৈছিল।

ড° তাৰাচাঁদৰ মতে উত্তৰ ভাৰতত হৰ্ষবৰ্ধনে ৭ম শতিকাত ৰাজত্ব কৰা কালত দক্ষিণ ভাৰতত ইছলামে সম্পৰ্ক পাতে কিন্তু বণিজৰ মাধ্যমতেই।[৯] আৰু তেনেকৈয়ে ভাৰতত ইছলামধৰ্মী মুছলমান মানুহৰ বসতি আৰম্ভ হয়। সেই ইছলামধৰ্মী বণিকসকলৰ সজ আচৰণত মুগ্ধ হৈ হেনো উপকূলীয় অঞ্চলৰ ৰজাই মছজিদ আদি নিৰ্মাণ কৰি ইছলামীয় ৰীতি অনুসৰি স্বধৰ্মত প্ৰৱৰ্তিবলৈ অনুমতি দিছিল।

সেইছোৱা কাল আছিল দাক্ষিণাত্যত ভক্তিমাৰ্গী আলোৱাৰসকলৰ উত্তৱৰ কাল। সেই সময়ৰ দক্ষিণ ভাৰতত ধৰ্মৰ নামত শৈৱ, জৈন, বৌদ্ধধৰ্মীসকলৰ মাজত চলিছিল তুমুল ভাতৃঘাতী সংঘাত। অথচ সেই একে সময়তে দাক্ষিণাত্যৰ উপকূল অঞ্চলত বসবাস কৰিবলৈ লোৱা ইছলামধৰ্মীসকলে নিৰ্বাহ কৰিছিল ঐক্য সংহতিময় শান্তিপূৰ্ণ জীৱন। সিয়ে বহু হিন্দুক ইছলামৰ প্ৰতি আকৃষ্ট কৰে। আনকি মালাবৰৰ হিন্দুৰজা চেৰুমন প্ৰজাবৰ্গৰ সৈতে সেই সময়তে হেনো ইছলামত দীক্ষিত হয়। ড. তাৰাচাঁদৰ মতে তেনেদৰে সাংস্কৃতিক সম্পৰ্কৰ জৰিয়তেই একাংশ ভাৰতীয় লোকে ইছলামধৰ্ম গ্ৰহণ কৰে।[১০] এনে নিদৰ্শনৰ পৰা স্পষ্ট উপলব্ধি হয় যে পোনতে সাংস্কৃতিক

সম্পৰ্কৰ মাধ্যমতহে ভাৰতত ইছলাম প্ৰৱৰ্তন হৈছিল। ৰাজনৈতিকভাৱে ভাৰত জয় কৰি মুছলমান বসতি বা ইছলাম প্ৰচাৰ হয় পিছতহে।

ভাৰতৰ বুকুলৈ পাঁচটা স্তৰত ইছলামধৰ্মী মুছলমানৰ আগমন হৈছিল বুলি বিবেচনা কৰা হয়। দাক্ষিণাত্যৰ মালাবৰ উপকূল অঞ্চলত ইছলামধৰ্মী মুছলমানৰ বসতি বা ধৰ্মান্তৰকৰণ আছিল সাংস্কৃতিক সম্পৰ্কৰ প্ৰভাৱৰ ফল। কিন্তু সেইটোকে বোলা হয় প্ৰথম স্তৰ।

তাৰ পিছৰ স্তৰবোৰ আছিল ৰাজনৈতিক। ৰাজনৈতিক স্তৰবোৰৰ প্ৰথম সফল অভিযান চলাইছিল মহম্মদ বিন কাছিমৰ নেতৃত্বত, ফল সিন্ধু বিজয়। ঐতিহাসিকসকলৰ মতে মহম্মদ বিন কাছিমে হেনো ৰাজ্যবিস্তাৰ বা ইছলামৰ প্ৰচাৰত গুৰুত্ব দিয়া নাছিল।

দ্বিতীয় ৰাজনৈতিক অভিযান চলাইছিল ঘজনিৰ চুলতান মাহমুদে। ঐতিহাসিকসকলৰ মতে মাহমুদে এবাৰ এবাৰকৈ একে লেথাৰিয়ে সোতৰবাৰ ভাৰত আক্ৰমণ কৰি ঘাইকৈ ধন- সম্পদ লুণ্ঠন কৰি ঘজনিলৈ লৈ গৈছিল; স্থায়ীভাৱে ৰাজত্ব বিস্তাৰ বা ইছলাম প্ৰচাৰ হেনো মাহমুদৰো লক্ষ্য নাছিল। সম্ভৱতঃ ভাৰতীয়সকলৰ শক্তিশালী প্ৰতিৰোধৰ কাৰণেই মহম্মদ বিন কাছিম বা চুলতান মাহমুদে ৰাজ্য বিস্তাৰ আৰু আনকি ইছলামৰ প্ৰসাৰতা সাধনত গুৰুত্ব দিয়া নাছিল।

ভাৰতৰ বুকুত তৃতীয় সফল আক্ৰমণ মহম্মদ ঘোৰীৰ। মহম্মদ ঘোৰীয়ে দিল্লী জয় কৰি স্থায়ীভাৱে মুছলমান শাসন প্ৰৱৰ্তন কৰে। চতুৰ্থ সফল আক্ৰমণ হ'ল বাবৰৰ। মহম্মদ ঘোৰীয়ে প্ৰৱৰ্তন কৰা মুছলমান শাসনকে পৰাভূত কৰি বাবৰে প্ৰতিষ্ঠা কৰিছিল মোগল সাম্ৰাজ্য। মোগলৰ শাসন কালতে আহে ইউৰোপীয় বণিকসকল। ওলন্দাজ, ফৰাচী আৰু ইংৰাজ বণিকসকলে সাম্ৰাজ্যবাদী কৌশলেৰে ভাৰত জয় কৰে; শেষত সংঘাত-সংগ্ৰামৰ মাজেদি ইংৰাজেই হৈ পৰে 'ভাৰতেশ্বৰ', ভাৰতৰ অধিপতি। ভাৰতত মুছলমান শাসনৰ অৱসান ঘটাই প্ৰকৃততে ইংৰাজেহে।

মহম্মদ বিন কাছিমৰ আক্ৰমণ ঃ

সিন্ধু প্ৰদেশ বৰ্তমান পাকিস্তানৰ অন্তৰ্গত। ৮ম শতিকাৰ প্ৰাৰম্ভৰ কালছোৱাত সিন্ধুৰ ৰজা আছিল হিন্দু দাহিৰ। দাহিৰৰ ৰাজত্বকালত ইৰাণৰ শাসক হাজ্জাজে পোন প্ৰথম সিন্ধু তথা ভাৰতৰ বিৰুদ্ধে সামৰিক অভিযান চলায়। গোলাম আহমদ মোৰ্ত্তজা বোলা বাংলাভাষী ঐতিহাসিকৰ মতে ''

(১) হাজ্জাজ ইৰাণ-পাৰস্যৰ যুদ্ধত লিপ্ত থকা কালত সিন্ধুৰ ৰজা দাহিৰে হাজ্জাজৰ শত্ৰুপক্ষৰ লগত সহযোগিতা কৰিছিল।

(২) হাজ্জাজৰ শাসন কালতে এটা বিদ্ৰোহী ইৰাণী দল পলাই আহি দাহিৰৰ ৰাজ্যত আশ্ৰয় লৈছিল।

(৩) খ্ৰীঃ ৭০৮ চনত এজাহাজে মুছলমান ৰমণী কলঘোৰ পৰা ইৰাণলৈ

যাবলৈ আহোঁতে দাহিৰৰ ৰাজ্যৰ অন্তৰ্গত দেবল বন্দৰৰ ওচৰত জলদস্যুই ৰমণীবিলাকক অপহৰণ আৰু ধৰ্ষণ কৰে।

এইবোৰ কাৰণতে হাজ্জাজ দাহিৰৰ বিৰুদ্ধে অভিযান চলায়; কিন্তু এবাৰ এবাৰকৈ হাজ্জাজৰ বাহিনী দুবাৰো পৰাভূত হয়। তৃতীয়বাৰ কিন্তু সেনাপতি মহম্মদ বিন কাছিমৰ নেতৃত্বত অভিযান চলাই জয়যুক্ত হয়। দাহিৰে যুঁজি যুঁজি যুদ্ধ ক্ষেত্ৰতে মৃত্যু বৰণ কৰে আৰু দাহিৰৰ সিন্ধু ৰাজ্য মুছলমানৰ অধীন হয়। কোনো কোনো বুৰঞ্জী লেখকৰ মতে মহম্মদ বিন কাছিমে সিন্ধুৰ ওপৰত ৰাজনৈতিক অধিকাৰহে সাব্যস্ত কৰিছিল, সাংস্কৃতিক ক্ষেত্ৰত ৰূপান্তৰ সাধনৰ প্ৰতি মনোনিবেশ কৰা নাছিল হেনো, পূৰ্বাপৰ ব্যৱস্থা অনুসৰিয়ে হেনো শাসন আৰু সমাজ প্ৰবৰ্তিছিল।

সামন্ত যুগত বিজেতাই বিজিতৰ ওপৰত অত্যাচাৰ-নিৰ্যাতন চলোৱা, বিজিতক লুট-পাত কৰা, নাৰীক বলপূৰ্বক পত্নীৰূপে গ্ৰহণ কৰা বা ধৰ্ষণ কৰা, আনকি ধৰ্মান্তৰ কৰা কাৰ্যও আছিল বিধিবদ্ধই। ঐতিহাসিক গোলাম আহম্মদ মোৰ্তজাই স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে খলিফা দ্বিতীয় ওমৰৰ প্ৰস্তাৱ অনুসৰি দাহিৰৰ পুত্ৰ ৰজা জয়চীমাহ আৰু প্ৰজাবৰ্গও ইছলাম ধৰ্মত দীক্ষিত হয়। বিজেতা ইৰাণী বাহিনীয়ে হেনো দেৱাল, মন্দিৰ ধ্বংসও কৰিছিল আৰু তাত থকা সকলো সম্পদো লুটিছিল। একেখন বুৰঞ্জীতে ঐতিহাসিক মোৰ্তজাই স্বীকাৰ কৰিছে যে সতীত্ব ৰক্ষাৰ হকে দাহিৰৰ দুই ৰাণীয়ে জুইত জাহ দি আত্মবিসৰ্জন কৰিছিল। সিমানেই নহয়, দুই ৰাজকুমাৰীক খলিফাৰ হেৰেমলৈ প্ৰেৰণ কৰা হৈছিল, কিন্তু তাৰ পূৰ্বেই ৰাজকুমাৰীদ্বয়া মহম্মদ বিন কাছিমৰ দ্বাৰা ধৰ্ষিতা হোৱা বুলি সন্দেহ হোৱাত খলিফাৰ আদেশেৰে হেনো কুমাৰীদ্বয়াক নিহত কৰোৱাও হৈছিল।

সামন্ত যুগত এনেবোৰ কথা-কাৰ্য ঘটিছিলেই। নঘটা বুলি ক'বলৈ যোৱা কেৱল সত্যৰ অপলাপ মাথোন। হিন্দুৰ ওপৰতহে যে মুছলমান বিজেতাই অত্যাচাৰ নিপীড়ন কৰিছিল তেনে নহয়, মুছলমানৰ ওপৰতো অতি নিষ্ঠুৰতাৰে মুছলমান বিজেতাই অত্যাচাৰ উৎপীড়ন চলাইছিল। মহম্মদ ঘোৰীয়ে ভাৰতত প্ৰৱেশ কৰাৰ পূৰ্বে আক্ৰমণ কৰিছিল ঘজনি ৰাজ্য। এজন মুছলমানে আন এখন মুছলমান ৰাজ্য আক্ৰমণ কৰি কৰা নিৰ্মম অত্যাচাৰৰ কথা বৰ্ণনা কৰি ড০ তাৰাচাঁদে কৈছে,[১২] –

> "আলপ্তগীনে ধুমুহাৰ বেগত ঘজনি অধিকাৰ কৰে। মাহমুদৰ প্ৰতিভা আৰু আড়ম্বৰৰ সুৰম্য স্মৃতি- প্ৰাসাদবিলাক এফালৰ পৰা গুৰি কৰি দিলে। ঘোৰী চৰ্দাৰে চহৰখন অধিকাৰ কৰাৰ পিছত সাতদিন ক'লা ধোঁৱাই বায়ুমণ্ডল ৰাতিৰ দৰে আন্ধাৰ কৰি ৰাখিছিল। জ্বলন্ত চহৰৰ অগ্নিশিখাই ৰাতিবোৰ দিনৰ দৰে পোহৰ কৰি ৰাখিছিল। দুৰ্দমনীয় জেদ আৰু প্ৰতিহিংসাৰ লগত লুটপাত আৰু ধ্বংসলীলা চলে। নৰ-নাৰীক নীৰৱে হত্যা কৰা হয় বা ক্ৰীতদাসত পৰিণত কৰা হয়। মাহমুদৰ আৰু ইব্ৰাহিমৰ বাজে ঘজনিৰ সকলো চুলতানৰ মৃতদেহ কবৰৰ পৰা উলিয়াই আনি চূড়ান্তভাৱে অপমান কৰা হয় বা পোৰা হয়।"

টাইমুৰ আৰু নাদিৰছাহৰ আক্ৰমণ আছিল তাতোকৈও বেছি নিষ্ঠুৰ আৰু নির্মম। আৰু বিশেষ মন কৰিব লগা কথা এয়ে যে তেওঁলোকৰ আক্ৰমণ আৰু অত্যাচাৰৰ থলী আছিল যাইকে মুছলমান আৰু মুছলমান শাসিত ৰাজ্যহে। এনেবোৰ নিদর্শনৰ ভিত্তিত সিন্ধু বিজেতা মহম্মদ বিন কাছিম নিষ্ঠুৰ আৰু নির্মম হোৱাত আচৰিত হ'ব লগা একো কথাই নাই। মহম্মদ বিন কাছিমক ধর্মযোদ্ধা গাজীৰূপে প্ৰতিপন্ন কৰিব বিচৰা চেষ্টা অনৈতিহাসিকহে হ'ব।

মুছলমান আক্ৰমণ বনাম ভাৰত ঃ

মহম্মদ বিন কাছিম আৰু চুলতান মাহমুদ বিজেতা হৈও কি কাৰণে ভাৰতব্যাপী ৰাজ্য বিস্তাৰৰ পৰা বিৰত থাকিল তাক সঠিকভাৱে নির্ণয় কৰা টান। এই ক্ষেত্ৰত বিশেষ মন কৰিব লগা কথা এয়ে যে মহম্মদ বিন কাছিমে সিন্ধুজয়ৰ প্ৰায় দুশ বছৰ পিছতহে চুলতান মাহমুদেও সিন্ধু উপত্যকাতে আক্ৰমণ চলাই তাঁতেই লুটপাত কৰি ক্ষান্ত থাকিব লগাত পৰিছিল, আগবঢ়াৰ সাহস গোটাব পৰা নাছিল। আনকি চুলতান মাহমুদৰ খ্ৰীঃ ১০৩০ চনৰ শেষ আক্ৰমণৰো ১৬১ বছৰ পিছতহে মহম্মদ ঘোৰীয়ে ভাৰতৰ বিৰুদ্ধে অভিযান চলাইছিল। মহম্মদ ঘোৰীৰ আক্ৰমণৰ আগলৈকে ৰাজপুতকে ধৰি ভাৰতীয় শাসকগোষ্ঠী প্ৰবল শক্তিশালী আছিল বুলি জনা যায়। চুলতান মাহমুদে ভাৰতীয়সকলৰ প্ৰতিৰোধ চম্ভালিব নোৱাৰি লুটপাত কৰা সামগ্ৰীৰে সৈতে পলায়ন কৰিবলৈ বাধ্য হৈছিল। আনকি মহম্মদ ঘোৰীয়েও প্ৰথমবাৰ হাৰ মানি পলায়ন কৰিব লগাত পৰিছিল। দ্বিতীয় আক্ৰমণতহে দিল্লীৰ অধিপতি ৰাজপুত পৃথ্বীৰাজক পৰাভূত আৰু নিহত কৰি দিল্লীত মুছলমান শাসন প্ৰৱৰ্তন কৰিবলৈ সমৰ্থ হয়। আৰু সি সম্ভৱপৰ হৈছিল সেই সময়ত ৰাজপুতসকলৰ মাজত গঢ় লৈ উঠা গোষ্ঠী কন্দলৰ কাৰণেহে। কণৌজৰ অধিপতি জয়চাঁদ বা জয়চন্দ্ৰই পৃথ্বীৰাজক ষড়যন্ত্ৰমূলকভাৱে বিশ্বাসঘাতকতা নকৰাহেঁতেন মহম্মদ ঘোৰীয়ে দিল্লী জয় কৰা কিজানি সম্ভৱপৰ নহ'লহেঁতেন।

সেয়ে অনুমান কৰিব পাৰি যে ভাৰতীয়সকলৰ শক্তি-সামৰ্থ্য আৰু দেশপ্ৰেমৰ কাৰণেই সম্ভৱতঃ বিজেতা মুছলমানসকল সংযত হ'বলৈ বাধ্য হৈছিল। ভাৰতীয়সকলৰ মাজত ঐক্য সংহতি অটুট থকাহেঁতেন বাবৰেও খ্ৰীঃ ১৫২৬ চনৰ পানীপথৰ যুদ্ধৰে ভাৰতত মোগল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰা সম্ভৱপৰ নহ'লহেঁতেন। লোডীবংশৰ ইব্ৰাহিম লোডীক বাবৰে পৰাভূত কৰিব পাৰিছিল পঞ্জাবৰ শাসনকৰ্তা দৌলত খাঁ লোডীয়ে বিশ্বাসঘাতকতা কৰা কাৰণেহে।

ভাৰতৰ বিশালতা আৰু ব্যাপকতাই ভাৰতক কৰি তুলিছিল বৈশিষ্ট্যপূৰ্ণও। এই উপমহাদেশখনক সৈন্যবল বা খাৰ-বাৰুদৰ বলেৰে বশ কৰা সম্ভৱপৰ নাছিল। মহম্মদ ঘোৰী বা বাবৰ আৰু তেওঁলোকৰ উত্তৰাধিকাৰীসকলে সম্ভৱ বাস্তৱ অভিজ্ঞতাৰ পৰাই সেই সত্যৰ সম্ভেদ পাইছিল আৰু সম্ভৱ সেইকাৰণেই আন্তৰিকতাপূৰ্ণ শ্ৰদ্ধা-মৰম আৰু ওখ সাংস্কৃতিক গৰিমাৰেহে ভাৰতক জয় কৰিবলৈ প্ৰয়াস কৰিছিল। ইছলামৰ প্ৰৱৰ্তক পুৰুষ হজৰত মহম্মদৰ বিয়োগৰ প্ৰায় দুশ বছৰ পিছৰ ইছলাম

জগতৰ নিত্য-নতুন জ্ঞানৰ গৰিমাই প্ৰকৃত অৰ্থতে বিশ্ববাসীক মুগ্ধ কৰিবলৈ সমৰ্থ হৈছিল। অৱশ্যে নৱম শতিকাৰ শেষ ভাগৰ পৰা ইছলাম জগতো হৈ পৰিছিল অভিনৱত্বহীন গতানুগতিক। ১০ম শতিকাৰ পৰা ভাৰতলৈ অহা ইছলামধৰ্মীসকল আছিল মূলতঃ পৰৰাজ্য আৰু পৰসম্পদ লোলুপ। কিন্তু তথাপি ভাৰত তথা ভাৰতবাসীৰ চিত্ত জয় কৰাৰ অৰ্থে ইছলাম জগতৰ ভিন ভিন দেশৰ পৰা শিল্পী-সাহিত্যিক, জ্ঞানী-গুণী লোকসকলক বিচৰাই আনি শাসকবৰ্গই পৃষ্ঠপোষকতা দান কৰিছিল বুলি অনুমান কৰাৰ থল আছে। অৱশ্যে তেওঁলোকৰ একো অংশ ধৰ্মাধ্যক্ষ যে উগ্ৰ বা গোড়া আছিল সেই বিষয়েও সন্দেহৰ থল নাছিল; সেই অংশ ধৰ্মাধ্যক্ষৰ উপদেশ অনুসৰি কামত হাত দিয়া কাৰণেই দুই- একোগৰাকী বাদছাহ বা সম্ৰাট উগ্ৰ তথা অসহিষ্ণু মুছলমানৰূপে প্ৰতিপন্ন নোহোৱাকৈ থকা নাছিল। উদাহৰণস্বৰূপে ভাৰতত মোগল শাসন প্ৰবৰ্তন হোৱাৰ কিছুকাল আগৰ কাশ্মীৰৰ বাদছাহ ছিকান্দৰৰ ৰাজত্বকাল আৰু মোগল বাদছাহ আওৰংজেবৰ ৰাজত্বকাললৈ আঙুলিয়াব পাৰি। ড° বি এম পাণ্ডে কাশ্মীৰৰ ইতিহাসৰ অৱলম্বনত জানিবলৈ দিছে যে কাশ্মীৰৰ বাদছাহ ছিকান্দৰ আছিল উগ্ৰ মুছলমান। সেইজন বাদছাহৰ উগ্ৰতাৰ কবলত তিষ্ঠিব নোৱাৰি হিন্দুবিলাকে কাশ্মীৰ এৰি পলায়ন কৰিব লগাত পৰিছিল। অথচ অন্ততঃ খ্ৰীঃ ৮ম শতিকাৰ বৌদ্ধধৰ্মী ৰজা ললিতাদিত্যৰ ৰাজত্বকালৰ পৰা (খ্ৰীঃ ৭২৪ –৭৬০) কাশ্মীৰ আছিল ধৰ্ম সম্প্ৰদায় নিৰপেক্ষতা আৰু ভাৰতীয় শিক্ষা-সংস্কৃতি চৰ্চাৰ পীঠস্থানস্বৰূপ। সেই কাশ্মীৰক ছিকান্দৰ বাদছাহৰ উগ্ৰ ইছলামিক শাসনে প্ৰায় হিন্দুহীন কৰি পেলাইছিল। অৱশ্যে তেওঁৰ পুত্ৰ ধৰ্মনিৰপেক্ষ বা ধৰ্মৰ ক্ষেত্ৰত উদাৰ বাদছাহ জৈন-উল-আবদীনে (জয়নাল আবেদীন) (খ্ৰীঃ ১৪২২–১৪৭৪) হে হিন্দুসকলৰ মনত পুনৰ আস্থা আৰু বিশ্বাস জগাই তুলিবলৈ সমৰ্থ হৈছিল।[১৩]

সম্ভৱতঃ সেই সময়তে ৰচনা হৈছিল ‘ছিকান্দৰ লোডী আৰু কুৰুক্ষেত্ৰ’ৰ দৰে সাধুকথা। এই সাধুৱে অনুভৱ কৰিবলৈ দিয়ে যে মুছলমান শাসকসকল সাধাৰণতে হিন্দু ভাৰতীয়ৰ প্ৰতি উদাৰেই আছিল। সাধু অনুসৰি তেতিয়া দিল্লীত ছিকান্দৰ লোডীৰ শাসন চলিছে। তেওঁ হিন্দুৰ পৱিত্ৰ তীৰ্থ কুৰুক্ষেত্ৰ জয় কৰিবলৈ বুলি মনতে পাণ্ডি আলিমসকলৰ অনুমোদন বিচাৰিলে। আলিমসকলৰ ভিতৰত আকৌ মিঞা আব্দুল্লা আছিল সবাতোকৈ বয়োবৃদ্ধ আৰু জ্ঞানবৃদ্ধ। কনিষ্ঠ আলিমসকলে চুলতানক মিঞা আব্দুল্লাৰ লগত পৰামৰ্শ কৰিবলৈহে অনুৰোধ কৰিলে। চুলতানে আব্দুল্লাৰ ওচৰ চাপি সুধিলে—

“কুৰুক্ষেত্ৰ জয় কৰা উচিত হ’বনে?”

“কুৰুক্ষেত্ৰ জয় কৰিবলৈ বিচৰা হ’ল কিয়?” মিঞাই প্ৰশ্ন কৰিলে।

“সূৰ্য গ্ৰহণৰ দিনা অসংখ্য হিন্দু তাৰ সুৰযকুণ্ডলৈ স্নান কৰিবলৈ আহে কাৰণে।”

চুলতানৰ উত্তৰ শুনি মিঞা আব্দুল্লাই আকৌ প্ৰশ্ন কৰিলে—

“এই ৰীতি কেতিয়াৰ পৰা প্ৰচলন হৈ আহিছে?”

"কৃষ্ণ-বলোৰাম দ্বাৰকাত থকা কালৰে পৰা।"

"আপোনাৰ পূৰ্ব-পুৰুষে কি কৰিছিল?"

"একো কৰা নাছিল।"

"দায়িত্ব আছিল তেওঁলোকৰহে, আপোনাৰ নহয়, আপুনি তাত হাত দিয়া উচিত নহয়।"

এইটো এটা লোক সাধু।[১৪] কিন্তু ভাৰতত মুছলমান শাসনৰ বিষয়ে জনাত এই সাধুটোই বিশিষ্টভাৱে সহায় কৰে। উলেমা বা আলিমসকলে সময়ে সময়ে উগ্ৰতা বা অসহিষ্ণুতাৰ পথেৰে সম্ৰাট বাদছাহসকলক পৰিচালিত কৰিছিল সঁচা; কিন্তু অনেক ক্ষেত্ৰত আকৌ অসহিষ্ণু বা উগ্ৰ সম্ৰাট বাদছাহক উলেমা আলিমসকলেই নিয়ন্ত্ৰণ বা সংযত নকৰাকৈও থকা নাছিল।

আওৰংগজেৱ গোড়া বা উগ্ৰ ৰূপেই সৰ্বজনবিদিত। কিন্তু উদ্‌ঘাটিত তথ্যৰপৰা জনা যায় যে আওৰংজেৱৰ উগ্ৰতা বা গোড়ামিৰ কাৰণে বহুপৰিমাণে জগৰীয়া তেওঁৰ ধৰ্মগুৰু উলেমা মোল্লা ছালেহ। আওৰংগজেৱে হেনো সংকীৰ্ণ দৃষ্টি-ভংগীৰে তেওঁক জ্ঞান বিদ্যা দান কৰা কাৰণে মোল্লা ছালেহক ভৰ্ৎসনা কৰি কৈছিল,—

" .... এজন চাহজাদাৰ শিক্ষাক্ৰমত কিমান গুৰুত্বপূৰ্ণ বিষয় অন্তৰ্ভুক্ত হোৱা উচিত, তাক পাহৰি গৈ আপুনি কেৱল আৰবীৰ মাধ্যমত ব্যাকৰণৰ জ্ঞান আৰু আইন আৰু বিজ্ঞানৰ জ্ঞান আৰ্জনতেই প্ৰাধান্য দিলে। মোৰ ভালকৈ মনত আছে যে বহু বছৰ জুৰি আপুনি এনে কিছুমান অলস আৰু অসাৰ সমস্যাৰ দ্বাৰা মোৰ মস্তিষ্ক জৰ্জৰিত কৰিছে যে সি মোক সমূলি মানসিক আনন্দ দিব পৰা নাই, আনকি সি মোৰ জীৱনৰ কোনো কামতেই লগা নাই। .... আপুনি যদি মোক সেই দৰ্শন শিকালেহেঁতেন যিয়ে মনক যুক্তিনিৰ্ভৰশীল কৰিলেহেঁতেন, যিয়ে জীৱনৰ যিকোনো সংঘাতপূৰ্ণ মুহূৰ্তত মনক বিশ্ৰাম আৰু তৃপ্তি দান কৰিলেহেঁতেন। আপুনি যদি মোক মানুহৰ প্ৰকৃতিৰ লগত পৰিচিত কৰিলেহেঁতেন, যদি সকলো সময়তে প্ৰথমস্তৰৰ মানবীয় নীতিৰ লগত অভ্যস্ত কৰিলেহেঁতেন, যদি সমগ্ৰ বিশ্ব আৰু তাৰ বিভিন্ন অংশৰ অশেষ শৃংখলা আৰু নিয়মিত আবৰ্তনৰ উন্নত আৰু পৰ্যাপ্ত ধাৰণা দিলেহেঁতেন, ... তেনেহ'লে, আলেকজেণ্ডাৰে যেনেকৈ এৰিষ্টোটলৰ প্ৰতি অনুগত হৈ থাকিছিল, মই তাতকৈও আপোনাৰ ওচৰত বেছি অৱনত আৰু ঋণী হৈ থাকিলোহেঁতেন।"[১৫]

এনেদৰে বিচাৰ কৰিলে দেখা যায় যে বাদছাহ আৰু চুলতানসকলৰ কোনো কোনোকো সৎ আৰু উদাৰমনা উলেমা আৰু আলিমসকলে সংযত কৰি ৰাখিবলৈ যেনেকৈ যত্নপৰ হৈছিল, তেনেকৈ আন একাংশ উলেমা বা আলিমে সম্ৰাট-বাদছাহসকলক

গোড়া আৰু উগ্ৰ মুছলমানৰূপে গঢ়ি তুলি অপ্ৰীতি-অশান্তিৰ সৃষ্টি নকৰাকৈও থকা নাছিল।

কিন্তু মহম্মদ বিন কাছিমৰ পৰা শেষ মোগল সম্ৰাট বাহাদুৰ ছাহৰ কাললৈ সুদীৰ্ঘ প্ৰায় এহাজাৰ বছৰৰ ভাৰতীয় মহাজাতিৰ ইতিহাস বিচাৰ কৰিলে দেখা যায় যে কোনো এজনো বাদছাহ বা চুলতানে ইছলামিক আইন অনুসৰি দেশ শাসন কৰা নাছিল। বিশিষ্ট ঐতিহাসিক পণ্ডিত চাৰ যদুনাথ সৰকাৰে সঠিকভাৱেই ক'ব পাৰিছে যে কোনো ভাৰতীয় মুছলমান শাসকেই মক্কা বা মদিনাত গঢ় লৈ উঠা খিলাফতী আইন ভাৰতত প্ৰয়োগ কৰা নাছিল। তেওঁ সুস্পষ্টভাৱেই কৈ গৈছে যে নবী হজৰত মহম্মদৰ আদৰ্শ ধৰ্মৰাজ্য আৰবত ত্ৰিশ বছৰতকৈ বেছি কাল টিক . নাছিল।[১৬]

ভাৰতত হিন্দু-মুছলমানৰ সমন্বয় :

ইতিহাসৰ পাত মেলি পক্ষপাত শূন্যভাৱে বিচাৰ কৰিলে দেখা যায় যে হিন্দু-মুছলমানৰ সংঘাত আৰু সংঘৰ্ষৰ ফলত ভাৰতত এটা নতুন সাংস্কৃতিক আলোড়ন গঢ় লৈ উঠিছিল। সেই সংস্কৃতিক বুলিব পাৰি ভাৰত-আৰব সংস্কৃতি।

বহুতে ভাবে, লেখে আৰু কয় যে ভাৰতৰ ভক্তি আলোড়ন ইছলামিক সংস্কৃতিৰ প্ৰভাৱৰ ফল। এনে ধাৰণাক বিশুদ্ধ বা নিৰপেক্ষ বোলা টান। কাৰণ ভাৰতত ভক্তিৰ উদ্ভৱ আৰু প্ৰচাৰৰ কাল বৰ প্ৰাচীন; তাৰ তুলনাত ইছলাম অৰ্বাচীন। ভাৰতত অন্ততঃ ভগবৎ গীতাৰ উৎপত্তিৰ কালৰ পৰা ভক্তিয়ে প্ৰসাৰতা লাভ কৰিছিল। ব্ৰহ্মময় জগতৰ চিন্তাও অন্ততঃ ঋগবেদৰ দিনৰে পৰা প্ৰবাহিত হৈ আহি আছে। দাৰ্শনিক চিন্তাৰ ফালৰ পৰা হিন্দু ভাৰতে দাবী কৰিব পাৰে যে ইছলাম ভাৰতীয় দৰ্শনৰদ্বাৰা পৰিপুষ্ট হৈছিল। ভাৰতবিদ আৰু ভাৰতীয় হিন্দু সংস্কৃতিপ্ৰেমী হেভেলে সম্ভৱ সঠিকভাৱেই ক'ব পাৰিছিল যে, ইছলামিক দৰ্শন নহয়, ইছলামিক সমাজ ব্যৱস্থাৰ গণতান্ত্ৰিকতাইহে ভাৰতক বিশেষভাৱে আকৰ্ষণ কৰিছিল।[১৭] সকলো মহলে সচেতনভাৱে বিবেচনা কৰা উচিত যে সংস্কৃতিয়ে সংস্কৃতিয়ে বিৰোধ নাই, বিৰোধ আছে অপসংস্কৃতিয়ে অপসংস্কৃতিয়েহে। এই কথা নহয় যে আটাইবিলাক হিন্দু বা মুছলমান সংস্কৃতিসম্পন্ন আছিল; সংস্কৃতিৰ স্বৰূপ উপলব্ধি কৰিবলৈ অসমৰ্থ হিন্দু-মুছলমান অতীততো আছিল আৰু আজিও আছে। মন্দিৰৰ পূজাৰী পুৰোহিত বা মছজিদৰ উলেমা ইমাম মাত্ৰেই কোনো দিনেই সংস্কৃতি সম্পন্ন নাছিল। মন্দিৰ-মছজিদ আৰু ৰাজপ্ৰাসাদ বা হেৰেমৰ মাজত থকা সামান্য সাধাৰণ শ্ৰমকাৰী মানুহ কাঁড়ী-পাইকৰ মাজতহে প্ৰকৃত অৰ্থত সংস্কৃতিসম্পন্ন মানুহৰ সংখ্যা বেছি। তেওঁলোক জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰতে অকৃত্ৰিম, জীৱনৰ আৱশ্যকতা বা উপযোগিতাৰ ফালৰ পৰাহে তেওঁলোকে সংস্কৃতি গ্ৰহণ বা বৰ্জন কৰে।

আকাশলংঘা উদাৰ দাৰ্শনিকতাৰ প্ৰচলন ভাৰতত অতি প্ৰাচীন। কিন্তু সেই দাৰ্শনিকতা সীমিত আছিল মূলতঃ পুৰোহিত প্ৰমুখ্যে উচ্চ বৰ্ণৰ এক মুষ্টিমেয় সংখ্যক লোকৰ মাজতহে; কাঁড়ী, পাইক প্ৰমুখ্যে শ্ৰমকাৰী অগণন লোকক সি স্পৰ্শ কৰিবই

পৰা নাছিল উদাৰ দাৰ্শনিকতাৰ বিপৰীতে কুৎসিত শ্ৰেণী আৰু বৰ্ণ-বৈষম্য, বহুধৰ্ম বহুমতে ভাৰতীয় নিম্নবৰ্ণৰ তথাকথিত বৈশ্য-শূদ্ৰ আদি জনগণক জীৱন আৰু সমাজৰ প্ৰতি উদাসীন বা বীতশ্ৰদ্ধহে কৰি তুলিছিল। ইছলামত বহুধৰ্ম-বহুমতৰ স্থান নাই; তদুপৰি সাধাৰণভাৱে, নাই জাত-পাতৰ বৰ্ণ বৈষম্যৰো স্থান। ইছলাম অনুসৰি মানুহ মাত্ৰেই ভাই ভাই, বিশ্বভাতৃত্ববোধ ইছলামৰ মূল আদৰ্শ। এই বিভেদহীন আৰু বৈষম্যহীন আদৰ্শই একাংশ ভাৰতীয়ক বিশেষকৈ নীহকুলীয়াৰূপে প্ৰতিপন্ন একাংশ হিন্দু ভাৰতীয়ক, আকৰ্ষণ কৰিছিল আৰু সেই অংশই গ্ৰহণ কৰিছিল ইছলাম।

উচ্চবৰ্ণৰ ব্ৰাহ্মণ বা ৰজা-মহাৰজাসকলৰো দুই-চাৰিয়ে ইছলাম গ্ৰহণ কৰিছিল বুলি জনা যায়। কিন্তু নীহকুলীয়া বৈশ্য, শূদ্ৰ আদিতকৈ ওখকুলীয়াসকলৰ ইছলাম গ্ৰহণৰ স্বাৰ্থ আছিল সুকীয়া। নীহকুলীয়াসকলে গ্ৰহণ কৰিছিল ইছলামৰ সাম্যৰ আদৰ্শ। হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰে শ্ৰমকাৰী জনগণ প্ৰকৃত অৰ্থতে সংস্কৃতিসম্পন্ন কাৰণে সমগ্ৰ ভাৰতৰ হিন্দু-মুছলমান শ্ৰমকাৰী জনগণৰ মাজত বিশেষ একো বিৰোধ নাই। তেওঁলোকে একেলগে সহ অৱস্থান কৰিছিল, চুবুৰিয়ে চুবুৰিয়ে ওচৰা-উচৰিকৈ বা সমুখা-সমুখিকৈ মন্দিৰ-মছজিদ সজাই লৈ আনন্দেৰে জীৱন-নিৰ্বাহ কৰিবলৈহে ভাল পাইছিল। কিন্তু উচ্চবৰ্ণৰসকলে ইছলাম গ্ৰহণ কৰাৰ লক্ষ্য আছিল সম্পূৰ্ণ সুকীয়া। সম্ভৱ মুছলমান আক্ৰমণকাৰীৰ কোপৰপৰা হাত সাৰি থাকি নিৰাপদে ৰাজ্য, ধন, সম্পদ উপভোগ কৰাৰ আকাংক্ষাৰেহে ইছলাম গ্ৰহণ কৰিছিল। অকপট আৰু অকৃত্ৰিমভাৱে আদৰ্শৰ তাড়না বা স্পৃহাত উচ্চবৰ্ণৰসকলে ইছলাম গ্ৰহণ কৰিছিল বুলি অনুমান কৰাৰ থল নাই। সেই উচ্চবৰ্ণৰসকল যেন মিলিও মিলিব পৰা নাছিল; স্বাৰ্থসিদ্ধি নহ'লে, বা ভয়- শংকাৰ কাৰণ নোহোৱা হোৱা বুলি অনুভৱ হ'লে, তেনে নতুন নতুন ইছলামধৰ্মী লোক পুনৰ হিন্দুলৈ ঘূৰি অহাৰ নিদৰ্শনো নোহোৱা নহয়।

শ্ৰমকাৰী সাধাৰণ সামান্য মানুহৰ মাজত ধৰ্মই ধৰ্মই বা সম্প্ৰদায়ে সম্প্ৰদায়েও কোনো বিভেদ প্ৰকৃততে নাই। তেওঁলোকৰ মানত 'হিন্দুকি মুছলমান একেই আল্লাৰ ফৰমান' আৰু তেওঁলোকৰ মানত যেন 'যোহি আল্লা সোহি ৰাম'। সেই কাৰণেই বাংলাৰ মুছলমান লোক-জীৱনৰ মাজত ৰাধা-কৃষ্ণৰ প্ৰণয়-প্ৰীতিয়ে বিৰাট ব্যাপকতা লাভ কৰা সম্ভৱপৰ হৈছিল। সেই কাৰণেই বাংলাৰ লোকগীতত লোক-সমাজে মুক্তকণ্ঠে গাব পাৰিছিল,—

হিন্দু আৰু মোছলমান এক্‌কই পিণ্ডেৰ দৰি।
কেহ বলে আল্লা ৰসুল কেহ বলে হৰি।।
বিছমিল্লা আৰু গিৰি-বিষ্টু এক্‌কুই গিয়ান।
দোফাক কৰি দিয়ে প্ৰভু ৰাম-ৰহমান।।

ই সংস্কৃতিসম্পন্ন জনজীৱনৰ মানসিক সুস্বাস্থ্যৰ অনুপম নিদৰ্শন। তেওঁলোকে গভীৰ আন্তৰিকতাৰে অনুভৱ কৰিব পাৰিছিল যে ভাষা ভেদেহে নাম ভিন ভিন হয়, কিন্তু মূলতঃ আল্লা আৰু ঈশ্বৰ এক আৰু অভিন্ন। সমগ্ৰ মানুহ জাতিকো তেওঁলোকে এক

আৰু অভিন্ন ৰূপে গ্ৰহণ কৰিব পাৰিছিল। জাতি, বৰ্ণ, গোত্ৰ আদিৰ বিভেদৰ নামত মানুহৰ মাজত বিভেদৰ যে অপসংস্কৃতি সম্পন্ন শ্ৰেণীপ্ৰভুসকলেহে সৃষ্টি কৰিছিল, তাকো লোক-সমাজে সঠিকভাৱেই অনুভৱ কৰিবলৈ সমৰ্থ হৈছিল। তেনে সত্য উপলব্ধিৰ ভিত্তিত বাংলাৰ বাউল দুদ্দু ছাহে গাইছিল,

বল্লালসেন শয়তানী দাগায়

গোত্ৰ-জাত সৃষ্টি কৰে যায়

বেদান্তে আছে কোথাই আমৰা দেখি নাই।

জাতি আৰু সম্প্ৰদায় মিলে

ভাৰত শ্মশান কৰিলে

বিনয় কৰে দুদ্দু বলে বুঝেদেখ ভাই।

একাংশ হিন্দুই দেৱভাষা সংস্কৃতত বাজে আন ভাষাক অৰ্বাচীন বুলি তুচ্ছ-তাচ্ছিল্য কৰাৰ দৰে, একাংশ মুছলমান পীৰ, ফকীৰ, পয়গম্বৰ আদিয়েও আৰবী-ফৰাচী ভিন্ন আন ভাষাক অৰ্বাচীন বুলি তুচ্ছ-তাচ্ছিল্য কৰে। ভাষা যে মানুহৰ সৃষ্টি আৰু মানুহৰ সা-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখিহে ভাষা ব্যৱহাৰ কৰা হয়, সেই কথাও অভিজাতৰূপে পৰিচিত শ্ৰেণীপ্ৰভুসকলে উপলব্ধি কৰিবলৈ অসমৰ্থ হোৱাত, তেনে উচ্চমন্যতাৰ বিৰোধ কৰি বিবেক-বিবেচনাৰ উদ্ৰেক কৰিবলৈ বুলিও বাংলাৰ বাউল দুদ্দু ছাহেই গাইছিল,–

মহম্মদেৰ জন্ম যদি হতো এদেশে

বেহেমতেৰ কোন ভাষা হতো বলতো এসে।

মাতৃ ভাষা ত্যজে সবাই

আৰবি ভাষা শিখলেৰে ভাই

তাতে ভাই ফয়দাতো নাই অৱশেষে।

এনে দৃষ্টি-দৰ্শন হ'ল প্ৰকৃততে ভাৰতৰ হিন্দু-মুছলমান সমূহ বিবেকী জনগণৰ দৃষ্টি-দৰ্শন। জনগণৰ দৃষ্টিত ভাষা-ধৰ্ম-বৰ্ণ-সম্প্ৰদায়ৰ নামত কোনো বিভেদ নাই। ঐক্য আৰু সংহতি তেওঁলোকৰ মানত পৰম বল। জীৱনৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ ভেটিত তেওঁলোকে তাক আয়ত্ত কৰিছে মহাপ্ৰকৃতিৰ পৰাই। আৰু সেই কাৰণেই শ্ৰেণীসমাজ সৃষ্ট সকলো বিভেদ- বিচ্ছিন্নতা পৰিহাৰ কৰি ঐক্য- সংহতিৰ ভিত্তিত নতুন সমাজ গঢ়াৰ তেওঁলোকৰ পৰম আকাংক্ষা। ভাৰতবিদ হেভেলে ফঁহীয়াই বিচাৰ কৰি দেখুৱাইছে যে হিন্দু-মুছলমান জনগণৰ মানত হিন্দুৰ ব্ৰাহ্মণ, মুছলমানৰ চৈয়দ, হিন্দুৰ ক্ষত্ৰিয় মুছলমানৰ পাঠান মোগল, হিন্দুৰ বৈশ্য মুছলমানৰ ছেখ, হিন্দুৰ শূদ্ৰ মুছলমানৰ কৃষক - মিস্ত্ৰি ইত্যাদি। জাতি-বৰ্ণৰ বিভেদৰ ক্ষেত্ৰত হিন্দু-মুছলমানৰ মাজত মূলতঃ কোনো বিভেদ নাই। আনহে নালাগে, আনকি মুছলমানৰ বিবাহ-ৰীতিও প্ৰায় সমগ্ৰ ভাৰত ব্যাপী হিন্দুৰ বিবাহ-ৰীতিৰ অনুকৰণত গঢ় লৈ উঠিছে। হিন্দুৰ দৰা-কইনাই বেদমন্ত্ৰ

উচ্চাৰণ কৰি কৰি দাম্পত্য জীৱনত প্ৰৱেশ কৰিবলৈ আগবঢ়াৰ দৰে, মুছলমানৰ দৰা-কইনায়ো কোৰাণৰ আয়াত আবৃত্তি কৰি কৰি আবদ্ধ হয় দাম্পত্য জীৱনৰ পাশত। আনকি মুছলমানৰ মাজত প্ৰচলিত জোৰণ ব্যৱস্থা অবিকল হিন্দুৰ সদৃশ। মুছলমান ভাৰতে হিন্দু ভাৰতৰ পৰা আৰু নানা আচাৰ-আচৰণ, ৰীতি-নীতি হয়তো সচেতন আৰু অচেতনভাৱেও গ্ৰহণ কৰিছে। আনকি নৱজাত শিশুৰ জ্ঞাত-কৰ্মৰ ক্ষেত্ৰতো মুছলমানসকলে হিন্দুৰ ৰীতি-নীতি গ্ৰহণ কৰিছে। ভাৰতবিদ হেভেলে ইমানলৈ জানিবলৈ দিছে যে মধ্যযুগত আনকি হিন্দুৰ সতী প্ৰথাৰ অনুকৰণত মুছলমান নাৰীয়েও সতী প্ৰথা পালন কৰিবলৈ লৈছিল। উদাহৰণস্বৰূপে মুছলমান পৰ্যটক ইবনবটুতাই মহম্মদ বিন টোগলকৰ আইনুলমূলক বিজয়ৰ প্ৰসংগ দাঙি ধৰি জানিবলৈ দিছে যে সেই যুদ্ধত স্বামীসকলৰ মৃত্যু ঘটাত মুছলমান নাৰীসকলে সতী প্ৰথা অনুসৰি মৃত্যুবৰণ কৰিছিল। তেনেদৰে টাইমুৰৰ অত্যাচাৰী আক্ৰমণ কৰিবলৈ ভাটনায়াৰৰ প্ৰশাসক কামালুদ্দিনে যুদ্ধ যাত্ৰা কৰাৰ কালতো তেওঁৰ পত্নীসকলে জৱহৰ ব্ৰত পালন কৰাৰ কথা 'জাফৰনামা'ত আছে বুলি জানিবলৈ দিছে।

হেভেলে একেখন গ্ৰন্থৰ একে ঠাইতে বৰ্ণাইছে যে এখন সমাজৰ মানুহৰ সামাজিক স্তৰ আৰু শ্ৰেণী-বিন্যাস, তাৰ মনস্তাত্বিক প্ৰমূল্য, বাছ-বিচাৰ, বাক-সংযম প্ৰভৃতিৰ সবাতোকৈ বৈশিষ্ট্যপূৰ্ণ অভিব্যক্তি হ'ল সাজপাৰ। হেভেলে প্ৰত্যক্ষ অভিজ্ঞতাৰ ভেটিত লিখি থৈ গৈছে যে ব্যাপক সংখ্যক ভাৰতীয় মুছলমানে আৰব, ইৰাণ আৰু মধ্য এচিয়াৰ সাজপাৰ এৰি গ্ৰহণ কৰিছে ভাৰতীয় মানুহৰ সাজপাৰ। আৰবীয় আমামা, জুব্বা, ৰাদাহ, তাহমাদ, তামসা আৰু মধ্য এচিয়াৰ কুলাহ, নিমা, মোধা, ইত্যাদি ব্যৱহাৰ কৰিবলৈ এৰি, গ্ৰহণ কৰিছে হিন্দুৰ পাগুৰি, চিৰা, কুৰ্তা, আঙাৰখ, পটকা, দোপাট্টা, পায়জামা, জোতা।[১৮] সম্প্ৰতি প্ৰায় সমগ্ৰ ভাৰতৰ মুছলমান ৰমণীসকলেও শাৰী পৰিধান কৰা দেখা যায়; আনহাতে অসমত ৰিহা-মেখেলা হৈ পৰিছে মুছলমান ৰমণীৰো অভিজাত সাজপাৰ।

ভাৰতীয় হিন্দুসকলৰ মানত সংস্কৃত পবিত্ৰ দেৱভাষাৰূপে মান্যতাপ্ৰাপ্ত হোৱাৰদৰে, ইছলাম জগততো আৰবী পবিত্ৰ ভাষাৰূপে স্বীকৃত। ভাৰতত মুছলমান বিজেতাসকলৰ পোনতে ভাষা আছিল আৰবী আৰু তুৰ্কী আৰু মুছলমান শাসন কালত চৰকাৰী ভাষা আছিল ফাৰ্চী। পৰৱৰ্তী কালত, বিশেষকৈ সমকালীন ভাৰতবৰ্ষত, হিন্দ-মুছলমান আটাইৰে মুখৰ ভাষা এক আৰু অভিন্ন, মাতৃভাষা। উত্তৰ ভাৰতব্যাপী হিন্দী বলয়ৰ এক বিপুলসংখ্যক হিন্দু-মুছলানৰ উমৈহতীয়া ভাষা উৰ্দু, সি ইছলামিক ভাষা নহয়, হিন্দু-মুছলমানৰ মিলন-মিশ্ৰণ, সমন্বয়- সমাহৰণৰ ফলত গঢ় লৈ উঠা এটা নতুন ভাৰতীয় ভাষাহে। ভাৰতৰ বাজে পৃথিৱীৰ কোনো মুছলমানৰ মাজত উৰ্দু বোলা এটা ভাষা নাই। ভাষাবিদ পণ্ডিতসকলে উৰ্দুক খাৰিবোলিহে বোলে। বৈশিষ্ট্য এয়ে যে উৰ্দু বা খাৰিবোলিত কিছুমান আৰবী শব্দ আছে আৰু ইয়াক লিখা হয় আৰবীৰ দৰে সোঁফালৰ পৰাহে। প্ৰেমচন্দ প্ৰমুখ্য বিশিষ্ট ভাৰতীয় সাহিত্যিকসকলে প্ৰধানকৈ উৰ্দুতহে লিখা-মেলা কৰিছিল।

মোগল সম্ৰাট আওৰংজেবৰ ৰাজত্ব কালত কাশ্মীৰৰ পৰা দাক্ষিণাত্যলৈ আৰু গুজৰাটৰ পৰা অসমলৈ সমগ্ৰ ভাৰতৰ ওপৰত মুছলমান শাসন প্ৰতিষ্ঠা হৈছিল; কিন্তু কোনো দিন সমগ্ৰ ভাৰতক মুছলমান ভাৰতৰূপে গঢ়ি তোলাৰ অপচেষ্টা চলোৱা নাছিল। সিন্ধু, বেলুচিস্তান, পঞ্জাব, কেৰালা, বংগ আদিত ব্যাপকভাৱে ধৰ্মান্তৰ সাধনৰ কাৰণে সেই সেই প্ৰান্তত মুছলমান আছিল সংখ্যাগৰিষ্ঠ। কিন্তু মুছলমান সংখ্যাগৰিষ্ঠ সেই প্ৰান্তবোৰত হিন্দু-মুছলমানৰ সম্পৰ্ক আছিল অতি মধুৰ। তেনেকৈ অসমকে ধৰি যিবোৰ প্ৰান্তত মুছলমান সংখ্যালঘিষ্ঠ আছিল, সিবোৰ প্ৰান্ততো হিন্দু-মুছলমানৰ সম্পৰ্ক আছিল সৌহাৰ্দ্যপূৰ্ণ। এক মুষ্টিমেয়সংখ্যক গোড়া মুছলমানত বাজে ব্যাপক মুছলমান উদ্বুদ্ধ হৈছিল ভাৰতীয় জাতীয়তাবাদৰ আদৰ্শেৰে। ইংৰাজ শাসন প্ৰবৰ্তন হোৱাৰ পিছতো, অন্ততঃ কুখ্যাত বংগ-ভংগৰ কাললৈ, সমগ্ৰ ভাৰততে হিন্দু-মুছলমানৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক প্ৰায় অক্ষুণ্ণ হৈ আছিল। বংগ-ভংগৰে ইংৰাজ প্ৰশাসনেই হিন্দু-মুছলমান দ্বিজাতি তত্ত্ব প্ৰচাৰ কৰা সত্ত্বেও এক বিশিষ্টসংখ্যক ভাৰতীয় মুছলমান ভাৰতীয় জাতীয়তাবাদী আদৰ্শত অটল হৈ আছিল। সম্প্ৰতি একবিংশ শতিকাৰ দুৱাৰডলিত অৱতীৰ্ণ হোৱা কালতো তাৰ ব্যতিক্ৰম ঘটিছে বুলি আশংকাৰ সৃষ্টি প্ৰকৃততে হোৱা নাই।

অন্যান্য জাতিৰ দৰে ভাৰততো আবহমান কালৰে পৰা মিলন-মিশ্ৰণ সমন্বয়-সমাহৰণৰ মাজেদিয়ে গঢ় লৈ উঠিছে জাতীয়তাবোধৰ চেতনা। ইছলামধৰ্মী মুছলমানৰ আগমনে সেই চেতনাত ভাটা পেলাব পৰা নাছিল, সি আছিল অব্যাহত। মালাবৰৰ হিন্দুৰজা পেৰুমন প্ৰজাবৰ্গৰ সৈতে ইছলামধৰ্মত দীক্ষিত হৈ ভাৰতত ইছলামৰ বিজয় পতাকা উৰুৱালে সঁচা; কিন্তু তেওঁলোক হৈ আছিল ভাৰতীয়। চুলতান মাহমুদৰ আক্ৰমণৰ কালত ৰাজস্থানৰ ফালে অগ্ৰসৰ হওঁতে মাহমুদ হাৰি প্ৰাণৰ তাড়নাত পলাব লগাত পৰিছিল। বন্দিত্ব বৰণ কৰা পুৰুষ মুছলমানসকলক ৰাজপুতসকলে তেওঁলোকৰ খেল-মেলৰ অন্তৰ্ভুক্ত কৰি লৈছিল আৰু ৰমণীসকলক কৰি লৈছিল পত্নী।[১১]

সি আছিল একপ্ৰকাৰ অসামান্য কথাই? কাৰণ চুলতান মাহমুদৰ প্ৰতিটো আক্ৰমণেই আছিল প্ৰচণ্ড অত্যাচাৰ-নিপীড়ন-লুটপাতৰ কাৰণে প্ৰবল আতংকপূৰ্ণ। সেই আক্ৰমণবোৰৰ প্ৰতিটোৰে প্ৰত্যক্ষদৰ্শী আছিল আল-বিৰুনী।

আল-বিৰুনী (খ্ৰীঃ ৯৭৩ - ১০৪৮/৪৯) উপজিছিল মধ্য প্ৰাচ্যৰ খোৱাৰিজমত। কিন্তু ৰাজনৈতিক উত্থান- পতনৰ কাৰণে পলাই গৈ কাস্পিয়ান সাগৰৰ পাৰৰ জুৰজানত আত্মগোপন কৰি থাকিব লগাত পৰিছিল। ঘজনিৰ চুলতান মাহমুদে খোৱাৰিজম জয় কৰি ধন-সম্পদ লুট কৰাৰ উপৰি আল-বিৰুনী প্ৰমুখ্যে পণ্ডিতসকলকো ঘজনিলৈ বলপূৰ্বক ধৰি লৈ গৈছিল। আল-বিৰুনীয়ে জীৱনৰ শেষ কালছোৱা ঘজনিৰ আশ্ৰয়তে কটায়।[২০]

আল-বিৰুনী আছিল একাধাৰে ভাষাবিদ, ঐতিহাসিক, গণিতজ্ঞ, জ্যোতির্বিদ আৰু জ্যোতিষী।[২১] আৰবী, ফাৰ্চী, হিব্ৰু, চিৰায়িক আৰু সংস্কৃত ভাষাৰ ওপৰত তেওঁৰ আধিপত্য আছিল।

ঘজনিৰ চুলতান মাহমুদে খ্ৰীঃ ১০০০—১০৩০ চনলৈ সোতৰবাৰ ভাৰত আক্ৰমণ কৰিছিল। মাহমুদৰ বাহিনীৰ লগত আল-বিৰুনীও ভাৰতলৈ আহিছিল আৰু প্ৰায় ৪০ বছৰ কাল ভাৰতত থাকি সংস্কৃত ভাষা আয়ত্ত কৰাৰ উপৰি ভাৰতীয় মহাগ্ৰন্থসমূহ আৰবীলৈ অনুবাদ কৰিছিল আৰু ভাৰতৰ ভেটিত ৰচনা কৰিছিল 'তাৰিকুল হিন্দ' খন।[২২] তাৰিকুল হিন্দ বা ভাৰতখনক ভাৰতকোষ বোলাহে উচিত। আল-বিৰুনীৰ সময়লৈ ৰচিত সকলোবোৰ ভাৰতীয় গ্ৰন্থৰ পৰিচয়মূলক আলোচনা তাত সন্নিবিষ্ট হৈছে। সেই মহাগ্ৰন্থখনে আৰব জগতৰ উপৰি সমগ্ৰ ইউৰোপ তথা বিশ্বৰ বুকুত ভাৰতক প্ৰতিষ্ঠা কৰিলে। সেই সময়ৰ আৰু বিশেষকৈ মাহমুদৰ ভাৰত আক্ৰমণৰ সময়ৰ হিন্দু-মুছলমান সম্পৰ্কৰ স্বৰূপ উপলব্ধি কৰাতো এই গ্ৰন্থখনে বিপুল পৰিমাণে সহায় কৰে।

তাৰিকুল হিন্দৰ আটাইতকৈ ডাঙৰ আকৰ্ষণ হ'ল নিৰপেক্ষ, নিৰ্ভীক বিজ্ঞানসম্মত বিচাৰ। তেওঁ তাত এহাতে আক্ৰমণকাৰী চুলতান মাহমুদক কঠোৰভাৱে সমালোচনা কৰিছে, আনহাতে ভাৰতীয়সকলৰ ক্ৰুটি-বিচ্যুতিবোৰো আঙুলিয়াই নিদিয়াকৈ থকা নাই। বহুতে ভাবে আৰু কয় যে মুছলমান আক্ৰমণকাৰীয়ে বলপূৰ্বক ভাৰতত ধৰ্মান্তৰ কৰা নাছিল; আল-বিৰুনীয়ে প্ৰত্যক্ষ অভিজ্ঞতাৰ ভেটিত তেনে কথাৰ অসাৰতা প্ৰতিপন্ন কৰিছে। তেওঁ এঠাইত স্পষ্টভাৱেই বৰ্ণনা কৰি কৈছে যে মাহমুদৰ অত্যাচাৰ আছিল অতুলনীয়— অত্যাচাৰ-নিপীড়নৰ ফলত :

"হিন্দুবিলাক ধূলিৰ কণিকাৰ দৰে হৈ চাৰিওফালে সিঁচৰতি হৈ পৰিছিল আৰু সেই কথা পুৰণিকলীয়া সাধুৰ দৰে মানুহৰ মুখে মুখে হৈ পৰিছিল। অৱশ্যে জীয়াই থকাখিনিয়ে সকলো মুছলমানৰ প্ৰতি এক বদ্ধমূল ঘৃণাৰ ভাব পোষণ কৰিছিল।"[২৩]

চুলতান মাহমুদৰ আক্ৰমণৰ আগত তিষ্ঠিব নোৱাৰি বহু পণ্ডিত-সজ্জনে পুথি-পত্ৰৰে সৈতে পলাই পত্ৰং দিছিল কাশ্মীৰ বা বাৰাণসীলৈ। আল-বিৰুনীয়ে ইয়াকো ভাবিবলৈ দিছে যে ইছলাম গ্ৰহণ কৰা লোকসকলে কিন্তু অত্যাচাৰ-নিপীড়নৰ পৰা ৰেহাই পাইছিল।[২৪]

বিদেশী মানৱে প্ৰতি ভাৰতীয়ৰ ঘৃণাৰ কথা উল্লেখ কৰি কিন্তু লগে লগে জানিবলৈ দিছে যে সেইকালত তেওঁৰ নিজৰ দেশৰ মানুহেও বিদেশীক ঘৃণা কৰিছিল।[২৫] তেওঁ ভাৰতীয়সকলক সংকীৰ্ণমনা আৰু উগ্ৰ জাতীয়তাবাদীও বুলিছে; কিন্তু সেই ক্ষেত্ৰতো তেওঁ গ্ৰীচ আৰু ভাৰতৰ মাজত সাদৃশ্য বিচাৰি পাইছে; গ্ৰীকসকলকো বুলিছে উগ্ৰ জাতীয়তাবাদী আৰু সেই কাৰণে সংকীৰ্ণমনা। তেওঁৰ নিৰপেক্ষ তথা বিজ্ঞানসম্মত দৃষ্টিভংগী সঁচাকৈয়ে আদৰণীয়। আজিৰ পৰা প্ৰায় এক হাজাৰ বছৰ আগতে তেওঁ 'তাৰিকুল হিন্দ' ৰচনা কৰিছিল। সেইখন ভাৰতক বৰ্ণবৈষম্যৰ কুৎসিত

ৰূপে কদাকাৰ কৰি ৰখা তেওঁ প্ৰত্যক্ষ কৰিছিল। কিন্তু তেওঁ ক'বলৈ অকণো দ্বিধাবোধ কৰা নাই যে ইছলাম প্ৰবৰ্তনৰ আগতে ইৰাণতো সামন্তপ্ৰভু, পুৰোহিত, শিক্ষক-বৈজ্ঞানিক আৰু কৃষক-শ্ৰমিক এই চাৰিবৰ্ণত জনগণ বিভক্তিত আছিল। আনকি ইয়াকো জানিবলৈ দিছে যে ভাৰতত চাৰিবৰ্ণৰ পৰা উপবৰ্ণৰ সৃষ্টি হোৱাৰ দৰে, ইৰাণতো মূল চাৰিবৰ্ণৰ পৰা অসংখ্য উপবৰ্ণৰ সৃষ্টি হৈছিল।

আল-বিৰুনী ইছলামধৰ্মী বিশিষ্ট পণ্ডিত; অথচ তেওঁ 'তাৰিকুল হিন্দ'ত ভাৰতীয় লোকৰ মূৰ্তি উপাসনাও সমৰ্থন কৰিছে। তেওঁ সুস্পষ্টভাবে ক'ব পাৰিছে যে সমগ্ৰ বিশ্বব্যাপী মূৰ্তি উপাসনাৰ প্ৰচলন আছে আৰু সামান্য সাধাৰণৰ মাজত মূৰ্তি উপাসনাৰ আৱশ্যকতাও আছে।[২৮] অধ্যয়ন আৰু চিন্তনৰ ভেটিত তেওঁ ক'বলৈ পাহৰা নাই যে ভাৰতৰ দাৰ্শনিকসকলৰ চিন্তাৰ উপৰি ভগবৎ গীতা প্ৰমুখ্যে গ্ৰন্থসমূহত মূৰ্তিপূজাৰ স্থান নাই। একাংশ ইছলামধৰ্মী– অসমীয়া ভাৰতীয়ই কয় যে ইছলামধৰ্মীসকলেহে ভাৰতীয়ক জোতা পিন্ধিবলৈ আৰু কাপোৰ সী ল'বলৈ শিকাইছিল। কিন্তু আল-বিৰুনীয়ে এহাজাৰ বছৰ আগতে কৈ গৈছে যে তেতিয়াই ভাৰতত সিবোৰৰ প্ৰচলন আছিল।[২৭]

আল-বিৰুনীৰ 'তাৰিকুল হিন্দে' সেই কালৰ ভাৰতক অবিকৃতভাবে জনাত সহায় কৰাৰ উপৰি ভাৰতীয় লোকৰ সাংস্কৃতিক জীৱনৰ স্বৰূপ উপলব্ধিতো সহায় কৰে। তেওঁ মুকলি মনেৰে জানিবলৈ দিছে যে ভাৰতীয় লোকৰ সংকীৰ্ণতা আছিল সঁচা, কিন্তু তাৰ মাজেদিয়ে তেওঁ বিশিষ্ট সংস্কৃত পণ্ডিতৰ ওচৰতে সংস্কৃত ভাষাও আয়ত্ত কৰিছিল, ভাৰতীয় মহাগ্ৰন্থসমূহ সেই পণ্ডিতসকলৰ সহযোগিতাৰ ফলতে অনুবাদ বা প্ৰতিলিপি কৰাও সম্ভৱপৰ হৈছিল। অথচ সেই সময়ত ইছলামধৰ্মী মুছলমান মাহমুদৰ এটাৰ পিছত এটাকৈ হোৱা সোতৰটা আক্ৰমণে ভাৰতবাসীৰ চিত্তত ইছলামধৰ্মী মুছলমানৰ বিৰুদ্ধে গঢ়ি তুলিছিল চৰম ঘৃণা আৰু হিংসাৰ পৰিবেশ। তেনে পৰিস্থিতিতো ভাৰতীয় হিন্দুসকলে বন্দী মুছলমান পুৰুষ-তিৰোতাক আপোন কৰি ল'ব জানিছিল। আনকি মাহমুদে পঞ্জাব আৰু সিন্ধু অঞ্চল জয় কৰি হিন্দু ভাৰতীয়েৰে যিটো সেনা বাহিনী গঠন কৰিছিল, সেইটোৱেই হেনো মাহমুদক মুছলমান ৰাজ্য বিজয়তো বিশ্বস্ততা আৰু নিপুণতাৰ পৰিচয় দিবলৈ সমৰ্থ হৈছিল।[১]

জৱাহৰলাল নেহৰুৱে এঠাইত চাৰ এইচ, এম, ইলিয়টৰ ভাৰত বুৰঞ্জীৰ সহায়ত জানিবলৈ দিছে যে ভাৰতীয় হিন্দুসকলৰ সততা আৰু নিষ্ঠাৰ কথা সেই সময়ৰ মধ্য আৰু পশ্চিম-এচিয়াৰ দেশে দেশে বিয়াপি পৰিছিল। ১১শ শতিকাতেই হেনো ভৌগোলিক ইদ্ৰিছিয়ে লিখিছিল,—

> "ভাৰতীয়সকল স্বভাৱতে সুবিচাৰৰ পক্ষপাতী, কাৰ্যত তাৰ পৰা বিচলিত নহৈছিল। তেওঁলোকৰ বাক্যদানৰ সাধুতা, সততা আৰু বিশ্বস্ততা জনাজাত আৰু এই গুণাৱলীৰ কাৰণে তেওঁলোক ইমান বিখ্যাত যে সকলো ফালৰ পৰা মানুহ গৈ তেওঁলোকৰ দেশত জুম বান্ধেগৈ।"[২৮]

আল-বিৰুনীয়ে প্ৰত্যক্ষ অভিজ্ঞতাৰ ভেটিত কৈ যোৱাৰ দৰে অধ্যয়নলব্ধ অভিজ্ঞতাৰ ভেটিত নেহৰুৱো লিখি থৈ গৈছে যে ভাৰতীয় বিজিতসকলে বিজেতা মুছলমানসকলক ঘৃণা কৰা সঁচা; যেন নিৰুপায়ত পৰিহে সহ অৱস্থান মানি চলিব লগাত পৰিছিল। চকু-কাণ মুদি নিৰলে নিবোকাৰ দৰে জীৱন-যাপন কৰিবলৈ লোৱা সত্বেও কিন্তু অজ্ঞাতসাৰে ফাৰ্চী ভাষাৰ শব্দ ব্যৱহাৰ কৰিবলৈ লৈছিল, আচাৰ-ব্যৱহাৰ, পিন্ধন-উৰণ, শিক্ষা, ভাষা-সংস্কৃতি সকলো ক্ষেত্ৰতে এটা পৰিবৰ্তন পৰিলক্ষিত হৈছিল আৰু তেনেকৈয়ে এখন নতুন সংমিশ্ৰিত সমাজ ক্ৰমে গঢ়লৈ উঠিব ধৰিছিল। আৰু বিশেষ মন কৰিব লগা কথা যে ভাৰতীয় প্ৰান্তীয় ভাষাসমূহৰো সেই সময়তে বিকাশ ঘটে।

সাধাৰণতে বিজেতাই বিজিতক সম্পূৰ্ণৰূপে বিশ্বাস নকৰে। সেই ক্ষেত্ৰত মুছলমান বিজেতাসকলো ব্যতিক্ৰম নাছিল নিশ্চয়। কিন্তু তেওঁলোকে গুণী হিন্দু ভাৰতীয়ক দায়িত্বপূৰ্ণ পদত অধিষ্ঠিত নকৰাকৈ থকা নাছিল। শেৰ ছাহ আৰু আকবৰে টোডৰমলক পাতিছিল ৰাজহমন্ত্ৰী, উগ্ৰ মুছলমানৰূপে পৰিচিত আওৰংজেৱৰ সেনাপতি আছিল ৰাজপুত মান সিংহ; অসম বিজয়ৰ কাৰণে পঠিয়াইছিল আন এজন ৰাজপুত ৰাম সিংহকহে।

নেহৰুই সঠিকভাৱেই অনুমান কৰিব পাৰিছিল যে মহম্মদ ঘোৰীয়ে দিল্লীত তুৰ্কী ৰাজ্য প্ৰতিষ্ঠা কৰাৰে পৰা মুছলমানসকলে ভাৰতীয় হ'বলৈ যেন আন্তৰিকতাৰে চেষ্টা-যত্ন কৰিছিল। খিলজী আলাউদ্দিন আৰু তেওঁৰ পুত্ৰই ভাৰতীয় হোৱাৰ চেতনাৰে ভাৰতীয় হিন্দু ৰমণীক বিয়া কৰাইছিল।[২৯] একাংশ ৰাজপুতকে ধৰি হিন্দুই মুছলমানৰ লগত সহযোগ কৰিব বিচৰা নাছিল সঁচা, কিন্তু আন ব্যাপক অংশই আন্তৰিকতাৰে সহযোগিতা আগবঢ়াইছিল। দিল্লীৰ চুলতান ফিৰোজ ছাহৰ মাক হিন্দু, গিয়াচউদ্দিন টোগলকৰ মাকো হিন্দু, দাক্ষিণাত্যৰ গুলবাৰ্গৰ শাসনকৰ্তাই হেনো মহাসমাৰোহেৰে বিজয় নগৰৰ হিন্দু ৰাজকুমাৰীক বিয়া কৰাইছিল। টাইমুৰৰ ভাৰত আক্ৰমণ আৰু অত্যাচাৰে দিল্লীৰ শাসন দুৰ্বল কৰি তুলিছিল সঁচা; কিন্তু তাৰ পৰিণতিত গঢ় লৈ উঠিছিল মুছলমানৰ শাসনাধীন দুখন আদৰ্শ ৰাজ্য— কাশ্মীৰ আৰু জৌনপুৰ।[৩০]

বাবৰ-আকবৰ-ঔৰংজেব ঃ

ভাৰতত মোগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠাপক পুৰুষ হ'ল বাবৰ; উদাৰতা আৰু দূৰদৰ্শিতাৰে মোগল সাম্ৰাজ্যক বিৰাট-বিপুল ৰূপ দান কৰা পুৰুষ আকবৰ আৰু উদাৰতা আৰু অদূৰদৰ্শিতাৰ কাৰণে মোগল সাম্ৰাজ্যক ধ্বংসৰ পথলৈ ঠেলি দিয়া পুৰুষ হ'ল আওৰংজেব। সূক্ষ্মভাৱে বিচাৰ কৰিলে অনুভৱ হয় যেন পৰিৱেশ আৰু পৰিস্থিতিয়েই বাবৰ আৰু আকবৰক উদাৰ আৰু সংযত হ'বলৈ বাধ্য কৰিছিল। মোগলসকল আছিল নগণ্যসংখ্যক আক্ৰমণকাৰীহে। বাবৰে তুৰ্কী ইব্ৰাহিম লোডীৰ ৰাজ্য মাৰিহে মোগল সাম্ৰাজ্যৰ ভেটি প্ৰতিষ্ঠা কৰিছিল। গতিকে বাবৰৰ ভয় আছিল তুৰ্কীসকলৰ পৰাই সবাতোকৈ বেছি। সেয়ে হিন্দু ভাৰতীয় অংশক বিশ্বাসত ল'বলৈ বাবৰ বাধ্য হৈছিল। বাবৰৰ মৃত্যুৰ পিছত শেৰ ছাহৰ অভ্যুত্থানে স্পষ্ট কৰি দিয়ে যে

মোগলৰ ভয় আছিল তুৰ্কী পাঠানৰ পৰাই। সম্ভৱ সেই কাৰণেই হিন্দু ভাৰতীয়ৰ প্ৰতি বেছি উদাৰ আৰু বিশ্বস্ত হ'বলৈ বুলি পৰামৰ্শ স্বৰূপে পুতেক হুমায়ুনলৈ ইচ্ছা পত্ৰত লিখি থৈ গৈছিল,"[১]–

"হে মোৰ পুত্ৰ, পৃথিৱীৰ বিভিন্ন ধৰ্মৰ মানুহে ভাৰতত বসবাস কৰে আৰু আল্লাহক ধন্যবাদ যে বাদছাহৰো বাদছাহে এই দেশৰ শাসনভাৰ তোমাক দিছে। সেয়ে তোমাৰ কৰ্তব্য হৈছে—

(১) তুমি ধৰ্মীয় বিদ্বেষৰদ্বাৰা প্ৰভাৱিত নহ'বা, নিৰপেক্ষভাৱে ন্যায় বিচাৰ কৰিবা, আৰু সকলো অংশৰ জনগণৰ ধৰ্মীয় অনুভূতি আৰু আচাৰ-অনুষ্ঠানৰ প্ৰতি যথোচিত সন্মান দেখুৱাবা।

(২) বিশেষকৈ গোহত্যাৰ পৰা বিৰত থাকিবা, যাতে তুমি ভাৰতীয় জনগণৰ অন্তৰত ঠাই পোৱা। তাৰ ফলত এই দেশৰ জনগণ তোমাৰ প্ৰতি কৃতজ্ঞ হ'ব।

(৩) তুমি কেতিয়াও কোনো সম্প্ৰদায়ৰ উপাসনাৰ ঠাই ধ্বংস নকৰিবা আৰু ন্যায়পৰায়ণ হ'বা; যাতে ৰজা আৰু প্ৰজাৰ সম্পৰ্ক প্ৰীতিপূৰ্ণ হয় আৰু দেশত শান্তি আৰু সন্তুষ্টি বিৰাজ কৰে।

(৪) দমনৰ তৰোৱালৰ সলনি প্ৰেম আৰু কৰ্তব্যবোধৰ তৰোৱালেৰে ইছলামক প্ৰচাৰ কৰাই শ্ৰেয়। ....

(৫) তোমাৰ প্ৰজাৰ বিভিন্ন বৈশিষ্ট্যবোৰক বছৰৰ বিভিন্ন ঋতুৰ দৰেই গণ্য কৰিবা, যাতে ৰাজনৈতিক সমাজদেহ মুক্ত বৈ থাকে।

বাবৰৰ এনেবোৰ ধ্যান-ধাৰণাৰ পৰা অনুমান কৰিব পাৰি যে বাবৰ সম্প্ৰদায় নিৰপেক্ষ ভাৰত গঢ়াৰ পক্ষতে আছিল। এইজন বাবৰে ভাৰতীয় হিন্দুসকলৰ বিৰুদ্ধে আক্ৰোশমূলক কাম-কাজত হাত দিছিল বুলি ভাবিবলৈ টান পোৱা স্বাভাৱিক কথা। অৱশ্যে ৰাজনৈতিক অস্থিৰতাৰ কাৰণে পুতেক হুমায়ুনে বাবৰ নিৰ্দেশিত আদৰ্শ অনুসৰি নতুন ভাৰত গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিছিল বুলি অনুমান কৰাৰ থল নাই।

হুমায়ুনৰ পুত্ৰ আকবৰেহে বাবৰৰ ইচ্ছা-আকাংক্ষা অনুসৰি এখন সম্প্ৰদায় নিৰপেক্ষ নতুন ভাৰত গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিছিল বুলিব পাৰি। আকবৰেই ভাৰতৰ বুকুত গঢ়ি তুলিলে সুবিশাল মোগল ৰাজ্য আৰু জয় কৰিলে অগণন ভাৰতীয়ৰ মন আৰু হিয়া। আকবৰে গঢ়ি তোলা ভাৰতৰাষ্ট্ৰ যেন সকলোৰে সংগম আৰু মিলনত গঢ় লৈ উঠা এটা নতুন ভাৰতীয় জাতি।"[২]

আকবৰে খ্ৰীঃ ১৫৫৬ চনৰ পৰা সুদীৰ্ঘ ৫৬ বছৰব্যাপী ভাৰত শাসন কৰিছিল। অন্যান্য কথা আৰু কামৰ লগতে হিন্দু-মুছলমানৰ মাজত মধুৰ ঐক্য-সম্প্ৰীতিৰ পৰিৱেশ গঢ়ি তোলাৰ ওপৰত তেওঁ বিশেষ গুৰুত্ব আৰোপ কৰিছিল। অৱশ্যে এই ক্ষেত্ৰত কাশ্মীৰৰ বাদছাহ জৈন- উল- আবাদীন বা জয়নাল আবেদীনকহে বাটকটীয়াৰ সন্মান

দিয়া উচিত হ'ব। আলোচনাক্রমে পাই আহিছোঁ যে জয়নাল আবেদীনৰ পিতৃ ছিকান্দৰ আছিল উগ্র ইছলামিক। ছিকান্দৰে কাশ্মীৰৰ হিন্দুৰ মাজত মহাসন্ত্রাসৰ সৃষ্টি কৰি সমাজ-সংহতি লণ্ড-ভণ্ড কৰি দিছিল। কিন্তু জয়নাল আবেদীনে সকলোলৈ অভয় দান কৰি আটাইৰে মাজত পাৰস্পৰিক শ্রদ্ধা-মৰম আৰু বিশ্বাসৰ পৰিবেশ গঢ়ি তুলি এখন নতুন আৰু স্পন্দনপূর্ণ কাশ্মীৰ গঢ়াৰ পথত অগ্রসৰ হৈছিল। তেওঁ সর্বধর্ম সমন্বয়ৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল। তেওঁ নিজে ফাৰ্চী আৰু সংস্কৃত ভাষাৰ সুপণ্ডিত আছিল আৰু পণ্ডিতমণ্ডলীলৈ জনাইছিল পৃষ্ঠপোষকতা। তেওঁ হিন্দুৰ কাৰণে মন্দিৰ আদি নির্মাণ কৰাইছিল আৰু কৰিছিল গোহত্যা নিৰোধ। হিন্দুৰ-উৎসৱ-পর্বত তেওঁ হিন্দু সাধু- সন্ন্যাসীৰ বেশত যোগদান কৰিছিল, আনকি তেনে উৎসৱ-পর্বত হেনো মাংস পৰ্যন্ত নাখাইছিল। তেওঁৰ পিছৰে পৰা কাশ্মীৰ শান্তি-সম্প্রীতিৰ ভূস্বৰ্গৰূপে পৰিগণিত হৈ আহি আছিল।[৩৩]

বক্সী গুলাম মহম্মদে এঠাইত[৩৪] সুস্পষ্টভাৱে কৈছে যে ধৰ্মনিৰপেক্ষতা কাশ্মীৰে উত্তৰাধিকাৰ সূত্রেই লাভ কৰিছে। পাঠান আমোলত বিধ্বস্ত পহলগাম এলাকাৰ পবিত্র গুহা পুনৰ নির্মাণ কৰাইছে জনৈক মুছলমান মালিকে; হাজাৰ হাজাৰ হিন্দুৱে পৰম পবিত্রবোধে সেই গুহা আজিও দর্শন কৰে। শ্রীনগৰৰ খানকাই মহল্লাত অৱস্থিত ছাহ-ই-হামাদন আৰু মহাকালী মন্দিৰ একে বাটিতে অৱস্থিত। তেনেকৈ হৰি পর্বতৰ মৰদুম চাহাবৰ মাজাৰ আৰু সাৰিকাদেৱীৰ মন্দিৰো একে ঠাইতে অৱস্থিত। ঈদ আৰু শিৱৰাত্রি উৎসৱ কাশ্মীৰত হিন্দু-মুছলমান সকলোৰে উমৈহতীয়া উৎসৱ।

আকবৰে, আৰু সম্ভৱতঃ বাবৰেও, এই সকলো কথা আৰু কামৰ উমান পাইছিল। বাবৰ বা আকবৰ সম্ভৱতঃ কাশ্মীৰী সভ্যতা-সংস্কৃতিতকৈও জৌনপুৰী সভ্যতা-সংস্কৃতিৰ দ্বাৰা বেছিকৈ প্রভাবান্বিত হৈছিল; বিশেষকৈ আকবৰ। কাৰণ জৌনপুৰী বীৰ শেৰ ছাহে হুমায়ুনক সিংহাসন চ্যুত কৰিছিল। আকবৰে শেৰ ছাহ প্রবর্তিত নীতি-ৰীতি নিষ্ঠাৰে অনুসৰণ কৰিছিল। আনকি শেৰ ছাহৰ ৰাজহমন্ত্রী হিন্দু টোডৰমলকেই নিজৰ ৰাজহ মন্ত্রীৰূপে নিয়োগ কৰিবলৈও নেৰিলে। টোডৰমলৰ হতুৱাই কৰাবলৈ লোৱা মাটি পিয়ল আৰু শাসন- সংস্কাৰ- নীতি আকবৰে সম্পূর্ণৰূপে অনুসৰণ কৰিছিল।

আকবৰ ধৰ্ম- সম্প্রদায়ৰ ক্ষেত্রত ইমান উদাৰ আছিল যে গোড়া মুছলমানসকলৰ মানত তেওঁ আছিল ধর্মদ্রোহী, ইছলামদ্রোহী। আনকি সম্প্রতি বিজ্ঞান আৰু প্রযুক্তি বিদ্যাময় ধৰ্মনিৰপেক্ষ (Secular) যুগতো গোড়া মুছলমান অংশৰ মানত আকবৰ ধৰ্মদ্রোহী, ইছলামদ্রোহী। কাৰণ তেওঁ হিন্দু- মুছলমান- শিখ- খ্রীষ্টান, জৈন-বৌদ্ধৰ মূল তত্ত্ববোৰৰ সমন্বয়ৰ ভিত্তিত গঢ়িবলৈ লৈছিল 'দিন- ইলাহী' বোলা এটা নতুন মানবীয় ধর্ম। তেওঁ মুছলমানৰ ঈদ আদি উৎসৱৰ দৰে হিন্দুৰ শিৱৰাত্রি প্রভৃতি উৎসৱো পালনৰ ব্যৱস্থা কৰিছিল।

আকবৰৰ ৰাজত্ব কালতেই লক্ষ্ণৌৰ ব্রাহ্মণসকলৰ বিকাশতো হেনো বিশেষ গুৰুত্ব দিয়া হৈছিল। আকবৰে হেনো তাৰ ব্ৰাহ্মণসকলৰ দ্বাৰা বাজপেয় যজ্ঞ সমাপন

কৰাইছিল আৰু তেতিয়াৰ পৰা সেই অংশ ব্ৰাহ্মণক বাজপাই বা বাজপেয়ী ব্ৰাহ্মণৰূপে মাতিবলৈ লোৱা হৈছিল।[৩৪]

সাংস্কৃতিক সমন্বয় সাধনৰ অৰ্থেই আকবৰে ৰাজপুত চিত্ৰকলা আৰু পাৰসীয় মোগল চিত্ৰকলাৰ মাজত সমন্বয় সাধনৰ অৰ্থে সফল চেষ্টা কৰিছিল। অৱশ্যে আকবৰক ধৰ্মনিৰপেক্ষ (Secular) বোলাতকৈ উদাৰ প্ৰজাৰঞ্জকৰূপে অভিহিত কৰাহে উচিত হ'ব। তেওঁ উদাৰ সামন্ত প্ৰভুহে আছিল, ধৰ্মীয় চিন্তাৰ পৰা মুক্ত আছিল বোলা হ'ব সত্যৰ অপলাপ। আকবৰৰ সমকালীন ইউৰোপে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত অনুপম উন্নতি লাভ কৰি প্ৰায় ধৰ্মনিৰপেক্ষ এটা সামাজিক পৰিবেশ গঢ়ি তুলিছিল। বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীকে ধৰি ইউৰোপীয় কোম্পানীবোৰৰো ভাৰতত অৱস্থিতিৰ কথা আকবৰে উমান পাইছিল। কিন্তু সম্ভৱতঃ ধৰ্মীয় চিন্তা আৰু কাম-কাজৰ পৰা নিজক মুক্ত কৰিবলৈ অসমৰ্থ হোৱা কাৰণে, বিজ্ঞানৰ বিকাশ সাধনৰ বিষয়ে চিন্তা বা চেষ্টা-যত্ন কৰিবলৈ তেওঁ অৱসৰেই পোৱা নাছিল। ধৰ্ম-সম্প্ৰদায় তথা সাংস্কৃতিক উদাৰতা কিন্তু আকবৰকে ধৰি কে'বাগৰাকী মোগল সম্ৰাটৰ প্ৰধান বৈশিষ্ট্য। আকবৰৰ প্ৰধান সেনাপতি আব্দুৰ ৰহমান খানখানা আৰবী, ফাৰচী আৰু সংস্কৃত ভাষাৰ সুপণ্ডিত আছিল। মেবাৰৰ ৰাণা প্ৰতাপ সিংহ আছিল আকবৰৰ প্ৰধান শত্ৰু। কিন্তু সেনাপতি আব্দুৰ ৰহমানে সেইজন ৰাণাপ্ৰতাপৰ বীৰত্ব আৰু স্বাধীনতাপ্ৰেমৰ উচ্চ প্ৰশংসা কৰি লিখি থৈ গৈছিল।[৩৫] এনে উদাৰ দৃষ্টিৰ কাৰণে আকবৰ আছিল ভাৰতবাসীৰ মানত আদৰণীয়।

আকবৰৰ পিছত জাহাংগীৰ আৰু ছাহজাহানো আছিল উদাৰ প্ৰকৃতিসম্পন্ন; কিন্তু তেওঁলোকে জন্ম লাভ কৰিছিল হিন্দু ৰমণীৰ গৰ্ভতহে।

ঔৰংজেব ঃ

অন্ততঃ বাবৰৰ দিনৰ পৰা গঢ় লৈ উঠা সমন্বয় সম্প্ৰীতিৰ ধাৰাত ব্যতিক্ৰমৰ সৃষ্টি কৰিলে ঔৰংজেবেহে। ঔৰংজেবক ৰক্ষণশীল আৰু গোড়া বোলা হয়। দেশ-কাল-পাত্ৰৰ কথা দূৰদৰ্শিতাৰে বিবেচনা কৰি নতুন ভাৰত গঢ়াৰ নিষ্ঠা তেওঁ প্ৰদৰ্শন কৰিব নোৱাৰিলে; তেওঁ হৈ থাকিল কোৰাণমুখী তথা অতীতমুখী। অৱশ্যে কোৰাণৰ নিৰ্দেশ অনুসৰি তেওঁ হিন্দুৰ প্ৰতি সুবিচাৰ প্ৰদৰ্শন নকৰাকৈও থকা নাছিল। বাৰ্ধক্যত বাপেক সম্ৰাট ছাহজাহানক আগ্ৰাৰ দুৰ্গত বন্দী কৰি ৰাখি, ককায়েক দাৰা- চুজা আৰু ভায়েক মুৰাদক অকল সিংহাসন লাভৰ তাড়নাত নিষ্ঠুৰভাৱে হত্যা কৰা কাৰ্য কোৰাণ সমৰ্থিত নে মানৱীয়? আকবৰে উঠাই দিয়া জিজিয়া-কৰ পুনঃ প্ৰৱৰ্তন কৰা কাৰ্য আজিৰ দিনতো যিয়ে সমৰ্থন কৰে, সি জানো যুগৰ মানুহ? ধৰ্মান্ধ আওৰংজেবে কেৱল মোগল ভাৰতৰে ধ্বংস মাতি অনা নাছিল, ভাৰতক বিদ্ৰোহ-বিপ্লৱত জড়িত কৰি তাৰ সন্দৰ্ভতে বিদেশী বণিক ইংৰাজক বৰপীড়া পাৰি বহাৰ সুচলো কৰি দিছিল আওৰংজেবৰ অপশাসনেই। আওৰংজেবৰ পিছৰ ভাৰত কেৱল বিদ্ৰোহ বিপ্লৱ আৰু ভাতৃঘাতী সংঘাত-সংগ্ৰামত লিপ্ত ভাৰত। সিয়েই বিদেশী বণিক ইংৰাজক বৃটিছ সাম্ৰাজ্য প্ৰতিষ্ঠাৰ কাৰণে লালায়িত কৰি তুলিছিল।

বহুতে কয় যে আওৰংজেবৰ ধৰ্মান্ধতা আৰু পক্ষপাতিতাৰ কাৰণে জগৰীয়া তেওঁৰ শিক্ষাগুৰু মোল্লা ছালেহ। হয়তো সি সঁচাও হ'ব পাৰে। কিন্তু তথাপি আওৰংজেব নিৰ্দোষ হ'ব নোৱাৰে। কাৰণ বাবৰৰ পৰা বাপেক ছাহজাহানলৈ মোগল ইতিহাস আৰু ভাৰতৰ সমাজ-জীৱনৰ ইতিহাসো আওৰংজেবৰ আগত আছিল। আৰু যিহেতু সম্ৰাট আছিল আওৰংজেবহে, মোল্লা ছালেহ নহয়। কোৰাণ চৰিফ নকল কৰি জীৱিকা-নিৰ্বাহ কৰিছিল বুলি অধুনা পৰ্যন্ত প্ৰশংসিত আওৰংজেবে কোৰাণৰ নীতি পালন কৰাহেঁতেনো, হিন্দুৰ প্ৰতি কঠোৰো হ'ব নোৱাৰিলেহেঁতেন আৰু হিন্দুৰ ওপৰত জিজিয়া-কৰো লগাব নোৱাৰিলেহেঁতেন। কাৰণ কোৰাণে পৰধৰ্মৰ প্ৰতি সহানুভূতিশীল হ'বলৈ দঢ়াই দঢ়াই নিৰ্দেশ দি গৈছে।

আওৰংজেবে বল প্ৰয়োগ কৰি ধৰ্মান্তৰ কৰাৰ নিদৰ্শন হয়তো নাই, তেওঁ অসমৰ উমানন্দকে ধৰি ভাৰতৰ ভিন ভিন হিন্দু মন্দিৰলৈ ভূমি দান কৰা কথাও সঁচা। কিন্তু সি আছিল অন্যতম সামন্তযুগীয়া কৌশলহে। পূজাৰীয়ে মন্দিৰৰ ভিতৰত নাৰীক বলাৎকাৰ কৰা হেতুকে বিনা বিচাৰে বাৰাণসীৰ বিশ্বনাথ মন্দিৰ ধ্বংস কৰোৱা কাৰ্য চূড়ান্ত স্বেচ্ছাচাৰিতাৰ নিদৰ্শন ভিন্ন আন কি হ'ব পাৰে। একে স্বেচ্ছাচাৰী কাৰ্য গোলকুণ্ডাৰ জামা মছজিদ ধ্বংস কৰোৱা কাৰ্যও।

মাৰাঠা বীৰ শিৱাজীৰ দেশপ্ৰেম আৰু বীৰত্বৰ নিদৰ্শন চিৰ আদৰণীয়। ৰাজপুত বীৰ ৰাণাপ্ৰতাপ শত্ৰু হোৱা সত্বেও আকবৰে ৰাণাপ্ৰতাপৰ বীৰত্ব আৰু দেশপ্ৰেমৰ প্ৰতি শ্ৰদ্ধা জনাব পাৰিছিল। সেইকাৰণে জনগণৰ বিশ্বাস হৈছিল যে আকবৰে শত্ৰু-মিত্ৰ সকলোৰে প্ৰতি সমান ব্যৱহাৰ কৰিবলৈ সমৰ্থ। কিন্তু আওৰংজেবে শিৱাজীৰ বীৰত্ব বা দেশপ্ৰেমৰ ওপৰত হানিছিল আঘাত, 'শিৱাজীক পৰ্বতৰ নিগনি' বুলি বিদ্ৰূপ আৰু অৱমাননাহে কৰিছিল। ৰাজ সিংহাসনৰ আক্ৰোশত বাপেক ছাহজাহানক বন্দী কৰি ৰখা, ককায়েক-ভায়েকহঁতক নিৰ্মম-নিষ্ঠুৰতাৰে নিহত কৰা আওৰংগজেবে, টুপী চিলাই কৰি পোৱা ধনেৰে জীৱিকা আৰ্জা বা মাটিত শয়ন কৰা কাৰ্যক চূড়ান্ত ভণ্ডামিৰ নিদৰ্শন বুলি কোন যুক্তিবাদীয়ে সন্দেহ নকৰিব বাৰু?

আকবৰে সূৰ্য উপাসনা কৰা কাৰণে, হিন্দু পত্নীসকলক নিজস্ব ৰীতি আৰু ৰুচি অনুসৰি ধৰ্মীয় ৰীতি-নীতি পালন কৰিবলৈ সুযোগ-সুবিধা দিয়া কাৰণে, গোহত্যা নিৰোধ কৰোৱা কাৰণে, ডাঢ়ি ৰখা বা পৰ্দাপ্ৰথা বা মৃতদেহক কবৰ দিয়া নিয়ম বা পছম কাপোৰ পৰিধানৰ নিয়ম বা সোণৰ আ-অলংকাৰ আদি পৰিধানৰ আৱশ্যকতা অনুভৱ নকৰা কাৰণে তেওঁক যিমানেই লাগে ইছলামবিৰোধী বুলি গৰিহণা নিদিওক কিয়, বা মুছলমান ৰীতি অনুসৰি 'আছ্ছালামু আলাইকুম' (আল্লাই আপোনাক শান্তি দিয়ক) আৰু তাৰ সমিধানস্বৰূপে 'ওৱা আলাঈকুম্ ছালাম্' (আপোনাকো শান্তি দিয়ক) বুলি প্ৰীতি-শুভেচ্ছা নিবেদন কৰাৰ পৰিবৰ্তে সৌজন্যসূচক 'আদব' শব্দৰ প্ৰচলন কৰা কাৰণে আকবৰক ইছলামবিৰোধী ৰূপে প্ৰতিপন্ন কৰিব বিচৰাসকলৰ দেশ-বিদেশৰ বিশ্ববিদ্যালয়ৰ যিমানেই ওখ ওখ উপাধি নাথাকক কিয়, তেনেলোক যে আজিৰ

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত খাই-লৈ উশাহ-নিশাহ লৈ থকা সত্ত্বেও মৃত, সেই বিষয়ে কোনো সন্দেহৰ থল নাই। সমূহ ভাৰতীয়ৰ ঐক্য-সংহতিৰ ভেটিত নতুন ভাৰত গঢ়াৰ আকবৰৰ আদৰ্শ মুক্তিকামী মানুহ মাত্ৰৰে চিৰ আদৰণীয়; আৰু ঠিক একেদৰে আওৰংজেৱৰ ভাৰতৰ বুকুত ইছলামিক ৰাষ্ট্ৰ গঢ়াৰ আকাংক্ষাও (যদি আছিল) চিৰ বৰ্জনীয়। কোনো সন্দেহ নাই যে আকবৰ সামন্তপ্ৰভুই আছিল আৰু সম্ভৱ সেই কাৰণেই 'আল্লাহু আকবৰ' (আকবৰেই আল্লা,- ঈশ্বৰ) ধ্বনি তেওঁ নিৰোধ কৰা নাছিল, কাৰণ সামন্তযুগীয়া বিশ্বাস অনুসৰি ৰজা বাদছাহেই এই পৃথিৱীত ঈশ্বৰ-আল্লা। মানৱীয়বাদী দৃষ্টিৰে সি দূষণীয়েই। তেনেকৈ সমানে দূষণীয় আওৰংজেবে নিজক আলমগীৰ (জগতৰে শ্ৰেষ্ঠ ব্যক্তি) ৰূপে পৰিচয় দিয়া। আজি গণতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ যুগত দোষক দোষৰূপে আৰু গুণক গুণৰূপে সাব্যস্ত কৰা বিবেকী মানুহ মাত্ৰৰে অৱশ্য কৰ্তব্য হোৱা উচিত।

সামন্তযুগীয়া বুৰঞ্জীৰ ভেটিত নিৰপেক্ষভাৱে বিচাৰ কৰিলে সহজে অনুভৱ হয় যে বাবৰ আৰু আকবৰ আছিল বহুপৰিমাণে উদাৰ মানৱীয়বাদী আৰু তাৰ বিপৰীতে আওৰংজেৱ আছিল ৰক্ষণশীল, গতিকে অনুদাৰ। বাবৰ-আকবৰে জাতি-বৰ্ণ- ধৰ্ম সম্প্ৰদায় ভেদে উদ্‌গতিকামী মানুহ মাত্ৰকে আনন্দৰ সম্ভেদ দিবলৈ সমৰ্থ হৈছিল আৰু তাৰ বিপৰীতে আওৰংজেবে যেন সন্দেহ সন্দিগ্ধতা সৃষ্টিৰে উদ্‌গতিৰ পথত হেঙাৰহে বান্ধিছিল।

নতুন সাংস্কৃতিক দিগন্তৰ উন্মেষ ঃ

ভাৰতত মুছলমান বসতিৰ প্ৰায় এহাজাৰ চাৰিশ বছৰ কাল অতিবাহিত হ'ল। আনকি মহম্মদ ঘোৰীয়ে দিল্লীত খ্ৰীঃ ১১৯২/৯৩ চনত মুছলমানৰ ৰাজনৈতিক শাসন প্ৰতিষ্ঠাৰেই আঠশ বছৰ অতিবাহিত হ'ল। মিলন-মিশ্ৰণ, সমন্বয়-সমাহৰণৰ মাজেদি হিন্দু-মুছলমান এই দুয়োটা সম্প্ৰদায়ৰ জীৱন-জীৱিকা-সংস্কৃতিকে ধৰি সকলো ক্ষেত্ৰতে অনুপম ৰূপান্তৰো ঘটিছে। কিন্তু আচৰিত যে দুয়োটা সম্প্ৰদায়ৰে এক গৰিষ্ঠসংখ্যক লোকৰ মাজত বিৰোধ আজিকোপতি তিৰোহিত নহ'ল।

ইয়াৰ কাৰণে কেৱল ভাৰতীয় হিন্দুসকলৰ ৰক্ষণশীলতাই জগৰীয়া নহয়, একাংশ মুছলমানৰ উন্নাসিকতাও জগৰীয়া। সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰা লোক মাত্ৰেই অনুভৱ কৰিব পাৰে যে বিশেষ গুণ-জ্ঞানৰ অধিকাৰী নোহোৱা সত্ত্বেও একাংশ মুছলমান হিন্দুৰ প্ৰতি উন্নাসিক; কাৰণ তেওঁলোক ইছলামধৰ্মী আৰু তেওঁলোক আছিল বিজেতা। অথচ সেই অংশ উন্নাসিক মুছলমানে কোৰাণৰ তাৎপৰ্যও হয়তো হৃদয়ংগম কৰিব পৰা নাই, আৰু হয়তো ইছলামৰ উন্নতি আৰু অৱনতিৰ ইতিহাসৰ লগতো সুপৰিচয় স্থাপন কৰিব পৰা নাই। ইছলামৰ ইতিহাসৰ লগত সুপৰিচয় ঘটাহেঁতেন দেখিলেহেঁতেন যে ইবনে ৰুছদিৰ সদৃশ বিপ্লৱী দাৰ্শনিকৰ সৃষ্টি ইছলাম জগতেই কৰিছিল আৰু প্ৰকৃততে সেই বৈপ্লৱিকতাৰ গুণেহে ইছলামৰ সমাদৰ বাঢ়িছিল, মধ্য যুগৰ ইউৰোপত নৱজাগৰণৰ সৃষ্টি কৰিবলৈও সমৰ্থ হৈছিল সেই বৈপ্লৱিকতাৰ ফলতেই।

ভাৰতলৈ অহা মুছলমানসকল আছিল যাইকৈ পৰৰাজ্য লোলুপ; ইছলামৰ বিশ্বভাতৃত্ববোধৰ চেতনা তেওঁলোকে উপলব্ধি কৰাত ব্যৰ্থ হৈছিল। আৰু সম্ভব সেই কাৰণেই ভাৰতীয়সকলৰ চিত্ত জয় কৰাতো ব্যৰ্থ হৈছিল। আৰু সম্ভব সেই কাৰণেই ভাৰতৰ বুকুত জাগৰণৰ সৃষ্টি কৰাতো ইছলাম ব্যৰ্থ হৈছিল। কিন্তু তথাপি ইছলামধৰ্মী মুছলমানৰ লগত সংঘাতলৈ অহাৰ ফলত ভাৰতৰ বুকুত একপ্ৰকাৰ জাগৰণৰ সৃষ্টি নোহোৱাকৈও থকা নাছিল। সেই জাগৰণ নৱবৈষ্ণৱ জাগৰণ আৰু সেই জাগৰণ মাতৃভাষা তথা আঞ্চলিক ভাষাৰ মাধ্যমত গঢ় লৈ উঠা সাহিত্য-সংস্কৃতিমূলক জাগৰণো। অৱশ্যে ইছলামত কল্পনা আৰু বাস্তৱ, অৰ্থাৎ ভাববাদ আৰু বস্তুবাদৰ সমন্বয় ঘটিছিল বুলি অনুভৱ কৰাৰ থল নাই। আৰু প্ৰকৃততে সেই কাৰণেই নৱবৈষ্ণৱ আলোড়নক নৱজাগৰণ বা ৰেণাইছাঁ বুলি আখ্যায়িত কৰাৰো সুচল নাই।

ইছলামৰ প্ৰভাৱত ভাৰতত নৱবৈষ্ণৱ আলোড়ন গঢ় লৈ উঠা কথা সঁচা। এই নৱবৈষ্ণৱ আলোড়ন ভক্তিকেন্দ্ৰী। এই বৈষ্ণৱী ভক্তিৰ ইছলাম অনুসৃত চুফী বা মৰমীবাদৰ আদৰ্শৰ লগত অনুপম সাদৃশ্য পৰিলক্ষিত হয়। পিছে ভাৰতত ভক্তি একো নতুন কথা নহয়। কাৰণ অন্ততঃ খ্ৰীঃ পূঃ দ্বিতীয় শতিকাতে ৰচিত বুলি বিবেচনা কৰা শ্ৰীমদ্ ভাগৱত গীতাৰ পৰা ৰামানুজ, মাধৱাচাৰ্য, নিম্বকাচাৰ্য প্ৰভৃতি ভক্তি মাৰ্গৰ বৈষ্ণৱ আচাৰ্যৰ কাললৈ ভাৰতত ভক্তিৰ বিষয়ে চিন্তা-চৰ্চা হৈছিল। কিন্তু সিবোৰ ৰচনা কৰা হৈছিল সংস্কৃত ভাষাতহে। সংস্কৃত কিন্তু কোনো দিনেই জনগণৰ কথিত ভাষা নাছিল। গতিকে সংস্কৃতত ৰচনা কৰা ভক্তি বিষয়ক গ্ৰন্থসমূহৰ লগত জনগণৰ প্ৰত্যক্ষ সম্পৰ্ক নাছিল। কিন্তু ১৪শ শতিকাৰ ভক্তিমাৰ্গী বৈষ্ণৱ আচাৰ্য সন্ত ৰামানন্দৰ দিনৰ পৰা (খ্ৰীঃ ১২৯৯ –১৪১০) মানুহৰ মুখৰ ভাষাত ভক্তি প্ৰচাৰ কৰিবলৈ লোৱা হয়। বিষ্ণু-বৈষ্ণৱ বা ভক্তিৰ আদৰ্শ ভাৰতত প্ৰাচীন, কিন্তু ৰামানন্দৰ পৰা প্ৰচাৰিত ভক্তিৰ প্ৰচাৰ মাধ্যম জনগণৰ মুখৰ ভাষা হোৱা হেতুকে সি নতুন, সিয়ে জাতি-বৰ্ণ নিৰ্বিশেষে সকলো স্তৰৰ মানুহৰ মাজত প্ৰসাৰতা লাভ কৰি এক প্ৰকাৰ সাম্যৰ আদৰ্শৰ ভেটিত আলোড়নৰ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল। সেই কাৰণেই সেই আলোড়নক নৱবৈষ্ণৱ আলোড়নৰূপে নামাংকিত কৰা হৈছে।

ভক্তিকেন্দ্ৰী এই নৱবৈষ্ণৱ আলোড়নে সমগ্ৰ ভাৰতকে আলোড়িত কৰিছিল। 'ভক্তিৰসবোধিনী'ৰ বিশিষ্ট ৰচক প্ৰিয়দাসৰ ব্যাখ্যা অনুসৰি ভক্তিৰ মূল কথা হ'ল,[১]

> "শ্ৰদ্ধেয়জনৰ প্ৰতি উপাসনা, পাপৰ কাৰণে দুখবোধ,উপাস্যজন বিনে আন সকলোতে সংশয়, উপাস্যজনৰ প্ৰশংসাকীৰ্তন, তেওঁৰ কাৰণে জীৱন ধাৰণ, সকলো তেওঁতে অৰ্পণ, জাগতিক সকলো বস্তুৰ মাজত তেওঁৰ অন্বেষণ, ক্ৰোধ, হিংসা, লোভ, আৰু কলুষতাপূৰ্ণ চিন্তা-ভাবনাৰ পৰিহাৰ।"

ভক্তিমাৰ্গৰ প্ৰতি আকৃষ্ট হৈ যিসকলে সমগ্ৰ ভাৰতভূমিত ভক্তি আলোড়ন বিয়পাই দিছিল, সেইসকলৰ বহুতেই আছিল নিম্নবৰ্ণভুক্ত, অপমানিত, লাঞ্ছিত আৰু অৱহেলিত লোক। মহাৰাষ্ট্ৰত ভক্তিধৰ্মৰ প্ৰবৰ্তক পুৰুষ জ্ঞানদেৱ। তেওঁ বৰ্ণাশ্ৰম ধৰ্মৰ

তীব্র বিৰোধী আছিল। তেওঁৰ অনুগামী ভক্তসকলৰ ভিতৰত নামদেৱ আছিল দৰ্জী, টুকাৰাম আছিল হেনো সামান্য চাউল বেপাৰী। বৰ্ণাশ্ৰম ধৰ্মৰ বিৰোধিতা কৰা অপৰাধত তেওঁলোক এনে অত্যাচাৰ-নিৰ্যাতনৰ সমুখীন হ'ব লগাত পৰিছিল যে জ্ঞানদেৱ, টুকাৰাম আদি সাধকে হেনো আত্মহত্যা কৰিবলৈ বাধ্য হৈছিল।

উত্তৰ ভাৰতত ভক্তি আলোড়নৰ প্ৰৱৰ্তক পুৰুষ হ'ল সন্ত ৰামানন্দ। তেওঁ জন্মত ব্ৰাহ্মণ আৰু ব্ৰাহ্মণৰ পণ্ডিতৰ ওচৰতে শিক্ষা-দীক্ষাও লাভ কৰিছিল। কিন্তু তেওঁ আছিল উদাৰ মানৱীয়বাদী। তেওঁৰ চিন্তত উচ্চ- নীচ, জাতি-অজাতিৰ ভেদাভেদ নাছিল। তেওঁ আছিল যথাৰ্থ বিপ্লৱী। তেওঁযে কেৱল হিন্দু-মুছলমানৰ মাজতে বিভেদ লোপ কৰিবলৈ লৈছিল তেনে নহয়, নাৰীকো পুৰুষৰ সমানেই স্থান ি।ছিল। ৰামানন্দৰ প্ৰধান শিষ্য-প্ৰশিষ্য কবীৰ মুছলমান, মীৰাবাঈ নাৰী, নানক শিখ ধৰ্মৰ প্ৰৱৰ্তক। ধৰ্মকে ধৰি সমাজজীৱনত প্ৰবৰ্তি থকা সকলোপ্ৰকাৰৰ বিভেদ লোপ কৰি সাম্যৰ ভেটিত আনন্দমুখৰ সমাজ গঢ়াই আছিল তেওঁলোকৰ মূল লক্ষ্য।

সেইকাৰণে নীহকুলীয়া নিম্নবৰ্ণ আৰু শ্ৰমকাৰী মানুহৰ মাজত তেওঁলোকৰ আদৰ আছিল অনুপম। তেওঁলোক বহু পৰিমাণে জীৱনমুখীও আছিল। শ্ৰদ্ধা-যত্ন থাকিলে মানুহ জীৱনৰ চৰম শিখৰত উপনীত হ'বলৈ সমৰ্থ হ'ব পাৰে বুলিও তেওঁলোকে বিশ্বাস কৰিছিল। তেওঁলোকৰ মাজত পণ্ডিত-পুৰোহিত, মোল্লা-মৌলবী, তীৰ্থ- মন্দিৰ- মছজিদ, গীতা-ভাগৱত- কোৰাণ আদিৰ স্থান নাছিল। তেওঁলোক কিন্তু ঈশ্বৰ বিশ্বাসী আছিল আৰু মানুহ আৰু ঈশ্বৰৰ মাজত পোনপটীয়া সংযোগ স্থাপনতো গুৰুত্ব আৰোপ কৰিছিল।

ভাৰতীয় ভক্তিমাৰ্গীসকলৰ এই নৱবৈষ্ণৱ আলোড়নৰ লগত ইছলাম নিসৃত চুফীবাদ বা মৰমীবাদৰ অনুপম সাদৃশ্য বিচাৰি পোৱা যায়। ১৫শ শতিকাত অভ্যুদয় লাভ কৰা মৰমীবাদেও ভাৰতৰ প্ৰান্তে প্ৰান্তে সামান্য সাধাৰণ শ্ৰমকাৰী জনগণক আনন্দত উৎফুল্ল কৰি তুলিব পাৰিছিল। আন এটা বিশেষ মন কৰিব লগা কথা আছিল এয়ে যে ভক্তিবাদী, চুফী বা মৰমীবাদী হৈ পৰিছিল এক আৰু অভিন্ন। এই ক্ষেত্ৰত ভক্ত কবি কবীৰৰ নাম বিশেষভাৱে উল্লেখযোগ্য। অসমৰ শংকৰদেৱ প্ৰমুখ্যে ভক্তিমাৰ্গী বৈষ্ণৱসকলৰ কথাও এই ক্ষেত্ৰত বিবেচনা কৰিব লগাত পাৰে। তেওঁলোক নিজে উচ্চ কায়স্থ বা ব্ৰাহ্মণবৰ্ণৰ লোক আছিল। কিন্তু তেওঁলোকে জাতি-অজাতি বিচাৰ নকৰিছিল; হিন্দু-মুছলমানো তেওঁলোকৰ ভক্ত শিষ্য আছিল আৰু সাধাৰণ শ্ৰমকাৰী হাতীৰ ঘাঁহী, দৰ্জী আদিও তেওঁলোকৰ শিষ্য আছিল। সংস্কৃতৰ অনুকৰণত শংকৰদেৱে পদ কৰি গাইছিল –

নলাগে ভক্তিত দেৱদ্বিজ ঋষি হুইবে।
নলাগে সম্ভৃত শাস্ত্ৰ বিস্তাৰ জানিবে।।

তপজপ যজ্ঞদান সবে বিড়ম্বন।
কেৱল ভক্তিতে তুষ্ট হন্ত নাৰায়ণ।।
— (শংকৰদেৱ ঃ প্ৰহ্লাদ চৰিত)

ভাৰতীয় ভক্তিমাৰ্গীৰ এনে উদাৰ আদৰ্শৰ লগত চুফী বা মৰমীবাদীৰ আদৰ্শৰ বিশেষ একো পাৰ্থক্য নাই। পাৰ্থক্যৰ ভিতৰত প্ৰধানকৈ এয়ে যে ভক্তিমাৰ্গী বৈষ্ণৱসকলে কম-বেছি পৰিমাণে বাহ্যিকতাত গুৰুত্ব দিয়ে; ইয়াক চুলে চুবা, তাক চুলে চুবাৰ ওপৰত অন্ততঃ অসমৰ নিকাপন্থী বৈষ্ণৱসকলে গুৰুত্ব দিয়ে; কাল সংহতিৰ বৈষ্ণৱসকল কিন্তু সম্পূৰ্ণৰূপে চুফী বা মৰমীবাদীৰ সদৃশ অকৃত্ৰিম, বিভেদ-বৈষম্য আৰু বাহ্যিকতাহীন।

বাহ্যিকতা বা বহিঃ আড়ম্বৰহীন গূঢ়তত্ত্ব উদ্‌ঘাটন বিষয়ক আলোচনা বা তত্ত্বই হ'ল চুফীবাদ বা মৰমীবাদৰ মূল কথা। মৰমীবাদৰ অন্যতম বিশিষ্ট মুৰছিদ ইবনে আল আৰাবীৰ মতে, ঈশ্বৰ এক, বিশ্ব তেওঁৰ প্ৰকাশ। তেওঁ সৃষ্টিক বুলিছে এক ক্ৰমাগতধাৰা আৰু লগতে উল্লেখ কৰিছে তাৰ তিনিটা স্তৰৰ কথা। সেই স্তৰবোৰ হ'ল, - (১) পৰম একতত্ত্বৰ স্তৰ (অহিদিয়াত), (২) গুপ্ত বা সুপ্ত বহুতা (ওবাদাত) আৰু (৩) প্ৰতীয়মান বা প্ৰকৃত বহুতা (ওবাদিয়াত)। বহুতাই নিজক প্ৰকাশ কৰে আত্মাৰ (ৰূহ) মাজত, আকাৰৰ (মিছাল) মাজত, আৰু দেহৰ (যিছম) মাজত।[২৮]

সূক্ষ্মভাৱে বিচাৰ কৰিলে দেখা যায় যে ভাৰতীয় বেদান্ত দৰ্শন নিসৃত ভক্তিবাদ আৰু ইছলাম নিসৃত চুফীবাদৰ মাজত বেছ সাদৃশ্য আছে। এনেহে ধাৰণা হয় যেন চুফীবাদে বেদান্তদৰ্শনক একান্তভাৱে আত্মসাৎ কৰিবলৈ সমৰ্থ হৈছে। আত্মশুদ্ধি প্ৰবৃত্তি আৰু কামনা নিয়ন্ত্ৰণ, ঈশ্বৰ চিন্তাত একান্তভাৱে মনোনিৱেশ, বাহ্য বা বস্তু জগতৰ অস্তিত্বৰ কথা সম্পূৰ্ণৰূপে পাহৰি দিব্য মিলনৰ অৰ্থে (নিৰ্বাণ বা ফানা) দৈহিক আৰু মানসিক ক্ৰিয়াৰ ওপৰত নিয়ন্ত্ৰণ আদি ভক্তি আৰু চুফী দুয়োটা মতৰে সাধাৰণ ধৰ্ম। এনে মানসিক অৱস্থা আয়ত্ত কৰিবলৈ সমৰ্থ হ'লে মানুহে প্ৰলোভন আৰু ভয়ৰ পৰা মুক্ত হৈ লাভ কৰে এক পৰম আনন্দ, যাক বোলা হয় দিব্য মিলন।[৩৮]

ই হিন্দু-মুছলমানৰ সমন্বয়- সমাহৰণৰ ফল; দুয়োটা সম্প্ৰদায়ৰ অন্ততঃ একো অংশ জনগণ কিদৰে পৰস্পৰৰ প্ৰতি সহানুভূতিশীল হৈ উঠিছিল তাৰ ই অনুপম নিদৰ্শন। ভক্তিবাদ আৰু চুফীবাদৰ মাজত গঢ় লৈ উঠা নিবিড় সম্পৰ্কই ভাৰতীয় সাহিত্য-সংস্কৃতিক কৰি তুলিছিল প্ৰাচুৰ্যপূৰ্ণ। কবীৰ, মীৰাবাঈ আদি কেৱল ভক্তি মাৰ্গীয়েই নাছিল, স্ৰষ্টাও আছিল। তেওঁলোকৰ গীত-পদে ভাৰতীয় ভাষা-সাহিত্যক নিটোল ৰূপ দান কৰিছিল। ভক্ত কবি কবীৰে হিন্দী সাহিত্যৰ বিৰাট পৰিপুষ্টি সাধন কৰিছে। হিন্দী সাহিত্যৰ বুৰঞ্জী লেখকসকলৰ মতে কবীৰৰ সৃষ্টিয়েহে হিন্দী সাহিত্যৰ আকৰ্ষণ বৃদ্ধি কৰে। অন্যান্য ভালেমান ইছলামধৰ্মী গায়ক-গীতিকাৰে ভাৰতীয় সংগীতকো মহান মৰ্যাদা দান কৰি গৈছে।

অথচ ইছলাম অনুসৰি ধৰ্মীয় প্ৰাৰ্থনা আদি ব্যতিৰেকে সংগীতৰ স্থান নাই। কিন্তু পৃথিৱী বিখ্যাত গায়ক আৰু গীতিকাৰ আমীৰ খশ্ৰু প্ৰভৃতিয়ে ইছলামৰ বাধাৰ

বিপৰীতে ভাৰতীয় সভ্যতা- সংস্কৃতিৰে প্ৰভাৱপুষ্ট হৈ ৰচনা কৰিছে অসংখ্য গীত, সুৰ, ৰাগ, শৈলীৰ। এই ক্ষেত্ৰত দিল্লীৰ চুলতান আলাউদ্দিন খিলজীৰ কথা স্মৰণ কৰা হয়। তেওঁৰ দৰবাৰৰ গায়ক-গীতিকাৰ আছিল আমীৰ খশ্ৰু। আমীৰ খশ্ৰু নতুন ৰাগ, তাল আৰু বাদ্যৰো ৰচক-প্ৰৱৰ্তক। অসংখ্য গীত, যোজনা, ফকৰা আৰু সাঁথৰৰো ৰচক আমীৰ খশ্ৰু। হেনো খশ্ৰুই এক লাখৰো অধিক গীত ৰচনা কৰিছিল। তাতোকৈও আকৰ্ষণীয় কথা আছিল এয়ে যে খশ্ৰুৰ গীতৰ বিষয়-বস্তু আছিল ভাৰতীয় লোক জীৱন আৰু প্ৰকৃতি। প্ৰাচীন ভাৰতত প্ৰতিটো ঋতুক কেন্দ্ৰ কৰি ন ন গীতৰ সুৰ ৰচনা হোৱাৰ দৰে খশ্ৰুয়ো তাকেই কৰিছিল। সিমানেই নহয়, তেওঁ প্ৰাচীন ৰীতিক কৰি তুলিছিল সুসমৃদ্ধ তেওঁকেই বাদ্যযন্ত্ৰ 'চেতাৰ'ৰ প্ৰৱৰ্তক পুৰুষ ৰূপেও সন্মান কৰা হয়। খশ্ৰুই আৰবীয় সাধনাৰ লগত ভাৰতীয় সংগীতৰ অপূৰ্ব সমন্বয় সাধি গৈছে।[১] কাউল, কালবন, নক্‌ছ্, গুল, তাৰানা, আৰু খেয়াল ৰাগৰ প্ৰৱৰ্তক ৰূপেও খশ্ৰুকেই সন্মান কৰা হয়। পাখোৱাজৰ ঠাইত ঢোলক, আৰু বীণাৰ ঠাইত চেতাৰৰ প্ৰৱৰ্তক পুৰুষ আমীৰ খশ্ৰু।[৪০]

অসমৰ বৈষ্ণৱ সত্ৰসমূহত যোড়শ প্ৰসংগত ভিন ভিন ৰাগৰ গীত পৰিবেশনৰ ব্যৱস্থা আছিল, বৰ্তমানেও কিছু পৰিমাণে সি সজীৱ হৈ আছে বুলিয়ে জনা যায়। ই আমীৰ খশ্ৰুৰ প্ৰভাৱ পুষ্টও হ'ব পাৰে। খশ্ৰু পাৰস্য সংগীত কলাৰো বিশাৰদ আছিল। পাৰস্যৰ গীত বাৰটা সুৰত গোৱা হৈছিল, প্ৰতিটো সুৰত আছিল দুটাকৈ মাত্ৰা। তেতিয়া ৰাগুৰ মাত্ৰা হয়গৈ চব্বিশ। প্ৰতিটো ৰাগৰ গীত পৰিবেশন কৰা হৈছিল দিন-ৰাতিৰ চব্বিশ ঘণ্টাৰ বিশেষ সময়ত। এই ৰীতিকে অসমৰ বৈষ্ণৱ সত্ৰসমূহত অনুসৰণ কৰিছিল বুলি অনুমান কৰাৰ যুক্তি নথকা নহয়। খশ্ৰুৰ কৃতিত্ব এয়ে যে তেওঁ পাৰস্যীয় আৰু ভাৰতীয় সংগীতৰ সমন্বয়ত সৃষ্টি কৰিছিল নতুন নতুন ৰাগৰ। তেনে বহু ৰাগ সম্প্ৰতি অপ্ৰচলিত; কিন্তু 'ইমন', 'যিলফ', 'ছাৰপৰদা', 'গালগিৰি' আদি অনেক ৰাগে আজিও সংগীত সাধকসকলক আনন্দৰ খোৰাক যোগায়। তেওঁ 'ছাওৱানি', ফৰোদাস্ত', 'পাছতো', 'কাওৱালী', প্ৰভৃতি অনেক সংগীতশৈলীৰো উদ্ভাৱক।[৪১]

এইবোৰৰ উপৰি আমীৰ খশ্ৰুই ভাষা, ব্যাকৰণ, সংগীত, গণিত আদিৰ বিষয়ে নানা মূল্যবান গ্ৰন্থ লিখি ভাৰতীয় সাহিত্য-সংস্কৃতিক সুসমৃদ্ধ কৰি থৈ গৈছে। আমীৰ খশ্ৰুৰ প্ৰভাৱ আৰু প্ৰেৰণাত সমগ্ৰ ভাৰতব্যাপী অসংখ্য সংগীত বিশাৰদৰ সৃষ্টি হৈছিল বুলিও জনা যায়।[৪২]

১৫শ শতিকাৰ আন এগৰাকী বিশিষ্ট সংগীত বিশাৰদ আছিল হোছেইন ছৰ্কী। তেওঁ আছিল এগৰাকী সংগীতপ্ৰিয় বাদছাহ। সেই সময়ত কাওৱালীৰ বিশেষ সমাদৰ আছিল। কাওৱালীৰ দৰবেশী সুৰত হেনো তেৰেঁই বৈচিত্ৰ্যৰ সৃষ্টি কৰিছিল। কাওৱালী খেয়ালৰ যি দুটি প্ৰধান ধাৰা-তাৰ এটাৰ আৱিষ্কাৰক হেনো হোছেইন ছৰ্কী। সেই খেয়ালৰ সাংগীতিক নাম 'কলাৱন্তী খেয়াল'।

মোগল সম্ৰাট আকবৰ কলা- সংস্কৃতিৰো এগৰাকী জগত বিখ্যাত বিশিষ্ট পৃষ্ঠপোষক। সংগীত জগতৰ প্ৰবাদপুৰুষ তানসেনৰ উপৰি তান তৰংগ খাঁ আছিল

আকবৰৰ দৰবাৰৰ গায়কসকলৰ দুগৰাকী বিখ্যাত গায়ক। সংগীত আৰু চিত্ৰপ্ৰেমী আকবৰৰ পৃষ্ঠপোষকতাৰ ফলত পুণ্ডৰীক বিট্‌ঠল নামে প্ৰতিভাশালী সংগীত সাধক এগৰাকীয়ে 'ৰাগমালা', 'ৰামমঞ্জৰী', 'সদৰাগ চন্দ্ৰোদয়', 'নৰ্তন নিৰ্ণায়ক' নামৰ চাৰিখন মূল্যবান গ্ৰন্থ ৰচনা কৰিছিল।

আকবৰৰ পুত্ৰ জাহাংগীৰো সংগীতপ্ৰিয় আছিল। তেওঁৰ ৰাজত্ব কালতেই দক্ষিণ ভাৰতীয় জনকজনা পদ্ধতিৰ অনুকৰণত ৰাগৰ বৰ্গীকৰণো হৈছিল। খুৰমদাদ, ছতৰা খাঁ আদি আছিল তেওঁৰ দৰবাৰৰ বিশিষ্ট গায়ক।

সম্ৰাট ছাহজাহান নিজেও আছিল সুকণ্ঠী গায়ক। দৈৰংগ খাঁ প্ৰভৃতি বিভিন্ন গায়কক তেওঁ পৃষ্ঠপোষকতাও জনাইছিল।

প্ৰকৃততে মৌলবাদী সম্ৰাট আওৰংজেৱ ভিন্ন আটাইবিলাক মোগল বাদছাহ আছিল কলা- সংস্কৃতিবিদ আৰু পৃষ্ঠপোষক। আওৰংজেৱে কেৱল দৰবাৰৰ পৰা সংগীত শিল্পক বহিষ্কাৰ কৰিয়ে এৰা নাছিল, সমগ্ৰ দেশৰ পৰাও বহিষ্কাৰ কৰাৰ অৰ্থে ফটোৱাও হেনো জাৰি কৰিছিল। তাৰ কাৰণে সংগীতজ্ঞ আৰু সংগীতপ্ৰেমীসকল হৈছিল ক্ষুব্ধ।[৩০] কিন্তু বিশেষ মন কৰিব লগা কথা এয়ে যে আওৰংজেৱৰ পিছৰ বাদছাহ মহম্মদ ছাহৰ ৰাজত্ব কালৰ পৰা পুনৰ সংগীত চৰ্চাত মনোনিবেশ কৰা হৈছিল। চুলতান আলাউদ্দিন খিলজীৰ পৃষ্ঠপোষকতাত আমীৰ খস্ৰু প্ৰভৃতিয়ে পাতনি মেলা সংগীত সাধনাই আজিকোপতি উত্তৰোত্তৰ সংবৃদ্ধি লাভ কৰি আছে বুলিব পাৰি। এই বিংশ শতিকাৰ ভাৰতীয় মুছলমান সংগীত সাধক বড়ে গুলাম আলী খাঁ, ফৈয়াদ খাঁ, আব্দুল কৰিম খাঁ প্ৰভৃতিৰ কথানো কোন সংগীতপ্ৰেমীয়ে পাহৰিব পাৰে! তেওঁলোক প্ৰত্যেকেই ভাৰতীয় উচ্চাংগ সংগীতৰ সংবৃদ্ধিত বিপুল অৰিহণা যোগাইছে।

ভাৰতীয় চিত্ৰকলাৰ ক্ষেত্ৰতো মুছলমানসকলে অনুপম অৰিহণা যোগাই আহিছে;- আনকি সংগীতৰ দৰে চিত্ৰকলাৰ ক্ষেত্ৰতো কোৰাণ নিষিদ্ধ হোৱা সত্ত্বেও। ইছলাম অনুসৰি প্ৰাণী চিত্ৰ অংকন নিষিদ্ধ। পাৰস্যীয় চিত্ৰকলাই প্ৰাণীৰ চিত্ৰ অংকন কৰি কোৰাণৰ নিষেধ উলংঘা কৰি বৈপ্লৱিক চেতনাৰেই উদ্ৰেক কৰিছিল। দিল্লীৰ পাঠান চুলতানসকলৰ শাসন কালতে পাতনি মেলা ভাৰতীয় চিত্ৰকলাই মোগল যুগত, বিশেষকৈ আকবৰৰ দিনৰপৰা বিশেষ ব্যাপ্তি লাভ কৰে। কোৱা হয় যে চিত্ৰৰ 'ছিটিং' আৰু 'পোজ' প্ৰথাৰ বিষয়ে আকবৰৰ অভিজ্ঞতা আছিল। আকবৰে কল্পনাতকৈ বাস্তৱৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল কাৰণে, তেওঁৰ শাসন কালত অংকিত চিত্ৰসমূহ আছিল বাস্তৱধৰ্মী। আনকি ভাৰতীয় আৰু গ্ৰীচীয় চিত্ৰকলাৰ সমন্বয়ত 'গান্ধাৰ শিল্প কলম'ৰ সৃষ্টি হোৱাৰ দৰে আকবৰৰ শাসন কালত সৃষ্টি হৈছিল এক নতুন কলম। এই কলমৰ আগছোৱাত আছিল পাৰস্যীয় চিত্ৰ শিল্পী আব্দুছ ছামাদ আৰু চৈয়দ আলী। ইংলেণ্ডৰ ভিক্টোৰিয়া আৰু এলবাৰ্ট সংগ্ৰাহালয়ত 'আকবৰ নামা'ৰ যি সচিত্ৰ পাণ্ডুলিপি সংৰক্ষিত হৈছে, তাৰ ২৭৪ টা 'ফোলিও'ত মুঠ ৫৬ গৰাকী চিত্ৰ শিল্পীৰ ১১৬ খন চিত্ৰ থকা কথা জনা যায়। এই শিল্পীসকলৰ ভিতৰৰ ফাৰুকবেগ, হোছেইন আকৃকাছ, মনছুৰ, ছাহ মহম্মদ, ছানাউল্লা কুতুবচিলা আদি আছিল বিশেষ

খ্যাতিমান।

মোগল যুগৰ চিত্ৰকৰ চুলতান মহম্মদ ইমান সুপ্ৰসিদ্ধ হৈ উঠিছিল যে তেওঁক প্ৰাচ্যৰ ৰাফায়েল বুলি সম্মানিত কৰা হয়। ভাৰতীয় চিত্ৰশিল্পৰ ইতিহাসত চুলতান মহম্মদৰ পিছতেই মহম্মদ নাজিৰ ছমৰখন্দিৰ স্থান। 'আইন-ই-আকবৰী' আৰু 'আকবৰ নামা'ও সচিত্ৰ। সিবোৰৰ চিত্ৰকৰৰ ভিতৰত মুছকিন আৰু চানাউল্লাৰ নাম বিশেষভাৱে স্মৰণীয়।

সম্ৰাট জাহাংগীৰৰ শাসন কালৰ পৰা যৌথ চিত্ৰাংকন প্ৰথাৰ সমাদৰ বাঢ়ে। ৰাজস্থানী আৰু ৰাফায়েল চিত্ৰকলাৰ সমন্বয়ত সৃষ্টি হৈছিল সেই চিত্ৰ কলম। আকবৰৰ শাসন কালতে সি মোগল চিত্ৰ কলাৰূপে আখ্যায়িত হৈছিল। কোৱা হয় যে আকবৰৰ পুত্ৰ জাহাংগীৰ এই জগতৰ অন্যতম শ্ৰেষ্ঠ কলাবিদ ৰূপে প্ৰতিপন্ন হৈছিল। এইজন জাহাংগীৰৰ অতি প্ৰিয় শিল্পী আছিল মনছুৰ আৰু আব্দুল হাছান।

যুৱৰাজ দাৰা চিকো আছিল ভাৰতীয় সাহিত্য, সংস্কৃতি, দৰ্শনৰ এই বিশিষ্ট অনুৰাগী। হিন্দু-মুছলমানৰ সমন্বয়-সমাহৰণত এক নতুন ভাৰতীয় মহাজাতি গঢ়ি তোলাৰ যে কি একান্ত প্ৰয়াসেই তেওঁ কৰা নাছিল। তেওঁ চিত্ৰ-প্ৰেমীও আছিল। তেওঁৰ নিজা শিল্পী চক্ৰত মহম্মদ নজিৰ, ছমৰখন্দি, মীৰ হাছিম, আছফ খাঁ, মহম্মদ ফকিৰুল্লা খাঁ, মুফৰ ৰহমত্ খাঁ প্ৰভৃতি বিখ্যাত চিত্ৰশিল্পীয়ে ঠাই পাইছিল।[৪৪]

ইয়াৰ উপৰি 'ৰজবা নামা' আৰু 'ভকিয়ত্-ই-বাবৃৰী'ত যি যথাক্ৰমে বাৰজন আৰু ওঠৰ জন শিল্পীৰ নাম পোৱা যায়— সেইসকলৰ ভিতৰত সৰহসংখ্যকেই আছিল হিন্দু। ৰাজদৰবাৰলৈ পাৰস্যৰ কলাবিদসকলক আমন্ত্ৰণ জনোৱাৰ দৰে দেশীয় দৰিদ্ৰ অথচ গুণী শিল্পীসকলকো আমন্ত্ৰণ জনোৱা হৈছিল। দুয়োদল শিল্পীয়ে কাম কৰিছিল একেলগে, ইদল সিদলৰ দ্বাৰা হৈছিল প্ৰভাৱান্বিত আৰু তাৰ ফলত সৃষ্টি হৈছিল বিস্ময়কৰ সৌন্দৰ্যশৈলী।[৪৫]

আকবৰৰ শিল্পীসকলৰ ভিতৰত বছৱন, দশৱন্ত, কেছো আদিৰ দৰে সুদক্ষ হিন্দু শিল্পীও আছিল। তেওঁলোক উভয় দল শিল্পীয়ে মহাভাৰত, ৰামায়ণ, নল-দময়ন্তী, পঞ্চতন্ত্ৰ আদি সচিত্ৰ কৰি তোলাৰ উপৰি, ছাহনামা, খামছা-ই-নিয়ামী, বাবৰনামা, টাইমুৰ নামা প্ৰভৃতিও সচিত্ৰ কৰি তুলিছিল। জাহাংগীৰৰ শিল্পী মনছুৰ আছিল চৰাই আৰু ফুল চিত্ৰিত কৰাত অতি নিপুণ। তেনেকৈ মানুহৰ প্ৰতিকৃতি অংকনত বিষাণ দাস আছিল সৰ্বশ্ৰেষ্ঠ। ছাহজাহানেও তেওঁৰ পিতাৰ ঐতিহ্য শ্ৰদ্ধাৰে সুৰক্ষিত আৰু মৰ্যাদা বৃদ্ধিত গুৰুত্ব আৰোপ কৰিছিল। ছাহজাহানৰ চিত্ৰ-শিল্পীসকলৰ ভিতৰত বিষাণ দাস, বিচিত্তাৰ, মুহাম্মদ নাদিৰ ছমৰকান্দী, ফকিৰুল্লাহ খাঁ, মীৰ হাছিম আদি আছিল সুপ্ৰসিদ্ধ।[৪৬]

ভাৰতত মোগল শাসনৰ পতনৰ লগে লগে চিত্ৰ-শিল্পৰ জগততো শোচনীয় পৰিণতি পৰিলক্ষিত হয়; পৃষ্ঠপোষকতাৰ অভাৱত শিল্পীসকল দাৰিদ্ৰ্যক্লিষ্ট হোৱাত, জীৱন-জীৱিকাৰ তাড়নাত, শিল্পীসকলে কেৱল মনোৰঞ্জনৰ তাগিদাত চিত্ৰ অংকন

কৰিবলৈ লোৱাত, ভাৰতীয় চিত্ৰ-শিল্পৰ মান তেনেই অৱনত হয়। কিন্তু মোগল আমোলত ৰাজধানী দিল্লীক কেন্দ্ৰ কৰি হিন্দু-মুছলমান গায়ক-চিত্ৰকৰসকল চাৰিওফালৰ পৰা আহি সম্মিলিতভাৱে সংমিশ্ৰণত সৃষ্টি কৰিছিল এক নতুন ভাৰতীয় সংস্কৃতিৰ। চিত্ৰ-শিল্পত যাক 'দিল্লীকলম' বোলা হয় সি আছিল ৰাজস্থান, কাশ্মীৰ, পাটনা, চীন, পাৰস্য, ইৰাণ প্ৰভৃতি অঞ্চল আৰু দেশৰ চিত্ৰকলাৰ প্ৰভাৱপুষ্ট এক আন্তৰ্জাতিক চিত্ৰকলা। মোগল ভাৰতত চীনৰ অংকনৰীতিয়ে ভাৰতীয় চিত্ৰকলাত আৰোপ কৰিছিল সূক্ষ্ম কলা-কৌশল আৰু আলংকাৰিক চিত্ৰাংকনৰ পৰিমিতিবোধ। মোগল যুগৰ ভাৰতীয় পুথিচিত্ৰও পৃথিৱী বিখ্যাত।[৪৭]

স্থাপত্য কলাৰ বিকাশৰ ক্ষেত্ৰতো মোগল শাসনে এক অবিস্মৰণীয় ভূমিকা বহন কৰিছিল। বাবৰে নিৰ্মাণ কৰাইছিল ফোৱাৰা জলপ্ৰপাত— নিৰ্ঝৰ শোভিত সুৰম্য উদ্যান আৰু মাৰ্বলৰ চোতাল। হুমায়ুনে নিৰ্মাণ কৰাইছিল এটি সপ্ত কক্ষবিশিষ্ট প্ৰাসাদ যাৰ প্ৰতিটো কক্ষ সপ্তগ্ৰহৰ একো একোটি গ্ৰহৰ নামত উৎসৰ্গিত হৈছিল। আকবৰে নিৰ্মাণ কৰাইছিল সুপ্ৰসিদ্ধ ফতেহপুৰচিক্ৰি। জাহাংগীৰে নিৰ্মাণ কৰাইছিল আকবৰৰ সমাধিসৌধ আৰু জাহাংগীৰ মহল। স্থাপত্য কলাৰ বিকাশসাধনত ছাহজাহান অবিস্মৰণীয়। অসংখ্য কক্ষ, প্ৰাসাদ আৰু মছজিদ সম্বলিত দিল্লীৰ লালকিল্লা, জামা মছজিদ আৰু সৰ্বোপৰি স্মৃতিসৌধ তাজমহল ছাহজাহানৰ সৌন্দৰ্য অনুভূতিৰ অবিনশ্বৰ নিদৰ্শন।[৪৮]

এনেদৰে বিচাৰ কৰিলে স্বাভাৱিকতেই অনুভৱ হয় যে মুছলমান শাসনে ভাৰতত এক নতুন সম্প্ৰদায়-নিৰপেক্ষ সংস্কৃতিৰ উন্মেষ সাধনত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিছিল। অসমীয়া জিকিৰত আজান ফকীৰে যে গাইছিল,—

মোৰ মনত ভিনপৰ নাই ঐ আল্লা
মোৰ মনত ভিন পৰ নাই।
হিন্দুকি-মুছলমান একেই আল্লাৰ ফৰমান
মোৰ মনত একেটি ভাব।।

ঠিক সেই একে ভাব প্ৰকাশ কৰি চুলতান বাবা পীৰেও গাইছিল,—

মই মুছলমানো নহয়, হিন্দুও নহয়,
মোল্লাও নহয়, কাজীও নহয়,
মোৰ মনত মৃত্যু ভয়ো নাই।

এনে মানবীয় আদৰ্শকে নানা গীত-মাতৰ মাজেদি ফুটাই তুলিছিল বাংলাৰ বাউলসকলেও। ভক্তি প্ৰেমমাৰ্গী বৈষ্ণৱপুষ্ট চৈতন্যদেৱো আছিল একে উদাত্ত ভাবাদৰ্শৰ ধাৰক আৰু বাহক।

মৰমীবাদীসকলৰ দৰে বাংলাৰ বাউলসকলেও ধৰ্মৰ ক্ষেত্ৰত কোনো আনুষ্ঠানিকতা নামানে। ঈশ্বৰ প্ৰাপ্তিৰ অৰ্থে বাউলে মন্দিৰে মন্দিৰে, মছজিদে-মছজিদে,

তীৰ্থই-তীৰ্থই পৰ্যটন কৰি ফুৰাৰ আৱশ্যকতাও কোনো দিনে অনুভৱ কৰা নাই। বাউলৰ মানত ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ, কৃষ্ণ, সকলো এক আৰু অভিন্ন। এইসকল প্ৰতিগৰাকী দেৱতাকে তেওঁলোকে বুলিছে একো একোগৰাকী নবী। ৰাধা-কৃষ্ণ, ৰাৱণ-মন্দোদৰী, ইউচুফ-জুলেখাৰ প্ৰেমক তেওঁলোকে অমৰ কৰি থৈ গৈছে।

বাংলাৰ তুৰ্কী শাসক চুলতান হোছেইন ছাহ, নাছিৰ ছাহ প্ৰভৃতিৰ বাংলা ভাষা, সাহিত্য, সংস্কৃতিলৈ অতুলনীয় অৱদান আছিল। তেওঁলোকেই বাংলা ভাষাক চৰকাৰী ভাষাৰ মৰ্যাদা দিছিল। মহাভাৰত, ভাগৱত আদি তেওঁলোকৰ পৃষ্ঠপোষকতাতে বাংলাত ৰচনা কৰা হৈছিল। সেই চুলতানসকলে সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত এনে অনুকূল পৰিবেশৰ সৃষ্টি কৰিছিল যে বিশিষ্ট বৈষ্ণৱ কবি বিদ্যাপতিয়ে তেওঁৰ প্ৰসিদ্ধ গ্ৰন্থ 'কবিতামালা' খন উৎসৰ্গ কৰিছিল চুলতান নাছিৰুদ্দিনৰ হাততহে।[৩৯]

ফাৰচী ভাষা আত্তাৰ, ৰুমী, জামী, ছাদী প্ৰভৃতি চুফী কবিসকলৰ সৃষ্টিৰে সুসমৃদ্ধ হৈ আছে। তেওঁলোকৰ অনুকৰণত ভাৰতৰ প্ৰান্তে প্ৰান্তে অসংখ্য গীত-মাত-কবিতা-কাব্য ৰচনা হৈছে। সমন্বয়মূলক সৃষ্টিৰ আৰু অসংখ্য নিদৰ্শন দাঙি ধৰি বিচাৰ কৰি চাব পাৰি যে হিন্দু-মুছলমান সমন্বয়ত প্ৰকৃততে সাহিত্য-সংস্কৃতিৰ নতুন দিগন্তৰ উন্মেষ ঘটিছিল। এই ক্ষেত্ৰত বিশেষভাৱে মন কৰিব লগা কথা এয়ে যে হিন্দু-মুছলমানৰ মিলন-মিশ্ৰণ, সমন্বয়-সমাহৰণৰ ফলত গঢ় লৈ উঠা সংস্কৃতি পৰম্পৰাগত হিন্দুও নহয় আৰু মুছলমানো নহয়, সি ভাৰতীয়হে।

চাৰ যদুনাথ সৰকাৰে সঠিকভাৱেই লক্ষ্য কৰিছিল যে—

> "আকবৰৰ সিংহাসন আৰোহণৰ পৰা মহম্মদ ছাহৰ মৃত্যু পৰ্যন্ত (খ্ৰীঃ ১৫৫৬—১৭৪৯) প্ৰায় দুশ বছৰ মোগল শাসনৰ অধীন উত্তৰ আৰু দক্ষিণ ভাৰতৰ ৰাষ্ট্ৰভাষা, শাসন নীতি, মুদ্ৰা ব্যৱস্থা এক আৰু অভিন্ন আছিল। আনকি মোগল শাসনৰ প্ৰত্যক্ষ শাসনভুক্ত ৰাজ্যৰ বাহিৰেও তেওঁলোকৰ শাসনৰীতি, দৰবাৰী পৰিভাষা, আচাৰ-আচৰণ, আৰু অৰ্থ ব্যৱস্থাৰ প্ৰভাৱ পৰিলক্ষিত হৈছিল প্ৰতিবেশী হিন্দু ৰাজন্যবৰ্গৰ মাজতো।"

> "মোগল সাম্ৰাজ্যভুক্ত কুৰিটা চুবাৰ আটাইকেইটা শাসিত হৈছিল হুবহু একে পদ্ধতি আৰু চৰকাৰী পদবীধাৰী নথি-পত্ৰ, ফৰমান, চনদ, ভূমি-অনুদান, অনুমতিপত্ৰ, চৰকাৰ প্ৰেৰিত যিকোনো চিঠি-পত্ৰ, বা ৰচিদ-পত্ৰ আদি সকলোতে ব্যৱহাৰ হৈছিল একমাত্ৰ চৰকাৰী ভাষা ফাৰ্চী। '.... চৰকাৰী কৰ্মচাৰী আৰু সৈনিকবিলাক প্ৰায়েই এক প্ৰান্তৰ পৰা আন এক প্ৰান্তলৈ বদলি হৈছিল। আটায়ে কিন্তু নিজক স্বদেশী বুলিহে পৰিচয় দিছিল। ব্যৱসায়ী আৰু ভ্ৰমণকাৰীবিলাকে স্বাচ্ছন্দ্যে ঘূৰি ফুৰিছিল চহৰে চহৰে, চুবায়-চুবায়। আৰু সকলোৱে অনুভৱ কৰিছিল এই বিশাল দেশৰ সাম্ৰাজ্যিক একত্ব।"[৪০]

এই ভাৰতীয়ত্ববোধৰ মূল হ'ল মুছলমান মোগলৰ শাসন।

সংকেত সূচী :

১। ড° চন্দ্ৰ শৰ্মা : *বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতা, আঢৈ দশকৰ চিন্তা,* ললিত চন্দ্ৰ ভড়ালী কলেজৰ ৰূপালী জয়ন্তী প্ৰকাশন, ১৯৯৬, পৃঃ ২।
২। Dr. Tarachand : *Influence of Islam or Indian Culture,* P. 66.
৩। *Ibid,* PP 62, 65, 66.
৪। Dr. Macdonell (ed) : *History of the Sanskrit Literature,* 1899, P. 369
৫। Phillips K. Hitti : *History of the Arabs, New York,* 1961, P. 305.
৬। এম, এন, ৰয় : *ইস্‌লামেৰ ঐতিহাসিক অবদান,* পৃ ২১/২২
৭। J.W. Draper : *History of the Intellectual Development of Europe,* Vol I, PP. 332-33
৮। Gibbon : *The Decline and Fall of the Roman Empire* (Quoted in M. N. Roy, *ইছলামেৰ ঐতিহাসিক অবদান,* P.48
৯। Dr. Tarachand, *Ibid,* PP 31, 33, 44.
১০। *Ibid,* P. 34.
১১। গোলাম মহম্মদ মোৰ্ত্তজা : '*চেপেৰাখা ইতিহাস*', পৃ : ১১৫
১২। Dr. Tarachand : *The Hindu-Muslim Problem,* PP. 18-19, Quoted in Dr. B.N. Pande, *Islam and Indian Culture,* P. 14
১৩। Dr. B.N. Pande : *Eslam and Indian Culture,* PP. 67-68
১৪। ইন্দু ৰায়চৌধুৰী আৰু বীণা শ্ৰীবাস্তৱে সংকলন কৰা '*হাৰিয়ানাৰ সাধু*'ৰ সহায়ত।
১৫। Dr. B.N. Pande : *Ibid,* PP 21-22.
১৬। Sir Jadunath Sarkar : *History of Aurangjib,* Vol II, P. 163, footnote.
১৭। Havel : *Aryan rules,* Quated in *Islam and Indian Culture,* P. 64.
১৮। *Ibid,* PP. 62-64
১৯। জৱাহৰলাল নেহৰু : *ভাৰত সন্ধান* (অসমীয়া অনুবাদ) পৃ : ২৩৬
২০। Al-Biruni : *India* (aksugdged), P. VIII, footnote.
২১। *Ibid,* P. III

২২। F. Mujtafa : *Hindu-Muslim Cultural Relations*, 1983, P. 11 (footnote).

২৩। জবাহৰলাল নেহৰু, *প্ৰাগুক্ত গ্ৰন্থ আৰু পৃষ্ঠা।*

২৪। Al-Biruni : *India*, P. 10

২৫। *Ibid*, P. 7.

২৬। *Ibid*, PP. 52-53.

২৭। *Ibid*, P. 86.

২৮। জবাহৰলাল নেহৰু : *ভাৰত সন্ধেদ*, পৃ : ২৪৩।

২৯। *প্ৰাগুক্ত গ্ৰন্থ*, পৃ : ২৪০।

৩০। *প্ৰাগুক্ত গ্ৰন্থ*, পৃ : ২৪৪ - ২৫৫।

৩১। ড° প্ৰফুল্ল দত্ত গোস্বামী : *বুৰঞ্জী আৰু সংস্কৃতি, বাবৰৰ আত্মজীৱনী*, পৃঃ ৪৭।

৩২। জবাহৰলাল নেহৰু : *ভাৰত সন্ধেদ*, পৃ : ২৬১।

৩৩। Dr. B.N. Pande : *Islam & Indian Culture*, PP. 67-68.

৩৪। Boxi Gulam Muhammed : *Secularism, Kashmir's Recent Heritage, The Spirit of India*, PP. 469-70.

৩৫। Ikramuddin Kidwai, Lucknow : *Past & Present*,

৩৬। জবাহৰলাল নেহৰু : *ভাৰত সন্ধেদ*, পৃ : ২৭১

৩৭। Dr. B.N. Pande : *Islam & Indian Culture*, P. 10.

৩৮। *Ibid*, P. 13.

৩৯। *Ibid*, PP. 10-13.

৪০। *Ibid*, P. 81.

৪১। *Ibid*, P. 81.

৪২। *Ibid*, P. 81.

৪৩। শিৱতপন বসু : *ভাৰতীয় সংগীত ও চিত্ৰকলায় মুছলমানদেৰ অবদান* (নিবন্ধ)

৪৪। *প্ৰাগুক্ত নিবন্ধ*

৪৫। Dr. B.N. Pande : *Islam & Indian Culture*, P. 22.

৪৬। *Ibid*, P. 23.

৪৭। শিৱতপন বসু : *প্ৰাগুক্ত নিবন্ধ*

৪৮। Dr. B.N. Pande : *Islam & Indian Culture*, P. 23.

৪৯। *Ibid*, P. 79.

৫০। *Ibid*, P. 24.

দ্বিতীয় অধ্যায়

অসমত মুছলমান

মালাবৰ অঞ্চলত ইছলাম প্ৰবৰ্তনৰ পূৰ্বেই আৰবীয় বণিকে বসবাস কৰিবলৈ লৈছিল বুলি অনুমান কৰাৰ থল থকাৰ দৰে, অসমৰো মুছলমান আক্ৰমণৰ কে'বাশতিকা আগৰে পৰা আৰব জগতৰ লগত সম্পৰ্ক ঘটিছিল বুলি অনুমান কৰা হয়। জনশ্ৰুতি অনুসৰি খ্ৰীষ্টীয় ৪ৰ্থ শতিকাত প্ৰাচীন কামৰূপ-অসমৰ ৰজা শংকলাদিবে গৌড় নগৰ প্ৰতিষ্ঠা কৰিছিল। এই শংকলাদিবৰ ৰাজত্বকালতে পাৰস্যৰ সম্ৰাট আফ্ৰচিয়াবে হেনো গৌড় আক্ৰমণ কৰিছিল।[১]

ই জনশ্ৰুতিমূলক কথা বুলি কিন্তু ইয়াক উৰাই দিয়া টান, ইয়াৰ কিবা নিশ্চিত ভিত্তি আছিল নিশ্চয়। আৰু ইয়ে অনুভৱ কৰাত সহায় কৰে যে অসম আৰবৰ সম্পৰ্ক অতি প্ৰাচীন। অনুমান হয় যে মধ্যযুগত অসমৰ মাজেদি আক্ৰমণকাৰী তুৰ্কীসকলে চীনলৈ বাট বিচৰাৰ দৰে, পাৰস্য সম্ৰাট আফ্ৰচিয়াবেও সম্ভৱ অসমৰ মাজেদি চীনলৈ বাট বিচাৰিছিল আৰু অসমে ভেটা দিয়া কাৰণে সৃষ্টি হৈছিল সংঘাত- সংগ্ৰামৰ। সম্ভৱ প্ৰাচীন কালৰে পৰা এচিয়া আৰু ইউৰোপৰ ভিন ভিন জাতিয়ে অসমক চীনৰ দুৱাৰমুখৰূপে গণ্য কৰিছিল; অসমৰ মাজেদি চীনলৈ সুগম পথ আছিল। আৰু তেনেকৈয়ে অতি প্ৰাচীন কালৰ পৰা অসম পৃথিৱীৰ ভিন ভিন জাতি-উপজাতিৰ মিলন ভূমিত পৰিণত হৈছিল।

বখ্‌তিয়াৰ খিলজীৰ অসম আক্ৰমণ ঃ

ইতিহাস সমৰ্থিত অসমৰ বুকুত প্ৰথম মুছলমান আক্ৰমণ হ'ল মহম্মদ ইবন্ বখ্‌তিয়াৰ খিলজীৰ আক্ৰমণ। উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্তত থকা কানাই বৰশীবোৱা শিলালিপি অনুসৰি—

শাকে তুৰগ-যুগ্মেষ মধুমাস ত্ৰয়োদশে

কামৰূপম্ সমাগত্য তুৰস্কাঃ ক্ষয়মায়যুঃ।।

অৰ্থাৎ ১১২৭ শকৰ চ'তৰ তেৰ তাৰিখে অসমলৈ অহা তুৰস্কবোৰ ক্ষয়প্ৰাপ্ত হৈছিল। মুছলমান ঐতিহাসিক মিনহাজুদ্দিনৰ তবাকত্-ই-নাছিৰি অনুসৰি সেই আক্ৰমণেই আছিল বংগৰ শাসনকৰ্তা মহম্মদ ইবন্ বখ্‌তিয়াৰ খিলজীৰ খ্ৰীঃ ১২০৫/০৬ চনৰ অসম আক্ৰমণ। মহম্মদ ইবন্ বখতিয়াৰ আছিল মহম্মদ ঘোৰীৰ দিল্লীৰ শাসনকৰ্তা ইলতুৎমিছৰ অন্যতম

সেনাপতি। দিল্লীত আধিপত্য স্থাপনৰ পিছত উত্তৰ-পূব ভাৰত জয়ৰ অভিলাষেৰে তেওঁ এটা অশ্বাৰোহী বাহিনীৰ সৈতে আগবাঢ়িছিল আৰু খ্ৰীঃ ১২০২ চনত বংগ জয় কৰি শাসনকৰ্তাৰূপে প্ৰতিষ্ঠিত হৈছিল। ঐতিহাসিকসকলে অনুমান কৰা মতে, আৰু বিশেষকৈ তবাকত্- ই-নাছিৰিৰ মিন্হাজুদ্দিনৰ বৰ্ণনা অনুসৰি, খ্ৰীঃ ১২০৫ চনৰ শেষৰফালে তিব্বত বা চীন বিজয়ৰ অভিলাষেৰে এটা শক্তিশালী সেনা বাহিনীৰ সৈতে তেতিয়াৰ কামৰূপ (অসম)ৰ মাজেদি অগ্ৰসৰ হৈছিল। কামৰূপৰ ৰজা আছিল বৰ্থু বা পৃথু। পৃথু ৰজাই হেনো সেইটো তিব্বত বা চীন বিজয়ৰ উপযুক্ত কাল নহয় বুলি মহম্মদক জনাই দিছিল আৰু সেই বছৰলৈ উভতি যাবলৈ পৰামৰ্শ আগ বঢ়াইছিল আৰু হেনো জানিবলৈ দিছিল যে তাৰ পিছৰ বছৰত অভিযান চলালে পৃথু ৰজায়ো সহযোগিতা আগবঢ়াব। কিন্তু মহম্মদ ইবন বখ্তিয়াৰে পৃথু ৰজাৰ পৰামৰ্শ অৱজ্ঞা কৰি সসৈন্যে আগবাঢ়িয়ে থাকিল। মহম্মদৰ অৱজ্ঞাসূচক কাৰ্যই পৃথু ৰজাক উত্তেজিত কৰি তোলে আৰু সসৈন্যে গৈ ঘেৰি ধৰে। বখ্তিয়াৰ খিলজীক পৰাভূত কৰে, সৰহ ভাগ সৈন্যই নিহত হয়, নিচেই সামান্যসংখ্যক গাৰখীয়া সেনাৰ সৈতে মহম্মদ ইবন বখ্তিয়াৰ কথমপি গৈ গৌড়ত উপস্থিত হয়। কোনোৰ মতে মৰ্মবেদনাত আৰু আন কোনোৰ মতে তেওঁৰ বাহিনীৰ আলী মৰ্দন বোলা এজন সেনাপতিয়ে তেওঁক হত্যা কৰে।[২]

কানাই বৰশীবোৱা শিলালিপি অনুসৰি তুৰ্কী বাহিনী ক্ষয়প্ৰাপ্ত হৈছিল বুলি কোৱা হৈছে সঁচা; কিন্তু সম্ভৱতঃ সেই তুৰ্কী বাহিনীৰ অন্ততঃ কিছু সৈন্যই আত্মসমৰ্পণ কৰিছিল আৰু সেই আত্মসমৰ্পণকাৰী সেনাবোৰেই হ'ব অসমৰ প্ৰাচীন মুছলমান অধিবাসী।

তবাকত্-ই-নাছিৰিৰ সহায়ত কনকলাল বৰুৱাই জানিবলৈ দিছে যে তুৰ্কী বাহিনীৰ পথ প্ৰদৰ্শক আছিল জনৈক জনজাতীয় নেতা আলী মেজ (মেচ)।[৩] এই আলী মেজ যে তুৰ্কী বাহিনীৰ প্ৰভাৱত ধৰ্মান্তৰিত হোৱা প্ৰাচীন অসমৰ ন মুছলমান সেই বিষয়ে সন্দেহৰ থল নাই। তেতিয়াহ'লে তুৰ্কী বাহিনী অসমত অনুপ্ৰৱেশ কৰাৰ আগতেই পশ্চিম সীমান্তৰ একাংশ জনজাতীয় লোক সম্ভৱতঃ ইছলামত দীক্ষিত হৈছিল আৰু সেই জনজাতীয় লোক অংশই অসমৰ প্ৰাচীনতম অসমীয়া মুছলমান হ'ব লাগে।

প্ৰসংগক্ৰমে উল্লেখযোগ্য কথা এয়ে যে তবাকত্-ই-নাছিৰিৰ ৰচক মিন্হাজুদ্দিন নিজে তুৰ্কী বাহিনীৰ লগত অসমলৈ অহা নাছিল। তুৰ্কী বাহিনীটো নিধনৰ ৩৫ বছৰ পিছত জনৈক মহম্মদ উদ-দৌল্লাৰ মুখে শুনিহে তবাকত্-ই-নাছিৰি ৰচনা কৰিছিল। আন এটা উল্লেখযোগ্য কথা এয়ে যে মহম্মদ উদ্-দৌল্লা সেই তুৰ্কী বাহিনীটোৰ সহগামী আছিল নে নাই তাকো তবাকত্-ই-নাছিৰিৰ পৰা জনাৰ উপায় নাই। কিন্তু তথাপি তবাকত্-ই-নাছিৰিৰ ওপৰত নিৰ্ভৰ নকৰিলে সেই সময়ৰ মুছলমান অভিযানবোৰৰ বিষয়ে জনাৰ আন বিশেষ নিৰ্ভৰযোগ্য বুৰঞ্জীমূলক উপাদান পাবলৈ নাই।

মহম্মদ ইবন বখ্তিয়াৰৰ বাহিনীক কামৰূপৰ পৃথুৰজাই পোনতে বাধা দিয়া নাছিল যেন অনুমান হয়; অন্যথাই মহম্মদৰ বাহিনী আগ বাঢ়ি আহি কৰৰপতন বা কৰমপতন আহি নাপালেহেঁতেন। কনকলাল বৰুৱাই কৰৰপতন বা কুৰমপতনক বুলিছে আধুনিক কুম্‌ৰীকটা বা কুমাৰীকটা। বৰ্তমান নলবাৰী জিলাৰ অন্তৰ্গত দৰঙাৰ ওচৰৰ ঠাইখন।[৪] কিন্তু মহম্মদৰ তুৰ্কী বাহিনীয়ে লুটপাত কৰাত অতিষ্ঠ হৈয়ে সম্ভৱতঃ কামৰূপৰ ৰজা পৃথুই মহম্মদৰ বাহিনীৰ অগ্ৰগতিতো বাধাৰ সৃষ্টি কৰিলে আৰু প্ৰকৃততে গোটেই বাহিনীটোকে কৰিলে ধ্বংস। তুৰ্কী মুছলমান মিনহাজুদ্দিনে ৰচনা কৰা তবাকত্‌ - ই-নাছিৰিয়েই এই কথা জানিবলৈ দিয়াৰ পৰা স্পষ্ট অনুমান হয় যে অভিযানকাৰী মুছলমানবিলাকে নিৰীহ জনগণৰ ওপৰত অত্যাচাৰ কৰা যেন এক প্ৰকাৰ স্বাভাৱিক কথাই আছিল আৰু প্ৰকৃততে সেই কাৰণেই অত্যাচাৰী আক্ৰমণকাৰীহঁতক ভালকৈ এসেকা দিছিল।

হাছামুদ্দিনৰ আক্ৰমণ ঃ

মহম্মদ বিন বখ্তিয়াৰ খিলজীক হত্যা কৰি বংগৰ ৰাজত্ব লাভ কৰিছিল আলী মৰ্দন খিলজীয়ে (খ্ৰীঃ ১২১০ চনত)। কিন্তু তেওঁ সুপ্ৰতিষ্ঠিত হ'বলৈ নৌপাওতেই তেওঁক হত্যা কৰি সিংহাসন লাভ কৰে হাছামুদ্দিন ইয়াজে (খ্ৰীঃ ১২১৩ চনত)। তেওঁ দিল্লীৰ অধীনত্ব অগ্ৰাহ্য কৰি স্বাধীনভাৱে ৰাজ্য শাসন কৰিবলৈ লয়। ড° মোহিনী শইকীয়াই তেওঁৰ গ্ৰন্থত[৫] বহলাই আলোচনা কৰি দেখুৱাইছে যে হাছামুদ্দিন ইয়াজে অসম আক্ৰমণ কৰি জয়যুক্ত হৈছিল আৰু নগাঁৱত উদ্ধাৰ হোৱা বিশ্বসুন্দৰ দেৱৰ 'গছতল' শাসন অনুসৰি হাছামুদ্দিনৰ বাহিনীয়ে হিন্দুৰ মঠ-মন্দিৰ আদি ভাঙি চুৰমাৰো কৰিছিল আৰু ধন-সম্পদো লুটপাত কৰিছিল। ড° মোহিনী শইকীয়াৰ বিচাৰ অনুসৰি হাছামুদ্দিনৰ আক্ৰমণে সেই কালৰ অসমক খণ্ড-বিখণ্ড কৰি ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যত পৰিণত কৰিছিল; শোষণ-নিপীড়ন-নিৰ্যাতনৰ কাৰণে অসমৰ জনগণে তেতিয়াই ইছলামধৰ্মী মুছলমানক ঘৃণা কৰিবলৈ লৈছিল।

ৰত্নধ্বজপালৰ গৌড় আক্ৰমণ ঃ

মুছলমান আক্ৰমণকাৰীয়ে লুণ্ঠন, অত্যাচাৰ, নিপীড়নেৰে ঘৃণাৰ সৃষ্টি কৰা হেতুকেই সম্ভৱ অসমৰ চুতীয়া ৰজা ৰত্নধ্বজ পালেও গৌড় আক্ৰমণ কৰি বংগৰ শাসনকৰ্তা টুঘ্ৰিল খাঁক সন্ধি কৰিবলৈ বাধ্য কৰিছিল।[৬] কিন্তু মন কৰিব লগা কথা এয়ে যে অসমৰ চুতীয়া ৰজা ৰত্নধ্বজে ৰাজ্য জয়ৰ অভিলাষেৰে গৌড়ৰ বিৰুদ্ধে অভিযান চলোৱা নাছিল; বন্ধুত্ব প্ৰতিষ্ঠাৰ আকাংক্ষাৰেহে সেনা অভিযান চলাইছিল, যাতে আগলৈ বংগৰ নবাবে অসমৰ বুকুলৈ সেনা অভিযান চলাই শান্তিপ্ৰিয় জনগণক অশান্তি নিদিয়ে তাৰ কাৰণেহে। আৰু সেয়ে সন্ধিৰ অন্যতম চৰ্ত অনুসৰি গৌড়ৰ ৰজাৰ জীয়েকক ৰত্নধ্বজৰ

পুতেকলৈ বিয়া দিবলৈও বাধ্য কৰিছিল।

তবাকত্-ই-নাছিৰিৰ সহায়ত ড° মোহিনী শইকীয়াই জানিবলৈ দিছে যে অসমৰ বিৰুদ্ধে গৌড়ৰ অভিযানৰ কিন্তু অৱসান ঘটা নাছিল। ইখ্‌তিয়াৰ উদ্দিন মালিক উজবেকৰ শাসন কালত পুনৰ অসমৰ বিৰুদ্ধে মুছলমান অভিযান চলোৱা হৈছিল আৰু অসমৰ পশ্চিম অঞ্চল অৰ্থাৎ কমতা ৰাজ্য অঞ্চল জয় কৰিবলৈও সমৰ্থ হৈছিল আৰু লগে লগে ধন-সম্পদো লুট কৰিবলৈ লৈছিল। কিন্তু পিছত কমতাৰ ৰজাই সুসংগঠিতভাৱে প্ৰতিৰোধ কৰাত কমতাৰ ৰজালৈ ছোৱালী বিয়া দি গৌড়ৰ ইখতিয়াৰ উদ্দিন মালিক উজবেকে সন্ধি স্থাপন কৰিবলৈ বাধ্যত পৰিছিল (খ্ৰীঃ ১২৫৬-৫৭)।

অসম-মুছলমানৰ সংঘাত আৰু নতুন সম্পৰ্ক ঃ

কৰতোৱাৰ পূবে কামৰূপ-অসম আৰু পশ্চিমে গৌড়-বংগ হোৱাহেতুকে মুছলমান ঐতিহাসিকসকলৰ ৰচনাত কামৰূপ-অসমৰ কথা সঘনাই উল্লেখ হোৱা দেখা যায়; কামৰূপ কমতাৰ লগত গৌড়-বংগ সঘনাই যুঁজ-বাগৰতো লিপ্ত হোৱা দেখা পায়। এই যুঁজ-বাগৰবোৰত সময়ে সময়ে সাময়িকভাৱে হ'লেও গৌড়-বংগই অৰ্থাৎ মুছলমানে জয়লাভো কৰিছিল। এনেবোৰ আক্ৰমণ প্ৰতি-আক্ৰমণৰ মাজেদিয়ে কামৰূপ-কমতা তথা অসমত মুছলমান বসতিও আৰম্ভ হৈছিল আৰু হিন্দু-মুছলমানৰ মিলন-মিশ্ৰণ, সমন্বয়-সমাহৰণৰ ফলত এখন নতুন অসমো ক্ৰমে গঢ় লৈ উঠিব ধৰিছিল। বুৰঞ্জীৰ পৰা জনা যায় যে চুলতান ঘিয়াচউদ্দিন বাহাদুৰ ছাহৰ অসম আক্ৰমণৰ কালতে হাজো-পোৱামক্কাৰ প্ৰতিষ্ঠাপক বীৰ ঘিয়াচুদ্দিন আউলীয়াও আহি গুৱাহাটীৰ গাড়ীগাঁৱত উপস্থিত হৈছিলহি খ্ৰীষ্টীয় ১৩২১-২২ চনত।[৭] চুফীবাদী পীৰ ঘিয়াচুদ্দিন আউলীয়া আৰু তেওঁ প্ৰতিষ্ঠা কৰা পোৱামক্কা হিন্দু-মুছলমান ঐক্যৰ জ্বলন্ত সাক্ষী।

অসমত আহোম শাসন ঃ

গৌড় বংগৰ পৰা অসমৰ বুকুত মুছলমান আক্ৰমণ হৈছিল খ্ৰীঃ ১২০৬ চনত। তাৰ মাথোঁ ২২ বছৰ পিছত খ্ৰীঃ ১২২৮ চনত চুকাফাৰ নেতৃত্বত পূব অসমত প্ৰতিষ্ঠা হয় আহোম শাসন। টাই ভাষী সেই আহোমসকলে অসমৰ ভাষা-সাহিত্য-সংস্কৃতি গ্ৰহণ কৰি নিজেই কম সময়ৰ ভিতৰত থলুৱা জনগণৰ লগত একাকাৰ হৈ পৰাৰ উপৰি ১৬শ শতিকাত চুহুংমুঙৰ ৰাজত্বকালত প্ৰায় সমগ্ৰ প্ৰাচীন কামৰূপ অসমৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ সমৰ্থ হয়। অৱশ্যে পশ্চিম অসমত বিশ্বসিংহই কোঁচৰাজ্য প্ৰতিষ্ঠা কৰাত আহোম ৰজা চুহুংমুঙে তেওঁক কৰতলতীয়া থাপিত-সাঞ্চিত ৰূপে স্থাপন কৰে বুলি বুৰঞ্জীয়ে জানিবলৈ দিয়ে।[৮]

সেই একেখন বুৰঞ্জীৰ পৰায়ে সেই সময়ত আহোম, কোঁচ-কমতা আৰু গৌড়ৰ

মাজৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক সম্পৰ্কৰ বিষয়ে ভালেখিনি কথা জানিবলৈ পোৱা যায়। এই ক্ষেত্ৰত গৌড়ৰ নবাব হোছেইন ছাহৰ জীয়াৰীক কমতাৰ ৰজালৈ বিয়া দিয়া কাৰ্য, বিধি-ব্যৱস্থা অনুসৰি শুদ্ধ কৰিলৈ মুশুদ্ধি নামেৰে প্ৰধান মহিষী ৰূপে মান্যতা দান কৰা কাৰ্যই হিন্দু-মুছলমানৰ মাজত গঢ় লৈ উঠা মধুৰ সম্পৰ্কৰ স্বৰূপ উপলব্ধি কৰাত সহায় কৰে। গৌড়ৰ ৰজাৰ জীয়াৰী আছিল কাৰণে তেওঁ অসম বুৰঞ্জীত গড়মা কুঁৱৰী নামে জনাজাত। উপপ্ৰণয়ত লিপ্ত হোৱা কাৰণে ৰজাই তেওঁক ৰাজকাৰেঙৰ পৰা উলিয়াই দি শাস্তি বিহিছিল। এই বতৰা কাছাৰৰ কছাৰী ৰজাই শুনি গড়মাক নি ৰাণী পাতিছিল। আহোম-কছাৰী ৰণৰ সময়ত গড়মা আহোমৰ হাতত পৰে আৰু ৰজা চুহুংমুঙে নি চাঙত তুলি ৰাণী পাতে।

এনেবোৰ কথা আৰু কাৰ্যই অনুভৱ কৰাত সহায় কৰে যে তেতিয়াৰ অসমত হিন্দু-মুছলমানৰ মাজত জাতি-বৰ্ণ লৈ একো বিভেদ নাছিল। একেখন অসম বুৰঞ্জীৰ পৰা জনা যায় যে সেই সময়ৰ গৌড়তো হিন্দু-মুছলমানৰ সম্পৰ্ক আছিল মধুৰ।[৯] সেই সময়ৰ গৌড়ত ৰাজত্ব কৰিছিল মুছলমানে; কিন্তু তাত হিন্দুই সম্মানজনক স্থান লাভ কৰি আছিল, হিন্দু পণ্ডিতেও বিশেষ মান্যতা লাভ কৰিছিল। কমতাৰ ৰজা নীলাম্বৰে গৌড়ৰ পৰা সাত ঘৰ বামুণ [(১) ভৱানী নাথ, (২) গোবিন্দ মিশ্ৰ, (৩) জনাৰ্দন চক্ৰবৰ্তী, (৪) ৰামাপতি, (৫) কবিতা ভাৰথী (ভাৰতী), (৬) গৌৰীকান্ত আৰু (৭) কেশৱ মিশ্ৰ] বিচাৰি নিয়া কাৰ্যই অনুভৱ কৰিব দিয়ে যে গৌড়ত হিন্দু সংস্কৃতিৰ ব্যাপক চৰ্চাৰ পৰিবেশ গঢ় লৈ উঠিছিল। তদুপৰি সি কমতা-গৌড়ৰ মাজত গঢ় লৈ উঠা মধুৰ সম্পৰ্ক অনুভৱ কৰাতো সহায় কৰে। আন এটা বিশেষ লক্ষ্যণীয় কথা এয়ে যে গৌড়ৰ বাদছাহে জীয়েক গড়মা কুঁৱৰীৰ বিয়াত অন্যান্য বস্তু-দ্ৰব্যৰ উপৰি যৌতুকস্বৰূপে এখন 'হৰগৌৰী সম্বাদ' গ্ৰন্থও দিছিল। সিয়ে অনুভৱ কৰাত সহায় কৰে যে গৌড়ত মুছলমান শাসন চলিছিল যদিও সংস্কৃত ভাষা-সাহিত্যৰ ভাল চৰ্চাও হৈছিল।

গড়মা কুঁৱৰীক কেন্দ্ৰ কৰিয়েই গৌড়ৰ হোছেইন ছাহে সেনাপতি তুৰ্বকক পঠিয়াইছিল (প্ৰকৃততে কমতাৰ ৰজা নীলাম্বৰৰ বিৰুদ্ধে আৰু ঘটনাক্ৰমে তুৰ্বক সুদীৰ্ঘ কাল জুৰি আহোমৰ বিৰুদ্ধে যুঁজিব লগাত পৰে। সেই যুদ্ধতে তুৰ্বকে মৃত্যুবৰণ কৰে আৰু তুৰ্বকৰ বাহিনীক আহোম বাহিনীয়ে খেদি নি কৰতোৱাৰ সিপাৰৰ গৌড়ত প্ৰৱেশ কৰে। তেতিয়া গৌড়ৰ নবাবে সন্ধি কৰি অন্যান্য সম্পদৰ লগতে জীয়াৰীদ্বয়া ৰাজনী আৰু ভাজনীকো ৰজা চুহুংমুঙলৈ বুলি দি পঠিয়ায়।[১০] এইবোৰে মধ্যযুগীয়া হিন্দু-মুছলমানৰ সম্পৰ্কৰ স্বৰূপ উপলব্ধি কৰাত সহায় কৰে। আচৰিত যে ৰাজনৈতিক সম্পৰ্ক প্ৰতিকূল হোৱা সত্ত্বেও সাংস্কৃতিক সম্পৰ্ক যেন অনুকূল হৈয়ে থাকিছিল।

কালাপাহাৰ আৰু অসমৰ হিন্দু-মুছলমান ঃ

অৱশ্যে সকলো সময়তে হিন্দু-মুছলমানৰ সম্পৰ্ক মধুৰ হৈ আছিল বুলিও অনুভৱ কৰা টান হৈ পৰে; কাৰণ কোনো কোনো সময়ত সি ভয়ংকৰ বা ভয়াবহ ৰূপ ধাৰণ নকৰাকৈ থকা নাছিল। উদাহৰণস্বৰূপে কোঁচৰজা নৰনাৰায়ণৰ ৰাজত্বকালত গৌড়ৰ নবাব চুলেইমান কৰানিৰ সেনাপতি কালাপাহাৰে হিন্দুৰ বিৰুদ্ধে অভিযান চলাই মঠ-মন্দিৰ আদি ধ্বংস কৰি ফুৰিছিল। নবাব চুলেইমান কৰানিয়ে কালাপাহাৰক উভতি যাবলৈ আদেশ নিদিয়াহেঁতেন যে কি ধ্বংসলীলাই সংঘটিত নহ'লহেঁতেন! অৱশ্যে কালাপাহাৰে ধ্বংসলীলাহে চলাইছিল, ধৰ্মান্তৰকৰণত গুৰুত্ব দিয়া নাছিল। চিলাৰায়ে ৰাজ্য জয়ৰ অভিযান কালত গৌড়ৰ বিৰুদ্ধে অভিযান চলাই হাৰ মানি বন্দিত্ব বৰণ কৰিব লগাতো পৰিছিল। চিলাৰায়ৰ অভিযানৰ বিপৰীতে পোটক তোলাৰ আকাংক্ষাৰেই কালাপাহাৰে অভিযান চলাইছিল হিন্দুত্বৰ বিৰুদ্ধে। কালাপাহাৰে ইমান আতংকৰ সৃষ্টি কৰিছিল যে আজি পাঁচশ বছৰ পিছতো কালাপাহাৰ আতংকৰ প্ৰতীকস্বৰূপ হৈ আছে।

অসমত মুছলমান শাসন ঃ

মহম্মদ ইবন বখ্‌তিয়াৰ খিলজীৰ আক্ৰমণৰ কালৰে পৰা (খ্ৰীঃ ১২০৬) অসমত মুছলমান বসতি আৰম্ভ হৈছিল বুলি অনুমান কৰাৰ থল আছে যদিও, বা তাৰ পিছত গৌড়ৰ পৰা সঘনাই মুছলমান আক্ৰমণ হৈ আছিল যদিও, আনকি হাজোৰ পোৱামক্কাক কেন্দ্ৰ কৰি এটা ইছলামিক সংস্কৃতিৰ কেন্দ্ৰ গঢ় লৈ উঠিছিল যদিও, কোঁচ ৰজা নৰনাৰায়ণৰ ৰাজত্ব কাললৈ অসমত মুছলমান শাসন স্থায়ীভাৱে প্ৰতিষ্ঠিত হৈছিল বুলি অনুভৱ কৰাৰ থল নাই। কিন্তু মহম্মদ ইবন বখ্‌তিয়াৰ খিলজীৰ দিনৰে পৰা মুছলমান বসতি ক্ৰমে বাঢ়ি আছিল। গৌড়ৰ নবাব হোছেইন ছাহৰ ৰাজত্বকালত তুৰ্বকৰ নেতৃত্বত অসমৰ বিৰুদ্ধে চলোৱা আক্ৰমণৰ সময়ত অসমত মুছলমান বসতি বাঢ়ে বুলি অনুমান কৰা হয়। অবিভক্ত গোৱালপাৰাৰ গৌৰীপুৰৰ ওচৰৰ ৰঙামাটিত যিটো সুদৃশ্য মছজিদ আছে, সেইটো হোছেইন ছাহৰ ৰাজত্ব কালতে নিৰ্মিত বুলিও অনুমান কৰা হয় আৰু সিয়ে অন্ততঃ সেই অঞ্চলত স্থায়ীভাৱে হোৱা মুছলমান বসতিৰ কথাকে অনুভৱ কৰিবলৈ দিয়ে। কিন্তু কোঁচৰজা নৰনাৰায়ণৰ ৰাজত্ব কাললৈ (খ্ৰীঃ ১৫৩৩ – ১৫৮৭) অসমৰ বুকুত স্থায়ীভাৱে মুছলমান শাসন প্ৰতিষ্ঠা হৈছিল বুলি জনাৰ উপায় নাই।

নৰনাৰায়ণৰ ৰাজত্ব কালতে চিলাৰায়ৰ পুতেক ৰঘুদেৱে বিদ্ৰোহ কৰি সোমকোষৰ পৰা বৰনদীলৈ এই ৰাজ্যখণ্ড স্বাধীনভাৱে শাসন কৰিবলৈ লৈছিল। খাঁ চৌধুৰী আমানতউল্লাৰ বুৰঞ্জী অনুসৰি[১১] ৰঘুদেৱে বিদ্ৰোহ কৰিছিল খ্ৰীঃ ১৫৮১ চনত। নৰনাৰায়ণৰ বিয়োগৰ পিছত কোঁচৰজা হয় পুতেক লক্ষ্মীনাৰায়ণ (খ্ৰীঃ ১৫৮৭–১৬২৭)। (লক্ষ্মীনাৰায়ণে পোনতে ৰঘুদেৱৰ বিৰুদ্ধে আৰু পিছত পুতেক পৰীক্ষিত নাৰায়ণৰ বিৰুদ্ধে অভিযান চলাই পৰাজয় বৰণ কৰে আৰু পোটক তোলাৰ অৰ্থে মোগল সম্ৰাট

জাহাংগীৰৰ সহায় প্ৰাৰ্থনা কৰে। মোগলৰ বিৰুদ্ধে যুঁজি পৰীক্ষিত নাৰায়ণ বন্দী হয় আৰু ৰাজ্য কোঁচ হাজোৰ শাসনভাৰ মোগলৰ হাতলৈ যায় (খ্ৰীঃ ১৬১৩)।

হাজোক কেন্দ্ৰ কৰি গঢ় লৈ উঠা এই মোগল শাসনেই প্ৰকৃততে অসমৰ বুকুত উল্লেখযোগ্য মুছলমান শাসন। কোঁচ হাজোৰ পোন প্ৰথম শাসনকৰ্তা মক্ৰাম খাঁ আৰু দ্বিতীয় শাসন কৰ্তা ছেইখ কমল। এই মোগলশাসন কালত কোঁচ হাজো আৰু বিশেষকৈ হাজো অঞ্চলত মুছলমানৰ বসতি বাঢ়ে। লগে লগে বাঢ়ে আহোম-মোগলৰ মাজত সংঘাত-সংগ্ৰাম।

আহোম-মোগল সংঘৰ্ষ :

অসম বুৰঞ্জী অনুসৰি[২] কোঁচৰজা লক্ষ্মীনাৰায়ণে (খ্ৰীঃ ১৫৮৭—১৬২৭) কোঁচ হাজোৰ ৰজা পৰীক্ষিত নাৰায়ণৰ ওপৰত পোটক তোলাৰ আকাংক্ষাৰে জীয়েকক মোগল সম্ৰাট জাহাংগীৰলৈ বিয়া দিছিল। জাহাংগীৰ তুষ্ট হৈ মক্ৰাম খাঁক পঠিয়াইছিল পৰীক্ষিত[৩] ভালকৈ এসেকা দিবলৈ বুলি। পৰীক্ষিতে যুদ্ধত হাৰি মক্ৰাম খাঁৰ হাতত বন্দিত্ব বৰণ কৰে আৰু সুবিচাৰৰ কাৰণে পৰীক্ষিতক প্ৰেৰণ কৰে দিল্লীলৈ—সম্ৰাট জাহাংগীৰৰ বিচাৰৰ কাৰণে। পৰীক্ষিতৰ ৰীবোচিত ব্যৱহাৰত জাহাংগীৰ মুগ্ধ হয় আৰু চাৰিলাখ টকাৰ বিনিময়ত পৰীক্ষিতক মুকলি কৰি দিয়ে। কিন্তু দিল্লীৰ পৰা ঘূৰি আহোঁতে বাটতে ৰোগাক্ৰান্ত হৈ পৰীক্ষিতে মৃত্যুবৰণ কৰে।

পৰীক্ষিতৰ মৃত্যু বাতৰি পাই জাহাংগীৰে পুনঃ মক্ৰাম খাঁক ঘিলা বিজয়পুৰৰ বিৰুদ্ধে পঠিয়ায়। কিন্তু চিকাৰলৈ যাওঁতে মক্ৰাম খাঁই আকস্মিকভাৱে মৃত্যুবৰণ কৰাত পঠিয়ালে চৈয়দ বাবাকৰক। চৈয়দ বাবাকৰ টেঙৰ ৰাজবিষয়া আছিল; ব্যৱসায়ৰ ছলেৰে আহোম ৰাজ্যৰ আভ্যন্তৰীণ সকলো কথাৰ সন্ভেদ লৈ ফুৰা অপৰাধত আহোম-মোগল প্ৰত্যক্ষ সংঘৰ্ষত লিপ্ত হ'ব লগাত পৰে।

তেতিয়া আহোমৰ ৰজা আছিল চুচেংফা প্ৰতাপ সিংহ (খ্ৰীঃ ১৬০৩—১৬৪১)। বাবাকৰে এটা নৌবাহিনীৰ সৈতে সত্ৰাজিতক আহোমৰ বিৰুদ্ধে প্ৰেৰণ কৰে। সেই যুদ্ধত পোনতে সত্ৰাজিতৰ বাহিনীৰেই জয় হৈছিল; কিন্তু পিছত আহোমৰ বিজয় সূচিত হয় আৰু দৰং অঞ্চল মোগলৰ কবলৰ পৰা উদ্ধাৰ কৰি পৰীক্ষিতৰ ভাই বলিনাৰায়ণক দিয়ে। বলিনাৰায়ণে ধৰ্মনাৰায়ণ নাম লৈ, আহোমৰ তলতীয়া হিচাপে দৰঙৰ সিংহাসন লাভ কৰে।

প্ৰকৃততে চুচেংফা প্ৰতাপ সিংহৰ ৰাজত্বকালত আৰম্ভ হোৱা আহোম-মোগল সংঘৰ্ষ গদাধৰ সিংহৰ ৰাজত্বকালত সংঘটিত ইটাখুলি ৰণলৈ (খ্ৰীঃ ১৬৮২) প্ৰায় বাঠি বছৰ কাল ব্যাপী এৰা ধৰাকৈ চলে। এই গোটেই কালছোৱাৰ বুৰঞ্জীৰ অধ্যয়নে জানিবলৈ

দিয়ে যে আক্ৰমণকাৰী আহোম ৰাজশক্তি নহয়, সম্প্ৰসাৰণবাদী মোগলহে। আহোম কেৱল প্ৰতিৰোধ বা প্ৰতিআক্ৰমণহে কৰিছিল। মোগলে সাময়িকভাৱে জয়লাভ কৰিছে; অসমৰ একাংশ বিষয়া-সেনাপতিৰ বিশ্বাসঘাতকতাৰ কাৰণে আহোমৰজা জয়ধ্বজ সিংহৰ ৰাজত্ব কালত (খ্ৰীঃ ১৬৬৩) মোগল সেনাপতি মিৰজুমলাই ৰাজধানী গড়গাঁও পৰ্যন্ত অধিকাৰ কৰি বহিবলৈ সমৰ্থ হৈছিল। গদাধৰ সিংহৰ ৰাজত্বকালত সংঘটিত ইটাখুলি ৰণেৰে মোগলৰ অসম বিজয়ৰ আশা চিৰ নিৰ্বাপিত হয়? ৰুদ্ৰসিংহৰ ৰাজত্বকালৰ পৰা (খ্ৰীঃ ১৬৯৬—১৭১৪) আহোম-মোগলৰ মাজত, বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ় লৈ উঠে। অৱশ্যে ৰুদ্ৰসিংহই কৰতোৱালৈ প্ৰাচীন কামৰূপ—অসম উদ্ধাৰৰ অৰ্থে যুদ্ধৰ আয়োজন নকৰাকৈ থকা নাছিল। তেওঁৰ উত্তৰ গুৱাহাটী বাহৰত আকস্মিকভাৱে বিয়োগ নঘটাহেঁতেন অসম তথা ভাৰত বুৰঞ্জীয়ে কি গতি ল'লেহেঁতেন তাক কোৱা টান।

অসম বুৰঞ্জীত আহোম-মোগলৰ যুদ্ধৰ সুস্পষ্ট বৰ্ণনা পাবলৈ টান। তথাপি তাৰ মাজেদিয়ে জনা যায় যে দিল্লীৰ বাদছাহ জাহাংগীৰৰ ৰাজত্বকালত খ্ৰীঃ ১৬১৪ চনত সংঘটিত যুদ্ধত মোগলৰ শোচনীয় পৰাজয় ঘটে; মোগলৰ বহু সৈন্য-সেনাপতি ৰণত পৰে আৰু বন্দী হয়। কিন্তু তথাপি যুদ্ধৰ অৱসান ঘটা নাছিল; সাময়িকভাৱে যুদ্ধৰ বিৰতি ঘটিছিল বুলিবহে পাৰি। জাহাংগীৰৰ পিছত ছাহজাহানৰ ৰাজত্ব কালতো খ্ৰীঃ ১৬৩৫ চনৰ-পৰা সেই যুদ্ধই আকৌ ওৰাপাতি লয়। সুদীৰ্ঘ চাৰি বছৰ জুৰি চলা যুদ্ধৰ পিছত দুই মুনিমিলাৰ ৰণত আহোম বিজয়ী হয় আৰু আহোমৰ সেনাপতি মোমাইতামুলী বৰবৰুৱা আৰু মোগলৰ সেনাপতি আলিয়া খাঁৰ মাজত সন্ধি-চুক্তি সম্পন্ন হয়। সেই সন্ধি অনুসৰি বৰনদী আৰু অসুৰৰ আলি আহোম-মোগলৰ ৰাজ্যৰ সীমা নিৰ্ধাৰিত হয়। বৰনদীৰ পৰা সোণকোষলৈ কোঁচ হাজো অঞ্চল মোগলৰ অধীন হৈয়ে থাকে।

আহোমৰ পুৰণি অসম উদ্ধাৰৰ চেষ্টা ঃ

দিল্লীৰ মোগল সম্ৰাট ছাহজাহানৰ বাৰ্ধক্যত সিংহাসন লৈ তেওঁৰ চাৰি পুত্ৰ দাৰা, চুজা, ঔৰংজেব আৰু মুৰাদ সুদীৰ্ঘ চাৰি বছৰ কাল ব্যাপী সংঘৰ্ষত লিপ্ত থাকে। সেই সুযোগতে আহোম ৰজা জয়ধ্বজ সিংহই খ্ৰীঃ ১৬৩৯ চনৰ দুই মুনিমিলা সন্ধিৰ চুক্তি ভংগ কৰি অসমৰ ৰাজনৈতিক সীমা কৰতোৱালৈ উদ্ধাৰ কৰাৰ অৰ্থে মোগলৰ বিৰুদ্ধে যুদ্ধ সংঘটিত কৰে। সেই একে সময়তে কোঁচবেহাৰৰ ৰজা প্ৰাণ নাৰায়ণেও মোগলৰ অধীনতা অস্বীকাৰ কৰি স্বাধীনৰূপে প্ৰৱৰ্তিবলৈ ল'লে। আহোমে পোনতে গুৱাহাটী অধিকাৰ কৰি মানাহলৈ মোগলক খেদি দিয়ে; গুৱাহাটীৰ ফৌজদাৰ মীৰ্জা নাথন বা মীৰ্জা নাথুল্লা পলাই গৈ কোনোমতে ঢাকাত ওলাল। তাৰ পিছত নিচেই কম দিনৰ কাৰণে হ'লেও সমগ্ৰ প্ৰাচীন কামৰূপ আহোমে পুনৰ উদ্ধাৰ কৰি শাসন প্ৰৱৰ্তাবলৈ সমৰ্থ হৈছিল।[১০]

মিৰজুমলাৰ অসম আক্ৰমণ ঃ

খ্ৰীঃ ১৬৫৯ চনৰ ১৫ জুনৰ দিনা আওৰংগজেব দিল্লীৰ সিংহাসনত অধিষ্ঠিত হোৱাৰ পিছতেই কোচবেহাৰ আৰু অসমক একো সেকা দিবলৈ বুলি মিৰজুমলাৰ নেতৃত্বত প্ৰেৰণ কৰিলে এক বিৰাট বাহিনী। এই বাহিনীত পৰ্তুগীজ আৰু ডাচ নাবিকো আছিল। সেই বিৰাট বাহিনীক প্ৰতিৰোধ কৰিবলৈ আহোমসকলো সক্ষম হৈ উঠিছিল। কিন্তু অনা আহোম মনথিৰ ভঁৰালী বৰুৱাক সেনাপতি নিযুক্ত কৰি মোগলক ভেটিবলৈ পঠোৱা কাৰণে আহোম বিষয়া-সেনাই বিশ্বাসঘাতকতা কৰি প্ৰায় বিনা যুদ্ধে মিৰজুমলাৰ মোগল বাহিনীক বাট এৰি দিলে। তাৰ ফলত প্ৰায় বিনা প্ৰয়াসে আগবাঢ়ি গৈ খ্ৰীঃ ১৬৬২ চনৰ ১৭ মাৰ্চৰ দিনা মোগলে গড়গাঁও অধিকাৰ কৰিলে। অসম মোগলৰ অধীন হ'ল।

অসম বুৰঞ্জীত সি এটা ডাঙৰ জাতীয় কলংক। তাৰ কাৰণে জগৰীয়া ৰজা জয়ধ্বজ সিংহৰ অদূৰদৰ্শিতা আৰু আহোম ৰাজবিষয়াসকলৰ সংকীৰ্ণতা। অনা আহোম মনথিৰ ভঁৰালী বৰুৱাক সেনাপতি নিযোগ কৰা অপৰাধতে আহোম বিষয়াবৰ্গই কৰিছিল জাতিক, অসমক বিশ্বাসঘাতকতা। অসম মোগলৰ হাতত পৰাভূত হ'ল সঁচা, কিন্তু কাঁড়ী-পাইক প্ৰমুখ্যে জনগণ আৰু এক গৰিষ্ঠসংখ্যক ৰাজ বিষযাযো মোগলৰ অধীনতা মানি ল'বলৈ টান পালে। অৱশ্যে মনথিৰ ভঁৰালী বৰুৱা, বাদুলি ফুকন প্ৰমুখ্যে এক মুষ্টিমেয় সংখ্যক সুবিধাবাদী বিশ্বাসঘাতকৰ ভূমিকা অৱলম্বন কৰি মোগলৰ পক্ষ নোলোৱাকৈ থকা নাছিল। তেওঁলোকৰ ধাৰণা হৈছিল যে অসমত মোগল শাসন যুগমীয়া হ'ব। কিন্তু সৰহসংখ্যক সৰু-বৰ বিষয়া আৰু কাঁড়ী-পাইক জনগণ গোপনে গোপনে গেৰিলা যুদ্ধলৈ সাজু হ'ল। ৰাতিৰ আন্ধাৰত দগা দি ধৰি তেওঁলোকে মোগলক নিধন কৰিবলৈ ল'লে। বাৰিষা পৰাৰ লগে লগে আহোম বাহিনী বিশেষভাবে তৎপৰ হৈ উঠিল। অসমৰ বাৰিষাই মোগল বাহিনীক পেঁপুৱা লগালে। এফালে নিশাৰ এন্ধাৰত দগাযুদ্ধ, আনফালে খাদ্যৰ নাটনি আৰু ৰোগ। মোগল বাহিনীয়ে অসম এৰিব পাৰিলেই ৰক্ষা পোৱাত পৰিল। আনহাতে আহোমেও যিকোনো প্ৰকাৰে মোগলক বিদায় দিব পাৰিলেই ৰক্ষা পোৱাত পৰিল। তেনে অৱস্থাতে খ্ৰীঃ ১৬৬৩ চনৰ ২২ জানুৱাৰীৰ দিনা তিপামৰ ঘিলাজাৰিঘটিত আহোম-মোগলৰ মাজত এক সন্ধি স্বাক্ষৰিত হয়।

ঘিলাজাৰিঘাটৰ সন্ধিৰ চুক্তি ঃ

ঘিলাজাৰিঘাটৰ সন্ধি অসমৰ কাৰণে অপমানজনক। এই সন্ধিৰ চুক্তি অনুসৰি;

(১) অসমে স্বাধীনতা হেৰুৱাই মোগলৰ কৰতলীয়া হয়।

(২) ৰজা জয়ধ্বজ সিংহৰ জীয়াৰী ৰমণী গাভৰুক আৰু তিপাম ৰজাৰ জীয়াৰীক মোগল হেৰেমলৈ আগবঢ়াব লগাত পৰে।

(৩) গুৱাহাটীৰ পৰা মানাহলৈ ৰাজ্যখণ্ডৰ উপৰি উত্তৰপাৰে চৰকাৰ দৰংসীমা, পূবে চামধৰাৰ ওচৰৰ ভৰলী নদী আৰু পশ্চিমে গুৱাহাটী হেৰুৱাব লগাত পৰে। দক্ষিণ পাৰে দেশৰাণী, নগা পাহাৰ, দেশ বেলতলা আৰু ডিমৰুৱা মোগলক এৰি দিব লগাত পৰে। অৰ্থাৎ পশ্চিমে মানাহৰ পৰা পূব-দক্ষিণে কলং আৰু উত্তৰে ভৰলী নদী, ইয়াৰ মাজৰ ৰাজ্যখণ্ডৰ অধিকাৰ মোগলে পালে।

(৪) সন্ধিৰ চৰ্তসমূহ পূৰণ নহয় মানে বুঢ়াগোহাঞি, বৰপাত্ৰ গোহাঞি, বৰগোহাঞি আৰু ৰাজ শহুৰ, ৰাজমন্ত্ৰী-ফুকনৰ প্ৰত্যেকৰে একোটি ল'ৰা ওলস্বৰূপে মোগলক দিব লগাত পৰে।

(৫) এইবোৰৰ উপৰি অসংখ্য ধন-ৰত্ন, হাতী, বন্দুক, টোপ, নাও-নাওৰাও দিব লগাত পৰে।

শৰাইঘাটৰ ৰণ ঃ

সাধাৰণতে প্ৰতিকূলতাই অনুকূলতাৰো সৃষ্টি কৰে। ঘিলাজাৰিঘাটৰ অপমানজনক সন্ধিয়েও তাকেই কৰিলে। মোগল সেনাপতি মিৰজুমলাৰ অসম জয় আৰু ঘিলাজাৰিঘাটৰ অপমানজনক সন্ধিয়েও অসমৰ ৰজা-প্ৰজা সকলোৰে চিত্তত প্ৰবল দেশপ্ৰেমৰ সৃষ্টি কৰিলে। মিৰজুমলাৰ বিজয় আৰু অপমানজনক সন্ধিয়ে ৰজা জয়ধ্বজ সিংহক কৰে অপমানদগ্ধ আৰু সেই অপমানজনিত বিষাদত খ্ৰীঃ ১৬৬৩ চনৰ নৱেম্বৰত তেওঁ ৰোগাক্ৰান্ত হৈ অকাল বিয়োগ বৰণ কৰে। কিন্তু সেই অপমানে সৃষ্টি কৰিলে চক্ৰধ্বজ সিংহৰ দৰে দেশপ্ৰেমী ৰজাক, লাচিত বৰফুকনৰ দৰে মহাবীৰ সেনাপতিক আৰু আঁতন বুঢ়াগোহাঞিৰ দৰে দূৰদৰ্শী দেশপ্ৰেমী ৰাজমন্ত্ৰীক। আচলতে এই তিনিজনাৰ সমন্বিত দেশপ্ৰেমৰ ফলত অসমে শৰাইঘাটৰ ৰণেৰে হেৰুওৱা সন্মান পুনৰ লাভ কৰাৰ লগতে ভাৰতৰ বুকুত এক বিৰাট শক্তিৰূপেও প্ৰতিপন্ন হয়।

পুনৰ মোগল ঃ

খ্ৰীঃ ১৬৭১ চনত শৰাইঘাটৰ ৰণৰ পিছতেই লাচিতৰ বিয়োগ ঘটে। যুদ্ধ চলি থকা অৱস্থাতে বিয়োগ ঘটে ৰজা চক্ৰধ্বজ সিংহৰ। থাকে কেৱল ৰাজমন্ত্ৰী আঁতন বুঢ়াগোহাঞি। চক্ৰধ্বজ সিংহৰ বিয়োগৰ পিছত ৰাজপাটত উঠে উদয়াদিত্য। কিন্তু উদয়াদিত্যৰ পৰা চুলিক্ফা ল'ৰা ৰজালৈ আটায়ে আছিল দুৰ্বল-সোৰোপা। ৰজাৰ দুৰ্বলতাৰ সুযোগ হৈ একাংশ ৰাজবিষয়া হৈ উঠে ক্ষমতা খকুৱা। দেশপ্ৰেম আৰু মনুষ্যত্ববোধত

অটল লৈ থাকে কেৱল ৰাজমন্ত্ৰী আঁতন বুঢ়াগোহাঞিহে।

শৰাইঘাটৰ যুদ্ধত হাৰমনা সত্বেও মোগল বাহিনীয়ে অসম পুনৰ আক্ৰমণ কৰাৰ আশা এৰা নাছিল; মোগল সেনাপতি ৰামসিংহই অন্ততঃ গুৱাহাটী পুনৰ লোৱাৰ আকাংক্ষাৰে গোৱালপাৰাৰ ৰঙামাটিত বাহৰ পাতিয়ে আছিল। আৰু সেইকাৰণে মোগলক ভেটিবলৈ বুলি ৰাজমন্ত্ৰী আঁতন বুঢ়াগোহাঞি আৰু বিশিষ্ট দেশপ্ৰেমী অন্যান্য বিষয়াসকল গুৱাহাটীতে থাকিব লগাত পৰিছিল।

উজনিত আছিল ডেবেৰা বোলা এজন ক্ষমতা খকুৱা বৰবৰুৱা। ৰজাৰ দুৰ্বলতা আৰু ৰাজমন্ত্ৰীকে ধৰি বিশিষ্ট বিষয়াসকল গুৱাহাটীত বাহৰপাতি থকা সুযোগতে ডেবেৰা বৰবৰুৱা হৈ পৰিল ৰাজধানী গড়গাঁৱৰ সৰ্বেসৰ্বা। ডেবেৰাই নিজক ৰজাৰূপে ঘোষণা কৰাৰ আকাংক্ষাৰে ৰজা ভঙা-পতাত গা ঢালি দিলে। উজনিত ডেবেৰাৰ কুকাৰ্য আৰু নামনিত মোগলৰ পুনৰ আক্ৰমণৰ আশংকা । তথাপি গুৱাহাটীত লালুকসোলা বৰফুকনক দায়িত্ব দি বুঢ়াগোহাঞি ৰাজধানী গড়গাঁৱলৈ আগবাঢ়ে। ডেবেৰাক বধ কৰি তেওঁ সুশাসন আৰু শান্তি প্ৰতিষ্ঠাত সফলো হ'ল। বুঢ়াগোহাঞি প্ৰজা আৰু বিষয়াৰ মাজত ইমান প্ৰিয় হৈ উঠিল যে তেওঁলোকে বুঢ়াগোহাঞিক এবাৰ এবাৰকৈ দুবাৰো ৰজা হ'বলৈ অনুৰোধ জনাইছিল। কিন্তু যথাৰ্থ দেশপ্ৰেমী দৃঢ়চেতা বুঢ়াগোহাঞিয়ে তাক প্ৰত্যাখ্যান কৰিছিল।

সিয়ে কিন্তু গুৱাহাটীৰ বৰফুকন লালুকসোলাক ঈৰ্ষাকাতৰ কৰি তোলে। মোগলৰ সহায়ত ৰজা হোৱাৰ ছলনাৰে মোগলক গুৱাহাটী এৰি দি কলিয়াবৰলৈ উজাই যায়। কলিয়াবৰত এটা শক্তিশালী সেনা বাহিনী সংগঠন কৰি গড়গাঁও অধিকাৰ কৰাৰ আকাংক্ষাৰে সদলবলে লালুক আগবাঢ়ে গড়গাঁও অভিমুখে । আঁতন বুঢ়াগোহাঞিয়ে লালুকৰ বাহিনীক বাধা দি বিফল হয়; বুঢ়াগোহাঞিক পোনতে বন্দী কৰে আৰু পিছত নিষ্ঠুৰভাৱে হত্যা কৰে।

তেতিয়া লালুকসোলাই হৈ পৰে অসমৰ হৰ্তাকৰ্তা বিধাতা। চুলিকফা বোলা ল'ৰা এজনক সিংহাসনত বহুৱাই লালুকে চূড়ান্তভাৱে অত্যাচাৰী শাসন প্ৰবৰ্তন কৰে। ক্ষমতা একলীয়া কৰাৰ ষড়যন্ত্ৰেৰে ৰাজকোঁৱৰসকলক হয় ঘুণীয়া কৰালে নহয় নিহত কৰালে। বাকী ৰ'ল মাথোঁ মহাবলী গদাধৰ সিংহ। তেওঁ নামনি অঞ্চলৰ প্ৰজাৰ সহযোগত লালুক আৰু চুলিকফা ল'ৰা ৰজাৰ বিৰুদ্ধে অভিযান চলাই খ্ৰীঃ ১৬৮১ চনত সিংহাসনত উঠিবলৈ সমৰ্থ হয়। আৰু তেৱেঁই খ্ৰীঃ ১৬৮২ চনত ইটাখুলি ৰণেৰে মোগলক পৰাজয় কৰি মানাহৰ সিপাৰলৈ খেদি পঠিয়ালে। আৰু সিয়েই আহোম-মোগলৰ শেষ ৰণ।

ইটাখুলি ৰণেৰে আহোম-মোগলৰ, তথা অসমৰ হিন্দুৰ-মুছলমানৰ লগত যুদ্ধৰ

অন্ত পৰিল সঁচা, কিন্তু অসমে মুছলমানৰ লগত বন্ধুত্বৰ সম্পৰ্ক কৰা কৰিবলৈ নেৰিলে, আনকি মোগল মুছলমানৰ লগতো। আক্ৰমণৰ আশংকা লোপ পোৱাৰ পিছত, বিশেষকৈ ৰুদ্ৰসিংহৰ ৰাজত্ব কালৰ পৰা (খ্ৰীঃ ১৬৯৬—১৭১৪) মুছলমানৰ লগত অসমৰ সম্পৰ্ক ক্ৰমে মধুৰ হ'বহে ধৰিলে।

অসমৰ মুছলমানৰ বৈশিষ্ট্য ঃ

ওপৰত কৈ আহিছোঁ যে সমগ্ৰ ভাৰতৰ দৰে অসমতো কেতিয়াৰ পৰা মুছলমান বসতি হৈছিল, তাক সঠিককৈ কোৱা টান। কিন্তু ঐতিহাসিক নিদৰ্শনৰ পৰা সিদ্ধান্তলৈ আহিব পাৰি যে খ্ৰীঃ ১২০৬ চনত মহম্মদ ইবন বখ্‌তিয়াৰৰ আক্ৰমণৰ কালৰ পৰা নিশ্চয়কৈ অসমত মুছলমান বসতি যে হৈছিল সেই কথাত সন্দেহ নাই। আলী মেজ (মেছ) আদিৰ দৰে একাংশ পুৰণি অসমীয়া হয়তো ধৰ্মান্তৰিতও হৈছিল। বেজবৰুৱাই 'ধৰ্মধ্বজ ফয়চলা নবিশ' বোলা গল্পত চিত্ৰিত কৰাৰ দৰে উচ্চ আৰু অভিজাত একাংশ হিন্দুৰ ৰূঢ় আৰু অমানৱীয় আচৰণত তিক্ত হৈ দুই-এক অসমীয়া হিন্দু ধৰ্মান্তৰিত হোৱা কথাও সত্যই হ'ব লাগে। কিন্তু জনজাতি অধ্যুষিত অসমত উচ্চ-নীচৰ ভেদাভেদে ব্যাপকভাৱে কদাকাৰ ৰূপ কোনো দিনেই ধাৰণ নকৰা কাৰণে, ব্যাপকভাৱে ধৰ্মান্তৰিত হোৱাৰ পৰিৱেশ অসমত কোনো দিনেই সৃষ্টি হোৱা নাছিল। ইংৰাজ শাসন প্ৰবৰ্তন হোৱাৰ আগলৈকে অসমলৈ যিয়ে আহিছিল, সিয়েই জাতে-পাতে অসমীয়া হৈ পৰা এটা স্বাভাৱিক ৰীতিয়ে আছিল। বিজিত মুছলমান বন্দী বা আত্মসমৰ্পণকাৰীসকলৰ উন্নাসিকতাৰ উদ্ভৱ হোৱাৰ প্ৰশ্নই উত্থাপন হ'ব নোৱাৰে। তাতে তেওঁলোকে অসমৰ অসমীয়া জীয়াৰী-বোৱাৰীকে পত্নীৰূপে গ্ৰহণ কৰিবলৈ বাধ্যত পৰিছিল। গতিকে পত্নীৰ ফালৰ প্ৰভাৱত সেই মুছলমান অংশ জাতে-পাতে, অৰ্থাৎ ভাষাই-সংস্কৃতিয়ে অসমীয়া হ'বলৈ যেন বাধ্যহে হৈছিল।

অসমৰ ওপৰত মোগল আক্ৰমণ কিমানবাৰ হৈছিল তাৰ লেখ আছে। কিন্তু বংগ-গৌড়ৰ পৰা মহম্মদ ইবন বখ্‌তিয়াৰে আক্ৰমণ কৰা কালৰপৰা অসমৰ ওপৰত কিমানবাৰ আঘাত হানিছিল তাৰ সঠিক লেখ প্ৰকৃততেই নাই। আনকি সেই আক্ৰমণবোৰৰ মুল চৰিত্ৰ কি আছিল তাকো আজি সঠিকভাৱে জনাৰ উপায় নাই। কিন্তু এইটো সঁচা কথা যে বংগ-গৌড়ৰৰ পৰা হোৱা প্ৰতিটো মুছলমান আক্ৰমণেই অসমে ব্যৰ্থ কৰি দিছিল। তেতিয়া অসম আছিল বিজেতা আৰু আক্ৰমণকাৰীসকল বিজিত। সাধাৰণতে বিজেতাৰ ওচৰত বিজিত সৰু হৈয়ে থাকিব লাগে। আৰু সম্ভৱ সেই কাৰণেই বিজিত মুছলমানসকলে অসমত ধৰ্মপ্ৰচাৰ বা ধৰ্মান্তৰ সাধনত মনোনিবেশ কৰাৰ সুযোগ পোৱা নাছিল। বংগ-গৌড়ৰ পৰা হোৱা আক্ৰমণবোৰৰ সুস্পষ্ট পৰিচয় সম্প্ৰতি ক'তো পোৱা নাযায়। আনকি মিন্‌হাজৰ তবাকত্-ই- নাছিৰিও সম্পূৰ্ণৰূপে নিৰ্ভৰযোগ্য বুলি কোৱা

টান। কাৰণ তবাকত্-ই-নাছিৰি ৰচনা কৰিছিল আনৰ মুখে শুনা কাহিনীৰ ওপৰত নির্ভৰ কৰিহে। নগাঁৱত উদ্ধাৰ হোৱা 'গছতল শাসন'ৰ লিপিৰ পৰা জনা যায় যে বংগ-গৌড়ৰ নবাব মালিক হাছামুদ্দিন ইয়াজে অসম আক্রমণ কৰি অন্ততঃ নগাঁৱলৈ সোমাই যাবলৈ সমর্থ হৈছিল, আনকি হিন্দুৰ মঠ-মন্দিৰ পর্যন্ত বিধ্বংস আৰু লুটপাত কৰিবলৈও এৰা নাছিল। হাছামুদ্দিন ইয়াজৰ হয়তো ধর্মান্তৰকৰণেই লক্ষ্য আছিল। তেনেকৈ মালিক উজগৰ টুঘ্রিল খাঁই পশ্চিম অসমৰ কমতা অঞ্চলত আক্রমণ চলাই মছজিদ পর্যন্ত সজোৱাইছিল বুলি তবাকত্-ই- নাছিৰিৰ পৰায়ে জনা যায়। তাৰ পৰা অনুমান হয় যে সেই আক্রমণবোৰৰ লক্ষ্য হয়তো ধর্মান্তৰকৰণো আছিল। কিন্তু কিৰাত-মংগোল অধ্যুষিত অসমত সিবোৰ আক্রমণে বিশেষ প্রভাৱ পেলাবলৈ হয়তো সমর্থ নহ'ল। কাৰণ থলুৱা অধিবাসীসকল আছিল মূলতঃ বস্তুবাদী; 'আগে চাউল কঠা, পিছেহে হৰিৰ কথা' আছিল তেওঁলোকৰ দর্শন। তদুপৰি সেই কিৰাত-মংগোল প্রজাতিৰ অধিবাসীসকলৰ মাজত ধর্মসম্প্রদায়, জাতি-বর্ণৰ নামতো তেনে কোনো বিভেদ-বিচ্ছিন্নতা নাছিল। চুতীয়া ৰজা ৰত্নধ্বজ পালে গৌড়ৰ নবাবৰ জীয়াৰীক পুতেকলৈ বোৱাৰীৰূপে আৰু কমতাৰ ৰজা নীলাম্বৰে গড়মা কুঁৱৰীক ৰাণীৰূপে গ্রহণ কৰা কার্যই অনুভৱ কৰিবলৈ দিয়ে যে অসমৰ ৰাজন্যবর্গৰ মাজত যেন জাতি-বর্ণ, ধর্ম-সম্প্রদায়ে বিভেদ-বিচ্ছিন্নতা সৃষ্টি কৰাত বহু পৰিমাণে ব্যর্থ হৈছিল। পুৰণি অসমত ধর্মৰ সলনি কর্মই প্রাধান্য লাভ কৰিছিল কাৰণেই সম্ভৱ সঘনাই মুছলমান আক্রমণ হৈ থকা সত্ত্বেও অন্ততঃ ব্যাপকভাৱে ইছলাম প্রচাৰ বা ধর্মান্তৰকৰণ প্রশ্ন অসমত উদয় হোৱাই নাছিল। মহম্মদ ইবন বখ্তিয়াৰ খিলজীৰ বাহিনীক কোনো এগৰাকী আলী মেজে (মেছ) বাট দেখুৱাই নিয়াৰ পৰা ধাৰণা হয় যে সম্ভৱ দুই-চাৰিগৰাকী কিৰাত-মংগোল গোষ্ঠীৰ লোক ধর্মান্তৰিত নোহোৱাকৈ থকাও নাছিল।

গৌড়ৰ নবাব হোছেইন ছাহৰ ৰাজত্ব কালত সুদীর্ঘকালব্যাপী মুছলমানসকল অসমৰ লগত সংঘর্ষৰত আছিল। কিন্তু সেই যুদ্ধতো যিহেতু মুছলমানেই পৰাভূত হৈছিল, গতিকে ধর্মান্তৰকৰণৰ প্রশ্নই উদয় হোৱা নাছিল নিশ্চয়। সেই যুদ্ধতো বহু সেনা বন্দী হৈছিল। বন্দী সেনাবিলাকে অসমত বসবাস কৰিবলৈও লৈছিল আৰু সম্ভৱ অসমৰ হিন্দু নাৰীকেই পত্নীৰূপে গ্রহণো কৰিছিল। আৰু তেওঁলোকো হিন্দুৰ সান্নিধ্যত ক্রমে এটা নতুন অসমীয়া জাতি গঢ়াৰ পথতহে অগ্রসৰ হৈছিল। সেই কালছোৱাতেই হাজোৰ গড়ুৱাচল পাহাৰত ঘিয়াচুদ্দিন আউলীয়াই নির্মাণ কৰোৱা পোৱামক্কাৰ মছজিদ আৰু মাজাৰ তাৰ জীৱন্ত সাক্ষী। পোৱামক্কা আজিও হিন্দু-মুছলমান উভয় সম্প্রদায়ৰ লোকৰ মানত পবিত্র তীর্থ স্থান।

কোঁচৰজা লক্ষ্মীনাৰায়ণৰ ৰাজত্ব কালত ৰাজ্যক লৈ সংঘটিত সংঘর্ষৰ ফলস্বৰূপে

খ্ৰীঃ ১৬১৩ চনতে হাজোত মুছলমান মোগলৰ শাসন প্ৰতিষ্ঠা হৈছিল; অবিভক্ত গোৱালপাৰাৰ ওপৰতো সেই তেতিয়াৰে পৰা ১৭৬৫ চনত সংঘটিত বক্সাৰ যুদ্ধৰ সময়লৈ মোগল শাসন প্ৰবৰ্তিছিল। গোৱালপাৰা অঞ্চলৰ কিছুলোক হয়তো ইছলামলৈ ধৰ্মান্তৰিত হৈছিলো; কিন্তু সঠিকভাৱে জনাৰ কাৰণে ঐতিহাসিক নিদৰ্শন নাই । আনকি বৈষ্ণৱ সন্ত-মহন্তসকলৰ চৰিতসমূহতো সেই কালছোৱাৰ অসমত মানুহ ইছলামলৈ ধৰ্মান্তৰিত হৈছিল বুলি জনাৰ সুযোগ নাই। বৰং চৰিত পুথি অনুসৰি চান্দসাই প্ৰমুখ্যে দুই-এগৰাকী মুছলমানহে বৈষ্ণৱ ধৰ্মত দীক্ষিত হৈছিল বুলি জনা যায়। সি হিন্দু-মুছলমানৰ সাংস্কৃতিক সমন্বয়ৰ অনুপম নিদৰ্শন।

কোঁচবেহাৰৰ লক্ষ্মীনাৰায়ণ আৰু কোঁচ হাজোৰ পৰীক্ষিত নাৰায়ণৰ মাজৰ সংঘৰ্ষই অসমলৈ মাতি আনিছিল মোগল বাহিনীক। আৰু পৰীক্ষিতৰ ভাই বলিনাৰায়ণে (পিছলৈ ধৰ্মনাৰায়ণ) আহোম ৰজা চুচেংফা প্ৰতাপসিংহৰ (খ্ৰীঃ ১৬০৩—১৬৪১) সহায় প্ৰাৰ্থনা কৰা কাৰণেই আহোম-মোগলৰ মাজত সেই তেতিয়াৰ পৰা খ্ৰীঃ ১৬৮২ চনৰ ইটাখুলি ৰণলৈ হাৰ-জিক আৰু এৰা-ধৰাৰ মাজেদি সুদীৰ্ঘ কালব্যাপী সংঘৰ্ষ চলিছিল।

মহম্মদ ইবন বখ্তিয়াৰ খিলজীৰ আক্ৰমণৰ পৰা (খ্ৰীঃ ১২০৫/০৬) খ্ৰীঃ ১৬৮২ৰ ইটাখুলি ৰণলৈ সুদীৰ্ঘ প্ৰায় ৫০০ বছৰ কাল মুছলমানসকলৰ লগত অসমৰ সংঘৰ্ষ চলে। কিন্তু বৰ আচৰিত কথা যেনেই লাগে যে সেই সুদীৰ্ঘ কালৰ অসমত ব্যাপকভাৱে ধৰ্মান্তৰ কোনো দিনেই ঘটা নাছিল। পীৰ, ফকীৰ, আউলীয়া আদি বহুতেই সেই কালছোৱাত ধৰ্ম প্ৰচাৰৰ কাৰণে বা ধৰ্মভ্ৰষ্ট হোৱা মুছলমানসকলক ইছলামলৈ ঘূৰাই নিয়াৰ কাৰণে বহু কষ্ট বৰণ কৰি অসমলৈ আহিছিল। কিন্তু তেওঁলোক অসম পোৱাৰ পিছতে অকল অসমীয়াভাষী অসমীয়াই হোৱা নাছিল, অসমৰ সাংস্কৃতিক জীৱনৰ লগতো যেন নিজক মিলাই দিছিল।

এই প্ৰসংগত অকল হজৰত ঘিয়াচুদ্দিন আউলীয়া আৰু আজান পীৰৰ জীৱন বৃত্ত বিচাৰ কৰিলেও হয়। অৱশ্যে দুয়োজনাৰে জীৱন বৃত্ত সঠিকভাৱে জনাৰ আজি আৰু কোনো উপায় নাই, তেওঁলোক দুয়োজনাই ইতিহাস সৃষ্টি কৰি গৈছে অথচ তেওঁলোকৰ নিজৰ নিজৰ জীৱন বৃত্ত কামছায়াত পৰি ৰ'ল।

জনশ্ৰুতি অনুসৰি দুয়োজনাই আছিল ইছলামৰ অনুগত আৰু ধৰ্মপ্ৰচাৰক। হজৰত ঘিয়াচুদ্দিন আউলীয়া হেনো চুফীবাদী আছিল। গতিকে তেওঁৰ মানত জাতি-অজাতি, হিন্দু-মুছলমানৰ বিচাৰ বা বিভেদ নাছিল, মন্দিৰ-মছজিদৰ নামতো কোনো বিভেদ নাছিল। হাজোৰ পোৱামক্কা তীৰ্থৰ প্ৰতিষ্ঠাপক ঘিয়াচুদ্দিন আউলীয়াৰ সেই উদাৰ দৃষ্টিৰ কাৰণেই সুদীৰ্ঘ সাতশ বছৰব্যাপী পোৱামক্কা হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ মানত সমানে প্ৰিয় তীৰ্থ। এই আউলীয়াজনা ইমান বিখ্যাত হৈ উঠিছিল যে ইজিপ্তৰ

পৰা ভাৰত ভ্ৰমণ কৰিবলৈ অহা বিশিষ্ট পৰ্যটক ইবনবটুতাই একমাত্ৰ সেই আউলীয়াগৰাকীৰ সাক্ষাৎ লাভ কৰিবলৈ বুলিয়ে হেনো আহি হাজোৰ পোৱামক্কাত উপস্থিত হৈছিলহি।

আজান ফকীৰ আহি কেতিয়া অসমত উপনীত হৈছিল তাক সঠিকভাৱে জনাৰ উপায়ো নাই। কিন্তু তেওঁ নিজে ৰচনা কৰা এটা জিকিৰ গীতৰ ৰচনা কাল উল্লেখ কৰি গাইছিল,–

দহ শ দুকুৰি নবীচন হিজিৰি
আৰু পাঁচে বছৰ যায়।
ছাহ মীৰণে এইগীত ৰচিলে
কোৰাণ কিতাবত চায়।।

এই আত্মঘোষণাৰ পৰা জনা যায় যে এই জিকিৰ গীতটো হিজিৰি ১০৪৫ চন বা খ্ৰীষ্টীয় ১৬১৫/১৬ চনৰ ভিতৰত ৰচনা কৰিছিল। তেওঁ কিন্তু আহিছিল বাগদাদৰপৰা, জনশ্ৰুতি অনুসৰি অসমলৈ আহি তেওঁ পোনতে থিতাপি লৈছিল হেনো হাজোৰ পোৱামক্কাতেই। সম্ভৱতঃ পোৱামক্কাত থাকোঁতেই তেওঁ অসমীয়া ভাষা শিকি লৈছিল, অসমৰ সাংস্কৃতিক জীৱনৰ লগতো পৰিচিত হৈছিল। তেওঁ অসমীয়াত গীত-মাত ৰচনা কৰিব পৰা হোৱালৈকে নিশ্চয় কেইবাবছৰমান সময়ৰ আৱশ্যক হৈছিল। তেতিয়াহ'লে তেওঁ ১৭শ শতিকাৰ ১ম দশকমানতে আহি অসমত অৱতীৰ্ণ হৈছিল। সেইটো কাল আছিল চুচেংফা প্ৰতাপ সিংহৰ ৰাজত্বকাল আৰু লগতে আহোম মোগলৰ সংঘাত-সংগ্ৰামৰ কালো।

লোকশ্ৰুতি অনুসৰি ৰূপাইগৰীয়াৰ ষড়যন্ত্ৰক্ৰমে আহোম ৰজাই চাহমীৰণ বা আজান ফকীৰৰ চকু কঢ়াইছিল। অমৰ বুৰঞ্জী অনুসৰি[১৬] ৰূপাই গৰীয়া আছিল নৰিয়া ৰজাৰ বিশ্বস্ত দা-ধৰা বিষয়া। নৰিয়া ৰজাৰ ৰাজত্বকাল আছিল খ্ৰীঃ ১৬৪৪—১৬৪৮। সম্ভৱ সেই চাৰিবছৰ কালৰ ভিতৰতে আজান ফকীৰক অন্যায়ভাৱে নিৰ্যাতন কৰা হৈছিল। লোকগীত অনুসৰি যেন ৰজাৰ সেই অন্যায়-অত্যাচাৰৰ কাৰণে দিখৌ নৈত অকালতে আৰু আকস্মিকভাৱে প্ৰবল বানপানীৰ সৃষ্টি হৈছিল। সেই বানপানীক প্ৰজা বিদ্ৰোহৰ ৰূপক বুলি গ্ৰহণ কৰিলে প্ৰকৃততে ৰূপাই গৰীয়া আৰু নৰিয়া ৰজাৰ বিৰুদ্ধে হোৱা একাংশ প্ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ বিদ্ৰোহ বুলিহে অনুভৱ কৰিব পাৰি। সৰ্বোপৰি তাৰ পৰা অনুভৱ কৰিব পাৰি যে অসমৰ অসমীয়া মানুহে উদাৰ প্ৰকৃতিৰ পীৰ বা ফকীৰ চাহমীৰণ বা আজান ফকীৰক কি আন্তৰিকতাৰে গ্ৰহণ কৰিছিল। লোকশ্ৰুতিৰ পৰা কিন্তু জনা যায় যে বাগদাদৰ পৰা অসমলৈ বুলি যাত্ৰা কৰা কালত আজান ফকীৰ ৰক্ষণশীল মুছলমানেই আছিল; কাৰণ তেওঁ অসমৰ ধৰ্মভ্ৰষ্ট মুছলমানসকলক পুনঃ ইছলামলৈ ঘূৰাই অনাই আছিল তেওঁৰ প্ৰব্ৰজনৰ লক্ষ্য। কিন্তু সেইজন আজান ফকীৰো অসমত ৰূপান্তৰিত হৈছিল উদাৰ মুকলিমূৰীয়া মুছলমানলৈহে। জিকিৰত

যেতিয়া তেওঁ গায় :

মোৰ মনত ভিনপৰ নাই ঐ আল্লা
মোৰ মনত ভিনপৰ নাই।
হিন্দুকি মুছলমান একেই আল্লাৰ ফৰমান
মোৰ মনত একেটি ভাব।।

তেতিয়াই অনুভৱ কৰিব পাৰি যে অসমে ৰক্ষণশীল মুছলমান চাহমীৰণ বা আজান ফকীৰক উদাৰ মুকলিমূৰীয়া কৰি তুলিছিল আৰু সেই কাৰণেই ৰজাই অন্যায় আচৰণ কৰাত অসমৰ প্ৰজাৰ মাজত চৰম অসন্তোষে দেখা দিছিল আৰু সম্ভৱ সি বিদ্ৰোহৰ ৰূপো ধাৰণ কৰিছিল।

অথচ সেইটো আছিল আহোম মোগলৰ সংঘাত সংগ্ৰামৰ কাল। তেনে অৱস্থাতো আজান ফকীৰৰ প্ৰতি অসমৰ জনগণৰ অকৃত্ৰিম শ্ৰদ্ধা আৰু তেনেকৈ আজান ফকীৰৰো অকৃত্ৰিম উদাৰতাৰ সংমিশ্ৰণত গঢ় লৈ উঠা তেতিয়াৰ অসমখনক জনাত যথেষ্ট সহায় কৰে।

কোনো কোনোৱে ক'ব বিচাৰে, আনকি অ'ত-ত'ত লিখিছেও, যে জকাইচুকীয়া অসমক মুছলমানৰ, আৰু বিশেষকৈ মোগলৰ, সান্নিধ্যই, বহল বিশ্বক জনাত, বহল বিশ্বৰ লগত সম্পৰ্ক পতাত সহায় কৰিলে। এনে চিন্তাক অশুদ্ধ বুলি যেনেকৈ ক'ব নোৱাৰি, সম্পূৰ্ণ শুদ্ধ বা নিখুঁত বুলিও তেনেকৈ ক'ব নোৱাৰি। কাৰণ অসমৰ লগত বহল জগতৰ সম্পৰ্ক বহু পুৰণি কালৰ পৰাই ঘটিছিল। আমবাৰীৰ খনন কাৰ্যৰ উপৰি, আফ্ৰচিয়াৰ আক্ৰমণ, হিউৱেন চাঙৰ আগমন, ইবন্‌বটুতাৰ ভ্ৰমণ আদিয়েও জানিবলৈ দিয়ে যে বহল জগতৰ লগত অসমৰ সম্পৰ্ক সুপ্ৰাচীন। কাৰবি ৰামায়ণ চাবিন আলুনকে ধৰি ভিন ভিন জনজাতিৰ মাজত থকা ৰামায়ণসমূহ, আৰু বিশেষকৈ মহামাণিক্যকে ধৰি কিৰাত-মংগোল গোষ্ঠীৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত ৰামায়ণ, মহাভাৰত, পুৰাণ আদি সৰ্বভাৰতীয় মহাগ্ৰন্থসমূহ ১৪শ শতিকাৰ পৰা অসমীয়া পদত ৰচনা কৰা কাৰ্যই অনুভৱ কৰিবলৈ দিয়ে যে অসম চিন্তা-চেতনাৰ ক্ষেত্ৰত জকাইচুকীয়া নাছিল, ভূয়োদৃষ্টিসম্পন্ন উদাৰেই আছিল। কোনোবা অজ্ঞাতনামা বুৰঞ্জী লেখকে ৰচনা কৰা 'পাদশ্যাহ বুৰঞ্জী' খনৰ অধ্যয়নেও এই সত্য অনুভৱ কৰাত বেছ সহায় কৰে। এই 'পাদশ্যাহ বুৰঞ্জী' খনত ৰামসিংহৰ অসম আক্ৰমণৰ কথা সংযোগ হৈছে; কিন্তু ফলাফল নাই। তাৰ পৰা অনুমান হয় যে সেই সন্ধিক্ষণতে অসমৰ কোনোবা অনুসন্ধিৎসু লোকে সেইখন ৰচনা কৰিছিল। সেইটো হিন্দু-মুছলমানৰ শত্ৰুতাৰ কালেই আছিল; কিন্তু বুৰঞ্জীখনত বৰ্ণোৱা কাহিনীৰ পৰা দেখা যায় যে ৰচক সম্পূৰ্ণ ৰূপে পক্ষপাতশূন্য আছিল।

বুৰঞ্জীখনৰ এঠাইত আছে যে ৰংগদিন পাদশ্যাহে (সম্ভৱতঃ মহম্মদ ঘোৰী) দিল্লীৰ পিথোৰ ৰজাক (সম্ভৱতঃ পৃথ্বিৰাজ) যুঁজত হত্যা কৰি দিল্লী অধিকাৰ কৰি ৰহিল। কিন্তু ঘোষণা দিলে—

"আগেয়ে যি নিয়মে আছিল এখনো সেই নিয়মেই থাকক।"[১৫]

একেখন বুৰঞ্জীৰ পৰা ৰজা মান্ধাতা অৰ্থাৎ ৰাজপুত বীৰ মানসিংহই গৌড়ৰ নবাবৰ প্ৰতি দেখুওৱা সশ্ৰদ্ধ ভাবৰ নিদৰ্শনৰ পৰাও সেই সময়ৰ অসম-ভাৰতৰ হিন্দু-মুছলমানৰ মধুৰ সম্পৰ্কৰ স্বৰূপ উপলব্ধি কৰিব পাৰি। বাদছাহ জাহাংগীৰৰ আদেশক্ৰমে গৌড় আক্ৰমণ কৰি মানসিংহই নবাব হোছেইন ছাহক সম্পূৰ্ণৰূপে পৰাস্ত কৰি গৌড় জয় কৰে। কিন্তু ৰাজপুত বীৰ মানসিংহই হোছেইন ছাহৰ বীৰত্বক প্ৰশংসা কৰি শ্ৰদ্ধা প্ৰদৰ্শন কৰিবলৈ এৰা নাই।

"যেত ঠাই ৰণ কৰিছোঁ মানে তাত কৰি হুচন শ্যাহক অধিক পাইছো — মহাংযোদ্ধা সাহসী, প্ৰপঞ্চি। আপোনাৰ জীউক লালচ নাই। ..... আনে তাক সমান নুই।"[১৬]

আহোম-মোগল অৰ্থাৎ হিন্দু-মুছলমানৰ মাজত সংঘাত-সংঘৰ্ষ চলি থকা কালত অসমৰ অজ্ঞাতনামা কোনো এজন বুৰঞ্জী লেখকৰ এনে উদাৰ দৃষ্টিভংগীয়ে সুস্পষ্টভাৱে অনুভৱ কৰিব দিয়ে যে সেই যুগৰ অসমীয়াসকল পক্ষপাতশূন্য আৰু বিবেকীয়ে আছিল। এনে উদাৰ মানসিকতাৰেই তেওঁলোকে মুছলমানসকলক আপোন কৰি ল'ব পাৰিছিল। প্ৰকৃততে সি আছিল এক প্ৰকাৰ অসাধাৰণ বৈশিষ্ট্যই। ইটাখুলিৰ ৰণৰ পিছত মুছমলানৰ লগত অসমৰ সামৰিক সংঘৰ্ষ সংঘটিত হোৱা নাই। কিন্তু অসমলৈ মুছলমানৰ আগমনৰ সোঁত ৰুদ্ধ হোৱাও নাছিল। বৰং আৱশ্যক অনুসৰি ভাৰতৰ ভিন ভিন প্ৰান্তৰ পৰা গুণী মুছলমানক বিচৰাই অনাই মাটি-বাৰী, লগুৱা লিক্‌চৌ, আদি দি সম্ভ্ৰান্ত জীৱন-যাপনৰ সুচল কৰিহে দিছিল। ড° সূৰ্যকুমাৰ ভূঞাই ৰচনা কৰা 'স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ' বোলা গ্ৰন্থখনৰ পৰা জনা যায় যে বিচৰাই অনোৱা মুছলমানসকল আছিল—

(১) আখৰকটীয়া, (২) খাৰঘৰীয়া, (৩) শেনচোৱা, (৪) কাৰ্চিপৰ বন কৰা, (৫) জখমবটা, (৬) বকতাৰ খেল, (৭) গুণাকটীয়া, (৮) পাচীপঢ়ীয়া, (৯) মুদ্ৰা সাঁচত মৰা, (১০) মিস্ত্ৰি, (১১) ৰাজমিস্ত্ৰি, (১২) ৰহণ কৰা, (১৩) চিত্ৰকৰ, (১৪) হিলৈ গঢ়া ওস্তাদ, (১৫) নাগেৰীয়া (১৬) দেৱলীয়া (১৭) মৰিয়া, আদি নানা বিদ্যাত বিশাৰদ বা নিপুণ লোক।

ছশ বছৰীয়া আহোম ৰাজত্বৰ গৌৰৱোজ্জ্বল কালছোৱাৰ অসমৰ অসমীয়াসকল আছিল গভীৰভাৱে দেশপ্ৰেমী; তেওঁলোকে বিদেশীৰ ছাঁটোকে গচকিব নিবিচাৰিছিল। কিন্তু যিসকল বহিৰাগত বিদেশী স্থায়ীভাৱে অসমত বসবাস কৰিবলৈ আহে সেইসকলক

আপোন কৰি ল'বলৈ অলপো কুণ্ঠাবোধ নকৰিছিল। ড° সূৰ্যকুমাৰ ভূঞাৰে এঠাইত লিখিছে,—

"তুমি অসমত থাকা, তাত আমাৰ আপত্তি নাই। কিন্তু ইয়াতে বিয়াবাৰু কৰি, ইয়াৰ ধাৰ-দস্তুৰ মানি আৰু এই দেশৰ মাত-কথা লৈ, ৰজাৰ কুশল বাঞ্ছা কৰি আমাৰে এজন হৈ থাকা। তোমাৰ আৰু দেশস্থ পুৰাতন প্ৰজাৰ ভিতৰত ভিন ভাব, ভিনস্বাৰ্থ আৰু ভিন উদ্দেশ্য হ'ব নালাগে।"[১৭]

অসমলৈ মুছলমান আহিয়ে আছিল। মায়ামৰীয়া বিদ্ৰোহ (খ্ৰীঃ ১৭৬৯—১৮০৬)ৰ কালত যেতিয়া অসমৰ ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতি শোচনীয় হৈ পৰিছিল, তেতিয়া শান্তি প্ৰতিষ্ঠাৰ আশাত ৰজাঘৰে যাৰে তাৰে সহায় বিচাৰি ফুৰিছিল। সহায় কৰিবলৈ অহা তেনে মানুহৰ মাজত বৰকাণ্ডাজ বুলি জনাজাত একাংশ অনাঅসমীয়া মানুহো আছিল। সেই বৰকাণ্ডাজৰ মাজত কিছুমান মুছলমানো আছিল। সেই মুছলমানসকলেও অসমত স্থায়ীভাৱে বসতি কৰিবলৈ লৈছিল। ইংৰাজৰ শাসন কালত সৰহ শস্য উৎপাদনৰ নামত তদানীন্তন পূৰ্ববংগৰ পৰা কে'বালাখো পমুৱা আনি বহুৱাইছিল সংৰক্ষিত চৰণীয়া পথাৰবোৰত। বিভক্ত হৈ দেশে স্বাধীনতা লাভ কৰাৰ পিছতো তদানীন্তন পূব পাকিস্তান আৰু বৰ্তমানৰ বাংলাদেশৰ পৰা বাংলাভাষী হিন্দু-মুছলমানৰ অসমলৈ অনুপ্ৰৱেশ ঘটি আছে বুলি অন্ততঃ সংবাদ পত্ৰৰ পৰা জানি থাকিব পৰা গৈছে।

আহোমৰ শাসন কালত নানা কাৰণত ভাৰতৰ ভিন ভিন প্ৰান্তৰ পৰা আহি অসমত বসবাস কৰিবলৈ লোৱা মুছলমানসকল অসমৰ থলুৱা মানুহৰ লগত মিলি যাবলৈ বাধ্য হৈছিল; কাৰণ প্ৰতিটো খেলত দুঘৰ দুঘৰকৈহে প্ৰতিটো সম্প্ৰদায় বা জাতৰ মানুহক বহুৱাইছিল। সেই কাৰণে প্ৰতিটো খেলৰ প্ৰতিঘৰ মানুহে পৰস্পৰ সহযোগিতা বিনে জীৱন-ধাৰণ কৰা সম্ভৱপৰ নাছিল। সেই মুছলমানসকল অসমৰ হিন্দু অসমীয়াৰ লগত কিদৰে মিলি গৈছিল তাক মুছলমান ঐতিহাসিক চিহাবুদ্দিমন তালিচৰ অনুকৰণত ড° সূৰ্যকুমাৰ ভূঞাই এঠাইত বৰ্ণাই কৈছে,—

"পূৰ্বে হোৱা যুদ্ধ-বিগ্ৰহত বন্দী কৰা ভালেমান মুছলমান অসমত বিয়াবাৰু কৰাই বাস কৰি আছে। তেওঁলোকৰ সতি-সন্ততিসকলৰ কাৰ্যকলাপ অবিকল অসমীয়াৰ দৰেই। নামৰ বাহিৰে ইছলামৰ কোনো চিন-চাবেই তেওঁলোকৰ গাত নাই। মুছলমানৰ লগত সংগতি লোৱাৰ প্ৰতি তেওঁলোকৰ হৃদয়ৰ টান বৰ কম, অসমীয়াৰ লগত মিলিবলৈহে তেওঁলোকৰ ধাউতি।"[১৮]

আনকি সেই মুছলমান যুদ্ধ বন্দীসকলে মুছলমান মোগলৰ বিৰুদ্ধে যুঁজি বা যুঁজৰ

সকলোবোৰ কৌশল শিকাই দি অসমক জয়যুক্ত কৰাবলৈও দ্বিধাবোধ কৰা নাছিল। তেনে এটা নিদৰ্শন হ'ল শৰাইঘাটৰ যুদ্ধৰ সময়ৰ,—

"ৰাম সিংহৰ আক্ৰমণৰ সময়ত উজনিত বাঘ হাজৰিকা নামে এজন মুছলমান বীৰ পুৰুষ আছিল। ....এই বাঘ হাজৰিকাই মোগলৰ যুদ্ধ প্ৰণালী আৰু কায়দা জানিছিল। তেওঁ লাচিত বৰফুকনৰ লগত থাকি মোগলৰ যুদ্ধ প্ৰণালীৰ সংকেত কোৱাত লাচিত ফুকনে মোগলৰ বিৰুদ্ধে যুদ্ধ কৰি বিদেশীক পৰাস্ত কৰিবলৈ সুযোগ পাইছিল। ..... জ্ঞানমালিনীৰ কবি মফিজুদ্দিন আহমদ হাজৰিকা এই বাঘ হাজৰিকাৰে সন্ততি।"[১৯]

ই আছিল অসমৰ অনুপম বৈশিষ্ট্য। এনেদৰেই ইংৰাজ শাসন প্ৰবৰ্তন হোৱাৰ আগতে অহা মুছলমানসকলে জাতে-পাতে অসমীয়াৰূপে প্ৰতিপন্ন হৈ পৰিছিল।

ড° সূৰ্যকুমাৰ ভূঞাৰ সিদ্ধান্ত অনুসৰিয়ে অসমত আঠ প্ৰকাৰে মুছলমানৰ বসতি হৈছিল,—

(১) যুদ্ধ বন্দীসকল,
(২) যুদ্ধত যোগ দিবলৈ আহি ঘূৰি নগৈ ইয়াতে বসতি কৰাসকল,
(৩) শাস্ত্ৰজ্ঞ পণ্ডিতসকল,
(৪) ৰজাই অনোৱা আৰু জীৱিকাৰ অৰ্থে অহা কলা-নিপুণসকল,
(৫) পীৰসকল,
(৬) ধৰ্মপ্ৰচাৰকসকল,
(৭) ধৰ্মান্তৰিতসকল,
(৮) জাত যোৱাসকল।[২০]

এই ক্ষেত্ৰত বিশেষ মন কৰিবলগা কথা এয়ে যে বিচৰাই অনাসকলৰ উপৰি আপাহ পোৱাসকললৈ দায়িত্বপূৰ্ণ ৰাজকীয় বিষয়বাব আগবঢ়াবলৈ ৰজাঘৰে এৰা নাছিল। তাৰ পৰিণতিস্বৰূপে সেই বিষয়বাব লাভ কৰাসকলৰ চিত্তত প্ৰবল দায়িত্ববোধৰ চেতনা গঢ় লৈ উঠিছিল আৰু তেওঁলোকে নিজক অধিক বিশ্বস্ত আৰু দায়িত্বশীলৰূপে প্ৰতিপন্ন কৰাবলৈও হৈছিল সততে তৎপৰ। ৰজাঘৰে তেনেদৰে আপাহ পোৱা মুছলমানসকলৈ বৰুৱা, হাজৰিকা, আদিকৰি বিষয়বাব আৰু উপাধি আগবঢ়াইছিল। আহোম শাসন কালত দা-ধৰা বিষয়বাব আছিল অতি দায়িত্বপূৰ্ণ আৰু মৰ্যাদাকৰো। দা-ধৰা হ'ল ৰজাৰ নিৰপত্তা বিষয়া। বুৰঞ্জী অনুসৰি নৰিয়া ৰজাৰ ৰাজত্ব কালত (খ্ৰীঃ ১৬৪৪—১৬৪৮) মুছলমান ৰূপাই গৰীয়াৰ ওপৰত অৰ্পণ কৰা হৈছিল সেই দা-ধৰা বাব। মুদ্ৰা মৰোৱা, বন্দুক-বৰটোপ আদি নিৰ্মাণ কৰোৱা, খাৰ-বাৰুদৰ সৃষ্টি আদিৰ দৰে অতি দায়িত্বপূৰ্ণ

কামৰ ভাৰো আৰোপ কৰিছিল মুছলমানৰ ওপৰতে। সিবোৰে এক অনুপম জাতীয়তাৰ পৰিবেশ গঢ়ি তুলিছিল। এনে অনুকূল পৰিবেশত আহোমৰ সেনাবাহিনী গঢ় লৈ উঠিছিল কাৰণে ভাৰত বিজেতা মোগলকো শৰাইঘাটৰ ৰণত মূৰ তুলিব নোৱৰাকৈ পৰাভূত কৰিবলৈ সমৰ্থ হৈছিল। ই অসমৰ এক গৌৰৱোজ্জ্বল বৈশিষ্ট্য।

অসমত ধৰ্মান্তৰিত মুছলমান ঃ

বংগকে ধৰি ভাৰতৰ অন্যান্য প্ৰান্তত ধৰ্মান্তৰিত মুছলমানৰ সংখ্যা ঢেৰ, কিন্তু অসমত মুছলমানলৈ ধৰ্মান্তৰিত মানুহৰ সংখ্যা বৰ কম। যুদ্ধবন্দীকে ধৰি যিসকল মুছলমানে ইয়াতে পত্নী গ্ৰহণ কৰিছিল, সেইসকলৰ পত্নী স্বাভাৱিকতে মুছলমানলৈ ধৰ্মান্তৰিত হৈছিল। অন্যান্য প্ৰান্তত মুছলমানৰ সান্নিধ্যত জাতযোৱা হিন্দুও বহুতে মুছলমান ধৰ্ম গ্ৰহণ কৰিছে। অসমত তেনে মুছলমানৰ সংখ্যাও তেনেই বিৰল; লক্ষ্মীনাথ বেজবৰুৱাৰ 'ধৰ্মধ্বজ ফয়চলা নবিচ' বোলা গল্পটোত গল্পৰ নায়কে মনৰ খেদত সপৰিয়ালে মুছলমান ধৰ্ম গ্ৰহণ কৰাৰ দৰে কাহিনী অসমীয়া সাহিত্যত আৰু নাই বুলিবই পাৰি।

ই নিশ্চয় অহৈতুকী নহয়, অসমৰ বৈশিষ্ট্যপূৰ্ণ জনবিন্যাসেই ইয়াৰ মূল কাৰণ হ'ব লাগে। অসম জনজাতি অধ্যুষিত ৰাজ্য। বিশিষ্ট সাহিত্যিক আৰু সমাজবিজ্ঞানী সত্যেন বৰকটকীয়ে 'অসমৰ জনজাতি' বোলা গ্ৰন্থত প্ৰত্যক্ষ অভিজ্ঞতাৰ ভেটিত লিখি থৈ গৈছে যে দেশ স্বাধীন হোৱালৈকে অন্ততঃ পাহাৰীয়া জনজাতিসকলে একপ্ৰকাৰ আদিম সাম্যবাদী সমাজ ব্যৱস্থা বৰ্তাই ৰাখিছিল। মনখেমৰ জনগোষ্ঠীৰ খাচী-জয়ন্তীয়াসকল অসমৰ প্ৰাচীনতম অধিবাসীয়ে হ'ব লাগে। সাম্ৰাজ্যবাদী ইংৰাজে তেওঁলোকক গ্ৰাস কৰিবলৈ ওলোৱা ক্ষণতো তেওঁলোকে একপ্ৰকাৰ আদিম সাম্যবাদী সমাজেই যে বৰ্তাই ৰাখিছিল তাক খোদ ইংৰাজ সেনাদলৰ নায়ক ইংৰাজ কেপ্টেইন এ, হোৱাইটে স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল।[২১] যোগিনীতন্ত্ৰ অনুসৰি এই দেশ কৈৰাতৰ দেশ, 'সিদ্ধেশী যোগিনী পীঠে ধৰ্মঃ কৈৰাতজঃমতঃ।[২২] গতিকে এই দেশ অসমত কেৱল উচ্চ-নীচৰ ভেদাভেদেই যে নাছিল তেনে নহয়, ব্যাপক জনগণৰ মাজত স্পৃশ্য-অস্পৃশ্যৰ চেতনাও নাছিল আৰু খাদ্য-অখাদ্যক লৈও বিশেষ একো বাছ-বিচাৰ নাছিল। লোকশ্ৰুতি অনুসৰি এই দেশৰ জনগণৰ মানত 'শাল-শিঙি-সুৱৰ ই তিনি ভক্তিৰ দুৱাৰ' আছিল। অসমৰ লোক-সমাজৰ এই উদাৰ মানসিকতালৈ লক্ষ্য কৰিয়ে সম্ভৱ মাধৱদেৱৰ পিছত ভৱানীপুৰীয়া গোপাল আতাই প্ৰৱৰ্তন কৰা কাল-সংহতিয়েও খাদ্যাখাদ্য, স্পৃশ্য-অস্পৃশ্যত কোনো গুৰুত্ব দিয়া নাছিল গুণে জাতি-অজাতি ভেদে অসমৰ ব্যাপক জনগণ কাল সংহতিৰ অনুগামী হৈ পৰিছিল। ভাৰত বিখ্যাত মায়ামৰীয়া বিদ্ৰোহৰ নেতৃত্বত আছিল সেই কাল সংহতিৰ ভক্তসকলেই।

অৱশ্যে অসমত সামগ্ৰিকভাৱে স্পৃশ্য-অস্পৃশ্যৰ, জাতি-অজাতিৰ বিভেদ নাছিল

বুলি কোৱা হ'ব সত্যৰ অপলাপ। ব্ৰাহ্মণ আদি উচ্চবৰ্ণৰ একাংশ লোকৰ উপৰি বৈষ্ণৱৰ চাৰি সংহতিৰ ভিতৰত কালসংহতি ভিন্ন অন্যান্যসকলৰ মাজত স্পৃশ্য-অস্পৃশ্যৰ ভেদাভেদ আছিল। চৰিত পুথি অনুসৰি স্বয়ং শংকৰদেৱ-মাধৱদেৱে সেই ৰীতি বৰ্জন কৰা নাছিল, হাতে-পাগে যোৱাত ব্যৱধান আছিল, আজিও সি অন্তৰ্হিত হ'বলৈ জনা নাই। দেশ স্বাধীন হোৱাৰ কে'বাবছৰো পিছলৈ যোৰহাট আৰু শিৱসাগৰ চহৰত 'বামুণে চাহখোৱা দোকান' আমি নিজে প্ৰত্যক্ষ কৰিছিলো।

কিন্তু কিৰাত-মংগোল অধ্যুষিত ৰাজ্য অসমত ভাৰতৰ অন্যান্য প্ৰান্ততকৈ স্পৃশ্য-অস্পৃশ্য আৰু জাত-কুলৰ ব্যৱধান বহু পাতলীয়া হোৱা হেতুকে অসম সংকীৰ্ণতা আৰু বিচ্ছিন্নতাবোধৰ পৰা বহু পৰিমাণে মুক্ত আছিল। এই প্ৰসংগত কাল সংহতিৰ অন্তৰ্ভুক্ত মায়ামৰীয়া সত্ৰৰ অনুগামী ভক্তসকল আছিল জ্বলন্ত নিদৰ্শন। তেওঁলোক কেৱল একেথন মায়ামৰীয়া সত্ৰৰ সেৱকেই নাছিল, তেওঁলোক প্ৰায় আটায়ে আছিল কিৰাত-মংগোল গোষ্ঠীভুক্তও। সেইসকল উদাৰচিতীয়া অসমীয়া লোকৰ জীৱনলৈ লক্ষ্য কৰিয়ে মোগল লেখক চিহাবুদ্দিন তালিচে লিখি থৈ গৈছে বোলে ঃ

"অসমৰ অসমীয়াই মুছলমানৰ হাতেও আহাৰ গ্ৰহণ কৰে।"[২৩] প্ৰসংগক্ৰমে আন এটা বিশেষ মন কৰিব লগা কথা এয়ে যে, মানৱীয় দৃষ্টিৰে অমৰ্যাদাকৰ হ'লেও, নিকাপন্থী বৈষ্ণৱসকলেও তথাকথিত নীহকুলীয়া হিন্দুসকলক শৰণ-ভজন দি উচ্চকুলীয়াৰূপে প্ৰতিপন্ন কৰিবলৈ যত্নপৰ নোহোৱাকৈ থকা নাছিল। অৱশ্যে সি পৰম্পৰাগত ব্ৰাহ্মণ্যবাদী 'হিৰণ্যকুম্ভ' অনুষ্ঠানৰ বিবৰ্তিত ৰূপেই হ'ব লাগে।

আন যিয়েই নহওক লাগে, অসমৰ বিশেষ সামাজিক পৰিস্থিতিয়ে প্ৰায় ইংৰাজৰ আগমনলৈ, আনকি ইংৰাজৰ আমোলতো দেশ বিভাজন নোহোৱালৈকে, অসমত হিন্দু-মুছলমানৰ সম্পৰ্ক আছিল অতি মধুৰ; ওপৰত পাই অহাৰ দৰে নামত বাহিৰে স্বভাৱে-চৰিত্ৰই, আচাৰে-বিচাৰে অসমৰ মুছলমানসকল আছিল প্ৰায় হিন্দুৰ সদৃশ। সম্ভৱ নিচেই সংখ্যালঘিষ্ঠ হোৱা হেতুকেই তেওঁলোকে অসমৰ গৰিষ্ঠসংখ্যক জনগণ হিন্দুৰ সদৃশ, স্বতঃস্ফূৰ্তভাৱেই হৈ পৰিছিল। অসমৰ মুছলমানসকলে যেন ইছলামৰ ৰীতি-নীতি, বাধা-নিষেধ আদি পৰ্যন্ত সকলো কথা পাহৰি গৈছিল। ইছলাম অনুসৰি মুছলমানে মুছলমানৰ বিৰুদ্ধে অস্ত্ৰধৰা গুণাঁহ-পাপ। সম্প্ৰতি সেই নীতি সমগ্ৰ ইছলাম জগততে ফুটুকাৰ ফেন হৈ উৰি গৈছে। কিন্তু মধ্য যুগলৈ তেনেবোৰ বাধা-নিষেধৰ ওপৰত কিছু গুৰুত্ব দিয়া হৈছিল যেন অনুভৱ হয়। অন্ততঃ অনা ইছলামৰ হকে ইছলামৰ বিৰুদ্ধে অস্ত্ৰধাৰণ নকৰিছিল। কিন্তু অসমত ঘটিছিল তাৰ ব্যতিক্ৰম, ইছলামধৰ্মী বাঘ হাজৰিকাই অনা ইছলামিক অসমৰ হকে ইছলামিক মোগল বাহিনীৰ বিৰুদ্ধে অস্ত্ৰধাৰণ নকৰাকৈ থকা নাছিল। হয়তো বাঘ হাজৰিকায়ো ইছলামিক মুছলমানৰ বিৰুদ্ধে নিজে 'বন্দুক-

বৰটোপ হাতত তুলি লোৱা নাছিল; কিন্তু যুদ্ধ জিকাৰ সকলো কৌশল শিকাই দি দেখোন অস্ত্ৰ ধাৰণতকৈও ডাঙৰ সহায়হে আগ বঢ়াইছিল।

ঐতিহাসিক ঘটনাৱলীয়ে কিন্তু তেতিয়াই প্ৰকট কৰি দেখুৱাইছিল যে ইছলামধৰ্মী মুছলমানসকল কোৰাণ প্ৰদৰ্শিত ইছলামিক আদৰ্শত অটল হৈ থাকিব পৰা নাছিল। অসমৰ বুকুলৈ পোন প্ৰথম মুছলমান অভিযান চলোৱা বংগ-গৌড়ৰ নবাব মহম্মদ ইবন বখ্‌তিয়াৰ খিলজীক ষড়যন্ত্ৰমূলকভাৱে হত্যা কৰি আলী মৰ্দন বংগ-গৌড়ৰ শাসনত অধিষ্ঠিত হৈছিল; তেনেকৈ আলী মৰ্দনক হত্যা কৰি ক্ষমতাত অধিষ্ঠিত হৈছিল হাছামুদ্দিন। আনকি তাৰ পিছতো হত্যাকাণ্ডৰ অৱসান ঘটা নাছিল। দিল্লীত আওৰংগজেৱে পিতৃ চাহজাহানক বন্দী কৰি থৈ অকল ৰাজপাটৰ লালসাত ককায়েক দাৰা-চুজাক আৰু ভায়েক মুৰাদক হত্যা কৰিছিল। ইবোৰে সমগ্ৰ ভাৰত ব্যাপী প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰাকৈ থকা নাছিল। আৰু সম্ভৱতঃ সেই কাৰণেও বহু ইছলামধৰ্মী মুছলমান কোৰাণৰ বিধানৰ ওপৰত অটল হৈ থাকিবলৈ অনিচ্ছুক হৈ পৰিছিল।

মধ্যযুগৰ অসমত বসবাস কৰিবলৈ লোৱা পাঠান-মোগল মুছলমানসকল আছিল যুদ্ধবন্দী। তেওঁলোকে অন্ততঃ লোকশ্ৰুতিৰ পৰা জানিছিল যে মহম্মদ বিন কাছিমৰ সিন্ধু জয়ৰ দিনৰ পৰা বিজেতা মুছলমানে বিজিত হিন্দুৰ ওপৰত অমানবিক নিৰ্যাতন চলাইছিল। অসমত যুদ্ধবন্দী মুছলমান আছিল নিচেই সংখ্যালঘিষ্ঠ; ব্যাপকসংখ্যক অসমীয়া হিন্দুৰ বিৰুদ্ধে থিয় দিয়াৰ শক্তি-সামৰ্থ্য তেওঁলোকৰ নাছিল। তথাপি অসমৰ থলুৱা অধিবাসীসকলে তেওঁলোকক খেল-মেলত ঠাই দিছিল, সম্ভ্ৰান্ত জীৱন-যাপনতো সহায়-সাহায্য আগ বঢ়াইছিল। সামন্তযুগীয় যুদ্ধ নীতিৰে সি আছিল তেওঁলোকৰ মানত অভাৱনীয়। আৰু সম্ভৱ সেই কাৰণেই সেই ইছলামধৰ্মী অসমৰ মুছলমান অংশ কেৱল নামতহে মুছলমান হৈছিল; স্বভাৱে-চৰিত্ৰেই, কামে-কাজে তেওঁলোক অসমৰ হিন্দুসকলৰ সদৃশ হৈ উঠিছিল।

অসমত হিন্দু-মুছলমান-সম্প্ৰীতি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আন কেতবোৰ ঐতিহাসিক কাৰণো পৰিলক্ষিত হয়। তবাকত্‌-ই-নাছিৰি আৰু কানাই বৰশীবোৱা লিপি অনুসৰিও অসমে তুৰ্কী বাহিনীক সমূলঞ্চে নিধন কৰিছিল। সম্ভৱ নিচেই কমসংখ্যক তুৰ্কী সেনাহে বন্দী হৈ জীয়াই আছিল। সেই যুদ্ধবন্দী অংশই জানিছিল যে অসমৰ পৃথু ৰজাই সেই বছৰলৈ প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ জনোৱা সত্ত্বেও মহম্মদ ইবন বখ্‌তিয়াৰে সম্পূৰ্ণ স্বেচ্ছাচাৰীভাৱে তুৰ্কী বাহিনী অসমলৈ পৰিচালনা কৰিছিল। সেই স্বেচ্ছাচাৰী কাৰ্যই অসমৰ ৰজা-প্ৰজাক ক্ষুণ্ণ কৰিছিল আৰু তাৰ পোটকস্বৰূপেহে তুৰ্কী বাহিনীক ধ্বংস কৰিবলৈ আগ বাঢ়ি গৈছিল। অন্যায় অসমে কৰা নাছিল; স্বেচ্ছাচাৰী শাসকৰ পৰিচয় দি মহম্মদ ইবন বখ্‌তিয়াৰ খিলজীয়েহে অন্যায় কৰিছিল; ৰাজনৈতিক বিচক্ষণতাৰ

পৰিচয় দিয়াত ব্যৰ্থ হৈছিল। বন্দী মুছলমান সেনাবিলাকে সেই কথাবো উমান পাইছিল নিশ্চয়। আৰু সম্ভৱতঃ সেই কাৰণেও অনুভৱ কৰিছিল অপৰাধ প্ৰৱণতা আৰু জীৱন-জীৱিকাৰ তাড়নাতে অসমৰ লগত নিজক মিলাই দিবলৈ হৈছিল স্বতুপৰ।

মহম্মদ ইবন বখ্তিয়াৰ খিলজীৰ বাহিনী ধ্বংস প্ৰাপ্ত হোৱাৰ পিছতো গৌড়ৰ পৰা অসমৰ বুকুত বাৰ বাৰ আক্ৰমণ চলোৱা হৈছে। সময়ে সময়ে জয়যুক্তও হৈছে; কিন্তু আহোম-মোগল সংঘৰ্ষৰ আগতে অসমত স্থায়ীভাৱে ৰাজনৈতিক শাসন প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছিল বুলি অনুভৱ কৰাৰ সুচল নাই। প্ৰকৃততে হাজোৰ পোৱামক্কাত হজৰত ঘিয়াছুদ্দিন আউলীয়া আৰু উজনিত চাহমীৰণ বা আজান ফকীৰে সাংস্কৃতিক সম্পৰ্ক প্ৰতিষ্ঠাৰে অসমৰ একো অংশ লোকৰ চিত্ত জয় কৰিবলৈ যিদৰে সমৰ্থ হৈছিল; ৰাজনৈতিক বা সামৰিক আক্ৰমণেৰে তেনেদৰে অসমবাসী অসমীয়া হিন্দুৰ চিত্ত কোনো দিন জয় কৰিবলৈ সমৰ্থ হোৱা নাছিল। ওপৰত পাই আহিছোঁ যে 'দহ শ দুকুৰি নবীচন হিজিৰি আকৌ পাঁচে বছৰ যায়' বুলি আজান ফকীৰে জিকিৰ ৰচনাৰ যি কাল জনাই গৈছে, তাৰ পৰা তেওঁ চুচেংফা প্ৰতাপ সিংহৰ ৰাজত্বকালতে অসমীয়াত জিকিৰ ৰচনা কৰিবলৈ লৈছিল বুলি অনুমান কৰাৰ থল আছে। কোনো কোনোৱে তেওঁক গদাধৰ সিংহৰ ৰাজত্বকালত, আনকি শিৱসিংহৰ ৰাজত্ব কালতো প্ৰতিষ্ঠা কৰিব বিচাৰিছে। সিবোৰৰ পৰা অনুমান হয় যে আজান ফকীৰে সম্ভৱ এটা সুদীৰ্ঘ-জীৱন যাপন কৰিছিল আৰু সম্ভৱ তেওঁ মিৰজুমলাৰ অসম আক্ৰমণ বা শৰাইঘাটৰ ৰণৰ সময়ত সৌশৰীৰে অসমতে জীয়াই আছিল। লোকশ্ৰুতি অনুসৰি তেওঁ ধৰ্মচ্যুত হোৱা ইছলামধৰ্মীসকলক ইছলামলৈ প্ৰত্যাবৰ্তন কৰিবলৈহে অসমলৈ আহিছিল। কিন্তু মিৰজুমলাৰ বাহিনীৰ লগত অহা ঐতিহাসিক চিহাবুদ্দিন তালিচৰ ভাষাত—

> "অসমৰ মুছলমানসকল তেতিয়াও নামত বাহিৰে আন সকলো ক্ষেত্ৰতে অসমীয়া হিন্দুহে আছিল।"[২৪]

অৰ্থাৎ আজান ফকীৰেও যেন অসমত ইছলামৰ প্ৰসাৰতা সাধন বা অসমৰ পুৰণি মুছলমান অংশক ইছলামলৈ ঘূৰাই অনাত সফল হ'ব পৰা নাছিল।

গৌড়ৰ চুলতান হোছেইন ছাহৰ ৰাজত্ব কালত খ্ৰীঃ ১৪৯৮ আৰু খ্ৰীঃ ১৫০২ চনত একে একে দুবাৰো অসম আক্ৰমণ কৰি জয়যুক্ত হৈছিল বুলি বুৰঞ্জীৰ পৰা জানিবলৈ পোৱা যায়।[২৫] কিন্তু সেই কালছোৱাৰ অসমতো ব্যাপকভাৱে ইছলাম প্ৰচাৰ হৈছিল বুলি বুৰঞ্জীয়ে জানিবলৈ দিব পৰা নাই। বৰং সেই কালছোৱাৰ অসমত মহাপুৰুষ শংকৰদেৱৰ নেতৃত্বত বৈষ্ণৱ ধৰ্মৰহে ব্যাপক প্ৰচাৰে পাতনি মেলিছিল। আনকি ইছলামধৰ্মী চান্দসাই প্ৰভৃতি দুই-এক মুৰীদেও শংকৰদেৱ প্ৰমুখ্যে বৈষ্ণৱ সাধকৰ লগতহে যোগদান কৰাৰ কথা অসমীয়া চৰিত পুথিসমূহৰ পৰা জনা যায়।

কোঁচ ৰজা নৰনাৰায়ণৰ ৰাজত্বকালত (খ্রীঃ ১৫৪৫—১৫৮৭) কোঁচ ৰাজ্য বংগৰ তুৰ্কী আৰু দিল্লীৰ মোগলৰ লগত সংঘৰ্ষলৈ আহে। কোঁচ সেনাপতিয়ে যুদ্ধত গৌড়ৰ লগত হাৰ মানি বন্দিত্ব বৰণ কৰিব লগাতো পৰিছিল। আৰু সেই কালছোৱাতে গৌড়ৰ সেনাপতি কালাপাহাৰে অসমৰ বুকুত অভিযান চলাই মঠ-মন্দিৰবোৰ বিধ্বংস কৰি ফুৰিছিল। কিন্তু বন্দিত্বৰ কালত চিলাৰায়ে ইছলাম গ্ৰহণ কৰিব লগাত পৰা নাছিল আৰু মুক্ত হৈ ওলাই অহাৰ পিছত ভগ্ন মঠ-মন্দিৰবোৰ পুনৰ নিৰ্মাণতহে মনোনিৱেশ কৰিছিল। সেই কালছোৱাত গৌড় বা দিল্লীয়ে অসমৰ বুকুত প্ৰত্যক্ষভাৱে ইছলামৰ প্ৰচাৰ বা প্ৰসাৰত মনোনিৱেশ কৰাৰ ঐতিহাসিক নিদৰ্শন নাই, থকাহেঁতেন অন্ততঃ যুদ্ধবন্দী চিলাৰায় কাৰাগাৰৰ পৰা হিন্দুৰ ৰূপত অহা সম্ভৱপৰ নহ'লহেঁতেন।

মায়ামৰীয়া বিদ্ৰোহৰ সময়ত গৃহকন্দলত আকণ্ঠ নিমজ্জিত হৈ ছাৰখাৰ হৈ যোৱা অসমৰ জাতীয়তা আৰু দেশপ্ৰেমৰ ওপৰত বক্ষম আঘাত হানে মানৰ আক্ৰমণে। জীৱন আৰু সম্পদৰ নিৰাপত্তাৰ তাগিদাত তেতিয়াৰ অসমীয়াই যেন বিবেক-বিবেচনা পৰ্যন্ত হেৰুৱাই পেলাইছিল। মানক খেদি খ্ৰীঃ ১৮২৬ চনত ইংৰাজে অসম শাসন কৰিবলৈ লোৱা কালৰ অসমৰ সৰহসংখ্যক নেতৃস্থানীয় লোক হৈ পৰিছিল চিন্তা-চেতনাহীন। তেনে পৰিস্থিতিৰ সুযোগ লৈয়ে ইংৰাজে যথেচ্ছাচাৰে প্ৰবৰ্তন কৰিলে, হিন্দু- মুছলমানৰ মাজতো সৃষ্টি কৰিলে, বিভাজন আৰু শাসননীতি প্ৰবৰ্তনেৰে, সন্দেহ-সন্দিগ্ধতা, হিংসা-ঘৃণাৰ। অথচ তাৰ আগতে আনকি মোগল বাহিনীয়েও অসমৰ পুৰুষ-তিৰোতা নিৰ্বিশেষে সকলোকে চাইছিল ভয়- শংকাৰ দৃষ্টিৰেহে। ৰামসিংহই অসম আক্ৰমণ কৰিবলৈ অহা সময়ত বংগৰ মোগল শাসনকৰ্তা চায়েস্তা খাঁৰ পৰা অসম বিষয়ক সতৰ্কতামূলক পৰামৰ্শ-উপদেশ বিচাৰিছিল হেনো। আৰু হেনো অন্যান্য বিষয়ৰ উপৰি অসমৰ নাৰীৰ পৰাও আঁতৰি থাকিবলৈ উপদেশ দি চায়েস্তা খাঁই কৈছিল,—

"সি ৰাজ্যৰ তিৰুতাক মহলী কৰি নাৰাখিবা।

সি ঠাইৰ তিৰুতাসকল মন্দকৰ্মী।"[২৬]

সম্ভৱ তন্ত্ৰ-মন্ত্ৰ যাদুৰ দেশ ৰূপে সমগ্ৰ ভাৰততে খ্যাতিমান হোৱা কাৰণে আৰু অসমৰ নাৰীয়েও যাদু মন্ত্ৰত নিপুণতা আয়ত্ত কৰিবলৈ সমৰ্থ হৈছিল কাৰণেও ইংৰাজৰ আগতে অন্যান্য বিদেশী বহিৰাগতসকলে অসমৰ বুকুত প্ৰাধান্য বিস্তাৰৰ দুঃসাহস নকৰিছিল। বাধ্যত পৰি যিসকলে অসমত বসবাস কৰিবলৈ লৈছিল, সেইসকলেও যাদু-মন্ত্ৰৰ প্ৰভাৱত যাতে ভেৰা হৈ যাব নালাগে, তাৰ কাৰণে অসমৰ থলুৱা মানুহৰ লগত সৰ্বান্তঃকৰণে একাত্মবোধ প্ৰতিষ্ঠা কৰিবলৈহে যেন সচেষ্ট হৈ থাকিছিল; প্ৰভুত্ব বা আধিপত্য বিস্তাৰৰ অপচেষ্টা নকৰিছিল। কিন্তু ইংৰাজসকল আছিল বৈজ্ঞানিক সভ্যতাৰ প্ৰতিভূস্বৰূপ। তেওঁলোকে বিজ্ঞানৰ প্ৰভাৱেৰে সমগ্ৰ ভাৰতৰ লগতে অসমকো জয় কৰিলে। তেওঁলোক

আছিল বৈজ্ঞানিক যুগৰ যাদুকৰ, বিজ্ঞানৰ আলমত তেওঁলোকেহে যেন অসম-ভাৰতক ভেৰাত পৰিণত কৰিবলৈ সমৰ্থ হৈছিল।

আন যিয়েই নহওক—অসমত হিন্দু-মুছমানৰ সমন্বয়-সম্প্ৰীতিৰ মূলত আছিল অসমৰ কিৰাত-মংগোল গোষ্ঠীকে ধৰি ভিন ভিন গোষ্ঠীৰ অসমবাসী অসমীয়াসকলৰ সবল স্বাধীনতাবোধ, উদাত্ত মানসিকতা আৰু সাংস্কৃতিক চেতনা। সিবোৰে তেওঁলোকক কৰি তুলিছিল আত্মপ্ৰত্যয়ী বা আত্মবিশ্বাসী! সেইকাৰণে সকলো প্ৰকাৰৰ সংকীৰ্ণতাবোধৰ পৰাও তেওঁলোক আছিল মুক্ত। মুছলমানৰ সংস্পৰ্শ বা সান্নিধ্যত অপবিত্ৰ, বিজতীয়া বা দুৰ্বল হৈ পৰাৰ আশংকাও তেওঁলোকৰ মনে-চিতে নাছিল। সেয়ে বহিৰাগত মুছলমানসকলকো তেওঁলোকৰ মাজলৈ আদৰি নিব পাৰিছিল, খেল-মেলত ঠাই দিছিল, দায়িত্বপূৰ্ণ বিষয়বাব দিছিল আৰু সম্পূৰ্ণৰূপে অসমীয়াৰূপে গঢ়ি তুলিবলৈও হৈছিল সমৰ্থ। সিয়ে কেৱল অসমৰ অসমীয়া মানুহৰ সংখ্যাই বৃদ্ধি কৰা নাছিল, গুণগতভাৱেও সমৃদ্ধি বা উত্তৰোত্তৰ উৎকৰ্ষ সাধনৰ ক্ষেত্ৰতো দৃঢ়তাৰে পদক্ষেপ দিবলৈ সমৰ্থ হৈছিল। মায়ামৰীয়া-মৰাণ বিদ্ৰোহ, মানৰ আক্ৰমণ- অত্যাচাৰ-নিপীড়ন আৰু সাম্ৰাজ্যবাদী ইংৰাজৰ শোষণ নীতিয়ে অসমৰ জনগণৰ নৈতিকতাৰ ৰাজহাড় ভঙাৰ পিছতহে, অসমৰ অসমীয়াসকল দুৰ্বল হৈ পৰিল। ৰাজনৈতিক নেতাবিলাক কেৱল ক্ষমতা খকুৱা পৰান্ধ হৈ পৰা কাৰণে হেৰুৱাই পেলালে দেশপ্ৰেম, জাতীয়তাবোধ, মানৱিকতাৰ মহান মৰ্যাদা। জগতৰ শ্ৰেষ্ঠ জীৱ মানুহৰ সন্মিলিত শক্তিৰ আগত যে সকলো দুঃসাধ্যই সহজসাধ্য হৈ পৰে, তাৰ চেতনাও এই ব্যক্তিত্ববাদী তথাকথিত নেতা-পালিনেতাবিলাকে হেৰুৱাই পেলালে। তাৰ ফলতে বিভাজনেৰে দেশ স্বাধীন হোৱাৰ পিছৰে পৰা সমগ্ৰ ভাৰতৰ লগতে অসমতো হিন্দু-মুছলমানৰ সম্পৰ্ক ক্ৰমে বেছি তিক্ত হোৱা সম্ভৱপৰ হৈছে।

ক্ষমতা খকুৱা নেতা, ৰজা-বাদছাহ প্ৰভৃতি চিৰদিনেই মোহান্ধ। তেওঁলোকে মানুহৰ মাজত ঐক্য-সংহতিৰ মধুৰ পৰিবেশ গঢ় লৈ উঠা কাৰ্যও সহ্য কৰিব নোৱাৰে। এদিন ইছলামে বিশ্বভ্ৰাতৃত্ববোধেৰে উদ্বুদ্ধ হৈ বিশ্বজয় কৰিবলৈ ওলাইছিল। কিন্তু সেই ইছলামত যেতিয়া ক্ষমতাৰ খকে বৰপীৰা পাৰি বহিল, তেতিয়া সত্যৰ পূজাৰী চুফী সাধকসকলকো তেওঁলোকে সহ্য কৰিব নোৱৰা হ'ল। ইছলামৰ অন্যতম পবিত্ৰ পীঠস্থান বাগদাদতে প্ৰেম আৰু সত্যৰ সাধক চুফীগীৰ আল-হল-লাজ খলিফাৰ দ্বাৰা মৃত্যুদণ্ডেৰে দণ্ডিত হ'ল। ভাৰতত সম্ৰাট ছাহজাহানৰ বৰপুত্ৰ দাৰা কেৱল সংস্কৃত, আৰবী, ফাৰ্চী আদি ভাষাৰ সুপণ্ডিতেই নাছিল, তেওঁ আছিল আদৰ্শ চুফীবাদীও। ভাৰতৰ হিন্দু-মুছলমানৰ মাজত ঐক্য- সম্প্ৰীতিৰ সেতু নিৰ্মাণ তেওঁৰ জীৱনৰ সাধনা আছিল। 'বাহৰেইন' বোলা গ্ৰন্থখনিয়ে সেই কথা আজিও সমুজ্জ্বল কৰি ৰাখিব পাৰিছে। কিন্তু মৌলবাদ আৰু ৰক্ষণশীলতাৰ দৃঢ় সমৰ্থক আওৰংজেবে সেইজনা উদাৰ মানৱীয়বাদী দাৰাক সহ্য কৰিব

নোৱাৰিলে। দাৰাৰ বিৰুদ্ধে ৰণছালি দি দাৰাৰ শিৰশ্চেছদ কৰিলে। সিমানেই নহয়, বৃদ্ধ সম্রাট ছাহজাহানৰ দাৰাৰ প্ৰতি বিশেষ মৰম আছিল কাৰণে ছিন্ন শিৰ টোপোলা বান্ধি নি উপহাৰ দিছিল হেনো বৃদ্ধ পিতৃ ছাহজাহানক ক্ষমতা খকুৱা তৃতীয় পুত্ৰ আওৰংজেবে।

অসমতো নৰিয়াৰজা চ্যুতিনফাৰ ৰাজত্বকালত (খ্ৰীঃ ১৬৪৪—৪৮) চুফীসাধক চাহমীৰণ বা আজানপীৰ নিৰ্যাতিত হৈছিল। লোকশ্ৰুতি অনুসৰি আজানপীৰৰ নিৰ্যাতনৰ মূলত আছিল ক্ষমতা খকুৱা মুছলমান দা-ধৰা বিষয়া ৰূপাই গৰীয়া। জনগণে কিন্তু সেই নিৰ্যাতন সহজভাৱে গ্ৰহণ কৰা নাছিল, অন্যায়ৰ বিৰুদ্ধে থিয় দিছিল। ফলত ৰূপাই গৰীয়াই মৃত্যুদণ্ড মূৰ পাতি ল'ব লগাত পৰিছিল আৰু চ্যুতিনফা ৰজাও হৈছিল সিংহাসনচ্যুত। সি সামান্য কথা নাছিল কিন্তু। সিয়ে মধ্যযুগীয়া অসমৰ অসমীয়া মানুহৰ জীৱনবোধ আৰু উদাৰ মানসিকতাৰ লগত পৰিচয় কৰি দিয়ে?

আহোম আৰু কোঁচৰ শাসনকালৰ অসমত বৈষ্ণৱ নিৰ্যাতন হৈছিল। প্ৰকৃততে চুহুংমুঙৰ শাসনকালৰ পৰা (খ্ৰী ১৪৯৭—১৫৩৯) বৈষ্ণৱ নিৰ্যাতন চলিছিল। শংকৰদেৱে ৰাজৰোষত পৰিয়েই আহোম ৰাজ্যৰ পৰা কোঁচৰ ৰাজ্যলৈ সশিষ্যে পলাব পাৰিছিল। তেওঁ কোঁচৰজা নৰনাৰায়ণৰো ৰোষত পৰিছিল। মাধৱদেৱ আৰু দামোদৰদেৱ পৰিছিল পৰীক্ষিত নাৰায়ণৰ ৰোষত। কিন্তু সূক্ষ্মভাৱে বিচাৰ কৰিলে দেখা যাব যে প্ৰকৃততে ধৰ্মৰ কাৰণে বৈষ্ণৱসকল ৰাজৰোষত পৰা নাছিল, অৰ্থনৈতিক কাৰণতহে ৰাজৰোষত পৰিছিল। তাহানি কাঁড়ী-পাইকসকল আছিল ৰাজ্যৰ ধৰণী। সেইসকল যেতিয়া বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি সত্ৰ সচণ্ডত থাকিলগৈ, তেতিয়া ৰাজ্যৰ ধৰণী ভাঙি পৰাৰ আতংক পৰিলক্ষিত হৈছিল। প্ৰকৃততে সেইকাৰণেহে বৈষ্ণৱ নিৰ্যাতন কৰিবলৈ লৈছিল। মায়ামৰীয়া বিদ্ৰোহৰ লগতো ৰজাঘৰৰ সেই আতংকই প্ৰকট হৈ উঠিছিল আৰু সেই কাৰণে মায়ামৰীয়া নিৰ্যাতনত গুৰুত্ব দিছিল।

সাধাৰণতে মুছলমানসকল সংসাৰ বিৰাগী নহয়, তেওঁলোক বাস্তৱবাদী। মুছলমানে আৰ্থিক সংকটৰ সৃষ্টি কৰাৰ আশংকা নাই। সেইকাৰণেই মধ্যযুগৰ অসমত মুছলমান নিৰ্যাতনৰ নিদৰ্শন প্ৰায় নাই, আজান ফকীৰৰ নিৰ্যাতন ব্যতিক্ৰমহে। ইছলামে বস্তুক কেতিয়াও অবস্তু বোলা নাই, মানুহক সংসাৰ-বিমুখ কৰিবও বিচৰা নাই। গতিকে ৰজাঘৰৰ লগত ইছলামধৰ্মী মুছলমানসকল মিলি যাব পাৰিছিল; কাৰণ শ্ৰমকাৰী মানুহ কাঁড়ী-পাইক আদিৰ মূল লক্ষ্য হ'ল—

'আগে চাউলকঠা, পিছেহে হৰিৰ কথা।'

সংকেত সূচী ঃ

১। লক্ষ্মীনাথ বেজবৰুৱা, *অসম সংগীত কবিতা*
২। K.L. Barua : *Early History of Kamrupa.* PP. 136-140.
৩। *Ibid*, P. 136
৪। *Ibid*, P. 139
৫। Dr. Mohini Saikia : *Assam-Muslim Relations & Its Cultural Significance.* PP. 46-49
৬। *দেওধাই অসম বুৰঞ্জী*, পৃঃ ১৭৯
৭। ড° সূৰ্যকুমাৰ ভূঞা, সম্পাদিত, *কামৰূপৰ বুৰঞ্জী*, পৃঃ ৪
৮। *প্ৰাগুক্ত বুৰঞ্জী*, পৃঃ ২৩/২৪
৯। *প্ৰাগুক্ত বুৰঞ্জী*, পৃঃ ১৪
১০। ড° সূৰ্যকুমাৰ ভূঞা, (সম্পাদিত) *সাতসৰী অসম বুৰঞ্জী*, পৃঃ ৬৯/৭০
১১। খাঁ চৌধুৰী আমানতউল্লা ঃ *কোঁচ বেহাৰেৰ ইতিহাস* ১৯৩৬ পৃঃ ১২১
১২। ড° সূৰ্যকুমাৰ ভূঞা, (সম্পাদিত) *অসম বুৰঞ্জী*, পঃ ৪৫
১৩। Dr. S.K. Bhuyan : *Atan Buragohain and His Time*, P. 19.
১৪। ড° সূৰ্যকুমাৰ ভূঞা, (সম্পাদিত) *অসম বুৰঞ্জী*, পৃঃ ৬৮
১৫। ড° সূৰ্যকুমাৰ ভূঞা, (সম্পাদিত) *পাদশ্যাহ বুৰঞ্জী*, পৃঃ ১২
১৬। *প্ৰাগুক্ত গ্ৰন্থ*, পৃঃ ৩৬
১৭। ড° সূৰ্যকুমাৰ ভূঞা, *স্বৰ্গদেব ৰাজেশ্বৰ সিংহ*, পৃঃ ১৭০
১৮। *প্ৰাগুক্ত গ্ৰন্থ*, পৃঃ ১৭০
১৯। *প্ৰাগুক্ত গ্ৰন্থ*, পৃঃ ১৭০/১৭১
২০। *প্ৰাগুক্ত গ্ৰন্থ*, পৃঃ ১৭১
২১। Dr. A. Guha : *Planters Raj to Swaraj*, P. 3.
২২। *যোগিনীতন্ত্ৰ* ২/৯/১৩
২৩। E.A. Gait : *History of Assam*, P. 145
২৪। *Ibid*, P. 154
২৫। J. N. Sarkar : *History of Bengal.* P. 147 and
Dr. M. Saikia : *Assam-Muslim Relation & its Cultural Significance*, PP. 56-57.
২৬। ড° সূৰ্যকুমাৰ ভূঞা, (সম্পাদিত) *পাদশ্যাহ বুৰঞ্জী*, পৃঃ ৯০

তৃতীয় অধ্যায়

সমন্বয়ত গঢ় লৈ উঠা অসমীয়া এটা নতুন জাতি

অসমত বাজে ভাৰতৰ প্ৰায় সকলো প্ৰান্ততে মুছলমানসকল আছিল বিজেতা; কিন্তু অসমত মুছলমান আছিল মূলতঃ বিজিত। অসমত মুছলমান শাসন সঞ্চালনিকৈ প্ৰতিষ্ঠা হোৱাই নাছিল বুলিব পাৰি। মিৰজুমলাৰ আক্ৰমণৰ সময়ত খ্ৰীঃ ১৬৬২ চনৰ মাৰ্চৰ পৰা ১৬৬৩ চনৰ জানুৱাৰীলৈ সেই দহ মাহ কালহে প্ৰায় সমগ্ৰ অসম মুছলমান মোগলৰ অধীন হৈছিল বুলিব পাৰি। কিন্তু সেই কালছোৱাৰ অসমত মুছলমান শাসন প্ৰৱৰ্তন হৈছিল বুলি কোৱাৰ থল নাই; কাৰণ মিৰজুমলাই সেই কালছোৱাৰ অসমত মোগল শাসন প্ৰৱৰ্তন কৰিছিল বুলি বুৰঞ্জীয়ে জানিবলৈ দিয়া নাই। সেই কালছোৱাৰ অসমৰ বুৰঞ্জীৰ সূক্ষ্ম অধ্যয়নে জানিবলৈ দিয়ে যে সুযোগসন্ধানী মনথিৰ ভঁৰালী বৰুৱা, বাদুলি ফুকন আদিৰ দৰে দুই-এজন বিষয়া আৰু তেওঁলোকৰ পালিৰ কঁাড়ী-পাইক বিনে, ব্যাপকসংখ্যক ৰাজবিষয়া আৰু কঁাড়ীপাইক জনগণে মোগলক বৰা নাছিল; মোগলক কাটি মাৰি খান্তাং কৰিবলৈ বা অসমৰ বাজ কৰি খেদি পঠিয়াবলৈহে দিহা যুগুতি কৰিছিল, সষ্টম হৈছিল আৰু দগা (গেৰিলা) যুদ্ধত প্ৰবৃত্ত হৈছিল।

কিন্তু বিশেষ মন কৰিব লগা কথা এয়ে যে সি মুছলমান ঘৃণালৈ ৰূপান্তৰিত হোৱা নাছিল; সি আছিল বিদেশীৰ প্ৰতি ঘৃণাহে; বিদেশী বহিষ্কাৰ কাৰ্যত অসমৰ পুৰণি মুছলমানসকলেও সহযোগ কৰা কাৰ্য তাৰ উজ্জ্বল নিদৰ্শন। তালৈ লক্ষ্য কৰিয়ে মোগল ঐতিহাসিক চিহাবুদ্দিনে লিখি থৈ যাব পাৰিছিল বোলে অসমৰ মুছলমানসকলে অসমীয়াৰ লগতহে মধুৰ সম্পৰ্ক ৰক্ষা কৰে, মোগল মুছলমানৰ লগত নহয়। যেন অসমৰ হিন্দু-মুছলমানসমূহ জনগণৰ ঘৃণা আছিল বিদেশীৰ বিৰুদ্ধেহে, মুছলমানৰ বিৰুদ্ধে নহয়। অসমত বিয়া-বাৰু কৰাই, অসমৰ ভাষা-সংস্কৃতি গ্ৰহণ কৰি, অসমৰ ৰজা-প্ৰজাৰ কল্যাণ চিন্তা নকৰা বিদেশীকহে অসমে ক্ষমা নকৰিছিল। সেই কাৰণেই অসমলৈ অহা মুছলমান প্ৰমুখ্যে বিদেশী বহিৰাগতসকল মনে-প্ৰাণে অসমীয়া হ'বলৈ বাধ্য হৈছিল। কিন্তু তেওঁলোকে নিজৰ ধৰ্ম হেৰুৱাব লগাত পৰা নাছিল,তেওঁলোক ইছলামধৰ্মী মুছলমান হৈয়ে আছিল। আৰু সেই ৰীতি অসমত ইংৰাজ শাসন প্ৰৱৰ্তন নোহোৱালৈকে অসমলৈ অহা সকলো অনা অসমীয়াৰ ক্ষেত্ৰতে সমানে প্ৰযোজ্য হোৱা পৰিলক্ষিত হৈছিল।

লোকগণনা অনুসৰি সম্প্ৰতি অসমৰ এক-চতুৰ্থাংশ মানুহ ইছলামধৰ্মী মুছলমান। অৰ্থাৎ আজিও অসমত মুছলমান সংখ্যা লঘিষ্ঠই। কিন্তু পুৰণি কামৰূপ-কমতা-কোঁচ

বা আহোম ৰাজ্যৰ দিনত মুছলমান আছিল বৰ্তমানতকৈ বহু কমসংখ্যক। অনা মুছলমান আহোম-কছাৰী, চুতীয়া-মৰাণ, মটক-তীয়া, মিচিং-কাৰবি-ডিমাছা, কোঁচ-কলিতা মেছ প্ৰমুখ্যে আন সকলো অসমবাসীয়ে আছিল হিন্দু। গতিকে জীৱন-জীৱিকাৰ স্বচ্ছন্দতা আৰু ভাষা-সংস্কৃতিৰ তাড়নাত সেই মুছলমান অংশ গৰিষ্ঠসংখ্যক হিন্দুৰ লগত স্বতঃস্ফূৰ্তভাৱেই মিলিবলৈ বাধ্য হৈছিল। আৰু সম্ভৱ সেইকাৰণেই মোগল ঐতিহাসিক চিহাবুদ্দিন তালিচে অনুভৱ কৰিছিল যে নামত বাহিৰে আন সকলো ক্ষেত্ৰতে অসমৰ মুছলমানবিলাক হৈ পৰিছিল অসমীয়া হিন্দু। অৱশ্যে অসমত ইংৰাজ শাসন প্ৰৱৰ্তন হোৱা কাললৈ চিহাবুদ্দিন জীয়াই থকাহেঁতেন দেখি গ'লহেঁতেন যে অসমৰ সম্বৰুৰাম, বৃহস্পতীয়া, বুইধা, চন্দ্ৰৰাম, গোলাপ-গোলাপী, তগৰ-কাঞ্চন, তৰা-বতাহী, বগা-বগী, ক'লা-ক'লী, দাদা- বৌ, ককাই-ভাই, পিতা-মাই, আতা (ককা)- আবু (আইতা) প্ৰভৃতিয়ে নামতো মুছলমান হৈ থকা নাই; নামে- কামে, পিন্ধনে-উৰণে, খাবনে-শোৱনে, উৎসৱে-পাৰ্বণে সকলো ক্ষেত্ৰতে তেওঁলোক নিভাঁজ অসমীয়াৰূপে প্ৰতিপন্ন হৈছিল। এই সমন্বয়ৰ প্ৰক্ৰিয়া যেন সৌ মহম্মদ ইবন বখ্‌তিয়াৰ খিলজীৰ অভিযানৰ কালৰ পৰায়ে প্ৰৱৰ্তিছিল।

পৌত্তলিকতা বা প্ৰতিমা পূজা ঃ

ইছলামত পৌত্তলিকতা বা মূৰ্তি উপাসনাৰ স্থান নাই। মূৰ্তি উপাসনা ইছলামবিৰোধী ক্ৰিয়া। ভাৰততো গীতা-উপনিষদ-বেদান্ত প্ৰভৃতি দৰ্শনত মূৰ্তি উপাসনাৰ স্থান নাই। বৈষ্ণৱসকলো মূৰ্তি উপাসনাৰ বিৰোধী। কিন্তু শাক্ত-শৈৱসকল মূৰ্তি উপাসক; আনকি উপাস্য দেৱ-দেৱীৰ তুষ্টিৰ অৰ্থে বলি-বিধান প্ৰভৃতি আগবঢ়োৱাৰ ব্যৱস্থাও আছে। অসম কিৰাত-মংগোল অধ্যুষিত ৰাজ্য। মুছলমানসকলে কিৰাত-মংগোল জনগোষ্ঠীৰ পৰা বঢ়া অসমীয়াসকলৰ লগত মিলিজুলি থাকিবলৈ লোৱাৰ পৰা যেন ক্ৰমে তেওঁলোক প্ৰতিবেশী অসমীয়াসকলৰ ধ্যান-ধাৰণাৰে প্ৰভাৱান্বিত হ'ব ধৰিছিল আৰু এসময়ত তেওঁলোকো মূৰ্তি উপাসকৰূপে প্ৰতিপন্ন হ'ল, আনকি দেৱ-দেৱীলৈ বুলি বলি-বিধান পৰ্যন্ত আগবঢ়াবলৈও নেৰাত পৰিল।

সুকবি নাৰায়ণ দেৱক ১৭ শতিকাৰ বিশিষ্ট পাঁচালী কবিৰূপে ঠাৱৰোৱা হৈছে। তেওঁ ৰচনা কৰা 'পদ্মপুৰাণ' বিশেষকৈ ওজাপালিসকলৰ মাজত জনপ্ৰিয় কাব্য; ওজাপালিয়ে ইয়াৰ পদ পৰিবেশন কৰে। এই পদ্মপুৰাণৰ এক বিস্তৃত খণ্ড হাচান-হুছেইনৰ কাহিনীযুক্ত। হাচান-হুছেইন আৰৱ দেশৰ বিশিষ্ট গাজী আৰু শ্বহীদ। তেওঁলোক আছিল ইছলামৰ দৃঢ় সমৰ্থক আৰু প্ৰচাৰক। বৰ আচৰিত যেনেই লাগে যে সেই ইছলামৰ দৃঢ় সমৰ্থক দুজনক 'পদ্মপুৰাণত' মনসাৰ একান্ত ভক্তৰূপে চিত্ৰিত কৰিছে, পদ্মাদেৱী মনসালৈ পূজা দি লাখে লাখে হাঁহ, পাৰ, ছাগলি বলি দিছে।

দেশ-স্বাধীন হোৱাৰ আগলৈকে অবিভক্ত গোৱালপাৰা, কামৰূপ আৰু দৰঙৰ বহু মুছলমানে মনসা পূজা কৰিছিল। বলি-বিধান আগবঢ়াইছিল আৰু ওজাপালিয়ে নৃত্য-গীত পৰিৱেশন কৰিছিল। অবিভক্ত গোৱালপাৰা জিলাৰ বগৰীবাৰীত কালীমন্দিৰ আছে। তাত হিন্দুসকলে যেতিয়া কালীলৈ পূজা-উপাসনা আগবঢ়াই, হেনো সেই একে সময়তে মুছলমানসকলে পৃথকে কালীলৈ অৰ্ঘ্য নিবেদন কৰে।[১] এফেটা উৎসৱ পৰা জানিবলৈ পোৱা গৈছে যে অবিভক্ত শিৱসাগৰ আৰু লক্ষীমপুৰৰ একাংশ মুছলমান জনজাতীয় আৰু আহোম সমাজত প্ৰচলিত বাটিভঙীয়া ফৈদৰ সাঁজ জাতীয় মদেৰে সকাম পাতে। অথচ তেনে কাৰ্য ইছলামবিৰোধী।

অসমৰ মুছলমানসকলে যে এনেবোৰ ৰীতি-নীতি কাৰ্য প্ৰতিবেশী হিন্দুসকলৰ অনুকৰণত কৰিবলৈ লৈছিল সেই বিষয়ে কোনো সন্দেহ নাই। অসমত ওজাপালি অতি প্ৰাচীন আৰু জনপ্ৰিয় লোক নাট্য অনুষ্ঠান। লোকসংস্কৃতিৰ বিশিষ্ট গৱেষক ড° নবীন চন্দ্ৰ শৰ্মাই ওজাপালিৰ ইতিহাস বিচাৰ কৰি অন্ততঃ খ্ৰীঃ ৯ম শতিকামানৰ পৰা অসমত তাৰ প্ৰচলন আছে বুলি ক'ব বিচাৰিছে।[২] মুছলমান বসতি আৰম্ভ হোৱাৰ পিছত মুছলমানসকলেও ওজাপালিৰ দল গঠন কৰি পূজা-সবাহ আদিত পৰিৱেশন কৰিবলৈ হৈছিল।

মঙলদৈৰ তুৰাই প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নজৰ আলীৰ ১৯৫৭ চনৰ ১৬ ফেব্ৰুৱাৰীৰ দিনা ইন্তাকাল ঘটে। তেওঁৰ আত্মজীৱনীমূলক গ্ৰন্থ 'মোৰ জীৱনৰ কিছু কথা'ত বিশেষকৈ মঙলদৈ -ছিপাঝাৰ অঞ্চলৰ হিন্দু- মুছলমান সম্প্ৰীতি আৰু হিন্দু সংস্কৃতিৰ প্ৰতি সেই অঞ্চলৰ মুছলমানৰ আগ্ৰহ আৰু একাত্মবোধৰ বিষয়ে ভালেমান কথা জানিবলৈ পোৱা যায়। গ্ৰন্থখনৰ এঠাইত মৰহুম নজৰ আলীয়ে তেওঁৰ দেউতাকৰ দিনৰ সেই অঞ্চলৰ মুছলমানসকলৰ সমাজ আৰু সাংস্কৃতিক জীৱনৰ পৰিচয় প্ৰসংগত লিখি থৈ গৈছে—

"তেতিয়াৰ দিনত ইয়াৰ গাঁওবিলাকত মছজিদ নাছিল বোলে। ঘোপাত (বৰ্তমানে মুছলিম ঘোপা) মাত্ৰ একেটি নামঘৰ আছিল। তাতে পীৰৰ নামে ভোজপাতি বগা কুকুৰা কাটি তাৰ তেজৰ পিঠা তৈয়াৰ কৰি খাই, ৰাইজে জাহেলী (নিষিদ্ধ) নাম-গীত-গাইছিল। ঠায়ে ঠায়ে বিয়াই-সবাহে ঢোল-কালি প্ৰচলন আছিল। মুছলমানৰ ভিতৰতে ঢুলীয়া, কালীয়া, দেউৰী, ওজাপালি পৰ্যন্ত আছিল। আনকি এই ঢুলীয়া, কালীয়া, ওজাসকল হিন্দুৰ বিয়া-সবাহলৈও সেই সেই কামৰ বাবে নিমন্ত্ৰিত হৈছিল। কালীয়াপাৰা গাঁও এতিয়াও আছে। মাৰৈৰ বৰ ওজাৰ বংশধৰসকল আজিও বিদ্যমান।" একেখন মঙলদৈত মাৰৈ গাঁও বুলি এখন মাৰৈ (মনসা) পূজাত ওজাপালি পৰিৱেশন কৰা গাঁও আছে। সেই গাঁৱৰ পৰশু ওজা মুছলমান ওজা, তেওঁক মানুহে হেনো 'গৰীয়া ওজা'

বুলি জানিছিল, আনকি তেওঁৰ পৰিয়ালটোকেই গৰীয়া ওজাৰ পৰিয়াল বুলিও বাইজে জানিছিল। বিমল ভগৱতী বোলা মণ্ডলদৈৰ যুবক লেখক এজনৰ লেখাৰ পৰা জানিবলৈ পোৱা গৈছে যে পৰশু ওজাৰ ঘৰৰ অন্ততঃ তিনিপুৰুষ বিশিষ্ট ওজাপালি আছিল; তেওঁলোকে নিজৰ ঘৰতে মনসা পূজা কৰিছিল, বলি- বিধানো আগবঢ়াইছিল।" গৰীয়া ওজা বা পৰশু ওজাৰ পুতেক দ্ৰোণ ওজা আৰু দ্ৰোণ ওজাৰ পুতেক চানা ওজা। একেটা প্ৰসংগৰ পৰা জনা যায় যে পৰশু হিন্দুৰ ঘৰৰ ল'ৰা আছিল আৰু মাৰৈ গাঁৱৰ সেই মুছলমান ঘৰে "ছিপাঝাৰৰ দোকানপাৰাৰ পশ্চিমে থকা 'কিনা পুখুৰী'ৰ পাৰত হিন্দু মানুহ এঘৰৰ পৰা সামান্য মূল্যত কিনি আনিছিল" আৰু ওজাপালি শিকিবলৈ দিছিল। ইয়ে জানিবলৈ দিয়ে মণ্ডলদৈৰ ছিপাঝাৰ অঞ্চলত মুছলমানসকল ওজাপালিৰ প্ৰতি কি গভীৰভাৱে আকৃষ্ট হৈছিল।

নামনি অসমৰ আন বহু ঠাইতো একে দৃষ্টান্ত পৰিলক্ষিত হয়। নলবাৰী অঞ্চলো ওজাপালিৰ কাৰণে এসময়ত অসম বিখ্যাতেই আছিল। বৰ্তমানেও সুকনান্নী আৰু ৰাইমান গোৱা ওজাপালিৰ দল গাঁৱে-ভূঁৱে সিঁচৰতি হৈ আছে। অৱশ্যে দুৰ্গাবৰী পদ গোৱা ওজাপালি সম্প্ৰতি নলবাৰী অঞ্চলত পাবলৈ নাই। কিন্তু অনুসন্ধান কৰি জানিবলৈ পোৱা গৈছে যে এই শতিকাৰ প্ৰাৰম্ভৰ কালছোৱাত বাৰাংহাটী বোলা গাঁৱত দুৰ্গাবৰী পদ গোৱা এটা মুছলমান ওজাপালিৰ দল আছিল। কৃষ্ণদত্ত বুজৰবৰুৱা বোলা বৰখলা গাঁৱৰ বিশিষ্ট সংস্কৃত পণ্ডিতগৰাকীয়ে জানিবলৈ দিছিল যে সেই ওজাপালিৰ দলটোই মনসা পূজাও কৰিছিল। নলবাৰী চহৰৰ ওচৰৰ বালিলোচা গাঁৱত এটা শক্তিদেবীৰ মন্দিৰ আছে। তালৈ প্ৰতিদিনে বহু যাত্ৰী আহে— পূজা-সেৱা, বলি-বিধান আগবঢ়াবলৈ। ১৯৬৯ চনতে বালিলোচাৰ প্ৰসিদ্ধ ৯৫ বছৰীয়া ভগোৰাম ঢুলীয়াই জানিবলৈ দিছিল যে তাৰ মুছলমানসকলে হিন্দুৰ দৰে মনসা-বিষহৰিৰ পূজা কৰিছিল। ভগোৰামৰ পৰাই জানিবলৈ পোৱা গৈছিল যে বালিলোচা মন্দিৰৰ প্ৰতিষ্ঠাপক ওকলা ছেখ এজন মুছলমান ওজাহে আছিল। ওকলা ছেখে হেনো ছাগলী জবাই কৰি গোসাঁনীলৈ আগ কৰিছিল। তাৰ ওচৰৰে নামডণ্ডাৰ শিয়াল ওজা, ভুবন ওজা আদি কৰি মুছলমান ওজাসকলে সুকনান্নীৰ পদ গাই ফুৰিছিল। একেজনা ভগোৰাম ঢুলীয়াই জানিবলৈ দিছিল যে সেই ওজাপালিৰ লগত মুছলমান দেওধায়ো আছিল।

নলবাৰী চহৰৰ পূৱখণ্ডক মালিকুছি বুলি জনা যায়। তাত আজিও মুছলমান বসতি ঘন। মালিকুছিৰ ৰবিৰাম ছেখে জানিবলৈ দিছিল যে তেওঁৰ পিতাক শাওণাৰাম ছেখৰ এটা ওজাপালি দল আছিল আৰু শাওণা ছেখ আছিল সেই দলৰ ওজা। দেশ স্বাধীন হোৱাৰ কিছুদিন আগলৈকে হেনো পূজাই-সবাহে সেই দলটোই ওজাপালি পৰিবেশন কৰি ফুৰিছিল। এলেংগিদল গাঁৱৰ প্ৰায় নব্বৈ বছৰীয়া সম্বৰুৰাম ছেখে দুবছৰমান

আগতে মৃত্যুবৰণ কৰিলে। তেওঁ জানিবলৈ দিছিল যে জানিগোগ পীৰৰ বৰ্তমান পূৱবাঁজানী গোপালথান নামে খ্যাত থানখন তেওঁলোকৰ উপৰি-পুৰুষ এজনেহে প্ৰতিষ্ঠা কৰিছিল। সেই উপৰিপুৰুষজনক হেনো মানুহে পীৰ বুলি শ্ৰদ্ধা-সম্মান কৰিছিল। সেইকাৰণে তেওঁলোকে সেই গোপালথানখনক পীৰকাৰ থান অৰ্থাৎ পীৰ ককাইৰ থান বুলি কয় আৰু জানে।

সমগ্ৰ নামনি অসমব্যাপী এনে নিদৰ্শন আৰু ঢেৰ আছে। এইবোৰে অনুভৱ কৰাত সহায় কৰে যে অসমত হিন্দু-মুছলমানৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সমন্বয় আৰু সম্প্ৰীতিৰ মধুৰ পৰিবেশ গঢ় লৈ উঠিছিল। মূৰ্তিপূজা বা উপাসনা ইছলামবিৰোধী কাৰ্য, বলি-বিধান আগবঢ়োৱা কাৰ্যও ইছলাম বিৰোধী। একাংশ ইছলামধৰ্মী মুছলমানে মূৰ্তি উপাসক হিন্দুসকলক পৌত্তলিক বুলি তুচ্ছ- তাচ্ছিল্য কৰিবলৈও এৰা নাছিল। সিমানেই নহয়, হিন্দু বৈষ্ণৱসকলেও মূৰ্তি উপাসকসকলক পৌত্তলিক বুলি উপহাস নকৰাকৈ থকা নাছিল, এতিয়াও তেনে টুলুঙা ভাব-চিন্তাৰ অৱসান ঘটিছে বুলি ভাবিব পৰা নাযায়। কিন্তু চিন্তাশীল আৰু বিবেকী মুছলমানে মূৰ্তি উপাসনাৰ বিৰোধ কৰা দেখা নাযায়। আল-বিৰুনী ১১শ শতিকাৰ প্ৰথমাৰ্ধৰ বিশিষ্ট মুছলমান পৰ্যটনকাৰী। সেই বিদগ্ধ পণ্ডিতজনাই মূৰ্তিপূজাৰ বিৰোধ কৰা নাই। তেওঁৰ বিশিষ্ট গ্ৰন্থ 'তাৰিকুল হিন্দ'ৰ ১১শ অধ্যায়ত-মূৰ্তিপূজাৰ বিষয়ে বহল আলোচনা দাঙি ধৰি অভিমত দিছে যে সামান্য মানুহৰ মাজত মূৰ্তিপূজাৰ বিশেষ আৱশ্যক আছে। আনকি তেওঁ দৃঢ়তাৰে ক'ব পাৰিছে যে ধৰ্মবিশ্বাস থকা মানুহৰ মাজত কিবা নহয় কিবা ৰূপত মূৰ্তিৰ স্থান আছেই।*

আল-বিৰুনীৰ পিছতো 'গুলছন ইৰাজ'ৰ প্ৰসিদ্ধ লেখক মাহমুদ ছাবিছতাৰীয়েও খ্ৰীঃ ১৩১৭ চনতে মূৰ্তি উপাসনাৰ সমৰ্থনত লিখি কৈছিল,—

> "প্ৰতিমা হ'ল এই জগতত প্ৰেমৰ একত্ব প্ৰকাশ। আৰু উপবিত ধাৰণ হ'ল সেবাৰ সংকল্প গ্ৰহণ। যিহেতু বিশ্বাস-অবিশ্বাস দুয়োটাৰেই অস্তিত্ব আছে, গতিকে ঈশ্বৰৰ একত্ব হ'ল প্ৰতিমা পূজাৰ মূল বৈশিষ্ট্য। বস্তু যিহেতু অস্তিত্বৰ প্ৰকাশ, গতিকে তাৰ মাজৰ এটাক অন্ততঃ মূৰ্তি ৰূপে ল'বই লাগিব। মূৰ্তি কি তাক যদি মুছলমানে জানে, তেনেহ'লে বুজিব যে পৌত্তলিকতাৰ মাজতো ধৰ্ম আছে। আৰু মূৰ্তি উপাসকে যদি বুজিলেহেঁতেন, তেনেহ'লে, তেওঁলোকে ধৰ্ম বিশ্বাসৰ পৰা বিচলিত হ'ব নোৱাৰিলেহেঁতেন।*

অসমৰ দৰে সমগ্ৰ ভাৰতব্যাপী এনে উদাৰ মুছলমানৰ অভাৱ নাছিল। উদাৰ মানসিকতাসম্পন্ন হোৱা কাৰণেও যে অন্ততঃ একাংশ মুছলমানে ইছলামবিৰোধী কাৰ্য বা ক্ৰিয়া হোৱা সত্ত্বেও প্ৰতিবেশী হিন্দুৰ দৰে মূৰ্তিপূজা, ওজাপালি, ঢুলীয়া প্ৰভৃতিত মনোনিবেশ কৰিছিল, সেই বিষয়েও সন্দেহৰ থল নাছিল নিশ্চয়। মন কৰিবলগীয়া কথা

যে সি কিন্তু একপক্ষীয় নাছিল, অৰ্থাৎ হিন্দুয়ো মুছলমানৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠানক শ্ৰদ্ধা-সন্মান কৰিবলৈ অভ্যস্ত হৈছিল।

> "মহাৰাষ্ট্ৰ কেশৰী শিৱাজীক হিন্দুত্বৰ প্ৰতীকৰূপে আজিও সন্মান কৰা হয়। বুৰঞ্জীবিদ পণ্ডিতসকলে জানিবলৈ দিছে যে শিৱাজীয়েও মুছলমানক শ্ৰদ্ধা-বিশ্বাস কৰিছিল। শিৱাজীৰ সেনাপতি আছিল মুছলমান। আনকি মাৰাঠা শাসিত অঞ্চলৰ মুছলমানক নামাজ পঢ়িবলৈও দিয়া হৈছিল। আৰু হেনো সেইকাৰণে মুছলমান কাজীয়ে ফটোৱা জাতি কৰিছিল যে মাৰাঠা শাসিত ৰাজ্যক 'দাৰ-উল ইছলাম' বোলা উচিত।"[৯]

প্ৰসংগক্ৰমে উল্লেখ কৰা উচিত হ'ব যে অসমত যেনেকৈ বিদেশীৰ প্ৰতি প্ৰবল ঘৃণা আছিল, সমগ্ৰ ভাৰতব্যাপীও সেই একে সত্য পৰিলক্ষিত হৈছিল। কিন্তু ভাৰতক স্বদেশ-স্বজাতি হিচাপে গ্ৰহণ কৰা মুছলমানসকলক শ্ৰদ্ধা-বিশ্বাস নকৰাকৈ থকা নাছিল। ভাৰতক স্বদেশ আৰু ভাৰতীয়ক স্বজাতৰ বুলি গ্ৰহণ কৰিবলৈ অনিচ্ছুক আৰু উন্নাসিকতাসম্পন্ন মুছলমান অংশকহে প্ৰকৃততে তেতিয়াৰ দিনৰ অসম-ভাৰতবৰ্ষই বিদেশী বুলি প্ৰতিপন্ন কৰি ঘিণাইছিল।

চুফীবাদ আৰু অসম ঃ

সমাজ-বিজ্ঞানীসকলে অনুমান কৰিছে যে হজৰত মহম্মদৰ উত্তৰৰ প্ৰায় দুশ বছৰমান পিছলৈ ইছলাম জগত পৰম বিকাশৰ পথত অগ্ৰসৰ। কিন্তু তাৰ পিছত মৌলবাদ আৰু ৰক্ষণশীলতাই ইছলামৰ বিকাশৰ গতি ৰুদ্ধ কৰি দিয়ে। আন্তৰিকতাহীন বাহ্যিকতাসম্পন্ন মোল্লাতন্ত্ৰই সৃষ্টি কৰিলে মহা অশান্তি আৰু অপ্ৰীতিৰ। তেনে পৰিস্থিতিত উদ্ভৱ হৈছিল চুফীবাদৰ।

চুফীবাদৰ প্ৰবৰ্তক পুৰুষৰূপে সন্মানিত পাৰস্যৰ খোৰাচান প্ৰদেশৰ শাসনকৰ্তাৰ পুত্ৰ ইব্ৰাহিম ইবন আধম আৰু শ্ৰেষ্ঠা উদ্‌গাতাৰূপে সন্মানিত হ'ল আজন্ম দুখিনী দাসী ৰাবিয়া। চুফীবাদীসকল সাধাৰণতে উদাৰ-মহান, সকলো প্ৰকাৰৰ মতান্ধতা আৰু সংকীৰ্ণতাৰ পৰা তেওঁলোক মুক্ত। ভাৰতলৈ অহা চুফীসাধক মইনুদ্দিন চিস্তি ইমান উদাৰ আৰু মহান আছিল যে তেওঁ হেনো ব্ৰাহ্মণ শিষ্যও পাইছিল। উদাৰতা আৰু মহত্ত্বতাৰ কাৰণে হেনো ৰজা- প্ৰজা আটায়ে তেওঁক 'আফতাব- মুলক- হিন্দ' অৰ্থাৎ ভাৰতসূৰ্য বুলি সন্মান কৰিছিল। তেওঁৰ ব্ৰাহ্মণ শিষ্যসকলক হেনো 'হুছেইনী ব্ৰাহ্মণ' বুলি অভিহিত কৰা হৈছিল।

লোকশ্ৰুতি অনুসৰি চুফীসাধক মইনুদ্দিন চিস্তিৰ এজন ভায়েক হেনো নৰখাদক দেৱতাক দমন কৰিবলৈ বুলি দেশৰ পূব অঞ্চললৈ আহিছিল।[১০] কোনো কোনোৱে

সেই সাধকজনকেই বুলিছে হাজোৰ পোৱামক্কাৰ প্ৰতিষ্ঠাপক হজৰত ঘিয়াচুদ্দিন আউলীয়া। তেওঁ বহুকাল অসমত থাকি চুফী আদর্শ প্রচাৰ কৰিছিল বুলিও লোকশ্রুতিৰ পৰায়ে জনা যায়। একেটা প্ৰসংগৰ পৰা জনা যায় যে বিশ্ববিশ্ৰুত ভ্ৰমণকাৰী ইবন্‌বটুতাই বংগ-কামৰূপ ভ্ৰমণ কৰা কালত পৰ্বতৰ গুহা এটাত সাক্ষাৎ লাভ কৰিছিল এজন সাধকৰ। তেওঁকেই বহুতে জামালুদ্দিন তাব্রীজী বুলি সাব্যস্ত কৰিবও বিচাৰে। কিন্তু জামালুদ্দিন তাব্রীজী আৰু ঘিয়াচুদ্দিন আউলীয়াৰ জীৱন বৃত্তান্ত স্পষ্টভাৱে জনাৰ সম্প্ৰতি কোনো উপায় নথকা কাৰণে এই সাধক দুজনাৰ বিষয়ে সঠিকভাৱে মন্তব্য দাঙি ধৰাও সম্ভৱপৰ নহয়। অলপতে ড° জাকিৰ হুছেইন বোলা গবেষক এগৰাকীয়ে ইবন্‌বটুতাৰ ভ্ৰমণকাহিনী 'ৰাহলা'ৰ অৱলম্বনত বিচাৰ কৰি দেখুৱাব বিচাৰিছে যে কামৰূপ-অসমত চুফীবাদৰ প্ৰভাৱতে ভক্তিবাদ প্ৰবৰ্তন হ'ব পাৰে।

সতীন্দ্ৰ মোহন বন্দোপাধ্যায়ে ৰচনা কৰা 'বাংলাৰ সামাজিক ইতিহাসেৰ ভূমিকা'ৰ অৱলম্বনত মেদিনী চৌধুৰীয়ে বিচাৰ কৰি দেখুৱাব বিচাৰিছে যে বৰাক উপত্যকাৰ বদৰপুৰ অঞ্চলত খ্ৰীঃ ১৩০৪ চনৰ আগৰে পৰা মুছলমান বসতি আৰম্ভ হৈছিল। বংগৰ চুলতান চামচুদ্দিনৰ শ্ৰীহট্ট অভিযানৰ সময়ত অহা পীৰ ছাহ জালালে শ্ৰীহট্টত মছজিদ-দৰগাহ আদিও সজোৱাইছিল বুলি একেটা উৎসৰ পৰা জনা যায়। ইবন্‌বটুতাই সেই একেজন পীৰকে লগ পাইছিল বুলিও ক'ব বিচৰা হয়।[১২]

অসমত চুফীবাদী আদর্শ কোনে আৰু কেতিয়া প্রচাৰ কৰিবলৈ লৈছিল তাক সঠিকভাৱে জনাৰ উপায় নোহোৱা হৈ পৰিছে। আনকি অসমত চুফীবাদৰ প্ৰভাৱতে ভক্তিবাদী আলোড়ন গঢ় লৈ উঠিছিল বুলিও সঠিকভাৱে কোৱা টান। কাৰণ ওপৰত পাই আহিছোঁ যে ভাৰতত ভক্তিবাদৰ প্ৰবৰ্তন অন্ততঃ শ্ৰীমদ্ভাগৱত গীতা ৰচনাৰ পূৰ্বৰে পৰা প্ৰবৰ্তন হৈছিল। ভক্তিৰ উৎপত্তি আৰু বিকাশৰ ধাৰাৰ ওপৰত গঢ় লৈ উঠা লোক প্ৰসিদ্ধি অনুসৰি—

ভক্তি দ্রাবিড় উপজী
লায়া ৰামানন্দ।
কবীৰনে প্ৰকট কিয়ো
সপ্তদ্বীপ নৌখণ্ড।।

সুস্পষ্টভাৱে কোৱা নাই যদিও ভাগৱতৰ শ্লোকৰ পৰাও[১৩] জানিব পাৰি যে ভাৰতত ভক্তিৰ উদ্ভৱ হৈছিল দ্রাবিড় ভূমিতেই। কিন্তু মন কৰিব লগা কথা এয়ে যে আলোৱাৰসকলৰ নেতৃত্বত খ্ৰীঃ ৭ম শতিকাৰ পৰা দাক্ষিণাত্যত গঢ় লৈ উঠা ভক্তি আলোড়ন যেনেকৈ শৈৱ-শাক্ত-জৈন-বৌদ্ধৰ মাজত গঢ় লৈ উঠা ভাতৃঘাতী সংঘাতৰ

ফল বুলি অনুমান কৰাৰ যুক্তি অকাট্য, তেনেদৰে দাক্ষিণাত্যৰ মালাবৰ অঞ্চলত প্ৰচাৰিত ইছলামৰ লগত হোৱা সংঘাতৰ ফল বুলি অনুমান কৰাৰ থলো নথকা নহয়। অৱশ্যে আলোবাৰসকলৰ আলোড়নৰ কালত চুফীবাদৰ উদ্ভৱ হোৱা নাছিল। ভাৰতলৈ অহা চুফীবাদী সাধক মইনুদ্দিন চিস্তি ১২শ শতিকাৰ লোকহে আছিল। অৱশ্যে উত্তৰ ভাৰতত ভক্তি আলোড়নৰ প্ৰবৰ্তক-প্ৰচাৰক সন্ত ৰমানন্দ চুফীবাদী আদৰ্শেৰে অনুপ্ৰাণিত হৈছিল বুলি অনুমান কৰাৰ যুক্তি অকাট্য। উত্তৰ ভাৰতব্যাপী ভক্তি আলোড়ন বিয়পাই দিয়া ভক্ত কবি কবীৰ যে চুফীবাদৰ প্ৰভাৱৰ পৰা সমুলি মুক্ত নাছিল, তাক কবীৰে ৰচনা কৰা অসংখ্য দোঁহাই উপলব্ধি কৰিব দিয়ে।

অসমত ভক্তিবাদৰ প্ৰবৰ্তক পুৰুষৰূপে শ্ৰীমন্ত শংকৰদেৱক (খ্ৰীঃ ১৪৪৯–১৫৬৮) সন্মান কৰা হয়। তেওঁৰ জন্মৰ আগত বা তেওঁৰ কৈশোৰ-যৌৱনত অসমত ভক্তিৰ স্থান নাছিল বুলি অনুভৱ কৰা থল নাই; কিন্তু সম্ভৱতঃ সি আছিল শাক্ত-শৈৱৰ ভক্তিহে। অসমৰ কিৰাত-মংগোল গোষ্ঠীৰ লোকসকলৰ উপৰি অষ্ট্ৰিক-মন্‌খেমৰ গোষ্ঠীৰ লোকসকলো আছিল মূলতঃ শৈৱ বা শাক্তহে। পূজা-উপাসনাৰ মাজেদি তেওঁলোকৰ উপাস্য দেৱ-দেৱীলৈ তেওঁলোকেও ভক্তি অৰ্ঘ্য নিবেদন কৰিছিল। চৰিত পুথিয়ে জানিবলৈ দিয়ে যে স্বয়ং শংকৰদেৱৰ নিজা পৰিয়ালখনো আছিল শৈৱ-শাক্তই। সূক্ষ্মভাৱে বিচাৰ কৰিলে অনুভৱ হয় যে শংকৰদেৱে সুদীৰ্ঘ বাৰ বছৰ ব্যাপী ভাৰত ভ্ৰমণ কৰা কালত বৈষ্ণৱ তথা কৃষ্ণ- ভক্তিৰ মাহাত্ম্যৰে প্ৰভাৱান্বিত হৈছিল আৰু ভ্ৰমণৰ অন্তত বৰদোৱাৰ আলিপুখুৰীলৈ ঘূৰি আহি কৃষ্ণভক্তিৰ মাহাত্ম্য জ্ঞাপন ভক্তি আলোড়ন গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে। ড° বাণীকান্ত কাকতি প্ৰমুখ্যে তাত্বিকসকলে ভাৰতত ভক্তি মাৰ্গ 'বিশিষ্টাদ্বৈতবাদ'ৰ দাৰ্শনিক ভেটিৰ প্ৰবৰ্তক পুৰুষ ৰামানুজাচাৰ্যৰ আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হৈ শংকৰদেৱে অসমত ভক্তি আলোড়ন গঢ়িবলৈ লৈছিল বুলি অভিমত দাঙি ধৰা কথা বেছ তাৎপৰ্যপূৰ্ণ।[১৪] অৱশ্যে ৰামানুজৰ সময়ত বিশিষ্ট চুফীসাধক মইনুদ্দিন চিস্তি ভাৰতত আছিল। গতিকে ৰামানুজ চুফী আদৰ্শৰ দ্বাৰা প্ৰভাৱিত হ'বও পাৰে। সন্ত ৰামানন্দ আৰু কবীৰ আদিৰ মতাদৰ্শ, কৰ্মপদ্ধতি আৰু সৃষ্টিৰ বিচাৰ কৰিলে, দেখা যায় যে তেওঁলোক চুফী মতাদৰ্শেৰে গভীৰভাৱে প্ৰভাৱিত হৈছিল। তীৰ্থভ্ৰমণ কালৰ আগতে বিয়োগ ঘটা সত্বেও, শংকৰদেৱে কবীৰৰ ভেটি দৰ্শন কৰাৰ পৰা আৰু কবীৰৰ প্ৰতি অকৃত্ৰিম শ্ৰদ্ধা নিবেদন কৰাৰ পৰা সহজে অনুমান কৰিব পাৰি যে শংকৰদেৱ কবীৰৰ ভাবাদৰ্শৰ দ্বাৰা, সম্ভৱ প্ৰভাৱিত হৈছিল। শংকৰদেৱৰ সমকালীন অসমত কোনো চুফীসাধক আছিল নে নাই, তাক সঠিকভাৱে কোৱা টান। অৱশ্যে দুই-একে শংকৰদেৱৰ ভক্ত শিষ্য মুছলমান মুৰীদ চান্দসাইক চুফীবাদীৰূপে প্ৰতিপন্ন কৰিব নিবিচৰা নহয়।

এইবোৰ অতি জটিল বিষয়। গতিকে হুৰমুৰকৈ সিদ্ধান্তমূলক অভিমত দিয়া

স্বাস্থ্যকৰ কথা নহয়। কিন্তু এইটো সুনিশ্চিত যে ইছলাম হিন্দু-বৌদ্ধৰ মতাদৰ্শেৰে উদ্বুদ্ধ হৈছিল বুলি অনুভৱ কৰাৰ যুক্তি থকাৰ দৰে, ভক্তিবাদ আৰু চুফীবাদো পাৰস্পৰিকভাৱে প্ৰভাৱিত যে হৈছিল, সেই কথাতো সন্দেহৰ অৱকাশ নাই নিশ্চয়। সেইকাৰণেই অসমৰ ভক্তি আলোড়নত চুফীবাদৰ প্ৰভাৱ পৰিলক্ষিত বুলি অনুভৱ কৰাৰ যুক্তি আছে।

অসমত হজৰত ঘিয়াচুদ্দিন আউলীয়া আৰু জালালুদ্দিন তাব্রীজীকেই চুফীবাদৰ প্ৰৱৰ্তক পুৰুষ ৰূপে নিৰ্ণয় কৰিব পাৰি। কিন্তু তেওঁলোকৰ সঠিক পৰিচয়ৰ অভাৱৰ কাৰণে তেওঁলোক দুয়োজন ভিন ভিন ব্যক্তি আছিল নে এজনকে ভিন ভিন নামেৰে জনা গৈছিল তাক সঠিকভাৱে কোনেও আজি কোৱা টান। তেনেকৈ চাহমীৰণ বা আজান ফকীৰৰ বিষয়েও সঠিকভাৱে জনা টান। লোকশ্ৰুতি অনুসৰিয়ে কিন্তু তেওঁৰ কোৰাণতো বিশ্বাস আছিল আৰু মছজিদতো আস্থা আছিল;কোৰাণ- নামাজ তেওঁ এৰিব পৰা নাছিল। কিন্তু তেওঁ চুফীবাদীৰ সদৃশ উদাৰ আছিল কাৰণে উপলব্ধি কৰিব পাৰিছিল যে হিন্দু-মুছলমান যিহেতু একেজনা আল্লা (ভগৱানৰে) সৃষ্টি, গতিকে সেই দুই সম্প্ৰদায়ৰ মাজত ভিন-পৰ মনোভাৱ থকা উচিত নহয়। হিন্দু-মুছলমানে একেখন আকাশৰ তলতে জন্ম লাভ কৰি ডাঙৰ-দীঘল হৈছে, আনকি মৃত্যুও বৰণ কৰে একেখন আকাশৰ তলতে। মৃত্যুৰ পিছতো একেখন পৃথিৱীৰ বুকুতে হিন্দুক পুৰিব আৰু মুছলমানক দিব কবৰ। গতিকে হিন্দু-মুছলমানৰ মাজত বিৰোধৰ কোনো যুক্তি নাই। এনে উদাৰ মানৱীয় দৃষ্টিৰে উদ্বুদ্ধ আজান ফকীৰক চুফীবাদী বুলি গ্ৰহণ নকৰাৰো কোনো যুক্তি নাই। আজান ফকীৰৰ জিকিৰ আৰু জাৰী গীতে অসমৰ ভাষা-সাহিত্য-সংস্কৃতিক সমৃদ্ধ কৰাৰ দৰে; ইছলামভিত্তিক তেওঁৰ চুফীবাদী আদৰ্শয়ো অসমৰ জনজীৱনক আলোড়িত কৰিছিল বুলি তেওঁৰ জীৱনৰ ভেটিত ৰচিত লোকগীতসমূহে অনুভৱ কৰিবলৈ দিয়ে। লোকশ্ৰুতি আৰু লোকগীতৰ পৰায়ে জনা যায় যে ৰূপাই গৰীয়াৰ প্ৰৰোচনাত আজান ফকীৰ নিৰ্যাতিত হোৱাৰ পিছত ৰজাঘৰেই গড়গাঁৱৰ ওচৰৰ মৰাগুৰি চাপৰিত তেওঁক মছজিদ সজোৱাই দিয়াৰ উপৰি মাটি-বৃত্তি আৰু লিগিৰা-লিগিৰী আদিও দান কৰি স্বাচ্ছন্দ্যপূৰ্ণভাৱে জীৱন-জীৱিকা নিৰ্বাহৰ উপৰি যাতে ধৰ্ম প্ৰচাৰো কৰিব পাৰে তাৰো অনুমতি দান কৰিছিল। আৰু হেনো ছকুৰি ভকত (মুৰীদ?)ৰ সৈতে তাত আনন্দেৰে ধৰ্ম প্ৰচাৰৰ জৰিয়তে জীৱন-যাপন কৰিবলৈও সমৰ্থ হৈছিল।

এই প্ৰসংগত এটা প্ৰশ্ন উদয় হোৱা স্বাভাৱিক। সেইটো হ'ল, সেই ছকুৰি ভকত-মুৰীদ নিশ্চয় আজান ফকীৰৰ লগত বাগদাদৰ পৰা অহা সহযাত্ৰী নাছিল। অনুমান হয় যে সেইসকলৰ সৰহসংখ্যক আগৰে পৰা অসমত বসবাস কৰি অহা যুদ্ধবন্দী মুছলমান আৰু হয়তো ধৰ্মান্তৰিত অসমীয়া মুছলমানহে আছিল। অসমৰ জনগাঁথনিয়ে অনুভৱ কৰাত সহায় কৰে যে অসমত কোনো দিনেই ব্যাপক হাৰত মানুহ ইছলামলৈ ধৰ্মান্তৰিত

হোৱা নাছিল; অসমৰ পৰিৱেশ- পৰিস্থিতিয়ে মানুহ কম সংখ্যক হোৱা সত্ত্বেও ইছলামধৰ্মী আনুকূল্যহে লাভ কৰিছিল। সিয়েও নিশ্চয় মিলন-মিশ্ৰণ, সমন্বয়-সমাহৰণৰ মাধ্যমত এক নতুন সমাজ আৰু নতুন সংস্কৃতি গঢ়ি তোলাত ইন্ধন যোগাইছিল।

লোক-সমাজ আৰু নতুন লোক-সংস্কৃতি :

কৈ আহিছোঁ যে অসমত মুছলমান বিজেতা নাছিল, বিজিতহে আছিল। সিয়ে অনুভৱ কৰাত সহায় কৰে যে অসমৰ কাঁড়ী-পাইক লোক-সমাজ সুস্থ আৰু মাথোঁ সোতৰজন অশ্বাৰোহী সৈন্যৰ সহায়ত মহম্মদ ইবন বখ্‌তিয়াৰে বংগ জয় কৰিবলৈ সমৰ্থ হৈছিল। সি এক অসামান্য বৌঢ়ি কিন্তু। অৱশ্যে তেনে বৌঢ়িৰ ওপৰত নিৰ্ভৰ কৰি অনুমান কৰা উচিত নহ'ব যে মহম্মদ ইবন বখ্‌তিয়াৰৰ আক্ৰমণৰ সময়ৰ বংগৰ জনগণ দুৰ্বল আছিল। সম্ভৱ জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায়ে সৃষ্টি কৰা বিচ্ছিন্নতাবোধে সমাজ-সংহতি বিনষ্ট কৰা কাৰণেহে মুছলমান আক্ৰমণৰ সময়ত বংগীয় সমাজ দুৰ্বল হৈ পৰিছিল আৰু ঐক্যবদ্ধভাৱে মুছলমান আক্ৰমণকাৰীৰ বিৰুদ্ধে থিয় দিয়াত ব্যৰ্থ হৈ পৰিছিল। পৰৱৰ্তী কালৰ বাংলাৰ বাউল দুদ্‌দু ছাহে ক্ষোভেৰে গাই গৈছে—

বল্লাল সেন শয়তানী দাগায়
গোত্ৰজাত সৃষ্টি কৰে যায়
বেদান্তে আছে কোথায়, আমৰা দেখি নাই।
জাতি আৰু সম্প্ৰদায় মিলে
ভাৰত শ্মশান কৰিলে
বিনয় কৰে দুদ্‌দু বলে বঝেদেখ ভাই।

মুছলমান আক্ৰমণৰ সময়ৰ অসমত তেনে বিচ্ছিন্নতাবোধৰ কোনো দিন সৃষ্টি হোৱা নাছিল; একেজনা মহম্মদ ইবন বখ্‌তিয়াৰ খিলজীৰ একলাখ বিশ হাজাৰ সেনাৰ বাহিনীকো অসমে ছিন্ন ভিন্ন কৰি দিবলৈ সমৰ্থ হৈছিল; এটাৰ পিছত এটাকৈ বাৰম্বাৰ মুছলমান আক্ৰমণ হৈয়ে আছিল আৰু অসমে প্ৰায় আটাইবোৰৰ আক্ৰমণেই ব্যৰ্থ কৰি দিবলৈ সমৰ্থ হৈছিল। গৃহবিবাদ বা বিশ্বাসঘাতকতাৰ কাৰণে অৱশ্যে অসমেও পৰাজয় বৰণ নকৰাকৈ থকা নাছিল। কোঁচবেহাৰৰ লক্ষ্মীনাৰায়ণ আৰু কোঁচ হাজোৰ পৰীক্ষিত নাৰায়ণৰ মাজৰ সংঘৰ্ষ আছিল একপ্ৰকাৰ গৃহবিবাদহে। সেই বিবাদৰ ফলতে কোঁচ হাজো মোগলৰ অধীন হোৱা সম্ভৱপৰ হৈছিল। তেনেকৈ আহোম আৰু অনা আহোমৰ মাজত থকা ক্ষমতাৰ দ্বন্দ্বৰ কাৰণে মিৰজুমলাৰ অসম আক্ৰমণৰ সময়ত প্ৰায় সমগ্ৰ অসম, দহমাহৰ কাৰণে হ'লেও মোগলৰ অধীন হ'ব লগাত পৰিছিল। কিন্তু তথাপি সমগ্ৰ ভাৰতৰ তুলনাত আৰু বিশেষকৈ বংগৰ তুলনাত অসমৰ জনগণ অন্ততঃ মায়ামৰীয়া বিদ্ৰোহৰ কাললৈ ঐক্যবদ্ধ হৈ থকা সম্ভৱপৰ হৈছিল আৰু সেই গুণে সমগ্ৰ ভাৰতৰ

ওপৰন্ত মুছলমান শাসন প্ৰতিষ্ঠা হোৱা সত্ত্বেও অসমে ৰাজনৈতিক স্বাধীনতা অক্ষুন্ন ৰাখিবলৈ প্ৰায়েই সমৰ্থ হৈছিল। লগতে আকৰ্ষণীয় কথা আছিল এয়ে.যে অসমে বহিৰাগত যুদ্ধবন্দী বা অন্যান্য প্ৰকাৰে আহি বসবাস কৰিবলৈ লোৱা মুছলমানসকলক উদাত্তচিত্তে আপোন কৰি লৈ সংস্কৃতিসম্পন্ন মনৰ চিনাকি দিবলৈও সমৰ্থ হৈছিল।

মেদিনী চৌধুৰীয়ে তেওঁৰ লেখাত সতীন্দ্ৰ মোহন ভট্টাচাৰ্যৰ 'বাংলাৰ সামাজিক ইতিহাসৰ ভূমিকা'ৰ সহায়ত মধ্যযুগৰ অসমৰ বৈশিষ্ট্যপূৰ্ণ সমাজজীৱনৰ এটা আকৰ্ষণীয় দিশৰ নিদৰ্শন দাঙি ধৰিছে। ১৭শ শতিকাৰ ইছলামধৰ্মী ভ্ৰমণকাৰী মহম্মদ কৰিমক তাত বুলিছে দুৰ্ঘোৰ অসম বিদ্বেষী। কিন্তু সেইজন অসম বিদ্বেষী মহম্মদ কৰিমে হেনো স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল–

> "হিন্দুস্তানৰ বিধৰ্মীসকলৰ দৰে অসমীয়াবিলাক নহয়, তেওঁলোকে মুছলমানে পৰিবেশন কৰা খাদ্যও প্ৰত্যাখ্যান নকৰে।"[১৫]

এনে উদাৰতাৰ কাৰণেই অসমৰ হিন্দুসকলে মুছলমানক বা মুছলমানৰ সংস্কৃতিক আপোন কৰি ল'বলৈ কষ্ট অনুভৱ কৰিব লগাত পৰা নাছিল। বৰপেটাৰ সুন্দৰীদিয়া সত্ৰৰ ভকত প্ৰয়াত লোকসাহিত্যিক শ্ৰীৰামচন্দ্ৰ দাসে হিন্দু-মুছলমানৰ সমন্বয়ত গঢ় লৈ উঠা এটা বিশিষ্ট নিদৰ্শন দাঙি ধৰিছিল। তেওঁৰ হেনো 'জগতপেহী' বোলা এজনী বিধবা পেহীয়েক আছিল। জগতপেহীয়ে হেনো নিতৌ সন্ধিয়া তুলসীৰ গুৰিত চাকি-বন্তি জ্বলাই ভাবভক্তিৰে গাইছিল মুছলমানৰ হাজোৰ গাজীৰ গীত। গাজীৰ গীত পুৰণি, অথচ তাক ভাবভক্তিৰে পৰিবেশন কৰিছিল আধুনিক যুগত আৰু পৰিবেশন কৰিছিল হিন্দুৰ ঘৰৰ বিধৱাই।[১৬] ই অসমৰ লোক-সমাজৰ উদাৰ মানসিকতাৰ সুন্দৰ নিদৰ্শন। ই নৱবৈষ্ণৱ আলোড়নৰ সুফলো হ'ব পাৰে আৰু অসমৰ কিৰাত-মংগোলৰ কিৰাতজ সংস্কৃতিৰ সুফলো হ'ব পাৰে। অৱশ্যে ইয়াক সাধাৰণীকৰণ নকৰাই উচিত হ'ব। কাৰণ ওখকুলীয়া ব্ৰাহ্মণ, কলিতা, কায়স্থৰ মাজত, আনকি সত্ৰীয়াসকলৰ মাজতো স্পৃশ্য-অস্পৃশ্য তিৰোহিত হোৱা নাছিল; আজি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগতো তিৰোহিত হৈছে বুলি কোৱা হ'ব সত্যৰ অপলাপ। অৱশ্যে ওখকুলীয়া প্ৰভুশ্ৰেণীৰ প্ৰভাৱত শ্ৰমকাৰী নীহকুলীয়াসকলকো যে তেনে কুসংস্কাৰে পৰশা নাছিল, তাক কোনোপধ্যেও অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু তথাপি, সাধাৰণভৱে, লোক-সমাজৰ মানত মহাত্মা গান্ধীয়ে গোৱাৰ দৰে,—

ঈশ্বৰ আল্লা তেৰি নাম

বা

যোহি আল্লা সোহি ৰাম।

মহাত্মা গান্ধীয়ে সম্ভৱ লোক-সমাজৰ সাংস্কৃতিক জীৱনলৈ লক্ষ্য কৰিয়েই তেওঁৰ সেই বিখ্যাত ৰামধুন গীতটো ৰচনা কৰিছিল। অসমৰ লোক-সমাজে তেনেগীত কিন্তু শ শ বছৰ আগতেই ৰচনা কৰি গাইছিল—

আল্লা আল্লা আল্লাৰ নাম।
গোবিন্দ গোবিন্দ গোবিন্দ সমান।।
যেই আল্লা সেই ৰাম।
হৰি কৃষ একই নাম।।
ভজন সাধন স্তুতিধ্যান।
আজান ভজন নহয় আন।।

অনুসন্ধিৎসু মাত্রেই জানে যে লোকসাহিত্য সমগ্র লোক-সমাজৰ সৃষ্টি, কোনো ব্যক্তি বিশেষৰ সৃষ্টি সি নহয়। উধৃত এই গীতটো কিন্তু অসমত মুছলমান বসতি স্থাপনৰ পিছতহে যে ৰচনা কৰা হৈছিল তাত সন্দেহৰ থল নাই; গীতটো মুছলমানৰ ৰচনাও হ'ব পাৰে, আৰু হিন্দুৰ ৰচনাও হ'ব পাৰে; কিন্তু তাৰ মাজেদি চিত্রিত হৈছে অসমৰ লোক-সমাজৰ বিভেদ-বিচ্ছিন্নতাহীন সহৃদয়তাসম্পন্ন সুমধুৰ ভাবময় চিত্র।

লোক-সমাজ ঘাইকৈ অনাখৰী, কিন্তু অভিজ্ঞতাই তেওঁলোকক কৰি তুলিছিল আৰু আজিও কৰি আছে প্রবুদ্ধ। বিচাৰহীন আচাৰৰ প্রতি তেওঁলোকৰ অনীহা যুগমীয়া। নাগৰিক সমাজে তেওঁলোকক আৰু তেওঁলোকৰ সৃষ্টিক অৱহেলা আৰু তুচ্ছ-তাচ্ছিল্য কৰে সঁচা, কিন্তু সহানুভূতিৰে বিচাৰ কৰিলে অনুভৱ হয় যে তেওঁলোক বহু বিজ্ঞ-দাৰ্শনিকতকৈও বহু ওখ খাপৰ বিজ্ঞ দাৰ্শনিক। তেনে এটা লোকগীত হ'ল,—

অ' ভাই মূৰুখ তোৰ কি নিয়ম ধৰম
ভাই পণ্ডিত তোৰ কি প্রাতঃ চিনান।
হৃদয়ত নিৰঞ্জন নকৰা চিন্তন
তোৰ কি পশু গিয়ান।।
নিতে স্নান কৰে পানীৰ পানী কাউৰী
নিতে স্নান কৰে উড।
নিতে স্নান কৰে সাধু মহাজনে
কোনখিনি কৰিলা শুধ।।
একে সৰোবৰে দুই মৎস্য উপজিল
শাল-শৌল দুই ভাই।
শৌলক ধৰি আনি ভকতে ভুঞ্জয়
শালকনো কিয় নাখাই ।।

৬

অজাতি বিড়ালি　　　　চৰু-হাড়ি লুটিলা
　　শাল-শিণ্ডি লুটিলা পানী।
উজনি ঘাটত　　　　হিন্দুই হাৰাম ধুলে
　　ভাটিত মুছলমানী।।
ব্ৰাহ্মণৰ বিধৱাই　　　　মৎস্যক নাখাই
　　পানীকনো কিমতে খাই।
হৰিৰ নাম বিনে　　　　প্ৰভুৰ নাম বিনে
　　ভিতৰখন মাজোতা নাই।।
কহেতো কবীৰা　　　　মই বৰ ফকিৰা
　　বিষয় বিষম ধান্দা।
এৰা আলজাল　　　　বিষয় জঞ্জাল
　　হৰিনাম গলে বান্ধা।।

এই গীতটোৰ ৰচকে নিজক কবীৰা ফকিৰা অৰ্থাৎ ভাৰতবিখ্যাত ফকীৰ কবি কবীৰ বুলি পৰিচয় দিছে। সম্ভৱ ৰচক কবীৰপন্থী চুফী আছিল। গীতটোৰ শ্ৰোতামাত্ৰেই অনুভৱ কৰে যে ৰচক ধৰ্ম-সম্প্ৰদায় নিৰপেক্ষ আছিল, বিচাৰহীন আচাৰৰ কাৰণেহে বেদনা অনুভৱ কৰিছে। গীতিকাৰৰ মানত যেন হৰিৰ নাম আৰু আল্লাৰ নামৰ মাজত কোনো পাৰ্থক্যই; সেই কাৰণে সংসাৰবিৰাগী বৈষ্ণৱ ভক্তৰ দৰে 'বিষয় জঞ্জাল' পৰিহাৰ কৰি 'হৰিৰ নাম গলত বান্ধিবলৈ' বুলি সাংসাৰিকজনক আহ্বান জনাব পাৰিছে। গীতটোত সাম্প্ৰদায়িকতাৰ গোন্ধ-ভাপ যেনেকৈ সমূলি নাই, তেনেকৈ নাই বাহ্যিকতা বা বাহ্যিক শুচিতা বা ধৰ্মপৰায়ণতাৰ স্থান। সৰ্বোপৰি আছে হিন্দু-মুছলমানৰ অবিচ্ছিন্ন সাম্প্ৰদায়িক ঐক্য-সংহতিৰ নিদৰ্শন। এয়ে আছিল ইংৰাজ শাসন প্ৰৱৰ্তন হোৱাৰ আগলৈকে অসমৰ আৰু কিছুপৰিমাণে হ'লেও ভাৰতৰো হিন্দু-মুছলমানৰ মাজত গঢ় লৈ উঠা সাম্প্ৰদায়িক সম্প্ৰীতি, ঐক্য-সংহতিৰ স্বৰূপ।

এয়ে আছিল ইংৰাজ শাসন প্ৰৱৰ্তন হোৱাৰ আগলৈকে বৰাক (তেতিয়াৰ সুৰমা) উপত্যকাকে ধৰি সমগ্ৰ অসমৰ হিন্দু-মুছলমানৰ মাজত গঢ় লৈ উঠা সাংস্কৃতিক সম্পৰ্কৰ স্বৰূপ। ইংৰাজ শাসন প্ৰৱৰ্তন হোৱাৰ আগলৈকে বৰাকতো হিন্দু-মুছলমান আছিল প্ৰায় এক আৰু অভিন্ন। নানা গীত-মাতৰ মাজেদি আজিও তাৰ স্বৰূপ উপলব্ধি কৰিবলৈ পোৱা যায়। বৰাকৰ পালাগান একপ্ৰকাৰ লোকনাট্য অনুষ্ঠান।পালাগানৰ নাট্য অনুষ্ঠানৰ আগতে গোৱা এটা বন্দনা গান হ'ল,—

　　পৰথমে বন্দিলাক প্ৰভু
　　　পূৰ্ব দিবাকৰ।

তাহাতে উদয় ভানু চৌদিক
অয়পৰ।।
উত্তৰে বন্দিয়া আইলাম
উত্তৰ সিংহাসন।
তেত্রিশ কুটি দেৱগণে
পাতিয়া ছুইন আসন।।
পশ্চিমে বন্দিয়া গাইলাম
ক্ষেত্র জগন্নাথ।
তান পুৰীতে নৰে কিনিয়া
খায় প্রসাদ।।
তাৰে পাছে বন্দিয়া গাইলাম
মক্কা মদিনাৰ শহৰ।
নয় লাখ ফকিৰেৰ চৰণ
কৰিলাম বন্দন।।
দক্ষিণে বন্দিয়া আইলাম
কালিদহ সাগৰ।
পদ্মাৰ বিবাদে চান্দোৰ
চৌদ্দ ডিঙা তল।।
সভাৰ মাজে বন্দি আমি
সভাৰ পাঞ্চ ভাই।
উনকুটি দেবগণ আমি
সকলেৰ চৰণ।
কালুগাজী চম্পাবতী
কৰিলাম বন্দন।।

এনে গীতৰ ৰচক লোক-সমাজ হিন্দুনে মুছলমান তাক সঠিকভাৱে নির্ণয় কৰিব নোৱাৰি সঁচা; কিন্তু সেইখন লোক-সমাজ যে ধৰ্মীয় সংকীর্ণতাৰ বহু ওপৰত তাক অনুভৱ কৰা কিন্তু কষ্টসাধ্য নহয়। অসমৰ লোক-সমাজৰ মানসিকতা ইমান উন্নত আছিল যে তেওঁলোকক ধৰ্মীয় সংকীর্ণতাই কলুষিত কৰাৰ আশংকাই নাছিল, তেওঁলোক আছিল যেন সৰ্বকাল আৰু সৰ্বদেশৰ মানুহহে। মনুষ্যত্ববোধসম্পন্ন মানুহক

সাম্প্ৰদায়িকতাৰ কলুষতাই স্পৰ্শ কৰা সম্ভৱপৰেই নহয়। সেয়ে তেওঁলোকে হিন্দু-মুছলমান সকলোৱে মিলি গঢ়ি তুলিছিল এখন মানুহৰ সমাজহে।

উনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত খোদ আৰবত গঢ় লৈ উঠা মৌলবাদী ওৱাহাবি আন্দোলনৰ অনুকৰণত ভাৰতৰ বুকুতো বংগৰপৰা বেলুচিস্তানলৈ গঢ় লৈ উঠিছিল ওৱাহাবি আন্দোলন। সেই আন্দোলনৰ পিছৰে পৰা সৃষ্টি হ'ল সমগ্ৰ ভাৰতব্যাপী একাংশ মৌলবাদীৰ আৰু সেই অংশ ব্যস্ত হ'ল মুছলমান জনগণক মৌলবাদী ইছলামধৰ্মীৰূপে গঢ়ি তুলিবলৈ। তেনে এগৰাকী সাত্ত্বিক ইছলামৰ প্ৰচাৰক আছিল গুৱাহাটীৰ জোলকাদ আলী চুফী চাহাব। মেদিনী চৌধুৰীয়ে হাণ্টাৰ চাহাবৰ অনুকৰণত (Hunter's Statistical Accounts of Assam) জানিবলৈ দিছে যে সেইজনা চুফী চাহাবে মংগলদৈ অঞ্চলৰ মুছলমানসকলকো ইছলামৰ পবিত্ৰ আদৰ্শলৈ ঘূৰাই অনা কাৰ্যত আত্মনিয়োগ কৰিছিল। কিন্তু আগতে মঙলদৈ অঞ্চলৰ মুছলমানসকলে,

> "হিন্দুৰদৰে সাজ-পাৰ কৰিছিল, দাড়ি খুৰাইছিল আৰু প্ৰতিমা উপাসনা কৰিছিল। তেওঁলোকে তামোল-পাণ খাইছিল, গৰু বধ নকৰিছিল আৰু বেমাৰ-আজাৰ হ'লে মন্ত্ৰ মাতিছিল আৰু প্ৰাৰ্থনা কৰিছিল।"[১]

আনকি একেটা প্ৰসংগতে ইমানলৈ জানিব দিছে যে, চুফী চাহাবে মুছলমান জনগণক ইছলামলৈ ঘূৰাই আনিবলৈ অশেষ চেষ্টা-যত্ন কৰাৰ পিছতো,—

> "হিন্দুৰ পৰা শিকা দা- দস্তুৰ সম্পূৰ্ণৰূপে পৰিহাৰ কৰিব পৰা নাছিল; কলেৰা বা বসন্ত ওলালে, অন্ততঃ গোপনে মন্ত্ৰ মাতিছিল।"

প্ৰসংগক্ৰমে উল্লেখযোগ্য কথা এয়ে যে মঙলদৈ-ছিপাঝাৰৰ মুছলিম ঘোপাৰ মুছলমানসকলে নিজক অসমৰ প্ৰাচীনতম মুছলমান বুলিও পৰিচয় দিয়ে। হেনো তেওঁলোক মহম্মদ ইবন-বখ্‌তিয়াৰ খিলজীৰ অসম অভিযানৰ আগৰেপৰা আহি সেই অঞ্চলত বসবাস কৰিবলৈ লৈছিলহি। পোনতে বসতি কৰিবলৈ লোৱা কালত তেওঁলোক নিশ্চয় তেনেই সংখ্যালঘু আছিল আৰু সম্ভৱতঃ সেইকাৰণেই তেওঁলোক হিন্দু প্ৰতিবেশীসকলৰ ৰীতি-নীতি, আচাৰ-পদ্ধতি আদিৰ দ্বাৰা ব্যাপকভাৱে প্ৰভাৱিত হৈছিল।

আচলতে ১৮৫৭ চনৰ ভাৰতীয় মহাবিদ্ৰোহৰ পিছত গঢ় লৈ উঠা ওৱাহাবি আলোড়নৰ পিছতো অসমৰ এক ব্যাপক অংশ মুছলমান প্ৰায় প্ৰতিবেশী হিন্দুৰ সদৃশ হৈ আছিল। মেদিনী চৌধুৰীয়ে ব্যক্তিগত অভিজ্ঞতাৰ ভেটিত হিন্দু-মুছলমান সম্পৰ্কৰ পৰিচয় দি কৈছে, —

> "শিৱসাগৰৰ ৰহপুৰ মৌজাৰ মৌজাদাৰৰ পৰিয়ালটোৰ সতে শিৱদৌলৰ ঘনিষ্ঠ সম্বন্ধ আছিল আৰু আজিও আছে। সেই মৌজাদাৰৰ পুত্ৰ কেৰামত আলী

আছিল অসমৰ প্ৰাতঃস্মৰণীয় ব্যক্তি গংগা গোবিন্দ ফুকনৰ অভিন্ন হৃদয় বন্ধু। ..... তেওঁলোক ফুলেশ্বৰী কুঁৱৰীৰ শাসনত্ব কালত (খ্ৰীঃ ১৭১৪) শিৱদৌলত নাগাৰা বজোৱা নাগেৰীয়া বংশৰ হেনো।"[১৮]

সম্প্ৰীতিৰ সঁফুৰাত ফাট :

আজি কেইবছৰমান আগৰ কথা। তেতিয়া আশীৰ দশকৰ অস্তিত্ব ৰক্ষা আন্দোলন চলি আছে। হিন্দুত্ববাদী বি-জে-পি আৰু আৰ-এছ্-এছে সেই আন্দোলনত অংশগ্ৰহণ কৰাৰ লগে লগে সি হিন্দুত্ববাদী আন্দোলনলৈও ঠায়ে ঠায়ে লুটি বাগৰ লৈছে। তেনে সময়তে নলবাৰী চহৰৰ মুছলমান যুব অভিযন্তা এজনৰ বিয়ালৈ নিমন্ত্ৰিত হৈ গৈছিলো। স্কুলীয়া ছাত্ৰ জীৱনৰে পৰা সেই পৰিয়ালখনৰ লগত ভাল চা-চিনাকি। দৰাৰ ককায়েকসকলৰ দুজন মোতকৈ বয়সস্থ। দৰাৰ ডাঙৰ ককায়েক আহি মোৰ কাষত বহি আক্ষেপ কৰি ক'বলৈ ধৰিলে, —

> "চাওক শৰ্মা, আপোনাত বাহিৰে কলেজৰ কোনো হিন্দু অধ্যাপকেই বিয়ালৈ অহা নাই। কিন্তু অসম আন্দোলনৰ আগতে প্ৰায় আটায়ে আমাৰ ঘৰলৈ আহিছিল, আমাৰ লগত মধুৰ সম্পৰ্ক ৰক্ষা কৰিছিল। এতিয়া কি হ'ল বাৰু? আমাৰ সৰু কালৰ কথাবোৰ মনত পেলাওকচোন। তেতিয়া হিন্দু-মুছলমানৰ মাজত খোৱা লোৱা নচলিছিল, চুবা গজা কৰাও দূষণীয়ই আছিল। কিন্তু ভাবকচোন, তেতিয়াৰ দিনৰ আন্তৰিক মধুৰ সম্পৰ্কৰ কথা। খুৰা-খুৰী, পেহা-পেহী, মোমাই-মামী, দাদা-বৌ আদি সম্বোধনেৰে কেনেদৰে একাত্মবোধ স্থাপন কৰা হোৱা নাছিল! তাত নাছিল কলুষতা, কপটতাৰ স্থান।...."

ইছলামধৰ্মী সেই বিশিষ্ট বন্ধুগৰাকীৰ আন্তৰিক বেদনাসিক্ত কথাবোৰ শুনাৰ লগে লগে চাং কৰে মনত পৰিল নিচেই শৈশৱতে লগপোৱা আমাৰ গাঁৱৰ দণ্ডীৰাম গাওঁবুঢ়ালৈ। তেওঁ আছিল মুছলমান। তেওঁৰ বৰ ল'ৰা গম্ভীৰৰ লগত আমাৰ ডাঙৰ দাদা গোপালচন্দ্ৰৰ আছিল আশৈশৱ সখিত্ব। গম্ভীৰক আমি মাতিছিলো 'ককা' বুলি আৰু মাক-পিতাকক মাতিছিলো তাবৈ-আমৈ বুলি। দণ্ডীৰাম গাওঁবুঢ়াৰ থুঁতৰিত অলপ দাড়ি আছিল, তাত বাজে আছিল সাইলাখ হিন্দু। তেওঁ পিন্ধিছিল চুৰিয়া-চোলা, কেঁচা তামোলৰ হাঁচতি তেওঁৰ লগত থাকিছিলেই, দুই কাউৰীৰে তামোলৰ পিক বৈয়ে থাকিছিল। তেওঁৰ অকপট মৰমৰ কথা আজি প্ৰায় ষাঠি বছৰ পিছতো পাহৰিব পৰা নাই। আমাৰ ঘৰ আছিল তেনেই দুখীয়া, মাটি-বৃত্তিও নাছিল, গতিকে খেতি-বাতিও নাছিল। গাওঁ বুঢ়াৰ ঘৰো দুখীয়াই আছিল, কিন্তু আধীয়ালৈ মাটি লৈ খেতি-বাতি কৰিছিল। খেতিৰ ভাগ বিধে বিধে আমিও পাইছিলো। আঘোণত তেওঁলোকে ন খাবৰ দিনা আমাৰ ঘৰকো ন খুৱাইছিল, নতুনকৈ ওলোৱা শাক-পাত তেওঁলোকে খোৱাৰ

দিনা আমাকো খুৱাইছিল। কুঁহিয়াৰ পেৰিবৰ দিনা 'মিঠৈ'ৰ ভাগ আমাৰ ঘৰেও পাইছিল, আনকি তেওঁলোকৰ ঘৰত মাছ-পুঠি খোৱাৰ দিনা আমাৰ ঘৰেও অৱশ্যেই তাৰ ভাগ পাইছিলেই। অথচ আজি ভাবিলে লাজ আৰু অপমানবোধত মূৰ দো খাই যায় যে, তেওঁলোক আছিল অস্পৃশ্য। তেওঁলোকে আনি দিয়া খাদ্যসামগ্ৰী আমাৰ আটায়ে আনন্দেৰে খাইছিল, কিন্তু তেওঁলোকক চুলেই গৈছিল চুৱা। অথচ দণ্ডীৰাম গাওঁবুঢ়াৰ চকু-মুখৰ মাজেদি বা আচৰণৰ মাজেদি কোনো ক্ষোভ প্ৰকাশ বা ঘৃণাৰ চিন আমি কোনো দিন দেখা পোৱা নাছিলো।

দণ্ডীৰাম গাওঁবুঢ়াক পাহৰিব পৰা নাই, জীয়াই থাকোঁ মানে পাহৰা টান। তেওঁৰ বিয়োগৰ প্ৰায় ষাঠি বছৰ পিছত আজি অনুভৱ হৈছে যে অসমৰ মুছলমানসকল হিন্দুসকলতকৈ আছিল বহু উদাৰ; হিন্দুৰ একাংশই তেওঁলোকক অস্পৃশ্য কৰি ৰখা সত্ত্বেও তেওঁলোকে হিন্দুৰ লগত মধুৰ সম্পৰ্ক অটুট ৰাখিবলৈ যেন দৃঢ়পৰিকৰহে আছিল। দণ্ডীৰাম গাওঁবুঢ়াৰ দৰে উদাৰ মুছলমানসকল কিমান মহান আছিল। বয়সৰ লগে লগে আৰু বৰ্তমানেও ধাৰণা হৈছে যেন একাংশ হিন্দুৰ অমানৱীয় আচাৰ-আচৰণেও মুছলমান অংশকো ক্ৰমে ৰক্ষণশীল মৌলবাদীলৈ ৰূপান্তৰিত কৰিছিল; একাংশ উচ্চবৰ্ণৰ হিন্দু আছিল তাৰ কাৰণে জগৰীয়া। অৱশ্যে ঠায়ে ঠায়ে তাৰ ব্যতিক্ৰম নথকাকৈ নাছিল।

উচ্চবৰ্ণৰ একাংশ হিন্দুৰ বিচাৰহীন আচাৰে মুছলমানসকলক ক্ষুণ্ণ কৰি তোলা বা তাৰ চেলু লৈ মৌলবাদী মুছলমান অংশই সমূহ মুছলমানকে হিন্দুৰ পৰা বিচ্ছিন্ন কৰিবলৈ যত্নপৰ হোৱা কাৰ্য বৰ অস্বাভাৱিক বা একো আচৰিত কথা নহয়। কাৰণ মুছলমানসকলে অসম- ভাৰতৰ সাংস্কৃতিক জীৱনলৈ বহুমূলীয়া অৱদান আগ নবঢ়োৱাকৈ থকা নাই। সমগ্ৰ ভাৰতৰ দৰে অসমৰো চিত্ৰ, ভাস্কৰ্য আৰু স্থাপত্যত মুছলমানসকলৰ বহুমূলীয়া অৰিহণা আছিল। ভাৰতবৰ্ষৰ পুথি চিত্ৰৰ উদ্‌গাতাৰূপে যেনেকৈ মুছলমান চিত্ৰ শিল্পীৰ ওচৰত ভাৰত ঋণী, অসমৰ ক্ষেত্ৰতো মুছলমান চিত্ৰ শিল্পীৰ ওচৰত অসম ঋণী। বিশেষকৈ 'হস্তীবিদ্যাৰ্ণৱ'ৰ চিত্ৰকৰ দোছাই আৰু দিলবৰ চিৰস্মৰণীয় হৈ আছে আৰু থাকিবও। বৰ্তমানে অসমত বৈ থকা প্ৰায় আটাইবোৰ মঠ-মন্দিৰৰ ভাস্কৰশিল্পী মুছলমান, সুদৃশ্য অট্টালিকাসমূহৰ ভাস্কৰো মুছলমান শিল্পী।

মুছলমান শিল্পীৰ শ্ৰমেৰে যদি মন্দিৰ সজাব পাৰি, তেনেহ'লে মন্দিৰৰ ভিতৰত সেই মুছলমান শিল্পী প্ৰবেশ কৰিলে মন্দিৰ অপবিত্ৰ হয় কেনেকৈ? যুক্তিহীন কথা, ৰীতি-নীতি ভিত্তিহীন নহয় জানো। এনে ভিত্তিহীন ৰীতি-নীতিয়ে মিলনৰ পথ বন্ধ কৰি থকা নাইনে?

আহোমৰ সাংস্কৃতিক সমন্বয় ঃ

ইটাখুলিৰ ৰণৰ পিছত মোগলৰ অসম আক্ৰমণৰ আশংকা আঁতৰাৰ পিছত ৰুদ্ৰসিংহৰ ৰাজত্ব কালৰ পৰা অসম- মুছলমানৰ সম্পৰ্ক ক্ৰমে মধুৰ হৈ আহিব ধৰে। তাৰ লগে লগে সমন্বয়ৰ প্ৰক্ৰিয়াও হ'ব ধৰে বেছি দ্ৰুত। তাৰ ফলশ্ৰুতিস্বৰূপে অসমৰ সাংস্কৃতিক জীৱনৰ লগত মুছলমানৰ ইছলামিক সংস্কৃতি এনেভাৱে মিলি গ'ল যে সম্প্ৰতি ইছলামিক আৰু অনা-ইছলামিক সংস্কৃতিৰ বিভেদ বিচাৰ কৰা এক কষ্টসাধ্য ব্যাপাৰত পৰিণত হৈছে। অসমৰ মানুহৰ সাজ-পাৰ, আ-অলংকাৰ, আচাৰ-আচৰণ আদিৰ কোনটো অসমীয়া হিন্দুৰ আৰু কোনটো অসমীয়া মুছলমানৰ তাক সতকাই দেখুৱাই দিব নোৱৰা হৈছে। এই প্ৰক্ৰিয়া আৰম্ভ হৈছিল আহোম ৰজাঘৰৰ পৃষ্ঠপোষকতাৰ ফলত। ৰজা ৰুদ্ৰসিংহৰ ৰাজত্ব কালৰ সমন্বয়ৰ প্ৰক্ৰিয়াৰ বৰ্ণনা দি এখন অসম বুৰঞ্জীত কৈছে, —

> "আতপাচে বঙালৰ হাতে ৰংপুৰত হেৱালি ঘৰ সজালে। ঠেঙাবাৰীত তলাতল ঘৰ সজালে। ৰংগনাথ গোসাঁইৰ দ'ল বন্ধালে' ফাকু যাত্ৰাৰ দল বন্ধাই তাতে ১৬২৬ শকত ফাকুযাত্ৰা কৰি ৰজা দেৱে জামা, পাগ, ইজাৰ পিন্ধিলে। সকলোকে এই ৰূপে দিলে। তাৰ পৰাহে পাগ্-জামাৰে বঁটা হ'ল।"[১]

ৰুদ্ৰ সিংহই প্ৰবৰ্তন কৰা সাজ-পাৰৰ এই দস্তুৰ বুঢ়াগোহাঁই, বৰগোহাঁই, বৰপাত্ৰগোহাঁই প্ৰভৃতি ডা-ডাঙৰীয়াসকলে গ্ৰহণ কৰিবলৈ ইচ্ছা কৰা নাছিল; কিন্তু ৰাজআজ্ঞা পালন কৰিবলৈ শেষত বাধ্য হ'ল। পিছলৈ পাগ্-ইজাৰ আদিৰ সমাদৰ ইমান বাঢ়িল যে পৰম্পৰাগত লোকনাট্য অনুষ্ঠান ওজাপালি-ঢোৱৰীয়া আৰু আনকি অংকীয়া নাটৰ সূত্ৰধাৰেও পাগ্-ইজাৰ মোগল-মুছলমানৰ সাজ-পাৰ আছিল বুলি ততকে ধৰিব নোৱৰা অৱস্থাৰ সৃষ্টি হৈছে।

কামৰূপ, গোৱালপাৰা, দৰঙত খুলীয়া বা বায়নপাৰ্টিৰ বিপুল সমাদৰ আছিল। সেই খুলীয়াৰ দলৰ সূত্ৰধাৰৰ সাজ-পাৰে পাগ্-ইজাৰ। খুলীয়াৰ দলৰ বিশেষ আকৰ্ষণীয় চৰিত্ৰ বৰকাগুজ বিদেশী মুছলমান বৰকান্দাজৰ অনুকৰণ মাথোন আছিল।

মুছলমানৰ লগত ঘটা ঘনিষ্ঠ সম্পৰ্কৰ ফলত অসমৰ দৰে সমগ্ৰ ভাৰতেই এটা নতুন সাংস্কৃতিক ৰূপ ধাৰণ কৰিছিল। সেই অভিনৱ ৰূপৰ কথা সুঁৱৰি ড° সূৰ্যকুমাৰ ভূঞাই লিখিছে, —

> "অসমৰ বুৰঞ্জী লেখকে সুদূৰ মধ্য এচিয়া, দিল্লী, আগ্ৰাৰ বুৰঞ্জী লিখিবলৈ ধৰিলে। মোগলৰ শিল্প-কলা, কাৰু-কাৰ্য, ৰাজনীতি, জ্ঞান-বিদ্যাৰ জ্যোতিয়ে অসমক চমক লগালে আৰু তাৰ ৰশ্মি আহি অসমৰ শিল্প-কলা আৰু চিন্তাধাৰাত

নতুন জিলিকনি দি উজ্জ্বল কৰি তুলিলে। নিজৰ স্বাধীনতা অক্ষুণ্ণকৈ ৰাখি চুকত পৰি থকা অসমে মোগল সভ্যতাৰ সকলো আভাস পাবলৈ ধৰিলে আৰু তাৰ চালি-জাৰি নিজৰ সুবিধা আৰু উপযোগিতা অনুসাৰে গ্ৰহণ কৰিবলৈ সমৰ্থ হ'ল। অসমৰ প্ৰজা দেহত নতুন তেজ সোমাল—অসমীয়া আছুতীয়া সভ্যতাৰ অপূৰ্ণতা দূৰীভূত হ'ল।"[২০]

ড° সূৰ্যকুমাৰ ভূঞাৰ এই বৰ্ণনাক অতিৰঞ্জিত বুলি কোৱাৰ থল আছে নিশ্চয়। কাৰণ মোগলৰ লগত অসমৰ সম্পৰ্ক ঘটাৰ কে'বাশ বছৰ আগৰ অন্ততঃ বৰ্মন বংশৰ ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালৰে পৰা অসমৰ কেৱল সৰ্বভাৰতীয় সম্পৰ্কই ঘটা নাছিল, চীন আদি কৰি দেশৰ লগত ঘটা সম্পৰ্কৰ ফলৰ পৰা অসমৰ এক আন্তৰ্জাতিক সাংস্কৃতিক সম্পৰ্কও ঘটিছিল। মুছলমান-মোগলৰ লগত ঘটা সম্পৰ্কই হয়তো তাকেই আৰু বহল আৰু বিস্তৃত কৰিলে। কবি বাণভট্টৰ 'শ্ৰীহৰ্ষচৰিত' বোলা জীৱনী-কাব্যৰ পঢ়ুৱৈ মানে জানে যে ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালৰ অসম আছিল জ্ঞানে-বিদ্যাই সকলো ক্ষেত্ৰতে অতুলনীয়। চিত্ৰবিদ্যাকে ধৰি অসমৰ সাংস্কৃতিক সম্পদবোৰৰ নিদৰ্শন দেখিয়ে জানো বিস্ময়ত অভিভূত হৈয়ে হৰ্ষবৰ্ধনে ভাস্কৰ বৰ্মাৰ লগত মিত্ৰতা পাশত আবদ্ধ হ'বলৈ গভীৰ আগ্ৰহ প্ৰকাশ কৰা নাছিল! এই সত্য চীনা পৰিব্ৰাজক হিউয়েন চাঙৰ অসম ভ্ৰমণ বৃত্তান্তয়ো সমৰ্থন কৰে। তেজপুৰৰ দ-পৰ্বতীয়া বা প্ৰাচীন কছাৰী ৰাজ্যৰ ৰাজধানী ডিমাপুৰৰ ধ্বংসাবশেষে চকুত আঙুলি দি দেখুৱাই দিয়ে যে প্ৰাচীন অসম স্থাপত্য আৰু ভাস্কৰ্যতো তেনে নাম-নাচ নাছিল। মোগল সংস্কৃতিৰ সম্পৰ্কই আত্ম বিস্মৃত অসমত নতুন চেতনাৰহে সৃষ্টি কৰিছিল। সিয়ে অসমৰ সাহিত্যিক -শিল্পীক মোগল ৰাজদৰবাৰত একেলগে মিলিজুলি কাম কৰিবলৈ অনুপ্ৰাণিত কৰাৰ দৰে অসমতো প্ৰায় একে ৰূপত কাম-কাজ কৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল। উদাহৰণস্বৰূপে ৰজা শিৱসিংহৰ পৃষ্ঠপোষকতাত ৰচনা কৰা 'হস্তীবিদ্যাৰ্ণৱ' গ্ৰন্থখনৰ কথালৈয়ে আঙুলিয়াব পাৰি। সেই হাতীৰ চিকিৎসা বিষয়ক গ্ৰন্থখনৰ ৰচক অসমীয়া হিন্দু সুকুমাৰ বৰকাথ আৰু সেইখন চিত্ৰিত কৰিছে দুই মুছলমান শিল্পী (সম্ভৱ মোগল) দোছাই আৰু দিলবৰে। অসমীয়া পুথি চিত্ৰৰ এক অনুপম নিদৰ্শন 'হস্তীবিদ্যাৰ্ণৱ' আৰু চিত্ৰবোৰ মোগল সংস্কৃতিৰে প্ৰভাৱপুষ্ট।

ড° ভূঞাৰ উপলব্ধিৰ সমৰ্থনত অসমীয়া 'পাদশ্যাহ বুৰঞ্জী' খনলৈ আঙুলিয়াব পাৰি। পাদশ্যাহ বুৰঞ্জীখনে মধ্যযুগৰ অসমীয়া মানুহৰ ইতিহাস অনুসন্ধিৎসাৰ সুন্দৰ নিদৰ্শন দাঙি ধৰে। সি অসমীয়া মানুহৰ সৰ্বভাৰতীয় চেতনাৰ অনুপম নিদৰ্শন।

আহোম শাসন সামন্তযুগীয়া স্বেচ্ছাচাৰী শাসনেই আছিল; কিন্তু তেওঁলোকৰ বহুতেই আছিল প্ৰজাৰঞ্জকো। কাঁড়ী-পাইক আৰু বিষয়াসকলৰ বিকাশ মানেই যে ৰাজ্য

আৰু ৰজাৰ বিকাশ সেই সত্যৰ উপলব্ধি কৰিবলৈ ৰজাসকলৰ কোনো কোনো সমৰ্থ হৈছিল বুলি জনা যায়। তেনে উদাৰ আদৰ্শেৰে অনুপ্ৰাণিত হ'ব পাৰিছিল কাৰণেই মুছলমানসকলৰ বৈশিষ্ট্যপূৰ্ণ বিকাশৰ ওপৰতো গুৰুত্ব আৰোপ কৰিব পাৰিছিল। মুছলমানৰ নিজস্ব সাংস্কৃতিক বৈশিষ্ট্যৰ বিলোপসাধন মানে যে দেশৰ সামগ্ৰিক বিকাশত হানি সেই সত্য উপলব্ধি কৰিবলৈ সমৰ্থ হৈছিল আৰু সেই কথালৈ লক্ষ্য ৰাখিয়ে মুছলমানসকলৰ ভাষিক আৰু সাংস্কৃতিক বৈশিষ্ট্যৰ সংৰক্ষণ আৰু উত্তৰোত্তৰ বিকাশ সাধনৰো ব্যৱস্থা কৰিছিল।

ডাঃ সূৰ্যকুমাৰ ভূঞাই লিখিছে, –

> "আহোম ৰজাৰ আমোলত আৰবী-ফাৰ্চী ভাষা, কোৰাণ হদিছ আৰু চৰিয়ত আদিত শিক্ষা দিবৰ কাৰণে অসমৰ নানা ঠাইত উপযুক্ত পঢ়াশালি আছিল। এই পঢ়াশালিবোৰ স্থানীয় মছজিদৰ লগত সংযুক্ত আছিল বা সুকীয়াকৈ আন ঠাইত পতা হৈছিল। মুছলমান ল'ৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে গুৱাহাটী নগৰত দহ-বাৰখন আৰু ৰংপুৰ ৰাজধানীত কুৰিখনতকৈও অধিক পঢ়াশালি আছিল। ৰজাঘৰে এই পঢ়াশালিবোৰৰ কাৰ্যপদ্ধতিত কোনো প্ৰকাৰে হস্তক্ষেপ নকৰিছিল।" [২১]

ইটাখুলিৰ ৰণলৈ (খ্ৰীঃ ১৬৮২) অসমত বসবাস কৰা সৰহসংখ্যক মুছলমানেই আছিল যুদ্ধবন্দী আৰু তেওঁলোক সংখ্যাগতভাৱেও আছিল তেনেই নগণ্য। কিন্তু তেতিয়াৰ অসমৰ বৈশিষ্ট্য আছিল এয়ে যে মুছলমানসকলক হিন্দুলৈ ধৰ্মান্তৰিত কৰিব বিচৰা হোৱা নাছিল; নিজৰ নিজৰ সাম্প্ৰদায়িক ধৰ্ম অনুসৰি প্ৰৱৰ্তিবলৈ দিয়া হৈছিল সুযোগ-সুবিধা। বিজিত অৰ্থাৎ যুদ্ধবন্দী মুছলমানসকলে অসমৰ হিন্দু ছোৱালীকে বিয়া কৰাইছিল। হিন্দু পত্নীৰ প্ৰভাৱত তেওঁলোক হিন্দু হোৱা নাছিল, মুছলমান হৈয়ে ৰৈছিল; তেওঁলোকৰ সতি-সন্ততিইতো হৈছিল মুছলমানেই। কেৱল মাতে-কথাই, সাজে-পাৰে, আচাৰে-বিচাৰে তেওঁলোক হৈছিল অসমীয়া হিন্দু। অকল সাংস্কৃতিক অভিমানৰ কাৰণেই যে অসমৰ মুছলমানসকল মুছলমান হৈ আছিল তেনে নহয়, ৰাজনৈতিক তথা সাংস্কৃতিক পৰিস্থিতিয়েও তেওঁলোকক মুছলমান হৈ থাকিবলৈ অনুকূলতাৰ সৃষ্টি কৰি দিছিল।

খাদ্য-অখাদ্য আৰু সংঘাত ঃ

সাধাৰণতে হিন্দুৰ মাজত গোমাংস আৰু মুছলমানৰ মাজত গাহৰিৰ মাংস নিষেধ। এই ক্ষেত্ৰতো সম্ভৱ অসমৰ থলুৱা জনগণৰ প্ৰভাৱত অসমৰ মুছলমানসকলে গোমাংসৰ উপৰি গাহৰিৰ মাংসও খাইছিল।[২২] আনহাতে হিন্দুসকলো আছিল খাদ্যৰ ক্ষেত্ৰত উদাৰ। ১৭ শ শতিকাৰ অসম ভ্ৰমণকাৰী মহম্মদ কৰিমৰ কথাৰে পাই আহিছোঁ যে অসমৰ হিন্দুসকলে মুছলমানে পৰিবেশন কৰা আহাৰো গ্ৰহণ কৰে। সেই একে

কথাকে মিন্হাজুদ্দিনে লিখি থৈ গৈছে বোলে অসমৰ হিন্দুই মুছলমানৰ হাতে-পাগেও খায়।[২৩]

তন্ত্ৰ-মন্ত্ৰ আৰু মুছলমান ঃ

অসম তন্ত্ৰ-মন্ত্ৰৰ কাৰণে কেৱল ভাৰত বিখ্যাতেই নহয়, পৃথিৱী বিখ্যাতো আছিল। অসমলৈ আহিলে মানুহ ভেৰা হৈ যায় বুলি অসমৰ বাহিৰত বৌঢ়িৰ প্ৰচলন আছিল আৰু সেইকাৰণে মানুহে অসমলৈ আহিবলৈ ভয় পাইছিল। বংগৰ মোগল শাসনকৰ্তা চায়েস্তা খাঁয়ে জানো ৰামসিংহক সেই বিষয়ে সতৰ্ক কৰি দিয়া নাছিল। অসমলৈ আহিলে ভেৰা হৈ যোৱা মানে যে অসমৰ প্ৰকৃতি, নাৰীৰ সৌন্দৰ্য, পুৰুষৰ পৌৰুষত্ব আৰু ঔদাৰ্যৰ দ্বাৰা মুগ্ধ হৈ আৰু বিশেষকৈ অসমীয়া সংস্কৃতিৰে পৰিপুষ্ট অসমৰ থলুৱা মানুহৰদৰে স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা, সেই কথাত মতানৈক্যৰ থল নাই নিশ্চয়। ভোগ আৰু শোষণৰ আনুকূল্যৰ কাৰণে আজিও বহুতো বহিৰাগত অসমলৈ আহিলে, উভতি যাবলৈ প্ৰায়েই অনীহ প্ৰদৰ্শন কৰে বুলি জনা যায়। সমগ্ৰ ভাৰতব্যাপীয়ে অসমৰ নাৰীৰ ৰূপ আৰু সৌন্দৰ্যৰ এক বিশেষ সুখ্যাতি আছে। ভাৰতৰ হিন্দীবলয়ৰ লোকসকলৰ মানত—

পূৰব কা ৰাণী (নাৰী), পশ্চিম কা পানী বিশেষ আকৰ্ষণৰ কাৰণ। এই ক্ষেত্ৰত বিশেষ মন কৰিব লগা কথা এয়ে যে অসম বিষয়ক এনেবোৰ ধাৰণাৰ প্ৰবৰ্তক হ'ল মূলতঃ মুছলমান আক্ৰমণকাৰীসকলেই। মুছলমান মোগলে প্ৰায় সমগ্ৰ ভাৰতকে তেওঁলোকৰ শাসনৰ অধীন কৰিছিল, কিন্তু বাৰম্বাৰ ব্যৰ্থ হৈছিল অসমৰ ক্ষেত্ৰত। তেওঁলোকৰ ব্যৰ্থতা ঢাকিবলৈ বুলিয়ে প্ৰচাৰ কৰি দিছিল বোলে অসম তন্ত্ৰ-মন্ত্ৰৰ দেশ, অসমলৈ যিয়ে যায় সিয়ে ভেৰা হৈ থাকে। আনকি ইমানেই ভয় কৰিছিল যে তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱ খৰ্ব কৰিবলৈ বুলি হেনো আক্ৰমণকাৰী বাহিনীৰ লগত মুছলমান মন্ত্ৰ বিশেষজ্ঞকো লৈ আহিছিল। ৰাম সিংহৰ আক্ৰমণৰ সময়ত হেনো লগত লৈ আহিছিল—

১। ছাহ্পীৰ
২। ছাহবাগমাৰ পীৰ
৩। ছাহ চুফী
৪। ছাহ চৰাণ
৫। ছাহ কমল

বোলা পাঁচগৰাকী পীৰক। ধুবুৰীৰ যি ঠাইত পাঁচ পীৰৰ দৰগাহ আছে, তাতেই হেনো তেওঁলোক থাকিছিল, তাতেই ইন্তেকাল হ'ল আৰু তাতেই কবৰো দিলে।[২৪] সম্ভৱ সেই মন্ত্ৰ বিশাৰদ পীৰসকলৰ কোনোবাই মন্ত্ৰও ৰচনা কৰিছিল,—

বিছমিল্লা ই আল্লাহ-উ-তাৰা-গৌৰী
হাজি বকুন, হাজি বকুন ....

আদি মন্ত্র তাৰ জ্বলন্ত নিদৰ্শন। কিন্তু মন কৰিব লগা কথা এয়ে যে এনে মন্ত্ৰৰ মাজেদিও সংমিশ্ৰণত গঢ় লৈ উঠা নতুন অসমীয়া জাতিটোৰ নিদৰ্শনকে অনুভৱ কৰিবলৈ পোৱা যায়। 'বিছমিল্লা ই আল্লাহ'ৰ লগত একেটা মন্ত্ৰতে হিন্দুৰ উপাস্যদেৱী 'তাৰা' আৰু 'গৌৰী'য়ে ঠাই পোৱাৰ পৰা সহজে অনুমান কৰিব পাৰি যে এনেবোৰ গীতৰ ৰচক মুছলমানেই আছিল যদিও অসমত গঢ় লৈ উঠা নতুন অসমীয়া সংস্কৃতিৰ তেওঁলোক ধাৰক আৰু বাহক আছিল। আনহাতে হিন্দুই ৰচনা কৰা বাণকটা মন্ত্ৰৰ মাজত 'মগলৰ বাণকটা' কথায়ো ঠাই পাইছিল। আচলতে এনেবোৰ তন্ত্ৰ-মন্ত্ৰৰ মাজেদিও হিন্দু-মুছলমানৰ সমন্বয়ত গঢ় লৈ উঠা নতুন অসমীয়া সংস্কৃতিৰ স্বৰূপ উপলব্ধি কৰিবলৈ পোৱা যায়।

উৎসৱ-অনুষ্ঠান আৰু নতুনত্বৰ সম্ভেদ ঃ

ইছলামত কোৰাণ অনুমোদিত ধৰ্মীয় নাচ - গান, গীত-পদ আদিত বাদে আন নাচ-গান, গীত-পদৰ স্থান নাই। মৌলবাদীসকলৰ মতে কোৰাণ অনুমোদিত নাচ-গান আদিত বাজে অন্য নাচ-গান আদিত যোগদান কৰা কাৰ্য গুণাহ। আলোচনাক্ৰমে পাই আহিছোঁ যে অসমৰ মুছলমানসকলে কোৰাণ বিৰোধী ওজাপালি-ঢুলীয়া আদি লোকনাট্যতো অংশগ্ৰহণ কৰিছিল; অসমৰ জাতীয় উৎসৱ বিহুতো মুছলমানসকলে আন্তৰিকতাৰে অংশগ্ৰহণ কৰিছিল; বৰ্তমানেও ৰঙালী আৰু ভোগালী বিহু আন্তৰিকতাৰে পালন কৰা দেখা যায়। ৰঙালী বিহুত মুছলমানেও গৰু ধুৱায় আৰু গৰুৰ কুশল কামনা কৰে। বিহুবানৰ আদান-প্ৰদান, বিহু-হুঁচৰি আৰু বিহু গীততো অংশগ্ৰহণ কৰে। মাঘৰ ভোগালী বিহুৰ সময়তো হিন্দুৰ দৰে মুছলমানেও উৰুকাৰ দিনা ভোজ-ভাতৰ আয়োজন কৰে, লাৰু-পিঠা, চিৰা সান্দহৰ ব্যৱস্থা কৰে। আনকি মুছলমানেও মেজি সাজি আনন্দ উপভোগ কৰিছিল, বৰ্তমানেও ক'তো ক'তো সিবোৰ পালন কৰে।

আগতে বসন্তই দেখা দিলে মুছলমানসকলেও আই ওলোৱা বুলি কৈছিল; হিন্দুৰ দৰে তেওঁলোকেও নাম-গুণ গাই আইক তুষ্ট কৰিবলৈ যত্নপৰ হৈছিল, তেওঁলোকেও হাতত জাপ-জৰি বান্ধিছিল। গাঁৱত কলেৰা লাগিলে কলেৰাৰ দেও-ভূতক ঠিক প্ৰতিবেশী হিন্দুৰ দৰে পূজা-সেৱা, বলি-বিধান আগবঢ়াই তুষ্ট কৰিব বিচাৰিছিল।

কৰীয়া-বিজুলীঘাট, শুৱালকুছি প্ৰভৃতি ঠাইত নাওখেল আজিও প্ৰতিবছৰে অনুষ্ঠিত হয় আৰু তাত মুছলমান সম্প্ৰদায়ৰ লোকসকলে আনন্দেৰে অংশগ্ৰহণ কৰে। কিন্তু নাওখেল প্ৰক্ৰিয়া আৰম্ভ কৰাৰেপৰা জড়িত কৰা হয় যাদু-মন্ত্ৰ। খেলৰ সময়ত গোৱা

গীত-পদবোৰ হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰে মাজত এক আৰু অভিন্ন।

(১) জগতগুৰু আমাৰে
লুকাই আছা দেখা নেদা
মণিকূটৰ ভিতাৰে।

(২) বৃন্দাবনতে নাযাবি হে এৰি
পিতাই মোক এৰিলি ক'ত?

(৩) কৃষ্ণৰ হাতত বান্ধি টানি টানি
কৃষ্ণ হে
অ' যশোদাৰ দুলালে দেখালে মায়া
পাতালে উৰালে হে।

(৪) মাৰ বৈঠা হুই আহা,
মাৰ বৈঠা হুই আহা,
কলিমা মুখত লৈ
ঐ ৰাম হে হে।

(৫) শংকৰে দেখালে সোণালী পথ
বান্ধ ঐ
নেৰিবা কলিমা নেৰিবা ধৰম
সংসাৰ নৈৰ মাজে...... [২৫]

মুছলমান ৰমণীয়ে সেন্দূৰ ব্যৱহাৰ নকৰে, মুছলমানৰ বিয়াত জোৰণ দিয়া প্ৰথাও নাছিল, বিয়া গীতৰো ব্যৱস্থা নাছিল। কিন্তু প্ৰতিবেশী হিন্দুৰ প্ৰভাৱত মুছলমানৰ বিয়াতো হিন্দুৰ দৰে জোৰণ দিয়া ব্যৱস্থা প্ৰবৰ্তন হৈছে, বিয়াগীত ঠিক হিন্দুৰ দৰেই পৰিৱেশন কৰা হয়, তেল-সেন্দূৰৰ কথাই গীতত ঠাই পায়, আনকি দৰা-কইনাক কৃষ্ণ-ৰুক্মিণী বা ৰাম-সীতাৰ লগত তুলনা কৰা হয়।

ধুবুৰী অঞ্চলৰ বিয়াগীত –

(১) চোৰা চন্দন হাতত মাৰিলুং
কইৰে দামনি সেন্দূৰ আনিছেন মোৰে।
আনছি সেন্দূৰ দিছিনানী মায়েৰ হাতে।

(২) হৰি বোলান দিয়া, আইসো কি ও সই।
কেষ্ট বোলান দিয়া, আইসো কি ও সই।

মুঁই নাৰী না পিন্ধং মাজে কি ও সই।
দেখা দিয়া হৰি, দেখা না দিলৰে
এই দুখ বৈল, মনেৰ মাজে কি সই।
হৰি বোলান দিয়া, আইসো কি ও সই।
কেষ্ট বোলান দিয়, আইসো কি ও সই।
মুকালমুৱা অঞ্চলৰ মুছলমানৰ বিয়াত গোৱাগীত–
ৰামেশ্বৰ কোন আহিছে ঐ
ৰামেশ্বৰ দ্বাৰাকাৰ অধিপতি আহে ঐ
মন্দিৰৰ ভিতাৰে কান্দে ৰুকমিনী
ঐৰাম শিশুপাল আহি পায় ঐ ...."[২৩]

আলোচনাক্ৰমে স্থানান্তৰত কৈ আহিছোঁ যে হিন্দুয়ে বিয়াৰ শেষত সপ্তপদীৰ সময়ত বেদমন্ত্ৰ উচ্চাৰণ কৰি কৰি যেনেকৈ দাম্পত্য জীৱনত প্ৰৱেশ কৰিবলৈ অগ্ৰসৰ হয়; মুছলমানৰো বিয়াৰ অন্তত তেনেকৈ আয়াত পাঠ কৰি কৰি দৰা-কইনাই দাম্পত্য জীৱনত প্ৰৱেশ কৰে।

এনে আৰু নানা গীত-মাত উধৃত কৰি দেখুৱাব পাৰি যে হিন্দু-মুছলমানৰ মাজত কোনো বিভেদ নাছিল; আজান ফকীৰে গাই যোৱাৰ দৰে লোক-সমাজৰ মানত 'হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান' আছিল, চিন্তা-চেতনা, কাম-কাজত বিশেষ একো বিভেদ নাছিল; তাৰ দ্বাৰা লোক-সমাজে নিজক যথাৰ্থ সংস্কৃতিসম্পন্নৰূপে পৰিচয় দিবলৈ সমৰ্থ হৈছিল। কিন্তু দেশ বিভাজনৰ পিছত দুয়ো সম্প্ৰদায়ৰ নেতৃবৰ্গৰ মাজত সন্দেহ-সন্দিগ্ধতাই বাহ লোবাৰ ফলত নেতৃবৰ্গ আৰু মৌলবাদীবিলাকৰ প্ৰৰোচনাত হিন্দুৰ পৰা মুছলমান আৰু মুছলমানৰ পৰা হিন্দু ক্ৰমে আঁতৰি যাবলৈ ধৰাৰ ফলত সম্প্ৰদায় নিৰপেক্ষ গীত-মাত আদি পৰিবেশনৰ ক্ষেত্ৰতো বাধাৰ সৃষ্টি নোহোৱাকৈ থকা নাই। নাওখেলৰ গীত-মাত প্ৰভৃতি কিন্তু আজিও প্ৰায় অবিকৃত ৰূপত পৰিবেশন কৰা হয়।

অসমৰ বহু গাঁৱত হিন্দু- মুছলমান উভয় সম্প্ৰদায়ে একেলগে সৌ মহম্মদ ইবন বখ্‌তিয়াৰ খিলজীৰ দিনৰে পৰা বসবাস কৰি আহিছে। তেওঁলোকে মন্দিৰ-মছজিদ সমুখা-সমুখিকৈ সাজে, উভয় সম্প্ৰদায়ে উৎসৱ অনুষ্ঠান আদিও উমৈহতীয়া উৎসৱ অনুষ্ঠানৰূপে আজিও পালন কৰা দেখা যায়, বিশেষকৈ শিৱৰাত্ৰি আৰু ঈদ উৎসৱ। অৱশ্যে এইটো সৰ্বভাৰতীয় ৰূপেই আছিল।

আদৰ-সম্ভাষণ :

আদৰ-সম্ভাষণ নিবেদনৰ মাজেদি ব্যক্তিৰ দৰে সমষ্টিৰ সাংস্কৃতিক বৈশিষ্ট্যও অনুভৱ কৰিবলৈ পোৱা যায়। সাধাৰণতে ধৰ্ম-সম্প্ৰদায় ভেদে সাদৰ-সম্ভাষণ জনোৱাৰ নিদৰ্শনো হয় ভিন ভিন। সাধাৰণতে ভাৰতীয় হিন্দুসকলে হাতযোৰ কৰি বা ভৰি চুই শ্ৰদ্ধেয়জনলৈ সাদৰ-সম্ভাষণ জনোৱা ৰীতি, ই সামন্তযুগৰ সৃষ্টিও হ'ব পাৰে। অৱশ্যে বয়সস্থ বা সম্মানীয়জনে কনিষ্ঠ বা মৰমৰজনক মূৰত হাত বুলাই বা পিঠিত চপৰিয়াই মৰম নিবেদন কৰাও বহু পুৰণি ৰীতি। অৱশ্যে আন্তৰ্জাতিক প্ৰভাৱত সেই ৰীতি কৰমৰ্দনলৈ ক্ৰমে ৰূপান্তৰিত হৈ নথকা নহয়। আচাৰ্য বিনোৱাৰ অনুকৰণত সৰ্বোদয় কৰ্মীসকলে 'জয় জগত' উচ্চাৰণ কৰি, অসমৰ শংকৰীসকলে 'বাপ' বুলি উচ্চাৰণ কৰি আৰু ভিন ভিন ধৰ্মীয় সংস্থাই ভিন ভিন ৰূপে আদৰ-সম্ভাষণ জনাবলৈ ধৰা দেখা গৈছে। তেনেকৈ ইছলামধৰ্মীসকলে সাধাৰণতে 'আছ্ছালামু আলাইকুম' (আল্লাই আপোনাক শান্তি দিয়ক) আৰু 'ওয়া আলাইকুম ছালাম' (আপোনাকো শান্তি দিয়ক) বুলি সম্ভাষণ আৰু প্ৰতিসম্ভাষণ জনোৱা নিয়ম। ভাৰতবৰ্ষত আকবৰৰ শাসন কালৰ পৰা 'আদব' বুলি উচ্চাৰণ কৰি সম্ভাষণ জনোৱাৰ ৰীতিও প্ৰবৰ্তন হৈছিল। এনে ধ্বনিৰে সম্ভাষণ নিবেদন কৰা ৰীতি বৰ্তমানেও প্ৰবৰ্তি নথকা নহয়। কিন্তু প্ৰতিবেশী হিন্দুৰ প্ৰভাৱত বিশেষকৈ আমাৰ অসমৰ মুছলমানসকলেও কৰযোৰে সম্ভাষণ নিবেদন কৰা পৰিলক্ষিত হয়। আনকি বহুতো যুৱক-যুৱতীয়ে ভৰি চুই শ্ৰদ্ধা নিবেদন কৰা কাৰ্যও পৰিলক্ষিত নোহোৱাকৈ থকা নাই। কৰযোৰে বা ভৰি চুই আদৰ-সম্ভাষণ জনোৱা ৰীতি ইছলামবিৰোধী, কৰমৰ্দন কৰা ৰীতিহে ইছলাম অনুমোদিত। মৌলবাদী বা ৰক্ষণশীলৰূপে পৰিচিতসকলে অন্ততঃ প্ৰতিবেশী বা পৰিচিত সম্মানীয় হিন্দু লোকলৈ কৰযোৰে শ্ৰদ্ধা-নিবেদন কৰা প্ৰায় স্বাভাৱিক ৰীতিত পৰিণত হৈছে। মুকলিমূৰীয়া মুছলমান যুৱক-যুৱতীসকলৰ দৰে মুকলিমূৰীয়া হিন্দু যুৱক-যুৱতীসকলেও অন্ততঃ যুৱ-সমাজৰ মাজত কোনো প্ৰকাৰৰ কৃত্ৰিম ভেদাভেদ ৰখাৰ আৱশ্যকতাই অনুভৱ নকৰে।

ড° মোহিনী শইকীয়াই ড° তাৰাচান্দৰ অনুকৰণৰ 'অসম-মুছলমান সাংস্কৃতিক সম্পৰ্ক' বোলা ইংৰাজী গ্ৰন্থখনৰ এঠাইত [21] অসম-ভাৰতৰ সংস্কৃতিত ইছলামৰ প্ৰভাৱত গুৰু দেৱতালৈ উন্নীত হৈছে বুলি অভিমত তুলি ধৰিছে। ই এক বিবদমান অভিমত। সঁচা কথা যে অসম-ভাৰতত 'গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু, গুৰু মহেশ্বৰ' ৰূপে প্ৰতিপন্ন হোৱাৰ দৰে ইছলাম জগততো নবীক আল্লা প্ৰেৰিত দূতৰূপে শ্ৰদ্ধা-সম্মান কৰা হয়। আনকি খ্ৰীষ্টানতো একে ধ্যান-ধাৰণা পৰিলক্ষিত হয়। খ্ৰীষ্টান জগতত পোপ আজিও অলৌকিক সত্তা ৰূপে সম্মানিত। বাস্তৱতাৰ ভেটিত বিচাৰ কৰিলে অনুভৱ হয় যে ই সামন্তযুগীয়া ধ্যান-ধাৰণা মাথোন। সামন্ততন্ত্ৰই ৰজা আৰু ধৰ্মগুৰুক, চিৰদিন আৰু সমগ্ৰ

পৃথিৱীব্যাপী, অলৌকিক সত্তাৰূপে প্ৰতিপন্ন কৰি আহিছে। হিন্দু-মুছলমান-খ্ৰীষ্টান সকলোৰে ক্ষেত্ৰত সি সমানে প্ৰযোজ্য, সি আন্তৰ্জাতিক। অধিকাৰসকল আছিল ভক্ত জনগণৰ মানত প্ৰভু গোসাঁই। তেনেদৰে মুছলমান সত্ৰৰ অধিকাৰো ৰাইজৰ মানত আছিল গোসাঁই, গৰীয়া গোসাঁই বা মুছলমান গোসাঁই।

অসমত হিন্দু-মুছলমানৰ সাংস্কৃতিক সম্পৰ্কই কেনে প্ৰসাৰতা লাভ কৰিছিল, ই তাৰ অনুপম নিদৰ্শন।

সত্যনাৰায়ণ আৰু সত্যপীৰ ঃ

অসমত অকল হিন্দুৰ মাজত সন্ত-মহন্তসকল আৰু মুছলমানৰ মাজত পীৰ-ফকীৰসকল সন্মানীয় বা শ্ৰদ্ধেয় নহয় ; হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ মাজতেই উভয় সম্প্ৰদায়ৰ সাধু-মহন্ত, পীৰ-ফকীৰসকল সন্মানীয় আৰু শ্ৰদ্ধেয়। উদাহৰণস্বৰূপে বৈষ্ণৱ ধৰ্মগুৰুসকললৈ আৰু মুছলমানৰ পীৰ-আউলীয়াসকললৈ আঙুলিয়াব পাৰি। শংকৰদেৱ-মাধৱদেৱ-দামোদৰদেৱ-হৰিদেৱ প্ৰমুখ্যে বৈষ্ণৱ-ধৰ্মগুৰুসকল উভয় সম্প্ৰদায়ৰ মাজত প্ৰিয়, উভয় সম্প্ৰদায়ৰ মাজত তেওঁলোকৰ ভক্ত-শিষ্য আছিল। তেনেকৈ পোৱামক্কাৰ প্ৰতিষ্ঠাপক হজৰত ঘিয়াচুদ্দিন আউলীয়া আৰু জিকিৰ-জাৰীৰ প্ৰসিদ্ধ পীৰ আজান ফকীৰো উভয় সম্প্ৰদায়ৰ মাজতে সমানে প্ৰিয়, উভয় সম্প্ৰদায়ৰ মাজত তেওঁলোকৰ ভক্ত মুৰীদ আছিল। সিমানেই নহয়, সত্যপীৰ বোলা জনৈক পীৰক অবিভক্ত গোৱালপাৰা জিলা অঞ্চলত দেৱতাৰূপে গ্ৰহণ কৰি পূজা-সেৱা আগবঢ়াবলৈও এৰা নাছিল, আজিও তাৰ অনুকৰণ অব্যাহত আছে। সত্যপীৰ পূজা হিন্দুৰ সত্যনাৰায়ণ পূজাৰ অনুকৰণত গঢ় লৈ উঠা একপ্ৰকাৰ পূজা। জনৈক ব্ৰাহ্মণ পণ্ডিত ৰামেশ্বৰ ভট্টাচাৰ্যই হেনো ৰচনা কৰি দিছে সত্যপীৰ, এক আৰু অভিন্নত —

যেই সত্য নাৰায়ণ, সেই সত্যপীৰ।
দুই কুলে লৈছে সেৱা কৰিয়া জাহিৰ।।

সত্য পীৰ নামে পূজা কৰিবে যাৱন্তে।
এৰূপ কৰিবে সেৱা যাৰ যেই মনে।।

হিন্দু- মুছলমানৰ সমন্বয়ত গঢ় লৈ উঠা নতুন সংস্কৃতিৰ ই অনুপম আৰু অভিনৱ নিদৰ্শন মাথোন। এই সমন্বয়ে অসমক কৰি তুলিছিল ক্ৰমে বেছি উদাৰ, বেছি মহান।

সূক্ষ্ম আৰু নিৰপেক্ষভাৱে বিচাৰ কৰিলে অনুভৱ হয় যে অসমত ইছলামধৰ্মী মুছলমানৰ বসতি আৰম্ভ হোৱাৰে পৰা উভয় সম্প্ৰদায়ৰ সমন্বয়ত এখন নতুন অসম বা এটা নতুন অসমীয়া জাতিহে যেন গঢ় লৈ উঠিছে ; তাক অস্বীকাৰ কৰা মানে সত্যৰ অপলাপ কৰা।

সূচী সংকেত ঃ

১। বিশিষ্ট সাম্যবাদী নেতা শ্ৰীদ্ৰুপদ বৰগোহাঁয়ে অভিজ্ঞতাৰ পৰা লিখিতভাৱে জানিবলৈ দিছে।

২। ড° নবীন চন্দ্ৰ শৰ্মা ঃ *অসমৰ ওজাপালি*, পৃঃ ১৭

৩। নজৰ আলী ঃ *মোৰ জীৱনৰ কিছু কথা*, পৃঃ ৫

৪। বিজয় ভাগৱতী ঃ *দৰঙী সংস্কৃতিত হেৰাই যোৱা গৰীয়া ওজা*, মংগল বাতৰি, ২৯ ছেপ্তেম্বৰ, ১৯৯২।

৫। Al- Biruni : *India*, PP. 52-53.

৬। Dr. Tarachand : *Hindu-Muslim Problem*, P. 39.
Dr. B.N. Pande : *Islam & Indian Culture*, P. 59.

৭। W. W. Hunter, *Indian Musalmans*, quoted in Dr. Tarachand, *Hindu-Muslim Problem*, P. 39.

৮। Dr. B.N. Pande : *Islam & Indian Culture*, PP. 67-68

৯। *Ibid*, PP. 68-69.

১০। মেদিনী চৌধুৰী ঃ *লুইত, বৰাক ইছলাম*, পৃঃ ২৫-২৬।

১১। ড° জাকিৰ হুছেইন ঃ *ইবন্‌বটুতা আৰু জালালুদ্দিন তাব্ৰীজী তথা প্ৰাক্‌শংকৰী যুগৰ অসমত ভক্তিবাদ*, ১৯৯৭ চনৰ ২০ এপ্ৰিল সংখ্যা 'অগ্ৰদূত'ত প্ৰকাশিত নিবন্ধ।

১২। মেদিনী চৌধুৰী ঃ লুইত, বৰাক ইছলাম, পৃঃ ২৯।

১৩। *ভাগৱত* ঃ ১১/৫/ ৩৯ - ৪০।

১৪। Dr. B. Kakati : *Mother Goddess Kamakhya*, P. 78.

১৫। মেদিনী চৌধুৰী ঃ *লুইত, বৰাক ইছলাম*, পৃঃ ৫০-৫১।

১৬। শ্ৰীৰামচন্দ্ৰ দাস ঃ *জন সাহিত্যৰ মধুকৰ*, পৃঃ ৩৪

১৭। মেদিনী চৌধুৰী ঃ *লুইত, বৰাক ইছলাম*, পৃঃ ৫৬।

১৮। *প্ৰাগুক্ত গ্ৰন্থ* পৃঃ ৫৬-৫৭।

১৯। ড° সূৰ্যকুমাৰ ভূঞা (সম্পাদিত) *তুংখুঙীয়া বুৰঞ্জী*, পৃঃ ২৯/৩০।

২০। ড° সূৰ্যকুমাৰ ভূঞা ঃ *স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ*, পৃঃ ১৭৫-'৭৬।

২১। *প্ৰাগুক্ত গ্ৰন্থ*, পৃঃ ১৬৬।

২২। W. W. Hunter : *Statistical Accounts of Assam*, Vol I, P. 39.

২৩। Minhojuddin : *Fathia-i-Abriya*, Transeated by Bloch man, P. 80.

২৪। Dr. S.K. Bhuyan : *Annals of Delhi Badshahate.* P. 101.

২৫। শশী শৰ্মা, *অসমৰ লোকসাহিত্য,* পৃঃ ৫৬-৫৭ ৰ পৰা উধৃত। সংগ্ৰহ কৰি দিছিল আব্দুৰ ৰৌফ চৌধাৰী আৰু চৈয়দা জাহানাৰা বেগমে।

২৬। *প্ৰাগুক্ত গ্ৰন্থ* পৃঃ ৩৫৬। সংগ্ৰহ কৰি দিছিল আগমনীৰ জিন্নাত আৰা বেগম (মুন্নী) আৰু মতিচৰৰ আবুল হাচান শেখ আৰু শনিয়াদীৰ আব্দুৰ ৰৌফ চৌধাৰীয়ে।

২৭। Dr. M. Saikia : *Assam-Muslim Relation and Its Cultural Significance,* P. 250.

২৮। চৈয়দ আব্দুল মালিক : *অসমীয়া জিকিৰ আৰু জাৰী,* সম্পাদকীয় পাতনি।

২৯। ড° মহেশ্বৰ নেওগ (সম্পাদিত) : *গুৰুচৰিত-কথা,* পৃঃ ১২৮।

৩০। Dr. M. Saikia : *Ibid,* P. 232.

৭

চতুৰ্থ অধ্যায়

হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ কলহত বিষ

এতিয়া এটা কথা স্পষ্ট হৈ পৰিল যে বাহ্যিকভাৱে হিন্দু-মুছলমানৰ মাজত কিছু বিভেদ আছিল যদিও আভ্যন্তৰীণভাৱে অসমৰ হিন্দু-মুছলমানৰ মাজত সাংস্কৃতিক সম্পৰ্ক আছিল অতি মধুৰ। সেই সম্পৰ্ক আছিল জানিগোগ গাঁৱৰ দন্তীৰাম গাওঁবুঢ়াৰ সদৃশ প্ৰাণখোলা মানৱীয় সম্পৰ্ক; তাত নাছিল কোনো প্ৰকাৰৰ কলুষ-কালিমাৰ স্থান। সদ্য প্ৰয়াত বিশ্বনাথ শৰ্মা নলবাৰী জিলাৰ বাঁহজানী অঞ্চলৰ এগৰাকী আগশাৰীৰ মুক্তি সংগ্ৰামী আছিল। তেওঁ বাস্তৱ অভিজ্ঞতাৰ ভেটিত বাঁহজানী অঞ্চলৰ হিন্দু-মুছলমানৰ সম্পৰ্কৰ কথা সুঁৱৰি লিখিতভাৱে জানিবলৈ দিছিল, —

> "১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়ত আমাৰ ইয়াত মুছলমানৰ সহযোগিতা পূৰামাত্ৰাই আছিল। আমাৰ ইয়াত দুজন মুছলমান ছাত্ৰই আন্দোলনত আগভাগ লৈছিল; তেওঁলোক হ'ল-চান্দকুছিৰ ইছলাম আলী আৰু পশ্চিমখাটাৰ কালকুছিৰ বান্দৰ আলী। তেওঁলোকে প্ৰতিটো আন্দোলনতে আগভাগ লৈছিল। হিন্দু-মুছলমান আটাইবিলাক ভলণ্টিয়াৰে গাইছিল— 'হাতে হাতে ধৰি ব'লা আগুৱাই, ত্ৰিশকোটি হিন্দু-মুছলমান'। আমাৰ ইয়াৰ মুছলমানবিলাকে এতিয়াও আমাক মোমাই, খুৰা, দাদা ইত্যাদি সম্বন্ধ ধৰি মাতে। বিহুকে ধৰি নানা উৎসৱ-পৰ্ব মুছলমানেও পালন কৰে।"

বাংলাৰ লোক-কবিয়ে যে গাইছিল,—

> নানা বৰণ গাভীৰে তাৰ একই বৰণ দুধ।
> জগত ভৰমিয়া দেখলাম একই মায়েৰ পুত।।

যেন প্ৰকৃত অৰ্থতে লোক-সমাজৰ মাজত পৰিলক্ষিত হৈছিল। তেনেকৈ ৰবীন্দ্ৰ নাথে উদাত্ত কণ্ঠে গোৱা গীত—

> হেথায় আৰ্য হেথা অনাৰ্য হেথায় দ্ৰাবিড়চীন
> শকহুন দল পাঠান-মোগল এক দেহে হল লীন।'

— ৰ ভাবাদৰ্শও যেন প্ৰকৃত অৰ্থতে বাস্তৱত ৰূপায়িত হৈছিল। ভাৰতদেহত আৰ্য-অনাৰ্য, শক, হুন, দ্ৰাবিড়-চীন, পাঠান-মোগল আটায়ে মিলি এক আৰু অভিন্নৰূপে প্ৰবৰ্তাৰ দৰে অসম-দেহতো আটায়ে মিলি এক আৰু অভিন্নৰূপে প্ৰতিপন্ন হৈছিল। সঁচাকৈয়ে হিন্দু-মুছলমানকে ধৰি আটায়ে ভাতৃত্ববোধত উদ্বুদ্ধ হৈ এক বিশিষ্ট

সংস্কৃতিসম্পন্ন জীৱন-নিৰ্বাহ কৰিবলৈ লৈছিল; যিটো দেখি সাম্ৰাজ্যবাদী ইংৰাজ প্ৰশাসন বিস্ময়ত বিমূঢ় হৈছিল। হিন্দু-মুছলমান সমূহ জনগণৰ ঐক্যবদ্ধ মুক্তি-সংগ্ৰামৰ ফলত আনকি ১৮৫৭ চনৰ মহাবিদ্ৰোহৰ কালতে সমগ্ৰ ভাৰতত বৃটিছ সাম্ৰাজ্যৰ বেলি বুৰ যাওঁ যাওঁ হৈছিল।

কিন্তু বৃটিছ প্ৰশাসনৰ বিভাজন আৰু শাসন নীতিৰ ফলত সি সম্ভৱপৰ নহ'ল; শিখ আৰু গুৰ্খা বাহিনীক মুছলমানৰ বিৰুদ্ধে অতি কৌশলেৰে নিয়োগ কৰি, অকল যে সেই মহাবিদ্ৰোহকেই কঠোৰভাৱে দমন কৰিবলৈ কুণ্ঠাবোধ নকৰিলে তেনে নহয়; তাৰ পিছতো প্ৰায় এশ বছৰ পৰম দাম্ভিকতাৰে শাসনৰ নামত ভাৰতক শোষণ কৰিবলৈ সমৰ্থ হ'ল। সিমানেই নহয়, ভাৰতীয় হিন্দু-মুছলমানৰ ঐক্য-সংহতিৰ সোণৰ সঁফুৰাতো সাম্প্ৰদায়িকতাৰ ঘুণে বিন্ধা দি সমগ্ৰ ভাৰতীয় মহাজাতিটোৰ ঐক্য-সংহতি জৰ্জৰিত কৰি তুলিবলৈও সমৰ্থ হ'ল। ধৰ্ম-সম্প্ৰদায়ৰ নামত বিভেদ বিচ্ছিন্নতা সৃষ্টি কৰাত আৰু অবাধ শোষণৰ পথ মুকলি কৰি দিয়াত বৃটিছ প্ৰশাসনক কিন্তু সহায় কৰিছিল নকৈ গঢ় লৈ উঠা অকাল কুষ্মাণ্ডস্বৰূপ ভাৰতীয় মধ্যবিত্ত শ্ৰেণীটোইহে।

খ্ৰীঃ ১৭৯২ চনৰ কথা। তেতিয়া ভাৰতৰ ৰাজধানী কলিকতাত। বৰলাট লৰ্ড কৰ্ণৱালিচে মহীশূৰৰ প্ৰৱলপ্ৰতাপী আৰু দেশপ্ৰেমী চুলতান টিপুক নিহত কৰি সসৈন্যে কলিকতালৈ উভতিছে। বৰলাটক তোষামোদ কৰি প্ৰিয়পাত্ৰ হোৱাৰ প্ৰৰোচনাৰে নকৈ উঠি অহা একাংশ ভাৰতীয়ই অভিনন্দন পত্ৰৰ যোগে বৰলাটৰ ওচৰত নিবেদন কৰিলে,—

> "মহাশয়, আপুনি সাহসী সেনা বাহিনী লৈ অসীম টিপুৰ শত্ৰুৰ দেশত প্ৰৱেশ কৰি শত্ৰু সৈন্য ধ্বংস কৰি টিপুৰ গৰ্ব চূৰ্ণ কৰি অহাৰ কামনা পূৰ্ণ কৰিলে। টিপুৰ ধ্বংসৰ বতৰাই যেন আমালৈ অমৃতৰ ভাগুহে আনিলে। তেওঁৰ ধ্বংস সাধন কৰি মহাশয়, আপুনি আমাৰ জীৱন, স্বাধীনতা আৰু সম্পত্তি ৰক্ষা কৰিলে।"[২]

ইয়ে কেৱল তদানীন্তন একাংশ ভাৰতীয়ৰ কুৎসিত মানসিকতা, স্বাৰ্থান্ধতা, দেশপ্ৰেমহীনতা আৰু সংকীৰ্ণতাৰ পৰিচয়ে দিয়া নাই; হিন্দু-মুছলমানৰ মাজত বিভেদ-বিচ্ছিন্নতা সৃষ্টিত ইন্ধন যোগাইছে। সিমানেই নহয়, ইংৰাজ প্ৰশাসনক ইয়ে যথেচ্ছাচাৰী শাসন প্ৰৱৰ্তনতো সহায় কৰিছিল।

সুবিধাবাদী মানুহ চিৰকালেই চৰিত্ৰবিহীন, আদৰ্শহীন। একে উশাহতে এই অংশ মানুহৰ কথাৰ সুৰ বদলে, আদৰ্শ বদলে। এওঁলোক এক প্ৰকাৰ বহুমুখী দানৱ, এওঁলোক সমাজৰ শত্ৰু, মানৱতাৰ শত্ৰু। ভাৰতৰ হিন্দু- মুছলমানৰ মাজত গঢ় লৈ

উঠা ঐক্য, সংহতি আৰু সম্প্ৰীতিৰ সেতু বিধ্বংস কৰাত এওঁলোকে অতি নিকৃষ্ট ধৰণৰ ভূমিকা বহন কৰিছে। জাতীয় জীৱনত দেখা দিয়া সকলো ধৰণৰ বিভেদ-বিচ্ছিন্নতা, হিংসা-ঘৃণা-সন্ত্ৰাস, অশান্তি-অসূয়াৰ কাৰণে জগৰীয়া এই সুবিধাবাদী শ্ৰেণীৰ লোকসকলো।

বিভাজন আৰু শাসন ঃ

সম্ৰাজ্যবাদী ইংৰাজ প্ৰশাসনে একাংশ ভাৰতীয় লোকৰ সেই নিৰ্বুদ্ধিতাৰ আলম লৈয়ে জাপি দিছিল শোষণ-নিপীড়নৰ অক্টোপাছ। সুবিধাবাদী সেই অংশ ভাৰতীয় আমোলা-মহৰী প্ৰমুখ্যে নিৰ্বোধক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিয়ে বিনষ্ট কৰিছিল ভাৰতীয় লোকৰ ঐক্য-সংহতি। ইংৰাজ প্ৰশাসকসকলে লক্ষ্য কৰিছিল যে ভাৰতীয় হিন্দু জনগণে সুযোগ-সুবিধা পালেই মুছলমানৰ প্ৰশংসা কৰিছিল। সিয়ে ইংৰাজক আতংকিত কৰি তুলিছিল। কাৰণ ভাৰতত থকা ইংৰাজৰ তুলনাত ভাৰতীয় লোকৰ সংখ্যা অতি বিপুল। সেই বিপুলসংখ্যক জনগণ ঐক্যবদ্ধ হৈ থাকিলে, ইংৰাজ শাসনৰ পৰালি পৰিবলৈ বহুকাল নালাগে। সেয়ে ইংৰাজ প্ৰশাসন ষড়যন্ত্ৰত লিপ্ত হ'ল,— অতি কৌশলেৰে হিন্দুৰ চিত্তত মুছলমান ঘৃণাৰ বিষ ঢালি দিবলৈ ল'লে। পুথি-পত্ৰৰ মাধ্যমত আৰু শাসন ব্যৱস্থাৰ মাজেদি হিন্দু-মুছলমানৰ মাজত ঘৃণাৰ বীজ ছটিয়াই দিবলৈ ল'লে। সঁচাই- মিছাই প্ৰচাৰ কৰিব ধৰিছে মুছলমানে হিন্দুক কেনেকৈ নিৰ্যাতন কৰিছিল, মঠ-মন্দিৰ, দেৱতাৰ বিগ্ৰহ আদি কেনেকৈ ধ্বংস কৰিছিল আৰু বল প্ৰয়োগ কৰি কেনেকৈ ধৰ্মান্তৰিত কৰিছিল। আনকি বাবৰে ৰামমন্দিৰ ধ্বংস কৰি তাৰ ভেটিত বাবৰি মছজিদ নিৰ্মাণ কৰোবাৰ দৰে সজা কথা প্ৰচাৰ কৰিবলৈও নেৰিলে।

এই লক্ষ্য সাধনৰ অৰ্থে পোনতে পাঠ্যপুথিত বিভাজনৰ বিষ ঢালি দিলে, বিশেষকৈ বুৰঞ্জীত। কোনো সন্দেহ নাই যে একাংশ ইংৰাজেই ভাৰতত বিজ্ঞানসন্মতভাৱে বুৰঞ্জী ৰচনাৰ ৰীতি প্ৰৱৰ্তন কৰিছিল। কিন্তু আন একাংশই সাম্ৰাজ্যবাদী শোষণ চৰিতাৰ্থ কৰাৰ অৰ্থে বুৰঞ্জীৰ মাজেদি ঢালি দিলে বিভাজনৰ বিষ আৰু সেই বিষৰ জ্বালাৰ দ্বাৰা আজি দুশ বছৰে ভাৰত হৈ আহিছে জৰ্জৰিত। তেওঁলোকে বঢ়িয়াকৈ উপলব্ধি কৰিব পাৰিছিল যে ভাৰতত বৃটিছ শাসন অব্যাহত ৰাখিব লাগিলে অন্ততঃ সুবৃহৎ হিন্দু-মুছলমান গোষ্ঠী দুটাক শত্ৰু ভাবাপন্ন কৰি ৰাখিবই লাগিব।

তেতিয়ালৈকে মুছলমানসকল ইংৰাজৰ লগত শত্ৰু ভাবাপন্ন হৈয়ে আছিল। কাৰণ অসম আৰু পঞ্জাবত বাজে সমগ্ৰ ভাৰতবৰ্ষতে ইংৰাজে মুছলমান শাসকৰ হাতৰ পৰাহে ক্ষমতা হস্তগত কৰিছিল; মুছলমানসকলে সেই কথা পাহৰা নাছিল। ১৮৫৭ চনৰ মহাবিদ্ৰোহৰ পিছত গঢ়ি তোলা ওবাহাবি আন্দোলন ইছলামিক জাগৰণৰ উপৰি আছিল ইংৰাজ বিদ্বেষী আন্দোলনো। গতিকে ইংৰাজে গৰিষ্ঠসংখ্যক ভাৰতীয়

হিন্দুক হাতত ৰাখি মুছলমানক দমন কৰিবলৈ হিন্দু চিত্তত মুছলমানৰ বিৰুদ্ধে বিষ ঢালিবলৈ ল'লে। তেতিয়া মুছলমানবিলাক আছিল ইংৰাজৰ মানত প্ৰথম শ্ৰেণীৰ শত্ৰু। শোষকশ্ৰেণীয়ে চিৰদিনেই শোষিতৰ মাজত সন্দেহ-সন্দিগ্ধতা, হিংসা-ঘৃণাৰ সৃষ্টি কৰি শোষণৰ পথ সুগম কৰি তুলিব বিচাৰে। শোষক ইংৰাজহঁত আছিল মহা চতুৰ। তেওঁলোকে বুৰঞ্জী ৰচনা কৰিবলৈ লৈ ভাৰত বুৰঞ্জীক : (১) হিন্দুযুগ (২) মুছলমান যুগ আৰু (৩) বৃটিছ যুগ – এই তিনিটা যুগত বিভক্ত কৰি দেখুৱালে যে হিন্দুযুগ ভাৰতৰ সোণালী যুগ, মুছলমানৰ যুগ হিন্দুৰ দাসত্বৰ যুগ আৰু বৃটিছ যুগ দাসত্বৰ পৰা মুকলি হৈ জ্ঞান-বিজ্ঞানৰ পথত অগ্ৰসৰ হোৱা যুগ।

মুছলমান শাসনত দিনত সময়ে সময়ে হিন্দুসকল হয়তো নিৰ্যাতিত হৈছিল। চুলতান মাহমুদ, টাইমুৰ, নাদিৰছাহ আদিৰ আক্ৰমণ আৰু মহা লুণ্ঠনে ভাৰতক জুলুকিয়ে জুলুকিয়ে পানী খুওৱা কথাও সঁচা। কিন্তু মন কৰিব লগ' কথা এয়ে যে সেইসকল আছিল লুণ্ঠনকাৰী দস্যুহে আৰু সেই লুণ্ঠনকাৰীহঁতে কেৱল হিন্দুকেই লুণ্ঠন কৰা নাছিল, মুছলমানকো লুণ্ঠন কৰিছিল। টাইমুৰ আৰু নাদিৰছাহৰ আক্ৰমণৰ কালত দিল্লীত মুছলমান শাসনেই আছিল। কিন্তু কোনোৱে ৰক্ষা পোৱা নাছিল, এফালৰ পৰা সকলো বিধ্বংস কৰি গৈছিল। সেই অত্যাচাৰ-নিপীড়ন আছিল বৰ্বৰোচিত কাৰ্য্য। সেই বৰ্বৰতা অসমত আহোম ৰাজ্যৰ প্ৰতিষ্ঠাত৷ চুকাফায়ো (খ্ৰীঃ ১২২৮) সংঘটিত নকৰাকৈ থকা নাছিল। বিনা প্ৰতিবাদে অধীনতা স্বীকাৰ নকৰাসকলৰ বাপেকৰ মঙহ পুতেকক আৰু পুতেকৰ মঙহ বাপেকক খুৱাবলৈও জানো বাদ দিছিল।[৩] সিয়েই আছিল বৰ্বৰোচিত সামন্তযুগীয়া ৰীতি। বুৰঞ্জীয়ে এই যুগ অনুসৰি সমাজ-সভ্যতাৰ স্বৰূপ বিচাৰ নকৰিলে, সি হয় অবৈজ্ঞানিক আৰু পক্ষপাত দোষদুষ্ট।

অশোকে বৌদ্ধধৰ্ম ৰাজধৰ্ম কৰিছিল। কিন্তু অশোকৰ বিয়োগৰ পিছত ব্ৰাহ্মণমন্ত্ৰী পুষ্যমিত্ৰই শৃংগবংশৰ ৰাজত্ব প্ৰতিষ্ঠা কৰি চলাইছিল নিৰ্মম বৌদ্ধ নিৰ্যাতন। বৌদ্ধ স্তূপ আৰু বিহাৰবোৰ ধ্বংস কৰোৱাৰ উপৰি বৌদ্ধ সন্ন্যাসীসকলকো নিষ্ঠুৰভাৱে নিধন কৰিবলৈ লৈছিল। আনকি হেনো ঘোষণা দিছিল যে বৌদ্ধ সন্ন্যাসীৰ মূৰ আনি দেখুৱাব পাৰিলে, প্ৰত্যেকটো মূৰৰ বিনিময়ত এশকৈ স্বৰ্ণমুদ্ৰ উপহাৰ পাব। পুষ্যমিত্ৰৰ বিয়োগৰ পিছত ৰচনা কৰা 'দিব্যবাদন' বোলা সংস্কৃত গ্ৰন্থত হেনো এইবোৰৰ বৰ্ণনা আছে।[৪]

এনেবোৰ বৰ্ণনাক অতিৰঞ্জিত বুলি কোৱাৰ থল আছে যদিও ই যে সত্যতা বিবৰ্জিত নহয়, তাত দ্বিধা-শংকাৰ থল নাই। তদুপৰি বিশেষ মন কৰিব লগা কথা এয়ে যে পুষ্যমিত্ৰ বিদেশী আক্ৰমণকাৰী নাছিল, স্বদেশী আৰু ভাৰতীয় হিন্দুই আছিল। পুষ্যমিত্ৰই সংঘটিত কৰোৱা অত্যাচাৰ-নিৰ্যাতন আছিল আদৰ্শগত নিৰ্যাতন, কাৰণ

বৌদ্ধ আছিল মূলতঃ নিৰীশ্বৰবাদী। পুষ্যমিত্ৰৰ নিৰ্যাতন নিৰীশ্বৰবাদীৰ বিৰুদ্ধে চলোৱা ঈশ্বৰবাদীৰ নিৰ্যাতন-নিপীড়নৰ নিদৰ্শন। সামন্তযুগত ধৰ্ম-সম্প্ৰদায়ৰ বিভেদৰ নামত অসম-ভাৰতকে ধৰি সমগ্ৰ পৃথিৱীতেই অত্যাচাৰ-নিৰ্যাতন চলা ঐতিহাসিক সত্য। কিন্তু ৰাজনীতিৰ ক্ষেত্ৰত ধৰ্ম-সম্প্ৰদায়ক লৈ বিচাৰ নকৰাই উচিত। কাৰণ শাসন মানেই প্ৰকৃততে শোষণ। ক্ষমতা অটুট ৰখাৰ কাৰণে ভাই-বন্ধু, পিতৃ-মাতৃ আনকি পুত্ৰ-কন্যাকো ৰাজনীতিত ক্ষান্ত দিয়া নহয়। অসম বুৰঞ্জীতেই জানো পুত্ৰই পিতৃক হত্যা কৰি ৰাজপাটত উঠাৰ নিদৰ্শন নাছে।[৫] আওৰংগজেবে বুঢ়া বাপেক ছাহজাহানক বন্দী কৰি ককায়েক-ভায়েকহঁতৰ তেজৰ নৈ পাৰ হৈহে মোগল সিংহাসনত উঠিছিল। অথচ আওৰংজেবক বোলা হৈছিল আলমগীৰ – শ্ৰেষ্ঠপুৰুষ।

হিন্দুৱে হিন্দুক, মুছলমানে মুছলমানক আৰু খ্ৰীষ্টানে খ্ৰীষ্টানক অত্যাচাৰ বা নিপীড়ন কৰা ৰাজনীতিত এটা স্বাভাৱিক কথা হৈ আহিছে। বিখ্যাত ঐতিহাসিক ৰমেশচন্দ্ৰ মজুমদাৰে জানিবলৈ দিছে যে উত্তৰ ভাৰতৰ মুছলমান শাসকে যেতিয়া দক্ষিণ ভাৰতৰ হিন্দু চালুক্যৰ বিৰুদ্ধে অভিযান চলাইছিল, তেতিয়া দক্ষিণ ভাৰতৰ হিন্দু যাদৱসকলে হিন্দু চালুক্যক মুছলমানৰ বিৰুদ্ধে সহায় কৰাৰ পৰিবৰ্তে চালুক্যৰাজ্য জয় কৰাত মুছলমান আক্ৰমণকাৰীকহে সহায় কৰিছিল।[৬] ৰাজনীতি কেনে নিৰ্মম, কেনে নিষ্ঠুৰ তাক অনুভৱ কৰাত ইবোৰে সহায় কৰে।

আমাৰ দেশৰ একাংশ বুদ্ধিজীৱীয়ে যেন বুজিও নুবুজে যে এইখন দেশৰ সমাজ, সভ্যতা, সংস্কৃতি হিন্দু-মুছলমান, শিখ-খ্ৰীষ্টান, জৈন-বৌদ্ধ, শৈৱ-শাক্ত-বৌদ্ধ আদি কৰি নানা ধৰ্ম, নানা সম্প্ৰদায়ৰ লোক সমষ্টিৰ মিলন-মিশ্ৰণ, সমন্বয়-সমাহৰণৰ ভেটিত গঢ় লৈ উঠিছে। যথাৰ্থ বিজ্ঞ আৰু গণতান্ত্ৰিক চেতনাসম্পন্ন কোনো লোকেই, সেই কাৰণে, কোনো সংখ্যালঘিষ্ঠ জনগোষ্ঠীক অৱহেলা বা অৱজ্ঞা নকৰে। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে শ্ৰেণী সমাজৰ স্বৰূপ বিচাৰ কৰাত অসমৰ্থ একাংশ ভাৰতীয় বুদ্ধিজীৱীয়ে ইংৰাজে সাম্ৰাজ্যবাদী শোষণ অব্যাহত ৰখাৰ কাৰণে প্ৰবৰ্তন কৰা বিভাজন আৰু শাসনৰ স্বৰূপ উপলব্ধি কৰাতো ব্যৰ্থ হৈছে। এই অংশ বুদ্ধিজীৱীয়ে কেৱল মুছলমানে মন্দিৰ-মছজিদ ভঙাৰ কথা আৰু সঁচাই-মিছাই ধৰ্মান্তৰ কৰা কথাতহে গুৰুত্ব আৰোপ কৰে। 'History of India as told by their own Historians' বোলা গ্ৰন্থখনৰ মুখবন্ধৰ এঠাইত কৈছে , –

> "মুছলমান শাসন কালৰ শাসকবিলাক আছিল কেৱল মহা লম্পট শোষক, সিহঁত আছিল কেৱল ইন্দ্ৰিয়ৰ দাস, কামাতুৰ। অতি সামান্য অপৰাধতে গাঁও-ভুঁই পুৰি দিছিল। সিহঁতে বিয়পাই দিছিল কেৱল হিংসা-ঘৃণাৰ বীজাণু। সামান্য কথাতে সিহঁতে হিন্দুক হত্যা কৰিছিল, গাঁৱৰ পিছত গাঁও জ্বলাই দিছিল,

মন্দিৰ আৰু মন্দিৰৰ বিগ্ৰহ ধ্বংস কৰিছিল, বলপূৰ্বক ধৰ্মান্তৰ কৰিছিল, বিয়া কৰাইছিল, সম্পত্তিৰ ভোগ-দখল লৈছিল, সিহঁতৰ ইন্দ্ৰিয়পৰায়ণতা বা উন্মত্ততাৰ সীমা নাছিল।"[৭]

ইংৰাজ ঐতিহাসিকৰ এনে কথা আৰু কাম আকস্মিক বা অভাৱনীয় নাছিল, সি আছিল সম্পূৰ্ণৰূপে পূৰ্বপৰিকল্পিত আৰু প্ৰশাসন নিৰ্দিষ্ট। ইংলেণ্ডত থকা বৃটিছ প্ৰশাসনে সুস্থ মস্তিষ্কৰে যিবোৰ পৰিকল্পনা কৰিছিল আৰু পৰিকল্পনাক বাস্তৱত প্ৰয়োগ কৰিবলৈও তৎপৰতা প্ৰদৰ্শন কৰিছিল। ভাৰত সচিব উডে ভাৰতৰ বৰলাট আৰু ৰাজপ্ৰতিনিধি এলগিনক লিখিতভাৱে পৰামৰ্শ দিছিল,—

"এদলৰ বিৰুদ্ধে আন দলক উচটাই দিয়ে আমি ভাৰতত শাসন ক্ষমতা বৰ্তাই ৰাখিছোঁ। গতিকে জনগণৰ সাধাৰণ চেতনা যাতে প্ৰতিৰোধ কৰি থাকিব পৰা যায় তালৈ আপুনি চকু দিব।"[৮]

বৰলাট লৰ্ড ডাফৰিণৰ শাসন কালতে এলান অক্টেভিও হিউমে নেতৃত্ব বহন কৰি ১৮৮৫ চনৰ ২৮ ডিচেম্বৰৰ দিনা সংগঠন কৰিছিল ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভা। তেতিয়া প্ৰশাসনে কল্পনা কৰিছিল যে কংগ্ৰেছৰ জৰিয়তে ভাৰত-শাসনত সহায়ক এদল মানুহ পোৱা সম্ভৱপৰ হ'ব। কিন্তু যেতিয়া দেখিলে যে বদৰুদ্দিন তৈয়বজীৰ সভাপতিত্বত অনুষ্ঠিত কংগ্ৰেছৰ তৃতীয় অধিৱেশনৰ পৰা কংগ্ৰেছ জতীয়তাবাদীৰূপে প্ৰতিপন্ন হ'ল। তেতিয়াই স্বয়ং লৰ্ড ডাফৰিণ উঠিপৰি লাগিল দ্বিজাতি (হিন্দু-মুছলমান) আদৰ্শ প্ৰতিষ্ঠা কৰি হিন্দু-মুছলমানক বিভাজন কৰাত। তেতিয়ালৈকে চৈয়দ আহমেদ খাঁ আছিল জাতীয়তাবাদী মুছলমান নেতা। কিন্তু লৰ্ড ডাফৰিণৰ প্ৰৰোচনাত চৈয়দ আহমেদ খাঁ হৈ পৰিল মুছলমান সাম্প্ৰদায়িক। ভাৰতীয় মুছলিম লীগৰ অন্যতম বিশিষ্ট প্ৰতিষ্ঠাপক আৰু মুছলমানৰ সুকীয়া উচ্চশিক্ষা অনুষ্ঠান আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰো অন্যতম প্ৰতিষ্ঠাপক হ'ল,— পূৰ্বৰ জাতীয়তাবাদী মুছলমান নেতা চৈয়দ আহমেদ খাঁ।

সাম্ৰাজ্যবাদী বৃটিছে যে আৰু কত কি কৰাই নাছিল! ভাৰত সচিব জৰ্জ হ্ৰাশ্চিছেও ১৮৮৮ চনৰ ২৬ মাৰ্চৰ দিনা কাৰ্জনলৈ লিখিছিল,—

"মোৰ অনুমান হৈছে যে, এতিয়া আমি ভাৰত শাসন কৰাত প্ৰকৃত বিপদে দেখা দিয়া নাই, হয়তো ৫০ বছৰ পিছতহে দেখা দিব; পাশ্চাত্যৰ বিদ্ৰোহ-বিক্ষোভৰ ফলস্বৰূপেহে গ্ৰহণ আৰু সম্প্ৰসাৰণৰ ফলত, আৰু যদি আমি ব্যাপকভাৱে কাৰ্যসূচী গ্ৰহণ কৰি শিক্ষিত ভাৰতীয়সকলক দুটা পৰস্পৰবিৰোধী ভাগত বিভক্ত কৰিব নোৱাৰোঁ আৰু যদি তাক চৰকাৰী শিক্ষা ব্যৱস্থাৰ মাজেদি

সম্ভৱপৰ কৰি তুলিব নোৱাৰো। শিক্ষা বিভাগৰ পাঠ্যপুথিসমূহৰ পৰিকল্পনা এনে হ'ব লাগে যাতে সাম্প্ৰদায়িক বিভেদ ক্ৰমে বাঢ়ে।"[৯]

ভাৰত সচিব ক্ৰচেও বৰলাট ডাফৰিণলৈ লিখি জনাইছিল,—

"ধৰ্মীয় মতৰ বিভেদ আমাৰ কাৰণে এক বিৰাট সুযোগ, আশা কৰোঁ ভাৰতীয় শিক্ষা-ব্যৱস্থাৰ মাজেদি ইয়াৰ সুফল ঘটা সম্ভৱপৰ হৈছে।"[১০]

ইংৰাজে ভাৰতলৈ আহিছিল মূলতঃ শোষণ কৰিবলৈহে। ভাৰতক সুশিক্ষিত বা সুসভ্যৰূপে গঢ়ি তোলা লক্ষ্য ইংৰাজৰ নাছিল। এই সত্য অসমীয়া সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ কৃপাবৰী নিবন্ধ 'এংলো ইণ্ডিয়ান'ত কৃপাবৰী ভংগিৰে বৰ্ণনা কৰি কৈছিল যেন ভাৰত এজোপা জামুগছ আৰু ইংৰাজ জামু খাবলৈ আহা এজাক বিলাতী চৰাই—

"বৰবৰুৱাই কিন্তু এওঁলোকক ভাৰত জম্বুদ্বীপত থকা ডাঙৰ জামুগছ জোপাৰ পৰা জামু খাবলৈ গোটখোৱা আৰু জামু খোৱা হ'লে ভুৰুংকৰে উৰি গুচি যোৱা এজাতি বিলাতী চৰাই বোলে। এওঁলোকৰ বিস্তৰ গুণ, যিবোৰৰ নিমিত্তে এওঁলোকে 'দুনিয়া'ত প্ৰখ্যাত। এওঁলোকে লোকৰ জামু খাই জামু লৈ, জামু গছৰ ডাল ভাঙি তহিলং কৰে, আৰু নিজৰ ডাঙৰ ডাঙৰ টোটোলাত এঁটোটোলাকৈ জামু ভৰাই লৈ নিজৰ দেশলৈ গুচি যায়।"[১১]

ভাৰতত সাম্ৰাজ্যবাদী বৃটিছ শাসনৰ ই এটা তেনেই অবিকৃত স্বাভাৱিক ছবি। সঁচাকৈয়ে বৃটিছবিলাক যেন জামু খোৱা এজাতি চৰাইৰ দৰেই আছিল; তেওঁলোকে ভাৰতক এনে নিকৃষ্টভাৱে শোষণ কৰিছিল যে সমাজ-জীৱনৰ সাংস্কৃতিক বান্ধ ভাঙি-ছিঙি চুৰমাৰ কৰিছিল। মহম্মদ বিন কাছিমে খ্ৰীঃ ৭১২ চনত সিন্ধু জয় কৰাৰে পৰা বৰ্তমানলৈ এই প্ৰায় তেৰশ বছৰে হিন্দু-মুছলমানৰ মাজত নানা সংঘাত-সংগ্ৰাম ঘটিছে, কোনো কোনো চুলতান বা বাদছাহে অসহিষ্ণুতাৰ চিনাকি দি হিন্দুৰ ওপৰত অত্যাচাৰ-নিপীড়নো নচলোৱাকৈ থকা নাই। কিন্তু অধ্যাপক ইৰফান হবিবে কোৱাৰদৰে—

"চুলতান, বাদছাহ, সম্ৰাটসকলে হিন্দুৰ ওপৰত যথেচ্ছাচাৰ চলোৱাহেঁতেন, ভাৰতত মুছলমান শাসন এদিনো নিটিকিলহেঁতেন।"[১২]

টিপু চুলতান আৰু ইংৰাজৰ অপপ্ৰচাৰ :

টিপু আছিল মহীশূৰৰ প্ৰবল সাহসী, জাতীয়তাবাদী চুলতান; তদুপৰি টিপু আছিল সম্প্ৰদায় নিৰপেক্ষ। কিন্তু ইংৰাজ বুৰঞ্জী লেখক কৰ্ণেল মাইলছে ভিত্তিহীন মনেসজা কথাৰে প্ৰচাৰ কৰিছিল যে টিপুই ব্ৰাহ্মণসকলক বলেৰে ধৰ্মান্তৰিত কৰিবলৈ ওলোৱা কাৰণে তাৰ প্ৰতিবাদত তিনি হাজাৰ ব্ৰাহ্মণে আত্মহত্যা কৰিছিল। আৰু সেই

কথা প্ৰচাৰ কৰিছিল কলিকতা বিশ্ববিদ্যালয়ৰ বিশিষ্ট সংস্কৃত পণ্ডিত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে ৰচনা কৰা স্কুলীয়া পাঠ্যপুথি ভাৰত বুৰঞ্জীত। সেই বুৰঞ্জীখন বংগৰ উপৰি অসম, বিহাৰ, উৰিষ্যা, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ আৰু ৰাজস্থানৰ বিদ্যালয়সমূহৰ পাঠ্যপুথি আছিল।

বিশিষ্ট প্ৰগতিবাদী ঐতিহাসিক ড° বি, এন, পাণ্ডে এই প্ৰসংগটো তেওঁ ৰচনা কৰা 'ইছলাম আৰু ভাৰতীয় সংস্কৃতি' বোলা গ্ৰন্থখনত বহলাই আলোচনা কৰিছে। ড° পাণ্ডে হৰপ্ৰসাদ শাস্ত্ৰীয়ে তেওঁৰ ভাৰত বুৰঞ্জীত উল্লেখ কৰা ব্ৰাহ্মণসকলৰ আত্মহত্যাৰ কথাৰ সত্যাসত্য নিৰূপণ কৰিব বিচাৰি সেই তথ্যৰ অনুসন্ধানত লাগে। স্বয়ং হৰপ্ৰসাদ শাস্ত্ৰীয়ে জানিবলৈ দিলে যে তেওঁ মহীশূৰ গেজেটৰ পৰা সেই তথ্য গ্ৰহণ কৰিছে। ড° পাণ্ডে মহীশূৰ গেজেটৰ মাজত কিন্তু তেনে ঘটনাৰ সম্ভেদ নাপালে। মহীশূৰ গেজেটৰ সম্পাদক অধ্যাপক কাণ্টিয়াই ড° পাণ্ডেক জানিবলৈ দিলে যে ব্ৰাহ্মণৰ আত্মহত্যা বিষয়ক কাহিনী কৰ্ণেল মাইলছৰ 'মহীশূৰৰ বুৰঞ্জী'ৰ পৰা লৈছে। কৰ্ণেল মাইলছে তেওঁৰ বুৰঞ্জীত প্ৰচাৰ কৰিছিল যে তেওঁ লণ্ডনৰ ভিক্টোৰিয়া লাইব্ৰেৰীত সংৰক্ষিত মূল পাৰ্চীত ৰচনা কৰা বুৰঞ্জীৰ পৰা ব্ৰাহ্মণৰ আত্মহত্যাৰ কাহিনী গ্ৰহণ কৰিছে। ড° পাণ্ডে কিন্তু ভিক্টোৰিয়া লাইব্ৰেৰীত অনুসন্ধান কৰি তেনে পুথিৰ সম্ভেদ নাপালে আৰু শেষত সিদ্ধান্তলৈ আহিবলৈ বাধ্য হৈছে যে সেই ব্ৰাহ্মণৰ আত্মহত্যাৰ কাহিনী আছিল সাম্ৰাজ্যবাদী বৃটিছ প্ৰশাসনৰ উদ্ভাৱন, তাৰ লক্ষ্য হিন্দু-মুছলমানৰ মাজত বিদ্বেষ সৃষ্টি। ড° পাণ্ডে শেষত জানিবলৈ দিছে যে হৰপ্ৰসাদ শাস্ত্ৰীয়ে ৰচনা কৰা ভাৰত বুৰঞ্জীক পাঠ্যপুথিৰ পৰা বাদ দিবলৈ কলিকতা বিশ্ববিদ্যালয় বাধ্য হ'ল। কিন্তু সিয়ে প্ৰায় সমগ্ৰ ভাৰতব্যাপী তুমুল সাম্প্ৰদায়িক বিদ্বেষ সৃষ্টি নকৰাকৈ থকা নাছিল?[১৩]

ড° পাণ্ডেয়ে টিপুৰ হিন্দুৰ লগত কেনে সম্পৰ্ক আছিল তাৰ স্বৰূপ উদ্‌ঘাটনৰ কাৰণে মহীশূৰৰ বুৰঞ্জী, মহীশূৰ গেজেট আৰু বিশেষকৈ টিপুই শ্ৰীৰংগপট্টমৰ শৃংগেৰী মঠৰ শংকৰাচাৰ্যলৈ লিখা চিঠিবোৰ অধ্যয়ন কৰি জানিবলৈ দিছে যে টিপুৰ হিন্দুৰ লগত সম্পৰ্ক আছিল অতি মধুৰ। টিপুৰ প্ৰধানমন্ত্ৰী পূৰ্ণায়া আছিল ব্ৰাহ্মণ আৰু প্ৰধান সেনাপতি আছিল ব্ৰাহ্মণ কৃষ্ণৰাও। টিপুই হেনো স্থায়ীভাৱে হিন্দুৰ ১৫৬ টা মন্দিৰলৈ অনুদান আগ বঢ়াইছিল। মহীশূৰৰ হিন্দু ৰজাসকলে শ্ৰীৰংগপট্টম দুৰ্গৰ অভ্যন্তৰত অৱস্থিত ৰংগনাথৰ মন্দিৰ দৰ্শন নকৰাকৈ দৈনন্দিন কামত হাত নিদিয়াৰ দৰে হেনো টিপুৱেও ৰংগনাথৰ মন্দিৰ দৰ্শন নকৰাকৈ কোনো কামতে হাত নিদিছিল।

মহীশূৰৰ বুৰঞ্জীৰ অৱলম্বনত ৰচিত 'টিপু চুলতান' বোলা জীৱনী গ্ৰন্থখনত টিপুই কুৰ্গৰ হিন্দু আৰু মালবৰৰ নায়াৰৰ বিৰুদ্ধে অভিযান চলাই বিধ্বংস কৰা কথা

সঁচা। তেনেকৈ সমানে সঁচা যে মুছলমান হোৱা সত্ত্বেও টিপুই মোপালাসকলক, মহাদেবীসকলক, কূর্পুল আৰু ছেভানুৰৰ নবাবসকলকো শাস্তি দিছিল। কিন্তু ধৰ্মীয় বা সাম্প্ৰদায়িক কাৰণত টিপুই তেনেবোৰ অভিযান চলোৱা নাছিল, ৰাজনৈতিক কাৰণতহে সেই অভিযানবোৰ চলাবলৈ বাধ্য হৈছিল; সেই হিন্দু আৰু মুছলমানসকলে টিপুৰ বিৰুদ্ধে ইংৰাজক সহায় কৰিছিল।[১৪] ভাৰতৰ ইংৰাজ প্ৰশাসনৰ মানত টিপু আছিল মহাশক্তিশালী শত্ৰু। ১৭৯২ চনৰ মহীশূৰৰ যুদ্ধত যেতিয়া টিপু মৰিল, তেতিয়া হেনো ইংৰাজ প্ৰশাসনে আনন্দত কিৰিলি পাৰি উঠিছিল—

"ভাৰত আমাৰ।"[১৫]

টিপুৰ বিয়োগৰ পিছতো জনগণে টিপুৰ দেশপ্ৰেম, সাহসিকতা আৰু সম্প্ৰদায় নিৰপেক্ষতাৰ কথা পাহৰা নাছিল। সিয়ে ইংৰাজ প্ৰশাসনক পাগল কৰি তুলিছিল। টিপুক বিদ্বেষীৰূপে প্ৰতিপন্ন কৰি হিন্দু-মুছলমান বিদ্বেষ গঢ়ি তোলাৰ অৰ্থে মনেসজা কাহিনীৰে তিনি হাজাৰ ব্ৰাহ্মণে আত্মহত্যা কৰা কথা প্ৰচাৰ কৰা হৈছিল মাথোন।

ড° পাণ্ডে প্ৰমুখ্যে ঐতিহাসিক একাংশই বিজ্ঞানসন্মত আৰু নিৰপেক্ষ বিশ্লেষণৰ ভেটিত হিন্দু-বিদ্বেষী মোগল সম্ৰাট আওৰংজেবৰ ওপৰতো কিছু নতুন পোহৰ পাত কৰিবলৈ চেষ্টা কৰিছে। আকবৰে উঠাই দিয়া জিজিয়া কৰ পুনঃ প্ৰবৰ্তন কৰা কাৰণে আৰু হিন্দুৰ-বিকাশত অন্যান্য নানা বাধা আৰোপ কৰা কাৰণে আওৰংজেবক বুৰঞ্জীয়ে হিন্দু-বিদ্বেষী ৰূপেই জানিবলৈ দিছে। আনকি লোকগীততো,—

হাজাৰো সাল মে বাস ইয়াদ আনকো দস্তান ইতনি।
কে আলমগীৰ হিন্দু কসথা, যালিম থা, থিত মাগাৰ থা।।

(হাজাৰ বছৰ মুছলমান শাসন কালত ভাৰতীয়ই কেৱল ইয়াকেই স্মৰণ কৰে যে আলমগীৰ আছিল হিন্দু হন্তা, নিপীড়ক আৰু হৃদয়হীন সম্ৰাট।)

কিন্তু চাৰ যদুনাথ সৰকাৰ প্ৰমুখ্যে বুৰঞ্জীবিদসকলে নানা তথ্যৰ ভেটিত বিশ্লেষণ কৰি দেখুৱাইছে যে শাসক হিচাপে আওৰংজেবে হিন্দুৰ প্ৰতিও ন্যায় বিচাৰ প্ৰদৰ্শন নকৰাকৈ থকা নাছিল। ড° পাণ্ডে তেনে ভালেমান নিদৰ্শন দাঙি ধৰিছে তেওঁৰ উল্লেখ কৰি অহা গ্ৰন্থখনত। তাৰে এটা হ'ল বাৰাণসীৰ গৌৰী মহল্লাৰ জনৈক ব্ৰাহ্মণে মুছলমানৰ বিৰুদ্ধে সম্ৰাট আওৰংজেবৰ ওচৰত ন্যায়ৰ আশাত কৰা আবেদন। ব্ৰাহ্মণজন আছিল এটা মন্দিৰৰ অধ্যক্ষ। আবেদন অনুসৰি একাংশ মুছলমানে সেই মন্দিৰ আৰু তাৰ সম্পদৰ কাৰণে ব্ৰাহ্মণজনক ব্যতিব্যস্ত কৰি তুলিছিল। হেনো অনুসন্ধান কৰি আওৰংজেবে বাৰাণসীৰ মুছলমান বিষয়ালৈ ফৰমান পঠালে,—

"…. আমাৰ পৱিত্ৰ আইন অনুসৰি সিদ্ধান্ত কৰিছোঁ যে পুৰণি মন্দিৰ ধ্বংস

কৰিব নোৱাৰিব আৰু নতুন মন্দিৰো নিৰ্মাণ কৰিব নোৱাৰিব।..... ছাহী দৰবাৰলৈ সংবাদ আহিছে যে কেইজনমান লোকে বাৰাণসীৰ পুৰণি মন্দিৰৰ দায়িত্বত থকা ব্ৰাহ্মণ তত্ত্বাৱধায়কসকলৰ কামত হস্তক্ষেপ কৰিছে আৰু তেওঁলোকক ব্যতিব্যস্ত কৰি তুলিছে। আনকি তেওঁলোকে এই ব্ৰাহ্মণসকলক পুৰণি পদসমূহৰ পৰা উচ্ছেদ কৰিবলৈও মত পোষণ কৰিছে। তেওঁলোকৰ ভীতিয়ে হৈ পৰিছে সেই লোকসকলৰ দুৰ্দশাৰ কাৰণ। মোৰ ছাহী আদেশ হ'ল-- এই আদেশনামা পোৱাৰ লগে লগে আপুনি নিৰ্দেশ দিব যে, ভৱিষ্যতে কোনেও বেআইনীভাৱে ব্ৰাহ্মণ বা আন হিন্দুৰ কাম-কাজত হস্তক্ষেপ বা উপদ্ৰব কৰিব নোৱাৰিব। তেওঁলোকে যাতে পূৰ্ববৎ নিজ নিজ কামত নিযুক্ত থাকে আৰু প্ৰশান্তচিত্তে আল্লাই প্ৰদত্ত সাম্ৰাজ্যৰ স্থায়িত্বৰ কাৰণে পূজা-অৰ্চনা নিয়মীয়াভাৱে চলাই যাব পাৰে, যাতে এই সাম্ৰাজ্য চিৰস্থায়ী হয়। এই আদেশনামাক জৰুৰী বুলি বিবেচনা কৰিব।"[১৬]

হিন্দুৰ মঠ-মন্দিৰৰ সুৰক্ষা বা হিন্দুত্বৰ সুৰক্ষাৰ কাৰণে প্ৰচাৰ বা প্ৰেৰণ কৰা এনে কে'বাখনো ফৰমান ড° পাণ্ডে তেওঁৰ গ্ৰন্থত দাঙি ধৰি প্ৰতীয়মান কৰিব বিচাৰিছে যে আওৰংজেবো বহু ক্ষেত্ৰত নিৰপেক্ষই আছিল। আলোচিত এই গ্ৰন্থখনৰে প্ৰথম অধ্যায়ত পাই আহিছোঁ যে উদাৰ মানৱীয়বাদী শাসকৰূপে গঢ়ি তোলাৰ প্ৰচেষ্টাৰ সলনি ৰক্ষণশীল আৰু মৌলবাদী মুছলমানৰূপে গঢ়ি তোলাতহে গুৰুত্ব আৰোপ কৰা কাৰণে আওৰংগজেবে তেওঁৰ গুৰু মোল্লা ছালেহক দোষাৰোপ কৰিবলৈ এৰা নাছিল। এইবোৰৰ অৱলম্বনত সিদ্ধান্তলৈ আহিব পাৰি যে আওৰংগজেবো সম্পূৰ্ণৰূপে মতান্ধ বা ৰক্ষণশীল নাছিল। কিন্তু উপৰুক্ত ফৰমানখনৰ লিপিয়ে অনুভৱ কৰিবলৈ দিয়ে যে আওৰংগজেবৰ শাসন কালত হিন্দুৰ ওপৰত অন্যায়-অনাচাৰ চলিছিল; হিন্দুই সকলো ক্ষেত্ৰতে মুছলমানৰ সমান সা-সুবিধা পোৱাৰ সুযোগ নাছিল। হিন্দুৰ পুৰণা মঠ-মন্দিৰ আদিহে সুৰক্ষাৰ ব্যৱস্থা কৰিছিল; ইছলাম-বিৰোধী কাৰ্য বুলিয়ে সম্ভৱ নতুনকৈ মঠ-মন্দিৰ সজা নিষিদ্ধ আছিল। ড° পাণ্ডে প্ৰমুখ্যে বহুতে ক'ব বিচাৰে যে আওৰংজেব হিন্দু-বিদ্বেষী নাছিল কাৰণেই অসমৰ উমানন্দ প্ৰভৃতি হিন্দুৰ তীৰ্থৰ কাৰণে ভূমিদান কৰিছিল। আওৰংগজেবে হিন্দুৰ মন্দিৰ বা তীৰ্থৰ কাৰণে ভূমিদান কৰা কথা ঐতিহাসিকভাৱেই সত্য। কিন্তু সি আছিল মূলতঃ ৰাজনৈতিক স্বাৰ্থ বিজৰিত। মন্দিৰলৈ মাটি দান দি মন্দিৰৰ পূজাৰী-পুৰোহিতসকলক হাত কৰি অসম জয়ৰ আকাংক্ষা অন্তৰ্নিহিত নাছিল বুলি কোনে ন-দি ক'ব পাৰে!

এইবোৰ কিন্তু উলামূলা তুলা খুন্দা বিধৰ কথা নহয়; জাতীয় জীৱনৰ লগত ইবোৰ ঘনিষ্ঠভাৱে জড়িত। ভাৰতৰ কল্যাণৰ সলনি বিভাজনৰ সহায়ত হিন্দু-মুছলমানক

পৰস্পৰ বিদ্বেষত লিপ্ত ৰাখি শোষণ চৰিতাৰ্থ কৰাই ইংৰাজ প্ৰশাসনকে ধৰি ইংৰাজ বুৰঞ্জী লেখকসকলৰো লক্ষ্য হোৱা হেতুকে অসত্য বা অৰ্ধসত্য কাণ বাগৰি ফুৰা কথাৰ ওপৰত গুৰুত্ব দি ইংৰাজে ভাৰতৰ বিষম অন্যায় কৰি গৈছে। ওপৰত উল্লেখ কৰা ফৰমানখনৰ লিপিৰ পৰা অনুভৱ কৰিব পাৰি যে আওৰংগজেবে হিন্দুক উচ্ছেদ কৰিব বিচৰা নাছিল বা হিন্দুৰ ওপৰত বল প্ৰয়োগ কৰিবও বিচৰা নাছিল, হিন্দুৰ অবাধ বিকাশতহে বাধা-নিষেধ আৰোপ কৰিছিল। সাধাৰণতে সামন্ত যুগত—

> "সামন্ত প্ৰভুৰ ধৰ্মই আছিল প্ৰজাৰ ধৰ্ম, সামন্ত প্ৰভুৰ সংস্কৃতিয়ে আছিল প্ৰজাৰ সংস্কৃতি; সেই সংস্কৃতি আছিল শোষকশ্ৰেণীৰ সংস্কৃতি; ৰজা, বিদ্বান আৰু জগত শেঠইঁতৰ জনতাক লুট কৰা সংস্কৃতি।"[১১]

তাতোকৈও গুৰুত্বপূৰ্ণ কথা আছিল এয়ে যে সি আছিল বিশ্বব্যাপক। মুছলমান সামন্ত প্ৰভু, হিন্দু সামন্ত প্ৰভু আৰু খ্ৰীষ্টান সামন্ত প্ৰভুৰ শোষণৰ ৰূপ আছিল প্ৰায়েই এক আৰু অভিন্ন। জাতি, বৰ্ণ, ধৰ্ম, সম্প্ৰদায়ৰ নামত বিভেদ-বিচ্ছিন্নতাৰো সৃষ্টি কৰিছিল সামন্ত প্ৰভুসকলেই আৰু জাতি-বৰ্ণ-ধৰ্ম- সম্প্ৰদায়ৰ নামত জনগণক উতলা কৰি ৰাখি শোষণো অব্যাহত ৰাখিছিল সামন্ত প্ৰভু শ্ৰেণীয়েই।

ভাৰতত ইংৰাজ শাসন আছিল সম্ৰাজ্যবাদী শাসন; সাম্ৰাজ্যবাদী শোষণ অটুট ৰখাই আছিল ইংৰাজ শাসনৰ মূলমন্ত্ৰ। এই উপমহাদেশখনত সাম্ৰাজ্যবাদী শোষণ অব্যাহত ৰাখিবলৈ হ'লে বৃহত্তম সম্প্ৰদায় হিন্দু-মুছলমানৰ মাজত বিদ্বেষ জীয়াই ৰাখিবই লাগিব। তাৰ কাৰণেই পোনতে হিন্দুসকলক আপোন কৰি লোৱাৰ অভিনয় কৰি, মুছলমানসকলক দমন কৰি ৰাখিবলৈ লৈছিল। কিন্তু যেতিয়া দেখিলে যে একাংশ হিন্দু ৰাজনৈতিকভাৱে সচেতন হৈ উঠি তেওঁলোকৰ অবাধ শোষণ ব্যাহত কৰাত প্ৰবৃত্ত; তেতিয়া অতি কৌশলেৰে মুছলমান অংশক সাবটি লৈ হিন্দু-মুছলমানক পাৰস্পৰিক হিংসা-ঘৃণা-বিদ্বেষত মজিবলৈ দি শোষণ অব্যাহত ৰখাৰ ব্যৱস্থা কৰিলে।

চৈয়দ আহমেদ খাঁ আৰু সংঘাত ঃ

উনবিংশ শতিকাৰ আশীৰ মাজভাগলৈ চৈয়দ খাঁ আছিল আগশাৰীৰ প্ৰগতিবাদী ভাৰতীয় মুছলমান নেতা। তেওঁ জাতীয়তাবাদীও আছিল আৰু সঠিকভাৱেই অনুভৱ কৰিবও পাৰিছিল যে হিন্দু-মুছলমানৰ সংহতিবিনে ভাৰতৰ ভৱিষ্যৎ অন্ধকাৰ। আনকি চৈয়দ আহমেদ খাঁই ভাৰতৰ ভেটিত ইছলামৰ সংস্কাৰ সাধনতো গুৰুত্ব দিছিল। তেওঁ যুক্তিহীন কথা বা কামক আদৰ্শহীন বুলি অনুভৱ কৰি কৈছিল,—

> "শাস্ত্ৰ বিশেষজ্ঞসকলৰ গ্ৰন্থবোৰক অভ্ৰান্ত সত্যৰ সংকলন আৰু পথ প্ৰদৰ্শকৰূপে গ্ৰহণ কৰা ভুল। গ্ৰহণযোগ্য একমাত্ৰ অস্ত্ৰ হ'ল যুক্তি, কেৱল যুক্তিৰেহে

ইছলামৰো সামাজিক আৰু নৈতিক মান নিৰূপণ কৰিব লাগিব।"[১৮]

আনকি তেওঁ মহানবী হজৰত মহম্মদকো চিৰ অভ্ৰান্তৰূপে গ্ৰহণ কৰা নাছিল। যাৰ কাৰণে উলেমাসকলক তেওঁ প্ৰায়েই কঠোৰভাৱে সমালোচনা কৰিছিল— তেওঁলোকৰ মতান্ধতাৰ কাৰণে। ধৰ্মক ৰাজনীতিৰ লগত একাকাৰ কৰা কাৰ্যৰো তেওঁ তীব্ৰ বিৰোধী আছিল। তেওঁ সুস্পষ্ট ভাষাত ক'ব পাৰিছিল যে জনগণৰ ধৰ্মৰ বিষয়ে শাসকবৰ্গই মূৰ ঘমোৱাৰ প্ৰয়োজন নাই। যি চৰকাৰে সেই কথা নাজানে, জনগণৰ ধৰ্মৰ ক্ষেত্ৰতো হস্তক্ষেপ কৰিবহে বিচাৰে, তেনে চৰকাৰক তেওঁ সভ্য চৰকাৰেই বোলা নাই। তেওঁ মুক্তকণ্ঠে ঘোষণা দিছিল যে কোনো ৰাষ্ট্ৰই ধৰ্মৰাষ্ট্ৰ হোৱা উচিত নহয়। ধৰ্মৰ ভেটিত জনগণৰ মাজত বৈষম্যৰ সৃষ্টি কৰিব বিচৰা কাৰ্যৰো তেওঁ তুমুল বিৰোধিতা কৰিছিল। তেওঁৰ বিশ্বাস আছিল যে সকলোৱে মিলি ভাৰতক মাথোঁ এটা জাতিৰূপে গঢ়ি তোলা সম্ভৱপৰ হ'ব। তেওঁ ইয়াকো অনুভৱ কৰিব পাৰিছিল যে ধৰ্মীয় বৈষম্যই জনগণৰ ঐক্যৰ ভেটি দুৰ্বল কৰে। সেয়ে তেওঁ বিশ্বাস কৰিছিল যে ধৰ্মনিৰপেক্ষ পৰিবেশেহে জনগণৰ অগ্ৰগতিত সহায় কৰিব পাৰে। পান-ইছলামিক আদৰ্শৰো তেওঁ আছিল তীব্ৰ বিৰোধী।[১৯]

কিন্তু দুৰ্ভাগ্য আৰু দুখৰ বিষয়ে যে সাম্ৰাজ্যবাদী ইংৰাজৰ কূটনীতিৰ কবলত পৰা চৈয়দ আহমেদ খাঁও সাৰি যাব নোৱাৰিলে। আগৰ শতিকাৰ আশীৰ দশকৰ মাজ ভাগত কংগ্ৰেছ মহাসভা জাতীয়তাবাদী আদৰ্শেৰে উদ্বুদ্ধ হ'বলৈ লোৱাৰ লগে লগে তেতিয়াৰ বৰলাট লৰ্ড ডাফৰিণে যিসকল ভাৰতীয় মুছলমানক হিন্দু-মুছলমান দ্বিজাতি তত্ত্বৰে ভুলাবলৈ সমৰ্থ হৈছিল, সেইসকলৰ আগশাৰীত ঠাই লৈছিল চৈয়দ আহমেদ খাঁই। সিমানেই নহয়, কুৰি শতিকাৰ প্ৰাৰম্ভৰ কালছোৱাত আলিগড়ক কেন্দ্ৰ কৰি যি পান-ইছলামিক আলোড়ন গঢ় লৈ উঠিছিল, তাৰো নেতৃত্বত আছিল চৈয়দ আহমেদ খাঁ। মুছলমানৰ কাৰণে সুকীয়া শিক্ষা ব্যৱস্থা আৰু সুকীয়া শিক্ষা অনুষ্ঠানৰ দাবীৰো উদ্যোক্তা নেতা চৈয়দ আহমেদ খাঁই। আলিগড় বিশ্ববিদ্যালয় আৰু ভাৰতীয় মুছলিমলীগৰ সৃষ্টিৰ লগতো চৈয়দ আহমেদ খাঁই জড়িত আছিল।

ভাৰতীয় মুছলিমলীগ আৰু বৃটিছ সাম্ৰাজ্যবাদ :

বৃটিছ ভাৰতৰ প্ৰথম ৰাজধানী আছিল কলিকতা। প্ৰকৃততে কলিকতাৰ স্ৰষ্টা ইংৰাজ বণিকসকলেই। সেইকাৰণে আধুনিক ভাৰতীয় শিক্ষা-সংস্কৃতি কলিকতাক কেন্দ্ৰ কৰিয়ে গঢ়লৈ উঠিছিল বুলিব পাৰি। ভাৰতীয় মানুহে কৈছিল বোলে 'কলিকতাত বৰষিলে, সমগ্ৰ ভাৰততে উৰুখে। ই সামান্য কথা নাছিল। প্ৰকৃততেই শিক্ষা-সংস্কৃতি-ৰাজনীতি সকলো ক্ষেত্ৰতে কলিকতা তথা অবিভক্ত বংগ আছিল ভাৰতৰ ভিতৰতে

অগ্রণী। আধুনিক ভাৰতীয় জাতীয়তাবাদৰ নেতৃত্বতো আছিল কলিকতা তথা অবিভক্ত বংগই। কিন্তু এই কুৰি শতিকাৰ আগ ভাগলৈ বংগত হিন্দুসকল মুছলমানতকৈ বেছি অগ্রণী আছিল। আন এটা মন কৰিব লগা কথা এয়ে যে কলিকতাকেন্দ্রী পশ্চিমবংগ আছিল হিন্দুপ্রধান আৰু ঢাকাকেন্দ্রী পূর্ববংগ আছিল মুছলমান-প্রধান। কিন্তু হিন্দুসকল আছিল মুছলমানৰ তুলনাত বেছি অগ্রসৰ।

সেই বাস্তৱতালৈ লক্ষ্য কৰিয়ে ইংৰাজ প্রশাসনে হিন্দু-মুছলমানৰ মাজত বিদ্বেষৰ সৃষ্টি কৰাত গুৰুত্ব আৰোপ কৰিলে। তাৰ ফলতে বংগক দ্বিখণ্ডিত কৰিলে আৰু একে সময়তে ঢাকাক কেন্দ্র কৰি গঢ়ি তুলিলে ভাৰতীয় মুছলিমলীগ।

বিভাজন আৰু শাসনৰ জ্বলন্ত ৰূপ বংগ-ভংগ ঃ

বংগ-ভংগ আৰু ভাৰতীয় মুছলিমলীগ গঠন ভাৰতত বৃটিছ্ শাসনৰ দুটা অক্ষয় কলংক। কলিকতাক কেন্দ্র কৰি জাতীয় চেতনা বৃদ্ধি পাবলৈ লোৱাৰ লগে লগে উনবিংশ শতিকাৰ শেষ ভাগতে বংগ-ভংগৰ আঁচনি যুগুত হৈছিল। আৰু সেই আঁচনি প্রস্তুত হৈছিল খোদ লণ্ডনত থকা বৃটিছ্ চৰকাৰৰ দিহা যুগুতি অনুসৰি। সেই আঁচনিক ৰূপদানত মুখ্য ভূমিকা বহন কৰিছিল তদানীন্তন ভাৰতৰ গৃহসচিব এইচ, এইচ, ৰিচ্‌লি আৰু বৰলাট আৰু ৰাজপ্রতিনিধি লর্ড কার্জনে। মুছলমান-প্রধান পূর্ববংগক অসমৰ লগত সংযোগ কৰি ঢাকাক ৰাজধানী হিচাপে লৈ সৃষ্টি কৰিলে পূর্ববংগ-অসম প্রদেশ আৰু পশ্চিমবংগক হিন্দুপ্রধান বিহাৰ আৰু উৰিষ্যাৰ লগত চামিল কৰি সৃষ্টি কৰিলে আন এখন হিন্দুপ্রধান প্রদেশ। সেই লক্ষ্য আছিল উন্নত আৰু অনুন্নত আৰু হিন্দু-মুছলমানৰ মাজত স্থায়ীভাৱে অনৈক্য আৰু সংঘর্ষৰ সৃষ্টি কৰা।[২০]

তেতিয়ালৈকে সমগ্র বংগ এক আৰু অভিন্ন আছিল। গতিকে বংগ-ভংগৰ কথা শুনাৰ লগে লগে পূব-পশ্চিম, হিন্দু-মুছলমান আটায়ে হৈ উঠিল প্রতিবাদমুখৰ। সেই প্রতিবাদে যেন ইংৰাজ প্রশাসনকো বিভাজনৰ প্রস্তাৱ কার্যকৰী কৰাত অধিক দৃঢ় কৰি তোলে। চৰকাৰে দায়িত্বশীল প্রশাসনীয় বিষয়াসকলক প্রস্তাৱ কার্যকৰী কৰাত নিয়োগ কৰিয়ে ক্ষান্ত নাথাকিল, স্বয়ং বৰলাট লর্ড কার্জনে ১৯০৪ চনৰ ফেব্রুৱাৰীত ঢাকা, চিটাগং, মৈমনসিং প্রভৃতিলৈ গৈ নেতৃস্থানীয় মুছলমানসকলক নানা প্রলোভনেৰে হাত কৰিবলৈ চেষ্টা কৰিব ধৰিলে। নবাব ছালিমুল্লাকে ধৰি কে'বাজনো নেতৃস্থানীয় লোকক হাত কৰাত সফলো হ'ল।

তাৰ পিছত সম্পূর্ণ এটা বছৰ চৰকাৰ নীৰৱ। হঠাৎ ১৯০৫ চনৰ মে'ত ঘোষণা দিলে বোলে বৃটিছ্ চৰকাৰৰ ভাৰত সচিবে বংগ-ভংগ আঁচনি অনুমোদন কৰিছে আৰু ভাৰত চৰকাৰে ১৯০৫ চনৰ ১৯ জুলাইৰ দিনা সেই সিদ্ধান্ত

আনুষ্ঠানিকভাৱে ঘোষণা কৰে।

লগে লগে সমগ্ৰ বংগব্যাপী বাজি উঠিল প্ৰতিবাদী কণ্ঠৰ দামামা। উল্লেখযোগ্য যে পোনতে হিন্দু-মুছলমান প্ৰায় সমগ্ৰ বংগ প্ৰতিবাদমুখৰ হৈ পৰিছিল। ১৯০৫ চনৰ ১৬ অক্টোবৰৰ দিনা ৰাখীবন্ধন অনুষ্ঠানেৰে আনুষ্ঠানিকভাৱে আৰম্ভ কৰিলে আন্দোলনৰ কাৰ্যসূচী। আন্দোলনকাৰী হিন্দুসকলৰ ধ্বনি আছিল 'বন্দেমাতৰম্' আৰু মুছলমানসকলৰ ধ্বনি আছিল 'আল্লা হো আকবৰ' আৰু সেই আন্দোলনৰ অস্ত্ৰ আছিল 'বিদেশী বৰ্জন'। বংগ-ভংগ আন্দোলন কেৱল অবিভক্ত বংগৰ পৰিসীমাতে আবদ্ধ নাছিল; স্বদেশী আন্দোলন নামেৰে সি সমগ্ৰ ভাৰততে বিয়পি পৰিছিল। ঐতিহাসিকসকলৰ ভাষ্য অনুসৰি ১৮৫৭ চনৰ মহাবিদ্ৰোহৰ পিছতে সৰ্ববৃহৎ ভাৰতীয় আন্দোলন বংগ-ভংগক কেন্দ্ৰ কৰি গঢ় লৈ উঠা স্বদেশী আন্দোলন।

মুছলিমলীগ গঠন :

লৰ্ড কাৰ্জনৰ নেতৃত্বাধীন ভাৰত চৰকাৰো উঠিপৰি লাগিল স্বদেশী আন্দোলন ব্যৰ্থ কৰাত। আন্দোলনকাৰীসকলক নিৰ্মম-নিষ্ঠুৰভাৱে নিৰ্যাতন কৰি বা জেইল-জৰিমনা কৰিও ভাৰত চৰকাৰ ক্ষান্ত নহ'ল; ক্ষুদিৰাম প্ৰমুখ্যে তৰুণ জাতীয়তাবাদী যুৱকক ফাঁচি কাঠত তুলিবলৈও দ্বিধাবোধ নকৰিলে। সিমানতে তুষ্ট নাথাকি ভাৰতৰ হিন্দু-মুছলমানৰ মাজত স্থায়ী বিৰোধ বৰ্তাই ৰখাৰ আকাংক্ষাৰে ঢাকাত নবাব ছালিমুল্লাহৰ নেতৃত্বত গঢ়ি তুলিলে ১৯০৬ চনৰ ৩১ ডিচেম্বৰৰ দিনা ভাৰতীয় মুছলিমলীগ।

মুছলিমলীগৰ প্ৰধান লক্ষ্য আছিল ইংৰাজ সমৰ্থন আৰু হিন্দু বিৰোধ। হিন্দু বিৰোধী 'লাল ইস্তাহাৰ'ৰ মাজেদি প্ৰচাৰ কৰিলে—

(১) হিন্দু জীয়াই আছে কেৱল মুছলমানৰ শ্ৰম শোষণ কৰি,

(২) হিন্দুৰ শোষণে মুছলমানক কৰি তুলিছে শক্তিহীন,

(৩) মুছলমানৰ উন্নতি হ'ব লাগিলে হিন্দুৰ সম্পৰ্ক ত্যাগ কৰিবই লাগিব। 'লাল ইস্তাহাৰ'ৰ মাধ্যমত মুছলমানসকলক নিৰ্দেশ দিলে— হিন্দুৰ লগত নুফুৰিবা, হিন্দুৰ লগত নাখাবা, হিন্দুৰ লগত নপঢ়িবা, মুছলমান কেৱল মুছলমান হৈ থাকা।

(৪) খেতিয়ক মানেই মুছলমান, হিন্দু নহয়। সিহঁতে তোমালোকৰ শ্ৰম শোষণ কৰি জীয়াই আছে। তোমালোক জাগি উঠিলে, হিন্দু শুকাই মৰিব আৰু তেতিয়া মুছলমান হ'বলৈ বাধ্য হ'ব।[২১]

'লাল ইস্তাহাৰ'ৰ জৰিয়তে হিন্দু বিৰোধী আৰু বহু কথাই প্ৰচাৰ কৰিলে। আৰু সিয়ে

শ শ বছৰব্যাপী হিন্দু-মুছলমানৰ মাজত গঢ়লৈ উঠা সম্প্ৰীতিৰ সঁফুৰাত সৃষ্টি কৰিলে ভোমোলা ফাটৰ।

১৯০৭ চনৰ ৪ মাৰ্চৰ দিনা স্বদেশী আন্দোলনৰ বিৰুদ্ধে প্ৰচাৰকাৰ্য চলাবলৈ বুলি গৈছিল নবাব ছলিমুল্লাহ। নবাবজনাৰ প্ৰচাৰকাৰ্য ইমান সাম্প্ৰদায়িক আছিল যে তেওঁৰ উপস্থিতিতে কুমিল্লাত হিন্দু-মুছলমানৰ মাজত সংঘৰ্ষৰ সৃষ্টি হ'ল। মুছলমানে হিন্দুৰ দোকান-পোহাৰ লুট কৰিলে আৰু পুৰিলেও, আনকি হিন্দু নাৰীৰ ওপৰতো চলালে জঘন্য ধৰ্ষণৰ অত্যাচাৰ। সেই সংঘৰ্ষ আনকি মৈমনসিং জামলপুৰ আদিলৈও সম্প্ৰসাৰিত হ'ল। ইংৰাজ প্ৰশাসনৰ প্ৰত্যক্ষ সহযোগিতাত এক কুৎসিত আৰু কদৰ্যপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হ'ল।

সেই সময়তে ভাৰতীয় লোকৰ বিপ্লৱী আন্দোলনৰ স্বৰূপ অধ্যয়নৰ কাৰণে ইংলেণ্ডৰ সংবাদপত্ৰ 'মানচেষ্টাৰ গাৰ্জেন'ৰ সাংবাদিক এইচ, ডাব্লিউ, নেভিনচন (H.W. Nevinson) আহি বংগত উপস্থিত হৈছিল। তেওঁ প্ৰত্যক্ষ কৰিছিল যে বিদেশী বৰ্জন কৰা কাৰণেই হিন্দু ভাৰতীয়ৰ ওপৰত চলিছিল অমানবীয় অত্যাচাৰ আৰু ৰমণীৰ ওপৰত চলিছিল গণধৰ্ষণ।[২২] একে প্ৰসংগত প্ৰকাশ যে সেই নিৰ্যাতন-নিপীড়নৰ লগত অন্যান্য প্ৰশাসনীয় বিষয়াৰ উপৰি ভাৰতৰ গৃহ সচিব ৰিচ্‌লি আৰু পূৰ্ববংগ-অসমৰ গৰ্বৰ্ণৰ বোমফিল্ড ফুলাৰ প্ৰত্যক্ষভাৱে জড়িত আছিল আৰু হেনো সাংবাদিক নেভিনচনক জানিবলৈ দিছিল যে ভাৰত প্ৰশাসনৰ মানত মুছলমান প্ৰিয়বন্ধু আৰু হিন্দু অপ্ৰিয়-শত্ৰু।

মুছলমানৰ সুকীয়া নিৰ্বাচকমণ্ডলী :

মুছলমানসকলক হাত কৰি ৰখাৰ কাৰণে ইংৰাজ প্ৰশাসনে এটাৰ পিছত আন এটাকৈ বিশেষ বিশেষ সুযোগ-সুবিধা মঞ্জুৰ কৰিবলৈ ধৰিলে আৰু তেনে প্ৰতিটো সুযোগৰ লক্ষ্য আছিল হিন্দু-মুছলমানৰ বিৰোধ তীব্ৰ কৰি তোলা। তেনে এটা সুবিধা হ'ল মুছলমানৰ কাৰণে সুকীয়া নিৰ্বাচকমণ্ডলী মঞ্জুৰ।

১৯০৬ চনৰ ১ অক্টোবৰৰ দিনা মুছলমানৰ এটা সঁজাতী দলে বৰলাটক সাক্ষাৎ কৰি মুছলমানৰ কাৰণে বিশেষ সা-সুবিধাৰ কাৰণে দাবী উত্থাপন কৰে। সেই সাক্ষাৎকাৰী দলেই মুছলমানৰ কাৰণে সুকীয়া নিৰ্বাচকমণ্ডলীৰ দাবী উত্থাপন কৰিলে আৰু চৰকাৰে তৎকালিকভাৱেই সেই দাবী কাৰ্যকৰী কৰাৰ প্ৰতিশ্ৰুতিও দিলে। আৰু প্ৰকৃততে তাৰ দ্বাৰা ভাৰত চৰকাৰে দ্বিজাতি তত্ত্বৰো সূত্ৰপাত কৰিলে। বৰ আমোদজনক কথা আছিল এয়ে যে সেই সঁজাতী দল আৰু তেওঁলোকৰ দাবী প্ৰভৃতি আছিল হেনো ভাৰতৰ ইংৰাজ প্ৰশাসনৰ সক্ৰিয় পৰিকল্পনা মাথোন। সেই সঁজাতী দল আছিল

কেৱল সাক্ষী গোপালহে। তাৰ ফলশ্ৰুতিস্বৰূপেই ইংৰাজ চৰকাৰৰ ১৯০৯ চনৰ মৰ্লে-মিন্টো শাসন সংস্কাৰ আইন। সেই আইন অনুসৰি—

(১) মুছলমানক সুকীয়া নিৰ্বাচকমণ্ডলী মঞ্জুৰ কৰে,

(২) ৭০০০ (সাত হাজাৰ) বা তদুৰ্ধ খাজনা দিয়া হিন্দুই আৰু ৭৫০ (সাতশ পঞ্চাশ) বা তদুৰ্ধ খাজনা দিয়া মুছলমানে ভোটাধিকাৰ লাভ কৰিব।

অকল ভোটাধিকাৰ তত্ত্বয়ে হিন্দু-মুছলমানৰ মাজত ইংৰাজ চৰকাৰে সৃষ্টি কৰা বৈষম্যৰ স্বৰূপ দিন যেন পোহৰ কৰি তোলে।

বংগ-ভংগ তথা স্বদেশী আন্দোলন আৰু ভাৰতীয় মুছলিমলীগ গঠন প্ৰকৃততে এক আৰু অভিন্ন; সি আছিল ভাৰতীয় জনগণৰ বিৰুদ্ধে ইংৰাজ প্ৰশাসনৰ এক বিৰাট ষড়যন্ত্ৰ। আনকি দিল্লীলৈ ৰাজধানী স্থানান্তৰিত কৰি আৰু ৰাজদৰবাৰৰ আয়োজন কৰিও সেই ষড়যন্ত্ৰৰ গুৰিত সাৰ-গোবৰ যোগাইছিল মাথোন। দিল্লী আছিল মুছলমানসকলৰ ৰাজধানী। দিল্লীলৈ ৰাজধানী স্থানান্তৰিত কৰি প্ৰকৃততে মুছলমানসকলকে তুষ্ট কৰিলে। দিল্লীলৈ ৰাজধানী স্থানান্তৰিত হোৱাত স্বাভাৱিক কাৰণতে মুছলমানসকল, বিশেষকৈ নেতৃমণ্ডলী হৰ্ষোৎফুল্ল হৈও উঠিছিল।

মুছলিমলীগ গঠনৰ প্ৰতিক্ৰিয়া ঃ

কিন্তু যিহেতু ভাৰতীয় মুছলমানসকলৰ সৰহসংখ্যক মুছলমান হিন্দু মাকৰ পৰা ওপজা বা হিন্দুৰ পৰা ধৰ্মান্তৰিত মুছলমান, গতিকে পৰম্পৰাগতভাৱে ভাৰতীয় মুছলমানৰ বহুতৰে হিন্দুৰ লগত মধুৰ সাংস্কৃতিক সম্পৰ্ক আছিল। সিয়ে হিন্দু-মুছলমানৰ ভাই-ভাই সম্পৰ্ক সজীৱ কৰিও ৰাখি আহিছিল। বিৰোধ আছিল মূলতঃ মৌলবাদী, অভিজাত আৰু নেতৃত্ব অভিলাষীৰ মাজতহে। কিন্তু মুছলিমলীগ গঠন, লাল ইস্তাহাৰ প্ৰচাৰ, অ'ত-ত'ত হোৱা সংঘৰ্ষ আৰু অত্যাচাৰ-নিপীড়নে পূৰ্বৰ মধুৰ সম্পৰ্কৰ বহুপৰিমাণে অৱনতি ঘটালে। চুলতান-বাদছাহসকলৰ দিনৰে পৰা মৌলবাদীৰ অভাৱ নাছিল; কিন্তু আন নহ'লেও ৰাজ্য আৰু ৰাজত্বৰ স্বাৰ্থতে চুলতান-বাদছাহসকলৰ অধিকসংখ্যক যথাসম্ভৱ উদাৰ হ'বলৈ বাধ্য হৈছিল। অৱশ্যে খ্ৰীঃ ৭১২ চনত সিন্ধু অঞ্চলত মুছলমান শাসন প্ৰতিষ্ঠা হোৱা কালৰেপৰা মৌলবাদী অংশই পান-ইছলামিক চেতনা জগাই তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ এৰা নাছিল। অগণন ভাৰতীয় শ্ৰমকাৰী জনগণ চিৰদিনেই আছিল অনাখৰী আৰু দাৰিদ্ৰ্যক্লিষ্টও, পৰিবেশ-পৰিস্থিতিৰ প্ৰভাৱে তেওঁলোকক অন্ধকূপত আবদ্ধ কৰি ৰাখিছিল। সেই অংশ জনগণে যেন জীৱনৰ মৰ্মকে পাহৰি হৈছিল। বহল জগতত ক'ত কি পৰিৱৰ্তন-পৰিবৰ্ধন ঘটিছিল তাৰো কোনো ধাৰণা তেওঁলোকৰ নাছিল। সম্ভৱতঃ তেওঁলোকে জনা নাছিল যে খ্ৰীঃ

নৱম শতিকামানৰ পৰা ইছলাম জগতত জ্ঞান-বিজ্ঞান-দৰ্শনৰ ক্ষেত্ৰত বিৰাট সংঘাতমূলক বিৰোধৰ সৃষ্টি হৈছিল; বিশ্বাসৰ পথ পৰিহাৰ কৰি একাংশ ইছলামধৰ্মী বুদ্ধিজীৱী সাহসেৰে অগ্ৰসৰ হৈছিল যুক্তি হঠাৎ বিজ্ঞানক প্ৰতিষ্ঠা কৰিবলৈ। ১২শ শতিকাৰ ইছলাম জগতৰ পৃথিৱী বিখ্যাত দাৰ্শনিক ইবনে ৰুছদে যে প্ৰাচীন গ্ৰীক সভ্যতাৰ দুৱাৰ মুকলি কৰি দি ইউৰোপীয় নৱজাগৰণ গঢ় লৈ উঠা সম্ভৱপৰ কৰি তুলিছিল তাৰ কথাও সম্ভৱ তদানীন্তন ভাৰতীয় মুছলমান নেতাসকলৰ কৰ্ণকুহৰত প্ৰৱেশ কৰা নাছিল। ইছলাম জগতৰ বাস্তৱবাদী দাৰ্শনিক ইবনে ৰুছদে ইমান মুকলিমূৰীয়া আছিল যে আনকি যুক্তিৰ ভেটিত মুছা, যিচুখ্ৰীষ্ট আৰু হজৰত মহম্মদক 'তিনিভণ্ড' বোলা গ্ৰন্থখনত ভণ্ড ৰূপে প্ৰতিপন্ন কৰিবলৈও দ্বিধাবোধ কৰা নাছিল।[২৩] কিন্তু তথাপিও নৱজাগ্ৰত ইছলাম জগতে ইবনে ৰুছদেক ইছলাম জগতৰ সৰ্বশেষ আৰু সৰ্বশ্ৰেষ্ঠ দাৰ্শনিকৰূপে সন্মান কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল।

জগতৰ একাংশ লোক যেতিয়া জ্ঞান আৰু চিন্তা জগতত ইমান মুকলিমূৰীয়া হ'বলৈ সমৰ্থ হৈছিল, তেতিয়া মতান্ধতা-স্বৰূপ অজ্ঞান-অন্ধকাৰত বুৰ গৈ থকা ভাৰতীয় হিন্দু-মুছলমান ব্যস্ত আছিল খাদ্য আৰু বাদ্যৰ বিৰোধৰ নামত ভাতৃঘাতী সংঘাত সৃষ্টি কৰাত। বিশিষ্ট প্ৰগতিবাদী বাঙালী বুদ্ধিজীৱী মুজাফ্‌ফৰ আহমদে বাদ্য আৰু খাদ্যৰ নামত সৃষ্টি কৰা বিদ্বেষৰ কথা বৰ্ণনা কৰি ক্ষোভেৰে কৈছিল, —

> "বাদ্য আৰু খাদ্যেৰ একটা হাস্যাস্পদ প্ৰশ্ন ছিল নন্‌কো অপাৰেশন্যেৰ (অসহযোগ) বড় প্ৰশ্ন। গৰু নাকি হিন্দুৰ দেবতা, সে জন্যে মুছলমানদেৰ বলা হয়েছিল– 'তোমৰা গৰু খেয়োনা।' মছজিদে মছজিদে মুসলমানৰা 'নামাজ' পৰে থাকেন। সেই নামাজেৰ নাকি ভয়ানক ব্যাঘাত ঘটে—হিন্দুৰা তাৰ সন্মুখ দিয়ে বাদ্য বাজিয়ে গেলে। বড় বড় শহৰে ট্ৰামেৰ ঘৰানিতে নামাজেৰ ব্যাঘাত হয় না, মোটৰেৰ ভোঁ ভোঁ তেও কোনো ব্যাঘাত হয় না, এমন কি মোহৰমেৰ বাদ্য যত তুমুল ভাবেই বাজকনা কেন, তাতেও নামাজেৰ এত টুকুও ব্যাঘাতপ্ৰাপ্ত হয়না, হয় কেবল হিন্দুৰ বাদ্য ধ্বনিতে।"[২৪]

ভাবিলে আচৰিত যেনেই লাগে যে বিশেষকৈ মুছলিমলীগ প্ৰতিষ্ঠাৰ পিছৰে পৰা প্ৰায় এশ বছৰে বাদ্য আৰু খাদ্যৰ দৰে টুলুঙা বিৰোধক কেন্দ্ৰ কৰিয়ে হিন্দু-মুছলমানৰ মাজত সময়ে সময়ে একো একোখন কুৰুক্ষেত্ৰৰ সৃষ্টি নোহোৱাকৈ থকা নাই।

সাধাৰণতে দেশ-কাল-পাত্ৰ ভেদে মানুহৰ খাদ্য বা অখাদ্যৰ ৰুচি ভিন ভিন হয় বা হ'ব পাৰে। গৌতম বুদ্ধই হেনো কৈছিল, —

"গৰু গাই আমাৰ মিত্ৰ; ইহঁতৰ ওপৰতে খেতি নিৰ্ভৰ কৰে। ইহঁতে আমাক

আহাৰ, শক্তি, মুখশ্ৰী আৰু তৃপ্তি যোগায়। এই কথা উপলব্ধি কৰিয়ে আগৰ দিনৰ ব্ৰাহ্মণে গো হত্যা নকৰিছিল।"[২৫]

অতি প্ৰাচীন কালৰে পৰা ভাৰত কৃষিপ্ৰধান দেশ। সম্ভৱ সেই কাৰণে ভাৰতে কেতিয়াবাই গোহত্যা নিৰোধ আৰু গোমাংস গ্ৰহণ নিৰোধ কৰিছিল। কিন্তু আৰবদেশ আছিল মৰুময়, তাত কৃষিত গুৰুত্ব দিয়া নহৈছিল কাৰণে গৰুক খাদ্য ৰূপেহে ঘাইকৈ বিবেচনা কৰা হৈছিল। মুছলমানসকলৰ সৰহ সংখ্যকে ভাৰততো গৰুক খাদ্যৰূপে বিবেচনা কৰিবলৈ এৰা নাছিল। অৱশ্যে প্ৰতিবেশী হিন্দুৰ প্ৰতি শ্ৰদ্ধা বা সহানুভূতি প্ৰদৰ্শন কৰি একাংশ ভাৰতীয় মুছলমানে গোমাংস আৰু গোহত্যা বৰ্জন নকৰাকৈ থকা নাছিল। হিন্দু সমাজত কিন্তু দুই-এক ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠী ভিন্ন আনৰ মাজত গোমাংস আৰু গোহত্যা শ শ বছৰ জুৰি নিষিদ্ধ হৈ আহি আছে। অথচ বেদ, ব্ৰাহ্মণ, উপনিষদ আনকি মনুস্মৃতিৰ শ্লোক বিশেষৰ পৰা জনা যায় যে অতীতৰ ভাৰতত গোমাংস জনপ্ৰিয় খাদ্যই আছিল। ভাৰতৰ চৰকসংহিতা বিশিষ্ট স্বাস্থ্য আৰু চিকিৎসা বিজ্ঞান। তাৰ এঠাইত আছে,—

"বাত, কাহ, মাংস ক্ষয় আদি কেতবোৰ বেমাৰত গোমাংস ভক্ষণ কৰিব।"

আৰু আছে,—

"গো, মহিষ, (ম'হ), বৰাহ (গাহৰি) আদি সদায় খাব নালাগে। কিন্তু শক্তি-সঞ্চাৰী আহাৰ হিচাপে তাৰ ব্যৱহাৰত বাধা নাই। উদাহৰণস্বৰূপে সগৰ্ভা তিৰোতাই গো-মাংস ভক্ষণ কৰা যুগুত।"[২৬]

মনুসংহিতাৰ এটা শ্লোকত আছে, —

"পাঁচনখীয়া জন্তুৰ ভিতৰত কেটেলাপহু, শল্যক, গুইসাপ, গঁড়, কাছ আৰু শহা এই ছয়টি খাব পাৰি আৰু একশাৰী দাঁত থকা পশুৰ ভিতৰত উটৰ বাহিৰে আন জন্তু ভোজন কৰিব পাৰি।"[২৭]

এনে আৰু বহু নিদৰ্শন দাঙি ধৰি দেখুৱাব পাৰি যে পুৰণি কালৰ ভাৰতত গোমাংস নিষিদ্ধ নাছিল। কিন্তু গৌতম বুদ্ধই কৈ যোৱাৰ দৰে 'গৰু আমাৰ মিত্ৰ' আৰু গৰুৰ ওপৰতে 'খেতি নিৰ্ভৰ কৰে' কাৰণে কৃষিপ্ৰধান ভাৰতবৰ্ষই এসময়ত গোহত্যা নিৰোধ কৰিলে। কালক্ৰমত বিপুলসংখ্যক ভাৰতীয় হিন্দুৰ মানত গোমাংস ঘৃণাৰ কাৰণো হৈ পৰিল আৰু অপবিত্ৰ বা অস্পৃশ্য হৈও পৰিল। গৰুৰ গাখীৰ হিন্দুৰ মানতো উপাদেয় খাদ্য, কিন্তু মাংস অপবিত্ৰ, অশুচি। ই প্ৰকৃততে এক প্ৰকাৰ বিচাৰহীন আচাৰৰ নিদৰ্শন মাথোন।

খাদ্য আৰু চিকিৎসা বিজ্ঞানৰ ফালৰ পৰা বিচাৰ কৰিয়ে ইছলামতো গোমাংসক

উপাদেয় খাদ্যৰূপে বিবেচনা কৰা হৈছিল। গৰু তেওঁলোকৰ মাজতো পৰম প্ৰিয় বা মিত্ৰই। কাৰণ বক্‌ৰিদৰ দিনা পৰমপ্ৰিয় গৰুকেই কোৰবানি কৰা নিয়ম। মতান্ধতাৰ কাৰণে সম্প্ৰতি গোমাংস হিন্দুৰ মানত যিদৰে ধৰ্মবিৰুদ্ধ, সেই একে ধৰ্মান্ধতাৰ কাৰণেই মুছলমানৰ মানত হৈ পৰিছে গোমাংস ভক্ষণ পবিত্ৰ ধৰ্মীয় কাৰ্য। মতান্ধতাই এনেকৈ শিপাইছে যে গোমাংস খাই কাৰণে হিন্দুৰ মানত মুছলমানসকল অস্পৃশ্য হৈ পৰিছে। জীৱন বা সমাজৰ উপযোগিতাৰ ফালৰ পৰা বিবেচনা কৰাৰ আৱশ্যকতা কোনেও অনুভৱ নকৰা হ'ল বাস্তৱ তথা বিজ্ঞানসন্মত বিচাৰ-বিবেচনাৰ অভাৱতেই, গোবধ আৰু গোমাংসক কেন্দ্ৰ কৰি হিন্দু-মুছলমানৰ মাজত একো একোখন কুৰুক্ষেত্ৰৰ সৃষ্টি হোৱা হ'ল। সম্প্ৰতি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চৰম বিকাশৰ .এনতো যুক্তিহীন আচাৰৰ প্ৰাধান্য অটুট থকা সঁচাকৈয়ে বেদনাদায়ক কথা। এদিন বিচাৰ-বিবেচনাহীন একাংশ বাঙালীক লক্ষ্য কৰিয়ে জানো বেদনাহত চিত্তেৰে কবিগুৰু ৰবীন্দ্ৰনাথে খেদ কৰি গোৱা নাছিল—

> সাতকোটি সন্তানেৰে, হে মুগ্ধা জননী।
> ৰেখেচ বাঙালি কৰে, মানুষ কৰ নি।[২৮]

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাময় একবিংশ শতিকাত অৱতীৰ্ণ হ'বলৈ আগবঢ়া পঁচান্নবৈ কোটি ভাৰতীয়ই আজি যেতিয়া খাদ্য আৰু বাদ্যৰ বিভেদৰ নামত আৰু মন্দিৰ-মছজিদৰ নামত খাণ্ডবদাহ পৰ্বৰ সৃষ্টি কৰে, তেতিয়া স্বাভাৱিকতে মনত প্ৰশ্ন উদয় হয় যে এই বিশ্বৰ অংশ মানুহ ভাৰতীয়সকল কেৱল হিন্দু-মুছলমান হৈয়ে আছোঁ, মানুহ হোৱা নাই নেকি! অথচ অন্ততঃ বাৰবৰ দিনৰ পৰা হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ ভাৰতীয়ই উভয় সম্প্ৰদায়ৰ প্ৰতিবেশীৰ প্ৰতি শ্ৰদ্ধা-সন্মান জনাই মানসিক অশান্তি পাব পৰা কথা- কামৰ পৰা প্ৰায়েই বিৰত থাকিছিল, ইটো সম্প্ৰদায়ৰ লোক সমাজ জীৱনত প্ৰতিবেশী সিটো সম্প্ৰদায়ৰ লোকৰ লগত মিলিবলৈ চলাইছিল যেন সততে মানসিক প্ৰস্তুতি। কিন্তু মুছলিমলীগ প্ৰতিষ্ঠাৰ পিছত সেই মধুৰ সম্পৰ্ক ধূলিসাৎ হৈ গ'ল। অবিশ্বাস- অশ্ৰদ্ধাই দুয়োটা সম্প্ৰদায়ক কৰি তুলিলে ক্ৰমে বেছি অবিশ্বস্ত, সমাজ জীৱনক যেন টেঁটুলৈকে গ্ৰাস কৰিলে অপসংস্কৃতিয়ে।

খিলাফত্ আন্দোলন আৰু হিন্দু-মুছলমান ঃ

খিলাফত্ আন্দোলন আছিল তুৰস্কৰ খলিফাক কেন্দ্ৰ কৰি গঢ় লৈ উঠা এক পান-ইছলামিক আন্দোলন। মুছলিমলীগে খিলাফত্ আন্দোলনৰ প্ৰতি সমৰ্থন জনোৱাৰ লগতে ভাৰততো খিলাফত্ আন্দোলন চলাবলৈ ল'লে। বৃটিছ চৰকাৰে তুৰস্কৰ খলিফাৰ প্ৰতি কৰা অসৌজন্য আৰু বিশ্বাসঘাতকতামূলক আচৰণৰ বিৰুদ্ধে থিয় দিছিল মুছলমান জগতৰ লগতে ভাৰতীয় মুছলিমলীগেও। সি আছিল প্ৰকৃততে এটা সাম্প্ৰদায়িক

আলোড়নহে। কিন্তু তথাপি সম্প্রদায় নিৰপেক্ষ ভাৰতীয় কংগ্ৰেছে হিন্দু-মুছলমান সম্প্ৰীতিৰ পৰিবেশ উন্নত হোৱাৰ আশাত খিলাফত্ আন্দোলনৰ প্ৰতি সমৰ্থন জনোৱাৰ সিদ্ধান্ত কৰে। তেতিয়াও মহম্মদ আলী জিন্না আছিল কংগ্ৰেছৰ সদস্য আৰু নেতাও। কংগ্ৰেছে খিলাফত্ আন্দোলন সমৰ্থন কৰিবলৈ লোৱা সিদ্ধান্তৰ তেওঁ মুকলিভাবে বিৰোধিতা কৰিছিল, কাৰণ সি আছিল সাম্প্ৰদায়িক।

ভাৰতত জাতীয় বুৰঞ্জীয়ে জানিবলৈ দিয়ে যে বংগ-ভংগ আৰু মুছলিমলীগ গঠনৰ লগে লগে বংগক কেন্দ্ৰ কৰি সমগ্ৰ ভাৰতত বিয়াপি পৰা হিন্দু-মুছলমান বিদ্বেষ কংগ্ৰেছে খিলাফত্ আন্দোলন সমৰ্থন কৰাৰ ফলত অন্ততঃ ১৯২০/২১ চনৰ বছৰ দুটাত বহু পৰিমাণে লোপ পাইছিল, হিন্দু-মুছলমানৰ মাজত সৌহাৰ্দ্যৰ পৰিবেশ গঢ়লৈ উঠিছিল। কিন্তু কামাল আতাতুৰ্কৰ নেতৃত্বাধীন তুৰস্কৰ মুক্তি আন্দোলনে খলিফা পদকে উচ্ছেদ কৰাত আৰু খলিফাজনাই প্ৰাণ ৰক্ষাৰ তাড়নাত ইংৰাজৰ জাহাজেৰে পলায়ন কৰাৰ লগে লগে, খিলাফত্ আন্দোলন, স্বাভাৱিকতে, স্তব্ধ হৈ পৰে। ইংৰাজেই খলিফাক ৰক্ষা কৰা কাৰণে ভাৰতীয় মুছলিমলীগৰ মানত ইংৰাজ পুনঃ প্ৰাণৰ বান্ধৱত পৰিণত হ'ল। আৰু তাৰ অৱশ্যম্ভাৱী পৰিণতিস্বৰূপে পুনঃ হিন্দু-মুছলমানৰ মাজত সংঘাত-সংঘৰ্ষৰ সৃষ্টি হ'বলৈ ল'লে।

উল্লেখ কৰি থোৱা উচিত হ'ব যে ১৯০৬ চনত মুছলিমলীগ গঠন হোৱাৰ পিছতে হিন্দুমহাসভাও সংগঠিত হৈছিল। ১৯২০ৰ দশকৰ প্ৰাৰম্ভতে, মুছলিমলীগৰ পৰা সংগঠিত হ'ল সংগ্ৰামী সংগঠন 'তন্‌জিম্' আৰু 'তব্‌লিগ্' আৰু হিন্দু মহাসভাৰ পৰা উদ্ভৱ হ'ল 'সংগঠন' আৰু 'শুদ্ধি' আন্দোলন। আচলতে ১৯২২ চনৰ পৰা গঢ় লৈ উঠা সাম্প্ৰদায়িক সংঘৰ্ষৰ মূলত আছিল খাদ্য আৰু বাদ্যৰ দৰে টুলুঙা বিৰোধবোৰেই।

বেংগল চুক্তি :

সেই সময়ত সাম্প্ৰদায়িক সমস্যা ৰাজনৈতিকভাৱে সমাধানৰ অৰ্থে আগবাঢ়ি গৈছিল দূৰদৰ্শী বংগীয় কংগ্ৰেছী নেতা চিত্তৰঞ্জন দাস আৰু তেওঁৰ একান্ত অনুগামী এক মুষ্টিমেয়সংখ্যক উদাৰ ৰাজনৈতিক নেতা। চিত্তৰঞ্জন দাসে বংগৰ ভিত্তিত ৰচনা কৰা সেই আঁচনিক ভাৰতৰ মুক্তিসংগ্ৰামৰ বুৰঞ্জীত 'বেংগল চুক্তি' নামে জনা যায়। সেই চুক্তি অনুসৰি—

(১) বিধান পৰিষদ আদিলৈ লোকসংখ্যা অনুপাতে হিন্দু-মুছলমান সম্প্ৰদায়ে প্ৰতিনিধি নিৰ্বাচন কৰিবলৈ পাব লাগে।

(২) স্থানীয় নিকায়বোৰত সংখ্যাগৰিষ্ঠই ৬০% আৰু সংখ্যালঘিষ্ঠই ৪০% আসন পাব লাগে।

(৩) বংগৰদৰে মুছলমান সংখ্যাগৰিষ্ঠ প্ৰদেশত মুছলমানে চৰকাৰী চাকৰিৰ ৫৫% পাব লাগে আৰু সেই পৰ্যায় নাপায় মানে মুছলমানে ৮০% চাকৰি পাব লাগে।

(৪) মছজিদৰ আগেদি হিন্দুই বাদ্যযন্ত্ৰ বজাই যাব নালাগে।

(৫) মুছলমানেও হিন্দুৰ চেতনাক আঘাত নিদিয়াকৈহে সন্তৰ্পণে গোহত্যা কৰিব লাগে।

এনে আৰু ভালেখিনি কথা সেই চুক্তিৰ অন্তৰ্ভুক্ত কৰা হৈছিল। কিন্তু বংগীয় প্ৰাদেশিক কংগ্ৰেছ আৰু ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছে সেই চুক্তি কেৱল যে অগ্ৰাহ্যই কৰিলে তেনে নহয়, অতি টুলুঙা ভাষাৰে চিত্তৰঞ্জন দাসক তুচ্ছ-তাচ্ছিল্যও কৰিলে। চিত্তৰঞ্জন দাসৰ চুক্তি বা প্ৰস্তাৱে মুছলমান সম্প্ৰদায়ক আশান্বিত কৰি তুলিছিল; কিন্তু সেই চুক্তি নাকচ কৰাৰ লগে লগে তেওঁলোক হতাশগ্ৰস্ত হয় আৰু পুনৰ সংঘাত সংগ্ৰামত লিপ্ত হ'ব ধৰিলে।

পাকিস্তানৰ জল্পনা-কল্পনা :

ভাৰতৰ সাংবিধানিক ইতিহাস প্ৰণেতা কেইথে জানিবলৈ দিছে যে 'পাকিস্তান' বোলা শব্দটো ১৯১৯ চনমানৰে পৰা ভাৰতৰ আকাশে-বতাহে ধ্বনিত হ'বলৈ লৈছিল।[২১] লগতে ইয়াকো জানিবলৈ দিছে যে 'পাকিস্তান' বোলা শব্দটো আৰু তাৰ পৰিকল্পনাৰ সৃষ্টি হৈছিল ইংৰাজ চৰকাৰৰ বিভাজনকামী মস্তিষ্কৰ পৰা ইংলেণ্ডতেই।

ভাৰতীয় উৰ্দু কবি চাৰ মহম্মদ ইকবাল ভাৰতীয় জাতীয়তাবাদী কবি ৰূপে সৰ্বজনবিদিত। তেওঁ ৰচনা কৰা গান 'সাৰা জাহাসে আচ্ছা হিন্দুস্তাঁ হামাৰা' দেশপ্ৰেমৰ গান ৰূপে অতি উচ্চ প্ৰশংসিত। সেইজন ইকবালে মুছলিমলীগৰ সৰ্বভাৰতীয় এলাহাবাদ অধিৱেশনত ১৯৩০ চনত সভাপতিত্ব কৰি সভাপতিৰ অভিভাষণত উত্থাপন কৰিছিল মুছলমানৰ কাৰণে এখন সুকীয়া ৰাজ্যৰ দাবী। তাৰপৰা সহজে অনুমান কৰিব পাৰি যে বিভেদকামী মনোবৃত্তিয়ে আনকি সাহিত্যিক-শিল্পীসকলৰ মনোৰাজ্যও অধিকাৰ কৰিবলৈ সমৰ্থ হৈছিল।

পাকিস্তানৰ পৰিকল্পনা যে লণ্ডনস্থ ইংৰাজ চৰকাৰৰ বিভাজনকামী মস্তিষ্কৰ সৃষ্টি তাক ১৯৮৭ চনৰ জুলাই মাহত ভাৰত ভ্ৰমণ কৰিবলৈ অহা তদানীন্তন সিন্ধু প্ৰদেশৰ ৰাজনৈতিক নেতা গুলাম মুৰতজা ছাহ চৈয়দেও দিল্লীত অনুষ্ঠিত এখন সাংবাদিক মেলত সদৰী কৰি দিছিল আৰু সেই বাতৰি দেশৰ প্ৰায়বোৰ বাতৰি কাকতেই পৰিবেশন কৰিছিল। গুলাম মুৰতজাই সেই সাংবাদিক মেলত ঘোষণা দিছিল যে তেওঁ ভাৰত বিভাজনৰ বিৰোধী আছিল আৰু সেই মেলত তেওঁ জানিবলৈ

দিছিল যে পাকিস্তানৰ সৃষ্টিৰ মূল তেতিয়াৰ বৃটিছ সাম্ৰাজ্যৰ প্ৰধানমন্ত্ৰী উনষ্টন চাৰ্চিল। চাৰ্চিলে হেনো তদানীন্তন অবিভক্ত পঞ্জাবৰ প্ৰধানমন্ত্ৰী চিকন্দৰ হায়াত খানক কাইৰোত লগ পাইছিল আৰু হেনো চাৰ্চিলে চিকন্দৰ হায়াত খানৰ যোগেদি জিন্নালৈ বাতৰি পঠিয়াইছিল যে পাকিস্তান প্ৰবৰ্তন হ'লে, বৃটিছ চৰকাৰে জিন্নাক ইছলাম জগতৰ খলিফাৰ পদত অধিষ্ঠিত কৰিব। গোলাম মুৰতজাই আনকি সংবাদ মেলত ঘোষণা দিছিল যে খলিফা পদৰ লালসাতহে জিন্নাই পাকিস্তানৰ দাবীত অচল-অটলভাবে লাগি আছিল।

গুলাম মুৰতজা ছাহ চৈয়দৰ কথা যে সত্যৰ ভেটিত প্ৰতিষ্ঠিত তাক সেই সময়ৰ ঘটনাৱলীয়ে সমৰ্থন কৰে। কাৰণ ১৯৩০ চনমানতে পাকিস্তানৰ দাবীত পোন প্ৰথম প্ৰচাৰ পত্ৰখন লণ্ডনৰ কেম্ব্ৰিজৰ পৰাহে প্ৰকাশ হৈছিল: তাৰ স্বাক্ষৰকাৰী আছিল ৰহমত্ আলী আৰু অন্যান্য চাৰিজন। কিন্তু ইক্‌বালৰ পাকিস্তান আৰু ৰহমত্ আলীৰ পাকিস্তানৰ মাজত আকাশ-পাতাল পাৰ্থক্য আছিল। ইক্‌বালে পাকিস্তান সংযুক্ত ভাৰত ৰাষ্ট্ৰৰ অংগৰাজ্যস্বৰূপে পাব বিচাৰিছিল কিন্তু ৰহমত্ আলীয়ে বিচাৰিছিল এখন স্বাধীন সংযুক্ত ৰাষ্ট্ৰ ৰূপেহে।

মুছলমান নেতৃত্বই কিন্তু পাকিস্তানৰ প্ৰস্তাৱ তেতিয়া ল'ৰা-ধেমালি বুলিহে অৱজ্ঞা কৰিছিল। ৰহমত্ আলীহঁতে কিন্তু বাৰম্বাৰ প্ৰচাৰ পত্ৰৰ জৰিয়তে স্বাধীন পাকিস্তানৰ দাবী উত্থাপন কৰিয়ে থাকিল, নেতৃবৰ্গৰ উপৰি জনগণকো তাৰ প্ৰতি আকৃষ্ট কৰাৰ প্ৰচেষ্টা চলায়ে থাকিল। সেয়ে নিঃসন্দেহে ক'ব পাৰি যে পাকিস্তান আছিল বিভাজনকামী সাম্ৰাজ্যবাদী বৃটিছ চৰকাৰৰ উদ্ভাৱনা মাথোন।

জিন্না আৰু পাকিস্তান ঃ

সাধাৰণতে পাকিস্তান সৃষ্টিৰ কাৰণে সকলোৱে জগৰীয়া কৰে জিন্নাক। কিন্তু সি আংশিকভাৱেহে সত্য। পাকিস্তানৰ কাৰণে প্ৰধানকৈ জগৰীয়া সাম্ৰাজ্যবাদী ইংৰাজ চৰকাৰহে। ১৯০৬ চনত সৃষ্টি কৰা মুছলিমলীগ আছিল ইংৰাজ চৰকাৰৰে সৃষ্টি আৰু সেই মুছলিমলীগৰ জৰিয়তে পাকিস্তান সৃষ্টি কৰি ভাৰতক বিভাজন কৰিলে ইংৰাজ চৰকাৰেই। হিন্দুৰ পৰা মুছলমানক বিচ্ছিন্ন কৰিলে ইংৰাজ চৰকাৰৰ ষড়যন্ত্ৰয়েই। চাৰ চৈয়দ আহমেদ খাঁৰ দৰে জাতীয়তাবাদী নেতা আৰু চাৰ মহম্মদ ইক্‌বালৰ দৰে জাতীয়তাবাদী কবিকো বিচ্ছিন্নতাবাদী কৰি তুলিলে ইংৰাজ চৰকাৰেই। জিন্না প্ৰলোভন মুক্ত নাছিল, চাৰ্চিলে দেখুওৱা খলিফা পদৰ লোভৰ পৰা নিশ্চয় মুক্ত থাকিব পৰা নাছিল। কিন্তু এইটোও সত্য যে জিন্নাক বিচ্ছিন্নতাবাদী পাকিস্তানীৰূপে গঢ়ি তুলিছিল প্ৰকৃততে ভাৰতীয় সমাজৰ তদানীন্তন পৰিৱেশ আৰু পৰিস্থিতিয়েহে। তেওঁৰ ৰাজনৈতিক জীৱনৰ প্ৰথম স্তৰত তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰ সদস্য আৰু জাতীয়তাবাদী

নেতা। ১৯০৯ চনৰ মৰ্লে-মিণ্টো সংস্কাৰৰ জিন্না আছিল তীব্ৰ বিৰোধী। জিন্নাই মুছলমানৰ কাৰণে সুকীয়া নিৰ্বাচকমণ্ডলী সমৰ্থন কৰা নাছিল। অৱশ্যে পিছলৈ সেই আদৰ্শত জিন্না অটল হৈ থাকিব নোৱাৰিলে; তেওঁ হৈ পৰিল সুবিধাবাদী আৰু বিচ্ছিন্নতাবাদী। মুছলমান নিৰ্বাচকমণ্ডলীৰ দ্বাৰায়ে জিন্না কেন্দ্ৰীয় বিধান পৰিষদলৈ নিৰ্বাচিত হয় আৰু তাৰ পিছতে মুছলিমলীগৰ সদস্য পদো গ্ৰহণ কৰে। অৱশ্যে লীগে জাতীয়তাবাদ আৰু বিধান পৰিষদ সমৰ্থন কৰাৰ পিছতহে জিন্নাই লীগৰ সদস্যপদ গ্ৰহণ কৰিছিল। অৱশ্যে এইটো ঠিক যে জিন্নাই সুবিধাবাদীৰ ভূমিকাত অৱতীৰ্ণ হ'বলৈ যেন ক্ৰমে পদক্ষেপ দিছিল। মদনমোহন মালব্য প্ৰমুখ্যে নেতাসকলেও কিন্তু সেই একে দোমুখী ভূমিকাত অৱতীৰ্ণ হৈছিল, কংগ্ৰেছৰ লগতে হিন্দু মহাসভাৰো সদস্য আৰু নেতা আছিল। জিন্নাও পোনতে কংগ্ৰেছ আৰু লীগ উভয় সংগঠনৰেই সদস্য আছিল।

১৯১৬ চনত কংগ্ৰেছ লীগ মৈত্ৰী চুক্তিৰ সম্পাদনাত বালগংগাধৰ তিলকৰ লৈতে জিন্নাই এক গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰে। তাৰ ফলতে ভাৰতীয় ৰাজনীতিত জিন্নাৰ প্ৰতিপত্তি বৃদ্ধি পায়। আনকি হোমৰুল লীগৰ সভাপতি ৰূপেও নিৰ্বাচিত হয়। কিন্তু জিন্নাৰ সকলোবোৰ কাম-কাজ নিৰপেক্ষভাৱে বিচাৰ কৰিলে দেখা যায় যে গুৰিৰে পৰা জিন্না গান্ধীজীৰ বিৰোধী আছিল। তাৰ মূল কাৰণ হ'ব পাৰে ব্যক্তিত্ববাদ। দক্ষিণ আফ্ৰিকাত সত্যাগ্ৰহ আন্দোলন পৰিচালনা কৰি বিপুল অভিজ্ঞতা লাভ কৰি অহা গান্ধীজীয়ে ভাৰতৰ সমাজ জীৱনতো এক বিশেষ প্ৰতিপত্তি লাভ কৰিছিল। আৰু সেইকাৰণেই ১৯২০ চনত ভাৰত বিৰোধী ৰাওলাট আইনৰ বিৰুদ্ধে অসহযোগ আন্দোলন পৰিচালনা কৰিবলৈ কংগ্ৰেছে গান্ধীজীৰ ওপৰতে ক্ষমতা অৰ্পণ কৰিলে। জিন্নাৰ জীৱনীকাৰৰ মতে সিয়ে জিন্নাক ক্ষুণ্ণ কৰিছিল, সেই অসহযোগ সত্যাগ্ৰহ আন্দোলন জিন্নাই আন্তৰিকতাৰে সমৰ্থন কৰা নাছিল। অৱশ্যে ১৯২০ চনলৈ নামত হ'লেও জিন্না কংগ্ৰেছৰ নেতাও আছিল আৰু সদস্যও আছিল। একে ইনাৰটেম্পলৰ বাৰিষ্টাৰ গান্ধীজীৰ প্ৰতিপত্তি যেন জিন্নাই সহিব নোৱাৰিলে। কংগ্ৰেছে খিলাফত্ আন্দোলন সমৰ্থন কৰা কাৰ্যও জিন্নাই সমৰ্থন নকৰিলে, জিন্নাই কংগ্ৰেছ ত্যাগ কৰে। অৱশ্যে সেই সময়ত মুছলিমলীগৰ লগতো সহযোগ কৰা নাছিল। জিন্নাই গঠন কৰিছিল 'ইণ্ডিপেণ্ডেণ্ট পাৰ্টি'। সেই দলে সময়ে সময়ে কংগ্ৰেছকো সমৰ্থন কৰে আৰু আন কোনো সময়ত চৰকাৰকো সমৰ্থন কৰে। সেই দলৰ কোনো গণ সংগঠন নাছিল; কেন্দ্ৰীয় বিধান পৰিষদৰ কেইজনমান হিন্দু-মুছলমান আৰু পাচী সদস্যক লৈ সংগঠিত হৈছিল মাথোন। কিছুদিন পিছত ৰহমত আলীৰ প্ৰভাৱত জিন্নাই লীগত নিজকে মিলাই দিলে আৰু লীগৰ সৰ্বেসৰ্বাৰূপে প্ৰতিপন্ন হ'ল। প্ৰকৃততে ৰহমত

আলীৰ মাধ্যমত জিন্না বৃটিছ চৰকাৰৰ দ্বাৰাহে প্ৰভাৱান্বিত হৈছিল বুলি অনুমান কৰাৰ থল আছে।

এই ক্ষেত্ৰতো জিন্না গান্ধীজী বিদ্বেষৰ দ্বাৰা পৰিচালিত হৈছিল বুলি অনুমান কৰাৰ থল আছে। লণ্ডনৰ ইনাৰটেম্পলৰ বাৰিষ্টাৰ মোহনদাস গান্ধী যদি কংগ্ৰেছৰ সৰ্বময় কৰ্তাৰূপে প্ৰতিপন্ন হ'ব পাৰে, তেনেহ'লে একে লণ্ডনৰ বাৰিষ্টাৰ জিন্না হ'ব নোৱাৰিব কিয়? কংগ্ৰেছত জিন্না সৰ্বময় কৰ্তা হোৱা টান, কাৰণ তাত বিশিষ্ট নেতা বহু। কিন্তু লীগত শক্তিশালী নেতাৰ অভাৱ আছিল। তাত কেৱল জমিদাৰ আৰু নবাবেহে নেতৃত্ব দি আছিল। তেওঁলোকৰ নেতৃত্ব আছিল দুৰ্বল। গতিকে জিন্নাই সেই সুযোগ গ্ৰহণ কৰিলে; জিন্না লীগৰ সৰ্বময় কৰ্তাৰূপে প্ৰতিপন্ন হ'ল। জাতীয়তাবাদী গুচি জিন্না হ'ল সাম্প্ৰদায়িক। জিন্নাই কংগ্ৰেছকো হিন্দু সাম্প্ৰদায়িকৰূপে সাব্যস্ত কৰিলে। তেওঁ প্ৰচাৰ কৰিব ধৰিলে বোলে কংগ্ৰেছৰ হাতলৈ ক্ষমতাৰ হস্তান্তৰ মানে হিন্দু সাম্প্ৰদায়িকৰ হাতলৈ ক্ষমতা হস্তান্তৰ। জিন্নাই দাবী উত্থাপন কৰিলে হয় কংগ্ৰেছে লীগৰ লগত সংযুক্ত চৰকাৰ গঠন কৰিব লাগিব, নহয় লীগক পাকিস্তান দিব লাগিব। আনকি তৰোৱালৰ বলেৰে হ'লেও মুছলমানপ্ৰধান অঞ্চলত পাকিস্তান প্ৰতিষ্ঠাৰ ভাবুকি দিবলৈও নেৰিলে।

জিন্নাই পাহৰি গ'ল যে সমগ্ৰ ভাৰততে মুছলমান আছে। সংখ্যালঘিষ্ঠ অঞ্চলৰ কথা বিবেচনা কৰাৰ আৱশ্যকতা জিন্নাই পাহৰি গ'ল। জনগণৰ স্বাৰ্থতকৈ নিজৰ নেতৃত্বৰ অভিলাষ পৰিপূৰ্ণ কৰা কাৰ্যত গুৰুত্ব দিয়াৰ নিদৰ্শনে প্ৰমাণ কৰে যে জিন্না গণতান্ত্ৰিক নাছিল। পাকিস্তানৰ দাবীতেই ১৯৪৬ চনৰ ১৬ আগষ্টৰ পৰা লীগৰ সৰ্বময় কৰ্তা জিন্নাই সৃষ্টি কৰিছিল নিকৃষ্টতম সাম্প্ৰদায়িক সংঘৰ্ষৰ। আচলতে ভাৰত দ্বিখণ্ডিত হোৱাৰ সিও আছিল অন্যতম প্ৰধান কাৰণ। গণতান্ত্ৰিক হোৱাহেঁতেন তেনে কামৰ পৰা অৱশ্যেই বিৰত থাকিলহেঁতেন।

কিন্তু তথাপি একাংশ জীৱনীকাৰ আৰু ঐতিহাসিকে ক'ব বিচাৰে যে জিন্না মূলতঃ সাম্প্ৰদায়িক নাছিল। জিন্না আছিল হেনো যুক্তিবাদী, নামাজ-ৰোজা-মছজিদৰ হেনো তেওঁ অটল বিশ্বাসী নাছিল। কিন্তু জিন্না গণতান্ত্ৰিক নাছিল, জিন্না আছিল ব্যক্তিবাদী, নিজক সৰ্বময় কৰ্তাৰূপে প্ৰতিপন্ন কৰাই যেন জিন্নাৰ একান্ত ধাউতি আছিল। কোনো কোনোৱে ক'ব বিচাৰে যে জিন্না সম্প্ৰদায় নিৰপেক্ষই আছিল; কিন্তু একাংশ কংগ্ৰেছী নেতা উগ্ৰহিন্দু হৈ থকা কাৰণেই যেন জিন্না হ'ল মুছলিমলীগৰ উগ্ৰসমৰ্থক আৰু নেতা। জিন্নাৰ চেতনাৰ পৰা সম্প্ৰদায় নিৰপেক্ষতা লোপ পাইছিল বুলি ভবাৰো যুক্তি নাই। কাৰণ পাকিস্তানৰ গণ পৰিষদৰ সভাত ভাষণ দি জিন্নাই কৈছিল—

"আপোনালোক স্বাধীন। পাকিস্তানৰ মন্দিৰ-মছজিদ বা যিকোনো উপাসনাৰ

স্থানলৈ যোৱাৰ অধিকাৰ আপোনালোকৰ আছে। আপোনালোকৰ ধৰ্ম, জাতি আৰু সম্প্ৰদায় যিয়েই নহওক কিয়, তাৰ লগত এই মূল নীতিৰ কোনো সম্পৰ্ক নাই, কাৰণ আমি একেখন ৰাষ্ট্ৰৰ নাগৰিক। এই নীতি আমি চিৰদিন জাগ্ৰত কৰি ৰখা উচিত হ'ব। তেতিয়া দেখিব যে হিন্দুবিলাক আৰু হিন্দু হৈ নাথাকিব, মুছলমানবিলাকো মুছলমান হৈ নাথাকিব, হ'ব কেবল দেশৰ নাগৰিক।"[৩০]

পাকিস্তানৰ জন্মৰ পিছত কিন্তু মুছলমান নেতৃবৰ্গৰ জিন্নাৰ আৱশ্যকতা নোহোৱা হৈ পৰিল। পাকিস্তান মৌলবাদী মোল্লাৰ খেয়াল-খুচি অনুসৰি চলিবলৈ ধৰিলে। সংখ্যালঘু নিৰ্যাতন, বলেৰে ধৰ্মান্তৰকৰণ, ধৰ্ষণ আদি হৈ পৰিল স্বাভাৱিক ধৰ্ম। পাহৰি গ'ল যে বিভক্তিত ভাৰততো প্ৰায় তিনি কোটি মুছলমান ৰৈ গৈছে। মোল্লাতন্ত্ৰক বাধা দিয়াৰ শক্তি জিন্নাই হেৰুৱাই পেলালে। জিন্না হৈ পৰিল সম্পূৰ্ণৰূপে অথৰ্ব আৰু যেন অতি নিঃসহায়ভাৱে মৃত্যুক আঁকোৱালি ল'ব লগাত পৰিল ১৯৪৮ চনৰ ১১ চেপ্টেম্বৰৰ দিনা। জিন্না প্ৰকৃত অৰ্থত গণতান্ত্ৰিক হোৱাহেঁতেন, ব্যক্তিত্ববাদীও হ'ব নোৱাৰিলেহেঁতেন, সাম্প্ৰদায়িক দল মুছলিমলীগৰ নেতৃত্বও বহন কৰিব নোৱাৰিলেহেঁতেন আৰু দেশ বিভাজনো নহ'লহেঁতেন।

মহাত্মাগান্ধী আৰু পাকিস্তান ঃ

মহাত্মাগান্ধী আছিল মূলতঃ টলষ্টয়পন্থী সমাজ সংস্কাৰকহে। ৰুচিয়াৰ টলষ্টয়ো মূলত ঃ ৰাজনীতিক নাছিল, সাহিত্যিক, শিল্পী আৰু সমাজ সংস্কাৰকহে আছিল। সেই কাৰণে জীৱনৰ শেষৰ ফালে টলষ্টয়ে প্ৰায়েই ধৰ্মযাজক বা ধৰ্মপ্ৰচাৰকৰ দৰে কথা কৈছিল, ভাবিছিল আৰু তেনেদৰে সমাজ সংস্কাৰ কৰিব বিচাৰিছিল। গান্ধীজীৰ জীৱনৰ মাজেদিও তাৰ প্ৰতিফলন অনুভূত হৈছিল। তেওঁ চতুৰ ৰাজনীতিজ্ঞ হোৱাহেঁতেন প্ৰথম মহাসমৰৰ সময়ত ইংৰাজৰ যুদ্ধ প্ৰচেষ্টাত কোনোপধ্যেও সহযোগিতা আগ বঢ়াব নোৱাৰিলেহেঁতেন। আৰু যুদ্ধৰ অন্তত খিলাফত্ আন্দোলনো সমৰ্থন কৰিব নোৱাৰিলেহেঁতেন। তেওঁ অনুভৱ কৰিব পৰা নাছিল যে খিলাফত্ আন্দোলন সমৰ্থন কৰি সাম্প্ৰদায়িকতাক প্ৰশ্ৰয় দিয়া হৈছে। খিলাফত্ আন্দোলন সমৰ্থন কৰি প্ৰকৃততে মুছলিমলীগৰ বিচ্ছিন্নতাবাদী আন্দোলনকেই সমৰ্থন কৰা বুলি যেন তেওঁ অনুভৱকে কৰিব পৰা নাছিল। চৌৰিচৌৰাৰ দুৰ্ঘটনাৰ কাৰণে কংগ্ৰেছৰ কোনো নেতাৰ লগত আলোচনা নকৰাকৈ ১৯২২ চনত আকস্মিকভাৱে অসহযোগ আন্দোলন উঠাই লোৱা কাৰ্যই তেওঁৰ স্বৈৰতান্ত্ৰিকতাৰ পৰিচয় নিদিয়াকৈও নাথাকিল। মহম্মদ আলী জিন্নাই নিজকে মুছলিমলীগ বুলি ভাবিবলৈ লোৱাৰ দৰে গান্ধীজীয়েও যেন ভবা কৰিছিল যে তেৱেঁই কংগ্ৰেছ। কিন্তু গান্ধীজীৰ বৈশিষ্ট্য আছিল এয়ে যে তেওঁ সমূলি ক্ষমতা

অভিলাষী নাছিল। আচলতে তেওঁ যি কৰিছিল তাক উদাৰ মানবীয় দৃষ্টিৰেহে যেন কৰিছিল আৰু কৰিছিল যেন দেশৰ জনগণৰ কল্যাণৰ অৰ্থেহে। ৰাজনীতিকতকৈ বেছি সমাজ সংস্কাৰক হোৱাহেতুকে সময়ে সময়ে এনে দুই-এটা কথা কৈছিল বা লিখিছিল যে সিয়েই দেশৰ-জাতিৰ পৰম অকল্যাণো মাতি ননাকৈ থকা নাছিল। পাকিস্তানৰ জন্মৰ ক্ষেত্ৰত জিন্নাৰ অগণতান্ত্ৰিক ব্যক্তিত্ববাদী দৃষ্টিভংগী যেনেকৈ জগৰীয়া, গান্ধীজীৰ অসতৰ্ক মুহূৰ্তত কোৱা বা লিখা কথাও ঠিক তেনেকৈ সমানে জগৰীয়া যেন অনুভৱ হয়। তেওঁ নিজে সম্পাদনা কৰা 'হৰিজন' পত্ৰিকাত ১৯৪২ চনৰ ১৮ এপ্ৰিল সংখ্যাত পাকিস্তানৰ দাবীৰ সন্দৰ্ভত মন্তব্য দি লিখিলে,—

> "যদি গৰিষ্ঠসংখ্যক মুছলমানে নিজক এটা সুকীয়া জাতি বুলি ভাবে, হিন্দু আৰু অন্যান্যসকলৰ লগত উমৈহতীয়া একো সম্পৰ্ক নাই বুলিও বিবেচনা কৰে, তেনেহ'লে, পৃথিৱীৰ কোনো শক্তিয়ে তেওঁলোকক তাৰ পৰা বিচ্যুৎ কৰিব নোৱাৰে। তেওঁলোকে যদি ভাৰত বিভাজনকে কামনা কৰে, তেনেহ'লে, তাৰ পৰাও তেওঁলোকক বিৰত কৰা টান।"[৩১]

এই কথাখিনিৰ মাজেদি গান্ধীজীৰ যথাৰ্থ গণতান্ত্ৰিক সত্তাৰ স্বৰূপ প্ৰকাশ পাইছে সঁচা, কিন্তু তাৰ দ্বাৰা ভাৰতৰ চৰম অকল্যাণ হ'ল। গান্ধীজীৰ কথাৰ ওপৰত ভিত্তি কৰিয়ে মুছলিমলীগে পাকিস্তানৰ দাবীত আগতকৈ বেছি দৃঢ়তাৰে লাগি থকাৰ ভিত্তি বিচাৰি পালে, আনকি লৰ্ড মাউণ্টবেটেনে বিভাজনৰ ক্ষেত্ৰত সেই কথাখিনিসোঁৱৰাই দিয়ে গান্ধীজীৰ মৌন সম্মতি আদায় কৰিবলৈ সমৰ্থ হ'ল। বিভাজনৰ সলনি প্ৰাদেশিক স্বায়ত্তশাসনৰ ভেটিত ভাৰত যুক্তৰাষ্ট্ৰ গঢ় লৈ উঠাহেঁতেন সাম্প্ৰদায়িক হিংসা-ঘৃণাৰ পৰা উদ্ভৱ হোৱা সন্ত্ৰাসে ভাৰতীয় ৰাষ্ট্ৰীয় জীৱনক আজি জুৰুলা কৰি থাকিব নোৱাৰিলেহেঁতেন কিজানি, আৰু সম্ভৱতঃ ভাৰত, পাকিস্তান আৰু বাংলাদেশব্যাপী বিচ্ছিন্নতাবাদী আলোড়নেও বৰ্তমানৰ দৰে জুমুৰি দি ধৰিব নোৱাৰিলেহেঁতেন। গান্ধীজীয়ে সম্ভৱতঃ ভাবিছিল যে মুছলমান নেতৃত্বই মুছলমান জনগণৰ বৃহত্তৰ কল্যাণৰ স্বাৰ্থতে বিভাজনৰ পৰা আঁতৰি থাকিবই। কাৰণ মুছলমান সমগ্ৰ ভাৰততেই ব্যাপী আছিল। বিভাজন হ'লে সকলো মুছলমান পাকিস্তানলৈ নাযাব, এক বিশিষ্টসংখ্যক মুছলমান ভাৰততে ৰৈ থাকিব। সেইসকলৰ কথা বিবেচনা কৰি হ'লেও লীগৰ নেতৃত্ব বিভাজনৰ পৰা আঁতৰি থাকিব বুলিয়ে হয়তো তেওঁৰ বিশ্বাস আছিল। আৰু সেই কাৰণেই সহজ বিশ্বাসেৰে বিভাজনৰ বিষয়ে উদাত্তচিত্তে হৰিজনত ঘোষণা দিয়াৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰিবলৈ দ্বিধাবোধ কৰা নাছিল।

দোমুখী ৰাজনীতিক গান্ধীজী নাছিল; সত্য, সমতা, অহিংসা আৰু প্ৰেমৰ পূজাৰী গান্ধীজীয়ে সত্য, সমতা, অহিংসা আৰু প্ৰেমেৰে সকলো দুঃসাধ্যই সহজ

সাধ্য হ'ব বুলি সম্ভৱ তেওঁ আন্তৰিকতাৰে বিশ্বাস কৰিছিল। কিন্তু তেওঁৰ সততা আৰু সৰলতাক অন্যান্য নেতৃমণ্ডলীয়ে শ্ৰদ্ধা-সম্মান কৰিবলৈ অভ্যস্ত হোৱা নাছিল, সেয়ে বিভাজনৰ পৰা তেওঁ ভাৰতক ৰক্ষা কৰিব নোৱাৰিলে। তেওঁৰ সত চিন্তাক দুৰ্বলতাতহে যেন পৰ্যবসিত কৰিলে।

সংকেত সূচী :

১। ৰবীন্দ্ৰনাথ ঠাকুৰ : *ভাৰততীৰ্থ ।*

২। মেদিনী চৌধুৰী : *লুইত, বৰাক, ইছলাম,* পৃঃ ৭৭-৮৮ ।

৩। ড° সূৰ্যকুমাৰ ভূঞা (সম্পাদিত) : *সাতসৰী অসম বুৰঞ্জী,* ১ম খন, পৃঃ ৩

৪। R.S. Sharmah : *Communal History & Rama's Ayodhya.* PP. 15-16

৫। ড° সূৰ্যকুমাৰ ভূঞা (সম্পাদিত) : *অসম বুৰঞ্জী,* পৃঃ ২৮, চুক্লেনমুং গড়গঞা ৰজাই বাপেক চুহুংমুঙক হত্যা কৰাইছে খ্ৰীঃ ১৫৪৩ চনত।

৬। R.C. Majumdar : *History & Culture of the Indian People,* Vol V, P. XIV

৭। B.N. Pande : *Islam and Indian culture.* P. 32

৮। Wood Papers : *Wood to Elgin,* March 3, 1862, quoted in B.N. Pande's Islam & Indian Calture, P. 33.

৯। Dr. B.N. Pande : *Islam & Indian Calture*, Quoted, P. 33

১০। *Ibid.* P. 23

১১। কৃপাবৰ বৰবৰুৱা (লক্ষ্মীনাথ) : *এংলোইণ্ডিয়ান,* ৩য় বছৰ ৩য় সংখ্যা উষা।

১২। Quoted in Dr. B.N. Pande : *Islam & Indian Culture.*

১৩। *Dr. B.N. Pande : Islam & Indian Culture, PP. 35-38.*

১৪। বি, শেখ, আলি : *টিপু চুলতান,* নেছনেল বুকট্ৰাষ্ট, পৃঃ ৫৮

১৫। *প্ৰাগুক্ত গ্ৰন্থ,* পৃঃ ৬৯।

১৬। Dr. B.N. Pande : *Islam & Indian Culture,* PP. 40-41.

১৭। প্ৰেমচন্দ : *সাম্প্ৰদায়িকতা আৰু সংস্কৃতি (নিবন্ধ)*।

১৮। Dr. B.N. Pande : *Ibid,* P. 50.

১৯। *Ibid, PP.* 50-51.

২০। R.C. Majumdar : *History and Culture of Indian People, Struggle for Freedom,* Volume, PP. 17-18

২১। *Ibid,* PP. 54-56

২২। *Ibid,* P. 56.

২৩। মানবেন্দ্র নাথ রায় : *ইস্‌লামের ঐতিহাসিক অবদান,* পৃঃ ৭২

২৪। মজাফ্‌ফর আহ্‌মদ : *কোথায় প্রতিকার?* নাঙল, ২৮ শে জানুয়ারী, ১৯২৬।

২৫। মুণ্ডনিপাত : ২৯৫-৯৬, ড° প্রফুল্লদত্ত গোস্বামীর *'হিন্দুর ভক্ষ্য আর অভক্ষ্য'* নিবন্ধত উধৃত।

২৬। *প্রাগুক্ত* প্রবন্ধত উধৃত।

২৭। *মনুসংহিতা* : ৫/১৮

২৮। রবীন্দ্রনাথ : *বংগমাতা (কবিতা)*

২৯। R.C. Majumdar : *History and Culture of Indian people, Struggle for Freedom,* Volume, P. 616.

৩০। শৈলেন্দ্র কুমার বন্দোপাধ্যায় : জিন্না / পাকিস্তান, পৃঃ ২।

৩১। Quoted in R.C. Majumdar : *Ibid,* P/ 695

পঞ্চম অধ্যায়

অসমত বিচ্ছিন্নতাবাদৰ উদ্ভৱ আৰু পাকিস্তান

কোনো কোনোৱে জকাইচুকীয়া বুলি ভাবিলেও বা ক'লেও মধ্যযুগীয়া অসম বিভিন্ন দিশৰ পৰা বৈশিষ্ট্যপূৰ্ণই আছিল। সাংস্কৃতিক সমন্বয়ৰ ক্ষেত্ৰত অসম আছিল প্ৰকৃততেই আদৰ্শস্থানীয়। কিৰাত-মংগোল অধ্যুষিত অসমত জনজাতি অনা জনজাতি, হিন্দু-মুছলমান সকলোৱে মিলি আছিল প্ৰায় এক আৰু অভিন্ন। ব্যতিক্ৰম যে নাছিল তেনেও নহয়, কিন্তু সি আছিল প্ৰায় নধৰ্তব্য। অসমৰ জনগণৰ সাংস্কৃতিক বান্ধোনৰ ভেটি ইমান সুদৃঢ় আছিল যে আনকি মুছলিমলীগ প্ৰতিষ্ঠিত হোৱা সত্ত্বেও বা কলিকতাকে ধৰি ভাৰতৰ ভিন ভিন ঠাইত সাম্প্ৰদায়িক সংঘৰ্ষই জুমুৰি দি ধৰা সত্ত্বেও, অসমত সিবোৰৰ প্ৰভাৱ পৰিলক্ষিত হোৱা নাছিল। অসম ঐক্যবদ্ধ হৈয়ে আছিল।

১৮৫৭ চনৰ মহাবিদ্ৰোহ আৰু অসম ঃ

১৮৫৭ চনৰ মহাবিদ্ৰোহ সমগ্ৰ ভাৰতব্যাপীয়ে হিন্দু-মুছলমানৰ ঐক্য আৰু সম্প্ৰীতিৰ অনুপম নিদৰ্শন। সেই ক্ষেত্ৰত অসমো পিছপৰি থকা নাছিল। সমগ্ৰ ভাৰতৰ এক বিপুলসংখ্যক হিন্দু-মুছলমান ভাৰতীয় ঐক্যবদ্ধ হৈ ভাৰতভূমিৰ পৰা ইংৰাজক অপসাৰণ কৰিবলৈ সংঘৰ্ষৰত হোৱাৰদৰে, অসমৰ পৰা ইংৰাজ শাসনৰ অৱসান ঘটাবলৈ সংগঠিত হ'বলৈ লৈছিল একাংশ হিন্দু-মুছলমান দেশপ্ৰেমী অসমীয়াও। অসমত বিদ্ৰোহ ঘোষণা কৰা হোৱা নাছিল, মণিৰাম দেৱানৰ নেতৃত্বত প্ৰস্তুতিহে চলিছিল। সেই বিদ্ৰোহৰ কেন্দ্ৰত আছিল ৰাজকোঁৱৰ কন্দৰ্পেশ্বৰ সিংহ আৰু নেতা আছিল মণিৰাম দেৱান। কোঁৱৰ কন্দৰ্পেশ্বৰ সিংহৰ প্ৰাসাদ আছিল মন্ত্ৰণাৰ থলী। মণিৰাম দেৱানৰ ঘনিষ্ঠ সহযোগীসকলৰ ভিতৰত আছিল পিয়ালী বৰুৱা, মধুমল্লিক, হংস বৰুৱা, কমলা চাৰিঙীয়া বৰুৱা, মহম্মদ বাহাদুৰ গাওঁবুঢ়া, ফৰমুদ আলী, দুতিৰাম বৰুৱা, মৰঙী খোৱা গোহাঁই, ত্ৰিনয়ন, মায়াৰাম নাজিৰ, প্ৰমুখ্যে একাংশ হিন্দু-মুছলমান নেতৃবৰ্গই – আৰু বিদ্ৰোহ সফল কৰি তুলিবলৈ ওলাই আহিছিল 1st Assam Light Infantry ৰ জামাদাৰ নুৰ মহম্মদ, ৰুস্তম সিং জামাদাৰ প্ৰমুখ্যে ইংৰাজৰ প্ৰতিৰক্ষা বাহিনীৰ একাংশ জোৱান। বিদ্ৰোহৰ অপৰাধত ইংৰাজে মণিৰাম দেৱান আৰু পিয়ালী বৰুৱাক তুলিলে ফাঁচি কাঠত, মধুমল্লিক, কমলা বৰুৱা, দুতিৰাম বৰুৱা, মৰঙীখোৱা গোহাঁই, ত্ৰিনয়ন, মায়াৰাম নাজিৰ, বাহাদুৰ গাওঁবুঢ়া, ফৰমুদ আলী প্ৰভৃতিক কৰিছিল দেশান্তৰ; সেইসকলৰ সা-সম্পত্তিও কৰিছিল হস্তান্তৰ। ইংৰাজৰ শাস্তিৰ পৰা

কন্দৰ্পেশ্বৰ সিংহয়ো ৰক্ষা পোৱা নাছিল। সমগ্ৰ ভাৰতৰ দৰে অসমতো নির্মম নিষ্ঠুৰতাৰে বিদ্ৰোহ দমন কৰিলে সঁচা; কিন্তু সি আছিল হিন্দু-মুছলমান ঐক্যৰ অনুপম নিদর্শন।

ৰাইজমেল আৰু কৃষক বিদ্ৰোহ ঃ

ইংৰাজৰ শাসন কালৰ ভাৰতবর্ষত কৃষক বিদ্ৰোহ বহুবাৰ আৰু বহু ঠাইতে হৈছিল, কিন্তু সেই বিদ্ৰোহ হৈছিল জমিদাৰৰ বিৰুদ্ধে বা নীল বিদ্ৰোহৰ দৰে কোনো কোম্পানীৰ বিৰুদ্ধে। কিন্তু ১৮৬১ চনৰ পৰা ১৮৯৪ চনলৈ অসমত যি কৃষক বিদ্ৰোহ হৈছিল সি আছিল খোদ ইংৰাজ প্ৰশাসনৰ বিৰুদ্ধে গঢ়ি তোলা অসমৰ একো অংশ হিন্দু-মুছলমান কৃষক জনগণৰ সন্মিলিত বিদ্ৰোহ। মন কৰিব লগা কথা এয়ে যে ইংৰাজৰ বিভাজন আৰু শাসন নীতিয়ে সেই বিদ্ৰোহত কোনো প্ৰকাৰৰ প্ৰভাৱেই বিস্তাৰ কৰিব লগা নাছিল।

সেই কৃষক বিদ্ৰোহ আছিল অর্থনৈতিক কাৰণত সংঘটিত বিদ্ৰোহ। ফুলগুৰি, পথৰুঘাট, ৰঙিয়া, নলবাৰী, বৰমা, বজালী, সৰুক্ষেত্ৰী আদিৰ হিন্দু-মুছলমান কৃষক ৰাইজমেলত সন্মিলিত হৈ, খাজনা বৃদ্ধিৰ প্ৰতিবাদত সেই বিদ্ৰোহৰ সিদ্ধান্ত লৈ, নির্ভীকভাৱে আগবাঢ়ি গৈছিল। নৰোত্তম দাসৰ দলিপুৰাণ অনুসৰি পাথৰুঘাটৰ বিদ্ৰোহত যোগ দিয়াসকলৰ ভিতৰত—

'তৰা গেৰা গৰিয়া গৈলা আলা আলা কৰি।'

আৰু

'কাল জেৰিয়া গৰিয়াহাতে ফুৰে মানুহ মাতি।'

অৰ্থাৎ এক বিশিষ্টসংখ্যক মুছলমান গৰীয়ায়ো সম্ভৱ পাথৰুঘাটৰ কৃষক বিদ্ৰোহত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল। ইংৰাজ চিপাহীৰ গুলিত যিসকল হিদ্ৰোহী কৃষক পাথৰুঘাটত শ্বহীদ হৈছিল, সেইসকলৰ ভিতৰত, দলিপুৰাণ অনুসৰিয়ে, মিএগ বৰলিকিৰাই জীৱন আহুতি দিছিল আৰু মণ্ডলদৈৰ ইতিহাস ৰচোঁতা দীনেশ্বৰ শর্মাৰ বর্ণনা অনুসৰি অন্যান্য শ্বহীদসকলৰ ভিতৰত মুছলিম ঘোপাৰ মহম্মদ বৰলিকিৰা সেখ, বৰকলিয়াঝাৰৰ মঃ কটা সেখ, যোগাৰ মঃ বলীসেখ, প্ৰভৃতিয়ে প্ৰাণ আহুতি দিছিল।

সেই একে সময়তে সৰুক্ষেত্ৰী মৌজাৰ লাছিমাৰ পানাটুপত যি ৰাইজমেল আৰু কৃষক বিদ্ৰোহ হৈছিল, তাতো সর্থেবাৰী আৰু লাছিমা অঞ্চলৰ, গাঁৱৰ পিছত গাঁও জুৰি অন্যান্যসকলৰ সৈতে মুছলমানসকলেও একেলগে সক্ৰিয় অংশ গ্ৰহণ কৰি নির্যাতন ভুগিছিল। সর্থেবাৰীৰ ৰাইজমেল শতবার্ষিকী উৎসৱৰ স্মৃতিগ্ৰন্থ 'ৰাইজমেল'ত প্ৰকাশিত এটা আলোচনাৰ পৰা জনা যায় যে সর্থেবাৰীৰ বাবৰি ফকীৰ আছিল

পানাটুপৰ ৰাইজমেলৰ অন্যতম বিশিষ্ট নেতা। ইংৰাজৰ বিৰুদ্ধে থিয় দিয়া অপৰাধত তেওঁৰ কান্ধত যুঁৱলি দি হাল বোৱাইছিল, আৰু তাৰ পিছত কাৰাৰুদ্ধ কৰিও ৰাখিছিল।[১]

ইংৰাজে সমগ্র ভাৰতত যেনেকৈ মুছলমানসকলক পোনতে ঘৃণা কৰিবলৈ লৈছিল, অসমতো তাৰ ব্যতিক্রম হোৱা নাছিল আৰু সমগ্র ভাৰতত পিছত যেনেকৈ ৰাজনৈতিক কাৰণতে মুছলমানক আপোন কৰি লৈ সংখ্যাগৰিষ্ঠ হিন্দুসকলক দমন কৰিব বিচাৰিছিল অসমতো তাৰ ব্যতিক্রম ঘটা নাছিল। কিন্তু দেশ স্বাধীন হোৱাৰ আগলৈকে অসমত হিন্দু-মুছলমানৰ মাজত সংঘৰ্ষ সৃষ্টিৰ অভিলেখ নাই। ই অসমৰ সমূহ জনগণৰ কাৰণে কম গৌৰৱৰ কথা নাছিল।

নজৰ আলীৰ আত্মজীৱনীমূলক গ্রন্থ, 'মোৰ জীৱনৰ কিছু কথা' খনৰ কথা উল্লেখ কৰি আহিছোঁ। নজৰ আলীৰ ককায়েক কাছিম আলী আছিল ইংৰাজৰ অধীন চাহ বাগিচাৰ বৰ কেৰাণী। তেওঁ দৰং জিলাৰ বামুণজুলি বাগিচাৰ বৰকেৰাণীৰ চাকৰিৰ কাৰণে গৈ ওলাইছিল ইংৰাজ পৰিচালক এন, জে, টাইৰ ওচৰত। চাহাবজনাই কাছিম আলীৰ লগত পতা কথা-বতৰাই —

"তোমাৰ জাত কি?"

"মোছলেম।"

"তুমি বেয়া জাতৰ।"[২]

অনুভব কৰিবলৈ দিয়ে ইংৰাজে মুছলমানক কেনেদৰে ঘিণাইছিল। কিন্তু ইংৰাজ পৰিচালক এন, জে, টাইয়ে কাছিম আলীকে নিযুক্তি দিছিল। পৰিচালক টাইৰ মতে—

"মোক তোমাৰ দৰে মানুহেই লাগে।"

ই অত্যন্ত তাৎপৰ্যপূৰ্ণ আছিল। সুন্দৰ সুঠাম দেহৰ অধিকাৰী আৰু স্পষ্টবাদী কাছিম আলীয়ে হয়তো পৰিচালক টাইক আকৰ্ষণ কৰিব পাৰিছিল। কিন্তু তাতোকৈও গুৰুত্বপূৰ্ণ কথা আছিল এয়ে যে সেই সময়ত ইংৰাজ প্রশাসনে আঁকোৱালি লৈছিল মুছলমানসকলকহে, সি চাহ বাগিচালৈও ব্যাপী গৈছিল। সেইকাৰণেই ইংৰাজ পুংগৱ টাইৰ আৱশ্যক হৈছিল কাছিম আলীৰ দৰে মুছলমান, অথচ সুন্দৰ-সুস্থ দেহ-মনৰ মানুহৰ।

অসমত বাঙালী হিন্দু-মুছলমান ঃ

বংগ-ভংগ আৰু পূৰ্ববংগ-অসম প্রদেশ সংগঠনৰ কালত অসমলৈ নিশ্চয় কিছুসংখ্যক বাংলাভাষী হিন্দু-মুছলমানৰ আগমন ঘটিছিল। বেংগল চুক্তি ৰদ আৰু

বংগব্যাপী হিন্দু-মুছলমানৰ মাজত সংঘৰ্ষ গঢ় লৈ উঠাৰ পিছতো বাংলাভাষী বহু লোকৰ অসমত অনুপ্ৰৱেশ ঘটিছিল। মুছলিমলীগ গঠন আৰু দ্বিজাতি (হিন্দু-মুছলমান) তত্ত্ব প্ৰতিষ্ঠাৰে বংগকে ধৰি ভাৰতৰ অন্যান্য প্ৰান্তত হিন্দু-মুছলমানৰ মাজত বিদ্বেষ আৰু সংঘৰ্ষ গঢ় লৈ উঠাৰ পিছতো কিন্তু অসমৰ থলুৱা হিন্দু-মুছলমান আটায়ে একমুঠ হৈয়ে আছিল। ১৮৩৬ চনৰ পৰা অসমীয়াৰ ঠাইত বাংলা ভাষা প্ৰচলন হৈছিল কাৰণে আৰু একাংশ বাঙালীয়ে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি অৱজ্ঞাসূচক হেয় ভাব পোষণ কৰিছিল কাৰণে, অসমীয়া হিন্দু-মুছলমান আটায়ে সেই বাংলাভাষী বাঙালী অংশক সহ্য কৰিব পৰা নাছিল। কিন্তু অসমত হিন্দু-মুছলমানৰ মাজত বিদ্বেষৰ সৃষ্টি হোৱা নাছিল। বংগৰ পৰা অহা পমুৱাবিলাক অসমলৈ অহাৰ পূৰ্বেই হিন্দু-মুছলমান বিদ্বেষত লিপ্ত হৈছিল। মুছলিমলীগ আৰু দ্বিজাতিত্ব প্ৰতিষ্ঠাৰ পিছত পূৰ্ববংগৰ পৰা মৌলবাদী মুছলমান নেতা বা মোল্লাসকল আহি অসমৰ মুছলমানৰ মাজত হিন্দু বিদ্বেষৰ সৃষ্টি কৰিবলৈ উচটোৱাৰ চেষ্টা নকৰাকৈও থকা নাছিল। হয়তো আংশিকভাৱে সকলো হৈছিল। ১৯১৮ চনত যোৰহাটক কেন্দ্ৰ কৰি সংগঠিত 'অসম মুছলমান ছাত্ৰ সন্মিলন' তাৰ নিদৰ্শন।

অসমৰ অসমীয়াভাষী বুদ্ধিজীৱীসকলে, ১৯১৬ চনতে সংগঠিত 'অসম ছাত্ৰ সন্মিলন' থাকোঁতে এখন 'মুছলিম ছাত্ৰ সন্মিলন' গঢ় লৈ উঠা কাৰ্য ভালভাৱে গ্ৰহণ কৰিব পৰা নাছিল। সচেতন অসমীয়া অংশই সঠিকভাৱেই অনুভৱ কৰিছিল যে সিয়ে অসমৰ জাতীয়তাত ব্যাঘাত ঘটাব পাৰে আৰু সঠিকভাৱেই অনুমান কৰিছিল যে সেই বিচ্ছিন্ন ছাত্ৰসংগঠন বহিৰাগত বাংলা-ভাষী মুছলমানসকলৰ উচটনিৰ ফল। ১৯১৯ চনৰ ২য় সংখ্যা 'চেতনা'ত সেই বিষয়ে সম্পাদকীয় নিবন্ধ লিখি কিন্তু বাংলাভাষী হিন্দু-মুছলমানৰ বিৰুদ্ধে কটাক্ষপাত কৰা নাই, সেইসকল বহিৰাগত হিন্দু-মুছলমান পমুৱাক আপোন কৰি লৈ সমন্বয় আৰু সমাহৰণৰ ভেটিত অসমৰ জাতীয় জীৱন শক্তিশালী কৰি তোলাৰ অৰ্থে আহ্বান জনাইহে লিখিছিল,—

> "এইবিলাকক (অৰ্থাৎ বহিৰাগত বাংলাভাষী পমুৱাসকলক) যদি আমি ৰীতি-নীতি, ভাষা-শিক্ষা সকলো ফালেদি অসমীয়া কৰি ল'ব পাৰোঁ, তেনেহ'লে অসমীয়াৰ জাতীয়তাও সবল হ'ব, আৰু অসমীয়া মুছলমানসকলৰো স্বাৰ্থ ৰক্ষা পৰিব।"[৩]

'চেতনা'ত প্ৰকাশিত সেই আলোচনাটোত কিন্তু সন্দেহ প্ৰকাশ পাইছিল যে বহিৰাগত মুছলমানসকলক ৰীতি-নীতি, ভাষা-শিক্ষা সকলো ফালৰ পৰা অসমীয়া কৰি ল'ব নোৱাৰিলে অসমতো দ্বিজাতিতত্ত্বই প্ৰতিষ্ঠা লাভ কৰিব পাৰে। আনকি ইমানলৈ সন্দেহ কৰিছিল যে অসমতো মুছলমানৰ কাৰণে সুকীয়া নিৰ্বাচকমণ্ডলী প্ৰতিষ্ঠিত

হ'লে অসমৰ জাতীয়তাত ব্যাঘাত পৰিবও পাৰে। অসমৰ ঐক্য-সংহতিত কিন্তু মুছলিমলীগ বা তেওঁলোকৰ দ্বিজাতিতত্ত্বই তেতিয়ালৈকে আঘাত হানিব পৰা নাছিল, বিচ্ছিন্নতাবাদী আন্দোলনেও গা কৰি উঠিব পৰা নাছিল।

ছাদুল্লা চৰকাৰ আৰু বিচ্ছিন্নতা ঃ

প্ৰাক্ স্বাধীনতা যুগৰ প্ৰায় কুৰি বছৰ কালৰ অসমৰ ৰাজনীতিত চাৰ চৈয়দ ছাদুল্লাৰ স্থান গুৰুত্বপূৰ্ণ। সাধাৰণতে তেওঁক জাতীয়তাবাদী ৰূপেই প্ৰতিপন্ন কৰিব বিচৰা হয়। কিন্তু মন কৰিব লগা কথা এয়ে যে তেওঁক কেন্দ্ৰ কৰিয়ে অসমৰ ৰাজনীতিত মুছলিমলীগে খোপনি পোতা সম্ভৱপৰ হৈছিল। তেওঁ .ানতে ৰাইজৰ দ্বাৰা নিৰ্বাচিত বিধান পৰিষদৰ সদস্য নাছিল, তেওঁ আছিল ইংৰাজ চৰকাৰৰ দ্বাৰা মনোনীত সদস্যহে আৰু আচলতে প্ৰায় মনোনীত প্ৰধানমন্ত্ৰীও। তেওঁৰ শাসন কালতে পূৰ্ববংগৰ পৰা লাখ লাখ পমুৱা মুছলমানক আমদানি কৰি আনি অসমৰ সংৰক্ষিত চৰণীয়া পথাৰকে ধৰি ছন পৰি থকা মাটিত বহুৱাইছিল– অসমত সেউজ বিপ্লৱ সফল কৰাৰ আকাংক্ষাৰে। সেই আকাংক্ষা পমুৱাবিলাকে বহু পৰিমাণে পৰিপূৰ্ণ কৰি তুলিবও পাৰিছিল আৰু পমুৱাসকলৰ কৃষি কৰ্মই অসম চৰকাৰৰ ৰাজহ বৃদ্ধিতো সহায় কৰিব পাৰিছিল। কিন্তু আন বহুতে সন্দেহ কৰাৰ দৰে ১৯৪৩ চনত অসমলৈ অহা তেতিয়াৰ বৰলাট আৰু ৰাজপ্ৰতিনিধি লৰ্ড ওৱাভেলে বোলে শ্লেষাত্মকভাৱে প্ৰশ্ন কৰিছিল 'গ্ৰো মোৰ ফুড' ৰ আলোড়ন চলিছেনে 'গ্ৰো মোৰ মুছলিম' আলোড়ন চলিছে।[৪] চৈয়দ ছাদুল্লাক অসমে বিচক্ষণ ৰাজনীতিবিদ বুলিয়ে জানে; কিন্তু মুছলিমলীগৰ প্ৰতি প্ৰথমতে দুৰ্বলতা আৰু শেষত লীগৰ সদস্য আৰু নেতাৰূপে পৰিণত হোৱাত তেওঁৰ জাতীয়তাবাদী চৰিত্ৰ খৰ্ব হয়, তেওঁ হৈ পৰে সাম্প্ৰদায়িক। আৰু প্ৰকৃততে সিয়ে হিন্দু-মুছলমানৰ মাজত বিচ্ছিন্নতাবোধ সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰে।

হিন্দুমহাসভা গঠন আৰু সংঘাত ঃ

বংগত 'বেংগল চুক্তি' অগ্ৰাহ্য হোৱাৰ পিছত গঢ় লৈ উঠিছিল মুছলিমলীগৰ ছত্ৰছাঁত 'তন্‌জিম' আৰু 'তবলিক' বোলা দুটা মৌলবাদী মুছলমান সংগঠন। তেনেকৈ হিন্দুমহাসভাৰ ছত্ৰছাঁতো গঢ় লৈ উঠিছিল 'শুদ্ধি' আৰু 'সংগঠন' বোলা উগ্ৰ হিন্দু সংগঠন। হিন্দু-মুছলমানে গঢ়ি তোলা মৌলবাদী উগ্ৰ সংগঠনবোৰে প্ৰায় সমগ্ৰ ভাৰতব্যাপী প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা সত্ত্বেও অসম সিবোৰৰ প্ৰভাৱৰ পৰা কিছুদিনলৈ হ'লেও মুক্তই আছিল বুলিব পাৰি। কিন্তু তদানীন্তন পূৰ্ববংগৰ পৰা মুছলমান পমুৱাৰ সোঁত প্ৰায় অবাধ গতিত বৈ থকা কাৰণে, আৰু সেই পমুৱাসকলৰ মাজত মৌলবাদী উগ্ৰ মুছলমান সংগঠন গঢ় লৈ উঠা কাৰণে; ১৯২৬ চনৰ ডিচেম্বৰত পাণ্ডুত অনুষ্ঠিত ভাৰতীয় কংগ্ৰেছ মহাসভাৰ অন্তত সেই একে সভাস্থলীতে অনুষ্ঠিত হ'ল মদনমোহন

মালব্যৰ সভাপতিত্বত ভাৰতীয় হিন্দুমহাসভাৰ অধিৱেশন। সেই অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ দায়িত্ব বহন কৰিছিল গড়মুৰ সত্ৰৰ অধিকাৰ পীতাম্বৰ দেৱ গোস্বামীয়ে। আচলতে সেয়ে অসমত হিন্দুমহাসভাৰ প্ৰথম সূত্ৰপাত। তাৰ দুবছৰ পিছত ১৯২৮ চনৰ জুনত নগাঁৱত অনুষ্ঠিত হৈছিল অসম প্ৰাদেশিক হিন্দুমহাসভাৰ অধিৱেশন।[৫] তাৰ মাজেদি আৰম্ভ হ'ল হিন্দুত্ববাদৰ প্ৰচাৰ আৰু হিন্দু-মুছলমানৰ মাজত শীতল-সংঘৰ্ষ।

তবলিকৰ অধিৱেশন ঃ

মুছলমানসকলো বহি নাথাকিল। তেওঁলোকো দেখাদেখিকৈ সংগঠন বঢ়াবলৈ ওলাই আহিল। ১৯২৭ চনৰ ১৫ এপ্ৰিলত তেওঁলোকে 'তবলিক' সংগঠনৰ অধিৱেশন অনুষ্ঠিত কৰিলে গুৱাহাটীত। তবলিকৰ শাখা-প্ৰশাখা ঠায়ে ঠায়ে গঢ় লৈ উঠিল আৰু তেওঁলোকৰ সংগঠন ক্ৰমে শক্তিশালী হৈ উঠিব ধৰিলে। আনকি খাছীয়াসকলকো ইছলামলৈ অনাৰ আকাংক্ষাৰে লাহোৰত সংগঠিত 'আহমদীয়া আঞ্জুমান-ই-ইছাত্- ই - ইছলামৰ'ৰ শাখা পৰ্যন্ত শ্বিলঙত গঢ়ি তুলিলে— ১৯২৭ চনতে। এই আহমদীয়া সংগঠনে আনকি ১৯৩৩ চনৰ পৰা 'মেছেঞ্জাৰ' (Messanger) বোলা এখন পত্ৰিকাও প্ৰচাৰ কৰিবলৈ ল'লে। ১৯৩৪ চনত আহমদীয়াৰ লগত চামিল হয় 'শ্বিলং মুছলিম সংগঠন'। লগে লগে তেওঁলোকৰ সমৰ্থন বাঢ়ে।[৬]

ব্ৰহ্মপুত্ৰ উপত্যকাৰ পুৰণি মুছলমানসকল আছিল অসমীয়াভাষী নিভাঁজ অসমীয়া জাতীয়তাবাদী। কিন্তু নবাগত পমুৱা আৰু তদানীন্তন সুৰমা উপত্যকাৰ অধিকসংখ্যক মুছলমান আছিল সাম্প্ৰদায়িক। মুছলমানৰ কাৰণে সুকীয়া নিৰ্বাচকমণ্ডলী আইন গ্ৰহণৰ পিছত ব্ৰহ্মপুত্ৰ উপত্যকাৰ মধ্যবিত্ত মুছলমানসকলৰ মাজতো নিৰ্বাচনক কেন্দ্ৰ কৰি সম্প্ৰদায়িকতাই বাহ নোলোৱাকৈ নাথাকিল। কিন্তু ১৯৩৭ চনলৈ অসমৰ মুছলমানে ৰাজনৈতিক দল হিচাপে নিৰ্বাচনত অংশ গ্ৰহণ কৰা নাছিল, তেতিয়ালৈকে স্বতন্ত্ৰ প্ৰাৰ্থীৰূপেই প্ৰতিদ্বন্দ্বিতা কৰিছিল; কিন্তু তেওঁলোকৰ ইংৰাজ চৰকাৰৰ লগত তলহতীয়া বুজাপৰা আছিল আৰু চৰকাৰৰ কৃপাধন্যও হৈছিল। তাৰ ফলত অতকালে সাম্প্ৰদায়িকতাৰ ক্ষেত্ৰত শান্তিৰ উপত্যকাৰূপে পৰিগণিত অসমক ধীৰে ধীৰে গ্ৰাস কৰিবলৈ ল'লে সাম্প্ৰদায়িকতাৰ দানবে। সিয়ে ইংৰাজ প্ৰশাসনক কৰি তুলিছিল উৎফুল্ল।

অসমত মুছলমান ৰাজনীতি ঃ

তেতিয়াৰ অসমত আগশাৰীৰ মুছলমান নেতা আছিল চৈয়দ ছাদুল্লা আৰু আব্দুল মতিন চৌধুৰী। তেওঁলোকে হেনো বিধান পৰিষদৰ মজিয়াতে মুছলমানৰ পক্ষে ওকালতি কৰিবলৈ লৈছিল। ১৯২৯ চনত শাসন সংস্কাৰৰ কাৰণে ভাৰতীয়

নেতৃবৰ্গৰ লগত আলোচনা কৰিবলৈ অহা চাইমন কমিচন কংগ্ৰেছে বৰ্জন কৰিছিল, আনকি মহম্মদ আলী জিন্নায়ো চাইমন কমিচন সমৰ্থন কৰা নাছিল। কিন্তু জিন্নাপন্থী এমুঠিমান মুছলমান নেতাত বাজে মুছলমানসকলে চাইমন কমিচনৰ লগত সহযোগ কৰিছিল; অসমতো তাৰ ব্যতিক্ৰম ঘটা নাছিল আৰু তেওঁলোকে একমাত্ৰ মুছলমানৰ অনুকূলে পৰামৰ্শ আগ বঢ়াইছিল। বিশেষকৈ তেওঁলোকে বিধান পৰিষদ আৰু স্থানীয় নিকায়বোৰত মুছলমানৰ ৪০% আসন দাবী কৰিছিল।[৭] ১৯৩০/৩১ চনৰ অসহযোগ সত্যাগ্ৰহ আন্দোলনত সাধাৰণভাৱে মুছলমানসকলে সহযোগ কৰা নাছিল। অৱশ্যে কংগ্ৰেছ আৰু জামিয়াত্ উল-উলেমাৰ দৰে সংগঠনৰ লগত জড়িত মুছলমানসকল সেই অসহযোগ আন্দোলনৰ লগত প্ৰত্যক্ষভাৱেই জড়িত আছিল।

সুৰমা উপত্যকাৰ কথা আছিল সুকীয়া, তাত সৰ্বভাৰতীয় হিন্দু-মুছলমানৰ সংঘৰ্ষবোৰত প্ৰভাৱ প্ৰায়েই পৰিলক্ষিত হৈছিল আৰু হিন্দু-মুছলমান দুয়ো পক্ষৰে গৰিষ্ঠসংখ্যক লোক প্ৰায়েই সাম্প্ৰদায়িক চেতনাৰে উত্তেজিত হৈছিল, শান্তিৰ প্ৰচেষ্টা তাত প্ৰায়েই ব্যৰ্থ হৈছিল। অৱশ্যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পুৰণি অধিবাসীসকলৰ মাজত শান্তি-সম্প্ৰীতি তেতিয়াও অব্যাহত আছিল। বহিৰাগতসকলে আৰু বিশেষকৈ অসমৰ বাহিৰৰ পৰা অহা ৰাজনৈতিক নেতৃমণ্ডলীয়ে সাময়িকভাৱে হ'লেও অশান্তিৰ সৃষ্টি নকৰাকৈ থকা নাছিল। এই ক্ষেত্ৰত অস্বাভাৱিকভাৱে মুছলমানৰ সংখ্যা বৃদ্ধিয়ে স্বাভাৱিকতে হিন্দুসকলক কম-বেছি পৰিমাণে আতংকিত নকৰাকৈ থকা নাছিল।

লোকপিয়লৰ প্ৰতিবেদন অনুসৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুছলমান,—

১৯১১ —	৩,৬৫,৫৪০ —	৯%
১৯২১ —	৫,৯৪,৯৮১	
১৯৩১ —	৯,৫৩,২৯৯ —	১৯%

ই বৃদ্ধি হৈ গৈ ১৯৪১ চনত হৈছিলগৈ — ২৩%

বৰপেটা, চমৰীয়া, লাউখোৱা, ধিং, বকোনি, লাহৰিঘাট, জুৰিয়া, প্ৰভৃতিত মুছলমানৰ সংখ্যা ১০০%ৰ পৰা ২৯৪% লৈ বৃদ্ধি পালে।[৮]

মুছলমানৰ এনে অস্বাভাৱিক বৃদ্ধিয়ে অসমৰ হিন্দুসকলৰ অন্ততঃ একাংশক আতংকিত কৰি তোলাত আচৰিত হ'বলৈ একো নাছিল।

লাইন প্ৰথা :

পমুৱা মুছলমানৰ অবাধ প্ৰব্ৰজনত বাধা দিয়াৰ অৰ্থে ১৯১৬ চনত লাইন প্ৰথাৰ সৃষ্টি হৈছিল আৰু তাক প্ৰয়োগ কৰিবলৈ যোৱা হৈছিল ১৯২০ চনত। কিন্তু চৰকাৰী আমোলা-মহৰীৰ দুৰ্নীতি আৰু সোপাটিলা চৰিত্ৰৰ কাৰণে প্ৰব্ৰজন কোনো

পথ্যেও বোধ কৰিব পৰা নাছিল। চৰকাৰীভাৱে সৃষ্টি কৰা প্ৰতিবন্ধকতা আছিল তেনেই অসামৰ্থক। সিয়ে কেৱল অসমৰ হিন্দু-মুছলমানৰ মাজত বৃদ্ধি কৰিছিল সন্দেহ-সন্দিগ্ধতা, হিংসা-ঘৃণাৰ।

মাতব্বৰ শ্ৰেণীৰ সৃষ্টি ঃ

সেই কালছোৱাৰ অসমৰ নবাগত মুছলমানসকলৰ মাজত এটা নতুন মাতব্বৰ তথা জমিদাৰ শ্ৰেণীৰ সৃষ্টি হোৱা এক ঐতিহাসিক ব্যাপাৰ। মাতব্বৰবিলাকে আমোলা মহৰীহঁতৰ লগত নানা তলহতীয়া চুক্তি কৰি ছল-চক্ৰান্তৰে হাজাৰ হাজাৰ বিঘা মাটিৰ পট্টন লৈছিল। তেওঁলোকে সেই মাটিত কাম কৰিবলৈ বুলি সপৰিয়ালে বনুৱা আমদানি কৰিছিল পূৰ্ববংগৰ পৰা। জীৱন-জীৱিকাৰ তাড়নাত যথাসৰ্বস্ব ত্যাগ কৰি ঢাপলি মেলা সেই বনুৱাসকল আছিল মাতব্বৰ শ্ৰেণীৰ হাতৰ পুতলাস্বৰূপ অস্তিত্ববিহীন। সেই বনুৱাসকলক হাতত লৈ ৰাজনীতিৰ খেলত নামিছিল মাতব্বৰ শ্ৰেণী আৰু অসমৰ মুছলমান ৰাজনীতি নিয়ন্ত্ৰণ কৰিছিল সেই মাতব্বৰ শ্ৰেণীয়েই। হিন্দু-মুছলমানৰ মাজত বিদ্বেষ সৃষ্টিতো গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিছিল মাতব্বৰ শ্ৰেণীয়েই।

১৯৩১ চনৰ লোকপিয়ল আৰু মুলাৰ চাহাব ঃ

শ্ৰেণীশোষণ যে কি কুৎসিত, কি কদাকাৰ, তাক ১৯৩১ চনৰ লোকপিয়লৰ প্ৰতিবেদনেও স্পষ্ট কৰি দিয়ে। অসমক মুছলমান প্ৰধান প্ৰদেশলৈ ৰূপান্তৰিত কৰাৰ ষড়যন্ত্ৰ ইংৰাজ চৰকাৰৰেই। পৰিকল্পনা অনুসৰি তেওঁলোক ভালেমান আগো বাঢ়িছে; কিন্তু তথাপি অসমত তেতিয়ালৈকে হিন্দু -মুছলমানৰ মাজত সংঘৰ্ষৰ সৃষ্টি কৰিব পৰা নাছিল। গতিকে লোকপিয়ল প্ৰক্ৰিয়াৰ মাজেদিয়ে সংঘৰ্ষ সৃষ্টিৰ চেষ্টাত ব্ৰতী হ'ল জানিবা প্ৰক্ৰিয়াটোৰ অধীক্ষক মুলাৰ চাহাব।

চি, এছ, মুলাৰ বৃটিছ প্ৰশাসনৰ সুদক্ষ বিষয়া। সমগ্ৰ ভাৰতব্যাপী সাম্প্ৰদায়িকতাৰ জুই জ্বলিছে; অথচ অসম শান্তিপূৰ্ণ। সহে কেনেকৈ! মুলাৰ চাহাব অসম-প্ৰেমত মজি গ'ল। মুছলমানৰ বিৰুদ্ধে হিন্দুসকলক সংঘৰ্ষত লিপ্ত কৰাৰ ষড়যন্ত্ৰৰে মুলাৰে লোকপিয়লৰ প্ৰতিবেদনত লিখিলে,

> বোলে বঙালী পমুৱা প্ৰব্ৰজনৰ সোঁতত বাধা জন্মাব নোৱাৰিলে, অসমৰ থলুৱা ভাষা, সাহিত্য, সংস্কৃতি বিলোপ পাব; মানৰ আক্ৰমণতকৈও ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হ'ব।*

মুলাৰে অসম-প্ৰেমত মজি গৈ ক'বলৈ নেৰিলে যে পমুৱাবিলাকে ইতিমধ্যে নগাঁও জিলা, দৰং জিলা আৰু বৰপেটা মহকুমা জয় কৰিলেই। শিৱসাগৰ কোনো মতে ৰক্ষা পৰি আছে; কিন্তু লক্ষীমপুৰত থিতাপি লোৱাসকলে শিৱসাগৰ আক্ৰমণ কৰিবলৈ চেলু বিচাৰিয়ে আছে।

ভাল-দৰিদ্ৰ সেই পমুৱা মুছলমানবিলাকক সৰহ শস্য উৎপাদনৰ প্ৰৰোচনাৰে আমদানি কৰিছিল পৰোক্ষভাৱে ইংৰাজ চৰকাৰেই। জীৱন-জীৱিকাৰ তাড়নাতেই তেওঁলোকে অসমৰ ভাষা-সংস্কৃতি গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছিল। সেই অভিবাসী মুছলমানসকলে কঠোৰ শ্ৰমেৰে অসমক শস্য শ্যামলা কৰি নোতোলাকৈও থকা নাছিল। মৰাপাট উৎপাদনত আনকি ভাৰতৰ ভিতৰতে বিশিষ্ট স্থানত অসমক অৱতীৰ্ণ কৰাইছিল। মূলাৰে কিন্তু সেইবোৰ দিশলৈ চকু-কাণ দিয়াৰ আৱশ্যকতা, প্ৰৰোচনামূলকভাৱেই, অনুভৱ কৰা নাছিল।

সেই পমুৱাসকল বংগতো আছিল জমিদাৰ শ্ৰেণীৰ দ্বাৰা নিষ্ঠুৰভাৱে শোষিত আৰু নিৰ্যাতিত। অসমলৈও তেওঁলোকক প্ৰত্যক্ষভাৱে আনিছিল মাতব্বৰ শ্ৰেণীয়েহে, মাতব্বৰশ্ৰেণীয়ে, তেওঁলোকক গোলাম বহতীয়াৰ দৰেই ব্যৱহাৰ কৰিছিল। মাতব্বৰ শ্ৰেণী উগ্ৰমৌলবাদীও আছিল। যিকোনো প্ৰকাৰে সংঘৰ্ষৰ সৃষ্টি কৰি নিজৰ অস্তিত্ব গজগজীয়া কৰি তুলিবলৈও সেই মাতব্বৰ শ্ৰেণীৰ নেতাই অপকৌশলৰ সৃষ্টি কৰিবলৈ বাদ দিয়া নাছিল। ১৯২০ চনত প্ৰবৰ্তিত 'লাইন প্ৰথা' উচ্ছেদৰ দাবী তুলি তেওঁলোকে সৃষ্টি কৰিছিল অশান্তি-অসূয়া।

ইংৰাজ প্ৰশাসনে কিন্তু সমস্যা সমাধানৰ অনুকূলে একোকে কৰা নাছিল, কেৱল সংঘৰ্ষাত্মক পৰিবেশ সৃষ্টিৰ কাৰণেহে পৰোক্ষে উচটনি দি ফুৰিছিল।

১৯৩৭ চনৰ নিৰ্বাচন আৰু চৰকাৰ ঃ

প্ৰাদেশিক স্বায়ত্তশাসনৰ প্ৰতিশ্ৰুতিৰে ১৯৩৫ চনত ভাৰত শাসন আইনৰ যি সংস্কাৰ সাধিছিল, সেই সংস্কাৰৰ ভেটিত ১৯৩৭ চনত বিধান পৰিষদসমূহলৈ প্ৰতিনিধি নিৰ্বাচনৰ কাৰণে সমগ্ৰ ভাৰতজুৰি নিৰ্বাচন অনুষ্ঠিত হৈছিল। অসমত কংগ্ৰেছেই আছিল সৰ্ববৃহৎ দল; কিন্তু ইংৰাজ গৱৰ্ণৰে কংগ্ৰেছৰ সলনি চৰকাৰ গঠন কৰিবলৈ আহ্বান জনালে মুছলিমলীগৰ নেতা চাৰ চৈয়দ চাদুল্লাকহে। নিৰ্বাচনৰ দল অনুসৰি-

> কংগ্ৰেছে লাভ কৰিছিল ৩৩ খন আসন, আৰু মুছলিমলীগে লাভ কৰিছিল মুঠ ১০খন আসন।

সৰ্ববৃহৎ দল হিচাপে কংগ্ৰেছকে পোনতে চৰকাৰ গঠনৰ সুযোগ দিব লাগিছিল। কিন্তু ইংৰাজ গৱৰ্ণৰে সেইটো নকৰিলে; মুছলিমলীগকহে চৰকাৰ গঠন কৰিবলৈ আহ্বান জনালে আৰু সকলো দিহা যুগুতিও দিলে। দুয়োটা উপত্যকাৰ লীগৰ সদস্যৰ উপৰি আটাইবিলাক নিৰ্বাচিত স্বতন্ত্ৰ মুছলমান সদস্য, অনুন্নত সম্প্ৰদায়ৰ প্ৰতিনিধি, ইউৰোপীয় প্ৰতিনিধিসকলৰ সমৰ্থনত ১৯৩৭ চনৰ ১ এপ্ৰিলৰ দিনা চৈয়দ ছাদুল্লাৰ প্ৰধান মন্ত্ৰিত্বত নতুন চৰকাৰ গঠন হয়। তেতিয়ালৈকে ছাদুল্লা মুছলিমলীগৰ আনুষ্ঠানিক সদস্য নাছিল।

প্ৰধান মন্ত্ৰিত্বৰ তাড়নাত তেওঁ লীগৰ আনুষ্ঠানিক সদস্যপদ ল'বলৈ বাধ্য হয় আৰু তেতিয়াৰে পৰা দেশ স্বাধীন হোৱালৈকে তেওঁ লীগৰ সদস্য, প্ৰতিনিধি, নেতা। ছাদুল্লাৰ প্ৰধান মন্ত্ৰিত্বৰ কালত বাজেটৰ ঘাটি পূৰোৱাৰ প্ৰৰোচনাৰে সংৰক্ষিত চৰণীয়া পথাৰবোৰ অভিবাসীৰ কাৰণে খুলি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

ছাদুল্লাৰ নেতৃত্বাধীন সংযুক্ত চৰকাৰৰ অৱস্থা আছিল থৰক-বৰক। আনৰ কথা যহতহ, আনকি মন্ত্ৰীসভাৰ সদস্যয়েই প্ৰধানমন্ত্ৰীৰ নিৰ্দেশ অৱজ্ঞা কৰিছিল, যাৰ ফলত নিচেই কম সময়ৰ ভিতৰত তেওঁৰ মন্ত্ৰীসভাই পদত্যাগ কৰিব লগাত পৰিছিল আৰু গোপীনাথ বৰদলৈৰ নেতৃত্বত কংগ্ৰেছে সংযুক্ত চৰকাৰ গঠন হৈছিল। অৱশ্যে ভাৰত চৰকাৰে প্ৰাদেশিক চৰকাৰ বা আন কোনোৰো লগত কোনো আলোচনা নকৰাকৈ ভাৰত দ্বিতীয় মহাসমৰত লিপ্ত বুলি ঘোষণা দিয়াৰ লগে লগে কংগ্ৰেছৰ নেতৃত্বাধীন প্ৰাদেশিক চৰকাৰসমূহে পদত্যাগ কৰিলে। অসমত কংগ্ৰেছ সংযুক্ত চৰকাৰ আছিল মাথোন ১৯৩৮ চনৰ ১৯ চেপ্টেম্বৰৰ পৰা ১৯৩৯ চনৰ ১৭ নবেম্বৰলৈ এবছৰ দুমাহ মাথোন। বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰাত ছাদুল্লা পুনৰ ক্ষমতালৈ আহে।

লগে লগে অসমতো মুছলিমলীগৰ প্ৰভাৱ বাঢ়িবলৈ ধৰে। শ্ৰীহট্ট অঞ্চলৰ মুছলমান কংগ্ৰেছী প্ৰতিনিধিয়ে লীগত যোগদান কৰে। অসমতো লীগে কংগ্ৰেছৰ হিন্দু সংগঠনৰূপে প্ৰতিপন্ন কৰি মুছলমান মানকে লীগত যোগদান কৰিবলৈ আহ্বান জনাব ধৰিলে আনকি ছাত্ৰ সমাজৰ মাজতো সাম্প্ৰদায়িকতাৰ বিষবাষ্প বিয়পাই দিবলৈ নেৰিলে। ছাত্ৰ সমাজৰ মাজত লীগৰ প্ৰভাৱ কেনেদৰে বৃদ্ধি পাবলৈ ধৰিছিল এটা সামান্য নিদৰ্শনে তাক অনুভৱ কৰাত সহায় কৰে। তেতিয়ালৈকে অসমৰ ছাত্ৰ-শিক্ষক প্ৰায় আটাইবোৰ মুছলমানে পিন্ধিছিল চুৰিয়া। ১৯৪১ চনৰ ২৮/২৯ জানুৱাৰীত অনুষ্ঠিত মুছলমান ছাত্ৰ ফেডাৰেশ্যনৰ সভাত প্ৰস্তাৱ গ্ৰহণ কৰিলে চুৰিয়াৰ সলনি পাইজামা পৰিধান কৰাৰ। অৰ্থাৎ চালে-চলনে পিন্ধনে-উৰণে তেওঁলোক ভিন্ন হ'বলৈ ওলাল।

কিন্তু তথাপি অসমৰ বিশেষকৈ অসমীয়াভাষী সৰহসংখ্যক মুছলমান লীগৰ বাহিৰত আছিল। লীগৰ প্ৰভাৱ পৰিলক্ষিত হৈছিল ঘাইকৈ শ্ৰীহট্ট অঞ্চলত আৰু পূৰ্ববংগৰ মুছলিমলীগৰ নেতৃমণ্ডলীৰ প্ৰভাৱত জামিয়াত উল-উলেমাৰ দৰে ধৰ্মীয় সংগঠন আছিল কংগ্ৰেছৰ সমৰ্থনত আৰু আছিল জাতীয়তাবাদী। জামিয়াত-উল-উলেমাৰ মুখপত্ৰ 'জাগৰণ' বা 'নাকুইব' তাৰ সুন্দৰ নিদৰ্শন। 'যুগভেৰী' বোলা পত্ৰিকাখন আছিল লীগৰ অন্ধ সমৰ্থক, 'খাদেম', 'মেচেঞ্জাৰ', আদি পত্ৰিকায়ো লীগক অন্ধভাৱে সমৰ্থন কৰা নাছিল; 'প্ৰচাৰক', 'সাধনা', 'পয়গম' আদি পত্ৰিকাই আৰ্থ-সামাজিক দিশত পোহৰ পেলাবলৈ চেষ্টা কৰিছিল। কিন্তু প্ৰধানমন্ত্ৰী ছাদুল্লাৰ পৃষ্ঠপোষকতাত

লীগৰ সমৰ্থন আৰু কাম-কাজ ক্ৰমে বৃদ্ধি পাই থাকে।

১৯৩৯ চনৰ ৩০ নবেম্বৰৰ দিনা অনুষ্ঠিত লীগৰ বাৰ্ষিক অধিবেশনত ছাদুল্লা সভাপতি আৰু মৌলানা ভাচানি উপ সভাপতি নিৰ্বাচিত হয়। লীগৰ কাম-কাজ এনেদৰে বৃদ্ধি পালে যে ১৯৪৪ চনৰ মে'ত লীগৰ কাৰ্যালয় শ্ৰীহট্টৰ পৰা গুৱাহাটীলৈ স্থানান্তৰিত হয়। কাৰ্যালয়ৰ দায়িত্বত আছিল আব্দুল হাই।

ইংৰাজৰ যুদ্ধ প্ৰচেষ্টাৰ লগত অসহযোগ কৰাই আছিল কংগ্ৰেছ মন্ত্ৰীসভাসমূহে পদত্যাগ কৰাৰ মূল লক্ষ্য। অসমতো বৰদলৈ মন্ত্ৰীসভাই সেই একে কাৰণতে পদত্যাগ কৰে। কিন্তু ছাদুল্লা মন্ত্ৰীসভাই ইংৰাজৰ লগত সৰ্বান্তঃকৰণেৰে সহযোগ কৰে; আনকি অসমৰ ৰাজহৰ ধনৰ পৰা একলাখ টকা যুদ্ধৰ পুঁজিলৈ দান দিয়াৰ উপৰি যুদ্ধৰ সাহায্যাৰ্থে পুঁজি সংগ্ৰহৰ কাৰণে প্ৰচাৰৰ অৰ্থে কটন কলেজত অনুষ্ঠিত কৰিলে এখন প্ৰদৰ্শনী। কটনৰ ছাত্ৰসকলে সেই প্ৰদৰ্শনীৰ বিৰোধিতা কৰা অপৰাধতে আৰক্ষীয়ে লাঠি চালনা কৰি একাংশ ছাত্ৰক আহত কৰিছিল। তাৰ পৰিণতিস্বৰূপে ১৯৪১ চনৰ ডিচেম্বৰত অসমব্যাপী ছাত্ৰ-বিক্ষোভ গঢ় লৈ উঠিছিল আৰু ছাদুল্লা মন্ত্ৰীসভাই পদত্যাগ কৰিবলৈ বাধ্য হৈছিল।

মুছলিমলীগত যোগদান কৰি লীগৰ নেতৃত্বত অধিষ্ঠিত হোৱাৰ পিছত ছাদুল্লাই ক্ৰমে জাতীয়তাবাদী চৰিত্ৰ হেৰুৱাই পেলাইছিল, অসমত সৰহ শস্য উৎপাদনৰ নামত পূৰ্ববংগৰ পৰা পমুৱা মুছলমান আনি অসম ভৰাই পেলাইছিল। ফলত মুছলমানৰ সংখ্যা ব্যাপক হাৰত বৃদ্ধি পাবলৈ লৈছিল। লোকপিয়ল অনুসৰি—

১৯১১ চনত অসমত মুছলমান আছিল	–	৩,৫৫৩২০
১৯২১ চনত	——	৫,৮৫,৯৪৩
১৯৩১ চনত	——	৯,৪৩,৩৫২
১৯৪১ চনত হ'লগৈ	——	১৩,০৩,৯৬২

১৯৩৯ চনৰ পৰা ১৯৪২ চনলৈ এই তিনি বছৰৰ ভিতৰত হেনো পমুৱা মুছলমানসকলৰ মাজত একলাখ বিঘা মাটি বিতৰণ কৰি দিছিল।[১০]

কিন্তু গোপীনাথ বৰদলৈ মন্ত্ৰীসভাই ১৯৩৮ চনৰ ১ জানুৱাৰীৰ পিছত অহা অভিবাসীৰ বসতি নিষিদ্ধ কৰি ইস্তাহাৰ জাৰি কৰি থৈছিল। ছাদুল্লা মন্ত্ৰীসভাই বৰদলৈ মন্ত্ৰীসভাৰ সিদ্ধান্ত কাৰ্যকৰী কৰাৰ সলনি অভিবাসী মুছলমানৰ কাৰণে সংৰক্ষিত পথাৰ আদি খুলি দিয়াত অসমব্যাপী বিৰাট অশান্তি পৰিলক্ষিত হৈছিল।

বৃটিছ চৰকাৰে ১৯২০ চনতে প্ৰৱৰ্তন কৰা লাইন প্ৰথা অনুসৰি অভিবাসীসকলে সুকীয়া সুকীয়া বেষ্টনীৰ মাজত থাকিবলৈ লোৱাৰ ফলত পুৰণি অসমবাসীসকলৰ

লগত মিলি অভিন্ন অসমবাসী অসমীয়াৰূপে নিজক গঢ়ি তোলাৰ সুযোগো পোৱা নাই। অথচ আহোমৰ কাৰণে মুছলমানসকল নামত বাহিৰে আন সকলো ক্ষেত্ৰত প্ৰতিপন্ন হৈছিল অসমৰ অসমীয়াৰূপে।

মুছলিমলীগে লাইন প্ৰথা উচ্ছেদ কৰিবলৈ কিন্তু আলোড়ন গঢ়ি তুলিলে। বৰদলৈ মন্ত্ৰীসভাই লাইন প্ৰথাৰ উচ্ছেদ নকৰা কাৰণে তুমুল বিৰোধিতাৰ সৃষ্টি কৰিলে আৰু যুক্তি দেখুৱালে যে লাইন প্ৰথা উচ্ছেদ নকৰিলে ভাৰতীয় জাতীয়তাবোধ গঢ় লৈ উঠাত ব্যাঘাত ঘটিয়েই থাকিব। অৱশ্যে ছাদুল্লা চৰকাৰেও লাইন প্ৰথাৰ উচ্ছেদ সাধন নকৰিলে। ১৯৩৮ চনৰ ১ জানুৱাৰীৰ পিছত অহা অভিবাসীসকলক বসবাস কৰিবলৈ নিদিয়াৰ সিদ্ধান্তও লৈছিল। পতিত মাটিৰ শতকৰা ত্ৰিশ অংশ ভৱিষ্যৎ উন্নয়নৰ কাৰণে সংৰক্ষণ কৰি বাকী পতিত মাটি ভূমিহীন থলুৱা জনজাতি, অনুসূচিত জনজাতি, অনা জনজাতি আৰু ১৯৩৮ চনৰ ১ জানুৱাৰীৰ আগতে অহা অভিবাসীৰ মাজত বিতৰণ কৰাৰহে সিদ্ধান্ত লৈছিল। কিন্তু মুছলিমলীগৰ প্ৰবল বাধাৰ কাৰণে কোনো সিদ্ধান্তকে কাৰ্যকৰী কৰিব পৰা নাছিল। আনহে নালাগে তেওঁৰ মন্ত্ৰীসকলৰ পোনপটীয়া হস্তক্ষেপেও তেওঁক বিব্ৰত কৰি নোতোলাকৈ থকা নাছিল। এইবোৰ বৃদ্ধি কৰিছিল হিন্দু-মুছলমানৰ মাজত ঈৰ্ষা-হিংসা-ঘৃণা মাথোন।

১৯৪১ চনৰ লোকপিয়ল আৰু হিন্দু মহাসভা ঃ

১৯৪১ চনৰ লোকপিয়লে জাতি-জনজাতি-অনুসূচিত জাতি আৰু সম্প্ৰদায় ভেদে মানুহৰ সংখ্যা নিৰ্ধাৰণ কৰিবলৈ লোৱাত সাধাৰণভাৱে হিন্দু মানুহৰ সংখ্যা কমি যোৱাই হিন্দু মহাসভা প্ৰতিবাদমুখৰ হৈ পৰিছিল; সেইটো মুছলিমলীগৰ পৰিকল্পিত প্ৰৰোচনা বুলি গণ্য কৰি হিন্দু-মুছলমান বিদ্বেষ বৃদ্ধি কৰাত ইন্ধন যোগাইছিল। অসমত সংৰক্ষিণী সভা সংগঠিত হৈছিল ১৯২৬ চনতে। তাৰ নেতা আছিল অম্বিকাগিৰী ৰায়চৌধুৰী। সংৰক্ষিণী সভাৰ ঘাই লক্ষ্য আছিল অসমীয়াত্ব আৰু হিন্দুত্ব সংৰক্ষণ কৰা। হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বৃদ্ধিত সংৰক্ষিণী সভায়ো ইন্ধন যোগাইছিল।

পমুৱাৰ অবাধ সোঁত, পমুৱাৰ মাজত মাটি বিতৰণ, অসমীয়াত্ব আৰু হিন্দুত্বত আঘাত ইত্যাদি বিবিধ বিষয়ে আলোচনাৰ কাৰণে ভিন ভিন সংগঠনে সৰ্বদলীয় সভা এখন আহ্বান কৰিবলৈ ১৯৪৪ চনত ছাদুল্লা চৰকাৰক বাধ্য কৰিলে। সেই সভাৰ সিদ্ধান্ত অনুসৰি ১৯৩৮ চনৰ আগতে অহা ভূমিহীন অভিবাসী, থলুৱা জনজাতীয়-অনা জনজাতীয় লোকৰ মাজত মাটি বিতৰণ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। সংৰক্ষিত চৰণীয়া পথাৰবোৰ চৰণীয়া পথাৰৰূপে সংৰক্ষণ কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰিলে, সভাই

কোনোকো ৩০ বিঘাতকৈ বেছি মাটি দিব নোৱাৰিব বুলিও সিদ্ধান্ত ল'লে। জনজাতীয় লোকসকললৈ বিশেষ দৃষ্টি দিয়াৰ সিদ্ধান্তও গ্ৰহণ কৰিলে। কিন্তু সিদ্ধান্ত কেৱল সিদ্ধান্ত হৈয়ে থাকিল, কাৰ্যকৰী কৰা নহ'ল। লীগে দাবী কৰিলে অভিবাসী মাত্ৰকে মাটিৰ পট্টন দিবলৈ আৰু কংগ্ৰেছে অভিযোগ তুলিলে বোলে চৰকাৰী বিষয়াবিলাক দুৰ্নীতিগ্ৰস্ত। ১৯৪৫ চনৰ মাৰ্চত সমস্যা সমাধানৰ অৰ্থে ছাদুল্লা-বৰদলৈ, ৰোহিনী চৌধুৰীৰ মাজত পুনৰ বুজাবুজি আৰু সৰ্বদলীয় সভাৰ সিদ্ধান্তসমূহ কাৰ্যকৰী কৰাৰ চুক্তি স্বাক্ষৰিত হয়। কিন্তু লীগৰ হেঁচাত ছাদুল্লাই চুক্তি ৰূপায়িত কৰাত ব্যৰ্থ হয়। তাৰ ফলত ১৯৪৫ চনৰ অনাস্থা প্ৰস্তাৱৰ সন্মুখীন হৈ পদত্যাগ কৰিবলৈ বাধ্য হয়।[১১]

১৯৪৬ চনৰ সাধাৰণ নিৰ্বাচন আৰু বিভেদ ঃ

সাম্প্ৰদায়িক বাদ-বিসম্বাদে অসমৰ ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতি ক্ৰমে জটিল কৰি তুলিছিল; হিন্দু-মুছলমানৰ মাজত গঢ় লৈ উঠা সাংস্কৃতিক সম্পৰ্কৰ সঁফুৰাৰ ফাটো ক্ৰমে ভোমোলা হৈ যাব ধৰিছিল। হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ বিশেষকৈ শিক্ষিতসকল ক্ৰমে বেছিকৈ সাম্প্ৰদায়িক হৈ পৰিছিল। তেনে পৰিস্থিতিতে অনুষ্ঠিত হ'ল ১৯৪৬ চনৰ সাধাৰণ নিৰ্বাচন।

সেই নিৰ্বাচনৰ ইস্তাহাৰত কংগ্ৰেছৰ প্ৰধান লক্ষ্য আছিল ক্ষমতা হস্তান্তৰ বা স্বাধীনতা আৰু মুছলিমলীগৰ লক্ষ্য আছিল পাকিস্তান। সেই নিৰ্বাচনত অনা-মুছলমান সমৰ্থিত কংগ্ৰেছে ৯১.৩% আৰু মুছলমান সমৰ্থিত লীগে লাভ কৰে ৮৬.৬% ভোট।

সেই নিৰ্বাচনৰ কালত অসমৰ ওপৰত লীগে বিশেষ গুৰুত্ব আৰোপ কৰিছিল। লীগৰ লক্ষ্য আছিল পূব পাকিস্তানৰ লগত অসমক চামিল কৰা। সেইকাৰণে লীগৰ সৰ্বভাৰতীয় নেতৃমণ্ডলী আহি অসমত নিৰ্বাচনী অভিযান চলাই ফুৰিছিল। তেওঁলোকে পাকিস্তানৰ দাবী সাব্যস্ত কৰাৰ উপৰি মুছলমান ৰাইজক উপলব্ধি কৰাব বিচাৰিছিল যে লীগহে মুছলমানৰ ত্ৰাণকৰ্তা বন্ধু। আৰু সেই কাৰণে ঐক্যবদ্ধভাৱে লীগক সমৰ্থন কৰিবলৈ আহ্বান জনাই ফুৰিছিল।

অসমত লীগ কিন্তু সফল নহ'ল, অসমৰ মুছলমানে একগোট লৈ লীগক সমৰ্থন নকৰিলে, বিভাজনৰ সৃষ্টি হ'ল। সেই বিভাজনৰ কাৰণে লীগো কম জগৰীয়া নাছিল। সুৰমা উপত্যকাৰ আব্দুল মতিন চৌধুৰীক আনি দৰঙৰ মুছলমান সমৰ্থিত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ দিয়াৰ পৰা মূলতঃ সেই বিৰোধ আৰু বিভাজনৰ সৃষ্টি হৈছিল। কেৰামত আলী প্ৰভৃতি মুছলমান নেতা প্ৰতিবাদমুখৰ হৈ পৰিছিল। কিন্তু লীগৰ নেতৃত্বই ৰাইজৰ বাদ-প্ৰতিবাদলৈ কেৰেপকে নকৰিলে। সিয়ে অন্ততঃ একাংশ মুছলমান

ৰাইজক বিক্ষুব্ধ কৰি তোলে আৰু লীগৰ প্ৰতি বিমুখ হৈ পৰে।

তদুপৰি সেই সময়ত অসম কংগ্ৰেছৰ সভাপতি আছিল জাতীয়তাবাদী কংগ্ৰেছী নেতা মহম্মদ তৈয়বুল্লা। তেওঁ তীব্ৰ লীগ বিৰোধী আছিল। লীগৰ সমৰ্থকসকলে তেওঁক আক্ৰমণ-অত্যাচাৰ কৰিবলৈও এৰা নাছিল। কিন্তু তথাপি তেওঁ কংগ্ৰেছত অটল হৈ আছিল। তদুপৰি সম্প্ৰদায় নিৰপেক্ষ জামিয়াত-উল-উলেমায়ো লীগৰ বিৰোধিতা কৰিছিল। ফলস্বৰূপে সকলোবোৰ মুছলমান সমষ্টিত লীগ বিজয়ী হ'ব নোৱাৰিলে। অৱশ্যে মুছলমান সমষ্টিৰ সৰহসংখ্যক আসন লীগেই লাভ কৰিলে; কংগ্ৰেছে লাভ কৰিলে মাথোঁ এখন আৰু জামিয়াত-উল-উলেমাই পালে তিনিখন আসন। কিন্তু সাধাৰণ আসনবোৰত কংগ্ৰেছ জয়যুক্ত হোৱাত গোপীনাথ বৰদলৈৰ নেতৃত্বত নতুন অসম চৰকাৰ গঠন হ'ল। সেই নিৰ্বাচনে অসমত হিন্দু-মুছলমানৰ মাজত বিৰোধ আগতকৈ আৰু বেছিকৈ বঢ়ালে।

মন্ত্ৰী মিচনৰ আগমন আৰু গ্ৰুপিঙৰ প্ৰস্তাৱ ঃ

সাধাৰণ নিৰ্বাচনৰ পিছতেই ভাৰত সচিব পেথিক লৰেন্সৰ নেতৃত্বত ইংলেণ্ডৰ পৰা তিনিজনীয়া এটা মিচন আহি ভাৰতত উপস্থিত হ'ল— ৰাজনৈতিক নেতৃমণ্ডলীৰ লগত আলোচনাক্ৰমে ক্ষমতা হস্তান্তৰৰ বিষয়ে সকলো প্ৰকাৰৰ সিদ্ধান্ত গ্ৰহণৰ ব্যৱস্থা কৰিবলৈ বুলি। মন্ত্ৰী মিচনে সকলো দল-উপদলৰ নেতৃমণ্ডলীৰ সাক্ষাৎ গ্ৰহণ কৰি পাকিস্তানৰ প্ৰভাৱ অগ্ৰাহ্য কৰে; সিদ্ধান্ত ল'লে গ্ৰুপিঙৰহে। এ-বি-চি এই তিনিটা গ্ৰুপ বা গোটত বিভক্ত এ- গোটত থাকিল হিন্দুপ্ৰধান প্ৰদেশ— মাদ্ৰাজ, বোম্বাই, উত্তৰ প্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ আৰু উৰিষা; বি- গোটত থাকিল মুছলমানপ্ৰধান পঞ্জাব, সিন্ধু, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ আৰু বৃটিছ বেলুচিস্তান; আৰু চি- গোটত থাকিল হিন্দু-মুছলমান কোনো সম্প্ৰদায়েই বিশেষ সংখ্যাগৰিষ্ঠতা নথকা অসম আৰু বংগ।

অসম-বংগক একগোট কৰাৰ লক্ষ্য আছিল এখন মুছলমানপ্ৰধান প্ৰদেশ বা ৰাজ্য গঢ়ি তোলা। লীগৰ নেতা আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী ছাদুল্লাই গ্ৰুপিং সমৰ্থন কৰি হেনো কৈছিল,—

> "অসমত বিশ্ববিদ্যালয় নাই, মেডিকেল কলেজ নাই, পশু চিকিৎসাৰ কলেজো নাই, উচ্চ ন্যায়ালয়ো নাই। এই সকলোবোৰ ক্ষেত্ৰতে অসমে বংগৰ ওপৰত নিৰ্ভৰ কৰিব লগাত পৰে। অসমৰ ৰাজহ মুঠে চাৰে তিনিকোটি টকা। এই অলপীয়া ৰাজহেৰে অসমে এই সকলোবোৰ নিৰ্মাণ কৰা অসম্ভৱ। তদুপৰি অসম সীমামূৰীয়া। বাহিৰৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ শক্তিশালী প্ৰতিৰক্ষাৰ ব্যৱস্থা অসমে গঢ়ি তোলা সম্ভৱপৰ নহয়। বংগ মুছলমান প্ৰধান। বংগৰ লগত থাকিলে অসমৰ অদূৰ ভৱিষ্যৎ কল্যাণ হ'ব।"[১২]

'পাকিস্তান' সৃষ্টিৰ ক্ষেত্ৰত কিন্তু ছাদুল্লাই কোনো স্পষ্ট অভিমত দিয়া নাছিল। অৱশ্যে মুছলিম লীগে গ্ৰুপিঙৰ প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনালে।

কংগ্ৰেছ সভাপতি নেহৰু আৰু বিভ্ৰান্তি ঃ

সেই সময়তে ১৯৪৬ চনৰ ৭ জুলাইৰ দিনা জৱাহৰলাল নেহৰু কংগ্ৰেছৰ সভাপতিৰূপে মনোনীত হয়। তাৰ আগলৈকে মন্ত্ৰী মিচনৰ প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনোৱাৰ ফলত কংগ্ৰেছ আৰু লীগৰ পাৰ্থক্য বহু কমি গৈছিল, লীগে পাকিস্তানৰ সলনি গ্ৰুপিঙতে তুষ্ট হ'বলৈ আগ বাঢ়িছিল। সেই সময়তে কংগ্ৰেছ সভাপতি নেহৰুৰ কেইটামান বিবৃতিয়ে লীগক পাকিস্তানৰ বিষয়ে নতুনকৈ চিন্তা কৰিবলৈ যেন বাধ্য কৰিলে; লীগৰ নেতৃত্বৰ ধাৰণা হ'ল যে গণপৰিষদৰ হিন্দু সংখ্যাধিক্য সভাত মুছলমানৰ স্বাৰ্থ ৰক্ষা নপৰিব। সেয়ে ২৭ জুলাইৰ সভাত লীগে মন্ত্ৰী মিচনৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰে আৰু ১৯৪৬ চনৰ ১৬ আগষ্টৰ দিনা পাকিস্তানৰ দাবীত প্ৰত্যক্ষ সংগ্ৰাম ঘোষণা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। তাৰ ফলত কলিকতা, নোৱাখালি আৰু বিহাৰত অভূতপূৰ্ব সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হ'ল। হাজাৰ হাজাৰ নৰ-নাৰী, শিশু-বৃদ্ধ নিহত হ'ল, তাতোকৈ বহু বেছি হ'ল আহত আৰু ভাৰতৰ হিন্দু-মুছমান সম্প্ৰীতিৰ ওপৰত পৰিল প্ৰচণ্ড কুঠাৰাঘাত। অৱশ্যে শ্ৰীহট্টভিন্ন অসম সামগ্ৰিকভাৱে সেই আঘাতৰ পৰা ৰক্ষা পাই আছিল, প্ৰত্যক্ষ সংগ্ৰামে অসমত বিশেষ একো প্ৰভাৱেই বিস্তাৰ কৰিব পৰা নাছিল। আনকি শ্ৰীহট্ট অঞ্চলতো হত্যা, লুণ্ঠন আদিৰ দৰে নিষ্ঠুৰ কাৰ্য সংঘটিত হোৱা নাছিল; কেৱল সভা, শোভাযাত্ৰা আদিহে অনুষ্ঠিত হৈছিল আৰু লীগৰ নেতৃত্বত অনুষ্ঠিত সভা-শোভাযাত্ৰাই পাকিস্তানৰ দাবী উত্থাপন কৰিছিল।

অভিবাসী উচ্ছেদ আৰু সংঘৰ্ষ ঃ

১৯৩৮ চনৰ ১ জানুৱাৰী বা তাৰ পিছত অহা অভিবাসীসকলক উচ্ছেদ কৰাৰ সিদ্ধান্ত ছাদুল্লা মন্ত্ৰীসভায়ো গ্ৰহণ কৰিছিল। বৰদলৈ মন্ত্ৰীসভাই সেই সিদ্ধান্ত কাৰ্যকৰী কৰিবলৈ লোৱাৰ ফলত কিন্তু অসমৰ ভিন ভিন ঠাইত হিন্দু-মুছলমানৰ মাজত সংঘৰ্ষৰ সৃষ্টি নোহোৱাকৈ নাথাকিল। আৰক্ষীৰ সহায়ত অভিবাসীক উচ্ছেদ কৰিবলৈ লোৱাৰ ফলত চৰকাৰ তুমুল প্ৰতিৰোধৰ সমুখীন হয়, আৰক্ষীয়ে গুলি চালনা কৰাত বহুলোক হতাহতও হ'ল। ইয়াকে লৈ অসমৰ হিন্দু-মুছলমান সম্পৰ্ক ক্ৰমে বেয়ালৈ ঢাল খালে। লিয়াকত্ আলী প্ৰমুখ্যে লীগৰ সৰ্বভাৰতীয় নেতাসকল আহিও তীব্ৰ বিৰোধ প্ৰদৰ্শন কৰিবলৈ নেৰিলে। অভিবাসী উচ্ছেদৰ বিৰোধিতাত লীগৰ নেতা আব্দুল হামিদ খাঁই আনকি অনশন ধৰ্মঘট পালন কৰিবলৈও নেৰিলে। ১৯৪৭ চনৰ ৩০ মাৰ্চৰ পৰা অসহযোগ আন্দোলন গঢ়াৰ সিদ্ধান্ত গ্ৰহণ কৰিবলৈও নেৰিলে। সমগ্ৰ নামনি অসম এখন যুদ্ধভূমিতহে পৰিণত হৈছিল যেন। বহুতো নেতাই কাৰাবৰণ কৰিছিল।

লীগৰ সৰ্বভাৰতীয় নেতাসকল আহি অসম ভৰি পৰিছিল। ফলত শান্তিপূৰ্ণ অসহযোগ আন্দোলন প্ৰায়েই অশান্ত হৈ পৰিছিল; শান্তি ৰক্ষাৰ নামত নিয়োজিত আৰক্ষী আৰু সেনাই গুলি চালনা কৰাত বহুলোক হতাহতও হৈছিল। ১৯৪৭ চনৰ মে' লৈ চলা সেই উচ্ছেদ অভিযানে অসমত হিন্দু-মুছলমানৰ সম্পৰ্ক আৰু বেয়ালৈ ঠেলি দিছিল।

সশস্ত্ৰ বিদ্ৰোহৰ আখৰা ঃ

অসম চৰকাৰ প্ৰচাৰিত অসমৰ ৰাজনৈতিক বুৰঞ্জীৰ তৃতীয় খণ্ডত এইবোৰ কথা প্ৰায় বিতংভাবে আলোচিত হৈছে। আৰু তাৰ হিন্দুপ্ৰধান অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিবলৈ বুলি মুছলিমলীগে চলোৱা কাৰ্যও বিভিন্ন উৎসৰ ভেটিত বেছ উপলব্ধিপূৰ্ণকৈ বৰ্ণনা কৰিছে। লীগৰ নেতাসকল বাদ-প্ৰতিবাদ, অনশন বা অসহযোগ আন্দোলন কৰিয়ে ক্ষান্ত থকা নাছিল, গেৰিলা যুদ্ধেৰে সংৰক্ষিত চৰণীয়া পথাৰবোৰ দখল কৰাৰ প্ৰস্তুতিও চলাইছিল। অসমৰ সীমান্ত অঞ্চলৰ মানকাছৰত কিল্লা গঢ়ি তুলি হেনো সামৰিক প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা কৰিছিল। লীগে সেই বাহিনীৰ নাম দিছিল 'ন্যাশ্যনাল গাৰ্ড'। সেই সমৰ প্ৰস্তুতিক অসমক পূব পাকিস্তানৰ অন্তৰ্ভুক্ত কৰাৰ সামৰিক প্ৰস্তুতিৰূপে বিবেচনা কৰি তাক কঠোৰভাৱে দমন কৰাৰ লক্ষ্যত কিন্তু বৰদলৈৰ নেতৃত্বাধীন অসম চৰকাৰ অটল আছিল। ওপৰুক্ত বুৰঞ্জীখন অনুসৰি ছাদুল্লা আছিল আপোচকামী, তেওঁ প্ৰাদেশিক লীগৰ উপৰি ভাৰতীয় মুছলিমলীগৰো নেতৃত্বত অধিষ্ঠিত আছিল। কিন্তু সেই ন্যাশ্যানেল গাৰ্ডে ছাদুল্লাৰ আপোচকামী পৰামৰ্শৰ তীব্ৰ বিৰোধিতা কৰিছিল। মৌলানা ভাচানি নামে খ্যাত আব্দুল হামিদ খাঁও হেনো আপোচ-মীমাংসাৰ কাৰণে আগবাঢ়ি আহিছিল; কিন্তু লীগৰ নেতৃত্বই আন্দোলন প্ৰত্যাহাৰ কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰিলে; অসহযোগ আন্দোলন চলাই যাবলৈহে উচটনি দি আছিল।

কিন্তু আনন্দৰ কথা আছিল এয়ে যে গৰিষ্ঠসংখ্যক পুৰণি অসমীয়া মুছলমান সেই আন্দোলনৰ লগত জড়িত হোৱা নাছিল। আনকি অভিবাসী মুছলমানসকলৰো অসহযোগ আন্দোলনৰ প্ৰতি সমৰ্থন ক্ৰমে কমি আহিছিল। তাৰ অন্যতম প্ৰধান কাৰণ আছিল কৃষক বন্ধুৰূপে পৰিচিত মৌলানা ভাচানিৰ ব্যক্তিত্ব; তেওঁৰ কথা আৰু কামৰ ওপৰত ৰাইজে আস্থা হেৰুৱালে। এনেবোৰ কাৰণত সৰ্বভাৰতীয় লীগৰ সমৰ্থনো ক্ৰমে টুটি আহিল; মুছলমান জমিদাৰবিলাকৰ সহায়-সহানুভূতিও হ্ৰাস হৈ আহে। তাৰ ফলত ১৯৪৭ চনৰ ১১ জুনৰ দিনা অসম প্ৰাদেশিক মুছলিমলীগে আনুষ্ঠানিকভাৱে অসহযোগ আন্দোলন বৰ্জন কৰে। কিন্তু সিয়ে হিন্দু-মুছলমানৰ সম্পৰ্ক কৰি তোলে তিক্ত।

অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰাৰ ষড়যন্ত্ৰ ঃ

অসম লীগে অসহযোগ আন্দোলন পৰিহাৰ কৰিলে সঁচা, কিন্তু অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰাত অটল লাগি থাকিল। ১৯৪৪ চনতে অসম প্ৰাদেশিক লীগৰ সভাত পাকিস্তানৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল; তেতিয়াই সেই প্ৰস্তাৱ আকৌ দোহাৰিলে। অসম লীগে অসম আৰু বংগক লৈ এখন স্বাধীন পাকিস্তানৰ কল্পনা কৰিছিল।[১৩] ১৯৪৬ চনৰ ৫ মাৰ্চৰ দিনা অসম ভ্ৰমণৰ কাৰণে অহা মহম্মদ আলী জিন্নায়ো জনজাতিসকলৰ সৈতে অসমক পূব পাকিস্তানৰ অনুৰ্ভুক্ত কৰাত গুৰুত্ব আৰোপ কৰিছিল। মুকলি সভাত জিন্নাই ঘোষণা দিবলৈ দ্বিধাবোধ কৰা নাছিল যে পাকিস্তানৰ অন্তৰ্ভুক্ত হ'লে অসম ভূস্বৰ্গত পৰিণত হ'ব।

লীগৰ নেতাসকলৰ সভাত অসমক বলপূৰ্বক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰাৰ কাৰণে হেনো একলাখ মুজাহেদিনৰ স্বতন্ত্ৰ বাহিনী গঢ়ি তোলাৰ সিদ্ধান্তও গ্ৰহণ কৰিছিল। মুজাহেদিনৰ সহায়ত এদিনতে গোৱালপাৰা আৰু এসপ্তাহৰ ভিতৰত সমগ্ৰ অসম অধিকাৰ কৰাৰ পৰিকল্পনাও হেনো কৰিছিল।[১৪] সমগ্ৰ ভাৰতৰ লগতে অসমতো ১৯৪৭ চনৰ ২৩ মাৰ্চৰ দিনটো পাকিস্তান দিৱস হিচাপে পালন কৰিছিল।

(১) চলো চলো জেল্লে চলো
পাকিস্তান কায়েম কৰোঁ।

(২) লৰকে লাংগে পাকিস্তান
কভি নাহি হিন্দুস্তান।

প্ৰভৃতি ধ্বনিৰে পাকিস্তান দিৱস মুখৰিত কৰি তোলা হৈছিল। শ্ৰীহট্ট, নগাঁও, বৰপেটা, আদিৰ অভিবাসীপ্ৰধান ঠাইবোৰত ইবোৰৰ প্ৰভাৱ আছিল সৰ্বাত্মক।[১৫]

এনে পৰিস্থিতিৰ মাজেদিয়ে শ্ৰীহট্ট অঞ্চলত গণভোটৰ আয়োজন কৰা হৈছিল। শ্ৰীহট্ট আছিল মুছলমানপ্ৰধান জিলা। সেই ফালৰ পৰা বিপুল সংখ্যাধিক্যত পাকিস্তানৰ পক্ষে জনমত যোৱাই স্বাভাৱিক আছিল। তেতিয়াই কাগজে-পত্ৰে বাতৰি পোৱা গৈছিল যে ন্যাশ্যনেল গাৰ্ড আৰু মাজুহেদিনবিলাকে জামিয়াত-উল-উলেমাৰ সমৰ্থকসকলকো। কিন্তু তথাপি পাকিস্তানৰ বিৰুদ্ধে ভোট দিছিল ১,৮৪,০৪১ জনে আৰু পাকিস্তানৰ সমৰ্থনৰ বিৰুদ্ধে ভোট দিছিল ২,৩৯,৬১৯ জনে। এই ব্যাপকসংখ্যক জনগণৰ স্বাধীন মতক উপেক্ষা কৰি শ্ৰীহট্টক পাকিস্তানলৈ ঠেলি দিয়া হৈছিল।

এই প্ৰসংগত বিশেষ উল্লেখযোগ্য কথা এয়ে যে অসম আৰু ভাৰতীয় মুছলিমলীগৰ নেতা ছাদুল্লাই অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰাত সম্মতি প্ৰদান কৰা নাছিল আৰু হেনো গোপীনাথ বৰদলৈয়ে অসম বিধানসভাত উত্থাপন কৰা গ্ৰুপিং বিৰোধী প্ৰস্তাৱহে সমৰ্থন কৰিছিল। মহাত্মা গান্ধীৰ শুভেচ্ছা আৰু সক্ৰিয় সহযোগিতাৰ বলত অসম গ্ৰুপিং তথা পাকিস্তানৰ সমৰ্থন কৰিছিল। পিছত স্বয়ং বৰলাট ওৱাভেলে মন্ত্ৰী মিচনক অসমৰ স্বৰূপ বুজাই দিয়াতহে অসমৰ লীগ ক্ষান্ত হ'ব লগাত পৰিছিল।[১৬]

সেই সময়ত অসম প্ৰাদেশিক মুছলিমলীগ ছাদুল্লা আৰু মৌলানা ভাচানিৰ দুটা পক্ষত বিভক্ত হৈ পৰিছিল, তাৰ ফলত অসম প্ৰাদেশিক লীগ তেনেই দুৰ্বল হৈও পৰিছিল। ১৯৪৮ চনৰ ৩০ জুনৰ দিনা অসম প্ৰাদেশিক লীগ ভংগ কৰি দিবলৈ যেন নেতৃমণ্ডলী বাধ্য হৈছিল।

এনেদৰেই ১৯০৫ চনত বংগ-ভংগ আৰু ১৯০৬ চনত মুছলিমলীগ গঠনেৰে হিন্দু-মুছলমানৰ বিভেদ-বিচ্ছিন্নতা বৃদ্ধি আৰু দ্বিজাতি তত্ত্ব প্ৰতিষ্ঠাৰে শেষত ভাৰতৰ লগতে অসমো দ্বিখণ্ডিত হ'ল। কিন্তু বিভাজনেৰে বিচ্ছিন্নতাবোধ আৰু হিন্দু-মুছলমানৰ বিভেদ-বিদ্বেষৰ অৱসান নঘটিল; বৰং বিচ্ছিন্নতাবোধ আৰু সন্দেহ-সন্দিগ্ধতা ক্ৰমে বৃদ্ধিহে পাব ধৰিলে। বিভাজনৰ পিছৰে পৰা একাংশ হিন্দুৰ মানত মুছলমান মানেই হৈ পৰিল পাকিস্তানী আৰু সৰহসংখ্যক মুছলমানৰ মানতো পাকিস্তান হৈ পৰিল পুণ্যভূমি।

সংকেত সূচী ঃ

১। মঃ মফিজুদ্দিন আহমেদ হাজৰিকা ঃ *ৰাইজমেল, ৰাইজমেলত মুছলিম সম্প্ৰদায়ৰ সহযোগ*, পৃ ঃ ৩১-৩৫

২। নজৰ আলী ঃ *মোৰ জীৱনৰ কিছুকথা*, পৃ ঃ ৯৩

৩। ৰায়চৌধুৰী ৰচনাৱলী ঃ *অসমত জাতীয়তাৰ সমস্যা*, পৃ ঃ ৮৭০-৭১

৪। অসম চৰকাৰ ঃ *গোপীনাথ বৰদলৈ শতবাৰ্ষিকী স্মৃতিগ্ৰন্থ*, পৃ ঃ ১৬৩

৫। A. C. Bhuyan & others (ed) : *POLITICAL HISTORY OF ASSAM*, Vol II, P. 302.

৬। *Ibid*, P. 304.

৭। *Ibid*, P. 305

৮। *Ibid*, P. 308

৯। *Ibid*, P. 312

১০। *Ibid*, Vol III, P. 262

১১। *Ibid*, PP. 270-71

১২। *Ibid*, P. 276

১৩। *Ibid*, P. 289

১৪। *Ibid*, P. 290

১৫। *Ibid*.

১৬। *Ibid*, PP. 369-371

ষষ্ঠ অধ্যায়

ভাৰত বিভাজন আৰু সাম্প্ৰদায়িক সংঘৰ্ষ

ভাৰত বিভাজনৰ কাৰণে জগৰীয়া কোন তাক নিৰ্ণয় কৰা আজি কেৱল টানেই নহয়, সি আজি অসম্ভৱতো পৰিণত হৈছে। লগতে ইয়াকো কোৱা টান হৈ পৰিছে যে ভাৰত বিভাজন নোহোৱাহেঁতেন হিন্দু-মুছলমানৰ মাজত ইমান ঈৰ্ষা, হিংসা, ঘৃণা, অবিশ্বাস, অশান্তিৰ সৃষ্টি হ'লহেঁতেন নে নাই। কাৰণ খ্ৰীঃ ৭১২ চনত মহম্মদ বিন কাছিমে সিন্ধু বিজয় কৰা কালৰেপৰা হিন্দু-মুছলমানৰ মাজত ঈৰ্ষা-হিংসা-ঘৃণা-অবিশ্বাস প্ৰবৰ্তি আছে। কেৱল কোনো কোনো সময়ত ইয়াৰ উগ্ৰতা আৰু তীব্ৰতা বাঢ়িছে আৰু আন কোনো সময়ত টুটিছে। অৱশ্যে ইও সত্য যে এনেবোৰ ঈৰ্ষা-হিংসা-ঘৃণা-অশান্তি-অসূয়া অহৈতুকী নহয়।

মুছলমান আক্ৰমণকাৰী আৰু ইছলাম ঃ

আৰব জগতৰ পৰা ভাৰতলৈ আৰু মুছলমান আহিছিল মূলতঃ আক্ৰমণকাৰীৰ ৰূপত। তেওঁলোকে ভাৰত জয় কৰিছিল তৰোৱালৰ কোবেৰেই। তেওঁলোক আছিল বিজেতা আৰু ভাৰতীয়সকল আছিল বিজিত। বিজিতই স্বাভাৱিক কাৰণতে বিজেতাক ঈৰ্ষা-হিংসা-ঘৃণা কৰেই; ই সমগ্ৰ পৃথিবীৰ ক্ষেত্ৰতেই সত্য। ভাৰতবাসীৰ ক্ষেত্ৰতো তাৰ ব্যতিক্ৰম ঘটা নাছিল নিশ্চয়।

সাধাৰণতে যিকোনো কালতে মানুহ আৰু মানুহৰ মাজত বন্ধুত্ব স্থাপন হয় সমান আৰু সমানৰ মাজতহে। ই ঐতিহাসিক আৰু বিজ্ঞানসন্মত সত্য। বিষমে বিষমে কোনো দিনেই আৰু ক'তো প্ৰকৃত অৰ্থত বন্ধুত্ব স্থাপন হোৱা নাই; কোনো কালেই সি সম্ভৱপৰো নহয়। বিজয় কালত বিজেতা মুছলমানসকলে ভাৰতীয়সকলক কিদৰে গ্ৰহণ কৰিছিল তাকো আজি সঠিকভাৱে জনাৰ উপায় নাই। কাৰণ সেই সময়ৰ সঠিক লিখিত নিদৰ্শন কম বা সমূলি নাই বুলিয়ে ক'ব পাৰি। বিজেতাসকলৰ লিখিত বৰ্ণনাক বিশুদ্ধ বুলি গ্ৰহণ কৰা এক মহা প্ৰমাদ মাথোন। অৱশ্যে চুলতান মাহমুদৰ আক্ৰমণৰ প্ৰত্যক্ষদৰ্শী আল-বিৰুনীৰ 'তাৰিকুল-হিন্দ'ৰ বৰ্ণনাক নিৰপেক্ষ আৰু বিজ্ঞান সন্মত ৰূপে গ্ৰহণ কৰিব পাৰি; কাৰণ তাত ভাৰতীয়সকলৰ দুৰ্বলতাৰ অবিকৃত বৰ্ণনা তুলি ধৰাৰ লগতে চুলতান মাহমুদ আৰু তেওঁৰ কাহিনীৰ অমানৱীয় নৃশংসতাৰ বৰ্ণনায়ো সমানে গুৰুত্ব লভিছে। এঠাইত লিখিছে,—

" হিন্দুবিলাক ধূলিৰ কণিকাৰ দৰে হৈ চাৰিওফালে সিঁচৰতি হৈ পৰিছিল আৰু সিবোৰ পুৰণিকলীয়া পৰম্পৰাগত সাধুৰ দৰে মানুহৰ মুখে মুখে শুনিবলৈ পোৱা গৈছিল। সিঁচৰতি হৈ বাকী থকাখিনিয়ে অৱশ্যে সকলো মুছলমানৰ প্ৰতিয়েই এটা অতিবদ্ধমূল

ঘৃণা পোষণ কৰিছিল।”

মাহমুদে ভাৰত আক্ৰমণ কৰিছিল একাদশ শতিকাৰ প্ৰাৰম্ভৰ দশককেইটাত (খ্ৰীঃ১০০০–১০৩০লৈ)। সেই একে সময়তে পশ্চিম আৰু মধ্য এচিয়াৰ মানুহৰ মানত ভাৰতীয় লোকৰ বিষয়ে ধাৰণা আছিল কিন্তু অতি উচ্চ। জৱাহৰলাল নেহৰুৱে ভৌগোলিক ইদ্ৰিচিৰ ৰচনাৰ পৰা তেওঁৰ একেখন গ্ৰন্থৰ একেটা আলোচনাত উধৃত কৰি কৈছে—

“ ভাৰতবাসীসকল স্বভাৱতে সুবিচাৰৰ পক্ষপাতী, কাৰ্যত তাৰ পৰা বিচলিত নহৈছিল। তেওঁলোকৰ কথাৰ সাধুতা, সততা আৰু বিশ্বস্ততা সকলোৰে মাজত জনাজাত আৰু এই গুণবিলাকৰ কাৰণে তেওঁলোক ইমান বিখ্যাত যে সকলো ফালৰ পৰা মানুহ আহি তেওঁলোকৰ দেশত জুম বান্ধে গৈ।” ২

এই দুয়োটা নিদৰ্শন অত্যন্ত তাৎপৰ্যপূৰ্ণ। ‘তাৰিকুল-হিন্দ’ বা ‘ভাৰত’ অনুসৰি মাহমুদ আৰু তেওঁৰ বাহিনীৰ নিৰ্মম আৰু নিষ্ঠুৰ আক্ৰমণৰ কাৰণে ভাৰতীয় হিন্দুসকলে আক্ৰমণকাৰী মুছলমানক ঘৃণা কৰিবলৈ লৈছিল; কিন্তু নেহৰুৱে ‘ভাৰত সন্ধেদ’ত উধৃত কৰি দেখুওৱা মতে বিশেষকৈ পশ্চিম আৰু মধ্য এচিয়াৰ লোকসকলে ভাৰতীয় হিন্দুসকলৰ সততা-নিষ্ঠা-বিশ্বস্ততাৰ কাৰণে সকলোৰে মন জয় কৰিবলৈ সমৰ্থ হৈছিল আৰু ভাৰতক জানিবলৈ তেওঁলোকৰ আগ্ৰহ বাঢ়িছিল। মাহমুদ, টাইমুৰ, নাদিৰ ছাহ আদি কৰি মুছলমান আক্ৰমণকাৰীসকল আছিল লুণ্ঠনকাৰী আৰু নৰহত্যাকাৰী দানবস্বৰূপ। তেওঁলোকৰ নিৰ্মম অত্যাচাৰ আছিল অতুলনীয় আৰু সেইকাৰণেই ভাৰতে তেওঁলোকক ঘিণাইছিল বা তেওঁলোকৰ প্ৰতি ঘৃণা পোষণ কৰিবলৈ বাধ্য হৈছিল।

হজৰত মহম্মদৰ জন্মৰ আগতে বা জন্মৰ কালত আৰব আছিল পৌত্তলিকতাত মত্ত বেদুইন বোলা লুণ্ঠনকাৰী ডকাইতৰ দেশ। তাৰ বহু শ বছৰ আগতে ভাৰতত মৌৰ্যসকলে আৰু গুপ্তসকলেও বিশাল ভাৰতীয় সভ্যতা-সংস্কৃতিৰ সাম্ৰাজ্য গঢ়ি তুলিছিল। অশোকৰ ৰাজত্বকালত বুদ্ধৰ বাণী এচিয়া-ইউৰোপৰ দেশে দেশে বিয়পাই দিছিল। দক্ষিণ-পূব এচিয়াৰ, আনকি, মুছলমান দেশবোৰেও প্ৰমাণ কৰি আছে যে তেওঁলোক আদৰ্শগতভাৱে হিন্দু আৰু বৌদ্ধ। বৌদ্ধ, জৈন আদিৰ সত্য, সমতা, অহিংসা, প্ৰেমৰ বাণীৰে উদ্বুদ্ধ নোহোৱা দেশ বা জাতি আছিল বৰ কম। যীচু খ্ৰীষ্ট, হজৰত মহম্মদ প্ৰভৃতি ধৰ্ম প্ৰবৰ্তকসকল অন্ততঃ গৌতমবুদ্ধৰ আদৰ্শৰে অনুপ্ৰাণিত হোৱা নাছিল বুলি কোনে ক’ব। পুৰণি পৃথিৱীত জ্ঞান-বিজ্ঞানৰ এনে এটাও দিশ আছেনে যিটো ভাৰতত উদ্ভৱ বা চৰ্চা হোৱা নাছিল। সেইখন ভাৰতে সমগ্ৰ বিশ্বৰ মুক্তিকামী মানুহ মাত্ৰকে মুক্তিৰ সন্ধেদ দিবলৈ সমৰ্থ হৈছিল। দক্ষিণ-পূব এচিয়াৰ সভ্যতা-সংস্কৃতিয়ে এই সত্যৰ সন্ধেদ আজিও দহদহীয়াকৈ দি থকা সম্ভৱপৰ হৈছে। সেই মুছলমান দেশবোৰে ভাৰতীয় সভ্যতা-সংস্কৃতিক কোনোদিনেই বিজতৰীয়া বুলি গণ্য কৰা নাই, — সমন্বয় সমাহৰণৰ ফলত গঢ়ি তুলিছে এটা অভিনৱ নতুন সভ্যতা, — নতুন সংস্কৃতি।

সচেতন আৰু বিবেকী ভাৰতীয় মাত্রেই গৌৰৱমন্দিত সেইখন ভাৰতৰ কাৰণে নিশ্চয়কৈ আনন্দত অভিভূত হ'ব পাৰে। কিন্তু দুখৰ বিষয় যে কেৱল বিজেতা আছিল কাৰণে মুষ্টিমেয় হ'লেও একাংশ মুছলমানে ভাৰতক তুচ্ছ-তাচ্ছিল্য আৰু অৱহেলা-অৱমাননা কৰিবলৈ নেৰিলে। সেই অংশই ভাৰততে উপজিছে, ভাৰততে ডাঙৰ-দীঘল হৈছে আৰু ভাৰততে শিক্ষা-দীক্ষাও গ্রহণ কৰিছে; অথচ তেওঁলোক আৰবমুখী, —পান ইছলামিক। হজৰত মহম্মদৰ অভ্যুদয়ৰ দুই-তিনিশ বছৰ পিছলৈ আৰবে বিশ্বমানৱতালৈ ভালেমান অৱদান আগবঢ়োৱা কথা সঁচা। ইব্‌নে ৰুশ্চদে প্রমুখ্যে বাস্তববাদী আৰবীয় দাৰ্শনিকে ইউৰোপীয় নৱজাগৰণত বিপুল পৰিমাণে অৰিহণা যোগোৱা কথাও সঁচা; কিন্তু তাৰ পিছৰে পৰা আৰব জগত হৈ পৰে গতানুগতিক; মৌলবাদী মোল্লাতন্ত্রই আৰবৰ গতিশীলতাক কৰি তুলিছে স্তব্ধ আৰু মতান্ধ। চুলতান মাহমুদ আদি কৰি —লুণ্ঠন আৰু নৰহত্যাকাৰীসকলৰ কাৰণেও যদি কোনোৱে গৌৰৱবোধ কৰে, তেনেহ'লে বুজিব লাগিব যে সেই অংশ লোক মানবিকতাহীন নৰৰূপী একপ্ৰকাৰ জীৱ ভিন্ন একো হ'ব পৰা নাই। ভাৰতলৈ অহাৰ আগতেই ইছলামে সৃষ্টি কাৰ্যৰ তাৎপৰ্য হেৰুৱাই অথৰ্ব হৈ পৰা কাৰণেই প্রকৃততে ইছলাম তথা মুছলমানে ভাৰতত বিশেষ একো সাংস্কৃতিক জাগৰণৰ সৃষ্টিও কৰিব পৰা নাছিল। অথচ তেওঁলোক ইছলামধৰ্মী কাৰণে বৃথা-গৌৰৱ কৰিবলৈও এৰা নাছিল। বৰ্ত্তমানেও একাংশ শিক্ষা-দীক্ষাসম্পন্ন মুছলমানেও যেতিয়া এক মাত্র ইছলামধৰ্মী হোৱা কাৰণেই গৌৰৱত আপ্লুত হৈ থাকে, ইছলামধৰ্মীসকলক হেয় প্রতিপন্ন কৰিছিল, সেই বিষয়ে সন্দেহৰ কাৰণ নাই নিশ্চয়।

তাতোকৈও দুখ আৰু বেজাৰৰ কথা আছিল এয়ে যে সেই অভিমানী মুছলমানসকলৰ মানত ভাৰত তেওঁলোকৰ দেশ নহয়, আৰব তেওঁলোকৰ দেশ, তেওঁলোক পান-ইছলামিক। বেশ-ভূষা, খাৱন-শোৱনত ইছলামধৰ্মী এই অংশ মুছলমানৰ মনে-চিতে ইছলামৰ উদাৰতা-মহত্বতা আনকি জ্ঞানস্পৃহাৰো স্থান কিন্তু নাই। দাড়ি-টুপী-কুৰ্তা-পায়জামা-ৰোজা-নামাজৰ মাজতে আবদ্ধ এই অংশ অভিমানী ইছলামধৰ্মী সম্ভৱতঃ কোৰাণ কথিত—

নিৰ্দেশ —

"অনা মুছলমানৰ প্ৰতি ঘৃণা ইছলামে সততে বিৰোধ কৰে। — দয়াগুণ (তাকওৱা)ত বাহিৰে সামাজিক, পাৰ্থিৱ বা আভিজাত্যৰ কাৰণে কোনেও আনতকৈ উন্নত বুলি দাবী কৰিব নোৱাৰিব। যিবোৰ ধ্যান-ধাৰণা, আচাৰ-অনুষ্ঠানে তৌহিদ (ঈশ্বৰৰ একত্ব), মানবীয় সমতা আৰু স্বাধীনতাত বাধাদান কৰে, সেইবোৰক দমন কৰিব লাগিব।....... ধনী আৰু ক্ষমতাশালীসকলে দুখীয়া আৰু দুৰ্বল শ্ৰেণীক শোষণ কৰিব নোৱাৰিব।"

গোড়া আৰু ৰক্ষণশীল মুছলমানসকলৰ মাজত মনে-চিতে এনে উদাৰ ধ্যান-

ধাৰণাসম্পন্ন মুছলমান কিমান আছে বাৰু? ইছলাম অনুসৰি —

"সমাজত স্থায়ীভাৱে দুখীয়া আৰু দুৰ্বল শ্ৰেণী থাকিব নোৱাৰিব। দুখীয়া আৰু দুৰ্বল শ্ৰেণীৰ কল্যাণৰ অৰ্থে ধনিক শ্ৰেণীৰ ওপৰত জাকাত, সদাকা, উচক প্ৰভৃতি কৰ নিৰ্ধাৰণ কৰিব লাগিব।"

পাৰিছেনে ইছলাম জগতে এইবোৰ বিভেদ আঁতৰাই সমতাৰ ভেটিত শান্তিময়, সুখময় সমাজ গঢ়িব? ইছলাম অনুসৰি মুছলমানে মুছলমানৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰা গুণাহ,পাপ। কিন্তু সমগ্ৰ পৃথিৱীব্যাপী দেখোন ইছলামধৰ্মীয়ে ইছলামধৰ্মীয়ে চলি আছে দুৰ্বাৰ ৰণ। ইৰাক-ইৰাণ যুদ্ধ, পাকিস্তান-আফগানিস্তান যুদ্ধ, বাংলাদেশ-পাকিস্তানৰ যুদ্ধৰ কথা কোনোবাই পাহৰিব পাৰিছেনে? নে দেশে দেশে মোল্লাতন্ত্ৰই সৃষ্টি কৰা বিভীষিকাৰেই পৰিসমাপ্তি ঘটিছে? পাৰিছেনে তেওঁলোকে ইছলামৰ আদৰ্শত অটল হৈ থাকিব?

ইছলাম প্ৰবৰ্তনৰ গুৰিৰ দুই-তিনি শতিকা কালত, খলিফাসকলৰ সততা-নিষ্ঠাৰ কাৰণে হয়তো বহুপৰিমাণে শুদ্ধ-নিকা ইছলামিক সমাজ এখন গঢ় লৈ উঠা সম্ভৱপৰ হৈছিল। কিন্তু তাৰ পিছত, যেতিয়াৰ পৰা মোল্লাতন্ত্ৰই বিচাৰহীন আচাৰৰ ওপৰতহে ইছলামক প্ৰবৰ্তাবলৈ ল'লে, প্ৰকৃততে তেতিয়াৰে পৰা ইছলাম আকৰ্ষণহীন হৈ পৰিল, ইছলাম ৰোজা-নামাজতেই আবদ্ধ হৈ পৰিল; ইছলামে হেৰুৱাই পেলালে তাৰ বৈশিষ্ট্য। দুখৰ বিষয় যে মোল্লাসকলে গৰিমাহীন হোৱা সত্ত্বেও গৌৰব কৰিবলৈ এৰা নাই। আৰু প্ৰকৃততে গৰিমাহীন গৌৰৱৰ কাৰণেই ইছলামধৰ্মী আৰু অনা-ইছলামিকসকলৰ মাজত বাঢ়িছে বিভেদ-বিচ্ছিন্নতা। এই সত্য যিকোনো বিবেকী ইছলামধৰ্মীয়েও স্বীকাৰ কৰে।

ইছলামধৰ্মীৰ মাজত বিভেদ ঃ

কোৰাণ অনুসৰি ইছলামধৰ্মী মুছলমানৰ মাজত কোনো বিভেদ নাই; কাৰণ সকলোৰে এক আল্লাৰ সন্তান, আটায়ে ভাই ভাই। ভাৰতীয় হিন্দুসকলৰ মাজত বিভেদ আছিল আৰু আজিও আছে। জাতি-বৰ্ণৰ বিভেদৰ নামত ভাৰতীয় হিন্দুৰ মাজত অনেক স্পৃশ্য-অস্পৃশ্যৰ ব্যৱধানো আছে। ইয়াৰ বিৰুদ্ধে অন্ততঃ সৌ গৌতম বুদ্ধৰ দিনৰে পৰা ব্যক্তিগতভাৱে আৰু সমষ্টিগতভাৱেও বিদ্ৰোহ কৰি আহিছে। এনে বিভেদৰ ওৰ কিন্তু পৰা নাই। ইয়াৰ কাৰণে হিন্দু সমাজ গৰিহণাৰ যোগ্যই। অথচ বিদগ্ধ হিন্দুই 'যত্ৰজীৱঃ তত্ৰশিৱঃ' বা 'জীৱো ব্ৰহ্মৈৱ নাপৰঃ' আদিৰ দৰে আকাশলংঘা উদাৰবাণীয়েই প্ৰচাৰ কৰি আহিছে। অসমৰ পৰমবৈষ্ণৱ শংকৰদেৱ প্ৰমুখ্যে নৱবৈষ্ণৱসকলেও 'কুকুৰ, শিয়াল, গৰ্দভৰো আত্মাৰাম' বুলি প্ৰচাৰ কৰি গৈছে; তেওঁলোকৰ অনুগামীসকলেও পুনঃপুনঃ তাৰ আবৃত্তি কৰি আহিছে বা আবৃত্তি কৰি আছে। কিন্তু আনহে নালাগে বৰপেটা, কমলাবাৰী প্ৰভৃতি সত্ৰতো কেৱল ইয়াক ছুলেই চুৱা, তাক ছুলেই চুৱাৰ অৱসান ঘটা

নাই; সেই ভকত-বৈষ্ণৱসকলৰ মনত যেন সেই শুদ্ধ আচাৰতেই বৰ্ত্তি আছে বৈষ্ণৱ ধৰ্ম। 'হৰি' বা 'ৰাম'ৰ নাম ল'লেহে পাপ দশোদিশে পলাই বুলি ক'বলৈও পৰম বৈষ্ণৱসকলে প্ৰচাৰ কৰি যোৱাৰ দৰে ইছলামধৰ্মীসকলেও কেৱল 'তৌবা' শব্দ উচ্চাৰণ কৰিলেই সকলো পাপৰ বিনাশন হয় বুলি প্ৰচাৰ কৰি থাকিবলৈ এৰা নাই।

ইছলাম প্ৰবৰ্তনৰ প্ৰথম দুই-তিনি শতিকাত সম্ভৱ শ্ৰেণী বা বৰ্ণবৈষম্য বহু পৰিমাণে কমি গৈছিল; কিন্তু শ্ৰেণীহীন-বৈষম্যহীন সমাজ যে কোনো দিনেই বিলোপ হোৱা নাছিল, সেই বিষয়ে সন্দেহৰ থল নাই। ইছলামৰ মূল বা ভেটিস্বৰূপ নীতিকেইটা (১) কলিমা, (২) নামাজ, (৩) ৰোজা,(৪) হজ্জ আৰু (৫) যাকাতৰ মাজত শ্ৰেণীহীন সমাজৰ লক্ষ্য নাই। যাকাতক ধৰ্মীয় কৰ বোলাহে যুগুত, আৰু প্ৰকৃততে সি মগনীয়াক দিয়া ভিক্ষাৰ সদৃশহে, যাকাতে শ্ৰেণীহীন সমাজৰ কথা কোনো পধ্যেই নুসূচায়। শ্ৰেণী মানেই বৈষম্য আৰু বৈষম্য মানেই ঈৰ্ষা-হিংসা-ঘৃণা আৰু ভয় সন্ত্ৰাস। গতিকে ইছলামে শ্ৰেণীহীন বৈষম্যহীন সমাজ গঢ়ি তুলিছিল বুলি কোনোপধ্যেও ক'ব নোৱাৰি।

ইছলামত বৰ্ণ বৈষম্য নাছিল বুলিও কোৱা টান। কাৰণ ইছলামধৰ্মী মুছলমানসকলৰ মাজতো (১) আশৰাফ্ বা শৰিফ, (২) আজ্লাফ বা আত্ৰাফ্ আৰু (৩) আৰজাল এই তিনিটা শ্ৰেণীৰ মুছলমান আছিল, আজিও আছে। চৈয়দ, ছেখ, মোগল, পাঠান, মল্লিক, মীৰ্জা এইসকল উচ্চ-অভিজাত। এওঁলোক আশৰাফ্ বা শৰিফ। এই উচ্চশ্ৰেণীৰ মুছলমানসকলে নিজক আৰব জগতৰ পৰা অহা বহিৰাগত বুলি গৌৰৱবোধ কৰে। দেশীয় মুছলমানতকৈ সমাজত তেওঁলোকৰ স্থান ওপৰত। দ্বিতীয় শ্ৰেণীৰ আজলাফ বা আত্ৰাফসকল শ্ৰমকাৰী বা খাটিখোৱা মুছলমান। এই আজলাফ শ্ৰেণীৰ মুছলমান আকৌ চাৰিটা উপশ্ৰেণীত বিভক্ত : (ক) কৃষিকৰ্মত নিযুক্ত ছেখ মুছলমান, (খ) দৰ্জি, জোলা, ফকীৰ, অংগৰেজ, (গ) বাৰহি, ভাতিয়াৰা, ছিক, চুড়িহাৰ, দাই, ধাওয়া, ধুনিয়া, গদ্দি, কালাল, কছাই, কলু, কুনুজৰা, লাহেৰী, মাহিফাৰোছ, মাল্লাহ, নালিয়া, নিকাৰী, (ঘ) আবদাল,ৰাখো, বেদিয়া,ভাট, ছম্বা, দাফালি, ধুবী, হাজ্জাম, মুচি, নগৰচি,নাট, পানওয়াৰিয়া, মাঁদাৰিয়া, তুতিয়া। তৃতীয় শ্ৰেণীৰ অন্তৰ্ভুক্ত আৰ্জাল বা অৱনমিত মুছলমানসকল আন শ্ৰেণীভুক্ত মুছলমানৰ মাজত হীন বা নীচৰূপে প্ৰতিপন্ন। আনকি তেওঁলোকৰ মছজিদত প্ৰৱেশ অধিকাৰ পৰ্যন্ত নাই আৰু নাছিল। ভানৰ, হালালখোৰ, হিজ্ৰা, কাছবি, লালবেগী, মাংগতা, মেহতৰ প্ৰভৃতি লোক আৰজাল বা অৱনমিত শ্ৰেণী ৰূপে পৰিচিত। এই তৃতীয় শ্ৰেণীৰ মুছলমানৰ মছজিদতো প্ৰৱেশ অধিকাৰ নাছিল, আনকি একেখন কবৰখানাও তেওঁলোকক ব্যৱহাৰ কৰিবলৈ দিয়া হোৱা নাছিল।[৩]

আনন্দৰ কথা আছিল এয়ে যে অসমৰ মুছলমানসকলৰ মাজত এনে বৰ্ণ বৈষম্য বৰ কম আছিল। কিন্তু ইংৰাজৰ শাসনকালত আৰু বিশেষকৈ ছাদুল্লা মন্ত্ৰীসভাৰ কালত

বিবিলাক মুছলমান অভিবাসী আহি অসমত থিতাপি লৈছিল, সেইসকলৰ প্ৰায় আটায়ে শ্ৰমজীৱী মানুহ হোৱা সত্বেও উচ্চ-নীচ ভেদাভেদ তেওঁলোকৰ মাজত বহু পৰিমাণে বৰ্তি আছিল । একে ইছলামধৰ্মী হোৱা সত্বেও আনকি বিয়া-বাৰুৰ ক্ষেত্ৰটো আছিল ব্যৱধান।

অৱশ্যে হিন্দুৰ মাজত অসবৰ্ণ বিবাহ আদি সম্প্ৰতি চলিবলৈ ধৰাৰ দৰে মুছলমানৰ মাজতো অসবৰ্ণ বিবাহ আদিৰ প্ৰচলন হ'বলৈ ধৰা বুলি জানিবলৈ পোৱা গৈছে। ইয়াৰ মূলত আছে শিক্ষা। হিন্দু-মুছলমান আটায়ে একে শিক্ষা অনুষ্ঠানত একেলগে একেবোৰ বিষয়কে পঢ়িবলৈ লোৱা কাৰণে হিন্দু-মুছলমানৰ মাজত অন্ততঃ বাহ্যিক চুৱা-গজা আদিৰ দৰে অপসংস্কৃতিসম্পন্ন কদাচাৰবোৰ ক্ৰমে পাতলিছে, হিন্দু-মুছলমান উভয়ে আন্তঃবৈবাহিক পাশতো আবদ্ধ হৈছে। শিক্ষাই হিন্দু আৰু হিন্দুৰ মাজৰ বিভেদ-বিচ্ছিন্নতা বহু পৰিমাণে লোপ কৰাৰ দৰে; মুছলমান আৰু মুছলমানৰ মাজৰ বিভেদ- বিচ্ছিন্নতাও ভালেখিনি বিলোপ কৰিছে। শিক্ষিত আৰু ধনাঢ্য আজলাফ্ শ্ৰেণীৰ মুছলমান আশৰাফ্ শ্ৰেণীলৈ উন্নীত হ'ব ধৰা বুলি জানিব পৰা গৈছে। এই পৰিবৰ্তনলৈ লক্ষ্য কৰি বাংলাত এটা তাৎপৰ্যপূৰ্ণ ছড়া ৰচনা হৈছিল, —

আগে থাকে উল্লা তুল্লা শেষে হয় উদ্দিন ।
তারেৰ মামুদ উপৰে যায় কপাল ফেৰে যদ্দিন।।

[যোৱা বছৰ মই জোলা আছিলো, এই বছৰ হলো ছেখ, আৰু অহা বছৰ হ'ম চৈয়দ।][৪]

এইবোৰ বৈষম্য সাধাৰণ কথা নহয়। হিন্দু-মুছলমান উভয় সম্প্ৰদায় এই বৈষম্যৰ কৰাল গ্ৰাসত নিবদ্ধ। সম্প্ৰতি শিক্ষিত আৰু ধনৱন্তসকলে নতুন নতুন শ্ৰেণীৰ সৃষ্টি কৰিয়ে আছে । ধৰ্মগ্ৰন্থ বা ধৰ্মৰ প্ৰবৰ্তক-প্ৰচাৰকসকলৰদ্বাৰা প্ৰচাৰিত আদৰ্শক ন-পুৰণি ধনৱন্ত-জ্ঞানৱন্তসকলে নস্যাৎ কৰি দি আছে । ইবোৰ সমাজ বাস্তব। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে নিজ মুছলমান সম্প্ৰদায়ৰ মাজত বৰ্ণভেদ আৰু শ্ৰেণীভেদ থকা সত্বেও একাংশ তলমতীয়া চেলেপু মুছলমানে হিন্দুৰ বৈষম্যৰ প্ৰতি আঙুলি টোৱাই উপহাস বা বিদ্ৰূপ কৰিবলৈ চেলু বিচাৰি ফুৰে। সিয়ে হিন্দু-মুছলমানৰ মাজত কেৱল অশান্তি অসূয়াহে বৃদ্ধি কৰে। উভয় সম্প্ৰদায়ৰ অন্ততঃ শিক্ষিত শ্ৰেণীয়ে এই বিষয়ে আন্তৰিকতাৰে মনোনিৱেশ কৰে মানে আটাইৰে কাৰণে মংগল।.

মুছলিম আইন ঃ

ভাৰতত হিন্দু-মুছলমানৰ মাজত বিভেদ বৰ্তি থকাৰ অন্যতম প্ৰধান কাৰণ মুছলিম আইন। দুৰ্ভাগ্যৰ বিষয় যে দেশ স্বাধীন হোৱাৰ পিছত গৃহীত সংবিধানে দেশখনক

ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰূপে ঘোষণা দিয়া সত্ত্বেও এই দেশত বৰ্তি আছে হিন্দু আইন, মুছলিম আইন। ইয়ে ধৰ্মনিৰপেক্ষ (Secular) চৰিত্ৰ ধ্বংস কৰিছে, ভাৰতক সাম্প্ৰদায়িকতাসম্পন্ন ৰাষ্ট্ৰত পৰিণত কৰিছে। ভাৰত ভাৰতেই আৰু আৰব আৰবেই। আৰবদেশৰ অনুকৰণত ভাৰতত আইন প্ৰণয়ন বা সমাজ পৰিচালনা সাধাৰণ মানবীয় দৃষ্টিৰ ফালৰ পৰাই অবৈধ। হিন্দু-মুছলমান, শিখ-খ্ৰীষ্টান, জৈন-বৌদ্ধ প্ৰভৃতি মিলি আটায়ে ভাৰতীয়। ভাৰতীয় মহাজাতিটো যিহেতু মিলন-মিশ্ৰণ, সমন্বয়-সমাহৰণৰ ভেটিত গঢ় লৈ উঠিছে, গতিকে এই দেশৰ আইন-কানুন সকলো সম্প্ৰদায়ৰ সমন্বয়ত এটা নতুন ৰূপত গঢ় লৈ উঠা বাঞ্ছনীয়। অন্যথাই বিভেদ-বিচ্ছিন্নতাৰ অৱসান কোনোপধ্যেও ঘটিব নোৱাৰে।

ব্যক্তিত্ববাদ আৰু বিৰোধ ঃ

মহম্মদ বিন কাছিমে খ্ৰীঃ ৭১২ চনত সিন্ধু জয় কৰা দিনৰেপৰা বৰ্তমানলৈ ভাৰতব্যাপী কোনো দিনেই সম্পূৰ্ণৰূপে হিন্দু-মুছলমানৰ মাজৰ বিৰোধ তিৰোহিত হোৱা নাই। কিন্তু সূক্ষ্মভাৱে বিচাৰ কৰিলে অনুভৱ হয় যে এই বিৰোধৰ মূল ধৰ্ম-সম্প্ৰদায় নহয়, ব্যক্তিত্ববাদহে।

সাধাৰণতে হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়ৰ ধৰ্মীয় লক্ষ্য এক আৰু অভিন্নও। হিন্দুধৰ্মৰো মূল লক্ষ্য মানুহৰ পৰম কল্যাণ সাধন; আৰু ইছলাম ধৰ্মৰো মূল লক্ষ্য মানুহৰ পৰম কল্যাণ সাধন,— মানুহক শান্তি লাভ কৰিব দিয়া। সনাতন হিন্দুধৰ্মৰ গীতা-ভাগৱত-উপনিষদ আদি কৰি গ্ৰন্থ অনুসৰি জীৱমাত্ৰেই ব্ৰহ্ম, সেই ব্ৰহ্মই পৰমেশ্বৰ ভগৱান; জীৱৰ মাজেদি ব্ৰহ্মৰেই বিকাশ ঘটিছে। ব্ৰহ্ম ঈশ্বৰ সকলোৰে উপাস্য। অৰ্থাৎ সেই ফালৰ পৰা মানুহ মাত্ৰেই শ্ৰদ্ধা-সম্মানৰ পাত্ৰ-পাত্ৰী। মানুহৰ অনিষ্ট সাধন, মানুহৰ অকল্যাণ কামনা, মানুহৰ ওপৰত চলোৱা শোষণ-নিপীড়ন ধৰ্ম বিৰুদ্ধ। এই মানুহ হিন্দু, এই মানুহ মুছলমান, এই মানুহ শিখ, এই মানুহ খ্ৰীষ্টান; এই মানুহ জৈন, এই মানুহ বৌদ্ধ। এই মানুহ পৃথিৱীৰ সকলো দেশৰ আৰু সকলো ধৰ্ম-সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত মানুহ।

তেনেকৈ ইছলাম অনুসৰি সকলো মানুহ ঈশ্বৰ আল্লাৰ সন্তান;গতিকে মানুহ মাত্ৰেই ভাই-ভনী। মানুহৰ প্ৰতি মানুহৰ ভাতৃত্ববোধৰ উপলব্ধি হ'লে, মানুহে মানুহৰ অকল্যাণ বা অনিষ্ট সাধিব নোৱাৰে। এই মানুহো বিশ্বৰ সকলো দেশৰ সকলো ধৰ্ম-সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত মানুহেই। সেই কাৰণেই ইছলামৰ অৰ্থ বিশ্বভাতৃত্ববোধ বুলিও কোৱা হয়।

সেইদৰে ধৰ্মৰ ফালৰ পৰা বিচাৰ কৰিলে সনাতন হিন্দুধৰ্ম আৰু মুছলমানৰ ইছলাম ধৰ্মৰ মাজত প্ৰকৃততে একো বিভেদ নাই। খাদ্য আৰু বাদ্যৰ ভিন্নতাৰ নামত যি বিভেদ-বিচ্ছিন্নতাৰ সৃষ্টি কৰা হয়, সি প্ৰকৃততে সংকীৰ্ণতাবাদ বা মতান্ধতাৰ পৰিচায়কহে মাথোন। সাধাৰণতে হিন্দুৱে নাখাই গো মাংস আৰু মুছলমানে নাখাই কাছ। এই গ্ৰন্থৰে স্থানান্তৰত পাই আহিছোঁ যে বেদ-ব্ৰাহ্মণ-উপনিষদৰ দিনত গো মাংস ভাৰতীয়সকলৰ মাজত উপাদেয়

খাদ্যই আছিল। কিন্তু কৃষি ব্যৱস্থাৰ উৎকৰ্ষতা সাধনৰ লগে লগে বিশেষকৈ মৌৰ্যবংশৰ চন্দ্ৰগুপ্তৰ ৰাজত্বৰ পিছৰেপৰা পশুবধ আৰু বিশেষকৈ গো বধ নিষিদ্ধ কৰা হয়, কিন্তু গ্ৰীক পৰ্যটকৰ ভ্ৰমণ বৃত্তান্তৰ পৰা জনা যায় যে অশোকৰ ৰাজত্বকালতো ৰাজধানী পাটলিপুত্ৰ নগৰৰ চাৰিআলিৰ চকবোৰত গো মাংস বেচা-দোকান আছিল।* কালক্ৰমত গো মাংস হিন্দুৰ মানত অভক্ষ আৰু নিষিদ্ধৰূপে প্ৰতিপন্ন হয়। সেই নিষিদ্ধকৰণ আছিল মানুহৰ প্ৰগতিত গৰুৰ আৱশ্যকতা আৰু উপযোগিতাৰ লগত বিজৰিত। কালক্ৰমত গো মাংসৰ প্ৰতি হিন্দুৰ মাজত ঘৃণাৰ সৃষ্টি হৈছে, খোৱাতো পাপেই,আনকি খোৱাৰ কথা উচ্চাৰণ কৰা কথাও পাপ। অথচ বৈদিক যুগত গো বধ বা গো মাংস ভক্ষণ নিষিদ্ধ কৰি ঘোষণা কৰাত—

" গো মাংস খোৱা পাপ, কাৰণ দেৱতাসকলে পৃথিৱীৰ সকলো শক্তি গাই গৰু আৰু ষাঁড় গৰুৰ মাজত সুমুৱাই দিছে।"*

তেতিয়া সেই কালৰ যশস্বী ঋষি যাজ্ঞবল্ক্যই ঘোষণা দিছিল—

" এই কথা হয়তো সঁচা, তথাপি যদি তাৰ মঙহ কোমল হয়, সেই মঙহ মই খাম।"

ই আছিল এসময়ৰ ভাৰতীয় জনগণৰ, আনকি বিশিষ্ট জ্ঞানী-গুণীসকলৰো উদাৰ মানসিকতাৰ অনুপম নিদৰ্শন। আৱশ্যকতা আৰু উপযোগিতাৰ দৃষ্টিৰেহে সেইখন ভাৰতত ৰীতি-নীতি প্ৰবৰ্তন বা নিষিদ্ধকৰণ হৈছিল। মতান্ধতাৰ স্থান সেইখন ভাৰতত নাছিল। কিন্তু কালক্ৰমত এক শ্ৰেণীৰ সুবিধাভোগী লোকৰ সৃষ্টি হোৱাৰ লগে লগে প্ৰবৰ্তন হ'ল ব্যক্তিত্ববাদ। সুবিধাভোগী শ্ৰেণী আছিল সাধাৰণতে পুৰোহিত ব্ৰাহ্মণ আৰু শাসক ক্ষত্ৰিয়সকলেই। পুৰোহিত ব্ৰাহ্মণৰ মুখে ওলোৱা বাণী প্ৰতিপন্ন হৈছিল অবিসম্বাদীৰূপে। তাক প্ৰত্যাখ্যান কৰাৰ সাহস কোনো ক্ষত্ৰিয় শাসকৰেই সাধাৰণতে নাছিল। কাৰণ গো-ব্ৰাহ্মণৰ হিত সাধনৰ অৰ্থে প্ৰতিজ্ঞাবদ্ধ নোহোৱা ক্ষত্ৰিয়ক সিংহাসনত আৰোহিত কৰা নহৈছিল। গতিকে ব্ৰাহ্মণ পুৰোহিতৰ ইচ্ছাক্ৰমেই এসময়ত ৰজা-ৰাজন্যবৰ্গই ব্ৰহ্মবধৰ লগতে গো বধকো মহাপাপৰূপে প্ৰতিপন্ন কৰিলে।

হিন্দুসকল ভাৰতৰ প্ৰাচীন অধিবাসী। গতিকে ভাৰত মূলতঃ যেন হিন্দু ভাৰতীয়ৰহে। মুছলমানসকল ভাৰতত অৰ্বাচীন। তেওঁলোক বিদেশী। ভাৰতত হিন্দুৰ আচাৰ-নীতিহে চলিব লাগিব। মুছলমানৰ নীতি-ৰীতি প্ৰচলন যেন এই দেশত নিষিদ্ধ। হিন্দুৰ মানত 'গো-মাতা', এই 'গো-মাতা'ক বধ কৰা মহা পাপ, 'গো-মাতা'ক হিন্দুই বধ কৰিব নিদিয়ে।

ব্যক্তিত্ববাদী অংশৰ মতান্ধতাই সমাজ-জীৱনক এনেদৰে ছানি ধৰিছে যে বিবেক বা বিবেচনাশক্তি পৰ্যন্ত যেন ক্ৰমে বিলুপ্ত হোৱাৰ পথত। মুছলমানসকলৰ বুলিয়েই নহয়, এই ব্যক্তিত্ববাদী হিন্দু অংশ, আনকি ভাৰতীয় জনজাতীয় লোকসকলৰ ৰীতি-

নীতি, খাদ্য-অখাদ্য, আচাৰ-অনুষ্ঠানৰ প্ৰতিও সহানুভূতিশীল, নিৰ্মম আৰু নিষ্ঠুৰো।

এই ব্যক্তিত্ববাদী অংশৰ আচাৰ আছে, বিচাৰ নাই। এই অংশৰ মানত গো-লক্ষ্মী, গো-মাতা। এই অংশই খাদ্য-অখাদ্যৰ লগত যে টোটেম বিশ্বাস নিহিত আছে, তাকো বিবেচনা বা অনুভৱ কৰিবলৈ চেষ্টা নকৰে। গৰুৰ দ্বাৰা উপকৃত নোহোৱা মানুহ নাছিল, আজিও নাই। আৰু সেই কাৰণেই গৰু আছিল বৰ মৰমৰ। আদিতে গৰুৰ শ্ৰী-চেহেৰাও হয়তো বৰ্তমানতকৈও আছিল বহু বেছি উন্নত, বহু বেছি সুশ্ৰীসম্পন্ন। বেদৰ দিনৰ পৰা ভাৰতীয়সকলৰ গৰুৰ লগত গঢ় লৈ উঠা সম্পৰ্কই ইবোৰ অনুভৱ কৰাত সহায় কৰে। আৰ্য নামে খ্যাত ভাৰতীয়সকল পশুজীৱীহে আছিল। গৰুৰ মাংস, গাখীৰ, ননী, আদি খাইহে তেওঁলোকে জীৱন নিৰ্বাহ কৰিছিল। সেইখন ভাৰততে সৃষ্টি হৈছিল বেদ-ব্ৰাহ্মণ-উপনিষদ আদি কৰি মহাগ্ৰন্থসমূহো। তেওঁলোকে বাস্তৱ অভিজ্ঞতাৰ পৰায়ে অনুভৱ কৰিব পাৰিছল গৰু মানুহৰ কিমান উপকাৰী। কালক্ৰমত আৰ্যসকলেও যেতিয়া কৃষিৰ আশ্ৰয় ল'লে, কৃষিৰ উৎপাদন আদি জীৱিকাৰ প্ৰধান উপাদানৰূপে পৰিগণিত হ'ল; তেতিয়া গৰুৰ আৱশ্যকতা আৰু বাঢ়িল। সেই সময়তে গোবধ নিষিদ্ধ কৰা হ'ল। কিন্তু নিৰ্বিদ্ধকৰণ কটকটীয়া নাছিল, বিবেকৰ স্বাধীনতা আছিল । সেই কাৰণেহে যাজ্ঞবল্ক্যই ঘোষণা দিব পাৰিছিল বোলে 'মঙহ কোমল হ'লে মই খাম'।

গৰু আৰু অৰ্থনীতি ঃ

ভাৰতীয় সমাজত গৰুৰ প্ৰয়োজনীয়তা আজিও কমা নাই। কিন্তু বৰ্তমান পৃথিৱীৰ উন্নত দেশবোৰৰ তুলনাত ভাৰতৰ অৰ্থনীতিত গৰুই বিশেষ প্ৰাধান্য লাভ কৰিব পৰা নাই। জাতীয় বা ৰাষ্ট্ৰীয় অৰ্থনীতিত গৰুই বিশেষ স্থান লাভ কৰিছে নৰৱে, চুইডেন, কানাডা, অষ্ট্ৰেলিয়া আদি দেশতহে। সেইবোৰ দেশ খ্ৰীষ্টানপ্ৰধান দেশ। সিবোৰ দেশৰ মানুহে গৰু বধ কৰে, মাংস খাই আৰু গৰুৰ মঙহ বিক্ৰী কৰি দেশৰ অৰ্থনীতি কৰে টনকিয়াল, বৈদেশিক মুদ্ৰা লাভত তেওঁলোকক গৰুই প্ৰচুৰ পৰিমাণে সহায় কৰে। গৰু খাই কাৰণে কিন্তু তেওঁলোকৰ দেশত গাখীৰৰ পৰিমাণ কমি যোৱা নাই। গাখীৰ তেওঁলোকৰ দেশত উভৈনদী। মাংসৰ উপৰি গাখীৰ, মাখন, ঘিউৰ আন্তৰ্জাতিক ব্যৱসায়েৰেও তেওঁলোকে দেশক চহকী কৰি তুলিছে। তেওঁলোকে গৰুক মৰম কৰে, অতি যত্নেৰে প্ৰতিপালনো কৰে। তেওঁলোক মতান্ধ বা অন্ধবিশ্বাসী নহয়, তেওঁলোক যুক্তিবাদী — বিবেকী। গৰু তেওঁলোকৰ মানত দেৱতাও নহয়, মাতাও নহয়, মানুহৰ কল্যাণৰ অৰ্থে মানুহে পালন কৰা এবিধ পশুহে মাথোন। সেই দেশবোৰৰ গাখীৰ ঘিউ, মাখন আৰু মাংসই সমগ্ৰ বিশ্বৰ এক ব্যাপকসংখ্যক জনগণৰ স্বাস্থ্য আৰু জ্ঞান-বুদ্ধিৰ বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰি আহিছে।

প্ৰাচীন ভাৰতীয়সকলৰ মতান্ধতা বা গোড়ামি নাছিল; তেওঁলোকে জীৱন-জীৱিকাৰ উপযোগিতাৰ ফালৰ পৰাহে সকলো কথা বিবেচনা কৰিছিল। তেতিয়াৰ দিনৰ ভাৰতত গৰুৱে যি গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিছিল, পৰৱৰ্তী কালৰ ভাৰতত সেই গুৰুত্ব ক্ৰমে পাতলি আহিছে। বৰ্তমান যুগ যান্ত্ৰিক যুগ, যন্ত্ৰই গৰুৰ কামকেই যে কৰে তেনে নহয়, মানুহৰ কামো কৰে। সামাজিক বিবৰ্তনৰ পটভূমিত ভাৰতেও গৰুক আহাৰ্য হিচাপে ব্যৱহাৰ কৰাত কোনো দোষ হ'ব নোৱাৰে। হিন্দু ভাৰত এনেদৰে মতান্ধ হৈ পৰিছে যে তেওঁলোকে গৰুক পূজাহে দিয়ে, কিন্তু ভালকৈ প্ৰতিপালন কৰাৰ আৱশ্যকতা হ'লে অনুভব নকৰে। গৰুক সুস্থৰূপে পালন কৰিবলৈ ল'লে যে মঙহ নহয়, গাখীৰ,ঘিউ, মাখনেও সুশ্ৰীসম্পন্ন ভাৰত গঢ়ি তুলিব পাৰে, সেই কথাত জানো সন্দেহৰ থল আছে। গোমাতাক পূজা দি গোহত্যা নিৰোধ আন্দোলন চলোৱা ভাৰতীয় হিন্দু অংশই গৰুকেই যে কোবাই-কিলাই লেবেজান কৰে তেনে নহয়, তেওঁলোকে মানুহৰ ওপৰতো চলাই তাতকৈ বেছি নিষ্ঠুৰ,বেছি নিৰ্মম অত্যাচাৰ। এই অংশ ভাৰতীয় হিন্দু বিবেকী হোৱাহেঁতেন গৰু-মানুহ উভয়ৰে কল্যাণসাধনৰ কাৰণে জীৱন পাৰি দিলেহেঁতেন আৰু গৰু বধ বা গৰুৰ মঙহ নিষিদ্ধ আন্দোলনৰ সলনি প্ৰাচীন ভাৰতৰ দৰে বিবেকৰ স্বাধীনতাৰ কাৰণেহে প্ৰবল মানৱীয় মুক্তিৰ আলোড়ন গঢ়ি তুলিলেহেঁতেন। তেতিয়া হিন্দু-মুছলমানৰ বুলিয়েই নহয়, মানুহ আৰু মানুহৰ মাজত থকা সকলো বিৰোধ ক্ৰমে লোপ পালেহেঁতেন, ভাৰত ভূস্বৰ্গত পৰিণত হ'লহেঁতেন।

কাছ আৰু মুছলমান ঃ

হিন্দুসকলে বিশেষকৈ সন্ত-মহন্ত-বৈষ্ণৱকে ধৰি অসমৰ হিন্দুসকলে কাছ খায়। কিন্তু মুছলমানে সাধাৰণতে কাছ নাখায়,কাছ মুছলমানৰ মানত হাৰাম,— অবৈধ, অপবিত্ৰ বা নিষিদ্ধ। মুছলমানে, কাছ নোখোৱাৰ দুটা কাৰণ হ'ব লাগে,— প্ৰথম কথা কাছ জবাই কৰিব নোৱাৰি,জবাই কৰিব নোৱৰা কোনো জন্তুৰ মাংসই মুছলমানে সাধাৰণতে গ্ৰহণ নকৰে। জবাই কৰা এক বিশিষ্ট আনুভূতিক কথা। জবাই কৰা জীৱ বা প্ৰাণীয়ে কষ্ট ভোগে কম, নিচেই কম সময়ৰ ভিতৰতে মৃত্যু বৰণ কৰে। সম্ভৱ জীৱৰ প্ৰতি দয়া প্ৰদৰ্শন কৰিয়ে মুছলমানসকলে জীৱক জবাই কৰিহে তাৰ মঙহ ভক্ষণ কৰে। আচলতে ইও এটা আবেগিক অনুভূতিহে । কাছক কিন্তু জবাই কৰিব নোৱাৰে; কাৰণ সি তাৰ মূৰটো খোলাৰ ভিতৰত লুকাই ৰাখে। গতিকে কাছ খোৱা নিষিদ্ধ।

মুছলমানে কাছ নোখোৱাৰ আন এটা কাৰণ এয়ে হ'ব পাৰে যে সম্ভৱ হজৰত মহম্মদৰ উত্তৰৰ কালৰ মৰুময় আৰবত কাছ পাবলৈ নাছিল। গতিকে আৰবৰ মানুহে কাছ খোৱাৰ প্ৰশ্নই উদয় হোৱা নাছিল। কিন্তু মুছলমানে জবাই নকৰাকৈ মাছ খায়, মৰা মাছো খায়। কাছও এবিধ মাছহে। কিন্তু কাছ নাখায়। কাছ খোৱা নিষিদ্ধ, কাছ খোৱা

বুলি ক'লেই সৃষ্টি হয় একো একোখন সৰু-বৰ কুৰুক্ষেত্ৰ। ই ৰক্ষণশীলতা,মতান্ধতা, বিবেচনাহীনতাৰ নিদৰ্শন মাথোন।

হিন্দু-মুছলমান উভয় সম্প্ৰদায়ে খাদ্যৰ ক্ষেত্ৰত উদাৰ-বিবেকী ৰূপে পৰিচয় দিব নোৱাৰে মানে অসমকে ধৰি সমগ্ৰ ভাৰতৰ ভৱিষ্যৎ ঘনান্ধকাৰ মাথোন।

ৰাদ্যৰ বিৰোধ ঃ

খাদ্যৰ দৰে বাদ্যক লৈয়ো যে হিন্দু-মুছলমানৰ মাজত একো একোখন কুৰুক্ষেত্ৰৰ সৃষ্টি হয়, সেই কথাও স্থানান্তৰত পাই আহিছোঁ। এনে কন্দল বা সংঘৰ্ষৰ ক্ষেত্ৰত ভাৰতবাসী হিন্দু -মুছলমানৰ শান্তিপূৰ্ণ সহ অৱস্থানৰ মানসিকতাৰ অভাৱ তথা ব্যক্তিত্ববাদী সংকীৰ্ণতা বিশেষভাৱে জগৰীয়া ।

বাদ্য কেৱল মাংগল্যসূচক ধ্বনিয়েই নহয়, ই অতি প্ৰাচীনকালৰ পৰা বিপদ বা আনন্দসূচক ধ্বনিও। ৰণুৱাসকলৰ উৎসাহ-উদ্দীপনা বৃদ্ধিৰ অৰ্থে বাদ্যধ্বনি নকৰা দেশ বা জাতি পৃথিৱীত ক'ত আছে! মুছলমানেও মহৰমৰ তাজিৱা উলিয়াই তুমুলভাৱে বাদ্যধ্বনি নকৰে জানো?

এনে ক্ষেত্ৰত বাদ্যধ্বনিৰ কাৰণে সংঘৰ্ষ-কন্দলৰ সৃষ্টি কৰা এক অমানবীয় কাৰ্য ভিন্ন আন কি হ'ব পাৰে। আমাৰ ভাৰত এখন উপমহাদেশ, বা এখন ক্ষুদ্ৰ পৃথিৱী। পৃথিৱীৰ প্ৰায় সকলো মানৱজাতিৰ বংশধৰে ভাৰতত স্থায়ীভাৱে জীৱন-যাপন কৰে। ই আচলতে পৰম গৌৰৱৰ কথাহে। কাৰণ আমি প্ৰতিটো বৈশিষ্ট্যপূৰ্ণ জাতি-গোষ্ঠীৰ সভ্যতা-সংস্কৃতিৰ সমন্বয়ত নিজক আৰু দেশক নতুন ৰূপত গঢ়ি তুলিবলৈ সমৰ্থ হৈছোঁ। এই বৈচিত্ৰ্যই যে জীৱনৰ পৰম আকৰ্ষণ তাক সংস্কৃতিসম্পন্ন ভাৰতীয়সকলে এদিন মৰ্মে মৰ্মে অনুভৱ কৰিছিল। আৰু সেয়ে তেওঁলোকে উদাত্তকণ্ঠে মনৰ হাবিয়াস প্ৰকাশ কৰি গাব পাৰিছিল —

'বিশ্বৰ সকলো ভদ্ৰ বা উদাৰ-মহৎ কথাই মোৰ চিত্তত ঠাই লওক!'

আনৰ সংস্পৰ্শ বা সান্নিধ্যত মৃত্যু বা ভয়ৰ আশংকা কৰাসকল অতি দুৰ্বলমতীয়া, তেওঁলোক জীৱন্ততে মৃত। সবলমনাসকলে আনৰ সাহচৰ্যত নিজক বেছি উদ্দীপ্ত আৰু বেছি শক্তিশালী কৰি তুলিবহে বিচাৰে। মছজিদৰ আগেদি হিন্দুৰ পূজাৰ বাদ্যদল যোৱা কাৰণে অশান্তিৰ সৃষ্টি কৰা যেনেকৈ চৰম দুৰ্বলতাৰ পৰিচায়ক, তেনেদৰে হিন্দুৰ মন্দিৰৰ আগেদি মহৰমৰ তাজিয়া বাদ্যৰ সৈতে পাৰ হৈ যোৱা কাৰণে অশান্তিৰ সৃষ্টি কৰাও সমানেই দুৰ্বলতাৰ পৰিচায়ক। সুখী-সন্তোষী হোৱাই মানুহৰ চৰম লক্ষ্য। বৈচিত্ৰ্যপূৰ্ণ ভাৰত বুলিয়েই নহয়, যিকোনো ঠাইতেই, সুখী-সন্তোষী হ'ব লাগিলে বা সংস্কৃতিসম্পন্ন মানুহৰূপে পৰিচয় দিব লাগিলে শান্তিপূৰ্ণ সহ অৱস্থানৰ নীতি মানি চলিবই লাগিব।

বেদাদি গ্ৰন্থই কৈ আহিছে যে হিন্দুই গৰু খাইছিল, গৰুৰ মঙহ হিন্দুৰ মাজতো উপাদেয় খাদ্যই আছিল। বিদেশলৈ অধ্যয়নৰ কাৰণে যোৱা ছাত্ৰ-ছাত্ৰীসকলবো প্ৰায় আটায়ে আজিও গৰুৰ মঙহ খায়। পৃথিবীৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ সংস্কৃত পণ্ডিত আনন্দৰাম বৰুৱাই বিলাতত গৰুৰ মঙহ খোৱা অপৰাধত, সমাজৰ নেতাসকলে তেওঁক প্ৰায়শ্চিত্ত কৰিবলৈ ওলোৱা কাৰণে তেওঁ তাৰ বিৰুদ্ধে থিয় দিছিল, কোনো অন্যায় কৰা নাই বুলি বিবেকৰ পোহৰত দৃঢ়তাৰে ক'ব পাৰিছিল। কিন্তু দুখৰ বিষয় যে গৰু খোৱা বুলি ক'লেও আজি ঠায়ে ঠায়ে দুৰ্বাদল সংঘৰ্ষৰ সৃষ্টি হয়। ঠিক তেনেকৈ মুছলমানক কাছ খোৱা বুলি ক'লেও সৃষ্টি হয় সংঘাত-সংগ্ৰামৰ। ই যে অন্ধ গোড়ামি ভিন্ন আন একো নহয়, তাৰ ব্যাখ্যা নিষ্প্ৰয়োজন। লগতে এই কথা কিন্তু উপলব্ধি কৰা যুগুত যে গোড়ামিসম্পন্ন মতান্ধ জীৱন এক গেলা নৰ্দমা ভিন্ন আন একো নহয়।

খাদ্যৰ বিৰোধ খাদতকৈও আৰু বেছি টুলুঙা। কোৰাণ ৰচনা কৰা হৈছিল প্ৰায় এহাজাৰ ছশ বছৰ আগতে তাহানিৰ উদণ্ড সংঘাতপ্ৰিয় আৰববাসী বেদুইনসকলক এটা সংযত আৰু সংগঠিত সামাজিক জীৱনৰ অধীন কৰাৰ অৰ্থেহে। সমগ্ৰ পৃথিবীৰ সকলোদিনৰ কাৰণে কোৰাণ ৰচনা কৰা হোৱা নাছিল; অন্যান্য ধৰ্ম গ্ৰন্থও ৰচনা কৰা হোৱা নাছিল। যুগৰ মানুহে যুগৰ উপযোগীকৈ বিধি-ব্যৱস্থা, ৰীতি-নীতি প্ৰৱৰ্তন কৰাহে মুক্তিকামীৰ লক্ষ্য হোৱা উচিত।

ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীত ঃ

ৰাষ্ট্ৰীয় পতাকা ৰাষ্ট্ৰীয় আদৰ্শৰ প্ৰতীক। ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাও ভাৰত ৰাষ্ট্ৰৰ আদৰ্শৰ প্ৰতীক। জাতি-গোষ্ঠী,ধৰ্ম-সম্প্ৰদায় ভেদে সমগ্ৰ ৰাষ্ট্ৰৰ আদৰ্শ বহন কৰিছে ৰাষ্ট্ৰীয় পতাকাখনে। জীৱন মানেই হ'ল প্ৰকৃততে আদৰ্শ। আদৰ্শবিহীন ব্যক্তিৰ যেনেকৈ কোনো মূল্য বা মৰ্যাদা নাথাকে, আদৰ্শহীন বা আদৰ্শক সন্মান কৰিবলৈ ব্যৰ্থ জাতিৰো কোনো মূল্য বা মৰ্যাদা নাথাকে। ৰাষ্ট্ৰীয় পতাকা ৰাষ্ট্ৰৰ নাগৰিকসকলৰ মানত পৰম শ্ৰদ্ধাৰ সম্পদ,ৰাষ্ট্ৰীয় পতাকালৈ সন্মান বা অভিবাদন জ্ঞাপন মানে ৰাষ্ট্ৰৰ প্ৰতি সন্মান বা অভিবাদন নিবেদন মাথোন। তেনেকৈ ৰাষ্ট্ৰীয় পতাকাক অবমাননা কৰা মানে ৰাষ্ট্ৰক অবমাননা কৰা। একে কথা প্ৰযোজ্য ৰাষ্ট্ৰীয় সংগীতৰ ক্ষেত্ৰতো। ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীত সমগ্ৰ জাতিৰ আদৰ্শৰ ধাৰক আৰু বাহকস্বৰূপ।

ভাৰতৰ স্বাধীনতা আন্দোলন চলি থকা কালত কংগ্ৰেছৰ ত্ৰিৰঙ্গ পতাকাকে ৰাষ্ট্ৰীয় পতাকাৰূপে সন্মান কৰা হৈছিল, আৰু 'বন্দেমাতৰম্' ধ্বনিটোকে ৰাষ্ট্ৰীয় ধ্বনি, 'বন্দেমাতৰম্' গানটোক ৰাষ্ট্ৰীয় সংগীতৰূপে সন্মান কৰা হৈছিল। কংগ্ৰেছৰ উপৰি কমিউনিষ্ট, ছ'চিয়েলিষ্ট প্ৰমুখ্যে প্ৰায় আটাইবিলাক সৰু-বৰ ৰাজনৈতিক দলেই কংগ্ৰেছৰ পতাকাৰ তলত সন্মিলিত হোৱা কাৰণে তেতিয়া কংগ্ৰেছ প্ৰকৃত অৰ্থতে ৰাষ্ট্ৰীয় দল

আছিল। কোনো কোনোৱে কংগ্ৰেছ্ সভাপতিকেই ৰাষ্ট্ৰপতিৰূপে সম্মান আৰু অভিহিত কৰিবলৈ লৈছিল। কিন্তু কংগ্ৰেছ্ এটা ৰাজনৈতিক দলহে আছিল, কংগ্ৰেছ্ই ৰাষ্ট্ৰ নাছিল। গতিকে সৃষ্টি হৈছিল বিভ্ৰান্তিৰ।

১৯০৬ চনত মুছলিমলীগ সংগঠিত হোৱাৰ পিছত কিন্তু কেৰোণে ভালকৈয়ে বাহ লৈছিল, লীগে কংগ্ৰেছী পতাকা আৰু বন্দেমাতৰম্ ধ্বনি আৰু গানক অবমাননা কৰিবলৈ আৰম্ভ কৰে। ১৯৩৭ চনৰ সাধাৰণ নিৰ্বাচনৰ পিছৰ পৰা ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতক লৈ তুমুল বাক-বিতণ্ডাৰ সৃষ্টি হয় আৰু সিয়েই শেষত হিন্দু-মুছলমানৰ মাজত সংঘৰ্ষৰ সৃষ্টি কৰে। কংগ্ৰেছৰ লগত জাতীয়তাবাদী মুছলমানসকল সততে জড়িত হৈ থকা সত্ত্বেও লীগৰ মানত কংগ্ৰেছ্ আছিল হিন্দু সংগঠন আৰু কংগ্ৰেছৰ পতাকা বা সংগীত হিন্দুৰ পতাকা বা সংগীত মাথোন। লীগৰ এনে দাবী বা প্ৰতিবাদক অৱশ্যে ওফৰাই দিয়াৰ যুক্তি নাই, কাৰণ দল এটাই ৰাষ্ট্ৰ হ'ব নোৱাৰে, বিশেষকৈ গণতন্ত্ৰত। একদলীয় ৰাষ্ট্ৰৰ কথা সুকীয়া। বহুদলীয় গণতান্ত্ৰিক দেশ ভাৰতত কংগ্ৰেছে দলীয় পতাকা আৰু দলীয় সংগীতক ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতৰূপে প্ৰতিপন্ন কৰা প্ৰকৃততে দূষণীয়ই আছিল; তাৰ দ্বাৰা মুছলিমলীগক অসন্তুষ্ট কৰাও হৈছিল আৰু বিভাজনৰ পথলৈও যেন ঠেলি পঠোৱা হৈছিল।

১৯৩৭ চনৰ নিৰ্বাচনৰ ফলত য'ত কংগ্ৰেছ্ দলে প্ৰাদেশিক চৰকাৰ গঠন কৰিছিল ত'ত কংগ্ৰেছী পতাকাক ৰাষ্ট্ৰীয় পতাকাৰূপে সন্মান কৰা হৈছিল আৰু য'ত মুছলিমলীগ চৰকাৰ গঠন কৰিছিল তাত লীগৰ পতাকাকে ৰাষ্ট্ৰীয় পতাকা ৰূপে সম্মান কৰিছিল। সিযে প্ৰকৃত অৰ্থতে দ্বিজাতি তত্ত্বক বাস্তবায়িত কৰি তুলিছিল।

কংগ্ৰেছৰ বাহিৰত থকা মুছলমান মাত্ৰেই কিন্তু লীগাৰ বা লীগৰ সমৰ্থক নাছিল। কংগ্ৰেছৰ বাহিৰত থকা এক বিশিষ্টসংখ্যক মুছলমান ভাৰতীয় জাতীয়বাদী আদৰ্শৰ দৃঢ় সমৰ্থকেই আছিল। কিন্তু কংগ্ৰেছী নেতৃত্বই সেই অংশ মুছলমানক সাদৰি লোৱাত ব্যৰ্থ হৈছিল বা কোনো প্ৰয়াসেই কৰা নাছিল। ১৯৩৭ চনৰ নিৰ্বাচনৰ পিছত বংগ, সিন্ধু, পঞ্জাব আদিতো মুছলমানৰ নেতৃত্বতে প্ৰাদেশিক চৰকাৰ গঠন হৈছিল্। কিন্তু এই তিনিওখন প্ৰদেশৰ প্ৰধানমন্ত্ৰী লীগাৰ নাছিল, ভাৰতীয় জাতীয়তাবাদীহে আছিল, অৱশ্যে তেওঁলোক কংগ্ৰেছীও নাছিল। বংগৰ প্ৰধানমন্ত্ৰী ফজলুল হকে লীগৰ নিৰ্দেশো মনা নাছিল আৰু বৃটিছ পুংগৱ গৱৰ্ণৰৰো আদেশ-নিৰ্দেশ মনা নাছিল। সেই কাৰণেই ফজলুল হকক পদত্যাগ কৰিবলৈ গৱৰ্ণৰে বাধ্য কৰিছিল। তেতিয়াৰ সিন্ধুৰ প্ৰধানমন্ত্ৰী আল্লা বক্সো আছিল প্ৰগতিবাদী। তেওঁ ইংৰাজ প্ৰদত্ত BE উপাধি প্ৰত্যাখ্যান কৰাৰ উপৰি ইংৰাজক কঠোৰভাৱে সমালোচনাও কৰিছিল। যাৰ ফলত সিন্ধুৰ গৱৰ্ণৰেও তেওঁৰে চৰকাৰ ভংগ কৰি দি লীগক চৰকাৰ গঢ়াৰ সুচল কৰি দিছিল। তেনেকৈ পঞ্জাবৰ প্ৰধানমন্ত্ৰী চিকন্দৰ হায়াতো আছিল জাতীয়তাবাদী। তেওঁ এনেদৰে চৰকাৰ পৰিচালনা কৰিছিল যে তেওঁ

হিন্দুৰ স্বাৰ্থকো জলাঞ্জলি দিয়া নাছিল আৰু লীগ বা ইংৰাজেও বিশেষ ধৰণে প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল। আনহাতে উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ মুছলমানপ্ৰধান হোৱা সত্ত্বেও আছিল সততে জাতীয়তাবাদী। তাৰ কংগ্ৰেছী নেতা আব্দুল গফুৰখান আছিল মহান ভাৰতীয় নেতা, সাম্প্ৰদায়িক সংকীৰ্ণতাই তেওঁক সমূলি স্পৰ্শ কৰিব পৰা নাছিল। কিন্তু কংগ্ৰেছী নেতৃত্বই যি দূৰদৰ্শিতা আৰু উদাৰ দৃষ্টিৰে সেইসকলক গ্ৰহণ কৰা উচিত আছিল, তাক অৱলম্বন কৰাত হৈছিল ব্যৰ্থ।

এনে আৰু অসংখ্য নিদৰ্শন আছে যিবিলাকে ৰিঙিয়াই কৈ আছে যে কংগ্ৰেছী নেতৃত্বৰ আৱশ্যকীয় উদাৰতা আৰু গণতান্ত্ৰিকতাৰ অভাৱত একাংশ ভাৰতীয়ই পৰাধীন ভাৰতত কংগ্ৰেছে গ্ৰহণ কৰা ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতক অৱমাননা কৰা কাৰণে সৃষ্টি হৈছিল অশান্তি-অসূয়া আৰু বিবাদ-বিচ্ছিন্নতাৰ। সেই বিবাদৰ কাৰণে মুছলিমলীগ যদি জগৰীয়া হয়, তেনেহ'লে, কংগ্ৰেছ আছিল বেছি জগৰীয়া। গণতন্ত্ৰত সংখ্যাগৰিষ্ঠই সংখ্যালঘিষ্ঠৰ ভয়-শংকা, আপত্তি-অসূয়া আঁতৰোৱাত যি উদাৰতা বা মহত্ত্ব প্ৰদৰ্শন কৰিব লাগে, কংগ্ৰেছে সেইখিনি দায়িত্ব পালন কৰিব পাৰিছিল বুলি কোৱা টান। অথচ সেই উদাৰতা আৰু মহত্ত্ব প্ৰদৰ্শন কৰিব পৰাহেঁতেন সম্ভৱ ভাৰত অবিভক্ত হৈয়েই থাকিলহেঁতেন।

কংগ্ৰেছ বনাম লীগ :

প্ৰতিষ্ঠাকালত আৰু সাংবিধানিকভাৱে কংগ্ৰেছ সাম্প্ৰদায়িক নাছিল। ধৰ্ম-সম্প্ৰদায়-জাতি গোষ্ঠী নিৰ্বিশেষে সকলোৰে সহযোগত আৰু সকলোৰে সামূহিক কল্যাণ সাধনৰ অৰ্থেই কংগ্ৰেছ সংগঠিত হৈছিল । কিন্তু কংগ্ৰেছৰ ইতিহাস বিচাৰ কৰিলে অনুভৱ হয় যে কংগ্ৰেছ প্ৰতিষ্ঠাকালৰ পৰা বুৰ্জোৱা গণতন্ত্ৰৰ অভিমুখীহে আছিল; জনগণতন্ত্ৰ কংগ্ৰেছৰ কোনো দিনেই লক্ষ্য নাছিল। আনকি কংগ্ৰেছে ধৰ্মীয় সংখ্যালঘু আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীসমূহৰ অবাধ বিকাশ সাধনৰ অৰ্থে কোনো দিনেই নিৰ্ভৰযোগ্য কৰ্মপন্থা গ্ৰহণ কৰা নাছিল। বহু আগশাৰীৰ কংগ্ৰেছ নেতাই জনগণতন্ত্ৰ বা গণতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ তাৎপৰ্যকে উপলব্ধি কৰাত ব্যৰ্থ হৈছিল। কংগ্ৰেছৰ ইতিহাসৰ পৰা জনা যায় যে কেৱল সংখ্যাগৰিষ্ঠতাৰ শাসনকেই তেওঁলোকে গণতন্ত্ৰ বুলি বিবেচনা কৰিছিল। সংখ্যাগৰিষ্ঠতাৰ বলত ইচ্ছাৰ বিৰুদ্ধে সংখ্যালঘুৰ ওপৰত জাপি দিয়া সিদ্ধান্ত বা আইনো যে কেৱল স্বৈৰতান্ত্ৰিক বা স্বেচ্ছাচাৰৰহে নিদৰ্শন,তাকো বহু কংগ্ৰেছ নেতাই উপলব্ধি কৰিব পৰা নাছিল। চূড়ান্ত অৰ্থত মহাত্মা গান্ধী আৰু জৱাহৰলাল নেহৰুও আচলতে গণতান্ত্ৰিক নাছিল। গান্ধীজী চূড়ান্ত অৰ্থত গণতান্ত্ৰিক হোৱাহেঁতেন ১৯২২ চনত চৌৰিচৌৰা হত্যাকাণ্ডৰ পিছত স্বেচ্ছাচাৰী নায়কৰ দৰে অসহযোগ সত্যাগ্ৰহ আন্দোলন উঠাই নল'লেহেঁতেন। গান্ধীজীয়ে সম্ভৱ ভাবিছিলে লৈছিল যে তেৱেঁই কংগ্ৰেছ। জৱাহৰলালো একে দোষতে দুষ্ট । ১৯৪৬

চনৰ জুলাইত জৱাহৰলাল কংগ্ৰেছৰ সভাপতি হয়। সেই সময়তে আহিছিল লণ্ডনৰ পৰা মন্ত্ৰী মিচন। মন্ত্ৰী মিচনৰ গ্ৰ-পিঙৰ প্ৰস্তাৱ কংগ্ৰেছ আৰু লীগ উভয়েই পোনতে মানি লৈছিল আৰু সম্ভৱ বিনা বিভাজনেই দেশ স্বাধীন হ'লেহেঁতেন। কিন্তু কংগ্ৰেছ সভাপতি নেহৰুৱে দলৰ নেতৃবৃন্দৰ লগত কোনো আলোচনা নকৰাকৈ ১৯৪৬ চনৰ ১০ জুলাইৰ দিনা সাংবাদিক মেলত ঘোষণা দিলে বোলে—

"কংগ্ৰেছে মন্ত্ৰী মিচনৰ প্ৰস্তাৱ সমৰ্থন কৰা মানে হ'ল সংবিধানী গণপৰিষদত যোগদান কৰিবলৈ সন্মতি জনোৱাহে।"৮

নেহৰুৰ এই ঘোষণা আছিল সম্পূৰ্ণৰূপে স্বৈৰতান্ত্ৰিক। এই ঘোষণাই দেশৰ চূড়ান্ত অনিষ্ট সাধিলে; মুছলিমলীগ দাংখাই উঠিল, গ্ৰ-পিঙৰ প্ৰস্তাৱ নাকচ কৰি সাৰ্বভৌম পাকিস্তানৰ দাবীত উগ্ৰাবল হৈ উঠিল।

মুছলিমলীগে পাকিস্তানৰ দাবী প্ৰত্যাহাৰ কৰা নাছিল; কিন্তু মন্ত্ৰী মিচনে পাকিস্তানৰ দাবী প্ৰত্যাখ্যান কৰি ভাৰত সংযুক্ত ৰাষ্ট্ৰৰ ভিতৰতে এখন মুছলমানৰ সংযুক্ত ৰাষ্ট্ৰ গঢ়াৰ প্ৰস্তাৱ দিছিল। নেহৰু ব্যক্তিত্ববাদী নহৈ গণতান্ত্ৰিক হোৱাহেঁতেন মন্ত্ৰী মিচনৰ প্ৰস্তাৱৰ সন্দৰ্ভত বিনা আলোচনাই তেনে মন্তব্য নিদিলেহেঁতেন। সিয়েই জিন্না প্ৰমুখ্যে লীগৰ নেতৃবৰ্গৰ কংগ্ৰেছৰ সততা আৰু নিষ্ঠাৰ বিষয়ে সন্দিহান কৰি তোলে আৰু মন্ত্ৰী মিচনৰ গ্ৰ-পিঙৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰি পাকিস্তানৰ দাবীত মাৰবান্ধি উঠিবলৈ জেদী কৰি তোলে।

কংগ্ৰেছৰ নেতা নেহৰু গণতান্ত্ৰিক হোৱাহেঁতেন সমৰ্থিত সিদ্ধান্তবোৰ অসিদ্ধান্তত পৰিণত হ'ব নোৱাৰিলেহেঁতেন। নেহৰুৰ সাংবাদিক মেলৰ ঘোষণাৰ পিছতে ১৯৪৬ চনৰ ২৯ জুলাইৰ দিনা অনুষ্ঠিত লীগৰ সভাত মন্ত্ৰী মিচনৰ গ্ৰ-পিঙৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰি ১৬ আগষ্টৰ দিনা সশস্ত্ৰ সংগ্ৰামেৰে পাকিস্তানৰ দাবী সাব্যস্ত কৰাৰ সিদ্ধান্ত ঘোষণা দিছিল। ১৬ আগষ্টৰ পৰা সংঘটিত হিন্দু-মুছলমানৰ সংঘৰ্ষ ভাৰত বুৰঞ্জীৰ অন্যতম কলংকিত অধ্যায়।

আচলতে কংগ্ৰেছ আৰু লীগ উভয় সংগঠনেই আছিল প্ৰকৃত অৰ্থত অগণতান্ত্ৰিক। প্ৰকৃত অৰ্থত গণতান্ত্ৰিক হোৱাহেঁতেন দেশ বিভাজনো নহ'লহেঁতেন আৰু প্ৰত্যক্ষ সংগ্ৰাম ঘোষণা কৰি হাজাৰ হাজাৰ মানুহক হত্যা আৰু পংগু কৰিব নোৱাৰিলেহেঁতেন।

বৃটিছৰ পক্ষপাতিতা ঃ

স্থানান্তৰৰ আলোচনাবোৰত বৃটিছৰ পক্ষপাতিতা আৰু বিভাজন আৰু শাসন নীতিৰ স্বৰূপ দেখি আহিছোঁ। মন্ত্ৰী মিচনক ভাৰতলৈ বৃটিছ চৰকাৰে পঠিয়াইছিল ভাৰতৰ নেতৃবৰ্গৰ লগত আলচ কৰি ক্ষমতা হস্তান্তৰৰ দিন নিৰ্ধাৰণ কৰিবলৈহে। গ্ৰ-পিঙৰ প্ৰস্তাৱ কিন্তু লণ্ডনতেই প্ৰস্তুত হৈছিল; সাক্ষী-গোপাল স্বৰূপেহে ভিন ভিন দলৰ নেতৃবৰ্গৰ লগত আলাপ-আলোচনা কৰি কেৱল ভাওহে দিছিল। গ্ৰ-পিং সফল নোহোৱাত বিভাজনৰ

প্ৰস্তাৱ লৈ মাউণ্টবেটেন আহিছিল লণ্ডনৰ পৰাহে, কেৱল যেন ঘোষণা কৰিছিলহি ভাৰতৰ মাটিত। অবিভক্ত ভাৰততকৈ বিভক্তিত ভাৰতহে তেওঁলোকৰ সাম্ৰাজ্যবাদী শোষণৰ কাৰণে বেছি অনুকূল, সেই তত্ত্ব বৃটিছ চৰকাৰে জানিছিল আৰু সেয়ে শেষত ভাৰতক পোনতে দ্বিখণ্ডিত আৰু শেষত বাংলাদেশ সৃষ্টিৰে ভাৰতক ত্ৰি খণ্ডিতও কৰিছিল। ভাৰতত সাম্ৰাজ্য প্ৰতিষ্ঠা কৰা কালৰে পৰা বৃটিছ চৰকাৰ পক্ষপাতী, পোনতে পক্ষপাতিতা প্ৰদৰ্শন কৰিলে হিন্দুৰ প্ৰতি আৰু পিছত পক্ষপাতিতা প্ৰদৰ্শন কৰিলে মুছলমানৰ প্ৰতি আৰু সেই পক্ষপাতিতাৰ ফলতে অবিভক্ত ভাৰত হ'ল ত্ৰিখণ্ডিত।

বিভাজন অপৰিহাৰ্য আছিলনে?

ভাৰত বিভাজনক কেন্দ্ৰ কৰি দেশৰ ভিতৰে-বাহিৰে অসংখ্য লোকে আলোচনা-বিলোচনা কৰিছে, আনকি তাকে লৈ শ শ গ্ৰন্থও ৰচনা হৈছে। আৰু প্ৰায় সৰহসংখ্যক লোকেই অভিমত দাঙি ধৰিছে যে বিভাজন বিনে গত্যন্তৰ নাছিল। আমি নিজে কিন্তু বিভাজন অপৰিহাৰ্য আছিল বুলি অনুভৱ কৰিবলৈ টান পাইছোঁ। ইংৰাজৰ শাসন কালত ১৮৮৫ চনত কংগ্ৰেছ মহাসভা সংগঠিত হোৱাৰ পিছৰ পৰা আৰু বিশেষকৈ ১৯০৬ চনত মুছলিমলীগ সংগঠন হোৱাৰ পৰাও ভাৰতীয় হিন্দু নেতৃত্ব যথাৰ্থ গণতান্ত্ৰিক হোৱাহেঁতেন, সংখ্যালঘু মুছলমানসকলৰ চিন্তা-চেতনাৰ প্ৰতি অধিক সহানুভূতিশীল হোৱাহেঁতেন, আনকি চিত্তৰঞ্জন দাসে উত্থাপন কৰা 'বেংগলচুক্তি' গ্ৰহণ কৰি উদাৰ দৃষ্টিৰে কাৰ্যকৰী কৰাত গুৰুত্ব আৰোপ কৰাহেঁতেনো বিনা বিভাজনে হিন্দু-মুছলমান, সংখ্যাগুৰু-সংখ্যালঘুই শান্তিপূৰ্ণ সহ-অৱস্থানৰ জীৱন যাপন কৰিবলৈ সমৰ্থ হ'লহেঁতেন। নেতৃত্বই কিন্তু আৱশ্যকীয় ধৰণে গণতান্ত্ৰিকতা আৰু উদাৰতাৰ পৰিচয় দিয়াত সফল হোৱা নাছিল।

মহাত্মা গান্ধী আৰু বিভাজন ঃ

ভাৰতৰ স্বাধীনতা আন্দোলনৰ সাৰ্বজনীন নেতা আছিল মহাত্মা গান্ধী। তেওঁ বিভাজনৰ তীব্ৰ বিৰোধী আছিল। প্ৰকৃত অৰ্থত গণসম্পৰ্ক থকা সৰ্বভাৰতীয় নেতা আছিল অকল তেৱেঁই। হিন্দু-মুছলমান প্ৰমুখ্যে গণজীৱনৰ আশা-আকাংক্ষা-অনুভূতিৰ লগত তেওঁ ঘনিষ্ঠভাৱে জড়িত আছিল কাৰণেই তেওঁ বিভাজন কোনো দিনেই সমৰ্থন কৰা নাছিল। তেওঁ নেতৃত্ব অভিলাষী নেতাও নাছিল; সম্পূৰ্ণ নিস্বাৰ্থভাৱে তেওঁ নিজক অৰ্পণ কৰিছিল ভাৰতৰ নিৰ্যাতিত, অপমানিত, শোষিত জনগণৰ মুক্তিৰ অৰ্থেহে। তেওঁৰ নিষ্ঠা আৰু অকপটতাৰ বিষয়ে সকলো ধৰ্ম-সম্প্ৰদায়ৰ জনগণ আছিল অৱগত। আধুনিক ভাৰতবৰ্ষত দলিত জনগণৰ কল্যাণৰ অৰ্থে দেহ-মন অৰ্পণ কৰা নেতাও আছিল অকল তেৱেঁই। এইবোৰ কাৰণতে সকলো ধৰ্ম-সম্প্ৰদায়ৰে জনগণে তেওঁক অতি আপোনৰ

দৰে গ্ৰহণ কৰিব পাৰিছিল। ১৯৪৬ চনৰ ১৬ আগষ্টৰ পৰা প্ৰত্যক্ষ সংগ্ৰাম ঘোষণা কৰি মুছলিমলীগে কলিকতা, নোৱাখালি আৰু বিহাৰত যি নৰমেধ যজ্ঞৰ সৃষ্টি কৰিছিল, তেতিয়া প্ৰায় অকলে সংঘৰ্ষৰত জিংঘাসু জনগণৰ মাজত খোজকাঢ়ি ঘূৰি-ফুৰি, হিন্দু-মুছলমানৰ মাজত পাৰস্পৰিক মৰম-স্নেহ, শ্ৰদ্ধা-সহানুভূতিৰ পৰিবেশ গঢ়ি তুলিবলৈ সমৰ্থ হৈছিল, সিয়েই তেওঁৰ নিষ্ঠা, সততা আৰু অকপটতাৰ জ্বলন্ত সাক্ষ্য বহন কৰি আছে। সেই বাস্তৱ অভিজ্ঞতাই তেওঁক দহদহীয়াকৈ অনুভৱ কৰিবলৈ দিছিল যে জনগণে বিভাজন কামনা নকৰে, কামনা কৰে শান্তিপূৰ্ণ সহ-অৱস্থান আৰু সন্মানজনক জীৱনহে। এই ক্ষেত্ৰত তেওঁ আছিল অসাধাৰণভাৱেই গণতান্ত্ৰিক। গণতন্ত্ৰত যে বাধ্য-বাধকতাৰ স্থান নাই, তেওঁ গভীৰ আন্তৰিকতাৰেই বিশ্বাস কৰিছিল আৰু সেয়ে বিশ্বাস কৰিছিল যে প্ৰত্যেক মানুহৰে বিবেকৰ স্বাধীনতা হ'ব লাগে সুনিশ্চিত। তেনে মহান গণতান্ত্ৰিক পৰম্পৰা গঢ় লৈ উঠাৰ আৱশ্যকতাৰ প্ৰতি লক্ষ্য কৰিয়ে ১৯৪২ চনৰ ১৮ এপ্ৰিল সংখ্যা 'হৰিজন'ত প্ৰবন্ধ লিখি তেওঁ ঘোষণা দিব পাৰিছিল বোলে—

"যদি গৰিষ্ঠসংখ্যক মুছলমানে নিজকে এটা সুকীয়া জাতি বুলি ভাবে, হিন্দু আৰু অন্যান্যসকলৰ লগত একো উমৈহতীয়া সম্পৰ্ক নাই বুলি অনুভৱ কৰে, তেনেহ'লে পৃথিৱীৰ কোনো শক্তিয়েই তেওঁলোকক তাৰ পৰা বিচ্যুত কৰিব নোৱাৰে। তেওঁলোকে যদি ভাৰত বিভাজনকেই কামনা কৰে, তেনেহ'লে তাৰ পৰাও তেওঁলোকক বিচ্যুত কৰা টান।"[১]

মহাত্মাজনাৰ কথা আৰু কাম বিশ্লেষণ কৰিলে কিন্তু স্পষ্ট অনুভৱ হয় যে তেওঁ ভাৰত বিভাজন সমৰ্থন কৰা নাছিল, তেওঁৰ মন্তব্য আছিল এটা নীতিগত আদৰ্শহে। চিত্তৰঞ্জন দাসৰ 'বেংগল চুক্তি' ১৯২৩ চনতে ভাৰতীয় জাতীয় কংগ্ৰেছে নাকচ কৰিছিল; চিত্তৰঞ্জন দাসৰ বিৰুদ্ধে কংগ্ৰেছী নেতৃবৰ্গই ইমান কদৰ্যপূৰ্ণ কথা দায়িত্বহীনৰ দৰে ৰতি ফুৰিছিল যে সিয়েই তেওঁৰ অকাল-মৃত্যু মাতি আনিছিল বুলি আজিও বহুতে সন্দেহ কৰে। গান্ধীজীৰ জীৱন আৰু কৃতি বিশ্লেষণ কৰিলে দেখা যায় যে গান্ধীজীও যেন চিত্তৰঞ্জন দাসৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈছিল। আৰু সেই কাৰণেই তেৰোঁ সংখ্যালঘু মুছলমানসকললৈ যথাসম্ভৱ সকলো প্ৰকাৰৰ সুযোগ-সু বিধা দান কৰি তেওঁলোকৰ দ্বিধা-শংকা, ভয়-সন্দেহ আঁতৰোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে চিত্তৰঞ্জন দাসৰ প্ৰস্তাৱ উপলব্ধি কৰিবলৈ কংগ্ৰেছী নেতৃবৰ্গ অসমৰ্থ হোৱাৰ দৰে, গান্ধীজীৰ উদাৰ গণতান্ত্ৰিকতাৰ স্বৰূপ উপলব্ধি কৰিবলৈও নেতৃবৰ্গ অসমৰ্থ হৈছিল। নেতৃবৰ্গৰ সৰহসংখ্যক মত্ত আছিল ক্ষমতাৰ গাদী দখল কৰাৰ প্ৰতিযোগিতাত। গান্ধীজী আছিল কিন্তু সম্পূৰ্ণভাৱেই নিস্বাৰ্থ। তেওঁ অন্যান্য নেতৃবৰ্গকো নিস্বাৰ্থভাৱেই সেৱা আগবঢ়াবলৈ অনুৰোধ জনাই আহিছিল। ১৯৩৫ চনত ভাৰত শাসন আইন গ্ৰহণ কৰা

কালতে তেওঁ সংখ্যালঘুসকলৰ ভয়-শংকা আঁতৰোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। কিন্তু নেতৃবৰ্গই তেওঁৰ আহ্বানলৈ কাণসাৰ দিয়াৰ আৱশ্যকতাই অনুভৱ কৰা নাছিল। ১৯৪৬ চনত অন্তৰ্বৰ্তী চৰকাৰ গঠন কৰা কালতো মুছলিমলীগক বিশেষ সুবিধা দিবলৈ, আনকি মহম্মদ আলী জিন্নাকেই প্ৰধানমন্ত্ৰীৰ আসনত বহুৱাবলৈ বুলিও পৰামৰ্শ আগবঢ়াবলৈ তেওঁ পিছহোঁহকা নাছিল। কিন্তু ক্ষমতাৰ দৌৰত মত্ত নেতৃবৰ্গই তেওঁৰ কথালৈ ভ্ৰূক্ষেপ কৰা নাছিল। ক্ষমতাৰ ৰাগিত মত্ত কংগ্ৰেছী নেতৃবৰ্গৰ মানত গান্ধীজী কেৱল অপ্ৰাসংগিক ৰূপেহে প্ৰতিপন্ন হৈছিল। ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা স্বাধীনতা লাভ তথা ক্ষমতাত অধিষ্ঠিত আনন্দত যেতিয়া নেতৃবৰ্গ গৌৰৱোদ্ধত হৈ পৰিছিল, তেতিয়া অৰ্থাৎ সিদিনা,মনৰ দুখত গান্ধীজীয়ে অকলে কলিকতাৰ বিৰলা ভৱনত অনশন ধৰ্মঘট কৰি সেই দিনটো অতিবাহিত কৰিব লগাত পৰিছিল। বিভাজনৰ পিছত পাকিস্তানত সংখ্যালঘু নিধন পৰ্ব আৰম্ভ হোৱাত যেতিয়া ভাৰততো তাৰ প্ৰত্যুত্তৰস্বৰূপে সংখ্যালঘু নিধন যজ্ঞ আৰম্ভ হৈছিল, তেতিয়া মহাত্মাজনাই তাৰ বিৰুদ্ধে দৃঢ়তাৰে প্ৰতিবাদ কৰিবলৈ পিছহোঁহকা নাছিল, আনকি অনশন ধৰ্মঘটো পালন কৰিছিল। স্বাধীন ভাৰতৰ নেতা-পালিনেতাই কিন্তু তেওঁক সহ্য কৰিব নোৱাৰিলে; উগ্ৰ হিন্দু সংগঠন ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ কৰ্মী নাথুৰাম বিনায়ক গড়ছে ১৯৪৮ চনৰ ৩০ জনুৱাৰীৰ দিনা প্ৰাৰ্থনা সভালৈ গৈ থকা অৱস্থাত নিচেই ওচৰৰ পৰা গুলীয়াই তেওঁক হত্যা কৰিলে। কিন্তু যথাৰ্থ গণতান্ত্ৰিক ব্যক্তিমাত্ৰেই বিশ্বাস কৰে যে মহাত্মা-নিৰ্দেশিত পথেৰে আগবঢ়াহেঁতেন দেশ বিভাজনৰ পৰাও হাত সাৰিব পৰা গ'লহেঁতেন আৰু অবিশ্বাস-অশান্তি, হিংসা-ঘৃণা, সংঘাত-সংগ্ৰামৰ পৰাও ভাৰত চিৰমুক্ত হৈ থাকিব পাৰিলেহেঁতেন। কাৰণ শান্তিকামী মানুহ মাত্ৰেই ভূমাৰ অভিলাষী, সেই সত্য জনগণক উপলব্ধি কৰাব পৰাহেঁতেন বিশাল ভাৰতবৰ্ষ এৰি ক্ষুদ্ৰ পাকিস্তানৰ প্ৰতি কোনোপধ্যেও অভিষিত নহ'লহেঁতেন।

আবুল কালাম আজাদ আৰু ভাৰত বিভাজন ঃ

গান্ধীজীৰ দৰে আবুল কালাম আজাদেও দেশ বিভাজন কোনোপধ্যেও সমৰ্থন কৰা নাছিল। তেওঁ আছিল বহু পৰিমাণে বাস্তৱবাদী। যেতিয়া বিভাজনৰ নামত হিন্দু-মুছলমান নেতৃবৰ্গ উত্তাল,সেই সময়ত, ১৯৪৬ চনৰ ১৫ এপ্ৰিলৰ দিনা এক বিবৃতিযোগে বিভাজনৰ বিৰোধিতা কৰি তেওঁ কৈছিল, —

" ভাৰত বিভাজন ভাৰতৰ মুছলমানসকলৰ কাৰণেও সুখকৰ নহ'ব আৰু আনকি ই ইছলাম সমৰ্থিতও নহয়। ইছলামে সমগ্ৰ জগতকে এটা মছজিদৰ ৰূপত অবিভক্ত ভাৱেহে পাব বিচাৰে।" দূৰদৰ্শী কংগ্ৰেছী নেতা মৌলানা আজাদে সুস্পষ্টভাৱেই অনুভৱ কৰিব পাৰিছিল যে,—

১১

"যিদিনা ভাৰতবৰ্ষ পূৰ্ণ বিকশিত ৰাষ্ট্ৰৰূপে গঢ় লৈ উঠিব সিদিনা কোনো ভাৰতীয়ই সাম্প্ৰদায়িক বিভেদৰ কথা ভাবিবলৈ অৱসৰেই নাপাব। বিভেদ অৱশ্যেই থাকিব; কিন্তু সেই বিভেদ ধৰ্ম-সম্প্ৰদায়ৰ বিভেদ নহয়, অৰ্থনীতি আৰু ৰাজনীতিৰ নামতহে সেই বিভেদ থাকিব।"

বাস্তববাদী জননেতা মৌলানা আজাদৰ এই বিবৃতি আছিল সম্পূৰ্ণৰূপে তদানীন্তন সমাজতান্ত্ৰিক ছোভিয়েট ৰুচিয়া বিষয়ক বাস্তব অভিজ্ঞতাভিত্তিক। সিয়ে তেওঁৰ দূৰদৰ্শিতা আৰু উদাৰ ৰাজনৈতিক চেতনাৰ স্বৰূপ উপলব্ধি কৰাত সহায় কৰে।

সুভাষচন্দ্ৰ বসু আৰু বিভাজন ঃ

আগশাৰীৰ ৰাজনৈতিক নেতাসকলৰ ভিতৰত সুভাষচন্দ্ৰ বসু আছিল বিভাজনৰ সম্পূৰ্ণ পৰিপন্থী। তেওঁৰ লক্ষ্যই আছিল ভিন্ন। তেওঁ ক্ষমতা হস্তান্তৰৰ কথা বিবেচনা কৰা নাছিল। তেওঁ সশস্ত্ৰ সংগ্ৰামেৰে ক্ষমতা কাঢ়ি অনাৰহে পক্ষপাতী আছিল। তেওঁ গঢ়ি তোলা 'আজাদ হিন্দ্ ফৌজ' তাৰ জ্বলন্ত নিদৰ্শন আছিল। বৃটিছ চৰকাৰক তেওঁ পৰৰাজ্য লুণ্ঠনকাৰী শোষক ভিন্ন আন দৃষ্টিৰে চোৱা নাছিল। তেওঁৰ মানত বৃটিছ চৰকাৰ আছিল কেৱল আততায়ীহে। আততায়ীক বধ কৰি বা দলন কৰি নিজ দেশ উদ্ধাৰ কৰাই আছিল তেওঁৰ আজাদ হিন্দ ফৌজৰ লক্ষ্য।

আজাদ হিন্দ ফৌজত জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায়ৰ বিভেদৰ স্থান নাছিল; আনকি নাৰীকো পুৰুষৰ সমান মৰ্যাদা দান কৰিছিল। সমূহে সন্মিলিতভাৱে দেশক বিদেশীৰ গোলামিৰ পৰা মুক্ত কৰি মুক্ত মানুহৰ মুক্ত সমাজৰূপে গঢ়ি তোলাই আছিল তেওঁৰ একান্ত বাসনা। তেওঁ গভীৰ আন্তৰিকতাৰে বিশ্বাস কৰিছিল যে মুক্ত মানুহৰ মুক্ত সমাজত জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায়ৰ বিভেদ বৰ্তি থাকিব নোৱাৰে। আজাদ হিন্দ ফৌজৰ জীৱিত সৈনিকসকলে সেই সত্য আজিও বাৰম্বাৰ মুক্তকণ্ঠে ঘোষণা কৰি আছে। দুৰ্ভাগ্যৰ বিষয় যে ক্ষমতাৰ প্ৰতিযোগিতাত মত্ত ভাৰতীয় নেতৃবৰ্গই নেতাজী সুভাষচন্দ্ৰ বসু আৰু আজাদ হিন্দ ফৌজৰ মৰ্মকথা উপলব্ধি কৰিবলৈ তেতিয়াও উন্মুখ হ'ব পৰা নাছিল আৰু আনকি আজিও এক বিপুলসংখ্যক নেতৃবৰ্গ উন্মুখ নহয়। তাতোকৈও দুখৰ কথা যে স্বয়ং মহাত্মা গান্ধীয়েও সুভাষচন্দ্ৰৰ মৰ্মবেদনা অনুভৱ কৰাত হৈছিল ব্যৰ্থ।

কমিউনিষ্ট দল আৰু ভাৰত বিভাজন ঃ

প্ৰকৃত কমিউনিষ্টে কোনোপধ্যেও বিভাজন সমৰ্থন নকৰে; তেওঁলোকৰ মানত সমগ্ৰ বিশ্বৰ শ্ৰমকাৰী মানুহ প্ৰাণৰ বান্ধৱ, সুহৃদ, কমৰেড। সমগ্ৰ বিশ্বক তেওঁলোকে এটা সুখী আৰু আনন্দমুখৰ পৰিয়াল ৰূপেহে গঢ়ি তুলিব বিচাৰে। ভাষা-ধৰ্ম-জাতি—বৰ্ণ-সম্প্ৰদায়ৰ বিভেদ তেওঁলোকৰ মিলন পথৰ অন্তৰায়ত পৰিণত হ'ব নোৱাৰে। ই

সৰ্বজনবিদিত। তেওঁলোকে অৰ্থনৈতিক, বৈষম্য দূৰ কৰি সাম্যৰ ভেটিত সুখময় আনন্দময় শান্তিপূৰ্ণ সহ অৱস্থানৰ জীৱন গঢ়ি তুলিব বিচাৰে। ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়েও কোনো দিন দেশৰ বিভাজন সমৰ্থন কৰা নাছিল। নেতাজী সুভাষচন্দ্ৰ বসু আৰু আজাদ হিন্দ ফৌজৰ সৌভাতৃত্ববোধ যথাৰ্থতে কমিউনিষ্ট আদৰ্শৰ ভিত্তিত প্ৰতিষ্ঠিত। বিভাজন বিচাৰিছিল শোষক বুৰ্জোৱা শ্ৰেণীৰ দ্বাৰা সংগঠিত 'মুছলিমলীগে' আৰু বিভাজন সমৰ্থন কৰিছিল কংগ্ৰেছৰ প্ৰায় সকলোবিলাক ক্ষমতা অভিলাষী নেতাইহে।

সাম্প্ৰদায়িকতা আৰু বিভাজন ঃ

সাম্প্ৰদায়িক বৈষম্যই হ'ল ভাৰতীয় মহা জাতিৰ লগতে অসমৰো বিকাশৰ পথৰ অন্যতম প্ৰধান অন্তৰায়। এখন দেশ বা এখন সমাজত একাধিক বা বহুতো সম্প্ৰদায় থাকিব পাৰে বা থাকেই, সি দূষণীয় নহয়; দূষণীয় সাম্প্ৰদায়িকতাহে। কাৰণ সাম্প্ৰদায়িক নহ'লে, বহু সম্প্ৰদায়ভুক্ত মানুহ একলগে সুখে-সন্তোষে ব্যক্তিগত আৰু সামাজিক জীৱন যাপন কৰিব পাৰে। কিন্তু সাম্প্ৰাদায়িক হ'লে সাধাৰণতে শান্তি-সম্প্ৰীতি আৰু ঐক্য-সংহতি বিঘ্নিত হোৱাৰ আশংকা থাকে বা বিঘ্নিত হয়েই। হিন্দু-মুছলমান, জৈন-বৌদ্ধ, শিখ-খ্ৰীষ্টান, শৈৱ-শাক্ত, দামোদৰী-মহাপুৰুষীয়া প্ৰভৃতি একো একোটা সম্প্ৰদায়। প্ৰতিটো সম্প্ৰদায়ৰে একো একোটা ভাবময় সত্তা আছে। সেই ভাবময় সত্তা অনুসৰি বা সেই সত্তাৰ অনুসৰণত জীৱন নিৰ্বাহ কৰাৰ প্ৰত্যেকৰে জন্মগত অধিকাৰ আছে। আনকি সেই ভাবময় সত্তাৰ উত্তৰোত্তৰ বিকাশ সাধনৰো অধিকাৰ আছে। কিন্তু ইটোই সিটোক নিন্দা কৰাৰ বা নিজৰ সম্প্ৰদায়ৰ জয় বা মহত্ত্ব ঘোষণা কৰি আনক হেয় প্ৰতিপন্ন কৰা বা অন্য সম্প্ৰদায়ক নিজৰ সম্প্ৰদায়ভুক্ত কৰিবলৈ কৌশল অৱলম্বন কৰিলে হয় মানুহ সাম্প্ৰদায়িক। হিন্দু হিন্দুই, মুছলমান মুছলমানেই, বৈষ্ণৱ বৈষ্ণৱেই, শাক্ত শাক্তই আদিৰ দৰে চিন্তাও সাধাৰণতে সাম্প্ৰদায়িক। সাম্প্ৰদায়িকতা কিন্তু সাম্প্ৰদায়িকতাই; হিন্দু, মুছলমান, শিখ, খ্ৰীষ্টান, জৈন, বৌদ্ধ, শৈৱ, শাক্ত, বৈষ্ণৱ আটাইবোৰ সাম্প্ৰদায়িকতাই কিন্তু এক আৰু অভিন্ন। এইবোৰ নামতহে ভিন ভিন, কামত প্ৰায় একে। ইতিহাসে জানিবলৈ দিয়ে যে প্ৰতিটো সম্প্ৰদায়ৰ লোকসকল সাম্প্ৰদায়িক হোৱা কাৰণে হয় সংঘৰ্ষত বা হিংসা-ঘৃণাত বিজড়িত।

এসময়ত ভাৰতীয়সকলে নিজক কেৱল ভাৰতীয় বা জম্বুদ্বীপবাসী বুলি পৰিচয় দি আনন্দ লভিছিল; তেওঁলোকে নিজৰ দেশখনকো ভাৰত বা জম্বুদ্বীপ বুলিহে কৈছিল। প্ৰায় দুহাজাৰ বছৰ আগতে ৰচনা কৰা বিষ্ণু পুৰাণৰ এটা শ্লোকত আছে,—

উত্তৰং যৎ সমুদ্ৰস্য হিমবদ্দক্ষিণঞ্চ যৎ।
বৰ্ষং তৎ ভাৰতং নামো যত্ৰেয়ং ভাৰতী প্ৰজাঃ ।।

অৰ্থাৎ, সমুদ্ৰৰ উত্তৰে আৰু হিমালয়ৰ দক্ষিণে যি বৰ্ষ বা দেশ আছে তাৰ নাম ভাৰতবৰ্ষ আৰু তাৰ প্ৰজা (জনগণ) ভাৰতীয়।

আৰু সেই কাৰণেই অনুমান কৰিব পাৰি যে যি সময়ত সমগ্ৰ দেশৰ মানুহে নিজক ভাৰতত ওপজা ভাৰতীয় বুলিহে কেৱল অনুভৱ কৰিছিল, তেতিয়া তাত সম্ভৱতঃ সম্প্ৰদায়ৰ নাম-গোন্ধ নাছিল, সাম্প্ৰদায়িকতাও নাছিল, আটায়ে ভাৰতীয় জাতীয়তাবোধত হৈছিল উদ্বুদ্ধ। আৰু সেই কাৰণেই সেইখন ভাৰত আছিল উদাৰ-মহান; হীনতা-নীচতা-তুচ্ছতাই সেইখন সমাজক বিষাক্ত কৰাৰ প্ৰশ্নই উদয় হোৱা নাছিল। তেওঁলোকে সকলো মানুহৰে ভাল ভাব, ভাল আদৰ্শ গ্ৰহণ কৰি নিজৰ দেশ– নিজৰ জাতিক সমৃদ্ধ কৰি তোলাত গুৰুত্ব আৰোপ কৰিব পাৰিছিল। তেওঁলোকে বেদ মন্ত্ৰত উদাত্তচিত্তে গাব পাৰিছিল–

আনো ভদ্ৰাঃ ক্ৰতবো যন্তু বিশ্বতঃ ।

(বিশ্বৰ সকলো ভদ্ৰ বা ভাল কথা আহি মোৰ চিত্তত ঠাই লওক!) বিশ্বমুখী চিন্তাৰ অধিকাৰী সেই যুগৰ ভাৰতীয়ৰ চিন্তাত তুচ্ছতাহীনতাই ঠাই নোপোৱাই স্বাভাৱিক কথা আছিল নিশ্চয়। আনৰ সাহচৰ্য বা সম্পৰ্কত নিজৰ জাতীয় সত্তা বিপন্ন হোৱাৰ আশংকা বা আতংক সেই যুগৰ ভাৰতীয়ৰ নাছিল নিশ্চয়। সেই উদাত্তচিত্তৰ ভাৰতীয়সকলৰ মানসিকতালৈ লক্ষ্য কৰিয়ে লক্ষ্মীনাথ বেজবৰুৱাই ক'ব পাৰিছিল—

" ব্ৰাহ্মণৰ অস্পৃশ্য ম্লেচ্ছৰ কত শব্দই কৃৎ-তদ্ধিতৰ উত্তৰীয় বস্ত্ৰ গাত লৈ, অনুস্বাৰৰ টিকনি পিন্ধি, বিসৰ্গৰ কাহ কাহি, ভাগৱত ভট্টাচাৰ্যৰ দৰে চিনিব নোৱৰা হৈ ব্ৰাহ্মণৰ মন্ত্ৰৰ মাজত সোমাই, শিৰ ফুটা আৰ্য শব্দেৰে সৈতে সমানে শাৰী মাৰি,যজ্ঞ-হোমৰ বৰভাওনা আজিলৈকে চাই ফুৰিছে, কেইজন নৈষ্ঠিক পণ্ডিত ব্ৰাহ্মণে তাৰ ভু ৰাখিছে বা সেইবোৰ চোৰক ধৰিব পাৰিছে।" [১০]

আচলতে তাহানিৰ সেইখন ভাৰতবৰ্ষত সাম্প্ৰদায়িকতাৰ স্থান বা প্ৰভাৱ নাছিল। বিশাল ভাৰতীয় জাতীয়তাবোধে সেইখন দেশৰ জনগণক বিমোহিত কৰি ৰাখিছিল। কিন্তু সেই উদাত্তবোধৰ সলনি যেতিয়াৰ পৰা ভাৰতীয়সকলে নিজক হিন্দু-মুছলমান, শিখ-খ্ৰীষ্টান, জৈন-বৌদ্ধ, শৈৱ-শাক্ত-বৈষ্ণৱ ৰূপেহে পৰিচয় দি ভাল পোৱা হ'ল, তেতিয়াৰ পৰা তেওঁলোক হ'ল সাম্প্ৰদায়িক।

সম্প্ৰদায়ভুক্ত হোৱা সত্ত্বেও যেতিয়া মানুহে নিজক জাতীয়তাবাদী ৰূপেহে পৰিচয় দিয়ে, তেতিয়াও সংকীৰ্ণতাই বাহ লোৱাৰ আশংকা নাথাকে । মহাত্মা গান্ধী হিন্দু সম্প্ৰদায় ভুক্তই আছিল, কিন্তু নিজক পৰিচয় দিছিল ভাৰতীয় বুলিহে, সমগ্ৰ ভাৰতৰ সমূহ জনগণৰ কল্যাণ তেওঁৰ জীৱনৰ ধাউতি আছিল। মহাত্মা গান্ধীক সাম্প্ৰদায়িক বুলিব নোৱাৰি, তেওঁ আছিল জাতীয়তাবাদীহে। মৌলানা আজাদ জন্মতে মুছলমান সম্প্ৰদায় ভুক্তই আছিল, কিন্তু মনে-প্ৰাণে কল্যাণ কামনা কৰিছিল সমগ্ৰ ভাৰতৰেই। গতিকে মৌলানা

আজাদো আছিল জাতীয়তাবাদীহে। মহম্মদ আলী জিন্নাও জীৱনৰ প্ৰথমছোৱাত ভাৰতীয় জাতীয়তাবাদীয়েই আছিল, কিন্তু ঘটনাক্ৰমে হ'ল সাম্প্ৰদায়িক। একে কথা প্ৰযোজ্য হয় চৈয়দ আহমেদ খাঁৰ ক্ষেত্ৰতো। ইংৰাজৰ প্ৰৰোচনাত সেইজনা চৈয়দ আহমেদ খাঁও হ'ল উগ্ৰ মুছলমান সাম্প্ৰদায়িক। মহম্মদ আলী জিন্না, চৈয়দ আহমেদ খাঁ আদি ইমান উগ্ৰ হৈ পৰিছিল যে, তেওঁলোকৰ মানত হিন্দুই মুছলমানৰ হকে মাত মতাৰ অধিকাৰ নাই। মদনমোহন মালব্যও আদি ডোখৰত উদাৰ জাতীয়তাবাদী ভাৰতীয়ই আছিল; কিন্তু শেষৰ ফালে হ'ল কেৱল হিন্দুত্ববাদী। চৈয়দ আহমেদ খাঁ হঁতে মুছলমানৰ কাৰণে মুছলিমলীগ গঠন আৰু আলিগড় মুছলিম বিশ্ববিদ্যালয় নিৰ্মাণত নেতৃত্ব বহন কৰাৰ দৰে, মদনমোহন মালব্যই নেতৃত্ব বহন কৰিছিল হিন্দুমহাসভা আৰু বাৰাণসী হিন্দু বিশ্ববিদ্যালয় নিৰ্মাণত। আলিগড় বিশ্ববিদ্যালয়ত নাছিল হিন্দুৰ প্ৰৱেশ অধিকাৰ আৰু বাৰাণসীত নাছিল মুছলমানৰ প্ৰৱেশ অধিকাৰ।

এনে উগ্ৰ সাম্প্ৰদায়িকতা সমাজৰ চৰম অনিষ্টকাৰী., ই প্ৰায়েই ফেচীবাদী ৰূপ লয়। ভাৰতবৰ্ষত এসময়ত মুছলিমলীগ আছিল উগ্ৰসাম্প্ৰদায়িক; বৰ্তমান জামাতে ইছলামী, বিশ্বহিন্দু পৰিষদ, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ, শিৱসেনা উগ্ৰসাম্প্ৰদায়িক। মুছলমানৰ বাব্‌ৰি মছজিদ বিধ্বংস কৰি হিন্দুৰ ৰাম মন্দিৰ সাজিবলৈ হিন্দু সম্প্ৰদায়ক উত্তেজিত কৰা ভাৰতীয় জনতা দলো উগ্ৰসাম্প্ৰদায়িকেই। এনে উগ্ৰসাম্প্ৰদায়িকতা গঢ় লৈ উঠে মূলতঃ ধৰ্মক কেন্দ্ৰ কৰি। সাধাৰণতে জাতীয়তা,সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক চেতনা সাম্প্ৰদায়িকতাৰ লগত জড়িত নহয়। সংকীৰ্ণ সাম্প্ৰদায়িক গণ্ডীৰ মাজত আবদ্ধ সাম্প্ৰদায়িক সংগঠনৰ জাতীয় বা মহাজাতীয় জীৱনৰ চিন্তা-চেতনা নাই বুলিবই পাৰি। জামাতে ইছলামীয়ে সমগ্ৰ বিশ্বখনতে ইছলাম প্ৰবৰ্তন কৰিবলৈ বিচৰাৰ দৰে বিশ্ব হিন্দু পৰিষদেও সমগ্ৰ বিশ্বখনকে কৰিব বিচাৰে হিন্দু ।এই সাম্প্ৰদায়িকতা আধুনিক ৰাজনীতিৰ সৃষ্টি। উপনিৱেশিকতা বা সাম্ৰাজ্যবাদৰ বিৰুদ্ধে গঢ় লৈ উঠা জনগণৰ সংগ্ৰামৰ লগে লগে সৃষ্টি হয় সাম্প্ৰদায়িকতাৰো। বিজ্ঞানসন্মত চিন্তা-চৰ্চাৰ অভাৱৰ ফলতে সাম্প্ৰদায়িকতাৰ সৃষ্টি সম্ভৱপৰ হয়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই সমগ্ৰ পৃথিৱীৰে দ্ৰুত পৰিবৰ্তন ঘটাই থকা কালত, যিবোৰ সমাজ সামন্তযুগীয়া মতান্ধ অতীতৰ মাজত মূৰ গুঁজি ৰৈ আছে, সাধাৰণতে তেনে সমাজত সাম্প্ৰদায়িকতাই সম্প্ৰসাৰণ লাভ কৰা দেখা যায়।

ভাৰতত সাম্ৰাজ্যবাদেই সাম্প্ৰদায়িকতাক জন্ম দি লালন-পালন কৰিছিল যেন অনুভৱ হয়। ভাৰতত সাম্ৰাজ্যবাদী ইংৰাজৰ শাসন কালৰ ইংৰাজ জাতি আছিল জ্ঞানে-বিদ্যাই পৃথিৱীৰ ভিতৰতে অন্যতম সৰ্বোচ্চ দেশ। অথচ সেইসকল ইংৰাজেই ভাৰতক কৰি ৰাখিছিল কেৱল তেওঁলোকৰ উদ্যোগসমূহৰ কাৰণে কেঁচামাল যোগানৰ উপনিৱেশ ৰূপে। যাৰ ফলত ভাৰতত নিৰনুৱা সমস্যাই বিকট ৰূপ ধাৰণ কৰিছিল। তাৰ নিবাৰণ

আৰু মুক্তিৰ অৰ্থে ভাৰতীয়সকলে সংগঠিতভাৱে বাদ-প্ৰতিবাদ কৰিবলৈ আৰু আনকি সংঘাত-সংগ্ৰামত লিপ্ত হ'বলৈ আগবাঢ়ি গৈছিল। ভাৰতীয় জনগণৰ সেই ঐক্যবদ্ধ সংগ্ৰামৰ জ্বলন্ত নিদৰ্শন আছিল ১৮৫৭ চনৰ মহাবিদ্ৰোহ । আগলৈ যাতে কোনোপধ্যেও ঐক্যবদ্ধ হৈ সংগ্ৰামৰত হ'ব নোৱাৰে তাৰ অৰ্থেই অপকৌশল অবলম্বন কৰি জাপি দিছিল সাম্প্ৰদায়িকতা।

১৮৫৭ চনৰ মহাবিদ্ৰোহৰ কাললৈ সাধাৰণভাৱে ভাৰতীয়সকল সাম্প্ৰদায়িকতাৰ পৰা মুক্ত আছিল বুলিব পাৰি। আৰু তাৰ জীৱন্ত নিদৰ্শন আছিল সেই মহাবিদ্ৰোহ। হিন্দু-মুছলমান আটায়ে বাহাদুৰ ছাহক দিল্লীৰ সম্ৰাটৰূপে মানিলৈ ইংৰাজৰ শাসন-শোষণৰ অবসান ঘটাবলৈ হৈছিল সংগ্ৰামৰত। কিন্তু ইংৰাজে সেই মহাবিদ্ৰোহ দমন কৰিলে সাম্প্ৰদায়িকতা মহাস্ত্ৰ প্ৰয়োগ কৰি। শিখ আৰু গোৰ্খাবাহিনীক কৌশলেৰে হাত কৰি অৰ্থাৎ হিন্দু বাহিনীৰ সহায়ত দমন কৰিলে মুছলমান বাহিনীক। তাৰ পিছৰে পৰা সংঘটিত হ'ল শিখ আৰু মুছলমানৰ সংঘাত। আজি ডেৰশ বছৰে কিন্তু তাৰ অবসান নঘটিল, সাম্প্ৰদায়িকতাৰ শিপাই সমগ্ৰ ভাৰতকে ছানি ধৰিছে।

১৮৫৭ চনৰ মহাবিদ্ৰোহৰ নায়ক আছিল শেষ মোগল সম্ৰাট বাহাদুৰ ছাহেই। তাৰ পিছতো মুছলমানসকলৰ ওৱাহাবি বিদ্ৰোহৰ লক্ষ্য আছিল ইংৰাজ শাসনৰ অবসান ঘটোৱাই, অৱশ্যে সেই বিদ্ৰোহৰ লগত সাম্প্ৰদায়িক চেতনা সংযোগ নোহোৱাকৈ থকা নাছিল। ইংৰাজে সেই মুছলমান বিদ্ৰোহীসকলক দমন কৰিবলৈ কৌশলেৰে হাত কৰি ল'লে হিন্দু-শিখসকলক। কিন্তু হিন্দু শিখসকল ৰাজনৈতিকভাৱে সচেতন হ'বলৈ লোৱাৰ লগে লগে অপকৌশল প্ৰয়োগ কৰি হাত কৰি ল'লে মুছলমানসকলক। এই গ্ৰন্থৰ স্থানান্তৰত আমি এইবোৰ কথা পাই আহিছোঁ। ভাৰতীয় মুছলিমলীগ বৃটিছ প্ৰশাসনৰ পোনপটীয়া হস্তক্ষেপৰ ফলত সংগঠিত হৈছিল। মুছলিমলীগ সংগঠিত নোহোৱাহেঁতেন সম্ভৱ হিন্দু মহাসভাকে ধৰি হিন্দু সংগঠনবোৰ গঢ় লৈ নুঠিলেইহেঁতেন।

ইংৰাজৰ প্ৰৰোচনাৰ ফলতে হিন্দু-মুছলমান প্ৰত্যেকেই হৈ পৰিল একো একোটা স্বতন্ত্ৰ জাতি; দ্বিজাতিত্বৰ প্ৰবৰ্তক সাম্ৰাজ্যবাদী ইংৰাজ প্ৰশাসন। প্ৰতিটো জাতিৰ কাৰণে একোখন সুকীয়া ৰাষ্ট্ৰৰ প্ৰয়োজন হৈ পৰিছিল, সৃষ্টি হ'ল ভাৰত-পাকিস্তান।

এই সাম্প্ৰদায়িকতাৰ মূল যে অ-সম অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশ তাক উপলব্ধি কৰা.ৰৰ টান কথা নহয়। ভাৰতৰ হিন্দু-মুছলমানৰ সমানুপাতিকভাৱে আৰ্থ-সামাজিক বিকাশ ঘটাহেঁতেন যে সাম্প্ৰদায়িক বিভেদে জাতিটোক পংগু কৰি তুলিব নোৱাৰিলেহেঁতেন, সেই কথাত অকণো সন্দেহ নাই। ভাৰতৰ শাসকবৰ্গই মৌৰ্য বংশৰ ৰাজত্ব কালৰ পিছৰ পৰা জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায়-গোষ্ঠী নিৰপেক্ষে সমগ্ৰ জনগণৰ সামগ্ৰিকভাৱে আৰ্থ-সামাজিক বিকাশ সাধনত মনোনিৱেশ কৰাৰ নিদৰ্শন নাই। মুছলমান শাসন কালতো চুলতান-বাদছাহসকলে মোল্লা-উলেমা আদিৰ বিকাশত যি পৰিমাণে

গুৰুত্ব আৰোপ কৰিছিল,সাধাৰণ শ্ৰমকাৰী প্ৰজাৰ বিকাশত একে সমানে গুৰুত্ব আৰোপ কৰাৰ নিদৰ্শন ইতিহাসত নাই। মোল্লা-উলেমাসকলে ধৰ্মান্তৰ কৰিব পাৰিলেই যেন বিজয়ী বীৰৰ দৰে উল্লসিত হৈ উঠিছিল। কিন্তু সেই ধৰ্মান্তৰিতসকলৰ আৰ্থ-সামাজিক বিকাশ সাধনত কোনো গুৰুত্ব সাধাৰণতে আৰোপ কৰা নহৈছিল। বংগৰ ক'লাছালৰ বাঙালী মুছলমান জনগণৰ আৰ্থ-সামাজিক অৱস্থাই সেই সত্য উপলব্ধি কৰাত সহায় কৰিছিল। ইংৰাজৰ শাসন কালত সেই মুছলমান অংশৰ দুৰৱস্থা ক্ৰমে বৃদ্ধিহে হৈছিল। দেশ স্বাধীন হোৱাৰ পিছতো শ্ৰেণী শাসন আৰু শোষণ অব্যাহত থকা হেতুকে, প্ৰকৃততে বিভাজন আৰু শাসন অৰ্থাৎ শোষণ নীতিয়ে অব্যাহত থাকিল। অবিভক্ত ভাৰতবৰ্ষত সমুদায় জনসংখ্যা আছিল চল্লিছ কোটি। দেশ স্বাধীন হোৱাৰ আধা শতিকা পিছত দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা দেশৰ জনগণৰ সংখ্যাই হ'ল তাতকৈ বেছি। শ্ৰেণীশাসন প্ৰবৰ্তন হোৱাৰে পৰা বৰ্তমানলৈ শ্ৰমকাৰী জনগণৰ দুখ-দুৰ্গতি, অপমান-অৱহেলাৰ অৱসান ঘটাবলৈ প্ৰকৃততে কোনো চৰকাৰেই বিহিত ব্যৱস্থা গ্ৰহণ কৰা নাই। দেশ স্বাধীন হোৱাৰ পিছৰে পৰা শ্ৰেণী বৈষম্য বৃদ্ধিহে পাইছে।একাংশ নেতৃস্থানীয় মধ্যবিত্ত লোকক ছল-চাতুৰীৰে হাত কৰি ৰাখি অপকৌশলেৰে ক্ষমতাৰ গাদী দখল কৰি থকাই হৈছে স্বাধীনোত্তৰ কালৰ অসম তথা ভাৰতীয় নেতৃবৰ্গৰ জীৱনৰ চৰম লক্ষ্য। ক্ষমতাৰ গাদী সংৰক্ষণ বা দখলৰ প্ৰতিযোগিতা ইমান নিম্নস্তৰলৈ নামিছে যে সাম্প্ৰদায়িক বিদ্বেষ সৃষ্টি কৰি হ'লেও ক্ষমতাৰ গাদী দখল বা ৰক্ষা কৰাই হৈ পৰিছে তেওঁলোকৰ লক্ষ্য। সমগ্ৰ দেশব্যাপী সাম্প্ৰদায়িক, গোষ্ঠীগত আৰু আঞ্চলিক ৰাজনীতিৰ সৃষ্টিৰ মূলতো আছে এই ক্ষমতা খকুৱা ৰাজনৈতিক নেতাসকল। সম্প্ৰদায়,গোষ্ঠী আৰু আঞ্চলিকতা এওঁলোকৰ শোষণৰ একো একোপাত মহাস্ত্ৰ। যিহেতু ব্যাপকসংখ্যক জনগণেই দৰিদ্ৰ আৰু অনাখৰী, গতিকে তেওঁলোকক সম্প্ৰদায়,গোষ্ঠী আৰু আঞ্চলিকতাৰ নামত উতলাই লক্ষ্য সাধন কৰা আজিও সহজসাধ্য হৈ আছে। শাসকবৰ্গই শ্ৰেণীসংগ্ৰাম নিবিচাৰে, কাৰণ তেওঁলোক নিজেই শ্ৰেণী প্ৰভু, শ্ৰেণী সংগ্ৰাম যাতে চিৰদিনলৈ মূৰদাঙি উঠিব নোৱাৰে তাৰ কাৰণেই কৌশলেৰে সৃষ্টি কৰে সাম্প্ৰদায়িক সংঘৰ্ষ, গোষ্ঠী সংঘৰ্ষ আৰু আঞ্চলিকতাবাদী সংঘৰ্ষৰ। শ্ৰেণী সংঘাতৰ উদ্‌গাতা বামপন্থী দল-মতকো শ্ৰেণীপ্ৰভুসকলে ভূত যেন দেখে। অথচ সমতাপূৰ্ণ গণদৃষ্টি আছে একমাত্ৰ বামপন্থী দল-মতৰ অনুগামীসকলৰহে।

ইংৰাজ-শাসনকালৰে পৰা বৰ্তমানলৈ এই পৰিস্থিতিৰ ৰূপান্তৰ ঘটা নাই। আনকি জীৱন-জীবিকাৰ তাড়নাত আদৰ্শৰ ৰাজহাড়বিহীন কোনো কোনো বামপন্থীয়েও সুযোগসন্ধানীৰ ভূমিকাত অৱতীৰ্ণ নোহোৱাকৈ থকা নাই। তথাপি এই কথা স্বীকাৰ নকৰি উপায় নাই যে, সংখ্যালঘিষ্ঠ হ'লেও, বামপন্থী একাংশই সাম্প্ৰদায়িক, গোষ্ঠীগত আৰু আঞ্চলিক ৰাজনীতিৰ পৰা বহু পৰিমাণে মুক্ত হৈ আছে।

সমাজ-বাস্তৱক উপেক্ষা বা অবহেলা কৰা এক বিৰাট ক্ৰটি। দেশৰ স্বাধীনতা সংগ্ৰামৰ সৰহ সংখ্যক নেতাই আছিল হিন্দু সম্প্ৰদায়ভুক্ত। সেইসকল নেতাৰ বহুতৰেই অভাৱ আছিল গণতান্ত্ৰিকতাৰো। হিন্দু-মুছলমান, শিখ-খ্ৰীষ্টান সকলো সম্প্ৰদায়ৰ লোক মিলিহে যে ভাৰতবৰ্ষ, সেই উদাৰ মানবীয় দৃষ্টিৰ তেওঁলোকৰ বহুতৰেই অভাৱ আছিল। হিন্দু ভিন্ন মুছলমান প্ৰভৃতি জনগোষ্ঠীসকলৰো যে সাংস্কৃতিক বৈশিষ্ট্য সংৰক্ষণ আৰু উত্তৰোত্তৰ সংবৃদ্ধি ঘটিব লাগে, সি সেই নেতৃবৰ্গৰ চিন্তাৰ অগোচৰ আছিল। নেতৃবৰ্গই নজনাকৈ থকা নাছিল যে বংগ, ভংগ কৰা হৈছিল সাম্প্ৰদায়িকতাৰ ভেটিতেই আৰু তাৰো মূল লক্ষ্য আছিল হিন্দু-মুছলমান দুই সম্প্ৰদায়ৰ মাজত বিদ্বেষৰ সৃষ্টি কৰি সাম্ৰাজ্যবাদী শোষণ অব্যাহত ৰখা। কিন্তু বংগ-ভংগৰ বিৰুদ্ধে গঢ়ি তোলা স্বদেশী আন্দোলনৰ নেতৃত্বই যেন মুছলমানসকলৰ সাংস্কৃতিক বৈশিষ্ট্যৰ কথা পাহৰি গৈছিল। তেওঁলোকে বংগ-ভংগ আন্দোলনকএটা হিন্দুৰূপ দিব ল'লে। ৰাখী বন্ধন উৎসৱ এক মৈত্ৰীৰ উৎসৱেই, কিন্তু এটা জাতীয় আন্দোলনৰ আৰম্ভণিত গংগাস্নান কৰি ৰাখী বন্ধন কৰিবলৈ লোৱা কাৰ্যই যে মুছলমানসকলৰ চেতনাত আঘাত হানিব পাৰে, তালৈ মনোনিৱেশ কৰাৰ আৱশ্যকতা নেতৃবৰ্গই অনুভৱকে নকৰিলে। সিয়ে মুছলমানসকলক ক্ষুন্ন কৰিছিল আৰু হিন্দুসকলৰ পৰা মুছলমানসকলক বিচ্ছিন্ন কৰাত সাম্ৰাজ্যবাদী ইংৰাজক সুচল কৰি দিছিল। ১৮৪৯ চনমানৰে পৰা ইংৰাজ প্ৰশাসনে জ্বলাই তুলিবলৈ সুযোগ বিচাৰি ফুৰা সাম্প্ৰদায়িক বিদ্বেষৰ জুইত সিয়ে ঘিউহে ঢালিছিল মাথোন। তাৰ প্ৰতিক্ৰিয়াস্বৰূপে বংগ-ভংগৰ এবছৰ পিছতে ইংৰাজৰ ছত্ৰ-ছাঁত গঢ় লৈ উঠিল ভাৰতীয় মুছলিমলীগ। মুছলিমলীগ গঠন নোহোৱাহেঁতেন ভাৰত বিভাজনৰ প্ৰশ্নই নুঠিলহেঁতেন।

এনেদৰে বিচাৰ কৰিলে দেখা যাব যে সংখ্যাগৰিষ্ঠ ভাৰতীয় হিন্দুসকলৰ নেতৃত্বই যি উদাৰ গণতান্ত্ৰিকতা প্ৰদৰ্শন কৰা উচিত আছিল, তাক প্ৰদৰ্শন কৰাত প্ৰায়েই ব্যৰ্থ হৈছিল । নেতৃত্বৰ নিৰপেক্ষ গণতান্ত্ৰিকতাৰ অভাৱে মুছলমান নেতৃত্বক কৰি তুলিছিল ক্ৰমে বেছি গোড়া সাম্প্ৰদায়িক। যাৰ ফলত শেষত ১৯৪৭ চনৰ ১৪ অগষ্টৰ দিনা ভাৰত দ্বিখণ্ডিত হ'ল—ভাৰত,পাকিস্তান হ'ল আৰু ১৯৭১ চনত হ'ল ত্ৰিখণ্ডিত, ভাৰত, পাকিস্তান, বাংলাদেশ।

সংকেত সূচী :

১। জৱাহৰলাল নেহৰু : *ভাৰত সন্ধান*, ২৩৬ পৃঃত উধৃত

২। Sir H.M. Elliot : *History of India*, Vol-I,P-883,
জৱাহৰলাল নেহৰুৰ *ভাৰত সন্ধান* ২৪৩ পৃষ্ঠাত উধৃত।

৩। অমলেন্দু দে : *বাঙালী বুদ্ধিজীবী ও বিচ্ছিন্নতাবাদ*, পৃঃ ১২২ /১২৩

৪। *প্ৰাগুক্ত গ্ৰন্থ* : পৃ : ১২৪

৫। ড° ভ, ড, কোশম্বী : *ভাৰতৰ ইতিহাস (অসম)*, পৃঃ

৬। শতপথ ব্ৰাহ্মণঃ ৩-১-২-২১

৭। D.P. Chattopadhyaya : *Indian Philosophy,* P.101.

৮। A.Bhuyan & others : *Political History of Assam*, Vol-III, P.372.

৯। *Harijan, 18th April, 1942, Quoted in the History of Freedom struggle*, by R.C.Majumdar,P.695.

১০। লক্ষ্মীনাথ বেজবৰুৱা : অসম সাহিত্য সভাৰ ১৯২৪ চনত, গুৱাহাটীত অনুষ্ঠিত অধিবেশনৰ *সভাপতিৰ অভিভাষণৰ* পৰা।

সপ্তম অধ্যায়

ভাৰত বিভাজন আৰু হিন্দু-মুছলমানৰ সন্দেহ-সন্দিগ্ধতা

দেশ বিভাজনৰ ফলত দেশবাসীৰ যি ক্ষতি হৈছে, সি যে চিৰ অপূৰণীয় তাক যথাৰ্থ সংস্কৃতিসম্পন্ন বিবেকী দেশপ্ৰেমী মাত্ৰেই অনুভৱ কৰিব পাৰিছে। স্থানান্তৰত পাই আহিছোঁ যে হিন্দু-মুছলমানৰ বিদ্বেষ এদিনীয়া বা আকস্মিক নহয়, মহম্মদ বিন কাছিমে খ্ৰীঃ ৭১২ চনত দাহিৰক নিধন কৰি সিন্ধু জয় কৰা দিনৰে পৰা হিন্দু-মুছলমান বিদ্বেষ, সন্দেহ-সন্দিগ্ধতা বৰ্তি আহি আছে। কিন্তু ইংৰাজ শাসন প্ৰবৰ্তন হোৱাৰ আগলৈকে মোল্লা-উলেমা আদি কৰি মৌলবাদী মুছলমান আৰু বৰ্ণ অভিমানী উচ্চ হিন্দু একাংশত বাজে প্ৰায় আটাইবিলাক হিন্দু-মুছলমান মিলি প্ৰায়েই ভাই-ককাই, আই-ভনীৰ দৰে মধুৰ সম্পৰ্ক গঢ়ি তুলি শান্তিপূৰ্ণ সহ অৱস্থানৰ জীৱন-যাপন কৰিছিল। এই সম্প্ৰীতিৰ অমৃতময় কলহত সাম্প্ৰদায়িকতাৰ বিষ ঢালি দিছিল সাম্ৰাজ্যবাদী ইংৰাজ চৰকাৰেই। কিন্তু তথাপি ১৯৪৭ চনৰ ১৪ আগষ্টৰ দিনা ভাৰত-পাকিস্তান এই দুখণ্ডত ভাৰত বিভাজন নোহোৱালৈকে আটায়ে আছিল ভাৰতীয়, অনৈক্যৰ মাজতো ভাৰতীয়ত্ববোধে সৃষ্টি কৰিছিল একত্ববোধ। কিন্তু বিভাজনৰ লগে লগে সেই একত্ববোধ লোপ কৰিলে। ভাৰতত ৰৈ গ'ল মুছলমান আৰু পাকিস্তানতো ৰৈ গ'ল হিন্দু। মৌলানা আজাদে বিভাজনৰ পূৰ্বে কৰা ভৱিষ্যৎ বাণী 'বিভাজনে হিন্দু-মুছলমান কোনোৰো কল্যাণ সাধিব নোৱাৰে, পৰম অশান্তিহে সৃষ্টি কৰিব,' কথাষাৰ আখৰে আখৰে ফলিয়ালে। হকে-বিহকে ভাৰতত ৰৈ যোৱা মুছলমানসকলক পাকিস্তানীৰূপে সন্দেহ কৰিবলৈ ল'লে, সেই সন্দেহ মাৰ যোৱা নাই, ক্ৰমে যেন বৃদ্ধিহে পাই আছে। সেই সন্দেহেই প্ৰকৃততে হিন্দু-মুছলমানৰ মাজত গঢ়লৈ উঠা সুমধুৰ সাংস্কৃতিক সম্পৰ্ক কলুষিত কৰি তুলিলে; এই সম্পৰ্ক পুনঃ নিঘুৰ্ণকৈ গঢ়ি তোলা হৈ পৰিছে এক প্ৰকাৰ অসাধ্য ব্যাপাৰ। এই অপূৰণীয় ক্ষতিসাধনৰ কাৰণে জগৰীয়া কোন আৰু পুনঃ কেনেদৰে সন্দেহ-সন্দিগ্ধতা দূৰ কৰি শান্তি-সম্প্ৰীতি আৰু বিশ্বাসৰ মধুৰ পৰিবেশ গঢ়ি তুলিব পাৰি সেই বিষয়ে অভিমত জনাৰ অৰ্থে কিছুদিন আগতে আমি অসমৰ অসমীয়াভাষী অসমীয়া হিন্দু-মুছলমান, বাংলাভাষী অসমীয়া হিন্দু-মুছলমান, নেপালীভাষী অসমীয়া আৰু বড়ো-কাৰবি-ডিমাচাভাষী কেইগৰাকীমান বুদ্ধিজীৱীৰ ওচৰ চাপিছিলো। আমি সম্প্ৰতি সেই বুদ্ধিজীৱীসকলৰ মন্তব্য তেওঁলোকৰ নিজৰ ভাষাত দাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ; শেষতহে আমাৰ নিজা মন্তব্য সংযোগ কৰিবলৈ চেষ্টা কৰিম।

সাক্ষাৎকাৰ ঃ

আমাৰ মূল প্ৰশ্ন আছিল যে দেশ বিভাজনৰ ফলতে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বৃদ্ধি পালে নেকি আৰু এই সন্দেহ-সন্দিগ্ধতাৰ অৱসানৰ উপায় কি? আমাৰ প্ৰশ্নোত্তৰত অংশ গ্ৰহণকাৰীসকল হ'ল —

গোলাপ বৰবৰা ঃ

শ্ৰীবৰবৰা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী। শ্ৰীবৰবৰাৰ নেতৃত্বাধীন অসম চৰকাৰৰ দিনতে অসমত কুখ্যাত আশীৰ দশকৰ অসম আন্দোলনৰ সূচনা হৈছিল। শ্ৰীবৰবৰাই কয়—

"দেশ বিভাজন নোহোৱাহেঁতেন হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা একেবাৰে নোহোৱা নহ'লহেঁতেন। কিন্তু বিভাজনে দুয়ো ধৰ্মাৱলম্বী লক্ষ লক্ষ মানুহৰ মাজত যি বিভীষিকাৰ সৃষ্টি কৰিলে আৰু লক্ষ লক্ষ লোক যিদৰে ছিন্নমূল হ'ল, তাৰ ফলত সৃষ্টি হোৱা তিক্ততাৰ পৰা বহুখিনি ৰক্ষা পোৱা গ'লহেঁতেন।"

সন্দেহ-সন্দিগ্ধতাৰ কিদৰে অৱসান ঘটাব পাৰি তাক জানিবলৈ বিচৰাত শ্ৰীবৰবৰাই জানিবলৈ দিয়ে যে,—

"দুয়োটা ধৰ্মৰ লোকেই পৰস্পৰে পৰস্পৰৰ প্ৰতি সহানুভূতিশীল আৰু উদাৰ দৃষ্টিভংগী সম্পন্ন হ'ব লাগিব। প্ৰত্যেকৰে আৰ্থ-সামাজিক সমস্যাবোৰ সুস্থভাৱে সমাধানৰ বিষয়ে চৰকাৰ আৰু জনসাধাৰণ সকলোৱে চিন্তা কৰিব লাগিব। কোনো ধৰ্মৰে নেতৃস্থানীয়সকলে ধৰ্ম আৰু ৰাজনীতিক একাকাৰ কৰি নিজৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ কথা ভাবিব নালাগিব। অসমত অনুপ্ৰৱেশকাৰী বাংলাদেশীসকলক প্ৰথমে চিনাক্তকৰণ, তাৰ পিছত ভোটাৰ তালিকাৰ পৰা নাম কটা আৰু সদৌ শেহত বিতাৰণৰ আইনসংগত ব্যৱস্থা খৰটকীয়া কৰিব লাগিব। ১৯৭১ চনৰ পিছত অহাসকল হিন্দুৱেই হওক বা মুছলমানেই হওক, সকলোকে তেনে ব্যৱস্থাৰ অন্তৰ্ভুক্ত কৰিব লাগিব। সংখ্যালঘু হ'লেই সকলো বিদেশী নহয় আৰু প্ৰকৃত বিদেশী কোনোৱেই সংখ্যালঘু বুলি বাচি যাব নালাগে।"

তদুপৰি জানিব দিছে যে —

" হিন্দু-মুছলমানৰ মাজৰ সম্পৰ্ক ভাল কৰাত জাতীয় নেতৃত্ব, বিশিষ্ট লেখক-বুদ্ধিজীৱী" প্ৰভৃতিয়েও নিৰপেক্ষ আৰু গণতান্ত্ৰিকতাৰ মাধ্যমত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিব পাৰে।

সতীশ চন্দ্ৰ কাকতী ঃ

শ্ৰীকাকতী অসমৰ এগৰাকী আগশাৰীৰ সাংবাদিক। ভাৰত বিভাজনৰ ফলত হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বৃদ্ধি পাইছে নেকি বুলি সোধা প্ৰশ্নৰ সমিধান স্বৰূপে তেওঁ জানিবলৈ দিছে —

" কিছুমানে ভাবে যে ভাৰত বিভাজনে সাম্প্ৰদায়িক বিদ্বেষ জীৱিত কৰি ৰাখিলে। মই এই মত সমৰ্থন নকৰোঁ। ভাৰত বিভাজন নহ'লে হিন্দু-মুছলমানৰ বিবাদ নহ'লহেঁতেন, সেইয়া আনুমানিক কথা। মই ভাবোঁ ভাৰত বিভাজন নহ'লে সাম্প্ৰদায়িক সংঘৰ্ষৰ জটিলতা আৰু ব্যাপক হ'লহেঁতেন আৰু ভাৰতবৰ্ষ বহু খণ্ডত বিভক্ত হ'লহেঁতেন আৰু সৰ্বদা সংঘৰ্ষ পৰিলক্ষিত হ'লহেঁতেন। কিন্তু বৰ্তমানে ভাৰতত থকা হিন্দু-মুছলমানৰ বিবাদ তেনেই নগণ্য। বহু ভাষী, বহু ধৰ্মীয় আৰু বহু অঞ্চলীয় ভাৰতৰ লেখীয়া বৃহৎ দেশত মতৰ বিভেদ থকাটো অস্বাভাৱিক নহয়, বিশেষকৈ গণতন্ত্ৰৰ গাঁথনিত। কিন্তু এইবোৰ মতৰ বিবাদ আলোচনাৰ মাধ্যমেদি নিষ্পত্তি কৰিব পৰা যায়।"

কিন্তু একেজনা বিশিষ্ট সাংবাদিক শ্ৰীকাকতীয়ে হিন্দু-মুছলমানৰ সন্দেহ-সন্দিগ্ধতা অৱসানৰ পথৰ সন্ভেদ দি কৈছে,—

" হিন্দু-মুছলমানৰ মাজৰ সন্দেহ আৰু অবিশ্বাস অৱসান ঘটাবলৈ এটা বৃহৎ আন্দোলনৰ প্ৰয়োজন আৰু এই আন্দোলনৰ নেতৃত্ব দিব লাগিব স্বেচ্ছাসেৱী সংগঠন আৰু ধৰ্মনিৰপেক্ষ অনুষ্ঠানবোৰে আৰু স্কুল-কলেজৰ পাঠ্য-পুথিবোৰে ইয়াৰ বাবে শিক্ষাৰ ব্যৱস্থা ল'ব লাগিব। লগতে জাতি, সম্প্ৰদায়, গোষ্ঠী বিশেষৰ কাৰণে আবাসস্থান তথা আছুতীয়া আসনবোৰ সংৰক্ষণৰ ব্যৱস্থা ৰদ হ'ব লাগিব। সংৰক্ষণৰ ব্যৱস্থা ৰাষ্ট্ৰীয় সংহতিৰ পৰিপন্থী। বিশেষ জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ নামত কোনো ৰাজহুৱা দল হোৱাটো বন্ধ হ'ব লাগে।"

মেঘ গগৈ ঃ

শ্ৰীগগৈ নামৰূপ সাৰ নিগমৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰগতিবাদী শিক্ষক। তেওঁ বিভাজন নোহোৱাহেঁতেন অসম-ভাৰতৰ হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা নাবাঢ়িলহেঁতেন বুলিহে ভাবে। বিভাজনৰ কাৰণে বৃটিছৰ সাম্ৰাজ্যবাদী নীতিক জগৰীয়া কৰাৰ লগতে তেওঁ যোগ দি কৈছে বোলে—

"সমকালীন পৃথিবীৰ উন্নয়নশীল দেশবোৰত সাম্ৰাজ্যবাদী মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰৰোচনাতেই জাতি-ধৰ্ম, ভাষা-সম্প্ৰদায়ৰ নামত জনগণৰ মাজত বিভেদ-

বিচ্ছিন্নতা ক্ৰমে বৃদ্ধি পাব লাগিছে।” এই বিভেদ-বিচ্ছিন্নতাৰ অৱসানৰ অৰ্থে সমিধান বিচৰাত তেওঁ জানিবলৈ দিছে যে,—

“আৰ্থ-সামাজিক বৈষম্য দূৰ নহয় মানে সাম্প্ৰদায়িক বিভেদ-বিচ্ছিন্নতা আৰু সন্দেহ-সন্দিগ্ধতাৰ অৱসান নঘটে। তথাপি তেওঁ আশাবাদী যে শিল্পী-সাহিত্যিক আৰু বুদ্ধিজীৱীসকলে তেওঁলোকৰ সৃষ্টিৰ মাজেদি গণতান্ত্ৰিক শান্তিপূৰ্ণ সহ অৱস্থানৰ পৰিবেশ গঢ়ি তুলিবলৈ পৰিকল্পিতভাৱে কৰ্মৰত হ'লে পৰিবেশৰ ৰূপান্তৰ ঘটিব পাৰে আৰু হিন্দু-মুছলমান প্ৰমুখ্যে ভিনভিন সম্প্ৰদায়ৰ মাজত সম্প্ৰীতি পুনঃ ঠন ধৰি উঠাও সম্ভৱপৰ হ'ব পাৰে।”

দ্ৰুপদ বৰগোহাঁই ঃ

শ্ৰীবৰগোহাঁই অসম ৰাজ্যিক ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ নেতা। শ্ৰীবৰগোহাঁইৰ পৰাও জানিবলৈ বিচৰা হৈছিল যে ভাৰত বিভাজনৰ প্ৰতিফলস্বৰূপে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বঢ়া বুলি তেওঁ ভাবে নেকি। সমিধান স্বৰূপে জানিবলৈ দিলে বোলে,—

“ভাৰত বিভাজনে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতাৰ সৃষ্টি কৰাত প্ৰভূত পৰিমাণে সহায় কৰিলে আৰু তাৰ অন্ত এতিয়াও পৰা নাই।”

অৱশ্যে কেৱল বিভাজনৰ ফলতে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতাৰ সৃষ্টি হৈছে বুলি তেওঁ নাভাবে। তেওঁৰ মতে—

“প্ৰতিটো জনগোষ্ঠীৰ পৰম্পৰাগত বৈশিষ্ট্যসমূহৰ অপব্যৱহাৰ কৰি কিছুমান শক্তিয়ে ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰি থাকে। এই শক্তিবোৰৰ নিধন নোহোৱালৈকে সন্দেহ গুচোৱা সম্ভৱপৰ নহয়।”

সন্দেহ-সন্দিগ্ধতাৰ অৱসান ঘটোৱাৰ বিষয়ে আলোচনা কৰি শ্ৰীবৰগোহাঁয়ে আকৌ জানিবলৈ দিছে যে–

“এই সম্প্ৰদায় দুটাৰ মাজত সৃষ্টি হোৱা সন্দেহ-সন্দিগ্ধতাৰ অৱসান ঘটোৱাৰ প্ৰধান উপাদান সহনশীলতা। ধৰ্মীয় মৌলবাদৰ অৱসান আৰু সংখ্যালঘুসকলক ভোটবেংকলৈ ৰূপান্তৰিত কৰা ৰাজনৈতিক দলৰ মানসিকতাৰো অৱসান ঘটাব লাগিব। সাধাৰণতে জনগণৰ নিৰক্ষৰতা আৰু দুৰ্দশাগ্ৰস্ত অৰ্থনীতিৰ সুযোগ লৈ এই মৌলবাদী আৰু ৰাজনৈতিক দৈত্য দুটা থিয় হৈ থাকিব পাৰিছে। জনসাধাৰণৰ সাংস্কৃতিক বিকাশ, যথাৰ্থ গণতন্ত্ৰ প্ৰতিষ্ঠা আৰু অৰ্থনৈতিক দুৰৱস্থাৰ অৱসান বিনে এই দৈত্য দুটাক নিধন কৰা অসম্ভৱ।”

ধীৰেন্দ্ৰনাথ বেজবৰুৱা ঃ

'চেণ্টিনেল' বোলা দৈনিক ইংৰাজী বাতৰি কাকতখনৰ সম্পাদক শ্ৰীবেজবৰুৱাৰ

ওচৰ চাপিও সোধা হৈছিল বোলে বিভাজনৰ কাৰণে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতাৰ বৃদ্ধি পাইছে বুলি ভাবে নেকি? তেওঁ সমিধান স্বৰূপে জনাইছে যে—

"সন্দেহ-সন্দিগ্ধতাৰ সৃষ্টি হোৱা বাবেই ভাৰত বিভাজন হ'ল। জাতীয়, স্বাৰ্থৰ খাতিৰত উভয় সম্প্ৰদায়ৰ নেতাসকলে বিভাজন ৰোধ কৰিব পাৰিলেহেঁতেন।"

সন্দেহ-সন্দিগ্ধতাৰ অৱসানৰ অৰ্থে পৰামৰ্শ স্বৰূপে জানিবলৈ দিছে যে—

"হিন্দু আৰু মুছলমান উভয়ে ধৰ্মতকৈ ৰাষ্ট্ৰ আৰু প্ৰকৃত অৰ্থত ধৰ্মনিৰপেক্ষতাত গুৰুত্ব দিলেই সন্দেহ-সন্দিগ্ধতাৰ অৱসান ঘটিব।..........ধৰ্মৰ খিচিৰি কৰিলেই ধৰ্মনিৰপেক্ষতা ৰক্ষা নপৰে। সমগ্ৰ ভাৰততে একেটা ব্যক্তিগত আইন কৰিলেও ধৰ্মনিৰপেক্ষতা বহু পৰিমাণে ৰক্ষা পৰিব পাৰে।"

ৰবীন্দ্ৰ সৰকাৰ ঃ

বিশিষ্ট প্ৰগতিবাদী কবি। বাস্তৱ জাতীয় জীৱনৰ লগত জড়িত উক্ত প্ৰশ্নৰ সমিধান স্বৰূপে কবি সৰকাৰে জানিব দিলে—

"ভাৰত বিভাজন নহ'লে হিন্দু-মুছলমানৰ সম্পৰ্ক কেনে হ'লহেঁতেন, সেই কথা অনুমান কৰা টান। কাৰণ উচ্চবৰ্ণৰ হিন্দুত্ববাদে দলিত আৰু জনজাতীয় লোকৰ ওপৰতো কম অত্যাচাৰ সংঘটিত কৰা নাই। মহাৰাষ্ট্ৰ, বিহাৰ আৰু ভাৰতৰ বিভিন্ন ঠাইত এনে অজস্ৰ ঘটনা ঘটিছে । গতিকে শ্ৰেণী-বিভক্ত সমাজত অকল ধৰ্মৰ ভেটিত নহয়,বৰ্ণ, ভাষা, গোষ্ঠীৰ নামতো মানুহৰ মাজত বিভাজন সৃষ্টি হ'ব পাৰে। ইছলামিক ৰাষ্ট্ৰ বুলি ঘোষণা কৰা সত্ত্বেও ভাষাৰ ভিত্তিত পাকিস্তান ভাঙি বাংলাদেশৰ জন্ম হ'ল। তাৰ উপৰি মোল্লাতন্ত্ৰৰ প্ৰৰোচনাত ইংৰাজী শিক্ষা গ্ৰহণ নকৰাৰ ফলত ইংৰাজ শাসনৰ অধীনত থকাৰ পৰাই মুছলমানসকল শিক্ষা আৰু অৰ্থনৈতিক দিশত পিছপৰা। দেশবিভাজনৰ আগতেও হিন্দু-মুছলমানৰ মাজত বৈষম্যৰ পৰা দ্বন্দ্বৰ উদ্ভৱ নোহোৱাকৈ থকা নাছিল।"

এই দ্বন্দ্বৰ সমাধান সূত্ৰস্বৰূপে কবি সৰকাৰে জানিবলৈ দিয়ে যে,—

" সমাজতান্ত্ৰিক সমাজ-ব্যৱস্থাৰে উত্তৰণৰ যোগেদিহে হিন্দু-মুছলমানৰ মাজত এটা মানৱিক সম্পৰ্ক গঢ়ি উঠিব পাৰে। অকল হিন্দু-মুছলমান নহয়, বিভিন্ন জাতি, জনজাতি, ভাষিক সংখ্যালঘু সকলৰ মাজত সন্দেহ-সংশয়ৰ অৱসান ঘটাই সদ্ভাব আৰু মানৱীয় সম্পৰ্ক গঢ়ি তুলিবলৈ হ'লে অৰ্থনৈতিক বৈষম্য আঁতৰ কৰি সকলোৰে ধৰ্ম আৰু ভাষাৰ প্ৰতি শ্ৰদ্ধাশীল হ'ব লাগিব আৰু বাৰেবৰণীয়া সাংস্কৃতিক বিকাশৰ পথ মুকলি কৰিব লাগিব। কোনো ধৰণৰ বল প্ৰয়োগ বা হেঁচাৰ স্থান থাকিব নোৱাৰিব? মতান্ধতা

আৰু ৰক্ষণশীলতাৰ বিৰুদ্ধে শিক্ষা-সংস্কৃতিৰ পোহৰত প্ৰবল আলোড়ন গঢ়ি তুলিব লাগিব।..........”

জমদগ্নি উপাধ্যায় ঃ

ধেমাজি জিলা চৰকাৰী চিকিৎসালয়ৰ বিশিষ্ট চিকিৎসক ডাঃ উপাধ্যায় এগৰাকী প্ৰগতিশীল বুদ্ধিজীৱী। তেওঁৰ মতে

“ ভাৰত বিভাজনৰ বহু পূৰ্বেই সন্দেহ-সন্দিগ্ধতাৰ সৃষ্টি হৈছিল; বিভাজনে কেৱল তাক দ্ৰুত গতিত পৈণত (mature)হোৱাত সহায় কৰিছে।”

বিভেদ-বিচ্ছিন্নতাৰ অৱসান ঘটোৱাৰ অৰ্থে ডাঃ উপাধ্যায়ে কেবাটাও পৰামৰ্শ আগবঢ়াইছে।

(১) মৌলবাদৰ মূলভেটি বা মূলতত্ত্বৰ অন্তঃসাৰশূন্যতাৰ বিষয়ে ব্যাপক প্ৰচাৰ হ'ব লাগিব। ইয়াক স্কুলীয়া পাঠ্যক্ৰমৰ পৰা আৰম্ভ কৰি চৰকাৰী প্ৰচাৰ মাধ্যম পৰ্যন্ত স্থান দিব লাগিব।

(২) ৰাষ্ট্ৰযন্ত্ৰই মৌলবাদৰ বিৰুদ্ধে সুস্পষ্ট আৰু দৃঢ় নীতি অৱলম্বন কৰিব লাগিব।

(৩) ৰাজনৈতিক দলসমূহেও মৌলবাদী শক্তি আৰু দলসমূহক সম্পূৰ্ণৰূপে এঘৰীয়া কৰিব লাগিব।

(৪) সন্দেহ-সন্দিগ্ধতাৰ বৰ্তমানৰ কাৰণবোৰ যে ভিত্তিহীন তাক সুস্পষ্টভাৱে দেখুৱাব পাৰিব লাগিব।

(৫) গণতান্ত্ৰিক ধৰ্মনিৰপেক্ষতা তথা সাম্যবাদী চিন্তা-চৰ্চা আৰু কাৰ্যক্ৰমণিকাৰ মাজেদি সাম্প্ৰদায়িক সম্প্ৰীতিৰ অনুপম নিদৰ্শনসমূহ জনগণৰ আগত দাঙি ধৰিব লাগিব আৰু যদি সাম্যবাদী শক্তিয়ে দেশ শাসন কৰিবলৈ অন্ততঃ কেইটামান দশক পায়, তেনেহ'লে,সন্দেহ-সন্দিগ্ধতাৰ সম্পূৰ্ণ অৱসান ঘটিব।

(৬) ধৰ্মক ৰাষ্ট্ৰৰ পৰা সম্পূৰ্ণভাৱে বিচ্ছিন্ন কৰিবও লাগিব।

অনিল ৰায় চৌধুৰী ঃ

গুৱাহাটীৰ শ্ৰীৰায় চৌধুৰী এগৰাকী আগশাৰীৰ প্ৰগতিবাদী কথা-সাহিত্যিক। তেওঁ একাষাৰেই জানিবলৈ দিছে যে—

“ সন্দেহ-সন্দিগ্ধতা সৃষ্টি হোৱা কাৰণেই ভাৰত বিভাজন সম্ভৱপৰ হৈছে।”

সন্দেহ-সন্দিগ্ধতাৰ অৱসানৰ অৰ্থে পৰামৰ্শ স্বৰূপে জানিবলৈ দিছে যে –

“ শোষণ বিৰোধী গণতান্ত্ৰিক শক্তিসমূহে দীৰ্ঘদিন সংগ্ৰাম কৰি হিন্দু-মুছলমান তথা সকলো জাতি-ধৰ্মৰ মানুহৰ আস্থা অৰ্জন কৰিব লাগিব—নেতৃত্ব বহন কৰিবও লাগিব পুঁজিবাদী সমাজ-ব্যৱস্থাত ভেদবাদী প্ৰৱণতাৰ উদ্ভৱ হ'বই।”

লংকাম টেৰণ ঃ

কাৰবি আংলং জিলাৰ দকমকাৰ বিশিষ্ট অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰীটেৰণ এগৰাকী প্ৰগতিবাদী সাহিত্যিকো। তেওঁৰ ধাৰণা যে,—

"ভৌগোলিকভাৱে ভাৰত বিভাজন নোহোৱাহেঁতেনো হিন্দু-মুছলমানৰ মাজত থকা ভাতৃত্বমূলক মনোভাৱ এদিন নাইকিয়া হ'লহেঁতেন, কাৰণ ৰাজনৈতিক নেতাসকলে নিজৰ স্বাৰ্থপূৰণৰ বাবে ধৰ্মক এক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। সিফালে ধৰ্মীয় মৌলবাদীসকলেও নিজৰ ধৰ্মীয় মততহে অন্ধভাৱে লাগি থাকে।"

সন্দেহ-সন্দিগ্ধতাৰ বিলুপ্তি সাধনৰ অৰ্থে কাৰ্যকৰী পন্থাস্বৰূপে তেওঁ জানিবলৈ দিছে যে—

(১) ধৰ্মক ৰাজনীতিৰ পৰা পৃথক কৰা,

(২) মৌলবাদীসকলে ধৰ্মীয় গোড়ামি পৰিহাৰ কৰা,

(৩) সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে থিয় দিয়া,

(৪) ধৰ্মৰ ভেটিত সংখ্যাগৰিষ্ঠ বা সংখ্যালঘিষ্ঠৰূপে বিভাজন কৰিবলৈ প্ৰত্যাহাৰ কৰা,

(৫) সুচেতন ব্যক্তিসকলে অন্ততঃ শান্তি-সম্প্ৰীতিৰ পৰিবেশ গঢ়ি তোলাৰ অৰ্থে সভা-সমিতি, আলোচনা-বিলোচনাৰ মাধ্যমত জনসম্পৰ্ক ৰক্ষা কৰা।

বিশ্বনাথ শৰ্মা ঃ

সদ্য প্ৰয়াত নলবাৰী জিলাৰ বুদ্ৰকুছি গাঁৱৰ বিশ্বনাথ শৰ্মা আছিল প্ৰকৃত অৰ্থতে অহিংস সত্যাগ্ৰহী মুক্তিসংগ্ৰামী। তেওঁৰ মতে,—

"ভাৰত বিভাজনেই হ'ল হিন্দু-মুছলমানৰ মাজত সৃষ্টি হোৱা সন্দেহ-সন্দিগ্ধতাৰ একমাত্ৰ আৰু সৰ্বপ্ৰধান কাৰণ।"

হিন্দু-মুছলমানৰ মাজত বিভেদৰ কাৰণে সৃষ্টি হোৱা দ্বন্দ্বৰ সমাধানৰ উপায়স্বৰূপে জানিবলৈ দিছে যে,—

"চৰকাৰৰ ধৰ্ম নিৰপেক্ষতাৰ নীতিৰ সলনি হ'ব লাগিব। ভোটৰ আশাত ধৰ্মীয় সংখ্যালঘু মুছলমানৰ প্ৰতি অধিক আগ্ৰহ আৰু অনুগ্ৰহ দেখুওৱা হৈছে। সম্প্ৰদায়ৰ ভেটিত বিধানসভা-লোকসভা আদিলৈ সদস্য নিৰ্বাচনৰ সলনি সম্প্ৰদায় নিৰপেক্ষ-ভাৱে সদস্য নিৰ্বাচনৰ ব্যৱস্থা প্ৰবৰ্তন কৰিব লাগে। সম্প্ৰদায় বিশেষৰ প্ৰতি বিশেষ আগ্ৰহ প্ৰকাশ কৰি প্ৰকৃততে গণতন্ত্ৰৰ আদৰ্শৰ পৰা আঁতৰি অহা হৈছে। এইবিলাকৰ সংশোধন কৰিবলৈ দীৰ্ঘম্যাদী

আঁচনিৰে ৰাইজৰ মাজত আলোড়নৰ সৃষ্টি কৰিব লাগিব। জনগণক গণতন্ত্ৰৰ প্ৰতি সম্পূৰ্ণৰূপে সজাগ কৰি তুলিব লাগিব।"

টাবুৰাম টাইদ :

অসমৰ উচ্চশিক্ষাৰ প্ৰাক্তন অধিকৰ্তা টাবুৰাম টাইড এগৰাকী সমাজ সচেতন লেখক-সাহিত্যিক। তেওঁ হিন্দু-মুছলমানৰ মাজত গঢ় লৈ উঠা সন্দেহ-সন্দিগ্ধতাৰ একমাত্ৰ কাৰণ ভাৰত বিভাজন বুলি নাভাবে । তেওঁৰ মতে—

(১) ভাৰত বিভাজনৰ সময়ত আৰু স্বাধীনতা আন্দোলনৰ সময়ত একাংশ মুছলমানৰ ভূমিকাই হ'ল হিন্দুৰ মনত সৃষ্টি কৰা ক্ষোভ আৰু অবিশ্বাস, পাকিস্তান গঠন আৰু তেতিয়াৰ ভয়াবহ সাম্প্ৰদায়িক সংঘৰ্ষ,

(২) তদানীন্তন পূব পাকিস্থান অৰ্থাৎ বৰ্তমানৰ বাংলাদেশৰ পৰা হোৱা ব্যাপক মুছলমান প্ৰব্ৰজন,

(৩) থলুৱা লোকৰ মাজত ভূমিহীনতা, দাৰিদ্ৰ, আৰু নিবনুৱা সমস্যাৰ ক্ৰমবৰ্ধমান সংকট,

(৪) আছুৰ বিদেশী বিতাড়ন আন্দোলন,

(৫) সুবিধাবাদী আৰু মূল্যবোধহীন ৰাজনীতি,

(৬) শেহতীয়াভাৱেই ইছলামিক উগ্ৰবাদৰ বৃদ্ধি আৰু তাৰ লগে লগে সংঘৰ্ষৰ পথৰ বেছি প্ৰশস্ততা আদিহে সন্দেহ-সন্দিগ্ধতাৰ মূল কাৰণ। তেওঁ সমস্যা সমাধানৰ অৰ্থে পথৰ ইংগিত দি কৈছে—

(১) সাম্প্ৰদায়িক ৰাজনীতিৰ বিনাশ সাধন,

(২) সমূহ জনগণৰ অৰ্থনৈতিক বিকাশ সাধন,

(৩) ধৰ্মীয় উগ্ৰবাদৰ বিনাশ সাধন,

(৪) ভিন ভিন ধৰ্মীয় গোষ্ঠী বা সংগঠনক মানবীয়বাদী কৰ্মত জড়িত কৰাৰ ব্যৱস্থা কৰিব লাগে।

যোগেশ দাস :

কথা-সাহিত্যিক অধ্যাপক যোগেশ দাসক নজনা মানুহ অসমত নাই বুলিবই পাৰি। তেওঁ ভাৰত বিভাজনৰ প্ৰসংগত সৃষ্টি হোৱা সাম্প্ৰদায়িক বিদ্বেষৰ বিষয়ে নিজস্ব অভিমত জানিব দি কৈছে—

"স্বাধীনতা সংগ্ৰামৰ সময়তো জনসাধাৰণৰ মাজত সাম্প্ৰদায়িক বিভাজন আছিল। জিন্না চাহাবৰ দাবী মানি নোলোৱাহেঁতেন আৰু কংগ্ৰেছেও বিভাজনৰ ঘোৰ বিৰোধিতা কৰাহেঁতেন একেখন ঐক্যবদ্ধ ভাৰত বৰ্ত্তি থকা সম্ভৱপৰ হ'লহেঁতেন। ১৯৪৬-৪৭ চনৰ সংঘৰ্ষই যি তিক্ততাৰ সৃষ্টি কৰিলে,

তাৰ পৰা দেশ ৰক্ষা পৰিলহেঁতেন বুলি বিশ্বাস। সাম্প্ৰদায়িক প্ৰশ্নটো তেতিয়া আনপ্ৰকাৰে সমাধানৰ চেষ্টা কৰিব পৰা গ'লহেঁতেন।"

সাম্প্ৰদায়িক বিদ্বেষ সমাধানৰ উপায়ৰ বিষয়ে আলোচনা কৰি অধ্যাপক দাসে জানিবলৈ দিছে, —

"অদূৰ ভৱিষ্যতত সাম্প্ৰদায়িক বিদ্বেষৰ অৱসানৰ সম্ভাৱনা নেদেখোঁ। কিন্তু আমি সকলোৱে শান্তিৰে জীৱন নিৰ্বাহ কৰি থাকিবলৈ হ'লে সাম্প্ৰদায়িক সন্দেহ-সন্দিগ্ধতাৰ অৱসান ঘটাবই লাগিব। এই কথা হিন্দু-মুছলমান উভয়ে যিমান সোনকালে উপলব্ধি কৰে, উভয়ৰ কাৰণে সিমানেই মংগল। ১৯৪৭ চনতে সাম্প্ৰদায়িক প্ৰশ্নটোৰ মীমাংসা হৈ যাব লাগিছিল। কিন্তু নহ'ল। পাকিস্তান আৰু বাংলাদেশতকৈও ভাৰততহে সম্প্ৰতি মুছলমানৰ সংখ্যা বেছি। গতিকে ১৯৪৭ চনৰ সিদ্ধান্ত ভুল আছিল। হিন্দুত্ববাদীসকলেও বাস্তৱক স্বীকাৰ কৰি নীতিৰ সলনি কৰিলে, আৰু সাম্প্ৰদায়িকতাবাদী মুছলমানসকলেও অধিক ঔদাৰ্য প্ৰদৰ্শন কৰিলে, এটা শুভ দিশ উন্মোচিত হ'ব পাৰে।"

অবিকেশৰ শৰ্মা :

কাৰ্বি আংলঙৰ মাইলুঙত শিক্ষকতা কৰি থকা অবিকেশৰ শৰ্মা এগৰাকী প্ৰগতিবাদী যুৱ-লেখক। তেওঁ হিন্দু-মুছলমানৰ মাজত সৃষ্টি হোৱা বিভেদ-বিবাদৰ কাৰণে ঘাইকৈ জগৰীয়া কৰিছে সাম্ৰাজ্যবাদী বৃটিছ প্ৰশাসনক। তেওঁ হিন্দুত্ববাদী ভাৰতীয় সভ্যতা-সংস্কৃতিকো জগৰীয়া কৰিছে, বিভেদ-বিচ্ছিন্নতা সৃষ্টিৰ কাৰণে। পৰম্পৰাগত ভাৰতীয় সমাজৰ বিভেদ-বিচ্ছিন্নতাৰ ভেটিত যেন —

" বৃটিছে ভুল তথ্য, মিছা সাক্ষ্যক লৈ ইতিহাস ৰচনা কৰিলে যাৰ শোচনীয় ফল ফলিল ১৯৯২ চনৰ ৬ ডিচেম্বৰৰ দিনা। গোৰাসকলে এনে বহুতো গ্ৰন্থ আমাৰ কাৰণে এৰি থৈ গৈছে; আমোলা, বুদ্ধিজীৱী,ৰাজনৈতিক নেতা তৈয়াৰ কৰি থৈ গৈছে। স্বাধীনতা আন্দোলনৰ ফলত কংগ্ৰেছে বহুবাৰ বহু ভুল কৰিছে— সাম্প্ৰদায়িক প্ৰশ্নৰ ক্ষেত্ৰত। তাৰ শোচনীয় পৰিণতি ভাৰত বিভাজন আৰু এতিয়ালৈ সাৰ-পানীৰ যোগান ধৰি জীয়াই ৰখা সাম্প্ৰদায়িক বিদ্বেষ।"

সাম্প্ৰদায়িক বিদ্বেষৰ পৰা মুক্তি লভাৰ উপায়স্বৰূপে শ্ৰীশৰ্মাই জানিবলৈ দিছে,—

" প্ৰথমে ধৰ্মক ৰাজনীতিৰ পৰা আঁতৰাব লাগিব। কৰ্মমুখী বৈজ্ঞানিক শিক্ষা ব্যৱস্থা প্ৰবৰ্তন কৰিব লাগিব। নাগৰিক মাত্ৰকে শিক্ষিত কৰি তুলিব লাগিব। প্ৰতিটো জনগোষ্ঠীৰ ভাষা, সাহিত্য, সংস্কৃতি, ধৰ্ম, পূজা-উপাসনা আদিৰ

সৰ্বতোপ্ৰকাৰ সুৰক্ষাৰ নিশ্চিতি থাকিব লাগিব। উচ্চ-নীচ ভেদাভেদ ভাব সম্পূৰ্ণৰূপে লোপ পাব লাগিব। ভাতৃত্ববোধৰ ভেটিত গঢ় লৈ উঠিব লাগিব সমাজ জীৱন। সঁচা ধৰ্মনিৰপেক্ষ সমাজতান্ত্ৰিক সমাজ-জীৱন বিনে কেৱল হিন্দু-মুছলমান বুলিয়ে নহয়, অন্যান্য ভাষা,ধৰ্ম,সংস্কৃতি গোষ্ঠীৰ মাজৰ পৰাও বিভেদ-বিচ্ছিন্নতা,ভয়-শংকাৰ অৱসান ঘটোৱা সম্ভৱপৰ নহ'ব।"

প্ৰমথ নাথ ঃ

নলবাৰীৰ জাপাৰকুছি গাঁও নিবাসী প্ৰমথ নাথ প্ৰগতিবাদী কবি-সাহিত্যিক। তেওঁ হিন্দু-মুছলমানৰ বিদ্বেষৰ কাৰণে দেশ বিভাজনতকৈ বেছি জগৰীয়া কৰিছে শ্ৰেণী-দ্বন্দ্বক।

"দ্বন্দ্ব বা সংঘাতৰ বীজ সৰ্বত্ৰ। পুঁজিবাদী সমাজ-ব্যৱস্থাই তাত সাৰ-পানী যোগাই, অংকুৰিত হোৱাত সহায় কৰে আৰু সময়ত সিয়েই বৰ বৃক্ষ হৈ ছানি ধৰে। গতিকে ধৰ্মৰ ভিত্তিত ভাৰত দ্বিখণ্ডিত নহ'লেও হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতাৰ সৃষ্টি নোহোৱাকৈ নাথাকিলহেঁতেন। কাৰণ শাসক চক্ৰই ধৰ্মক কেতিয়াও ধৰ্ম হৈ থাকিবলৈ নিদিয়ে, শাসন-শোষণৰ অস্ত্ৰস্বৰূপেহে প্ৰয়োগ কৰে।"

হিন্দু-মুছলমানৰ মাজত সৃষ্টি হোৱা সন্দেহ-সন্দিগ্ধতাৰ অৱসানৰ উপায়স্বৰূপে শ্ৰীনাথে কৈছে, –

" স্বাধীনতাই যি প্ৰাণ-স্পন্দনৰ সৃষ্টি কৰিব নোৱাৰিলে, তাক সম্ভৱপৰ কৰি তুলিবলৈ মানসিক স্থবিৰতা পৰিহাৰ কৰি সৃষ্টিমূলক অভিযানত ত্যাগৰ মনোবৃত্তিৰে উদাৰ,বহল আৰু সামগ্ৰিক দৃষ্টিভংগী লৈ দেশৰ; সমাজৰ কৰ্ণধাৰসকল পৰিচালিত হ'ব লাগিব যাতে দেশৰ সকলোশ্ৰেণীৰ মানুহৰ মনত আশাৰ পোহৰ উদ্ভাসিত হয়। সম্প্ৰীতি সামূহিক চেতনা প্ৰায় বিলুপ্তিৰ পথত, ব্যক্তিত্ববাদে সেই ঠাই দখল কৰিছে। সিয়ে অস্থিৰতা আৰু অশান্তি প্ৰকট কৰি তুলিছে; হেৰাই গৈছে সামাজিক ভাৰসাম্যতা। লাভবান হৈছে এমুঠি সুবিধাবাদী আৰু বঞ্চিতসকলে গতি কৰিছে অনিশ্চিত ভৱিষ্যতৰ মাজলৈ। সেই অৱহেলিত আৰু বঞ্চিতসকলৰ উন্নতিৰ কাৰণে নতুন দিগন্ত উন্মোচিত হ'ব লাগিব। তেতিয়া আৰু কোনো বিভেদৰ প্ৰাচীৰে তেওঁলোকক মিলনৰ পথৰ পৰা পৃথক কৰিব নোৱাৰিব। মানৱতাবোধ, জাতিপ্ৰেম,দেশপ্ৰেম,জীৱনৰ পবিত্ৰ আধাৰ হৈ ৰ'ব। ইয়াৰ কাৰণে আৱশ্যক ঐক্যবদ্ধ বাম-গণতান্ত্ৰিক শক্তিশালী সংগঠনৰ।"

নিৰুপমা হাগজেৰ ঃ

সুলেখিকা আৰু সমাজকৰ্মী নিৰুপমা হাগজেৰক সমগ্ৰ অসমে জানে। তেওঁ হিন্দু-মুছলমানৰ বিভেদৰ কাৰণে উভয় সম্প্ৰদায়ৰ ধৰ্মৰ ধ্বজাবাহী মৌলবাদীসকলক জগৰীয়া কৰিছে। আৰু দেশ বিভাজনৰ কাৰণে ঘাইকৈ জগৰীয়া কৰিছে—

" অদূৰদৰ্শী দুই নেতা জৱাহৰলাল নেহৰু আৰু মহম্মদ আলী জিন্না"ক। তেওঁলোক দুজনে যেন,—

> "ৰাষ্ট্ৰৰ মুৰব্বী হোৱাৰ লোভত ভাৰতক দ্বিখণ্ড কৰিলে। ফলত পশ্চিম পাকিস্তানৰ পৰা সিন্ধি আৰু পাঞ্জাবী শ শ পৰিয়াল দাংগা-হাংগামা স্টাকটিৰ ভয়ত ভাৰতত শৰণাৰ্থী হৈ সোমাই পৰিছিল। তেনেকৈ পূব পাকিস্তান তথা বাংলাদেশৰ পৰা হাজাৰ হাজাৰ হিন্দু শৰণাৰ্থীও সোমাই পৰিছিল অসম আৰু বংগত। সিয়ে হিন্দু-মুছলমানৰ মাজত বিদ্বেষৰ সৃষ্টি নকৰাকৈ থকা নই।" হিন্দু-মুছলমানৰ বিদ্বেষৰ অৱসানৰ উপায়স্বৰূপে তেওঁ প্ৰধানকৈ গুৰুত্ব আৰোপ কৰে—

" যদি আমাৰ উভয় ধৰ্মৰ ধৰ্মীয় লোকসকলে ধৰ্মনিৰপেক্ষ চিন্তাধাৰা মনত জীয়াই ৰাখিব পাৰে, তেনেহ'লে বিভেদ-বিদ্বেষ লোপ পাব পাৰে।"

ইদ্ৰিছ আলী ঃ

মঙলদৈ মহাবিদ্যালয়ৰ অধ্যাপক সুলেখক ইদ্ৰিছ আলীকো অসমে জানে। তেৰোঁ অকল বিভাজনৰ কাৰণে হিন্দু-মুছলমানৰ মাজত বিদ্বেষ বৃদ্ধি হোৱা বুলি নাভাবে। তেওঁৰ ধাৰণাত —

> "হিন্দু-মুছলমানৰ মাজত দেখা দিয়া সাম্প্ৰতিক সন্দেহ-সন্দিগ্ধতা মুখ্যতঃ ভাৰতীয় সভ্যতাৰ ক্ৰমবিকাশৰ ফল। বিভাজনে হয়তো তাত ইন্ধন যোগাইছে অথবা তাক ত্বৰান্বিত কৰিছে। ধৰ্মীয় ভিন্নতাই এই সন্দেহ-সন্দিগ্ধতাৰ মূল। ভাৰত বিভাজন এই পৰিস্থিতিৰ উদ্দীপক শক্তি মাথোন। অবিভাজিত ভাৰততো হিন্দু-মুছলমানৰ সম্পৰ্ক সদায় সুখকৰ হ'লহেঁতেন বুলি নিশ্চিতভাৱে ক'ব নোৱাৰি।"

সন্দেহ-সন্দিগ্ধতাৰ বিলোপ সাধনৰ উপায়স্বৰূপে অধ্যাপক আলীয়ে কৈছে —

> "মুকলি আলোচনা আৰু ভাব বিনিময়ৰ মাজেদিহে সন্দেহ-সন্দিগ্ধতাৰ অৱসান সম্ভৱপৰ হ'ব পাৰে। আধ্যাত্মিক (ধৰ্মীয়?) গোড়ামিৰ বিপৰীতে সমাজ-জীৱনৰ বৈজ্ঞানিক বিশ্লেষণেও বহুখিনি অৰিহণা যোগাব পাৰে। বিভিন্ন লিখনী, সাংস্কৃতিক আদান-প্ৰদানৰ উপৰিও নাট, কথাছবি, অনাতাঁৰ, দূৰদৰ্শনযোগে প্ৰচাৰিত সম্প্ৰীতিমূলক বাণী অথবা তথ্যভিত্তিক অনুষ্ঠানেও দুয়োটা সম্প্ৰদায়ৰ মনৰ এলান্ধু আঁতৰোৱাত সাহায্যক হ'ব পাৰে।"

আশ্ৰফ আলী :

কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ আৰু অসমৰ শিক্ষাধিকাৰ আশ্ৰফ আলী অসম বিখ্যাত শিক্ষাবিদ। তেওঁকো প্ৰশ্ন কৰা হৈছিল বোলে ভাৰত বিভাজনৰ ফলত হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বাঢ়িল নেকি? তাৰ সমিধানত তেওঁ কেৱল "বাঢ়িব পাৰে" বুলিহে সমিধান দিছিল; কিন্তু হিন্দু-মুছলমানৰ সন্দেহ-সন্দিগ্ধতাৰ অৱসানৰ অৰ্থে সমিধান বিচৰাত জানিবলৈ দিছিল,—

" অন্তৰৰ পৰা যদি আমি আটায়ে পংকিলতা ধুই-মুচি পেলাব পাৰোঁ, যদি সকলো ধৰ্মৰ প্ৰতি সমানে শ্ৰদ্ধা কৰিবলৈ শিকোঁ, মন্দিৰ-মছজিদ,গীৰ্জা-গুৰুদ্বাৰ, আদি একে আল্লাহৰ অথবা ঈশ্বৰ ভগবান-গডৰ 'এবাদতখানা' অৰ্থাৎ প্ৰাৰ্থনাৰ পবিত্ৰ স্থান বুলি মনে-প্ৰাণে বিশ্বাসকৰোঁ, লগতে সকলো মানুহেই যে এক আদম আৰু হাৱাৰ সন্তান, একে ঈশ্বৰৰ সৃষ্টিৰ অবদান বুলি মানি ল'ব পাৰোঁ ভাতৃত্বৰ বান্ধোনত আবদ্ধ হৈ ধৰ্ম-জাত-পাত-ভাষাৰ বাছ-বিচাৰ পৰিহাৰ কৰি, ইজনে-সিজনৰ বিপদত যদি সহায় কৰিবলৈ আগবাঢ়ি আহিব পাৰোঁ, সমাজৰ শান্তি-সম্প্ৰীতি অটুট ৰাখিবলৈ যদি আমি আটায়ে দৃঢ়পৰিকৰ হওঁ, তেনেহ'লে মোৰ বিশ্বাস যে সন্দেহ-সন্দিগ্ধতা নাঁতৰি নোৱাৰে।"

এম, আবিদ আলী :

মঙলদৈৰ ডাক্তৰ এম,আবিদ আলী কেৱল দেহ-ৰোগৰ চিকিৎসকেই নহয়, সমাজ দেহৰ কল্যাণৰ অৰ্থে চিন্তা কৰা অৰ্থাৎ মানসিকতাৰ উৎকৰ্ষসাধনৰ অৰ্থে সাহিত্য সৃষ্টি কৰা লেখকো। তেওঁকো সোধা হৈছিল বোলে ভাৰতত বিভাজনৰ ফলত হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বৃদ্ধি পোৱা বুলি ভাবে নেকি? আমাৰ প্ৰশ্নৰ প্ৰত্যুত্তৰত তেওঁ পোনতে কথাটো নাকচ কৰি দিছিল যদিও পিছত স্বীকাৰ কৰে যে বিভাজনৰ ফলশ্ৰুতিস্বৰূপে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বঢ়া কথা সঁচা। তেওঁৰ নিজৰ ভাষাত—

"ফুটবল খেলত পাকিস্তান বিজয়ী হোৱাত দুই-এক ভাৰতীয় উন্মাদ-উগ্ৰ-মূৰ্খ মুছলমানে পাকিস্তানৰ জয়ধ্বনি দিয়াৰ দৰে কাৰ্যই স্বাভাৱিকতে হিন্দুৰ মাজত মুছলমানৰ প্ৰতি সন্দেহ-সন্দিগ্ধতাৰ সৃষ্টি কৰিবই। পাকিস্তানৰ সৃষ্টিনোহোৱাহেঁতেন এনে সন্দেহৰ সৃষ্টি নহ'লহেঁতেন।"

কিন্তু তেওঁ একে প্ৰসংগত কৈছে—

" অখণ্ড ভাৰততো সাম্প্ৰদায়িক সন্দেহ-সন্দিগ্ধতা আছিল। বগা বগালে তাৰ বীজ ভালকৈয়ে ৰোপণ কৰিছিল। বিভাজনৰ পিছত সি তীব্ৰতৰ ৰূপ

ধাৰণে কৰে। বিভাজনৰ পিছত এই আধা শতিকাব্যাপী সি তুঁহৰ জুইৰ দৰে হৈ আছে। সেয়ে সময়ে সময়ে ফিৰিঙতিৰ পৰা খাণ্ডব দাহ হৈ আছে। কিন্তু বিভাজন নোহোৱাহেঁতেন সন্দেহ-সন্দিগ্ধতা ক্ৰমে লোপ পাবলৈ বাধ্য হ'লহেঁতেন।"

এই সন্দেহ-সন্দিগ্ধতাৰ বিলুপ্তিৰ অৰ্থে পথৰ সন্ধেদ বিচৰাত ডাঃ আলীয়ে জানিবলৈ দিলে বোলে,—

"হিন্দু পণ্ডিতে ৰামায়ণ-মহাভাৰত,গীতা-ভাগবতৰ উপৰি কোৰাণ-হাদীচৰ পণ্ডিতো হ'ব লাগিব। ধৰ্মৰ গূঢ়াৰ্থ তেওঁলোকে উদাৰভাৱে বিলাই দিব লাগিব। মুছলিম মোল্লা-মৌলবীয়ে উৰ্দু-আৰবীৰ উপৰি সংস্কৃত পঢ়ি হিন্দু-শাস্ত্ৰৰ কথা জানিব লাগিব। উভয়ে-উভয়ৰ মত বিনিময় কৰিব পৰা যোগ্যতা আহৰণ কৰিব লাগিব। ৰাষ্ট্ৰৰ স্থান ধৰ্মৰ ওপৰত হ'ব লাগিব। শিক্ষা, নিয়োগ,কল্যাণমূলক আঁচনি, ব্যৱসায়-বাণিজ্য আদি উন্নয়নমূলক বিষয়ত সংখ্যানুপাতে প্ৰতিনিধিত্ব কৰাত গুৰুত্ব আৰোপ, ভাৰত তথা অসমৰ প্ৰকৃত তথা সঁচা ইতিহাস উদঘাটন, বিদেশী ইংৰাজৰ বিভেদমূলক সকলো পাঠ্যপুথি আৰু বুৰঞ্জীৰ বিলোপসাধন কৰিব লাগিব। সংহতিমূলক কাৰ্যসূচী কাৰ্যকৰী কৰাত হিন্দু ভাইসকলে আগভাগ ল'ব লাগিব, প্ৰচাৰ মাধ্যমে ভুল আৰু বিভ্ৰান্তিকৰ বাতৰি প্ৰচাৰ বন্ধ কৰিব লাগিব। সাজ-পাৰ , আহাৰ-বিহাৰ সকলোৰে মাজেদি জাতীয়তাবোধ জাগ্ৰত কৰাৰ ব্যৱস্থা কৰিব লাগিব।"

ড° গিয়াচউদ্দিন আহমেদ ঃ

আমগুৰি কলেজৰ সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক ড° গিয়াচউদ্দিন আহমেদ এগৰাকী উদাৰ গৱেষক । ভাৰত বিভাজনৰ ফলস্বৰূপে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বৃদ্ধি পাইছে নেকি তাৰ সন্ধেদ পাবলৈ বিচৰাত ড° আহমেদে জানিবলৈ দিছে যে তেনে ধাৰণা আংশিক পৰিমাণেহে সত্য। কিন্তু তেওঁ স্বীকাৰ কৰিছে যে,—

"ভাৰত বিভাজন নোহোৱাহেঁতেন দুয়োটা সম্প্ৰদায়ৰ মাজত স্বাভাৱিকতে সমন্বয়ৰ পৰিবেশ সুদৃঢ় হ'লহেঁতেন আৰু সি ক্ৰমে সন্দেহৰ ভাব পাতলালেহেঁতেন। তদুপৰি পাকিস্তানী, হিন্দুস্থানী আদি বিভেদমূলক মনোভাৱ গঢ় লৈ নুঠিলেহেঁতেন।"

বিভেদ-বিচ্ছিন্নতা আঁতৰোৱাৰ উপায়স্বৰূপে ড° আহমেদে পৰামৰ্শ আগবঢ়াই কৈছে—

"দুয়ো সম্প্ৰদায়ৰ মাজৰ সন্দেহ ভাবৰ অৱসান ঘটাবলৈ আমি প্ৰতিজন

শিক্ষিত ব্যক্তি সচেতন হ'ব লাগিব। জনগণৰ মনৰ পৰা অন্ধবিশ্বাস কুপ্ৰথা,গোড়া মৌলবাদীৰ মনোভাৱ আঁতৰ কৰিব লাগিব। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায় আদিৰ বিশ্বাসবোৰে যে সমাজ পৰিবৰ্তনত কোনো প্ৰকাৰৰ অৰিহণা যোগাব নোৱাৰে তাক জনগণৰ মাজত প্ৰচাৰ কৰিব লাগিব। মানুহ গৈ চন্দ্ৰত ভৰি দিলেগৈ,পৰীক্ষা নলীত সন্তান জন্ম দিলে, অন্যান্য গ্ৰহতো বসতিৰ কাৰণে মানুহে প্ৰচেষ্টা চলাইছে, এনে সময়ত আমি কিছুমানে ধৰ্ম-সম্প্ৰদায়ৰ নামত কাজিয়া কৰি মৰিছোঁ। চিকিৎসাৰ ক্ষেত্ৰত আজি হিন্দুই লৈছে মুছলমানৰ তেজ,আৰু মুছলমানে লৈছে হিন্দুৰ তেজ। এনেবোৰ বাস্তৱ সত্য ব্যাপকভাৱে প্ৰচাৰ হ'লে, বিভেদ-বিচ্ছিন্নতা বা সন্দেহ-সন্দিগ্ধতা ক্ৰমে লোপ পাব বুলি আশা কৰিব পাৰি।"

ৰামচৰণ ব্ৰহ্ম ঃ

শিক্ষক,সাহিত্যিক, সমাজসেৱক নলবাৰী জিলাৰ টুপলীয়া নিবাসী ৰামচৰণ ব্ৰহ্মক সমগ্ৰ অসমে জানে। ভাৰত বিভাজনৰ ফলস্বৰূপে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বাঢ়িছে বুলি ভাবে নেকি তাৰ সমিধান শ্ৰীব্ৰহ্মৰ পৰাও জানিবলৈ বিচাৰিছিলো আৰু তেওঁ সমিধানস্বৰূপে জানিবলৈ দিলে,—

" হয়,তেনেদৰে ভাবোঁ।"

ই সন্দেহ-সন্দিগ্ধতা কেনেকৈ দূৰ কৰিব পাৰি তাৰ উপায় জানিবলৈ বিচৰাত তেওঁ ক'লে,—

"ধৰ্মৰ ভিত্তিত দেশ বিভাজন হোৱা সত্বেও যিসকল মুছলমানে হিন্দু সংখ্যাগৰিষ্ঠ 'হিন্দুস্তান'ত শ্ৰদ্ধা-ভক্তি আৰু আপোনত্বৰ আধাৰত ৰৈ গ'ল, সেই শ্ৰদ্ধা-ভক্তি আৰু আপোনত্ব তথা বিশ্বাসক অটুট ৰখাৰ প্ৰথম কৰ্তব্য মুছলমানসকলৰেই বেছি। ভাৰতবৰ্ষ যিহেতু হিন্দু সংখ্যাগৰিষ্ঠ দেশ, ই হিন্দুৰাষ্ট্ৰ নহ'লেও হিন্দুসকলৰ লগত শান্তি-সম্প্ৰীতিৰে আৰু সহযোগিতাৰে একাত্ম হৈ থকাটোৱেই হ'ব ভাৰতীয় মুছলমানসকলৰ দূৰদৰ্শিতাৰ কাম, কিন্তু এই সত্যৰ বাহিৰত অৱস্থান কৰি আওচেৰীয়া মনোভাৱ পোষণ কৰি থাকিলে পৰস্পৰৰ মাজত দেখা দিয়া সন্দেহ-সন্দিগ্ধতাৰ অৱসান ঘটিব বুলি আশা কৰিব নোৱাৰি, সকলো প্ৰকাৰৰ মৌলবাদৰ উৰ্ধ্বত থাকি দেশৰ অতীত-বৰ্তমানৰ সুখ-দুখ আৰু ঐতিহ্যৰ লগত নিৰৱচ্ছিন্নভাৱে নিজক বিলীন কৰি ৰাখিব পাৰিলেই সন্দেহ-সন্দিগ্ধতা ক্ৰমে আঁতৰিব বুলি আশা কৰিব পাৰি।"

সোণাৰাম থাওছেন :

হাফলং নিবাসী সোণাৰাম থাওছেন উত্তৰ কাছাৰ স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য আছিল। আমি তেওঁৰ ওচৰ চাপিও ভাৰত বিভাজনৰ ফলত হিন্দু-মুছলমানৰ মাজত বিভেদ-বিচ্ছিন্নতা বাঢ়িছে নেকি জানিবলৈ বিচৰাত কয় যে—

"ভাৰত বিভাজন নোহোৱাহেঁতেন হিন্দু-মুছলমানৰ ভাবৰ সম্পৰ্ক নিশ্চয় উন্নত হ'লহেঁতেন। সংখ্যাগৰিষ্ঠ হিচাপে হিন্দুসকলৰ চিত্তত মুছলমানসকলৰ প্ৰতি অৱশ্যেই স্নেহ, ক্ষমা আৰু সহিষ্ণুতাৰ ভাব বৃদ্ধি পালেহেঁতেন। মুছলমানসকলেও ভাৰতকে মাতৃভূমি ৰূপে জ্ঞান কৰি হিন্দুসকলৰ প্ৰতি ভাতৃবৎ ব্যৱহাৰ কৰিলেহেঁতেন।"

হিন্দু-মুছলমানৰ মাজত সৃষ্টি হোৱা সন্দেহ-সন্দিগ্ধতা কেনেকৈ দূৰ হ'ব পাৰে সেই বিষয়েও জানিবলৈ বিচৰাত বিশিষ্ট জনজাতীয় নেতাজনে কৈছিল—

"উভয় ধৰ্মৰ মূল উদ্দেশ্য প্ৰচাৰ কৰিব লাগিব আৰু উভয় ধৰ্মৰ জনগণে পৰস্পৰৰ ধৰ্মবিশ্বাস আৰু ভক্তি ভাবৰ আদান-প্ৰদান কৰিব লাগিব। ধৰ্মীয় নেতাসকল প্ৰকৃত অৰ্থতে ধাৰ্মিক হোৱা বাঞ্ছনীয়, তেওঁলোকে গোড়ামি আৰু গৰ্ব ত্যাগ কৰিব লাগিব। মইনুদ্দিন চিস্তিৰ সদৃশ মৌলবী বা ফকীৰ থাকিলে হিন্দুসকলে নিশ্চয় মুছলমানসকলক শ্ৰদ্ধা-ভক্তি কৰিবলৈ ল'ব।"

ডিম্বেশ্বৰ চহৰীয়া :

দৰং জিলাৰ ছিপাঝাৰৰ বিশিষ্ট বয়োবৃদ্ধ নাগৰিক ডিম্বেশ্বৰ চহৰীয়াৰ ওচৰ চাপিও সোধা হৈছিল বোলে ভাৰত বিভাজনৰ ফলস্বৰূপে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বাঢ়িল বুলি তেওঁ ভাবে নেকি? সমিধানস্বৰূপে বৰ্ষীয়ান শ্ৰীচহৰীয়াই জানিবলৈ দিছিল—

"ধৰ্মৰ ভিত্তিত ভাৰত বিভাজন নোহোৱা হ'লেও ধৰ্মীয় গোড়ামি আৰু সহিষ্ণুতাৰ অভাৱত সময়ে সময়ে পাৰস্পৰিক সন্দেহ-সন্দিগ্ধতাৰ ভাব উপজিলহেঁতেন। কিন্তু ধৰ্মৰ ভিত্তিত ভাৰত বিভাজন কৰি নেতাসকলে যি সংকীৰ্ণতাৰ পৰিচয় দিলে, সি সন্দেহ-সন্দিগ্ধতাৰ বৃদ্ধিতহে সহায় কৰিলে। লক্ষ্য কৰিছোঁ যে ভাৰতত থকা মুছলমানসকলৰ একাংশৰ মন সততে পাকিস্তানলৈ উৰা মাৰে, পাকিস্তানৰ যিকোনো সফলতাত ভাৰতীয় সেই মুছলমানসকল উৎফুল্ল হৈ উঠে আৰু তাৰ বিপৰীতে সেই একে অংশ মুছলমান পাকিস্তানৰ লগত ভাৰতৰ সফলতাত হয় হতাশাচ্ছন্ন। ভাৰতত থাকি ভাৰতৰ কল্যাণ কামনা নকৰা সেই অংশ মুছলমানে সন্দেহ-সন্দিগ্ধতা বৃদ্ধিত সাৰ-পানী যোগাইছে মাথোন।"

হিন্দু-মুছলমানৰ সন্দেহ-সন্দিগ্ধতাৰ অৱসান কিদৰে ঘটিব পাৰে সেই বিষয়ে জানিবলৈ বিচৰাত, সমিধানস্বৰূপে শ্ৰীচহৰীয়াই জানিবলৈ দিছিল যে,—

"যেতিয়া জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায় ভেদে আটাইবিলাক দেশবাসীয়ে দেশৰ উন্নতিৰ কাৰণে দেহে-কেহে লাগে, তেতিয়া সাধাৰণতে কোনোৰো মাজত বিভেদ নাথাকে। এয়েই মোৰ জন্মভূমি, ইয়াতেই জীৱনৰ অন্তিম ঘটিব, ইয়াৰ উন্নতি-অৱনতিয়ে নিজৰ উন্নতি-অৱনতি, প্ৰাণ দিব লাগিলেও ইয়াৰ কাৰণেই দিম, নিকাৰ ভুঞ্জিব লাগিলেও এই দেশৰ কাৰণেই ভুঞ্জিম বুলি ভাবিব পাৰিব লাগিব। কথাই-কামে এক হ'ব পাৰিলে আৰু ধৰ্মীয় সহিষ্ণুতাৰ ভাব জাগি উঠিলে, হিন্দু-মুছলমানৰ মাজত অনৈক্যৰ অৱসান ঘটিবই। মুঠতে হিন্দু-মুছলমান উভয়ে উগ্ৰ-সাম্প্ৰদায়িকতাৰে বিনাশ ঘটাব নোৱাৰিলে ভাৰতবৰ্ষৰ ধৰ্ম নিৰপেক্ষতা সম্পূৰ্ণৰূপে নিৰৰ্থক আৰু তেতিয়া সংকীৰ্ণতা আৰু বিভেদ-বিচ্ছিন্নতাও ক্ৰমে বাঢ়ি গৈহে থাকিব।"

কুশল চহৰীয়া ঃ

দৰং জিলাৰ ছিপাঝাৰৰ প্ৰগতিবাদী যুৱ-লেখক কুশল চহৰীয়া। তেওঁৰ পৰাও জানিব বিচাৰিছিলো বোলে ভাৰত বিভাজনৰ পৰা হিন্দু-মুছলমানৰ মাজত সন্দেহ সন্দিগ্ধতা বঢ়া বুলি ভাবে নেকি? সমিধানস্বৰূপে তেওঁ জনালে,—

"ভাৰত বিভাজন নোহোৱাহেঁতেন হিন্দু-মুছলমানৰ মাজত ভ্ৰাতৃত্ববোধ বিৰাজমান হৈ থাকিলহেঁতেন বুলি ক'ব নোৱাৰি। ৰাষ্ট্ৰীয় অৰ্থনীতিয়ে যদি নাগৰিক মাত্ৰৰে অবাধ বিকাশ সুনিশ্চিত কৰিলেহেঁতেন, তেনেহ'লে ধৰ্মীয় চেতনা, গোষ্ঠী চেতনা আৰু আঞ্চলিকতাৰ চেতনাও গা কৰি উঠিব নোৱাৰিলেহেঁতেন; মানুহৰ আবেগক ধৰ্মীয় চিন্তাই ঢাকি ধৰিব নোৱাৰিলেহেঁতেন।"

অ-সম অৰ্থনীতি থকা কাৰণে বা থাকে মানে সন্দেহ-সন্দিগ্ধতাৰ অৱসান নঘটে বুলিও তেওঁ স্পষ্ট ভাষাত জানিবলৈ দিছে। সন্দেহ-সন্দিগ্ধতা আঁতৰোৱাৰ উপায়স্বৰূপে আৰু কৈছে—

"হিন্দু আৰু মুছলমানৰ মাজত দেখা দিয়া সন্দেহ-সন্দিগ্ধতাৰ অৱসান ঘটোৱাৰ মূল বাট এটাই আছে, সেয়া হ'ল ঈশ্বৰ আৰু আল্লাৰ মৃত্যু ঘোষণাৰ যুক্তিনিষ্ঠ সত্যৰ পিনে মানুহৰ-মন আকৰ্ষিত কৰা। নাগৰিকৰ সচেতনতাৰ কাৰণে সামাজিক অনুষ্ঠানবোৰে কাম কৰিব লাগিব। প্ৰচলিত পৰম্পৰাৰ বুকুত নতুন বিশ্ব অভিমুখে এক ঈশ্বৰহীন মানৱতাবাদী সংস্কৃত জীৱনৰ আদৰ্শেৰে আগুৱান হ'ব পাৰিলেহে তাৰ মূল বিষবৃক্ষ উভালি পৰিব।"

ৰামচন্দ্ৰ ডেকা :

ছিপাঝাৰ কলেজৰ যুৱ প্ৰবক্তা ৰামচন্দ্ৰ ডেকা এগৰাকী সমাজকৰ্মীও । বিভাজনৰ ফলত হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বৃদ্ধি পোৱা বুলি ভাবে নেকি তাক তেওঁৰ পৰাও জানিব বিচাৰিছিলো আৰু তাৰ সমিধানস্বৰূপে জানিবলৈ দিলে—

"অকল বিভাজনৰ কাৰণেই সন্দেহ-সন্দিগ্ধতাৰ সৃষ্টি হোৱা নাই; কিন্তু বিভাজনে সন্দেহ-সন্দিগ্ধতা বৃদ্ধি কৰা কথা সঁচা।"

সন্দেহ-সন্দিগ্ধতা আঁতৰোৱাৰ উপায় জানিবলৈ বিচৰাত ক'লে,—

> "হিন্দু-মুছলমান এই সকলো মানুহ যেতিয়ালৈকে প্ৰকৃত অৰ্থত শিক্ষিত নহয়, তেতিয়ালৈকে এই সন্দেহ-সন্দিগ্ধতাৰ অৱসান ঘটিব বুলি ভবাৰ থল নাই। যদি দুই সম্প্ৰদায়ৰে এচাম আদৰ্শবান ত্যাগী নেতাৰ সৃষ্টি কৰিব পৰা যায়, তেতিয়া এই সন্দেহ-সন্দিগ্ধতা বহু পৰিমাণে লোপ কৰিব পৰা যাব। দুই সম্প্ৰদায়ৰ ধৰ্মীয় ৰীতি-নীতিৰ সংস্কাৰ সাধনৰো বিশেষ প্ৰয়োজন আছে।"

মুকুট ভট্টাচাৰ্য :

শ্ৰীভট্টাচাৰ্য অসমৰ এগৰাকী প্ৰগতিবাদী কথা-সাহিত্যিক। তেওঁৰ ওচৰ চাপিও ভাৰত বিভাজনে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতাৰ বৃদ্ধি কৰা বুলি ভাবে নেকি জানিব বিচাৰিছিলো আৰু তেওঁ সমিধানস্বৰূপে জানিবলৈ দিলে,—

" বিভাজন নোহোৱাহেঁতেন ইয়াৰ পৰিসৰ নিশ্চয় আজিৰ দৰে নহ'লহেঁতেন।"

সন্দেহ-সন্দিগ্ধতাৰ অৱসানৰ উপায় জানিবলৈ বিচৰাত শ্ৰীভট্টাচাৰ্যই ক'লে —

> " প্ৰথমে প্ৰচাৰ মাধ্যমৰ অপপ্ৰচাৰৰ বিৰুদ্ধে গুৰুত্বসহকাৰে যুঁজিব লাগিব। কাম-কাজ তথা সাংস্কৃতিক আদান-প্ৰদানৰ মাজেদি হিন্দু-মুছলমানৰ মাজত থকা ভুল বুজা-বুজিৰ অৱসান ঘটাব লাগিব। ইয়াৰ বাবে ক্ষমতাত অধিষ্ঠিতসকলৰ আন্তৰিক প্ৰচেষ্টা অপৰিহাৰ্য। গণতান্ত্ৰিক ধৰ্ম নিৰপেক্ষ আদৰ্শক সৰ্বপ্ৰথমত স্থান দিয়া শক্তি এটাক শাসনৰ দায়িত্বত অধিষ্ঠিত কৰিবপাৰিলেহে সি সম্ভৱপৰ হ'ব পাৰে। সকলো স্তৰৰ সচেতন মহলে অসম তথা ভাৰতত তেনে এখন গণতান্ত্ৰিক চৰকাৰ গঠনৰ কাৰণে যিমান গুৰুত্বসহকাৰে আত্মনিয়োগ কৰে, সাম্প্ৰদায়িকতাকে ধৰি সকলো প্ৰকাৰৰ সন্দেহ-সন্দিগ্ধতাই সিমান সোনকালে তিৰোহিত হ'ব বুলি আশা কৰিব পাৰি।"

দিনেশ শৰ্মা :

নলবাৰী জিলাৰ বুৰঞ্জী প্ৰসিদ্ধ সোণকুৰিহাত ওপজা দিনেশ শৰ্মা এগৰাকী বিশিষ্ট

অসমীয়া সাহিত্যিক। তেওঁ নাভাবে যে বিভাজনৰ কাৰণে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বৃদ্ধি পাইছে।

কাৰণ "ধৰ্মক সাবটি থকা ভাৰতীয় মানুহৰ দেশপ্ৰেমতকৈ ধৰ্মপ্ৰেম বেছি।"

বিভেদ-বিচ্ছিন্নতা, সন্দেহ-সন্দিগ্ধতাৰ অৱসানৰ উপায় বিচৰাত তেওঁ জানিবলৈ দিছে,

> "ধৰ্মক ব্যক্তিগত ক্ষেত্ৰতে আবদ্ধ ৰাখিব লাগে। ৰাজহুৱাভাৱে কোনো ধৰ্মকে পালন কৰিবলৈ দিয়া উচিত নহয়, নাইবা কোনো দায়িত্বশীল মহলে পৃষ্ঠপোষকতা কৰাও উচিত নহয়।"

প্ৰসন্ন কুমাৰ ডেকা ঃ

টিহু কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক সৰ্থেবাৰীৰ প্ৰসন্ন কুমাৰ ডেকা এগৰাকী বিশিষ্ট কথা-সাহিত্যিক। অধ্যাপক ডেকাৰ পৰাও জানিব বিচৰা হৈছিল দেশবিভাজন হোৱাৰ কাৰণে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বৃদ্ধি পোৱা বুলি ভাবে নেকি? সমিধানস্বৰূপে তেওঁ জানিবলৈ দিলে,—

> " ভাৰত বিভাজনৰ আগতেও হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা আছিল, সেই সন্দেহ-সন্দিগ্ধতাৰ কাৰণেইতো ভাৰত বিভাজন হ'ল। ভাৰত বিভাজন নোহোৱা হ'লেও মৌলবাদী শক্তিসমূহ সক্ৰিয় হৈ থাকিলে আৰু সুবিধাবাদী ৰাজনীতিকসকলে তাত ইন্ধন যোগালে, সন্দেহ-সন্দিগ্ধতা আঁতৰিব কেনেকৈ? দেশ বিভাজন নোহোৱাহেঁতেন হিন্দু-মুছলমানৰ মাজত এই কাৰণেই সন্দেহ-সন্দিগ্ধতা থাকিলহেঁতেন।"

ইয়াক দূৰ কৰাৰ উপায় বিচৰাত অধ্যাপক ডেকাই জানিব দিলে,—

" সম্প্ৰদায়গত গোড়ামি আঁতৰাব নোৱাৰিলে সন্দেহ-সন্দিগ্ধতাৰ অৱসান অসম্ভৱ। প্ৰত্যেক ধৰ্মমততে কিছুমান উদাৰ ভাব থাকিলেও সম্প্ৰদায়গত ধৰ্মৰ মাজত গোড়ামিৰ বীজো লুপ্ত হৈ থাকে । সেই কাৰণেই তাক আঁতৰোৱা সহজসাধ্য নহয়। তথাপি বিভিন্ন ধৰ্মৰ মাজত থকা উদাৰতাৰ দিশসমূহ তুলনামূলকভাৱে বিচাৰ-বিশ্লেষণ কৰি মানুহক পৰধৰ্মমতৰ প্ৰতি সহিষ্ণু কৰি তুলিব পাৰিলে, কিছুকাম হ'ব বুলি আশা কৰিব পাৰি। দৰাচলতে তথাকথিত ধাৰ্মিক হোৱাৰ শিক্ষাতকৈ মানুহ হোৱাৰ শিকনিহে প্ৰয়োজনীয়। মই হিন্দু, মই মুছলমান, মই খ্ৰীষ্টান এনে চিন্তাই মানুহক উদাৰ নকৰে, সংকীৰ্ণতাৰ গণ্ডীত আবদ্ধ ৰাখি মানুহক সংকীৰ্ণমনাহে কৰে। সেয়ে ধৰ্মক বাদ দি জাতীয় চিন্তা-চৰ্চা যিমানে হয় সিমানেই মংগলদায়ক। ধৰ্মীয় চিন্তা-চৰ্চাৰ পৰা মুক্ত হ'ব পাৰিলে, সন্দেহ-সন্দিগ্ধতা আঁতৰিব বুলিও আশা কৰিব পাৰি।"

হৰেন্দ্ৰনাথ শৰ্মা ঃ

পাঠশালাৰ প্ৰগতিবাদী বুদ্ধিজীৱী হৰেন্দ্ৰ নাথ শৰ্মাৰ ওচৰ চাপিও জানিবলৈ বিচাৰিছিলো বোলে ভাৰত বিভাজনৰ ফলস্বৰূপে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বৃদ্ধি পোৱা বুলি ভাবে নেকি? সমিধানস্বৰূপে শ্ৰীশৰ্মাই জানিবলৈ দিলে, (যে তেওঁ তেনেকৈ নাভাবে কাৰণ,–)

" ভাৰত অখণ্ড হৈ থকাহেঁতেনো হিন্দু-মুছলমান-শিখৰ মাজত সন্দেহ-সন্দিগ্ধতা আৰু সংঘৰ্ষ লোপ নাপালেহেঁতেনে। কিছুমান নেতৃস্থানীয় মানুহে আজিও ক'ব খোজে যে আটাইবোৰ মুছলমানক পাকিস্তানলৈ খেদি পঠোৱাহেঁতেন, ভাৰতত সাম্প্ৰদায়িকতা নাথাকিলহেঁতেন। আমি জানো হিন্দু-শিখৰ সংঘৰ্ষৰ কথা, উচ্চবৰ্ণৰ হিন্দু আৰু হৰিজনৰ সংঘৰ্ষৰ কথা। এইবিলাক কিয় ঘটি আছে?"

হিন্দু-মুছলমানৰ সন্দেহ-সন্দিগ্ধতা আঁতৰোৱাৰ উপায় বিচৰাত শ্ৰীশৰ্মাই জানিব দিলে,

" যিমান দিন ধৰ্ম থাকিব, সিমান দিন ধৰ্মীয় সংঘৰ্ষও থাকিব আৰু যিমান দিন শ্ৰেণী বিভাজন সমাজ থাকিব, সিমান দিন ধৰ্মও থাকিব। কাৰণ ধৰ্মৰ উৎপত্তি হৈছে শ্ৰেণী বিভক্ত সমাজতহে। শ্ৰেণী পূৰ্ব সমাজত ধৰ্ম নাছিল,আছিল যাদু আৰু এই যাদু হ'ল বিজ্ঞানৰ আদি ৰূপ। যাদুত থাকে প্ৰকৃতিক জয় কৰাৰ তাড়না আৰু ধৰ্মত থাকে দেৱ দেৱীৰ অনুগ্ৰহ ভিক্ষাৰ তাড়না। জয় কৰা আৰু আত্মসমৰ্পণৰ মাজত বিৰাট পাৰ্থক্য। ধৰ্ম মানে তলত পৰি থকা মানুহখিনিয়ে ওপৰৰ শ্ৰেণীৰ মানুহৰকৃপা ভিক্ষা কৰা, ঠিক দেৱ-দেৱীৰ ওচৰত কপা ভিক্ষা কৰাৰ নিচিনা। গতিকে শ্ৰেণী বিভক্ত সমাজত হিন্দু-মুছলমানৰ মাজৰ সন্দেহ-সন্দিগ্ধতা আঁতৰিব নোৱাৰে বুলিহে মই ভাবোঁ।"

গদাধৰ কলিতা ঃ

মাণিকপুৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গদাধৰ কলিতা এগৰাকী প্ৰগতিবাদী চিন্তাবিদ। আমি শ্ৰীকলিতাৰ পৰাও জানিবলৈ বিচাৰিছিলো দেশ বিভাজনৰ ফলত হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বৃদ্ধি পোৱা বুলি ভাবে নেকি তাক জানিবলৈ । তাৰ সমিধানত জানিবলৈ দিলে–

" ভাৰত বিভাজন নোহোৱা হ'লে আজি ভাৰতত যি বাংলাদেশী বা পাকিস্তানী বিদেশীৰ সমস্যা সৃষ্টি হৈছে, সি হয়তো উদ্ভৱ নহ'লহেঁতেন। কিন্তু হিন্দু-মুছলমানৰ মাজত দেখা দিয়া সন্দেহ-সন্দিগ্ধতা তেতিয়াও নিশ্চয় থাকিলহেঁতেন।"

সন্দেহ-সন্দিগ্ধতা বিলুপ্তিৰ অৰ্থে উপায় বিচৰাত শ্ৰীকলিতাই ক'লে—

" ইয়াক লোপ কৰাৰ কাৰণে প্ৰয়োজন ধৰ্ম নিৰপেক্ষ, বৈজ্ঞানিক সমাজতন্ত্ৰ প্ৰতিষ্ঠা — ইয়াৰ ব্যতিৰেকে ইয়াৰ অৱসান কেতিয়াও হ'ব নোৱাৰে। ধৰ্মনিৰপেক্ষ বৈজ্ঞানিক

সমাজতন্ত্র প্ৰতিষ্ঠা হ'লে দেশৰ জনগণৰ মৌলিক সমস্যাবোৰ সমাধান হ'ব আৰু তেতিয়া স্বাভাৱিকতে হিন্দু-মুছলমানৰ মাজত দেখা দিয়া সন্দেহ-সন্দিগ্ধতাৰো অৱসান ঘটিব। তাত বাহিৰে আন কোনো উপায়েৰে হিন্দু-মুছলমানৰ মাজত দেখা দিয়া সন্দেহ-সন্দিগ্ধতাৰ অৱসান ঘটাৰ সম্ভাৱনা নাই।"

মূলচান্দ জৈন ঃ

নলবাৰীৰ বিশিষ্ট ব্যৱসায়ী আৰু জৈন মন্দিৰ সমিতিৰ সম্পাদক মূলচান্দ জৈনৰ পৰাও জানিবলৈ বিচাৰিছিলো একেটা প্ৰশ্নৰ সমিধান আৰু প্ৰথম প্ৰশ্নৰ সমিধানস্বৰূপে জানিব দিলে যে,

" হিন্দু-মুছলমানৰ মাজত আগৰে পৰা সন্দেহ-সন্দিগ্ধতা আছিল, বিভাজনে তাৰ মাত্ৰা বঢ়াইছে মাথোন।"

সন্দেহ-সন্দিগ্ধতা বিলুপ্তিৰ উপায়স্বৰূপে ক'লে—

"শুদ্ধ ৰাজনীতি প্ৰৱৰ্তন হ'ব লাগিব। সুবিধাবাদী ৰাজনীতিকবিলাকেইতো দেশ-বিভাজন কৰিলে। ৰাজনীতিক শুদ্ধ কৰিব পাৰিলে, সুবিধাবাদীৰ মূল উচ্ছেদ হ'ব আৰু লগে লগে মানুহৰ মনৰ পৰা সন্দেহ-সন্দিগ্ধতাও আঁতৰি যাব।"

আব্দুল মজিদ ঃ

নলবাৰীৰ বিশিষ্ট আইনজীৱী যুৱক আব্দুল মজিদ। তেওঁৰ পৰাও একেবোৰ প্ৰশ্নৰে সমিধান বিচাৰিছিলো। তেওঁ একে আষাৰে কয় যে—

" দেশ-বিভাজনৰ ফলত হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বঢ়া কথা সঁচা।"

সমাধানৰ উপায়স্বৰূপে তেওঁ জানিবলৈ দিয়ে—

" সমাজক বিপথে পৰিচালিত কৰে মৌলবাদীসকলে। উভয় ধৰ্মৰ এই বিপথগামী লোকসকলে ধৰ্মক ব্যক্তিগত কথা বুলি ল'ব লাগিব আৰু সমাজ-জীৱনত ধৰ্মৰ অপপ্ৰয়োগ হ'ব নালাগিব। তেতিয়া সন্দেহ-সন্দিগ্ধতা ক্ৰমে আঁতৰিব।"

ৰহিমন হাজৰিকা ঃ

ৰহিমন হাজৰিকা মণ্ডলদৈৰ জীয়াৰী আৰু নলবাৰীৰ বোৱাৰী। তেওঁৰ পৰা একে প্ৰশ্নৰ সমিধান বিচাৰিছিলো। প্ৰথম প্ৰশ্নৰ সমিধানস্বৰূপে তেওঁ জানিবলৈ দিছিল—

"ভাৰত বিভাজন নোহোৱাহেঁতেন অশান্তিপ্ৰিয় লোকে ভাৰতত ভাতৃঘাতী সংঘাতৰ সৃষ্টি কৰি থাকিলহেঁতেন।"

হিন্দু-মুছলমানৰ মাজত গঢ়লৈ উঠা সন্দেহ-সন্দিগ্ধতাৰ অৱসানৰ উপায়স্বৰূপে তেওঁ ক'লে—

" অসমত বসবাস কৰা হিন্দু-মুছলমানসকলে একেলগে একেখন মঞ্চতে বহি দুই পক্ষই মুকলিমনে ভুল বুজাবুজিবোৰ ফঁহীয়াই বিচাৰ কৰিবলৈ অভ্যস্ত হ'লেই অসমত পুনৰ শান্তি-সম্প্ৰীতিৰ পৰিবেশ ঘূৰি আহিব। কিন্তু এই মঞ্চত যাতে কোনো ৰাজনৈতিক দল প্ৰবেশ কৰিব নোৱাৰে তাৰ কাৰণে উভয় পক্ষই সততে সতৰ্ক থাকিব লাগিব।"

চৈয়দ মফিজুদ্দিন আহমেদ ঃ

ৰঙিয়াৰ বিশিষ্ট নাগৰিক চৈয়দ মফিজুদ্দিন আহমেদ এজন সাহিত্যসেৱীও। তেওঁৰ পৰাও দুয়োটা প্ৰশ্নৰে সমিধান বিচাৰিছিলো। প্ৰথম প্ৰশ্নৰ সমিধানস্বৰূপে তেওঁ জানিবলৈ দিলে যে–

"বিভাজনৰ পিছত সঁচাকৈয় সন্দেহ-সন্দিগ্ধতা বাঢ়িছে।"

আশীলৈ আগবঢ়া এই বৰ্ষীয়ান পুৰুষগৰাকীয়ে সন্দেহ-সন্দিগ্ধতা দূৰীকৰণৰ উপায়স্বৰূপে কয়—

"এইটো এটা জটিল প্ৰশ্ন। হিন্দু-মুছলমানৰ মাজৰ সন্দেহ-সন্দিগ্ধতাৰ অৱসান ঘটাব লাগিলে, উভয় সম্প্ৰদায়ৰ মানুহেই সংযমী হ'ব লাগিব। ইয়াৰ বাবে লেখক, বুদ্ধিজীৱী, আইনজ্ঞ সকলোৱে অশেষ ত্যাগ কৰিব লাগিব। মৌলবাদ গোড়াপন্থীসকলক লগত লৈ সভা-সমিতি পাতি উভয় সম্প্ৰদায়ৰ জনগণক সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰিণতি কি তাক ভালকৈ বুজাই দিব লাগিব। ধৰ্মীয় সংগঠনসমূহ, যেনে,– হিন্দু মহাসভা, বিশ্বহিন্দু পৰিষদ, বি-জে-পি, জামাতে ইছলামী,জমিয়ত উলেমাহিন্দ আদি সংগঠনসমূহ নিষিদ্ধ কৰিব লাগিব। অসমৰ ভিতৰত এই সংগঠনসমূহক ক'তো সভা-সমিতি আদি পাতিবলৈ দিব নালাগিব। কোনো অসমীয়াই এই সংগঠনসমূহৰ সদস্য হ'ব নোৱাৰিব। অসমৰ বাহিৰৰ কোনো ধৰ্মীয় নেতাক অসমত সভা- সমিতি পাতিবলৈ দিব নোৱাৰিব। ৰাজনীতিৰ নেতাসকলৰ ভাষণতো কোনো ৰকমৰ বিভেদ-বিচ্ছেদ বা ধৰ্মীয় অনুভূতিৰ কথাই ঠাই পাব নোৱাৰিব। এইখিনি কৰিব পৰিলেও দুই সম্প্ৰদায়ৰ মাজলৈ পুনৰ পূৰ্বৰ মধুৰ সম্পৰ্ক ঘূৰি আহিব।"

লোহিত চন্দ্ৰ দাস ঃ

শ্ৰীদাস নলবৰীয়া, কিন্তু অসম প্ৰসিদ্ধ বামপন্থী ৰাজনৈতিক নেতা। শ্ৰীদাসৰ ওচৰ চাপিও প্ৰশ্ন দুটাৰ সমিধান বিচাৰিছিলো। প্ৰথম প্ৰশ্নৰ সমিধানস্বৰূপে তেওঁ জানিবলৈ দিলে,—

"সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰাম তথা দেশৰ মুক্তি আন্দোলনত দেশ ঐক্যবদ্ধ হোৱাৰ পৰিবৰ্তে বিভাজন এক অতি দুৰ্বহ, গভীৰ সাম্ৰাজ্যবাদী কৌশলৰ অভূতপূৰ্ব দৃষ্টান্ত

দেশ বিভাজন দ্বিজাতি তত্ত্বৰ ভেটিত নোহোৱাহেঁতেন সন্দেহ আৰু সন্দিগ্ধতাৰো জন্ম নহ'লহেঁতেন।"

এই সন্দেহ-সন্দিগ্ধতাৰ নিৰসনৰ উপায় বিচৰাত শ্ৰীদাসে কয়,—

"শ্ৰেণী-সংগ্ৰাম, শ্ৰেণী-চেতনা, শ্ৰেণী-প্ৰেৰণা, শ্ৰেণী-সংঘাত একমাত্ৰ পথ। এই পথেৰেই গণতান্ত্ৰিক, অৰ্থনৈতিক, সাংস্কৃতিক বিকাশৰ জাগৰণসমূহ সংগঠন কৰিব লাগিব। সামাজিক বান্ধোনসমূহৰো কটকটীয়া সংস্কৃতি ৰচিডাল ক্ষণিক ঢিলাই দিয়াৰ প্ৰেৰণা আৰু উদাহৰণৰ সৃষ্টি কৰিব লাগিব। ৰাষ্ট্ৰীয় ক্ষমতা দখল, চাকৰি-বাকৰিত নিযোগ, সাংবিধানিক অধিকাৰসমূহ যথাৰ্থভাৱে পালন কৰা,সংখ্যালঘু-সংখ্যগুৰু এই শব্দবোৰৰ ক্ৰমাগত বিলুপ্তিসাধন আদিক ৰাষ্ট্ৰীয় কৰ্মসূচীৰ অন্তৰ্ভুক্ত কৰিব লাগিব। সংখ্যাগুৰু, সংখ্যালঘু আদি শব্দৰ প্ৰচলন দেশ বিভাজনৰ পিছতহে সঘনাই শুনিবলৈ পোৱা হ'ল। এনেবোৰ শব্দই মানুহক ক্ৰমে সংকীৰ্ণতাৰ মাজলৈ টানি নি আছে আৰু সিবোৰে মানুহক কৰিছে সাম্প্ৰদায়িক। ইবোৰে মানুহৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ভাগত বিভক্ত কৰে। তাৰ পৰা পৰিত্ৰাণৰ উপায় আধুনিক বিজ্ঞান-প্ৰযুক্তিবিদ্যা। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ভেটিত শিক্ষাৰ আমূল পৰিবৰ্তন সাধিব লাগিব। শান্তি-সম্প্ৰীতিৰ অনুকূলে কাম কৰা সমাজ-নেতাই তাৰ কাৰণে কঠোৰ শ্ৰম কৰিব লাগিব। হিন্দু-মুছলমান, শিখ-খ্ৰীষ্টান, আটায়ে যে ভাই -ভাই এই মহাসত্য উপলব্ধি কৰাব পাৰিব লাগিব। ভাতৃত্ববোধে স্বাভাৱিকতেই যে সন্দেহ-সন্দিগ্ধতা আঁতৰাব সি নিশ্চিত।"

লোকনাথ শৰ্মা ঃ

বিশ্বনাথ চাৰিআলি বি-এড কলেজৰ অধ্যক্ষ লোকনাথ শৰ্মা এগৰাকী-প্ৰগতিশীল বুদ্ধিজীৱী। শ্ৰীশৰ্মাৰ পৰাও উল্লেখ কৰি অহা প্ৰশ্ন দুটাৰ সমিধান বিচাৰিছিলো। প্ৰথম প্ৰশ্নৰ সমিধানস্বৰূপে তেওঁ জানিবলৈ দিলে —

" বিভাজনমুখী শক্তিসমূহ ভাৰত বিভাজনৰ আগতো আছিল। জাৰ্মানী হিন্দু-মুছলিম বুলি বিভাজিত হোৱা নাছিল, অন্য কাৰণতহে বিভাজিত হৈছিল। বিভাজনমুখী শক্তিসমূহে বিভিন্ন দেশত বিভিন্ন 'ইছ্যু'ক অস্ত্ৰ হিচাপে লৈ মানুহৰ মাজত সন্দেহৰ সৃষ্টি কৰে।" অধ্যক্ষ শ্ৰীশৰ্মাই দ্বিতীয় প্ৰশ্নটোৰ সমিধানস্বৰূপে জনালে,—

" হিন্দু-মুছলমানৰ মাজত হোৱা সন্দেহৰ অন্ত পৰিব তেতিয়া যেতিয়া ভাৰতৰ প্ৰতিটো হিন্দু আৰু মুছলমানৰ উগ্ৰ সাম্প্ৰদায়িক গোটবোৰক আইনগতভাৱে নিষিদ্ধ কৰিব পৰা হ'ব আৰু ধৰ্মনিৰপেক্ষতাৰ দৃষ্টিৰে হিন্দু-মুছলমান আটাইকে শিক্ষিত কৰি তুলিব পৰা যাব। সকলো মানুহৰ তেজ-মঙহ যে এনে আৰু যে সকলোৱে

একে বায়ুমণ্ডলৰ মাজতে জীৱন-নিৰ্বাহ কৰি আছোঁ তাক অনুভৱ কৰাব পাৰিলে সন্দেহ-সন্দিগ্ধতা যে ক্ৰমে বিলোপ হ'ব তাত সন্দেহৰ থল নাই।"

অসিত বৰণ ৰায় ঃ

বঙাইগাঁও জিলাৰ বিজনী নিবাসী ব্যৱসায়ী অসিত বৰণ ৰায় এগৰাকী বিশিষ্ট সমাজকৰ্মীও। তেওঁৰ ওচৰ চাপিও প্ৰশ্ন দুটাৰ সমিধান বিচাৰিছিলোঁ। শ্ৰীৰায়ে ভাৰত বিভাজনৰ ফলত সৃষ্টি হোৱা সমস্যাৰ কথা বহলাই আলোচনা কৰি কয়,—

" ভাৰত বিভাজন নোহোৱাহেঁতেন সম্প্ৰতি পূব আৰু উত্তৰ-পূব ভাৰতত যিবোৰ সমস্যাই মূৰ দাঙি উঠিছে, সেইবোৰৰ সৃষ্টি নহ'লহেঁতেন। বিভাজনৰ ফলত ভাৰত, বাংলাদেশ, পাকিস্থানত সংখ্যালঘুসকল সংখ্যাগৰিষ্ঠসকলৰ জিম্মাদাৰস্বৰূপ হৈ পৰিছে। বাংলাদেশ বা পাকিস্থানত হিন্দুৰ ওপৰত আক্ৰমণ-অত্যাচাৰ চলিলে ক্ষতিপূৰণ কৰিব লগাত পৰে ভাৰতীয় মুছলমানসকলে আৰু ভাৰতত মুছলমানবিলাক কেনেবাকৈ আক্ৰান্ত হ'লে তাৰ ক্ষতি পূৰণ দিব লগাত পৰে বাংলাদেশ বা পাকিস্তানৰ হিন্দুসকলে। অৱশ্যে তুলনামূলকভাৱে বাংলাদেশ আৰু পাকিস্তানৰ হিন্দুতকৈ ভাৰতৰ মুছমানসকলৰ ওপৰত অত্যাচাৰ হৈছে বহু কম। ইছলামিক ৰাষ্ট্ৰৰ নামত বাংলাদেশ আৰু পাকিস্তানৰ হিন্দুবিলাক দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰূপে অৱহেলিত; কিন্তু ভাৰতত অন্ততঃ আইনৰ চকুত সকলো সমান। পূব আৰু উত্তৰ-পূব ভাৰতত মুছলমান বিদ্বেষ প্ৰায় নাছিল। তদুপৰি ভাৰতৰ আৰ্থসামাজিক অৱস্থা বাংলাদেশতকৈ ভালেখিনি উন্নত। সেয়ে জীৱিকা আৰু নিৰাপত্তাৰ তাড়নাত এই অঞ্চললৈ বাংলাদেশৰ পৰা প্ৰব্ৰজন ঘটে। কিন্তু বাংলাদেশ বা পাকিস্তানলৈ প্ৰব্ৰজন হোৱাৰ প্ৰশ্নই নুঠে। কাৰণ তাত এজন ধনী হিন্দুৰ অৱস্থা গৰীব মুছলমানতকৈ বহু হীন। প্ৰব্ৰজনৰ ফলত জন-গাঁথনিত ৰূপান্তৰ ঘটিব ধৰিছে, থলুৱা অধিবাসীসকল সংখ্যালঘুত পৰিণত হোৱাৰ আশংকা মূৰ্ত হৈ উঠিছে। ফলত কেৱল সন্দেহ-সন্দিগ্ধতা তথা সাম্প্ৰদায়িক বিদ্বেষ বাঢ়িছে। ভাৰতবৰ্ষত মুছলমানসকলে দেশ শাসনত অধিকাৰ লাভ কৰি আছে, মুছলমানৰ হকে তেওঁলোকে কেৱল মাতেই নামাতে, আন্দোলন গঢ়ে বা আন্দোলনৰ ভাবুকি দিয়ে। কিন্তু বাংলাদেশ বা পাকিস্তানত হিন্দুই তেনে অধিকাৰ লাভ কৰিব পৰা নাই। তেওঁলোকে অত্যাচাৰিত মুছলমানক ৰক্ষণা-বেক্ষণা দিবলৈও অসমৰ্থ, কাৰণ তেওঁলোকৰ নিজৰ অস্তিত্বই থৰক-বৰক ।এনেবোৰ কথা আৰু কাৰ্যই স্বাভাৱিকতে ভাৰতীয় হিন্দুসকলক মুছলমানৰ প্ৰতি বিদ্বেষী কৰি তোলে। বিভাজন নোহোৱাহেঁতেন এনে কথা বা পৰিস্থিতিৰ উদ্ভৱেই নহ'লহেঁতেন। সমকালীন

ভাৰতৰ অসংখ্য সমস্যা যে বিভাজন নোহোৱাহেঁতেন উদ্ভৱেই নহ'লহেঁতেন তাৰ ব্যাখ্যা নিষ্প্ৰয়োজন।"

এনেবোৰ সন্দেহ-সন্দিগ্ধতাৰ উপশমৰ উপায়স্বৰূপে শ্ৰীৰায়ে কয়,—

"নেতৃমণ্ডলীয়ে যিমানেই প্ৰতিশ্ৰুতি নিদিয়ক কিয়, শ্ৰেণী-শোষণমূলক সমাজ-ব্যৱস্থাত সন্দেহ-সন্দিগ্ধতা আঁতৰি যোৱা টান। শ্ৰেণী-সমাজ থাকেমানে সন্দেহ-সন্দিগ্ধতা থাকিবই। তাতোকৈ দুখৰ কথা যে শ্ৰেণীহীন সমাজ গঢ়াৰ প্ৰতিশ্ৰুতি দিয়া সাম্যবাদী দল-মতৰ অনুগামীসকলৰো এই বিষয়ে স্পষ্ট ধাৰণাৰ অভাৱ পৰিলক্ষিত । দুৰ্ভাগ্যৰ বিষয় যে বামপন্থীসকলৰ অনেকেই ব্যস্ত ক্ষমতালাভৰ দৌৰতহে।"

গফুৰ আলী ঃ

প্ৰায় দুবছৰ আগতে ১০৪ বছৰ বয়সত মৃত্যুবৰণ কৰা গফুৰ আলী মহাজন আছিল নলবাৰীবাসী সমূহ হিন্দু-মুছলমান ৰাইজৰ শ্ৰদ্ধাৰ পাত্ৰ। জীৱন্ত কালতে তেওঁৰ লগত প্ৰসংগক্ৰমে দেশ বিভাজনৰ পৰা উদ্ভৱ হোৱা সমস্যাবিলাকৰ বিষয়ে কথা পাতিছিলো আৰু তেওঁ মুক্তকণ্ঠে জনাইছিল যে দেশ বিভাজন নোহোৱা হ'লে অন্ততঃ অসমত হিন্দু-মুছলমানৰ মাজত সদ্ভাব অটুট থাকিলহেঁতেন। দেশ বিভাজনৰ কাৰণে তেওঁ ক্ষমতা খকুৱা উভয় সম্প্ৰদায়ৰ ৰাজনৈতিক নেতাক জগৰীয়া কৰাৰ দৰে বিদ্বেষ সৃষ্টি কৰাৰ কাৰণেও জগৰীয়া কৰিছিল ৰাজনৈতিক নেতাকেই। নেতাৰ দুৰ্বলতাৰ সুযোগ লৈ মৌলবাদীয়ে বিদ্বেষ আৰু ঘৃণাৰ বিষাক্ত বাষ্প বিয়পাই দিবলৈ সমৰ্থ হৈছিল বুলিও জানিব দিছিল ।

আমীৰ আলী ঃ

প্ৰায় ৮৫ বছৰ বয়সত দুবছৰ আগতে মৃত্যুবৰণ কৰা আমীৰ আলী আছিল আজীৱন শিক্ষক। আজান-নামাজ-ৰোজা আদিৰ ওপৰত তেওঁৰ আস্থা আছিল, কিন্তু সেই বুলি মৌলবাদী নাছিল। মৃত্যুৰ আগে আগে এদিন কথা প্ৰসংগত তেওঁ জানিবলৈ দিছিল যে ভাৰত বিভাজন নোহোৱাহেঁতেন হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বৃদ্ধি নাপালেহেঁতেন। তেওঁ ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ গঢ়ি তুলিব পাৰিলেও সন্দেহ-সন্দিগ্ধতা ক্ৰমে ক্ৰমে আঁতৰিবলৈ বাধ্য বুলিও অভিমত প্ৰকাশ কৰিছিল তেওঁৰ পুত্ৰ আনোৱাৰ হুছেইনৰ সাক্ষাতত।

ৰমণী বৰ্মন ঃ

নলবাৰী মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ প্ৰবক্তা ৰমণী বৰ্মন বৰ্তমান অসমৰ

জনতা দলৰ ৰাজ্যিক নেতা। তেওঁৰ ওচৰ চাপিও একেবোৰ প্ৰশ্নকে উত্থাপন কৰা হৈছিল। প্ৰথম প্ৰশ্নটোৰ সমিধানস্বৰূপে তেওঁ জানিবলৈ দিয়ে যে,—

" মুছলিম লীগৰ দাবী অনুযায়ী ধৰ্মৰ ভিত্তিত ভাৰত বিভাজন হোৱা কাৰণে সন্দেহ-সন্দিগ্ধতাৰ ভাব ৰৈ গ'ল। পৰৱৰ্তীকালত মৌলবাদী শক্তিসমূহৰ কাৰ্য-কলাপ আৰু ভাৰতৰ অংগৰাজ্য জম্মু আৰু কাশ্মীৰক কেন্দ্ৰ কৰি পাকিস্তানে বহন কৰা ভাৰতবিৰোধী ভূমিকাৰ কাৰণে সন্দেহ-সন্দিগ্ধতা ক্ৰমে বৃদ্ধি পাইছে। ব্যক্তিগত আৰু দলীয় তুচ্ছ স্বাৰ্থ চৰিতাৰ্থ কৰাৰ অৰ্থে উভয় সম্প্ৰদায়ৰ ৰাজনৈতিক নেতাসকলেও এই সন্দেহ-সন্দিগ্ধতাৰ জুইত ঘিউ ঢালি সন্দেহ-সন্দিগ্ধতা বৃদ্ধি কৰি আছে মাথোন।"

এই সন্দেহ-সন্দিগ্ধতা আঁতৰোৱাৰ উপায় বিচৰাত অধ্যাপক বৰ্মনে জানিবলৈ দিলে—

> " ধৰ্মনিৰপেক্ষ ব্যক্তি আৰু সংগঠনসমূহে মৌলবাদী শক্তিসমূহৰ বিৰুদ্ধে শক্তিশালী জনমত গঢ়ি তোলাৰ লগতে স্বাৰ্থান্ধ ৰাজনৈতিক দল আৰু নেতাৰ মুখা খুলি দি জনগণক সমাজ সচেতন গণতান্ত্ৰিকৰূপে গঢ়ি তুলিব পাৰিলে সাম্প্ৰদায়িক সন্দেহ-সন্দিগ্ধতা ক্ৰমে আঁতৰিব বুলি আশা কৰিব পাৰি।"

জনগণৰ মাজত দেশ বিভাজনৰ প্ৰতিক্ৰিয়া ঃ

ওপৰৰ সাক্ষাৎ প্ৰসংগবোৰৰ পৰা অসমৰ বুদ্ধিজীৱী সমাজে দেশ বিভাজনক কিদৰে গ্ৰহণ কৰিছে তাক প্ৰায় স্পষ্টভাৱে উপলব্ধি কৰিব পৰা হৈছে। অৱশ্যে আমি নিজে আটাইৰে মন্তব্যৰ লগত একমত নহয়, সেই কথাও আলোচনা কৰিবলৈ চেষ্টা কৰিছোঁ। তাৰ আগতে সাধাৰণ অনাখৰী আৰু শ্ৰমকাৰী মানুহে দেশ বিভাজনক কি ৰূপত অনুভৱ কৰিছিল তাক বৰাক উপত্যকাৰ পৰা পোৱা দুটা লোকগীতৰ মাধ্যমেৰে ফুটাই তুলিব বিচাৰিছোঁ। যিসকলে ভাবে যে দেশ বিভাজন আছিল অপৰিহাৰ্য, সেইসকলে এই গীত দুটাৰ পৰা জনগণ কিদৰে বিভাজন বিৰোধী আছিল, বিভাজনে সমাজ-সংহতি কিদৰে চূৰমাৰ কৰি দিছিল আৰু কেৱল একাংশ ৰাজনৈতিক নেতাক প্ৰভুত্বৰ গাদী লাভতহে সহায় কৰিছিল, তাক লোকসমাজৰ দৃষ্টিৰে বঢ়িয়াকৈ উপলব্ধি কৰিব পাৰিব নিশ্চয়। আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল এয়ে যে গীত দুটাই আনকি লোকসমাজৰ সমাজ-সচেতন অনুভূতিৰ লগতো পৰিচয় হোৱাৰ সুযোগ দিয়ে। লৰ্ড মাউণ্ট বেটেন তথা বৃটিছ চৰকাৰৰ ষড়যন্ত্ৰৰ ফলতেই যে দেশবিভাজন সম্ভৱপৰ হ'ল, তাতো গীত দুটাই আলোকপাত কৰিবলৈ এৰা নাই। বৰাক উপত্যকাৰ লোকসমাজৰ মৌখিক ভাষাত ৰচিত গীত দুটা হ'ল ক্ৰমে —

(১)
মা মাগ' সুবিচাৰ আৰু নাই গ' দেশে
স্বেচ্ছাচাৰ বাইৰ আইল ।। ধু।।
যুগ নিদ্রাতে আজ কেন তাৰা দুক্ষ
হৰা জগত জননী
হল সুণাৰ * ভাৰত দ্বিখণ্ডিত — * সুণাৰ = সোণৰ
সুখেৰ দিন অইল* গত । — * অইল = হ'ল।
সদায় সহ্য কৰি দুক্ষ আৰ গ্লনি।
মাগ' হিন্দুস্তানে পাকিস্তানে
দেশ বিভক্ষ অয়* কুক্ষণে — * অয় = হয়
মাউণ্ট বেটেন কুচক্রান্তেৰ ফলে।
আবাৰ বিশেষত গৰীবেৰা দৰিদ্র
অয়ে* পড়ে মা মাগ' সুবিচাৰ আৰ — * অয়ে = হয়ে
নাই গ' দেশে স্বেচ্ছাচাৰ বাইৰ আইল।।
মাগ' কত সতী আৰায়* পতি — * আৰায় = হেৰায়
লাঞ্ছিতা সব মায়েৰ জাতি
সিথিৰ সিন্দুৰ অকালে মুছিল।
কতপুত্র আৰা * হয় জননী — * আৰা = হাৰা
ভাই ভাই আৰা অল * — * অল = হল
সুবিচাৰ আৰ নাই গ' দেশে
স্বেচ্ছাচাৰ বাইৰ আইল।।

(২)
কি আগুন জ্বলিল এই সুণাৰ ভাৰতে
দিবা নিশি ভাবিৰে উপায় না দেখিয়া ।। ধু ।।
ভাইৰে হিন্দুস্তানে পাকিস্তানে
দেশ বিভক্ত অইয়াৰে ভাই
দেশ বিভক্ত অইয়া
দেশেৰ মা বইন সব ছুটে এল
ভাত কটিৰ লাগিয়া ৰে।
ভাইৰে ভাই মন্ত্রীগণে ঘুৰে বেড়ায়
এৰ'প্লেন চড়িয়াৰে ভাই এৰ'প্লেন চড়িয়া

দেশেৰ নেতাৰা সব সুখে আছে
গদ্দিৰ আসন পাইয়া ৰে
দিবা নিশি ভাবিৰে উপায় না দেখিয়া।।

বিভাজন যুগ-চেতনা বিৰোধী ঃ

ভাৰতত হিন্দু-মুছলমানৰ মাজত গঢ় লৈ উঠা সন্দেহ-সন্দিগ্ধতা একো নতুন কথা নহয়, সঁচা, ই প্ৰায় বাৰশ বছৰীয়া পুৰণা, মহম্মদ বিন কাছিমে সিন্ধু জয় কৰা দিনৰে পৰা এই সন্দেহ-সন্দিগ্ধতা বৰ্ত্তি আহিছিল। কিন্তু তেতিয়া আছিল সামন্তযুগ, সামন্ত প্ৰভুসকলৰ ইচ্ছা অভিপ্ৰায় আছিল তেতিয়াৰ দিনৰ সৰ্বজন সমাদৃত নীতি-নিয়ম। সমগ্ৰ পৃথিৱীব্যাপী তেতিয়া পৰৰ ৰাজ্য মাৰি নিজৰ ৰাজ্য বহল-বিস্তৃত কৰাই আছিল তেতিয়াৰ দিনৰ বিচক্ষণ ৰাজনীতিৰ নিদৰ্শন। আমাৰ অসম বুৰঞ্জীত আহোম ৰজা ৰুদ্ৰসিংহক 'মহাৰাজ' ৰূপে অভিহিত কৰা হৈছে; তাৰ অন্যতম মূল কাৰণ এয়ে যে তেওঁ সামৰিক অভিযান চলাই নিজ ৰাজ্য বহল-বিস্তৃত কৰাৰ ওপৰত গুৰুত্ব দিছিল। ৰজা ৰুদ্ৰসিংহই দিগ্‌বিজয়ৰ অভিলাষেৰে যেতিয়া মন্ত্ৰী-ডাঙৰীয়াসকলৰ সমৰ্থন বিচাৰিছিল, তেতিয়া কেন্দুগুৰীয়া বৰপাত্ৰ গোহাঁই অগবঢ়োৱা উষ্ণ সমৰ্থন—

" ৰজা হলে পৰশত্ৰুক মাৰি আপুনাৰ সীমনাৰাখি ৰাজ্য লৱনেসে যোগ্য।"

আজিকোপতি অসম বুৰঞ্জীত বিচক্ষণ ৰাজনীতিৰ নিদৰ্শনস্বৰূপে সমাদৃত হৈ থকা নাই নে? বিভাজন নহয়, বিৰাট-বিপুলকৰণহে তেতিয়াও আছিল লক্ষ্য। আধুনিক যুগ কিন্তু গণতান্ত্ৰিক যুগ; গণতান্ত্ৰিক যুগে যুঁজ-বাগৰো সমৰ্থন নকৰে, গণতন্ত্ৰত আনক মাৰি নিজ ৰাজ্য বৃদ্ধিৰ প্ৰচেষ্টাও ঘৃণনীয়, আনকি দেশ বিভাজনৰ সলনি ৰাষ্ট্ৰসংঘক বিশ্বগণপৰিষদলৈ ৰূপান্তৰিত কৰি এখন বিশ্ব ৰাষ্ট্ৰ গঢ়ি তোলাহে এই গণতান্ত্ৰিক যুগৰ সচেতন জনগণ আৰু বিচক্ষণ গণতান্ত্ৰিক নেতাসকলৰ লক্ষ্য। গণতন্ত্ৰত ধ্বংসৰ স্থান নাই, গণতন্ত্ৰ সৃষ্টিৰ মহান প্ৰেৰণাহে। আধুনিক গণতন্ত্ৰত দেশ বিভাজন যুগ-চেতনা পৰিপন্থী কাৰ্য নিদৰ্শন মাথোন। যি দ্বিজাতি তত্ত্বৰ অৱলম্বনত ইংৰাজে ভাৰত দ্বিখণ্ডিত কৰি থৈ গ'ল, সি অতি টুলুঙা আৰু তেনেই বিভ্ৰান্তিকৰ।

জাতি আৰু সম্প্ৰদায় ঃ

দ্বিজাতি তত্ত্ব লোকসমাজে কোনো দিনেই সমৰ্থন কৰা নাই। স্থানান্তৰত উধৃত লোকগীত জাত-পাত, স্পৃশ্য-অস্পৃশ্য, খাদ্য-অখাদ্য আদিৰ টুলুঙা পাৰ্থক্যক বিদ্ৰূপহে কৰিছে। কিন্তু দেশী-বিদেশী মুখাফুটা ৰাজনীতিজ্ঞসকলে দ্বিসম্প্ৰদায়,— হিন্দু-মুছলমানক জাতিৰূপে নিৰ্ণয় কৰি ভাৰত বিভাজন কৰিহে এৰিলে। অথচ হিন্দু-মুছলমান দুটা সম্প্ৰদায়হে, জাতি নহয়, অসমীয়া, বাঙালী, বিহাৰী, কাশ্মীৰী, গুজৰাটী, মহাৰাষ্ট্ৰী আদিক

জাতি বুলিলে ভাৰতক বুলিব লাগিব এটা মহাজাতিহে। হিন্দু-মুছলমান, শিখ-খ্ৰীষ্টান, জৈন-বৌদ্ধ, শাক্ত-শৈব-বৈষ্ণৱ আদি সম্প্ৰদায়হে কেৱল; জাতি নহয়। আধুনিক পৃথিৱীত এনে এটাও জাতি নাই য'ত একাধিক সম্প্ৰদায়ৰ মানুহে একেলগে বসবাস নকৰে। যি ইংৰাজ জাতিয়ে ভাৰত বিভাজন কৰি থৈ ভাৰতবাসীক অনন্ত হিংসা-ঘৃণা আৰু ভাতৃঘাতী সংঘাতত বুৰাই থৈ গ'ল, সেই ইংৰাজ জাতিৰ মাজতেই দেখোন— ইংলেণ্ড, স্কটলেণ্ড, আয়াৰল্যাণ্ড এই তিনিটা ভিন ভিন জাতি-গোষ্ঠীৰ লোকে শ শ বছৰব্যাপী একে শাসন ব্যৱস্থাৰ অধীনত জাতীয় জীৱন নিৰ্বাহ কৰি আহিছে। যি চুইজাৰল্যাণ্ডক আধুনিক পৃথিৱীত আদৰ্শ গণতন্ত্ৰৰূপে প্ৰতিপন্ন কৰা হয়, তাত দেখোন জাৰ্মান, ইটালী, ফৰাচী আৰু লেটিন ভাষা-ভাষী মানুহ ভৰি আছে, চুইজ বোলা এটা ভাষাই তাত নাই। অথচ আটায়ে মিলি এক চুইজ জাতি ৰূপে প্ৰবৰ্তি আছে, সমগ্ৰ বিশ্বই আদৰ্শ জাতিৰূপে চুইজাৰল্যাণ্ডক সন্মান কৰে। এনেদৰে অসংখ্য নিদৰ্শন দাঙি ধৰি প্ৰতিপন্ন কৰিব পাৰি যে বহুভাষা, বহুগোষ্ঠী, বহুধৰ্ম-সম্প্ৰদায়ৰ লোকৰ বসতি স্থান ভাৰতো এটা জাতিহে। অৱশ্যে ইংৰাজ পুৰুষেই জাতিৰ সংজ্ঞা নিৰ্ধাৰণ কৰি থৈ গৈছে—

> " জাতি বা জাতিসত্তা বুলিলে সংগঠিতভাৱে বহুকালজুৰি এক বিশেষ ভৌগোলিক পৰিবেশৰ মাজত বসবাস কৰা লোকসমষ্টিকেই সূচোৱা হয় আৰু সাধাৰণতে সেই লোকসমষ্টি এক বিশেষ প্ৰজাতিৰ পৰা বাঢ়ি আহে, সেই লোকসমষ্টিৰ ভাষা আৰু বুৰঞ্জী একে আৰু সেই লোকসমষ্টিয়ে এ.কে ৰাজনৈতিক সংগঠন তথা চৰকাৰৰ অধীনতো বসবাস কৰে।"[২]

এই সংজ্ঞা ইংলেণ্ডৰ ক্ষেত্ৰতেই প্ৰযোজ্য নহয় এনে সংজ্ঞাৰ স্থান সমকালীন পৃথিৱীত নৰজে; আধুনিক পৃথিৱীৰ প্ৰায় প্ৰতিটো জাতিয়ে বহুভাষিক, বহু সাম্প্ৰদায়িক আৰু বহু সাংস্কৃতিকো। হিন্দু এটা জাতি নহয়,ভাৰতহে এটা জাতি, মুছলমান এটা জাতি নহয়, আৰবহে এটা জাতি। মুছলমানবিলাক পোনতে আৰব দেশৰ পৰা আহিছিল সঁচা, কিন্তু তেওঁলোক ভাৰতত থাকিবলৈ লোৱাৰে পৰা তেওঁলোক ভাৰতীয় হৈছে, তেওঁলোক আৰবীয় হৈ থকা নাই। ভাৰতত মুছলমানক এটা জাতিৰূপে প্ৰতিপন্ন কৰিব বিচৰা কাৰ্য আছিল পৰ্বতপ্ৰমাণ ভুল আৰু আছিল কেৱল সাম্ৰাজ্যবাদী শোষণ চৰিতাৰ্থ কৰাৰ অৰ্থে ইংৰাজৰ এটা বিৰাট কৌশল মাত্ৰ। দুৰ্ভাগ্যৰ বিষয় যে ভাৰতৰ অধিকসংখ্যক হিন্দু - মুছলমান নেতৃবৰ্গই ইংৰাজৰ সাম্ৰাজ্যবাদী শোষণৰ কৌশলৰ স্বৰূপ উপলব্ধি কৰাত ব্যৰ্থ হৈছিল , তাতোকৈ দুৰ্ভাগ্যৰ কথা যে দেশ বিভাজনৰ আধা শতিকা কাল পিছতো, সেই নেতৃবৰ্গৰ উত্তৰাধিকাৰসকলে ভাৰত বিভাজনৰ পৰা উদ্ভৱ হোৱা বিষম সমস্যাসমূহ উপলব্ধি কৰিবলৈ সমৰ্থ হোৱা নাই। যথাৰ্থ যুক্তৰাষ্ট্ৰীয় গণতান্ত্ৰিক চিন্তা-চেতনাৰ অভাৱত ৰাজ্যবোৰকে ধৰি সমগ্ৰ ভাৰত খণ্ড-বিখণ্ড হৈ পুনৰ থানবান হোৱাৰ আশংকা আঁতৰি

যোৱা নাই। আজি মহাজাগতিক যুগত ক্ষুদ্র ক্ষুদ্র ৰাজ্য বা ৰাষ্ট্ৰত বিভক্ত হোৱাৰ প্ৰৱণতা সম্পূৰ্ণৰূপেই পশ্চাৎমুখী চিন্তা-চেতনাৰ নিদৰ্শন।

বিভাজন আৰু মুছলমানসকল ঃ

যিকোনো বিবেকী দেশপ্ৰেমীয়েই ক'ব যে বিভাজন অপিৰহাৰ্য নাছিল। দূৰদৰ্শী ৰাজনৈতিক পুৰুষ আবুল কালাম আজাদে কৈ যোৱাৰ দৰে বিভাজনৰ পৰা হিন্দু-মুছলমান উভয় সম্প্ৰদায়েই হৈছে আগতকৈ বহু বেছি ক্ষতিগ্ৰস্ত আৰু ভাৰতত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে যেন মুছলমানসকলেই। বিভাজনৰ ফলত ভাৰত মুছলমানহীন নহ'ল, এক মুষ্টিমেয় সংখ্যকহে, বিশেষকৈ মুছলিমলীগৰ জিন্না, ভূট্টো প্ৰমুখ্যে নেতৃবৰ্গইহে ভাৰত এৰি গৈ পাকিস্তানত যোগদান কৰিছিল; শ্ৰমকাৰী মুছলমান তিনি কোটিতকৈও অধিক ভাৰতত ৰৈ গৈছিল। এই পঞ্চাশ বছৰে মুছলমানৰ সংখ্যা বাঢ়ি এঘাৰ কোটি হৈছেগৈ আৰু ই পৃথিৱীৰ যিকোনো দেশৰ মুছলমান জনসংখ্যাতকৈ বেছি। শ্ৰমকাৰী মুছলমানে যে ভাৰত বিভাজন সমৰ্থন কৰা নাছিল, ইয়াৰ জ্বলন্ত নিদৰ্শন। কিন্তু মুছলমান অৰ্থাৎ লীগৰ নেতৃত্বই পাকিস্তান বিচাৰিছিল মুছলমানসকলৰ কাৰণেহে। পাকিস্তানৰ নিৰ্মাতা মুছলমানহে, হাজাৰ হাজাৰ বছৰব্যাপী ভাৰতীয় সভ্যতা-সংস্কৃতিৰ পীঠস্থানৰূপে বিশ্ববৰেণ্য সিন্ধু উপত্যকা ভাৰতৰ পৰা বিচ্ছিন্ন হৈ পাকিস্তানৰ অন্তৰ্ভুক্ত হোৱা কাৰ্য ভাৰতীয়ৰ কাৰণে কম বেদনাদায়ক নহয়। চূড়ান্ত ত্যাগৰ পিছতো ভাৰত মুছলমান শূন্য নহ'ল, বৰং পাকিস্তানতকৈ ভাৰতত মুছলমানৰ সংখ্যা বহু বেছি হৈ থাকিল। এই বিপুলসংখ্যক মুছলমান হিন্দু ভাৰতীয়ৰ মানত অনাৱশ্যকীয় বোজাৰূপে বিবেচিত হোৱা কিন্তু অস্বাভাৱিক কথা নহয়। ফলত ভাৰতত ৰৈ যোৱা মুছলমানসকল এহাতে হ'ল অৱহেলিত,আনহাতে সন্দেহৰ পাত্ৰ। ক্ষমতাত অধিষ্ঠিত দলৰ নেতৃবৰ্গই তেওঁলোকক ফেচীবাদী কৌশলেৰে ভোটবেংকৰূপে ব্যৱহাৰ কৰিবলৈ ল'লে। ই ভাৰতীয় মুছমানসকলৰ কাৰণে কম বেদনাদায়ক কথা নহয়। আনকি সেই ফেচীবাদী নেতা অংশই ক্ষমতাত অধিষ্ঠিত তেওঁলোকৰ দলক মুছলমানে সমৰ্থন নিদিলে পাকিস্তানলৈ যাব লাগিব বুলি ভাবুকি দি অপমান কৰিবলৈও এৰা নাছিল, আজিও এৰা নাই। সিমানেই নহয়, মুছলমানসকলক পাকিস্তানৰ গুপ্তচৰ বুলি অপমান কৰিবলৈও এৰা নাই। পূব পাকিস্তান বাংলাদেশলৈ ৰূপান্তৰিত হোৱাৰ পিছত অসমৰ দাড়ি থকা আৰু টুপী-লুঙী পৰিহিত মুছলমানকেই বাংলাদেশী বিদেশীৰূপে বিনাদ্বিধাই অপমান কৰিবলৈও কুণ্ঠাবোধ নকৰাত পৰিছে। এনে অপমান কেৱল অগণতান্ত্ৰিক বা ফেচীবাদীয়েই নহয়, অমানৱীয়ও।

এনে সন্দেহ-সন্দিগ্ধতাৰ সৃষ্টিৰ মূল দেশ বিভাজন। স্থানান্তৰত পাই আহিছোঁ যে অসমৰ পুৰণি মুছলমানসকলে হিন্দুৰ সৈতে মিলি এক নতুন ভাৰতীয় সাংস্কৃতিক জীৱনৰ সূচনা কৰিছিল। নামৰ ক্ষেত্ৰতো তেওঁলোক প্ৰায় হিন্দুৰ সদৃশ হৈ পৰিছিল। কিন্তু

পৰৱৰ্তী কালত, বিশেষকৈ ছাদুল্লা চৰকাৰৰ কালত অহা পূৰ্ববংগৰ পামুৱৈ বা অভিবাসী মুছলমানসকল অসমত প্ৰৱেশ কৰাৰ আগতেই সাম্প্ৰদায়িক ৰূপে গঢ় লৈ উঠিছিল, তেওঁলোকৰ এক গৰিষ্ঠসংখ্যক সাম্প্ৰদায়িক হৈয়ে থাকিল। সেই অংশই কেৱল অসমৰ হিন্দু অংশৰ লগতেই যে মিলিব পৰা নাই তেনে নহয়, অসমৰ পুৰণি মুছলমানসকলৰ লগতো মিলিব পৰা নাই। অসমত থলুৱা মুছলমানতকৈ অভিবাসী মুছলমানৰ সংখ্যাই বেছি। দেশ বিভাজনৰ আগে-পিছে হিন্দু বাঙালী আহিও অসম ভৰি পৰিছে। তদানীন্তন পূব পাকিস্তানৰ মুছলমানৰ ভয়ত প্ৰাণৰ তাড়নাত তেওঁলোক আহি অসমকে ধৰি পূব আৰু উত্তৰ-পূব ভাৰতত প্ৰবেশ কৰিছিল। এই অংশ বাংলাভাষী হিন্দুই –

অভিবাসী মুছলমানক শত্ৰু যেন দেখে। অভিবাসী এই অংশ হিন্দুৰ ধাৰণা যে একমাত্ৰ মুছলমানসকলৰ কাৰণে তেওঁলাকে পৈতৃক ঘৰ-সম্পত্তি আনকি প্ৰিয়-পৰিজনকো হেৰুৱাই জীৱিকাৰ তাড়নাত অৰণে-দৰণে ঘূৰি ফুৰিব লগাত পৰিছে; প্ৰায় সকলো সময়তে ভাৰতীয় নাগৰিকৰ অৱহেলা-অৱমাননা আৰু কেটেৰা-জেঙেৰাৰ সমুখীন হ'ব লগাতো পৰিছে। বাংলাদেশত বা পাকিস্তানত ৰৈ থকা হিন্দু অংশৰ ওপৰত তাৰ মুছলমানসকলে চলোৱা অত্যাচাৰ-নিপীড়নৰ কথাও অহৰহকাণে পহৰকাণে তেওঁলোকে শুনে। এইবোৰে তেওঁলোকক প্ৰতিশোধপৰায়ণ কৰি তোলে। আন নহ'লেও অভিবাসী মুছলমানসকলৰ প্ৰতি পোষণ কৰে হিংসা-ঘৃণা। এই অংশ হিন্দু অভিবাসী হিন্দু মৌলবাদী সংগঠনৰ সক্ৰিয় সদস্যভুক্ত হৈ পৰি মৌলবাদী সংগঠন কৰি তোলে শক্তিশালী । তাৰ বিপৰীতে মুছলমান অভিবাসী অংশৰো এক ব্যাপক অংশই জীৱন-জীৱিকাৰ তাড়নাতে আশ্ৰয় লয় মুছলমান মৌলবাদী সংগঠনৰ।

ইয়ে মৌলবাদীৰ হাত শক্তিশালী কৰি তুলিছে; হিন্দু-মুছলমান উভয় পক্ষৰ মৌলবাদীসকল যুজুৎসু আৰু প্ৰতিহিংসাপৰায়ণো হৈ উঠিছে; অস্ত্ৰ-শস্ত্ৰ সংগ্ৰহ কৰি প্ৰত্যক্ষ সংগ্ৰামত লিপ্ত হ'বলৈও প্ৰস্তুতি চলাব ধৰিছে বা চলাই আছে। সিমানেই নহয়, মৌলবাদী অংশই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি দেশৰ ৰাজনীতি নিজৰ নিজৰ নেতৃত্বাধীন কৰিবলৈও চলাইছে তীব্ৰ প্ৰতিযোগিতা। অসম তথা সমগ্ৰ ভাৰতৰ এক ব্যাপকসংখ্যক সংবাদপত্ৰ মৌলবাদীৰ দ্বাৰা নিয়ন্ত্ৰিত। এই সংবাদপত্ৰ বা প্ৰচাৰ-মাধ্যমসমূহে পক্ষপাতিতামূলক প্ৰচাৰ কাৰ্যৰ দ্বাৰা হিন্দু-মুছলমানৰ মাজত সৃষ্টি কৰি আছে কেৱল হিংসা-ঘৃণাৰ। দেশ বিভাজন হোৱাৰ আগতেই মৌলবাদীৰদ্বাৰা সংবাদপত্ৰ নিয়ন্ত্ৰিত নোহোৱাকৈ থকা নাছিল ; তেতিয়াও সেই সংবাদপত্ৰসমূহে পক্ষপাতিতামূলক সংবাদ পৰিবেশন কৰি হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছিল। কিন্তু বিভাজনৰ ফলত ভাৰত-বাংলাদেশ-পাকিস্তানৰ মাজত মৌলবাদী অংশই সৃষ্টি কৰা সন্দেহ-সন্দিগ্ধতা বিভাজন আগতকৈ সম্পূৰ্ণ পৃথক; কেৱল হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা সৃষ্টি কৰিয়ে সংবাদ মাধ্যম ক্ষান্ত থকা নাছিল, আন্তৰাষ্ট্ৰীয় হিংসা-

ঘৃণা আৰু শত্ৰুতাৰো সৃষ্টি কৰিছে। পাকিস্তান আৰু বাংলাদেশৰ ব্যাপকসংখ্যক মুছলমানে ভাৰতক শত্ৰুৰাষ্ট্ৰৰূপে গণ্য কৰিবলৈ লোৱাৰ দৰেই একাংশ ভাৰতীয়য়ো বাংলাদেশ আৰু পাকিস্তানক শত্ৰু ৰাষ্ট্ৰৰূপে গণ্য কৰিবলৈ লৈছে।

যিসকলে ভাবে, আনকি আমাৰ সাক্ষাৎকাৰতো জানিবলৈ দিছে যে ভাৰত বিভাজন নোহোৱাহেঁতেন, পৰিণতি আৰু ভয়ানক হ'লহেঁতেন, ভাৰত অসংখ্য ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাষ্ট্ৰত বিভক্ত হ'লহেঁতেন। সম্ভৱ নব্বৈৰ দশকত ছোভিয়েট দেশ প্ৰমুখ্যে পূব ইউৰোপৰ সমাজতান্ত্ৰিক দেশবোৰত সংঘটিত গৃহবিপ্লৱ আৰু তাৰ শোচনীয় পৰিণতিস্বৰূপে দেশবোৰ ভাগি-ছিগি খণ্ড-বিখণ্ড হৈ পৰা পৰিস্থিতিলৈ লক্ষ্য কৰিহে বিশিষ্টসকলৰ কোনো কোনোৱে তেনেদৰে মন্তব্য কৰা সম্ভৱপৰ হৈছে, যুক্তৰাষ্ট্ৰীয় গণতান্ত্ৰিক প্ৰজাতন্ত্ৰত দৃঢ় আস্থা থকা কোনো লোকেই কিন্তু সেইদৰে ভাবিব নোৱাৰে। আদিম জনজাতীয় সমাজত যি উচ্চস্তৰৰ গণতন্ত্ৰৰ প্ৰচলন আছিল, সেই গণতান্ত্ৰিক আদৰ্শৰ ভেটিত যথাৰ্থ ধৰ্মনিৰপেক্ষ প্ৰজাতন্ত্ৰৰূপে গঢ়াৰ সাৰ্থক প্ৰচেষ্টা থকা হ'লে ভাৰত বিভাজন কোনোপধ্যেও নহ'লহেঁতেন আৰু বিভাজনৰ আশংকাও কোনোদিনেই উদ্ভৱ নহ'লহেঁতেন। সকলো প্ৰকাৰৰ শ্ৰেণীহীন-বিভেদহীন গণতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ ওপৰত কোনো বিদেশীয়েই হস্তক্ষেপ কৰিবলৈও সাহ কৰিব নোৱাৰিলেহেঁতেন। ঐক্যবদ্ধ ভাৰতবৰ্ষ হ'লহেঁতেন বিশ্বশান্তিৰ— ধাৰক আৰু বাহক প্ৰকৃত প্ৰবক্তা —নেতা।

ভাৰত বিভাজন নোহোৱাহেঁতেন প্ৰকৃততে কোনো প্ৰকাৰৰ বিভাজনৰ নাম-গোন্ধেই নাথাকিলেহেঁতেন, এবাৰ বিভাজন হোৱা কাৰণেহে প্ৰান্তে প্ৰান্তে বিভাজনমুখী শক্তিবোৰে মূৰ দাঙি উঠা সম্ভৱপৰ হৈছে।

নেতৃত্বৰ বিভ্ৰাট ঃ

সঁচা কথা যে ভাৰত বিভাজনৰ মূল কাৰণ বিভাজনবাদী বৃটিছ সাম্ৰাজ্যবাদ। কিন্তু অবিভক্ত তদানীন্তন ভাৰতৰ হিন্দু-মুছলমান প্ৰমুখ্যে ভিন ভিন সম্প্ৰদায়ৰ নেতাবিলাকে তেওঁলোকৰ কান্ধৰ ওপৰত থকা মূৰবোৰ ক'ত হেৰুৱাইছিল ? দূৰদৰ্শী যথাৰ্থ গণতান্ত্ৰিক নেতা থকাহেঁতেন ভাৰতক কোনোপধ্যেও বিভাজন হ'ব নিদিলেহেঁতেন। নেতাবোৰ আছিল স্বৈৰতান্ত্ৰিক; জনগণতন্ত্ৰ বা প্ৰজাতন্ত্ৰৰ ধ্যান-ধাৰণা তেওঁলোকৰ প্ৰায় কোনোৱেই মনোচিতে নাছিল। তেওঁলোক আছিল ক্ষমতা খকুৱা। আটাইৰে বয়স আগবাঢ়ি আহিছিল আৰু ক্ষমতাৰ গাদীলাভৰ তাড়নাই তেওঁলোকক কৰি তুলিছিল আকুল। মহাত্মা গান্ধীক বাদে কোনোৱে ত্যাগৰ আদৰ্শ নাছিল, ভোগ লিপ্সাত তেওঁলোক আটায়ে আছিল আকুল। মাহাত্মাজনায়ো দেখিছিল যে তেওঁৰ প্ৰতিবাদ অৰণ্যৰোদনত পৰিণত হৈছে। তেওঁ বঢ়িয়াকৈ উপলব্ধি কৰিব পাৰিছিল যে তেওঁ অনশন ধৰ্মঘট কৰি মৰি গ'লেও ক্ষমতা খকুৱা নেতৃবৰ্গ ভোগ লিপ্সাৰ পৰা বিৰত নহয়। এই ক্ষমতা খকুৱা নেতৃবৰ্গৰ

মানত মহাত্মাজনা হৈ পৰিছিল তেনেই অপ্রাসংগিক। ক্ষমতাৰ খক সম্পূৰণৰ অৰ্থেই জানো তেওঁক নাথুৰামৰ হতুৱাই হত্যা কৰোৱা নাই?

নেতৃবৰ্গ আছিল শ্রেণীপ্রভু, শ্রেণীস্বাৰ্থ চৰিতাৰ্থ কৰাই আছিল তেওঁলোকৰ লক্ষ্য। আৰু প্রকৃততে সেই কাৰণেই বিভাজনৰ পৰা উদ্ভৱ হ'ব পৰা শোচনীয় পৰিস্থিতিৰ কথা উপলব্ধি কৰাত তেওঁলোক ব্যৰ্থ হৈছিল। নেতৃবৰ্গৰ গণতন্ত্রহীনতাৰ কাৰণেই আজি বিভাজনমুখী শক্তিসমূহে ভাতৃঘাতী সংঘাতৰ কুৰুক্ষেত্ৰ সৃষ্টি কৰি থকা সম্ভৱপৰ হৈছে। বৰাক উপত্যকাৰ লোকগীতত কোৱাৰ দৰে ' এৰোপ্লেনত চৰিফুৰা' নেতাই ভাত-কাপোৰৰ বিনিময়ত যথাসৰ্বস্ব হেৰুওৱা জনগণৰ বেদনা কিমতে অনুভৱ কৰিব।

বিভাজন আৰু অসম ঃ

চৈয়দ ছাদুল্লাৰ নেতৃত্বাধীন অসম চৰকাৰৰ দিনত সৰহ শস্য উৎপাদনৰ লক্ষ্যৰে তদানীন্তন পূৰ্ববংগৰ পৰা কে'বালাখো মুছলমান পমুৱাক আনি অসমৰ পতিত মাটিত বসতি কৰিবলৈ দিয়াৰ ফলত অকল অসমৰ হিন্দুসকলেই আতংকিত হোৱা নাছিল, অসমৰ থলুৱা মুছলমানসকলো আতংকিত হৈ উঠিছিল। ১৯৪৬ চনত গোপীনাথ বৰদলৈ মন্ত্রীসভাই ১৯৩৮ চনৰ ১ জানুৱাৰীৰ পিছত অহা পমুৱাবিলাকক উচ্ছেদ কৰিবলৈ লোৱাত মুছলিমলীগৰ নেতৃত্বত যি প্রতিৰোধ আন্দোলন গঢ়ি তোলা হৈছিল , তাকো অসমৰ থলুৱা মুছলমান জনগণে সমৰ্থন কৰা নাছিল, সি আছিল পমুৱাসকলৰ মাজতেই আবদ্ধ। পাকিস্তানৰ দাবীত মুছলিমলীগে ১৯৪৬ চনৰ ১৬ আগষ্টৰ দিনা যি প্রত্যক্ষ সশস্ত্ৰ প্রতিবাদ তথা সংঘৰ্ষৰ সৃষ্টি কৰিছিল তাৰ প্ৰভাৱো অসমত পৰিলক্ষিত হোৱা নাছিল। পমুৱা বা অভিবাসীসকলৰ চিত্তত হয়তো প্রতিক্রিয়া পৰিলক্ষিত হৈছিল, কিন্তু তাৰ বিস্ফোৰণ ঘটা নাছিল। আনকি ভাৰত বিভাজন হোৱাত, অসমৰ শ্রীহট্ট অঞ্চল পূব পাকিস্তানৰ অন্তৰ্ভুক্ত হোৱাত, আনকি পূব পাকিস্তানৰ পৰা আশ্রয়প্রার্থী আহি অসম ভৰি পৰা সত্বেও অসমত হিন্দু -মুছলমানৰ মাজত কোনো সংঘৰ্ষৰ সৃষ্টি হোৱা নাছিল। শান্তিপ্ৰিয় অসমে শান্তিৰ পৰিবেশ অটুট ৰাখিয়ে আছিল ।

অসমত অশান্তি আৰু হিংসা-ঘৃণাৰ সৃষ্টি কৰিলে ঘাইকৈ বাংলাভাষী পমুৱা মুছলমান আৰু আশ্রয়প্রার্থী বাংলাভাষী হিন্দুসকলৰ মাজত সৃষ্টি হোৱা কন্দলেহে। বংগত হিন্দু-মুছলমানৰ সংঘৰ্ষই মূৰ দাঙি উঠিছিল বংগ-ভংগ আন্দোলনৰ কালত ১৯০৬ চনত মুছলিমলীগ প্রতিষ্ঠা হোৱাৰ ফলতেই। সেই সংঘৰ্ষৰ কাৰণে জগৰীয়া আছিল ঘাইকৈ ইংৰাজ প্ৰশাসনৰ কৃপাধন্য মুছলিমলীগ। সেই সংঘৰ্ষই ক্রমে ক্রমে ব্যাপক ৰূপ লাভ কৰিছিল আৰু ১৯৪৬ চনৰ ১৬ আগষ্টৰ দিনা ঘোষণা কৰা প্রত্যক্ষ সংগ্ৰামৰ দিনা সি এক অতিশয় কদৰ্যপূৰ্ণ ৰূপ লাভ কৰিছিল। তাৰ অৱশ্যম্ভাবী শোচনীয় পৰিণতিয়েই আছিল দেশ বিভাজন।

তদানীন্তন পূব পাকিস্তান আৰু বৰ্তমানৰ বাংলাদেশৰ পৰা ব্যাপকসংখ্যক হিন্দু বাঙালী আহি আশ্রয় লোৱাৰ পিছতহে প্রকৃততে ১৯৫০ চনত অসমৰ ঠায়ে ঠায়ে সাম্প্রদায়িক সংঘৰ্ষৰ সৃষ্টি হৈছিল। সেই সংঘৰ্ষৰ মূল কাৰণ প্রকৃততে অর্থনৈতিকহে আছিল, সাম্প্রদায়িক নাছিল। পমুৱা আৰু আশ্রয়প্রার্থী বাঙালী হিন্দু-মুছলমানেৰে অসম উপচি পৰাত অসমৰ থলুৱা মানুহবিলাক আতংকিত হৈ উঠিছিল, তেওঁলোকৰ অর্থনৈতিক ভৱিষ্যৎ ঘনান্ধকাৰ বুলি বিবেচনা কৰি আতংকিত হৈ উঠিছিল। তদুপৰি খাদ্য আৰু বাদ্যৰ বিভেদেও থলুৱা অসমীয়াসকলক মুছলমান অভিবাসীসকলৰ প্রতি বীতশ্রদ্ধ কৰি তুলিছিল। তেওঁলোকৰ সৰহসংখ্যকৰে কোনো প্রকাৰৰ আনুষ্ঠানিক শিক্ষা-দীক্ষাও নাছিল, সাংস্কৃতিক প্রমূল্যবোধো নাছিল। প্রতিবেশী হিন্দুসকলৰ প্রতি সহানুভূতিহীন সেই অভিবাসী মুছলমানসকলৰ অনেকেই আকৃতিতহে যেন মানুহ আছিল, সাংস্কৃতিক প্রমূল্যবোধহীন সেইসকলে মনুষ্যত্ববোধ আয়ত্ত কৰিবলৈ বহু প্রয়াসৰ আৱশ্যক আছিল। আনহাতে নৱাগত আশ্রয়প্রার্থী হিন্দু বাঙালীসকলৰ মানত সেই অভিবাসী মুছলমানসকল আছিল মহাশত্রু। তেওঁলোকক খেদিব পাৰিলে মাটি পোৱা সুলভ হৈ পৰে। মাটিগিৰী মহাজনসকলৰো সুযোগ মিলিল। অৱশ্যে পূব আৰু পশ্চিম পাকিস্তানত হিন্দুৰ ওপৰত বৰ্ধিত হাৰত চলা অত্যাচাৰ-নিপীড়নেও অসমৰ সেই শক্তিবোৰক অভিবাসী মুছলমানৰ বিৰুদ্ধে প্রতিহিংসাপৰায়ণৰূপে গঢ়ি নোতোলাকৈও থকা নাছিল। আটায়ে সন্মিলিতভাৱে ঠায়ে ঠায়ে মুছলমানৰ ঘৰ-দুৱাৰ পুৰি দি সেই অভিবাসীসকলক পূব পাকিস্তানলৈ খেদি দিছিল। কিন্তু বিশেষ মন কৰিব লগা কথা আছিল এয়ে যে অসমৰ থলুৱা মুছলমানৰ ওপৰত কোনো দিন কোনেও হাত দিয়া নাছিল, প্রকৃততে বর্তমানলৈ দিয়া নাই বুলিবই পাৰি। চৰকাৰী পৰিসংখ্যা অনুসৰি প্রায় ৫৩ হাজাৰ মুছলমানে অসম এৰিব লগাত পৰিছিল আৰু অনা চৰকাৰী পৰিসংখ্যা মতে অসম ত্যাগ কৰিব লগাত পৰিছে প্রায় ৮০ হাজাৰ পৰিয়ালে।[৪] অৱশ্যে নেহৰু—লিয়াকৎ আলী চুক্তি অনুসৰি অসমে সেই উপদ্রুত মুছলমানসকলক ঘূৰাই লৈছিল ।

১৯৫১ চনৰ লোকপিয়লৰ সময়ত অভিবাসী মুছলমানসকলে অসমীয়াক মাতৃভাষাৰূপে ঘোষণা দিয়াৰ পিছৰে পৰা কুখ্যাত অসম আন্দোলনৰ কাললৈ অসমত আৰু হিন্দু-মুছলমানৰ সংঘৰ্ষ হোৱা নাছিল বুলিবই পাৰি। ১৯৭৯ চনৰ পৰা অসম আন্দোলন সংঘটিত হৈছিল বিদেশী বহিষ্কাৰৰ নামত, আৰম্ভণিতে অভিবাসী হিন্দু-মুছলমান মাত্রেই বহিষ্কাৰৰ লক্ষ্য আছিল যদিও হিন্দু মৌলবাদী দলৰ তাড়নাত কোনো হিন্দুৱেই বিদেশী হ'ব নোৱাৰে ধ্বনি প্রচাৰিত হোৱাৰ লগে লগে মুছলমান অভিবাসীসকল হৈ পৰিল আন্দোলনকাৰীসকলৰ আক্রমণৰ লক্ষ্য। তাৰ ফলত সংঘটিত হ'ব পাৰিছিল, মুকালমুৱা, চমৰীয়া, গহপুৰ, নেলী আদিত নৰমেধ যজ্ঞ। সৰ্বভাৰতীয় হিন্দু-মুছলমান

মৌলবাদী দল-মতৰ সমৰ্থনৰ ফলত অসম আন্দোলন এক প্ৰকাৰ হিন্দু-মুছলমান সংঘাতলৈও ৰূপান্তৰিত হৈছিল আৰু লগতে হৈছিল বাম আৰু গণতান্ত্ৰিক দল-মতবিৰোধী আন্দোলনলৈও ৰূপান্তৰিত। কাৰণ মৌলবাদীৰ মানত বাম আৰু গণতান্ত্ৰিক দল-মত পৰম শত্ৰু। উগ্ৰতাৰ ভেটিত প্ৰতিষ্ঠিত মৌলবাদ চিৰদিনেই ফেচিষ্ট লক্ষণযুক্ত। আৰু ইও সত্য যে ফেচিষ্ট মানেই গণতান্ত্ৰিক অবিবেচক স্বেচ্ছাচাৰী, স্বৈৰতান্ত্ৰিক। সেই কাৰণেই কোৱা হয় যে মৌলবাদী মানেই ফেচিষ্ট।

এই গ্ৰন্থৰ দ্বিতীয় অধ্যায়কে ধৰি অন্যান্য ঠাইত পাই আহিছোঁ যে কিৰাত-মংগোল গোষ্ঠীৰ জনজাতীয়কে ধৰি প্ৰায় আটায়ে আছিল সাম্প্ৰদায়িকতাহীন শান্তি-সম্প্ৰীতি আকাংক্ষী। কিন্তু অসম আন্দোলনৰ প্ৰভাৱে তেওঁলোককো কৰি তুলিছে হিন্দুত্ববাদী। তেওঁলোকৰো এক বিপুল অংশ যেন ক্ৰমে মৌলবাদৰ ফালে ঢাল খাব ধৰিছে, অসম তথা ভাৰতক মুছলমানহীন ৰূপেহে পাব বিচৰা হৈছে। উচ্চবৰ্ণৰ কৌলিন হিন্দুসকলৰতো কথাই নাই।

সমগ্ৰ ভাৰতৰ দৰে অসমতো হিন্দু-মুছলমানৰ মৌলবাদী সংগঠন কিমান গঢ়লৈ উঠিছে,তাৰ লেখ লোৱাই টান হৈ পৰিছে — ছাত্ৰ-যুৱ—কৃষক-বৃদ্ধ আটায়ে গঢ়ি তুলিছে হিন্দুত্ববাদী আৰু মুছলমানত্ববাদী সংগঠন, কিন্তু তেওঁলোক আটায়ে হিন্দু আৰু মুছলমানৰ মূল লক্ষ্যৰ পৰা বিচ্যুত। হিন্দু শাস্ত্ৰ অনুসৰি জীৱ মাত্ৰেই ব্ৰহ্ম, তেওঁলোক ব্ৰহ্মৰ উপাসক। হিন্দু-মুছলমান মানেই জীৱ, গতিকে আটায়ে ব্ৰহ্মময়। কিন্তু হিন্দুই কেৱল মুছলমানৰেই অহিত কৰিব নিবিচাৰে বা মুছলমানহীন দেশ গঢ়িবই নিবিচাৰে, তেওঁলোকে হিন্দুই হিন্দুক ঘিণ কৰে, শোষণ কৰে, অত্যাচাৰ কৰে। গতিকে হিন্দুত্ববাদীসকল হিন্দুধৰ্মৰ আদৰ্শৰ পৰা বিচ্যুত, পাপত লিপ্ত।

আনহাতে মুছলমানসকল? তেওঁলোক ইছলামধৰ্মী। ইছলাম অনুসৰি মানুহমাত্ৰেই আল্লা-ঈশ্বৰৰ সন্তান। গতিকে আটাইবিলাক মানুহেই ভাই ভাই। এই মানুহসকলো মুছলমান আৰু এই মানুহসকল অমুছলমানো। মুছলমানে কেৱল হিন্দুকে ধৰি অনামুছলমানকে ঘিণ নকৰে বা শোষণ-নিৰ্য্যাতন নকৰে; তেওঁলোকে মুছলমানকো ঘিণ কৰে শোষণ-নিৰ্যাতন কৰে।

মৌলবাদী ধৰ্মৰ ধামসকলৰ কত কেলেংকাৰি দিনে-নিশাই সংবাদপত্ৰৰ মাধ্যমত প্ৰচাৰ হৈ যে থকা নাই! অথচ পাপ-পংকিলতাত টৌটুলৈকে বুৰ গৈ থকা সেই মৌলবাদী অংশই দাবী কৰে নিজক 'ভগবান', 'অৱতাৰ' বা ধৰ্মনেতা 'খলিফা' ৰূপে। মন কৰিব লগা কথা এয়ে যে মৌলবাদী ধৰ্মসংঘ যিমানেই বৃদ্ধি পাইছে,ধৰ্মীয় নেতাকে ধৰি ধৰ্মসংঘবোৰৰ কেলেংকাৰি আৰু পাপ-পংকিলতাও সিমানেই বাঢ়িছে আৰু সামাজিক শান্তি-সম্প্ৰীতিও সিমানেই বিধ্বস্ত হৈছে।

দেশ বিভাজনৰ আগতে অসম শান্তিৰ উপত্যকাস্বৰূপেই আছিল, সাম্প্ৰদায়িক

সংঘৰ্ষৰ কথাই অসমৰ ইতিহাসত কোনো দিনেই ঠাই পোৱা নাছিল। দেশ বিভাজনৰ ফলত যাইকে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা বৃদ্ধি পাবলৈ ধৰিলে আৰু কুখ্যাত অসম আন্দোলনৰ পিছৰে পৰা অসমো হৈ পৰিল সাম্প্ৰদায়িক সংঘৰ্ষৰ পীঠস্থান।

সন্দেহ-সন্দিগ্ধতা, হিংসা-ঈৰ্ষা-ঘৃণাৰ স্ৰষ্টা মানুহ, শোষক আৰু শোষিত মানুহ। সমগ্ৰ পৃথিৱী-ব্যাপিয়ে শোষিত শ্ৰেণীয়ে শোষণ-নিপীড়নৰ কাৰণে শোষক শ্ৰেণীক ঘৃণা কৰে; ঘৃণাই সৃষ্টি কৰে হিংসা, হিংসা চৰিতাৰ্থ কৰিবলৈ আশ্ৰয় লয় সংঘাত-সংগ্ৰামৰ। ভাৰতব্যাপী মুছলমানসকল আছিল বিজেতা, গতিকে বিজিত ভাৰতবাসীয়ে বিজেতা মুছলমানক ঘিণাবলৈ লোৱা তেনেই স্বাভাৱিক কথাই আছিল। স্থানান্তৰত এইবোৰ কথা বহলাই আলোচনা কৰা হৈছেই। আৰু আমি দেখি আহিছোঁ যে যিসকল মুছলমান শাসক ভাৰতীয়বোধত উদ্বুদ্ধ হৈ ভাৰতীয় জনগণৰ স্বাৰ্থৰ লগত নিজৰ স্বাৰ্থ বিজড়িত কৰিছিল সেইসকল সমূহ জনগণৰ প্ৰিয় পাত্ৰৰূপেও পৰিগণিত হৈছিল। স্বেচ্ছাচাৰী-শোষক চুলতান-বাদছাহসকলক অকল হিন্দুৱেই নহয়, স্বাৰ্থান্ধ মৌলবাদী অংশত বাদে অন্যান্য মুছলমান জনগণেও সমানেই ঘিণাইছিল, কিন্তু সশ্ৰদ্ধা-সন্মান কৰিছিল প্ৰজাৰঞ্জকসকলক। তাৰ ফলস্বৰূপে ইংৰাজ শাসন প্ৰবৰ্তনৰ আগলৈকে, সময়ে সময়ে ব্যতিক্ৰম সৃষ্টি হ'লেও, শান্তিপূৰ্ণ সহ-অৱস্থানৰ পৰিবেশ প্ৰবৰ্তিছিল। সেই শান্তিপূৰ্ণ সহ-অৱস্থানৰ পৰিবেশ ধ্বংস কৰি ভাৰতীয়ক হিংসা-ঘৃণা সন্দেহ-সন্দিগ্ধতাত বুৰালে সাম্ৰাজ্যবাদী ইংৰাজেই। ইংৰাজ গ'ল কিন্তু উত্তৰাধিকাৰ সূত্ৰে এৰি গ'ল শ্ৰেণী-বিদ্বেষ, সাম্প্ৰদায়িক বিদ্বেষ, গোষ্ঠীগত বিদ্বেষ, ভাষা-সংস্কৃতিগত বিদ্বেষ।

ভাৰতৰ জনগণ অনাখৰী আৰু দাৰিদ্ৰ্য ক্লিষ্ট হোৱা হেতুকে শ্ৰেণীহীন-বিভেদহীন সমাজ গঢ়ি তোলাৰ অৰ্থে শ্ৰেণী-সংগ্ৰাম শক্তিশালী ৰূপত গঢ়ি তোলা আজিলৈকে সম্ভৱপৰ হোৱা নাই। শ্ৰেণী প্ৰভু আৰু মৌলবাদী প্ৰভুৰ প্ৰৰোচনাত বৃদ্ধি পাইছে সাম্প্ৰদায়িক বিদ্বেষ, ভাষা-সংস্কৃতিগত বিদ্বেষ, গোষ্ঠীগত বিদ্বেষ। এইবোৰ বিদ্বেষে গঢ়ি তুলিছে আটাইৰ মাজত ন ন শ্ৰেণী প্ৰভু। প্ৰভু শ্ৰেণী মত্ত ৰাজনৈতিক আৰু সামাজিক প্ৰভুত্ব লাভৰ প্ৰতিযোগিতাত। তেওঁলোকে ইজনে সিজনক ঘৃণা কৰে, পৰস্পৰে পৰস্পৰক শেষ কৰিব বিচাৰে, শ্ৰেণী প্ৰভুৱেই ক্ষমতা লাভৰ ঘৃণনীয় সংগ্ৰামত লিপ্ত কৰে জনগণক, প্ৰভু শ্ৰেণীৰ মাজত গঢ় লৈ উঠা সেই জঘন্য প্ৰতিযোগিতাই জনগণৰ জীৱন বিষাক্ত কৰি তোলে, সৃষ্টি হয় ভাতৃঘাতী সংঘাত-সংগ্ৰামৰ।

ধৰ্ম-সম্প্ৰদায়কে ধৰি ৰাজনৈতিক দললৈ সকলোভৱৰ প্ৰভু শ্ৰেণীক লোপ কৰি সাম্যৰ ভেটিত নতুন সমাজ গঢ়ি তুলিব নোৱৰালৈকে এই মহাঘৃণা, মহাহিংসা, মহাসন্দেহ-মহাসন্দিগ্ধতাৰ কোনোপধ্যেও অৱসান ঘটিব নোৱাৰে, — মানৱ জাতিৰ ইতিহাসে তাক সমৰ্থন নকৰে। সকলো স্তৰৰ শ্ৰেণীসমাজৰ বিলুপ্তিসাধনৰ লগে লগেহে হিংসা-

ঘৃণাহীন, শান্তি-সম্প্ৰীতিময় নতুন সমাজৰ পূবেৰুণে দেখা দিব। মানবজাতিৰ ইতিহাসে তাৰ স্বাক্ষৰ বহন কৰি আছে। অৱশ্যে নিচেই নিম্নস্তৰৰ পৰা সৰ্বোচ্চ স্তৰলৈ শিক্ষা ব্যৱস্থাৰ মাজেদিও শ্ৰেণীহীন সমাজ গঢ়াৰ আদৰ্শ শিশু, কিশোৰ, যুৱৰ চিত্তত গভীৰভাৱে অংকুৰিত কৰাৰ ব্যৱস্থা অৱশ্যম্ভাবীৰূপে কৰিবই লাগিব। কিন্তু উক্ত মৰ্মে প্ৰস্তাৱ গ্ৰহণ কৰিলেই বিভেদ-বিচ্ছিন্নতা বা সন্দেহ-সন্দিগ্ধতাৰ অৱসান নঘটে; তাৰ কাৰণে বাম আৰু গণতান্ত্ৰিক ব্যক্তিসকলে গঢ়ি তুলিব লাগিব দুৰ্ভেদ্য ৰাজনৈতিক সংগঠন। ৰাজনৈতিক ক্ষমতা দখলবিনে সামাজিক ৰূপান্তৰ সাধন অসম্ভৱ।

এই সত্য বাম-গণতান্ত্ৰিকসকলে অনুভৱ কৰে। এই সত্য নেতাজী সুভাষ বসুয়ো মৰ্মে মৰ্মে অনুভৱ কৰিছিল। দেশৰ নেতৃবৰ্গই তেওঁৰ নেতৃত্বাধীন, আজাদ হিন্দ ফৌজক সমৰ্থন কৰি ইংৰাজক খেদি দিয়া হ'লে, যথাৰ্থ ধৰ্মনিৰপেক্ষ সমাজতান্ত্ৰিক গণতন্ত্ৰই ভাৰতত গঢ় লৈ উঠিলহেঁতেন। আজাদ হিন্দ ফৌজৰ ইতিহাসে তাক ৰিঙিয়াই কৈ আছে। শান্তি-সম্প্ৰীতিপূৰ্ণ জীৱনৰ বিনিময়ত ভাৰতবাসীয়ে আজি বেছি দৃঢ়ভাৱে সেই সত্য উপলব্ধি কৰি শ্ৰেণীহীন-বিভেদহীন সমাজ গঢ়ি তুলিবলৈ সংগঠিত হোৱাত বাজে গত্যন্তৰ আৰু নাই।

সংকেত সূচী :

১। *তুংখুঙীয়া বুৰঞ্জী* : পৃঃ ৩৫

২। Herald J. Laski : *A Grammar of Politics*,1963, PP.218-226.

৩। Hem Barua : *The Red River & the Blue Hills*, P. 146

৪। ইছমাইল হোছেইন : *হিন্দু-মছুলমান প্ৰশ্ন : সমন্বয় আৰু সংঘাত*, পৃঃ ১২১

অষ্টম অধ্যায়

ৰাম জন্মভূমি ঃ বাবৰি মছজিদ ঃ ইতিহাস আৰু সমাজ

দেশে স্বাধীনতা লাভৰ পিছৰে পৰা আৰু বিশেষকৈ মহাত্মা গান্ধীৰ বিয়োগৰ পিছৰ পৰা অযোধ্যা, ৰাম জন্মভূমি, ৰামমন্দিৰ আৰু বাবৰি মছজিদক লৈ সৃষ্টি হোৱা তৰ্ক-বিতৰ্ক, আলাপ-আলোচনাই কেৱল সমগ্ৰ ভাৰতকেই উত্তপ্ত কৰি ৰখা নাই, ই সমগ্ৰ পৃথিৱীৰে একাংশ বুদ্ধিজীৱীৰ অধ্যয়ন, মনন আৰু চিন্তনৰ বিষয় হৈ পৰিছে। মন্দিৰ মছজিদ বিবাদ— উনবিংশ শতিকাৰ শেষভাগৰ পৰা ভাৰতৰ আকাশে বতাহেও এটা ধৌঁৱাৰি ভাহি ফুৰিব ধৰিলে বোলে ভাৰতত মোগল ৰাজ্যৰ প্ৰতিষ্ঠাপক বাবৰে অযোধ্যাৰ ৰাম জন্মভূমিত থকা ৰামমন্দিৰটো ধ্বংস কৰি সেই ধ্বংসস্তূপৰ ওপৰত বাবৰি মছজিদ নিৰ্মাণ কৰাইছিল। তাতোকৈও বৰ আচৰিত ধৰণৰ কথা যে ১৯৪৯ চনৰ ২২ ডিচেম্বৰলৈ মছজিদ হিচাপে ব্যৱহাৰ কৰি থকা বাবৰি মছজিদত ১৯৪৯ চনৰ ২৩ ডিচেম্বৰৰ দিনা ৰাতিপুৱা নামাজ কৰিবলৈ অহা মানুহে মছজিদৰ বেদীত ৰাম-মূৰ্তি নামাজ দেখিবলৈ পালে। তাৰ ফলত বাবৰি মছজিদক কেন্দ্ৰকৰি হিন্দু-মুছলমান বিবাদে এটা নতুন ৰূপ ল'লে। সেই বিবাদৰ নিস্পত্তিৰ কাৰণে চৰকাৰে আদালতৰ আশ্ৰয় লোৱাত ভাৰতীয় দণ্ডবিধি আইনৰ ১৪৫ ধাৰা অনুযায়ী সেই বিবাদমান মছজিদটো ক্ৰোক কৰা হয় আৰু আদালতৰ আদেশক্ৰমে তাৰপৰা মূৰ্তি আঁতৰোৱা বা কোনো পক্ষই তাত উপাসনা কৰা কাৰ্য বন্ধ কৰা হয়।

কিন্তু বিশেষ চিন্তনীয় কথা এয়ে যে বাবৰে ৰামমন্দিৰ ধ্বংস কৰাই তাৰ ঠাইত মছজিদ সজোৱা কাৰ্যৰ উল্লেখ ক'তো নাই। আনকি 'বাবৰ নামা'তো নাই। বাবৰে ইব্ৰাহিম লোডীক পৰাস্ত কৰি দিল্লী জয় কৰিছিল ১৫২৬ চনতহে; বাবৰে মৃত্যুবৰণ কৰিছিল ১৫৩০ চনত; দেশ শাসন কৰিবলৈ সময় পাইছিল মুঠে ৪ বছৰহে। সেই চাৰি বছৰৰ ভিতৰত বাবৰে ৰাজ্য আৰু সিংহাসন নিষ্কণ্টক কৰিবলৈয়ে সময় নাপালে। বাবৰৰ পিছত হুমায়ুন সিংহাসনত উঠাৰ পিছতে পাঠান বীৰ শেৰছাহে বিদ্ৰোহ কৰি দিল্লীৰ সিংহাসন কাঢ়ি লৈ হুমায়ুনক পলৰীয়া হ'বলৈ বাধ্য কৰিছিল। সম্ভৱতঃ শেৰছাহৰ অকাল বিয়োগ নঘটাহেঁতেন, হুমায়ুনৰ পুনৰ উত্থান সম্ভৱপৰ নহ'লহেঁতেন। ৰাজ্য আৰু সিংহাসনৰ এনে থৰক-বৰক অৱস্থাত, যি সময়ত আনকি ভাৰতীয় মুছলমানসকলেও মোগলক আন্তৰিকতাৰে গ্ৰহণ কৰা নাছিল, আৰু বিশেষকৈ ৰামানন্দ, কবীৰ প্ৰভৃতি হিন্দু-মুছলমান সন্তসকলে প্ৰবল ৰূপত ৰামভক্তি মাৰ্গ গঢ়ি তুলিছিল, সেই সময়ত সংখ্যা গৰিষ্ঠ ভাৰতীয় হিন্দুসকলৰ মন্দিৰ এটা ধ্বংস কৰি ব্যাপক ভাৰতীয় হিন্দুসকলক

অসন্তুষ্ট কৰিবলৈ বিশিষ্ট ৰাজনীতি ৰূপে বুৰঞ্জীত পৰিচিত বাবৰে সাহস কৰিছিল বুলি বিশ্বাস কৰিবলৈ টান পোৱা তেনেই স্বাভাৱিক কথা। তাতোকৈও উল্লেখযোগ্য কথা এয়ে যে বাবৰে এখন ইচ্ছাপত্ৰত পুতেক হুমায়ুনলৈ বুলি লিখি লৈ গৈছিল,—

"হে মোৰ পুত্ৰ, পৃথিবীৰ বিভিন্ন ধৰ্মৰ মানুহে ভাৰতত বাস কৰে আৰু আল্লাহক ধন্যবাদ যে বাদছাহবো বাদছাহে এই দেশৰ শাসনভাৰ তোমাক দিছে। সেয়ে তোমাৰ প্ৰথম কৰ্তব্য হ'ল–

(১) তুমি ধৰ্মীয় বিদ্বেষৰ দ্বাৰা প্ৰভাৱিত নহ'বা, নিৰপেক্ষভাৱে ন্যায় বিচাৰ কৰিবা আৰু সকলো অংশৰ জনগণৰ ধৰ্মীয় অনুভূতি আৰু আচাৰ অনুষ্ঠানৰ প্ৰতি যথোচিত সন্মান দেখুৱাবা।

(২) বিশেষকৈ গো বধৰ পৰা বিৰত থাকিবা যাতে তুমি ভাৰতৰ জনগণৰ অন্তৰত ঠাই পোৱা। ইয়াৰ ফলত এই দেশৰ জনগণ তোমাৰ প্ৰতি কৃতজ্ঞতা পাশত আবদ্ধ হ'ব।

(৩) তুমি কেতিয়াও কোনো সম্প্ৰদায়ৰ উপাসনাৰ ঠাই ধ্বংস নকৰিবা আৰু ন্যায়পৰায়ণ হ'বা যাতে ৰজা আৰু প্ৰজাৰ মাজৰ সম্পৰ্ক প্ৰীতিপূৰ্ণ হয় আৰু দেশত শান্তি আৰু সন্তুষ্টি বিৰাজ কৰে।

(৪) দমনৰ তৰোৱালৰ সলনি প্ৰেম আৰু কৰ্তব্যবোধৰ তৰোৱালেৰে ইছলাম প্ৰচাৰ কৰাই ভাল।

(৫) চিয়া আৰু চুন্নিসকলৰ পাৰস্পৰিক বিবাদ সদায় অগ্ৰাহ্য কৰি চলিবা, নহ'লে তাৰ ফলত ইছলাম দুৰ্বল হৈ পৰিব।

(৬) তোমাৰ প্ৰজাৰ বিভিন্ন বৈশিষ্ট্যবোৰক বছৰৰ বিভিন্ন ঋতুৰ দৰেই গণ্য কৰিবা যাতে ৰাজনৈতিক সমাজদেহ মুক্ত হৈ থাকে।'[১]

জাতীয় পুৰাতত্ত্ব বিভাগত বাবৰে পুতেক হুমায়ুনলৈ দিয়া এই উপদেশাৱলীৰ লিপি এতিয়াও সংৰক্ষিত হৈ আছে।

এনে উদাৰ বিভাগত বাবৰে পুতেক হুমায়ুনলৈ দিয়া এই উপদেশাৱলীৰ ধ্বংস কৰাইছিল বুলি বিশ্বাস কৰিবলৈ টান পোৱা স্বাভাৱিক কথা। ধৰিলোৱা হ'ল যে বিজেতাই বিজিতৰ ওপৰত অত্যাচাৰ কৰা সামন্তযুগীয়া ৰীতি অনুসৰি বাবৰে ৰামমন্দিৰ ধ্বংস কৰাইছিল; তেনেহ'লে অন্ততঃ বাবৰ নামাত গৌৰবোদ্ধত চিত্তে সেই কথা উল্লেখ কৰিলেইহেঁতেন; কিন্তু নাই, উল্লেখ কৰা নাই।

অযোধ্যা আৰু ৰাম মন্দিৰ :

বাবৰি মছজিদক লৈ বিবাদৰ সৃষ্টি হোৱাৰ পিছত কে'বাজনো বিশিষ্ট পুৰাতাত্বিকে পুৰণি পুথি-পত্ৰ ঘাটি-ঘুটি প্ৰকৃততে মন্দিৰ ভাঙি মছজিদ সজোৱাইছিল নেকি তাক নানা তথ্যৰ ভেটিত বিচাৰ কৰি চাইছে। সেইসকলৰ ভিতৰৰ এজন পুৰাতাত্বিক পণ্ডিত হ'ল ৰামস্বৰূপ শৰ্মা। তেওঁ ইংৰাজীত লিখা 'সাম্প্ৰদায়িক বুৰঞ্জী আৰু ৰামৰ অযোধ্যা' বোলা পুথিখনৰ কথা এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য। তেওঁ প্ৰথমতে ৰামায়ণৰ শ্লোকৰ ভিত্তিত অযোধ্যাৰ অৱস্থানৰ বিষয়ে বিচাৰ কৰিছে। ৰামায়ণৰ আদি কাণ্ডৰ এটা শ্লোকত আছে,—

স্থাপুং দেৱমিয়াচিন্ত্যং কুমৰাবিব পাবকী।
অধ্যৰ্দ্ধ যোজনং গত্বা সৰম্বা দক্ষিণ ততঃ।।[২]

ৰামায়ণৰ কাহিনী অনুসৰি ঋষিসকলৰ যজ্ঞৰক্ষাৰ্থে বিশ্বামিত্ৰ ঋষিয়ে ৰাম-লক্ষ্মণক ৰজা দশৰথৰ পৰা খুজি লৈ তেওঁলোকৰ সৈতে আশ্ৰমলৈ বুলি আগ বাঢ়িছিল। 'অধ্যৰ্দ্ধ যোজনং' অৰ্থাৎ ছয়ক্ৰোশ বা বাৰ মাইল বাট গৈ মুনিৰ সৈতে ৰাম- লক্ষ্মণ সৰুযুৰ দক্ষিণপাৰলৈ দূৰত্ব আছিল বাৰ মাইল। কিন্তু সম্প্ৰতি অযোধ্যা সৰযুৰ পাৰতেই অৱস্থিত।

হিউৱেন চাঙৰ ভাৰত ভ্ৰমণ বৃত্তান্ত অনুসৰি অযোধ্যা গংগাৰ দক্ষিণপাৰে সপ্ত কিলোমিটাৰ দূৰত্বত অৱস্থিত। একেজন হিউৱেন চাঙৰ চি-য়ু-কি গ্ৰন্থ অনুসৰি অযোধ্যাক বৌদ্ধধৰ্মৰ পীঠস্থানহে বুলিছে।[৩] জৈনসকলৰ বিশ্বাস অনুসৰি আকৌ অযোধ্যা জৈনসকলৰো পীঠস্থান। কে'বাজনো জৈন তীৰ্থংকৰৰ জন্মভূমি হেনো অযোধ্যা। জৈন পৰম্পৰা অনুসৰি অযোধ্যা কোশল ৰাজ্যৰ ৰাজধানী।

হিন্দুত্ববাদীসকলে ৰামৰ উত্তৰকাল বুলিছে খ্ৰীঃ পূঃ ২০০০ চন। তেওঁলোকে ৰামক কৃষ্ণতকৈ অৰ্থাৎ মহাভাৰতৰ যুদ্ধৰ সপ্ত পুৰুষ আগৰ লোক বুলিছে। কিন্তু খনন কৰিব পৰা তাত সিমান প্ৰাচীন লোকবসতিৰ কোনো চিনচাবেই উদ্ধাৰ হোৱা নাই। আনহাতে অথৰ্ববেদৰ মতে অযোধ্যা অতিকথাৰ বা পৌৰাণিক (Mythical) নগৰহে। ৰামায়ণত মহাভাৰতৰ কাহিনী আছে, কিন্তু মহাভাৰতত ৰামায়ণৰ কাহিনী নাই। সিয়েই অনুভৱ কৰাত সহায় কৰে যে তেতিয়াৰ দিনত অযোধ্যা যেন এক কাল্পনিক নগৰহে।

খ্ৰীষ্টীয় প্ৰায় ৩০০ চনমানত 'বিষ্ণু স্মৃতি' বোলা গ্ৰন্থখনত অন্যান্য কথাৰ উপৰি ৫২ খন বিশিষ্ট ভাৰতীয় তীৰ্থক্ষেত্ৰৰ উল্লেখ আছে; কিন্তু নাই অযোধ্যা বা ৰামমন্দিৰৰ নাম পৰ্যন্ত। ১৬শ শতিকাৰ আগৰ কোনো ভাৰতীয় গ্ৰন্থতেই ৰামমন্দিৰৰ উল্লেখ নাই।[৪]

ৰামস্বৰূপ শৰ্মাই একেখন গ্ৰন্থৰ একেটা প্ৰসংগত আলোচনাক্ৰমে জানিবলৈ দিছে যে বাৰশ শতিকাৰ বিশিষ্ট পণ্ডিত ভট্ট লক্ষীধৰে 'কৃতকল্পতৰু' বোলা এখন বিশিষ্ট গ্ৰন্থ ৰচনা কৰিছিল। তাত তেওঁ উত্তৰ প্ৰদেশৰ ব্ৰাহ্মণ্যবাদী অৰ্থাৎ হিন্দুৰ তীৰ্থবোৰৰ

পৰিচয়ো সংযোগ কৰিছে। কিন্তু নাই ৰামমন্দিৰ বা ৰাম জন্মভূমিৰ কথা। অৱশ্যে প্ৰয়াগ, বাৰাণসী আদিৰ কথাই তাত ঠাই পাইছে। পণ্ডিতসকল একমত যে তুলসীদাসে 'ৰামচৰিত মানস' ৰচনা কৰাৰ পিছতহে অযোধ্যাৰ মাহাত্ম্য বাঢ়িবলৈ ধৰে। কিন্তু তুলসীদাস আকবৰৰহে সমকালীন। তাতোকৈও গুৰুত্বপূৰ্ণ কথা যে অযোধ্যাক তীৰ্থক্ষেত্ৰ বুলি তুলসী দাসে ৰামচৰিত মানসতো ক'তোই উল্লেখ কৰা নাই। তাতোকৈও উল্লেখযোগ্য কথা যে তেওঁ তাত 'অবধপুৰী'তহে ৰামচৰিত মানস ৰচনা কৰা বুলি কৈ গৈছে। অযোধ্যাক তুলসীদাসে তীৰ্থক্ষেত্ৰ বোলা নাই, প্ৰয়াগকহে বুলিছে তীৰ্থক্ষেত্ৰ।

কোনো কোনোৱে দাবী কৰাৰদৰে ১১শ বা ১২শ শতিকাৰ ভিতৰত অযোধ্যাত ৰামমন্দিৰ নিৰ্মাণৰ কোনো ঐতিহাসিক নিদৰ্শন নাই। বৰং মধ্য প্ৰদেশতহে এটা এটাকৈ তিনিটা ৰামমন্দিৰ নিৰ্মাণ কৰা হৈছিল বুলি পুৰাতাত্বিকসকলৰ অভিমত। উত্তৰ প্ৰদেশত নিৰ্মিত ৰামমন্দিৰ 'কনক ভৱন' আৰু 'কনকমণ্ডপ' ১৭ শতিকাৰ ভিতৰত নিৰ্মিত বুলিহে জনাজাত। অৱধি ভাষাত খ্ৰীঃ ১৮০৪-০৫ চনৰ ভিতৰত ৰচিত 'শ্ৰীমহাৰাজ চৰিত্ৰ'তহে ৰামমন্দিৰ 'কনক ভৱন' নিৰ্মাণৰ কথা পোৱা যায়; কিন্তু সিও নেপালৰ তৰাইতহে অধিষ্ঠিত আৰু সি এটা সীতামন্দিৰ ৰূপেহে পৰিচিত। মন কৰিবলগা কথা এয়ে যে 'কনক ভৱন' আৰু 'কনকমণ্ডপ' মোগল যুগত নিৰ্মিত আৰু কলাকুশলতাত মোগলৰ প্ৰভাৱ বিদ্যমান।*

১৮ শ শতিকাৰ মাজমানৰ পৰা সন্তৰামানন্দ আৰু তেওঁৰ ভক্ত-শিষ্য- প্ৰশিষ্য কবীৰ, পোপা, ৰায়দাস, মলুকদাস, দাদু, তুলসীদাস প্ৰভৃতি ৰামভক্তৰ সৃষ্টি আৰু প্ৰচাৰৰ মাধ্যমত উত্তৰ ভাৰত অঞ্চলত ৰামভক্তিমাৰ্গৰ অভ্যুত্থান ঘটে। ১৮শ শতিকাত অযোধ্যাৰ নবাবে অযোধ্যাত হিন্দুমন্দিৰ নিৰ্মাণত গুৰুত্ব দিয়ে। কিন্তু তেতিয়াও ৰামমন্দিৰ বোলা এটা মন্দিৰৰ উল্লেখ ক'তো নাই।

বাবৰ নামাত বাবৰে ৰামমন্দিৰ ধ্বংস কৰাৰ কথা ক'তো উল্লেখ নাই; কিন্তু মীৰবাকীয়ে খ্ৰীঃ ১৫২৮ চনৰ ২৫ চেপ্টেম্বৰৰ পৰা খ্ৰীঃ ১৫২৯ চনৰ ৫ চেপ্তেম্বৰৰ ভিতৰত অযোধ্যাত বাবৰি মছজিদ নিৰ্মাণ কৰা কথা হ'লে উল্লেখ আছে। বাবৰ নামাত আনকি বাবৰৰ গোৱালিয়ৰ অভিযানৰ সময়ত দেখা হিন্দুৰ মন্দিৰ আৰু মুছলমানৰ মছজিদৰ কলা-কুশলতাই বাবৰক কেনেদৰে আকৃষ্ট কৰিছিল, তাৰ বৰ্ণনাও আছে; কিন্তু নাই ৰামমন্দিৰ ধ্বংসৰ কথাহে।

বিশিষ্ট পুৰাতাত্বিক ৰামস্বৰূপ শৰ্মাৰ 'সাম্প্ৰদায়িকতাৰ বুৰঞ্জী আৰু ৰামৰ অযোধ্যা' বোলা গ্ৰন্থখনে এনে ভালেমান সত্য তথ্যৰ সম্ভেদ দিয়ে আৰু তাৰ পৰা এনেহে ধাৰণা হয় যেন ৰামায়ণৰ অযোধ্যা অতিকথাৰ নগৰহে আছিল, বাস্তৱৰ নহয় আৰু সেয়ে তাত কোনোৱে ৰামমন্দিৰ সজাইছিল বুলি অনুমান কৰাৰ থলো প্ৰকৃততে নাই।

বাবৰি মছজিদ আৰু শ্ৰীমন্ত শংকৰদেৱ ঃ

শ্ৰীমন্ত শংকৰদেৱ (খ্ৰীঃ ১৪৪৯—খ্ৰীঃ ১৫৬৮) বাবৰৰ সমকালীন। তেওঁৰ সৃষ্টিত ৰাম আৰু কৃষ্ণ অভিন্ন, বহু গীত-পদ আনকি নাটকৰ নায়ক ৰাম। ড° মহেশ্বৰ নেওগে বিচাৰ কৰি দেখুৱাইছে যে শংকৰদেৱে দ্বিতীয়বাৰ তীৰ্থপৰ্যতনলৈ গৈছিল ৯৭ বছৰ বয়সত অৰ্থাৎ খ্ৰীঃ ১৫৪৬ চনত। সেইটো আছিল বাবৰৰ পুত্ৰ হুমায়ুনৰ ৰাজত্বকাল। বাবৰে ৰামমন্দিৰ ধ্বংস কৰি তাৰ ধ্বংশস্তূপৰ ওপৰত বাবৰি মছজিদ সজোৱাহেঁতেন সেই ঘটনাই শংকৰদেৱক নিশ্চয় আহত কৰিলেহেঁতেন, কাৰণ তেৰোঁ আছিল ৰামভক্তই, কীৰ্তনত পদ কৰি ৰামৰ ওচৰত কাতৰ মিনতি জনাইছে—

'ৰাম পাৰকৰা ৰঘুনাথ সংসাৰ সাগৰে।'

কিন্তু তীৰ্থপৰ্যটন কালত ভক্ত শিষ্যসকলৰ লগত হোৱা আলাপ-আলোচনাতো ক'তো তেনে অসন্তুষ্টিৰ ভাব প্ৰকাশ কৰা নাই। আনকি হিন্দু-মুছলমানৰ মাজত তিক্তভাব গঢ়লৈ উঠাৰ নিদৰ্শনো ক'তো পাবলৈ নাই। বৰং চৰিত পুথিয়ে জানিবলৈ দিয়ে যে সেই সময়ত হিন্দু-মুছলমানৰ সম্পৰ্ক মধুৰহে আছিল। চৰিত পুথি মতে বাৰাণসী পৰ্যটনৰ সময়ত শংকৰদেৱে সশিষ্যে ভক্ত কবীৰৰ ঘৰলৈ গৈ কবীৰৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিবলৈও এৰা নাই,

কথা গুৰুচৰিতত কবীৰৰ ভেটি দৰ্শন কৰা প্ৰসংগটো এনেদৰে আছে,—

"আৰু এদিন কবিৰাৰ ভেটি পাই বোলে কবিৰাৰ কোন আছে ঃ বোলে নাতিনি এক এটি আছে।। তেঞ আহি সেৱা কৰিচেহি ঃ বোলে গোচাই ভিটা ক'ত দেখালে চালে ঃ কবিৰাৰ পাগটি দিলেনি ঃ বোলে এভগিয়া খসম নাইকিয়া নাই গৃহে আতে পাও দি জক ঃ ৰামৰাম গুৰুক বোলে তুমি দিয়া ঃ বোলে বাপ ক্বিৰ দিম ঃ তেহে গুৰুজন বৃদ্ধ অংগুঠি দিছে ঃ দি গৈছে।।"

"পথে আতৈসবে বোলে কবিৰ দহো জবন বুলি মুনু ঃ কিয় সোমাল কি অন্নই।। বোলে কবিৰ গোচাই ঈশ্বৰ অৱতাৰ বিৰাট ব্ৰহ্মাৰ অংশে আহিছে।'

মুছলমান শাসক বাবৰে হিন্দুৰ ৰামমন্দিৰ ধ্বংস কৰি বাবৰি মছজিদ সজোৱাহেঁতেন মুছলমান ৰামভক্ত কবীৰৰ প্ৰতি বৈষ্ণৱ কবি শংকৰদেৱে এনে গভীৰ অনুৰাগ প্ৰকাশ কৰা নিশ্চয় সম্ভৱপৰ নহ'লহেঁতেন।

একেখন চৰিতত শংকৰদেৱৰ একে তীৰ্থপৰ্যটন প্ৰসংগত চৈতন্যদেৱেও কবীৰৰ প্ৰতি অনুৰাগ প্ৰদৰ্শন চিত্ৰিত হৈছে। চৰিতখনত আছে,—

"চৈতন্য গোচাই পালক বিষ্ণুৰ অংশ কৰিবা বিৰাটে সৈতে পৰমাৰ্থ বস্তু লভিছিল। কৰিবা চলিলত নিশা চৈতন্যে গৈ কান্ধে বৈ সাগৰবালাত নি সহংকাৰ কৈলেঃ দুষ্টে খলুবা দেখি পাচাৎ থল দিলেঃ ৰাজা মুনি ৰাগি বোলে দেশ অধৰ্ম হ'ল ব্ৰাহ্মণে জবনক চোত্ৰঃ ৰাগকৈ পিয়দা দিলে বোলে ধৰি আন এতিক্ষণে।। নি সুধিচে বোলে আমি জবন কৰ কি নাজানোঃ আজি নিশা মহানন্দাতীৰে এখুতৰ জাতিচন্দন পাই তাকে নিশা গই বালাত পুতি থৈচো হই।। বোলে দেখাব পাৰিবাঃ বোলে কিয় মহাৰাজঃ সুচকক বোলে দিচে দেখাচেনি চৈতন্য গোচাত্ৰ বোলে আতে পুতিচোঃ সি দুষ্টেও বোলে হই।। খান্দি চাই জাতিচন্দন গন্ধে মলমলাব ধইলে দশোদিশ।।"[৮]

উল্লেখযোগ্য যে কবীৰৰ বিয়োগ ঘটিছে বাবৰৰ ৰাজত্ব কালত। আৰু 'গুৰুচৰিত কথা' ৰচনা হৈছে শংকৰদেৱ মাধৱদেৱৰ বিয়োগৰ পিছত, সম্ভৱ ১৭শ শতিকাৰ শেষ বা ১৮শ শতিকাৰ আদি ভাগত। মুছলমান বাবৰে হিন্দুৰ ৰামমন্দিৰ ধ্বংস কৰোৱাহেঁতেন শংকৰদেৱ চৈতন্যদেৱ প্ৰমুখ্যে বিশিষ্ট বৈষ্ণৱসকলে কবীৰৰ প্ৰতি এই উচ্চ প্ৰশংসা আৰু শ্ৰদ্ধা প্ৰদৰ্শন কৰিছে। ৰূপকধৰ্মী বৰ্ণনাৰে কবীৰক দশোদিশ গন্ধে মলমলাই যোৱা জাতিচন্দন ৰূপে চিত্ৰিত কৰা কাৰ্য তেনেই সামান্য কথা নহয়। সিয়ে অনুভৱ কৰিবলৈ দিয়ে যে এই চৰিতপুথিসমূহ ৰচনা কৰা কালৰ অসমকে ধৰি ভাৰতত হিন্দু-মুছলমানৰ সম্পৰ্ক আছিল অতি মধুৰ।

ইংৰাজ শাসন প্ৰৱৰ্তন হোৱাৰ আগলৈকে যে আমাৰ দেশত হিন্দু-মুছলমানৰ সম্পৰ্ক সৌহাৰ্দ্যপূৰ্ণই আছিল তাক এই নিদৰ্শনবোৰে সমৰ্থন কৰে। স্থানান্তৰত উল্লেখ কৰি আহিছোঁ যে ইংৰাজ শাসন প্ৰৱৰ্তনৰ পিছতো হিন্দু-মুছলমানৰ সেই মধুৰ সম্পৰ্ক অক্ষুণ্ণ আছিল। সিয়ে ইংৰাজ প্ৰশাসনক আতংকিত কৰি তুলিছিল আৰু ইংলেণ্ডত থকা ভাৰত সচিবৰ পৰামৰ্শক্ৰমে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা, ঈৰ্ষা-ঘণা হিংসাৰ সৃষ্টি কৰিবলৈ ইংৰাজ প্ৰশাসন উঠিপৰি লাগিছিল। আক্ৰমণকাৰী বিজেতা মুছলমানসকলে বিজিত ভাৰতীয় হিন্দুৰ ওপৰত অত্যাচাৰ কৰা বা মঠমন্দিৰ আদি ধ্বংস কৰা কথা আমি চুলতান মাহমুদৰ ভাৰত বিজয় প্ৰসংগত পাই আহিছোঁ। আনকি 'তাৰিকুল হিন্দ'ৰ ৰচক মুছলমান পৰ্যটক আল-বিৰুনীৰ বৰ্ণনায়ো তাকে সমৰ্থন কৰে। কিন্তু আমাৰ আলোচ্য বিষয় হৈছে বাবৰ— ৰামমন্দিৰ আৰু বাবৰি মছজিদহে। নিৰ্ভৰযোগ্য নিদৰ্শনবোৰৰ পৰা বাবৰে ৰামমন্দিৰ ধ্বংস কৰি বাবৰি মছজিদ সজোৱা কাহিনী প্ৰতিষ্ঠিত হয়।

ইংৰাজ প্ৰশাসন আৰু বাবৰি মছজিদ ঃ

১৮৫৭ চনৰ ঐক্যবদ্ধ ভাৰতবাসীৰ মহা বিদ্ৰোহে ইংৰাজক বিতত কৰি তুলিছিল আৰু ইংলেণ্ডত থকা বৃটিছ চৰকাৰৰ ক্ৰোন্ত অনুসৰি বৰলাটকে ধৰি ভাৰত শাসনে হিন্দু-মুছলমানৰ মাজত বিভেদৰ সৃষ্টি কৰিবলৈ অহোপুৰুষাৰ্থ কৰিবলৈ লৈছিল। ১৮৮৫ চনত কংগ্ৰেছ মহাসভা সংগঠিত হোৱাত আৰু ই ক্ৰমে জাতীয়তাবাদী আদৰ্শ গ্ৰহণ কৰাত বৰলাট লৰ্ড ডাফৰিণ দস্তুৰমত আতংকিত হৈ উঠিছিল আৰু হিন্দু-মুছলমানৰ মাজত বিদ্বেষ-সন্দেহ-সন্দিগ্ধতাৰ বিষাক্ত বীজ ৰোপণ কৰিবলৈ সফল ষড়যন্ত্ৰ চলাইছিল। সেইসময়তে ইংৰাজ পুৰাতাত্বিক এ, কুঠাৰে গ্ৰন্থ ৰচনা কৰি প্ৰচাৰ কৰিলে বোলে মুছলমানৰ শাসনকালত অযোধ্যাত হিন্দু মন্দিৰ ধ্বংস কৰি তাৰ ধ্বংসস্তুপৰ ওপৰত মছজিদ সজোৱাইছিল।[৯]

স্থানান্তৰৰ আলোচনাত আমি পাই আহিছোঁ যে ইংৰাজৰ অপপ্ৰচাৰে বহু অসত্যকেই সত্যৰূপে প্ৰতিপন্ন কৰি ভাৰতীয় সমাজত মহা পয়মালৰ সৃষ্টি কৰি আহিছে। পুৰাতাত্বিক ফুৰাৰৰ গ্ৰন্থয়ো হিন্দু মন্দিৰ ৰামমন্দিৰলৈ ৰূপান্তৰিত কৰিলে আৰু মছজিদো বাবৰি মছজিদ ৰূপে প্ৰতিপন্ন কৰিলে। মুখ বাগৰি বাগৰি হোৱা অপপ্ৰচাৰৰ ফলতে শেষত প্ৰতিপন্ন হ'লগৈ যে বাবৰেই অযোধ্যাৰ ৰামমন্দিৰ ধ্বংস কৰি তাত বাবৰি মছজিদ সজোৱাইছিল।

ইয়াৰ সত্যাসত্য নিৰ্ণয় কৰা সম্প্ৰতি এক অসম্ভৱ ব্যাপাৰত পৰিণত হৈছে। কিন্তু মন কৰিবলগীয়া কথা এয়ে যে ১৯৪৯ চনৰ ২২ ডচেম্বৰলৈ বাবৰি মছজিদ মছজিদ হিচাপেই ব্যৱহাৰ হৈ আহি আছিল।

পুৰাতত্ত্ব আৰু ইতিহাস ঃ

হিন্দুত্ববাদীসকলৰ মতে ৰামৰ কাল খ্ৰীঃ পূঃ ২০০০ বছৰৰো আগত। কিন্তু ভাৰতীয় পুৰাতত্ত্ব বিভাগৰ প্ৰাক্তন সঞ্চালক অধ্যাপক বি, বি, লালৰ নেতৃত্বত অযোধ্যা, শৃংগবনগৰ, ভৰদ্বাজ আশ্ৰম আদিত খনন কাৰ্য চলাই যিবোৰ সামগ্ৰী উদ্ধাৰ কৰিলে, সিবোৰে খ্ৰীঃ পূঃ ৭ম শতিকাৰ আগৰ কোনো সভ্যতাৰ নিদৰ্শন উদ্ধাৰ কৰিব নোৱাৰিলে। সেয়ে পুৰাতাত্বিকৰ দলটোৱে ঘোষণা দিবলৈ বাধ্য হ'ল যে অযোধ্যাত মন্দিৰ ভাঙি বাবৰি মছজিদ সজোৱা হোৱা নাছিল।[১০]

ড° আনন্দ সদাশিৱ পালটেকৰ এগৰাকী নৈষ্ঠিক হিন্দু পুৰাতাত্বিক। তেওঁৰ নেতৃত্বতো অযোধ্যাত খনন কাৰ্য চলাইছিল। কিন্তু পুৰাতাত্বিকসকলে খান্দি খান্দি পালেগৈ এটা মছজিদহে আৰু লগে লগে খননৰ প্ৰক্ৰিয়া বন্ধ কৰি দিয়ে।[১১]

একেটা প্ৰসংগৰ পৰা জনা যায় যে অযোধ্যাৰ নবাব ওৱাজেদ আলী ছাহৰ

শাসন কালত অযোধ্যা হিন্দু-মুছলমানৰ ঐক্য সংহতিৰ কেন্দ্ৰস্থান স্বৰূপ আছিল। নবাবজনাৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত হেনো হিন্দু-মুছলমানে একেলগে আয়োজন কৰিছিল হোলি উৎসৱ আৰু মহৰম পৰ্ব্বৰ।

হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ চানেকিয়ে ইংৰাজ প্ৰশাসনৰ চকুৰ পোৰণিৰ সৃষ্টি কৰিছিল আৰু হিন্দু-মুছলমানৰ মাজত বিদ্বেষৰ সৃষ্টি কৰি ১৮৫৫ চনত অযোধ্যা দখলৰ ষড়যন্ত্ৰ কৰিছিল। কিন্তু হিন্দু-মুছলমানৰ ঐক্যৰ বান্ধ ঢিলা কৰিব নোৱৰা কাৰণে ষড়যন্ত্ৰ ব্যৰ্থ হয়। হিন্দুসকলক ঐক্যবদ্ধ কৰি ৰখাৰ অৰ্থে নবাব ওৱাজেদ আলীয়েই হেনো বাবৰি মছজিদৰ বকৰাণিত হিন্দুসকলকো পূজা-সেৱা চলোৱাৰ সুব্যবস্থা কৰি দিছিল।

১৮৫৭ চনৰ মহাবিদ্ৰোহৰ সময়তো হেনো অযোধ্যাবাসীয়ে ইংৰাজৰ অৱসান ঘটোৱাৰ অৰ্থে ঐক্যবদ্ধভাৱেই সংগ্ৰাম দিছিল। অযোধ্যাৰ হিন্দু-মুছলমানৰ ঐক্য- সংহতিৰ নিদৰ্শনে হেনো ইংৰাজ বিষয়া কৰ্ণেল মাৰ্টিনক বিস্মিত কৰি তুলিছিল আৰু হেনো চুলতানপুৰ গেজেটতত অভিমত প্ৰচাৰ কৰিছিল,—

> "সম্প্ৰতি এনে সম্ভৱনা ঘনীভূত হৈ পৰিছে যে ভাৰতবৰ্ষত ইংৰাজ শাসনৰ অৱসান ঘটিবই।"[১২]

সেই একেখনি পুস্তিকাৰ একেটি নিবন্ধৰ পৰা জনা যায় যে বিভাজন আৰু শাসন নীতিৰ সহায়ত শেষত ইংৰাজে অযোধ্যাক নিজৰ বশ কৰিবলৈ সমৰ্থ হ'ল। অযোধ্যাৰ বিদ্ৰোহী নেতা দেৱী বক্স সিঙে পলায়ন কৰে, আন দুগৰাকী নেতা আমীৰ আলী আৰু ৰামচৰণ দাসক গ্ৰেপ্তাৰ কৰি একেডাল গছতে ওলোমাই ফাঁচী দিলে। অযোধ্যাৰ হিন্দু-মুছলমান ৰাইজে কিন্তু সেই শ্বহীদ দ্বয়ক শ্ৰদ্ধাৰে সুঁৱৰিব এৰা নাছিল; সেই গছ জোপাক পৱিত্ৰ জ্ঞান কৰি উভয় সম্প্ৰদায়ৰ জনগণে হেনো বহুদিনলৈ নিজৰ ৰীতি অনুসৰি গছ জোপালৈ শ্ৰদ্ধা-পূজা নিবেদন কৰিছিল।

নিষ্ঠুৰতাৰে বিদ্ৰোহ দমন কৰিলে সঁচা কিন্তু হিন্দু-মুছলমানৰ ঐক্য-সম্প্ৰীতিয়ে ইংৰাজ প্ৰশাসনক সন্ত্ৰস্ত কৰি ৰাখিলে। তাক কেনেকৈ চুৰমাৰ কৰিব পাৰি সিয়েই হৈ পৰিল ইংৰাজ প্ৰশাসনৰ ধান্দা। বিভেদ সৃষ্টিৰ বিষবাষ্প উদ্ভাৱন নকৰাকৈ নাথাকিল। ফৈজাবাদ জিলা গেজেটত প্ৰচাৰ কৰিলে—

> "১৫২৮ চনত বাবৰ অযোধ্যালৈ আহি এসপ্তাহ কাল অৱস্থান কৰিছিল আৰু তেতিয়া প্ৰাচীন ৰাম জন্মভূমি মন্দিৰ ধ্বংস কৰি সেই ঠাইত এটা মছজিদ নিৰ্মাণ কৰালে। সিয়েই হ'ল বাবৰি মছজিদ।"

এনে প্ৰচাৰ বা অপপ্ৰচাৰৰ ফলত অযোধ্যাত হিন্দু-মুছলমানৰ মাজত ক্ৰমে সন্দেহ-সন্দিগ্ধতা বাঢ়িবলৈ ধৰে। মহানাথ ৰঘুবৰদাস বোলা ধৰ্মগুৰু এজনে ১৮৮৫

চনতে দাবী উত্থাপন কৰিলে বোলে বাবৰি মছজিদৰ বাহিৰত ৰাম জন্মভূমি মন্দিৰ আছিল। কিন্তু ১৯৪৯ চনৰ ২২ ডিচেম্বৰলৈ মছজিদ মছজিদ হৈয়ে আছিল। ২২ ডিচেম্বৰৰ দিনা নিশা কোনো উগ্ৰপন্থীয়ে মছজিদৰ বেদীত ৰামৰ মূৰ্তি প্ৰতিষ্ঠা কৰা কাৰণেহে ২৩ ডিচেম্বৰৰ পৰা প্ৰশাসনে তাত নামাজ পঢ়া বন্ধ কৰি দিছিল।

বাবৰি মছজিদ আৰু প্ৰশাসন ঃ

২৩ ডিচেম্বৰৰ দিনা পুৱা আৰক্ষী জোৱান সীতামাতা প্ৰসাদে নামাজ কৰিবলৈ অহা মানুহৰ পৰা ঘটনাৰ সবিশেষ জানিলৈ ফৈজাবাদ প্ৰশাসনৰ ওচৰত প্ৰতিবেদন দাখিল কৰিছিল যে ৰামদাস আৰু ৰাম শকল দাসৰ নেতৃত্বত প্ৰায় ৫০/৬০ জন হিন্দু বলেৰে মছজিদৰ ভিতৰত প্ৰৱেশ কৰি বেদীত মূৰ্তি প্ৰতিষ্ঠা কৰি আঁতৰি যায়। কিন্তু ফৈজাবাদ জিলাৰ উপায়ুক্ত কে, কে, নায়াৰকে ধৰি কেবাজনো বিষয়াই পদত্যাগ কৰিব লগাত পৰিছিল। তাতোকৈও আমোদজনক কথা আছিল এয়ে যে ১৯৫২ চনৰ সাধাৰণ নিৰ্বাচনত উক্ত নায়াৰে পত্নীৰ সৈতে উগ্ৰহিন্দু সংগঠন জনসংখ্যাৰ প্ৰাৰ্থী ৰূপে প্ৰতিদ্বন্দ্বিতা কৰি উভয়ে লোকসভালৈ নিৰ্বাচিত হৈছিল। লগতে উল্লেখযোগ্য কথা এয়ে যে তেতিয়াৰ জনসংঘই বৰ্তমানৰ বি-জে-পি।

মন্দিৰ-মছজিদক কেন্দ্ৰ কৰি আদালতত যি গোচৰ তৰা হৈছিল সেই গোচৰৰ হলফনামাত ফৈজাবাদ জিলা দণ্ডাধীশে জানিবলৈ দিছে যে,—

(১) বাবৰি মছজিদ সুদীৰ্ঘ কালজুৰি মছজিদ ৰূপে ব্যৱহাৰ হৈ আছিল আৰু মুছলমানসকলে তাত নামাজ পঢ়িছিল। তাক ৰাম জন্মভূমি মন্দিৰ ৰূপে ব্যৱস্থা কৰা হোৱা নাছিল।

(২) ২২ ডিচেম্বৰৰ দিনা নিশা কোনোবাই সংগোপনে প্ৰৱেশ কৰি তাত ৰামচন্দ্ৰৰ প্ৰতিমূৰ্তি স্থাপন কৰি যায়।

(৩) এনে ভুল পদক্ষেপৰ কাৰণে শান্তি-সম্প্ৰীতি অব্যাহত ৰখাৰ অৰ্থে প্ৰশাসনে বিহিত ব্যৱস্থা হাতত ল'ব লগা হয়।

হিন্দু-মুছলমান উভয় পক্ষও আদালতৰ ওচৰ চাপিছে। কিন্তু আদালতে নিৰপেক্ষ ৰায় দিয়াত ব্যৰ্থ হৈছে। এলাহাবাদ উচ্চ ন্যায়ালয় আৰু ভাৰতৰ উচ্চতম ন্যায়ালয়তো এই গোচৰ অমীমাংসিত অৱস্থাত পৰি আছে।

চৰকাৰ আৰু বিচাৰ ঃ

১৯৯০ চনত তেতিয়াৰ প্ৰধানমন্ত্ৰী চন্দ্ৰশেখৰে 'বিশ্বহিন্দু পৰিষদ' আৰু 'বাবৰি মছজিদ একশ্যন কমিটি'ৰ মাজত আপোচ মীমাংসাৰ আকাংক্ষাত এখন বৈঠক আহ্বান

কৰিছিল। এখন এখনকৈ তাৰ চাৰিখন বৈঠক অনুষ্ঠিত হৈছিল আৰু দুয়োপক্ষই তথ্যবোৰ উত্থাপন কৰিছিল। কিন্তু চন্দ্ৰশেখৰ মন্ত্ৰীসভাৰ ওৰ পৰাৰ লগে লগে আপোচমূলক আলোচনাৰো ওৰ পৰে। কিন্তু ১৯৯১ চনৰ জুনৰ নিৰ্বাচনত কল্যাণ সিঙৰ নেতৃত্বত উত্তৰ প্ৰদেশত চৰকাৰ গঠন হোৱাৰ লগে লগে ঘটনাই নতুন মোৰ লয়। বি-জে-পি চৰকাৰে বাবৰি মছজিদৰ ওচৰৰ মাটি অধিগ্ৰহণ কৰি মছজিদত কোনো আঘাত নপৰাৰ প্ৰতিশ্ৰুতিৰে কৰসেৱাৰ সহায়ত ৰামমন্দিৰ সজোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

বি-জে-পি চৰকাৰ ঃ

১৯৯১ চনৰ জুনত পি, ভি নৰসিংহ ৰাওৰ নেতৃত্বত নতুন কংগ্ৰেছী ভাৰত চৰকাৰ সংগঠিত হৈছিল। সেই চৰকাৰে ১৯৯১ চনৰ ২ নবেম্বৰৰ দিনা দিল্লীত ৰাষ্ট্ৰীয় সংহতি পৰিষদৰ বৈঠক আহ্বান কৰে আৰু সেই বৈঠকত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী কল্যাণ সিঙে সমূহীয়াভাৱে প্ৰতিশ্ৰুতি দিয়ে যে—

(১) বিষয়টোৰ আপোচমীমাংসা কৰিবলৈ সকলো ধৰণৰ প্ৰয়াস কৰা হ'ব।

(২) চূড়ান্ত সমাধান নোহোৱালৈকে ৰাম জন্মভূমি বাবৰি-মছজিদৰ সুৰক্ষাৰ কাৰণে উত্তৰ প্ৰদেশ চৰকাৰ সম্পূৰ্ণৰূপে দায়িত্বত থাকিব।

(৩) মাটি অধিগ্ৰহণ কৰা প্ৰক্ৰিয়াৰ ক্ষেত্ৰত আদালতৰ আদেশ সম্পূৰ্ণৰূপে ৰূপায়িত কৰা হ'ব।

(৪) এলাহাবাদ উচ্চ ন্যায়ালয়ত ৭ ৰি থকা কোনো মোকৰ্দমাৰ বিচাৰ উলংঘা কৰা নহ'ব।

কিন্তু সেই একেখন চৰকাৰে উত্তৰ প্ৰদেশত কাৰ্যনিৰ্বাহ কৰি থকা কালতে ১৯৯২ চনৰ জুলাই মাহত উত্তৰ প্ৰদেশ চৰকাৰে বাবৰি মছজিদৰ লগত সংলগ্ন মাটিৰ ওপৰত কৰ সেৱাৰদ্বাৰা মন্দিৰ নিৰ্মাণৰ কাম আৰম্ভ কৰে। অৱশ্যে প্ৰধামন্ত্ৰী নৰসিংহ ৰাৱে হস্তক্ষেপ কৰি ২১ জুলাইৰ দিনা আলোচনা সঘনাই চলি থকা সত্ত্বেও আৰু উচ্চতম ন্যায়ালয়ে তেতিয়ালৈকে কোনো ৰায় নিদিয়া সত্ত্বেও বিশ্বহিন্দু পৰিষদে ১৯৯২ চনৰ ৬ ডিচেম্বৰৰ দিনাৰ পৰা পুনঃ কৰসেৱাৰ কাম আৰম্ভ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। আদালতে তাৰ কৈফিয়ৎ বিচৰাত বিশ্বহিন্দু পৰিষদ, বি-জে-পি আৰু উত্তৰ প্ৰদেশৰ কল্যাণ সিং চৰকাৰে আদালতক লিখিতভাৱে জানিবলৈ দিয়ে যে কৰসেৱা মাথোঁ প্ৰতীকীহে হ'ব। আদালতৰ আদেশ উলংঘা কৰি কোনো স্থায়ী গাঁথনিৰ কাম আৰম্ভ নকৰিব। আদালতত দিয়া দল আৰু কল্যাণ সিং চৰকাৰৰ সেই লিখিত প্ৰতিশ্ৰুতিত সংশ্লিষ্ট সকলো পক্ষই হেনো আশ্বস্তও হৈছিল।[১৪]

কিন্তু প্ৰতীকী কৰসেবাৰ প্ৰতিশ্ৰুতিৰে সন্মিলিত হোৱা বিশ্বহিন্দু পৰিষদ, শিৱসেনা বাহিনী, বজ্ৰং, বিজেপিৰ সমৰ্থকসকলে অপ্ৰৰোচিতভাৱে মছজিদ প্ৰাংগণত প্ৰৱেশ কৰি নিচেই কম সময়ৰ ভিতৰতে বাবৰি মছজিদ ভাঙি চূৰমাৰ কৰে। ভাৰত চৰকাৰৰ প্ৰচাৰিত শ্বেতপত্ৰ অনুসৰি সেই সময়ত আৰক্ষী বিভাগ সম্পূৰ্ণৰূপে নিস্ক্ৰিয় হৈ আছিল। সংবাদ পত্ৰবোৰে জানিবলৈ দিছিল যে মন্দিৰ বিধ্বংস কৰা কাৰণে আৰক্ষীয়ে কৰ সেৱকসকলক মিঠাইৰে আপ্যায়িতহে কৰিছিল।

মছজিদ ধ্বংস আৰু ভাৰত ঃ

বাবৰি মছজিদ কেনেকৈ আৰু কি পৰিস্থিতিত নিৰ্মিত হৈছিল তাৰ সঠিক পৰিচয় ঐতিহাসে আমাক দিব পৰা নাই, আনকি পুৰাতাত্বিক-প্ৰত্নতাত্বিকসকলেও সন্দেহ-সন্দিগ্ধতা সম্পূৰ্ণৰূপে আঁতৰাব পৰা নাই। কিন্তু এইটো ঐতিহাসিক সত্য যে খ্ৰীঃ ১৫২৮ চনৰ পৰা খ্ৰীঃ ১৯৪৯ চনৰ ২২ ডিচেম্বৰলৈ এই মছজিদটোৰ একাংশ মুছলমানে নামাজ পঢ়ি আছিল আৰু হয়তো সেই মুছলমান অংশই অন্যান্য ধৰ্মীয় আৰু সাংস্কৃতিক কাম-কাজো সেই মছজিদ বা মছজিদ প্ৰাংগণত অনুষ্ঠিত কৰি আছিল। ইতিহাসে ইয়াকো জানিবলৈ দিয়ে যে ১৮৫৭ চনৰ জাতীয় মহাবিদ্ৰোহৰ সময়তো এই মছজিদটোক কেন্দ্ৰ কৰি অযোধ্যাৰ নবাব আলী ছাহৰ দিনত অযোধ্যাৰ হিন্দু-মুছলমানে শান্তিপূৰ্ণ সহ অৱস্থানৰ পৰিবেশত সাংস্কৃতিক আৰু ধৰ্মীয় জীৱন যাপন কৰিবলৈ সমৰ্থ হৈছিল। আনকি ১৮৫৭ চনৰ মহাবিদ্ৰোহৰ কালতো হিন্দু-মুছলমানে সন্মিলিতভাৱে ইংৰাজ শাসন ওফৰাবলৈ সংগ্ৰামৰত হৈছিল। সিমানেই নহয়, শক্তিকামী অযোধ্যাবাসী জনগণৰ নেতা আমীৰ আলী আৰু ৰামচৰণ দাসে, একেলগে একেথলতে ইংৰাজৰ ফাঁচী কাঠত ওলমি শ্বহীদো হৈছিল। তাৰ পৰা এনে ধাৰণা হয় যেন বাবৰে ১৫২৮ চনত ৰামমন্দিৰ ধ্বংস কৰিছিল বুলি ধৰিলেও দেখোন ১৮৫৮ চনলৈ তিনিশ ত্ৰিশ বছৰ কাল অযোধ্যাৰ হিন্দু-মুছলমানে শান্তিপূৰ্ণ জীৱনেই যাপন কৰিছিল। ইংৰাজ চৰকাৰে নানা প্ৰকাৰে বিভেদৰ বীজ সিঁচি দিয়া সত্ত্বেও দেখোন প্ৰকৃততে ১৯৪৯ চনৰ ২২ ডিচেম্বৰলৈ উভয় সম্প্ৰদায়ে দেখোন শান্তিপূৰ্ণ জীৱনেই নিৰ্বাহ কৰিছিল। আচলতে তাৰদ্বাৰা ভাৰতে সমগ্ৰ বিশ্বৰ বুকুতেই দেখোন সাম্প্ৰদায়িক ঐক্য-সংহতিৰ এক বিৰল আদৰ্শ দাঙি ধৰিবলৈ সমৰ্থ হৈছিল।

কিন্তু ১৯৯২ চনত ৬ ডিচেম্বৰৰ দিনা একাংশ হিন্দুত্ববাদী ভাৰতীয়ই অপ্ৰৰোচিতভাৱে বাবৰি মছজিদ ধ্বংস কৰি সমগ্ৰ বিশ্বৰ চকুত ভাৰতক হেয় প্ৰতিপন্ন কৰিলে। ভাৰতে অতি প্ৰাচীন কালৰে পৰা গৌৰৱেৰে ঘোষণা দি আহিছিল —

'নহি সত্যাৎ পৰো ধৰ্মঃ'।

(সত্যতকৈ ডাঙৰ ধৰ্ম একোই নাই)

কিন্তু চৰম লাজৰ কথা যে উত্তৰ প্ৰদেশৰ কল্যাণ সিঙৰ নেতৃত্বাধীন বি-জে-পি চৰকাৰে সেই গৌৰৱত কালিমা সানিলে। কল্যাণ সিঙে মৌখিক আৰু লিখিতভাৱে ৰাষ্ট্ৰীয় সংহতি পৰিষদ, আদালত আৰু ভাৰত চৰকাৰক জনাই আহিছিল যে কোনো পৰিস্থিতিতেই বাবৰি মছজিদৰ গাঁথনিত হাত দিয়া নহ'ব; আনকি ১৯৯২ চনৰ ৬ ডিচেম্বৰৰ দিনা ভাৰত চৰকাৰৰ গৃহমন্ত্ৰীকো লিখিতভাৱে সেই প্ৰতিশ্ৰুতি দিছিল। ১৯৯২ চনৰ ৬ ডিচেম্বৰৰ দিনা অপ্ৰৰোচিতভাৱে সেই একেজন কল্যাণ সিঙৰ নেতৃত্বাধীন উত্তৰপ্ৰদেশৰ বি-জে-পি চৰকাৰৰ ৰভাকবচৰ আবেষ্টনীৰ মাজত একাংশ হিন্দুত্ববাদী ভাৰতীয়লোকে প্ৰায় ৪৫০ বছৰীয়া প্ৰাৰ্থনাগৃহ বাবৰি মছজিদ ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰিলে।

তাৰদ্বাৰা যে বি জে পি চৰকাৰৰ ৰভাকবচৰ আবেষ্টনীৰ মাজত থাকি এটা প্ৰাৰ্থনাগৃহহে চূৰমাৰ কৰিলে, তেনে নহয়, ভাৰতৰ ধৰ্মনিৰপেক্ষতা গণতান্ত্ৰিকতা আৰু সংবিধান স্বীকৃত আইনৰ শাসনৰ নীতিৰ ওপৰতো হানিলে বজ্ৰম আঘাত। উগ্ৰহিন্দুত্ববাদী কেইহাজাৰমান লোকৰ সেই কুকাৰ্যই ভাৰতবাসী ৯৫ কোটি লোকৰ সত্য-সততাৰ ওপৰত হানিলে কলুষ-কালিমা, সানিলে চূণ-ছাই; সমগ্ৰ বিশ্বসংঘৰ আগত ভাৰতক কৰিলে মিছলীয়া। মানবিকতা সম্পন্ন যিকোনো ভাৰতীয়ই তাৰ কাৰণে লজ্জাত অৱনত হোৱা স্বাভাৱিক।

বি-জে-পিৰ গনতান্ত্ৰিক সততাৰ নমুনা ঃ

কল্যাণ সিঙৰ নেতৃত্বাধীন বি জে পি চৰকাৰে গণতান্ত্ৰিক সততা আৰু সত্যতা নকৰা অপৰাধতে ৬ ডিচেম্বৰৰ পিছতে উত্তৰ প্ৰদেশ চৰকাৰক বিশেষ অধ্যাদেশ ঘোষণাৰ জৰিয়তে ৰাষ্ট্ৰপতিয়ে ভংগ কৰিলে। তাৰ ঠিক চাৰিমাহ পিছত ১৯৯৩ চনৰ এপ্ৰিলৰ ৪ তাৰিখে পাটনাৰ গান্ধী মৈদানত অনুষ্ঠিত এক সমাবেশত ভাষণ দি একেজন বি জে পি নেতা কল্যাণ সিঙে ঘোষণা দিলে বোলে ৪৬৪ বছৰীয়া ৰাষ্ট্ৰীয় অপমান আৰু দাসত্বৰ পৰা দেশক মুক্ত কৰিব পৰা কাৰণে বি জে পি গৌৰৱান্বিত। সেই একে ৪ এপ্ৰিলৰ দিনা নগাঁৱৰ নুৰুল আমীন ষ্টেডিয়ামত অনুষ্ঠিত সমাবেশত তদানীন্তন বি জে পিৰ ৰাষ্ট্ৰীয় সভাপতি মুৰুলী মনোহৰ যোশীয়েও সেই একে কথাকে দোহাৰিছিল। সেই একে কথাকে যে ভাৰতৰ নগৰে চহৰে, গাঁৱে-ভূঁৱে কতজন হিন্দুত্ববাদী বি জে পিয়ে ঘোষণা কৰা নাই। সিয়ে অনুভৱ কৰিব দিয়ে যে বি জে পিৰ গণতন্ত্ৰত বিশ্বাস নাই, বি জে পিৰ গণতন্ত্ৰ এক প্ৰকাৰ ফেচীবাদহে মাথোন; তাত মাথোঁ সংখ্যাধিক্যৰ বলত সংখ্যা লঘিষ্ঠ বা আন যিকোনোৰো ওপৰত যিকোনো কাম বা কথা জাপি দিয়া হয় বা স্বেচ্ছাচাৰীভাৱে সম্পন্ন কৰা হয়। যিকোনো বিবেকবান-লোকেই এই সত্য অনুভৱ কৰিব, আনকি বি জে পি দলৰ ভিতৰত থকা বিবেকবানসকলেও সেই সত্য অনুভৱ কৰিব।

বি-জে-পিৰ এনে ফেচীবাদী কাৰ্যকলাপে প্ৰমাণ কৰিছে যে সেই দল গণতান্ত্ৰিকো নহয় আৰু ধৰ্মনিৰপেক্ষও নহয়। প্ৰায় চাৰি বছৰ ১৯৯৭ চনৰ ২১ চেপ্টেম্বৰৰ দিনা কল্যাণ সিং পুনৰ উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হোৱাৰ লগে লগে যেতিয়া পুনৰ দোহাৰিছে যে বাবৰি মছজিদত ধ্বংসস্তূপৰ ওপৰত ৰামমন্দিৰ নিৰ্মাণেই তেওঁৰ চৰকাৰৰ লক্ষ্য; তেতিয়াও প্ৰমাণ হয় যে বি-জে-পি ধৰ্ম নিৰপেক্ষও নহয় আৰু গণতান্ত্ৰিকো নহয়। সেই দলৰ মানত ভাৰতীয় মুছলমানসকল যেন এতিয়াও বিদেশী হৈয়ে আছে। ভাৰতীয় আৰ্যৰ ধ্বজাবাহী বি জে পিয়ে ইতিহাসক বুঢ়া আঙুলি প্ৰদৰ্শন কৰিলে, স্মৃতি-মেধাত ভাহি নুঠিল যে কেইহাজাৰমান বছৰ আগতে নৰ্ডিক আৰ্যৰ তেজ আছিল, তাকেই বা স্মৰণ কৰিব কেলেই? আৰবী ভাষাৰ শব্দাৱলী আৰু ধ্বনিৰ অনুপম সাদৃশ্য থকা বুলি কোনো কোনো ভাষাবিদ পণ্ডিতেই স্বীকাৰ কৰে।

ৰাজনৈতিক ক্ষমতা লাভৰ মত্ততাই উগ্ৰহিন্দুত্ববাদী এই দল-মতবোৰৰ স্মৃতিৰ যেন বিভ্ৰমহে ঘটালে। তেওঁলোকে জানে যে ভাৰতৰ নাগৰিকসকলৰ ৮২.৭% হিন্দু। এই ব্যাপক জনগণক ধৰ্মৰ আফিং খুৱাই মত্ত কৰিব পাৰিলে দিল্লী, দিশপুৰ, লক্ষ্নৌ, আদিত ক্ষমতা লভিবলৈ কত পৰ লাগে!

ৰাজনৈতিক ক্ষমতা লাভৰ তাড়নাত মত্ত এই উগ্ৰহিন্দুত্ববাদী দল-মতবোৰৰ স্মৃতি বিভ্ৰম হোৱা বুলি অনুমান কৰা কিন্তু ভুল হ'ব। কাৰণ তেওঁলোকৰ স্মৃতিত স্পষ্টভাৱে জিলিকি আছে যে ভাৰতৰ মুঠ ৮২.৭% লোক হিন্দু-সম্প্ৰদায় ভুক্ত; আনকি বৰ্ণ হিন্দুই হ'ল ৬১.২৬%। ভাৰতত মুছলমান মাথোন ১১.৮% হে। ধৰ্মৰ কানি খুৱাই যদি এই বিপুল সংখ্যক হিন্দুক নিজৰ ফলীয়া কৰি তুলিব পৰা হয়, তেনেহ'লে ক্ষমতাৰ পাট দখল কৰিবলৈ কত বেলি লাগে! মুছলমানৰ সংখ্যা অতি নগণ্য, শতকৰা বাৰজনেই নহয়। ব্যাপক হিন্দু জনগণক ধৰ্মৰ নামত উত্তাল কৰি তুলিব পাৰিলেই হ'ল, মুছলমানে তেওঁলোকৰ গতিপথ কোনো পধ্যেও ৰুদ্ধ কৰিব নোৱাৰে।

এই উগ্ৰহিন্দুত্ববাদীসকল স্মৃতিধৰ, তেওঁলোকৰ স্মৃতিত ফটফটীয়াকৈ জিলিকি আছে যে সাম্ৰাজ্যবাদী বৃটিছে ধৰ্ম-সম্প্ৰদায়ৰ নামত হিন্দু-মুছলমানৰ মাজত বিবেদ-বিচ্ছিন্নতাৰ সৃষ্টি কৰি প্ৰায় দুশ বছৰ কাল ভাৰতত প্ৰত্যক্ষভাৱে দখলভোগ কৰিব পাৰিছিল। এনে ক্ষেত্ৰত এই বিপুল সংখ্যক হিন্দুভাৰতীয়ক ধৰ্মৰ কানিৰ ৰাগিত মতলীয়া কৰি ৰাখিব পাৰিলে অন্ততঃ হাজাৰ বছৰ কাল ব্যাপী হিন্দুত্ববাদীসকলে ভোগ দখল সাব্যস্ত কৰিব নোৱৰাৰ কাৰণ কি?

তেওঁলোকৰ লক্ষ্য দিল্লীৰ ৰাজপাট, দিছপুৰৰ ৰাজপাট, লক্ষ্নৌৰ ৰাজপাট, সমগ্ৰ ভাৰতৰ সকলোবোৰ প্ৰান্তীয় ৰাজপাট। ভাৰতীয় জনগণক দায়িত্বশীল, সচেতন গণতান্ত্ৰিক ৰূপে গঢ়ি তোলাৰ সলনি তেওঁলোকৰ অন্ধ অনুগামী ৰূপে গঢ়ি তোলাতহে গুৰুত্ব

আৰোপ কৰিছে। যি ৰামৰ নামত ভাৰতীয় হিন্দু সম্প্ৰদায়ৰ জনগণক পাগল কৰি তুলি হিন্দুত্ববাদী বি জে পিয়ে ক্ষমতাৰ মছনদ দখলৰ বিস্তৃত কাৰ্যসূচী গ্ৰহণ কৰিছে, সেই ৰাম দলিত হিন্দুসকলৰ প্ৰতি সহানুভূতিশীল আছিলনে? ৰামে দেখোন জ্ঞানান্বেষী শূদ্ৰ তপস্বী শম্বুকৰ শিৰশ্ছেদ কৰি দলিত শূদ্ৰসকলক শিকাই দিছিল যে জ্ঞান তেওঁলোকৰ সম্পদ নহয়; বিনা দ্বিধাই ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্যৰ সেৱাত নিমগ্ন থকাহে তেওঁলোকৰ কৰ্তব্য ধৰ্ম। আৰু নাৰী সীতা? অকল নাৰী হোৱা কাৰণেই যৌন শূতিতাৰ প্ৰমাণ ল'বলৈ সীতাক জানো চিতাগ্নিত জাপি দিয়া নাছিল বা গৰ্ভৱতী সীতাক বিনা বিচাৰে স্বেচ্ছাচাৰীভাৱে বনবাস দিয়া নাছিল? এইবোৰ বৰ্ণনাক ৰূপকধৰ্মী বুলি ল'লেও, সিবোৰে বিবেকী মাত্ৰকে অনুভৱ কৰিবলৈ দিয়ে যে নাৰী নিৰ্যাতন ব্ৰাহ্মণ্যবাদী সভ্যতাৰ অন্যতম অংগ। আছেনে শম্বুক আৰু সীতা নিৰ্যাতনৰ লগত মানৱিকতাৰ লেশ মানো সম্পৰ্ক,- বা গণতান্ত্ৰিকতাৰ নিদৰ্শন? ৰামমন্দিৰ আৰু ৰামৰাজ্যৰ নামত জনগণক উটলা কৰি স্বাৰ্থসিদ্ধি কৰিবলৈ উত্ৰাৱল হৈ উঠা এই হিন্দুত্ববাদীসকলে পাৰিছেনে উত্তৰ প্ৰদেশৰ পৰা জঘন্য আৰু অমানৱীয় বৰ্ণবৈষম্য আঁতৰাব। ইতিহাসে দেখোন জানিবলৈ দি আছে যে সমগ্ৰ ভাৰতৰ ভিতৰত উত্তৰপ্ৰদেশতে বৰ্ণবৈষম্য সবাতোকৈ কুৎচিত ৰূপত প্ৰকট হৈ উঠিছে। দেশৰ জনগণৰ ঐক্যবদ্ধ সংগ্ৰামী শক্তি খৰ্ব কৰাৰ কাৰণেই জনগণক বৰ্ণৰ বিভেদৰ নামত এনেদৰে বিভক্ত কৰি থকা হোৱা নাইনে? প্ৰকৃততে মন্দিৰ-মছজিদৰ ৰাজনীতিক লৈ মত্ত থকাসকলে পাৰিবনে সুসংস্কৃত বা গণতান্ত্ৰিক ৰূপ প্ৰতিপন্ন কৰিবলৈ?

মন্দিৰ-মছজিদ কেন্দ্ৰ কৰি গঢ়ি তোলা সংঘাত দেখাত ধৰ্মীয় সাম্প্ৰদায়িক যদিও, প্ৰকৃততে সি ৰাজনৈতিকহে। এই ৰাজনীতি বিভেদৰ ৰাজনীতি, এই ৰাজনীতি সাম্ৰাজ্যবাদী শোষকৰ ৰাজনীতি, এই ৰাজনীতি শ্ৰেণীপ্ৰভুৰ ক্ষমতাৰ গাদী লাভ কৰা সংগ্ৰামৰ ৰাজনীতি; কেৱল তাত চৰোৱা হৈছে ধৰ্মীয় ৰহণ।

বাবৰি-মছজিদক কেন্দ্ৰ কৰি সৃষ্টি হোৱা হিন্দু-মুছলমান সংঘৰ্যত, সংবাদপত্ৰৰ প্ৰচাৰ অনুসৰি, প্ৰায় পাঁচ হাজাৰ মানুহ নিহত হৈছে, আহত হৈছে তাতকৈ বহু বেছি সংখ্যক লোক, তদুপৰি ধ্বংস প্ৰাপ্ত হৈছে শশ মঠ-মন্দিৰ-মছজিদ, ঘৰ-দুৱাৰ হৈছে ভস্মীভূত, কোটি কোটি ৰাজহুৱা ধনৰ ক্ষতি আৰু অপচয় কৰা হৈছে। য'ত হিন্দু সংখ্যাগৰিষ্ঠ ত'ত মুছলমান হৈছে আক্ৰান্ত আৰু য'ত মুছলমান সংখ্যা গৰিষ্ঠ ত'ত হিন্দু হৈছে অক্ৰান্ত আৰু ক্ষতিগ্ৰস্ত। মন্দিৰ-মছজিদ সংঘাতে হিন্দু-মুছলমানৰ মাজত সন্দেহ-সন্দিগ্ধতা, ভয়-শংকা, ঈৰ্ষা-হিংসা-ঘৃণা বৃদ্ধি কৰিলে অভাৱনীয় ৰূপত। সিয়ে জনগণৰ ধ্বংসৰ স্তূপৰ ওপৰত প্ৰতিষ্ঠা কৰিলে কেৱল মৌলবাদী অংশক, হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ জনগণ অন্ততঃ এশ বছৰে পিছপৰি গ'ল।

অসমত মছজিদ ধ্বংসৰ প্ৰতিক্ৰিয়া :

শান্তি সম্প্ৰীতিৰ উপত্যকা স্বৰূপ অসমো বাবৰি মছজিদৰ পৰা উদ্ভৱ হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰা হাতসাৰি থাকিব নোৱাৰিলে; কিন্তু পৰ্যবেক্ষকৰ আৰু সংবাদপত্ৰৰ সমীক্ষা অনুসৰি অসমৰ সংঘৰ্ষ কিন্তু কিছু ব্যতিক্ৰম ধৰ্মীয়ে আছিল। সমীক্ষকসকলৰ মতে অসমীয়া ভাষী পুৰণি হিন্দু-মুছলমানসকল সেই সংঘৰ্ষত জড়িত হোৱা নাছিল, তেওঁলোকে শান্তি-সম্প্ৰীতি অটুট ৰাখিবলৈয়ে সমৰ্থ হৈছিল। অসমত সংঘৰ্ষত লিপ্ত হৈছিল বংলা ভাষী অভিবাসী হিন্দু-মুছলমানসকলহে আৰু সেই সংঘৰ্ষৰ নেতৃত্ব বহন কৰিছিল ক্ষমতাত অধিষ্ঠিত কংগ্ৰেছ দলৰ নেতা-বিধায়কসকলে হিন্দু-মুছলমানৰ সংঘৰ্ষ বৰ্থদিনীয়া; সৌ বংগ-ভংগ আৰু মুছলিমলীগ গঠনৰ দিনৰে পৰা প্ৰবৰ্তি আছে। সেই অভিবাসীসকলৰ হিন্দুসকল বহু পৰিমাণে হিন্দুত্ববাদী। ১৯৯১ চনৰ নিৰ্বাচনত হেনো হিন্দুত্ববাদী বাংলাভাষী অংশৰ বহুতে বি-জে-পিক সমৰ্থন কৰিছিল। তাৰ পোটক তোলাৰ অভিসন্ধিৰে কংগ্ৰেছী বাংলা ভাষী বিধায়কে মুছলমানক উত্তেজিত কৰি তুলিছিল হিন্দুৰ বিৰুদ্ধে। ফলত অসমত ক্ষতিগ্ৰস্ত আৰু মৃত্যুবৰণ কৰাসকলৰ সৰহ সংখ্যক হিন্দু অধিবাসী।

অসমৰ সংঘৰ্ষই স্পষ্ট কৰি দিয়ে যে মন্দিৰ-মছজিদক কেন্দ্ৰ কৰি সৃষ্ট ভাতৃঘাতী সংঘাত ধৰ্মীয় নহয়, ৰাজনৈতিকহে। বিশেষ মনকৰিবলগীয়া কথা এয়ে যে ভাৰতত বাম-গণতান্ত্ৰিক ভিন্ন আন সকলোবোৰ দল সাম্প্ৰদায়িক; তেওঁলোক মুখত লটপট্, কিন্তু কল্যাণ সিং চৰকাৰৰ দৰে ভিতৰি কপট; ধৰ্মৰ নামাবলী পিন্ধি ৰাজনৈতিক বৈতৰণী পাৰ হোৱাই তেওঁলোকৰ একান্ত সাধনা। বাবৰি মছজিদ ধ্বংসৰ সময়ত কেন্দ্ৰত নৰসিংহ ৰাওৰ নেতৃত্বাধীন কংগ্ৰেছী চৰকাৰেই অধিষ্ঠিত হৈ আছিল। মছজিদ অক্ষুন্ন ৰখাত কেন্দ্ৰই সহজেই হস্তক্ষেপ কৰিব পাৰিলেহেঁতেন। কিন্তু সংখ্যাগৰিষ্ঠ হিন্দুসকলৰ সমৰ্থন হেৰুওৱাৰ আশংকাত কেন্দ্ৰই হস্তক্ষেপ নকৰিলে, গ্ৰহণ কৰিলে চূড়ান্ত সুবিধাবাদীৰ ৰাজনীতি। লক্ষ্য একমাত্ৰ ৰাজনৈতিক মুনাফা লুটা।

অনাহাৰী অৰ্ধাহাৰী জনগণৰ মানত কিন্তু আজিও 'আগে চাউল কঠা, পিছেহে হৰিৰ কথা।' তেওঁলোকে বুজে যে শান্তিপূৰ্ণ সহ অবস্থানৰ পৰিবেশ গঢ়ৌলে নুঠে মানে চাউল কঠাৰ তথা অৰ্থনৈতিক সমস্যাৰ সমাধান ঘটিব নোৱাৰে। তাৰ আকাংক্ষাতে জানো সংঘৰ্ষ বিধ্বস্ত অঞ্চলৰ উভয় সম্প্ৰদায়ৰ ৰাইজ পৰস্পৰে পৰস্পৰক সহায় কৰিবলৈ আগ বাঢ়ি অহা নাছিল।

শান্তি অভিলাষী আৰু শ্ৰেণীহীন শোষণহীন সমাজৰ প্ৰয়াসী আৰু সমৰ্থক মানেই এই সত্যৰ চেতনাৰে জনগণক সচেতন কৰি তুলিব পাৰিলে শান্তিপূৰ্ণ সহ

অৱস্থানৰ পৰিবেশ ঘূৰাই অনা বৰ টান নহ'ব। আৰু তেতিয়া মন্দিৰ-মছজিদৰ পৰা উদ্ভৱ হোৱা সমস্যা জনগণে নিজেই সমাধা কৰিব ল'ব। ই ধ্রুৱ নিশ্চিত।

সংকেত সূচী ঃ

১। ড° প্রফুল্ল দত্ত গোস্বামী ঃ *বুৰঞ্জী আৰু সংস্কৃতি ঃ বাবৰৰ আত্মজীৱনী* পৃঃ ৪৭

২। *ৰামায়ণ ঃ আদিকাণ্ড,* ২২/২১

৩। *Chi-yu-ki,* Vol I, pp. 223-225, quoted in R.S. Sharmah's *Communal History and Ram's Ayodhya,* p. 22

৪। *Ibid,* p. 23

৫। R.S. Sharma, *Ibid,* pp. 24-25

৬। *Ibid,* PP. 26-28

৭। ড° মহেশ্বৰ নেওগ সম্পাদিত ঃ *গুৰুচৰিত কথা,* পৃঃ ১২৮

৮। *প্রাগুক্ত গ্রন্থ,* পৃঃ ১২৯

৯। A Fuher: *The Monumental Antequities and Inscriptions in the North Western Province of Oudh, Archaological Survey of India, Allahabad,* 1891, p. 297.

১০। ১৯৯২ চনৰ ২৫ অক্টোবৰৰ দিনা প্রচাৰিত বাতৰিৰ পৰা, *The Assam Tribune*, 25-10-92.

১১। *বাবৰি মছজিদ* বা *ৰাম জন্মভূমি পত্রিকা,* ড° আৰ, কে শুক্লাৰ নিবন্ধ (বাংলা অনুবাদৰ সহায়ত)।

১২। *প্রাগুক্ত পুস্তিকাৰ নিবন্ধ*

১৩। ভাৰত চৰকাৰ প্রচাৰিত অযোধ্যা সম্বন্ধে *শ্বেতপত্রৰ* পৰা।

১৪। *প্রাগুক্ত শ্বেতপত্রৰ* সহায়ত।

নৱম অধ্যায়

বিভিন্নজনৰ দৃষ্টিত অসমত হিন্দু-মুছলমানৰ সম্পৰ্কৰ অৱনতিৰ কাৰণ বিচাৰি

একাংশ হিন্দুই অসমতো মুছলমানসকলক অস্পৃশ্য কৰি ৰখা সত্ত্বেও অসমত হিন্দু-মুছলমানৰ আন্তৰিক সম্পৰ্ক প্ৰকৃততে দেশ বিভাজন হোৱাৰ কাললৈ সৌহাৰ্দ্যপূৰ্ণই আছিল। অভিবাসীসকলৰ আগমন, মৌলবাদী আৰু মুছলিমলীগৰ মুছলমানীকৰণ প্ৰতিক্ৰিয়ায়ো অসমৰ হিন্দু-মুছলমান সম্পৰ্ক বিনষ্ট কৰাত বৰকৈ সফল হোৱা নাছিল। কিন্তু দেশ বিভাজনৰ পিছত ক্ষমতাত অধিষ্ঠিত দলৰ নেতৃবৰ্গই মুছলমানসকলক 'ভোটবেংক' ৰূপে ব্যৱহাৰ কৰিবলৈ লোৱাৰে পৰা আৰু বিশেষকৈ মুছলমানসকলক সেই ৰাজনৈতিক নেতাবোৰে অৱহেলা বা অৱমাননাৰ চকুৰে চাবলৈ লোৱাত, আনকি ৰাজহুৱা জীৱনত সমমৰ্যাদা সম্পন্ন নাগৰিক ৰূপে, পৰোক্ষভাৱে হ'লেও, স্বীকৃতি নোপোৱাত অসমৰ পুৰণি মুছলমানসকল ক্ষুণ্ণ হয় আৰু তেওঁলোকে হিন্দুসকলৰ পৰা ক্ৰমে শাৰীৰিক আৰু মানসিকভাৱেও আঁতৰি ফুৰিবলৈ ল'লে। বিবেকী মাত্ৰেই অনুভৱ কৰে যে তেওঁলোকৰ দুৰ্বলতা মূলতঃ সংখ্যালঘিষ্ঠৰ দুৰ্বলতা। কিন্তু মৌলবাদীসকলৰ উচটনিৰ ফলত সেই দুৰ্বলতা ঢাকিবলৈ যায় নিজক সবল আৰু বেছি উন্নত বা বেছি প্ৰগতিবাদী আৰু অগ্ৰগামী ৰূপে প্ৰদৰ্শন কৰিবলৈ। এই উচ্চমন্যতা বা উন্নাসিকতাই অসমৰ পুৰণি মুছলমানসকলৰ এক বৃহৎ অংশকো হিন্দুৰ পৰা ক্ৰমে বিচ্ছিন্ন কৰি তুলিছে; আন্তৰিক সম্প্ৰীতি সদভাৱ ক্ৰমে বিলোপ হৈ যাব ধৰিছে।

আমি হিন্দু-মুছলমানৰ সম্পৰ্কৰ অৱনতি ঘটাৰ কাৰণবোৰ জনাৰ অৰ্থেও আগতে উল্লেখ কৰি অহা বুদ্ধিজীৱীসকলৰ ওচৰ চাপিছিলোঁ; তলত তেওঁলোকৰ অভিমতৰ অংশবিশেষ দাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ।

অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ মতে—

> "দেশ বিভাজনৰ কেইবছৰমান আগৰে পৰা আৰু বিভাজিত হৈ দেশে স্বাধীনতা লাভৰ পিছৰ নেতৃমণ্ডলীৰ সংকীৰ্ণতা পক্ষপাতিতা, অ-সম আৰ্থ-সামাজিক অৱস্থা আৰু বিশেষকৈ অভিবাসী মুছলমানসকলক 'ভোট বেংক' ৰূপে ব্যৱহাৰ কৰিবলৈ লোৱাৰ ফলত হিন্দু-মুছলমানৰ মধুৰ সম্পৰ্কৰ অৱনতি ঘটিবলৈ আৰম্ভ কৰে।"

বিশিষ্ট সাংবাদিক সতীশচন্দ্ৰ কাকতিৰ ভাষাত—

"দেশ বিভাজনৰ পিছত অবৈধভাৱে অনুপ্ৰৱেশ কৰা মুছলমান সম্প্ৰদায়ৰ সোঁতৰ কাৰণেই সাম্প্ৰদায়িক অবিশ্বাসৰ সৃষ্টি হৈছে; আনকি অসমৰ পুৰণি মুছলমানসকলকো অবিশ্বাসৰ চকুৰে চাবলৈ লোৱা হৈছে।"

শিক্ষক মেঘ গগৈৰ দৃষ্টিত আকৌ—

"ক্ষমতা খকুৱা ৰাজনৈতিক নেতাৰ ষড়যন্ত্ৰৰ ফলতে বিনষ্ট হৈছে হিন্দু-মুছলমানৰ মধুৰ সম্পৰ্ক।"

বাওপন্থী দলৰ নেতা দ্ৰুপদ বৰগোহাঁইৰ ভাষ্য অনুসৰি—

"ৰাজ্যখনৰ অৰ্থনৈতিক অনগ্ৰসৰতাই হ'ল হিন্দু-মুছলমানৰ অনৈক্যৰ মূল কাৰণ।"

আন এগৰাকী বিশিষ্ট সাংবাদিক ধীৰেন্দ্ৰনাথ বেজবৰুৱাই ভাবে যে—

"বাংলাদেশৰ পৰা ঘটি থকা অবৈধ প্ৰব্ৰজন, ক্ষমতাত অধিষ্ঠিত দলে বিশেষ সুবিধা দানেৰে সেইসকলক 'ভোট বেংক' ৰূপে ব্যৱহাৰ কৰা কাৰ্য আৰু অসমৰ পুৰণি মুছলমানৰো একাংশই সেই অবৈধ প্ৰব্ৰজনকাৰীসকললৈ আগবঢ়োৱা সহায়ৰ হাতৰ কাৰণেই হিন্দু-মুছলমানৰ সম্পৰ্ক ঢাল খাইছে ক্ৰমে বেয়ালৈ।"

প্ৰগতিবাদী কবি ৰবীন্দ্ৰ সৰকাৰৰ ভাষাত আকৌ—

"উচ্চ হিন্দু ৰাজনৈতিক নেতাসকলৰ দুৰ্বলতা- সংকীৰ্ণতা, অবৈধ বাংলাদেশীৰ প্ৰব্ৰজনে হিন্দু-মুছলমানৰ সম্পৰ্ক তিক্ত কৰি তুলিছে।"

বিশিষ্ট চিকিৎসক আৰু বুদ্ধিজীৱী জমদগ্নি উপাধ্যায়ৰ মতে —

"ইংৰাজ চৰকাৰে ১৯২০ চনত প্ৰৱৰ্তন কৰা লাইন প্ৰথা, ছাদুল্লা চৰকাৰৰ মুছলমানৰ প্ৰতি পক্ষপাতিতা আৰু বৰদলৈ চৰকাৰৰ ভুল কাৰ্যাৱলীয়ে সম্পৰ্ক বিনষ্ট কৰে।"

প্ৰগতিবাদী সাহিত্যিক অনিল ৰায় চৌধুৰীৰ বিবেচনা অনুসৰি—

"সাম্প্ৰদায়িক ৰাজনীতি, বৰ্ণহিন্দুৰ সংকীৰ্ণতা আৰু দাদাগিৰী, মুছলমানৰ হীনমন্যতা আৰু মৌলবাদৰ প্ৰভাৱত হিন্দু-মুছলমানৰ সম্পৰ্ক বিনষ্ট হয়।"

কাৰবি বুদ্ধিজীৱী লংকাম টেৰণে ভাৱে যে,—

"ধৰ্মক ৰাজনীতিৰ লগত সাঙোৰা ধৰ্মীয় মৌলবাদ আৰু বুদ্ধিজীৱীসকলৰ নীৰৱতাই হিন্দু-মুছলমানৰ সম্পৰ্ক কলুষিত হোৱাৰ মূল কাৰণ।"

অসমৰ প্ৰাক্তন শিক্ষাধিকৰ্তা টাবুৰাম টাইদৰ মতেও—

"হিন্দু-মুছলমানৰ সম্পৰ্কৰ অৱনতি ঘটিছে সাম্প্ৰদায়িক ৰাজনীতিৰ কাৰণেই।"

কথা সাহিত্যিক অধ্যাপক যোগেশ দাসে অসমৰ হিন্দু-মুছলমানৰ সম্পৰ্কৰ অৱনতি ঘটাৰ কাৰণে জগৰীয়া কৰিছে—

"ৰাজনীতি, সাম্প্ৰদায়িকতা আৰু মৌলবাদক"।

যুৱশিক্ষক অবিকেশৰ শৰ্মাৰ দৃষ্টিত—

"বৃটিছৰ বিভাজন আৰু শাসননীতি ঘাইকৈ জগৰীয়া; দেশ স্বাধীন হোৱাৰ লগে লগে বিভাজন আৰু শাসনৰ পয়োভৰ বঢ়াৰ লগে লগে সম্প্ৰীতিৰো ক্ৰমে অৱনতি ঘটিছে।"

প্ৰগতিবাদী কবি প্ৰমথ নাথে ভাবে যে—

"হতাশাজনক আৰ্থিক দুৰৱস্থা আৰু সাম্প্ৰদায়িক ৰাজনীতিৰ কাৰণে হিন্দু-মুছলমানৰ সম্পৰ্কৰ অৱনতি ঘটা সম্ভৱপৰ হৈছে।"

বিশিষ্ট মহিলা সাহিত্যিক নিৰুপমা হাগজেৰে কিন্তু ভাবে যে—

"আজিও অসমৰ অসমীয়া হিন্দু-মুছলমানৰ সম্পৰ্ক মধুৰ হৈয়ে আছে। হিন্দু-মুছলমানৰ সম্পৰ্ক বেয়া কৰিছে অভিবাসী হিন্দু-মুছলমানবিলাকেহে। তেওঁলোকে মৌলবাদীৰদ্বাৰা পৰিচালিত হৈ সৃষ্টি কৰে অশান্তিৰ।"

সুসাহিত্যিক অধ্যাপক ইদ্ৰিজ আলীৰ মতে আকৌ—

"ৰাজনৈতিক স্বাৰ্থান্বেষী নেতাসকলৰ ষড়যন্ত্ৰত প্ৰৰোচিত এচাম লোকৰ আৰু মৌলবাদী অশুভ শক্তিসমূহৰ ব্যৱসায়িক তৎপৰতা সাম্প্ৰদায়িক কালত হিন্দু-মুছলমানৰ মাজত বিৰাজিত মধুৰ সম্পৰ্ক বিনষ্ট কৰা কাৰণসমূহৰ অন্যতম। কিছু পৰিমাণে সামাজিক বিবৰ্তন আৰু আৰ্থিক বৈষম্যও ইয়াৰ কাৰণে জগৰীয়া। বৰ্তমানৰ শিক্ষা ব্যৱস্থাও সাম্প্ৰদায়িক সম্প্ৰীতি বিনষ্ট হোৱাৰ অন্যতম মুখ্য কাৰণ।"

অসমৰ অৱসৰ প্ৰাপ্ত শিক্ষা অধিকৰ্তা আশ্ৰফ আলীৰ ভাষ্য অনুসৰি—

"স্বাৰ্থপৰ আৰু দুৰ্নীতি পৰায়ণ ৰাজনৈতিক নেতা আৰু সাম্প্ৰদায়িকতা হিন্দু-মুছলমানৰ মধুৰ সম্পৰ্কৰ অৱনতি ঘটোৱাৰ কাৰণে জগৰীয়া।"

বিশিষ্ট চিকিৎসক এম, আবিদ আলীয়ে আকৌ ভাবে যে—

"সংখ্যাগুৰুৰ ভেদবাদ মধুৰ সম্পৰ্কৰ অৱনতিৰ কাৰণে ঘাইকৈ জগৰীয়া। মুছলমানৰ গাঁও মিশ্ৰ গাঁও কিছু হিন্দুৰ অসমীয়া গাঁও। চা-চাকৰিৰ ক্ষেত্ৰতো বৈষম্য পৰিলক্ষিত। অশিক্ষা, কুশিক্ষা আৰু দাৰিদ্ৰ্যৰ কাৰণে মৌলবাদীৰ কৱলত পৰে। প্ৰগতিবাদী নেতৃত্বৰ অভাৱেও অশান্তি সৃষ্টিত বাধাৰ সৃষ্টি কৰাত ব্যৰ্থ কৰিছে। সংখ্যাগৰিষ্ঠৰ সংকীৰ্ণতা, শাসকবৰ্গৰ পক্ষপাতিতা, মুছলমানৰ আৰ্থসামাজিক অনগ্ৰসৰতা, মৌলবাদ আৰু নীচাত্মিকাবোধ সম্প্ৰীতিৰ পথৰ প্ৰতিবন্ধকতা।"

ড° গিয়াচউদ্দিন আহমেদে আকৌ ভাবে যে—

"পুৰণি মুছলমানসকলে ঐক্য-সংহতি অটুট ৰাখি আহিছে বুলিব পাৰি। অশান্তিৰ সৃষ্টি কৰিছে অভিবাসী মুছলমান অংশই। এই সকলোবোৰৰ কাৰণে জগৰীয়া সংকীৰ্ণ ৰাজনৈতিক স্বাৰ্থ আৰু সাম্প্ৰদায়িক মৌলবাদ।"

বিশিষ্ট চিন্তাবিদ ৰামচৰণ ব্ৰহ্মাই হিন্দু-মুছলমানৰ সম্পৰ্কৰ অৱনতিৰ কাৰণে জগৰীয়া কৰিছে—

"লেতেৰা ৰাজনীতি আৰু ভাৰত বিভাজনক"।

হাফলঙৰ বিশিষ্ট ৰাজনৈতিক পুৰুষ সোণাৰাম থাউছেনৰ মতে—

"হিন্দু-মুছলমানৰ সম্পৰ্কৰ অৱনতিৰ কাৰণে জগৰীয়া দেশৰ বৰ্তমানৰ সংকীৰ্ণ ৰাজনীতি।"

বৰ্ষীয়ান পুৰুষ ডিম্বেশ্বৰ চহৰীয়াই জগৰীয়া কৰিছে—

"সংকীৰ্ণ ৰাজনীতি, ভাৰত বিভাজন আৰু ধৰ্মীয় গোড়ামিক।"

তৰুণ বুদ্ধিজীৱী কুশল চহৰীয়াৰ মতে—

"বিদেশী বহিষ্কাৰৰ নামত গঢ়লৈ উঠা (১৯৭৯—৮৫) অসম আন্দোলনে অসমৰ হিন্দু-মুছলমানৰ মধুৰ সম্পৰ্ক ঘাইকৈ বিনষ্ট কৰিলে।"

বিশিষ্ট প্ৰগতিবাদী কথা সাহিত্যিক মুকুট ভট্টাচাৰ্যই কয় যে—

"স্বাধীনতা আন্দোলনত ধৰ্মীয় সংগঠনক প্ৰশ্ৰয় দিয়া, অৰ্থাৎ ধৰ্মক ৰাজনীতিত ঠাই দিয়া কাৰ্য, ভাৰত বিভাজন, আৰু দোষযুক্ত শিক্ষা ব্যৱস্থা হিন্দু-মুছলমানৰ সম্পৰ্ক অৱনত হোৱাৰ কাৰণে জগৰীয়া।"

বিশিষ্ট সাহিত্যিক দিনেশ শৰ্মাই ভাবে যে—

"বাংলাদেশৰ পৰা অবাধ প্ৰব্ৰজন আৰু সিবোৰৰ অসমীয়া সংস্কৃতিত জাহ যোৱাৰ অনীহাৰ পৰা হিন্দু-মুছলমানৰ সম্পৰ্ক বিনষ্ট হৈছে।"

বিশিষ্ট বামপন্থী বুদ্ধিজীৱী হৰেন্দ্ৰনাথ শৰ্মাই কয় যে—

"আগতে বিভেদ নাছিল। ন-অসমীয়াসকলৰ অবাধ প্ৰব্ৰজনৰ পৰা সৃষ্ট সংশয় বিতৃষ্ণা, উগ্ৰ জাতীয়তাবাদ, মৌলবাদীৰ অপপ্ৰচাৰ আৰু ন্যস্ত স্বাৰ্থযুক্ত ৰাজনৈতিক নেতাৰ কাৰণে সম্পৰ্ক বিনষ্ট হৈছে।"

অবসৰপ্ৰাপ্ত প্ৰগতিশীল প্ৰধান শিক্ষক গদাধৰ কলিতাই ভাবে যে,—

"সুবিধাবাদী ৰাজনীতিকে সাম্প্ৰদায়িকতাৰ আশ্ৰয় লৈ লক্ষ্য সাধন কৰিব বিচৰা কাৰণেই সম্পৰ্ক বিনষ্ট হ'ব ধৰে।"

আইনজীৱী আব্দুল মজিদে কয় যে—

"ভাৰতীয় জনতা পাৰ্টি আৰু উগ্ৰহিন্দু বুদ্ধিজীৱীসকলৰ কাৰণে হিন্দু-মুছলমানৰ সম্পৰ্ক বিনষ্ট হৈছে।"

চাকৰিজীৱী মহিলা ৰহিমন হাজৰিকাৰ মতে—

"হিন্দু-মুছলমানৰ সম্পৰ্কৰ অৱনতিৰ কাৰণে প্ৰধানকৈ জগৰীয়া স্বাৰ্থান্ধ ৰাজনৈতিক দল।"

বৰ্ষীয়ান লেখক চৈয়দ মফিজুদ্দিন আহমেদে কয় যে—

"মহম্মদ আলী জিন্না, বল্লভভাই পেটেল, লিয়াকত আলী, জৱাহৰলাল নেহৰু আদিৰ দৰে অদূৰদৰ্শী নেতাই ভাৰত বিভাজন কৰি হিন্দু-মুছলমানৰ মধুৰ সম্পৰ্ক বিনষ্ট কৰিছে।"

সাম্যবাদী দলৰ নেতা লোহিত চন্দ্ৰ দাসৰ মতে—

"হিন্দু-মুছলমানৰ ঐক্য-সংহতি বিনষ্ট হোৱাৰ প্ৰধান কাৰণ- (১) সাম্ৰাজ্যবাদী ৰাজনীতি, (২) জিন্নাৰ দ্বিজাতিতত্ত্ব, ইত্যাদি।"

প্ৰগতিবাদী শিক্ষক লোকনাথ শৰ্মাই কয় যে—

"প্ৰদূষিত আৰু স্বাৰ্থান্বেষী ৰাজনীতিয়ে দেশৰ হিন্দু-মুছলমানৰ সম্পৰ্ক বিনষ্ট কৰিছে।"

প্ৰগতিবাদী সমাজকৰ্মী অসিত বৰুণ ৰায়ে কয় যে—

"হিন্দু-মুছলমানৰ সম্পৰ্কৰ অৱনতিৰ কাৰণে ঘাইকৈ জগৰীয়া সাম্প্ৰদায়িক ৰাজনীতি আৰু অ-সম অৰ্থনীতি।"

শিক্ষাজীৱী ৰাজনীতিক ৰমণী বৰ্মনে জানিবলৈ দিয়ে যে—

"মৌলবাদী শক্তিৰ উপৰি স্বাৰ্থপৰ আৰু দুৰ্নীতিপৰায়ণ ৰাজনৈতিক নেতা আৰু পালিনেতাসকলৰ ভূমিকাই হিন্দু-মুছলমানৰ সম্পৰ্কৰ অৱনতিৰ প্ৰধান কাৰণ।"

ওপৰত উল্লেখ কৰা সাক্ষাৎকাৰবোৰৰ মন্তব্যৰ পৰা দেখা গ'ল যে প্ৰায় আটায়ে হিন্দু-মুছলমানৰ সম্পৰ্কৰ অৱনতিৰ কাৰণে জগৰীয়া কৰিছে দূষিত ৰাজনীতিক। শ্ৰেণী সমাজত ৰাজনৈতিক পুৰুষসকল হয় ব্যক্তিত্ববাদী। ব্যক্তিত্ববাদী পুৰুষ-তিৰোতাবিলাকে 'অহং' বা 'মই'ৰ ওপৰত আৰোপ কৰে সবাতোকৈ বেছি গুৰুত্ব। ৰাজতন্ত্ৰৰ দিনত ৰজাই নিজক প্ৰতিষ্ঠা কৰিছিল সৰ্বশক্তিমান ভগৱান বা ঈশ্বৰ ভগৱানৰ প্ৰতিনিধি ৰূপে। একাংশ স্বাৰ্থান্ধ পণ্ডিত বুদ্ধিজীৱীয়ে প্ৰভুশ্ৰেণীৰ স্বাৰ্থৰ অনুকূলে ৰচনা কৰিছিল, সেইসকলক শাস্ত্ৰকাৰসকলে ৰাক্ষস ৰূপে প্ৰতিপন্ন কৰিবলৈও এৰা নাছিল।[১] লোকায়তবাদী আদৰ্শৰ দৃঢ় সমৰ্থক চাৰ্বাকে ব্ৰাহ্মণ্যবাদী আদৰ্শৰ বিৰোধ কৰা কাৰণেই জানো মহাভাৰতত চাৰ্বাকক ৰাক্ষসৰূপে অভিহিত কৰি স্বয়ং ঋষি-মুনিসকলেই জুইত জাপি দি পুৰি মৰা নাছিল? এই ব্যক্তিত্ববাদৰ প্ৰতিক্ৰিয়াৰ বিষয়ে আলোচনা প্ৰসংগত জগতবৰেণ্য প্ৰগতিবাদী সাহিত্যিক মেক্সিম গ'ৰ্কীয়ে এটা আলোচনাত কৈছিল—

"যেতিয়া ব্যক্তিত্ববাদৰ ফলত আনক উৎপীড়ন কৰাৰ অধিকাৰ লাভ কৰি শাসকৰূপে প্ৰতিষ্ঠিত হ'ল, তেতিয়া সৃষ্টি কৰিলে এক অনন্ত ঈশ্বৰৰ, জনগণক 'মই'ৰ দেৱতাসুলভ প্ৰকৃতি স্বীকাৰ কৰিবলৈ বাধ্য কৰিলে, নিজৰ সৃজনী শক্তিৰ ওপৰত প্ৰতিষ্ঠা কৰিলে অটল বিশ্বাস। উন্নতিৰ চৰম শিখৰত আৰোহন কৰি ব্যক্তিৰ বাধাহীন স্বাধীনতা লাভৰ প্ৰচেষ্টাত স্বাভাৱিকতে তীব্ৰ আঘাত হানিলে, তেওঁৰেই প্ৰতিষ্ঠিত ঐতিহ্যৰ লগত আৰু তেৰেঁই সৃষ্টি কৰা অনন্ত ঈশ্বৰৰ প্ৰতিমূৰ্তিৰ লগত আৰু ঐতিহ্যক মহিমামণ্ডিত কৰা সকলো কথাৰ লগত।"[২]

গণতন্ত্ৰত ব্যক্তিত্ববাদৰ স্থান প্ৰকৃততে থাকিব নালাগে, গণতন্ত্ৰত সমষ্টি বা সমূহহে সত্য। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে ভাৰতৰ মুক্তি সংগ্ৰামৰ বহু নেতা আছিল আচৰিত ধৰণেই অগণতান্ত্ৰিক,– স্বৈৰতান্ত্ৰিক-স্বেচ্ছাচাৰী। তেওঁলোকে নিজৰ অহংবোধৰ ওপৰত আৰোপ কৰিছিল সবাতোকৈ বেছি গুৰুত্ব। আনহে নালাগে দেশ বিভাজনৰ সময়ত কংগ্ৰেছী নেতা জৱাহৰলাল নেহৰু আৰু মুছলিম লীগৰ সৰ্বাধিনায়ক মহম্মদ আলী জিন্না প্ৰকৃত অৰ্থত গণতান্ত্ৰিক হোৱাহেঁতেন দেশ বিভাজন হ'ব নালাগিলহেঁতেন আৰু তেতিয়া হিন্দু-মুছলমান অনন্ত সন্দেহ, সন্দিগ্ধতা, অবিশ্বাস-অসূয়া আৰু হিংসা-ঘৃণাৰ পংকিলতাৰ

মাজতো আবদ্ধ থাকিব লগাত নপৰিলেহেঁতেন। এই মহাব্যক্তিত্ববাদী ক্ষমতা খকুৱা নেতাসকলে সৰ্বোচ্চ ক্ষমতাত অধিষ্ঠিত হোৱাৰ কাৰণেই জনগণৰ স্বাৰ্থ জলাঞ্জলি দি দেশ বিভাজনত সম্মতি দিছিল। দেশ বিভাজনৰ সময়ত যেন তেওঁলোকে বিবেচক বিসৰ্জন দিছিল; শ্ৰেণীহীন শোষণহীন গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ তথা গণতান্ত্ৰিক সমাজতন্ত্ৰইহে যে সাম্যৰ ভেটিত জনগণৰ অবাধ বিকাশ সুনিশ্চিত কৰিব পাৰে, সেই কথা মনত ঠাই দিব পৰা নাছিল। স্থানান্তৰত পাই আহিছোঁ যে আবুল কালাম আজাদেহে অনুভৱ কৰিব পাৰিছিল যে অৰ্থনৈতিক বিকাশ ঘটিলে আৰু সকলোৰে দুখ-দুৰ্দশা আঁতৰি গ'লে, ধৰ্ম-সম্প্ৰদায়ৰ বিভেদৰ কথা ভাবিবলৈ কোনোৱে আজৰিয়ে নাপাব, নিজে নতুন সৃষ্টি বা আবিষ্কাৰৰ প্ৰতিযোগিতাতহে জনগণে দেহ-মন ঢালি দিব।

পৰাধীন ভাৰতবৰ্ষত দেশখনত বিদ্বেষৰ জুই জ্বলাইছিল সাম্ৰাজ্যবাদী বিদেশী শোষক ইংৰাজে। দেশৰ নেতৃত্বই বাস্তৱতাৰ ভেটিত তাক উপলব্ধি কৰাহেঁতেন সেই সাম্প্ৰদায়িক বিদ্বেষৰ জুই নুমাবলৈ বৰ বেছি কাল নালাগিলহেঁতেন। কিন্তু তেওঁলোক আগবাঢ়িছিল ভুলৰ মাজেদি; সংখ্যাগুৰু হিন্দু নেতৃত্বই সংখ্যালঘু মুছলমান নেতৃত্বৰ সন্দেহ-সন্দিগ্ধতা আন্তৰিকতাৰে দূৰ কৰিব বিচৰাহেঁতেন বিভেদ বিচ্ছিন্নতা নিশ্চিতভাৱেই আঁতৰিলহেঁতেন। কিন্তু সেই ব্যক্তিত্ববাদী নেতৃমণ্ডলীয়ে তাক নকৰিলে, নিজক সৰ্বশ্ৰেষ্ঠ ৰূপে প্ৰতিপন্ন কৰাতহে মগ্ন হৈ থাকিল। দেশ বিভাজনৰ পিছত সকলো স্তৰৰ নেতা-নেত্ৰীৰ ব্যক্তিত্ববাদী চেতনা ক্ৰমে বৃদ্ধি পাই আছে, ফলস্বৰূপে সন্দেহ-সন্দিগ্ধতাও বাঢ়িছে, অৱশ্যম্ভাৱী পৰিণতি স্বৰূপে বৃদ্ধি পাই আছে ভাতৃঘাতী সংঘাত সংগ্ৰামত। সম্প্ৰতি সম্প্ৰদায়, আঞ্চলিকতা আৰু গোষ্ঠীৰ নামত যিবোৰ সংঘাত সংগ্ৰাম চলি আছে, সেই সকলোবোৰৰ মূল ব্যক্তিত্ববাদ।

ব্যক্তিত্ববাদৰ অৱসানৰ কাৰণে অসম-ভাৰতক আৱশ্যক হৈছে এক যথাৰ্থ গণতান্ত্ৰিক আলোড়নৰ, সেই আলোড়নে শ্ৰেণীহীন বৈষম্যহীন গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ বা গণতান্ত্ৰিক সমাজতন্ত্ৰ গঢ়ি তুলিলে; সাম্যৰ ভেটিত গঢ়লৈ উঠিব শান্তিপূৰ্ণ সহ অৱস্থানৰ পৰিবেশ। সমাজৰ প্ৰগতিবাদী অংশই সেই আলোড়ন গঢ়ি তোলাত নেতৃত্ব বহন কৰিব লাগিব। সমতাৰ কল্যাণ নাই, এই পৰমসত্যৰ উপলব্ধি বিনে গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ বা গণতান্ত্ৰিক সমাজতন্ত্ৰৰ সমৰ্থনত গঢ়ি তোলা আলোড়নো হ'ব কেৱল ধ্বনি সৰ্বস্বহে।

সংকেত সূচী :

১। A. S. Altekar : *State and Govt. in Ancient India*, p. 78

২। M. Gonky : *Disentegration of Personality.*

দশম অধ্যায়

হিন্দু-মুছলমানৰ সাংস্কৃতিক সম্পৰ্কৰ ভৱিষ্যৎ

শ্ৰেণী-সমাজ প্ৰৱৰ্তন হোৱাৰে পৰা শ্ৰেণীপ্ৰভু মাত্ৰেই ক্ষমতা খকুৱা; শান্তিপূৰ্ণ সহ অৱস্থানৰ পৰিবেশ শ্ৰেণীপ্ৰভুৰ কাম্যই নহয়। জাতি-বৰ্ণ, ধৰ্ম-সম্প্ৰদায়ৰ নামত বিভেদ-বিচ্ছিন্নতাৰ সৃষ্টি কৰি শাসনৰ নামত শোষণ কৰাই শ্ৰেণীপ্ৰভুসকলৰ একান্ত ধাউতি।

শ্ৰমকাৰী জনগণ কিন্তু মূলতঃ শান্তিকামী। অৱশ্যে শিক্ষা-দীক্ষাহীন আৰু অভাৱ-অনাটন গ্ৰস্ততাই তেওঁলোককো বিচলিত কৰি ৰাখে। সেই দুৰ্বলতাৰ চেলু লৈ ক্ষমতা খকুৱা ৰাজনৈতিক বা সাম্প্ৰদায়িক নেতাই জনগণৰ একাংশক পঞ্চমকাৰৰ প্ৰলোভনেৰে হ'লেও হাত কৰে। পঞ্চমকাৰৰ দ্বাৰা প্ৰলুব্ধ সেই অংশ জনগণক বুলিব পাৰি অপসংস্কৃতিসম্পন্ন লুম্পেন ফিলিষ্টাইন। লুম্পেন ফিলিষ্টাইনৰ মৃত্যু ভয় নাই, লাজ-মান-অপমানৰ চেতনাও নাই। সেইকাৰণে সিহঁত ভয়াবহ। ক্ষমতা খকুৱা ৰাজনৈতিক আৰু সাম্প্ৰদায়িক নেতাই লুম্পেন ফিলিষ্টাইনৰ সহায়ত সৃষ্টি কৰে সাম্প্ৰদায়িক সংঘৰ্ষৰ আৰু তাত লুম্পেনহঁতে জড়িত কৰে ব্যাপক জনগণক। আৰু তেনেকৈ ভাতৃঘাতী সংঘাতেৰে ক্ষমতা খকুৱা নেতাবিলাকে সৃষ্টি কৰে নৰমেধ যজ্ঞৰ।

শ্ৰমকাৰী জনগণৰ প্ৰকৃতি কিন্তু মহাপ্ৰকৃতিৰ সদৃশ। প্ৰকৃতিত শিলাবৃষ্টি-ধুমুহাৰ সৃষ্টি হয় আৰু আগ্নেয়গিৰি-ভূমিকম্পৰো অৱতাৰণ হয়। কিন্তু সিবোৰ, সাধাৰণতে, সাময়িক; মাথোঁ কিছু সময়ব্যাপী মহা তাণ্ডৱ সৃষ্টি কৰি আকৌ শাম কাটে। শ্ৰমকাৰী জনগণো প্ৰায় তেনে। ক্ষমতা খকুৱা নেতাৰ প্ৰৰোচনা আৰু ফিলিষ্টাইনহঁতৰ ভয়ত জনগণে সময়ে সময়ে ক্ষয়ংকাৰী ৰূপ ধাৰণ কৰে। সংঘৰ্ষৰ তীব্ৰতা কমি যোৱাৰ লগে লগে তেওঁলোক পুনৰ শান্ত-সমাহিত হয়। তেওঁলোকৰ মানত 'আগে চাউল কঠা, পিছেহে হৰিৰ কথা'। সংঘাত-সংঘৰ্ষই চাউল কঠাৰ চিন্তা বেছি তীব্ৰ কৰি তোলে। চাউল কঠাৰ দিহা কৰা সম্ভৱপৰ হয় শান্তিৰ পৰিবেশতহে। গতিকে লুম্পেনহঁতত বাজে আনবিলাক শ্ৰমকাৰী জনগণ সংঘৰ্ষৰ পৰা আঁতৰি থাকিবলৈ ইচ্ছুক, আনকি বাধ্যও। ই হিন্দু-মুছলমান, শিখ-খ্ৰীষ্টান, অসমীয়া-বাঙালী, বড়ো-অনাবড়ো সকলো জনগণৰেই সাধাৰণ লক্ষণ বা সহজ প্ৰবৃত্তি।

বাবৰি-মছজিদ ধ্বংসৰ আগতেও স্বাৰ্থান্ধ ৰাজনৈতিক আৰু মৌলবাদী নেতাই বহুবাৰ জনগণক সাম্প্ৰদায়িক সংঘৰ্ষত লিপ্ত কৰিছে; প্ৰতিবেশী ভাতৃৰ তেজেৰে তেওঁলোকে বহুবাৰ হাত ৰাঙলি কৰিছে। কিন্তু ঐতিহাসিক নোৱাখালি হত্যাকাণ্ডকে ধৰি প্ৰতিবাৰেই দুয়ো সম্প্ৰদায়ৰ সংঘৰ্ষৰত জনগণ পুনৰবাৰ ভাতৃত্ববোধত উদ্বুদ্ধ হৈছে।

তেওঁলোকে বিস্মৃতিৰ গৰ্ভত লীন কৰি দিছে হিংসা-ঘৃণা, সংঘাত-সংগ্ৰামৰ নৃশংসতাৰ কথা। ই একপ্ৰকাৰ ঐতিহাসিক সত্যই। সেয়ে জনগণক প্ৰকৃতিৰ দৰে সৰল-সহজ আৰু স্বাভাৱিক বোলা হয়।

স্বাৰ্থান্ধ ৰাজনৈতিক আৰু মৌলবাদীৰ কথা কিন্তু সুকীয়া। স্বাৰ্থান্ধতাই হ'ল তেওঁলোকৰ জীৱন-দৰ্শন। তেওঁলোকৰ মুখত মৌ কিন্তু পেটত গৰল-বিষ। মৌ মিঠা কথাৰে জনগণৰ চিত্ত হৰণ কৰি সুযোগ বিচাৰি থাকে বিষ ঢালি দিবলৈ।

কিন্তু আনন্দৰ কথা যে উভয় সম্প্ৰদায়ৰ একো একো অংশ উদাৰ বুদ্ধিজীৱীয়ে বিদেশী ইংৰাজে সংঘৰ্ষৰ সৃষ্টি কৰিবলৈ নানা প্ৰৰোচনামূলক অপকৌশল অৱলম্বন কৰা দিনৰে পৰা উদাত্তকণ্ঠেৰে শান্তি-সম্প্ৰীতি আৰু সহযোগিতাৰ পৰিবেশ সৃষ্টি কৰিবলৈ অহোপুৰুষাৰ্থ নকৰাকৈ থকা নাই।

ৰবীন্দ্ৰনাথ আৰু ঐক্যৰ আহ্বান ঃ

কবিগুৰু ৰবীন্দ্ৰনাথে জীৱনজুৰি হিন্দু-মুছলমানৰ ঐক্য-সংহতি স্থাপনৰ অৰ্থে অসংখ্য সৃষ্টিৰ মাজেদি আকুল আহ্বান জনাইছিল। তেওঁ গভীৰভাৱে উপলব্ধি কৰিব পাৰিছিল যে ভাৰত দেহত শক-হুন-পাঠান-মোগল-আৰ্য-অনাৰ্য সকলো লীন হৈ এক আৰু অভিন্ন ৰূপত বিৰাজমান হৈছে। তেওঁ আহ্বান জনাইছিল.–

এসো হে আৰ্য, এসো অনাৰ্য, হিন্দু-মুছলমান–
এসো এসো আজ তুমি ইংৰাজ,এসো এসো খৃষ্টান।
এসো ব্ৰাহ্মণ, শুচি কৰি মন ধৰো হাত সবাকাৰ—
এসো হে পণ্ডিত, হোক অপনীত সব অপমান ভাৰ।
মাৰ অভিষেকে এসো এসো ত্বৰা, মংগলঘট হয়নি যে ভৰা
সবাৰ-পৰশে-পবিত্ৰ-কৰ তীৰ্থ নীৰে–
আজি ভাৰতেৰ মহামানবেৰ সাগৰ তীৰে ।।.

—ভাৰততীৰ্থ ।

নজৰুল ইছলাম আৰু জাগৰণীৰ আহ্বান ঃ

বিপ্লৱী কবি-সাহিত্যিক নজৰুল ইছলাম নিজেই যেন হিন্দু-মুছলমান ঐক্যৰ জীৱন্ত প্ৰতীক। তেওঁ সাম্প্ৰদায়িকতাবাদীসকলক জাত-শিয়াল বুলি তিৰস্কাৰ কৰি গাইছিল–

জাতেৰ নামে বজ্জাতিসব জাত-জালিয়াৎ খেলছ জুয়া
চুলেই তোৰ জাত যাবে? জাত চেলেৰ হাতে নয়তো মোয়া।
হুঁকুৰ জল আৰ ভাতেৰ হাড়ি, ভাবলি এতেই জাতিৰ জান,

তাইত বেকুব, কৰ্লি তোৰা এক জাতিকে একশো খান।

এখন দেখিস্ ভাৰত জোড়া

পচেঁ আছিস্ বাসি মড়া,

মানুষ নাই আজ, আছে সুধু জাত-শেয়ালেৰ হুক্কা হুয়া॥।

— জাতেৰ বজ্জাতি ।

তেওঁ 'জাগৰণী'ত মানৱতাবোধ ঘূৰাই আনিবলৈ বুলি আন্তৰিক আবেদন জনাই গাইছিল —

পুৰুষ-সিংহ জাগোৰে !

সত্য মানব জাগোৰে!

বান্ধা-বন্ধন-ভয়-হাৰাও

সত-মুক্তি-মন্ত্ৰ গাওঁ!

— জাগৰণী ।

লক্ষ্মীনাথ বেজবৰুৱা আৰু হিন্দু-মুছলমান-সম্প্ৰীতি ঃ

বেজবৰুৱাক আধুনিক অসমীয়া-সাহিত্য-সংস্কৃতিৰ প্ৰাণপ্ৰতিষ্ঠাপক পুৰুষৰূপে সন্মান কৰা হয়। তেওঁ ভাৰত বুৰঞ্জী নিজে ৰচনা কৰিছিল আৰু ইংৰাজ পুৰুষসকলে ৰচনা কৰি থৈ যোৱা ভাৰত বুৰঞ্জীসমূহ ব্যাপকভাৱে অধ্যয়ন কৰিছিল। তেওঁলোকে হিন্দু-মুছলমানৰ মাজত সাম্প্ৰদায়িক বিদ্বেষ সৃষ্টিৰ অৰ্থে অতিৰঞ্জনৰ ভেটিত ৰচনা কৰি থৈ যোৱা তথ্যসমূহ তেওঁ জানিছিল।

এলফিনষ্টোনে তেওঁৰে ভাৰত বুৰঞ্জীত লিখি থৈ গৈছে—

(১) ঘিয়াচ উদ্দিন বলবন নামে মুছলমান ৰজাজনে মেৱাটপ্ৰদেশৰ এক লক্ষ নিৰ্দোষ হিন্দুক বধ কৰিছিল (পৃঃ ৬৮১),

(২) একেখন বুৰঞ্জীৰ আন এঠাইত লিখি থৈ গৈছে বোলে—
পাঠান ৰজা এজনে হিন্দু ৰজা এজনৰ জীবন্তে ছাল চেলাইছিল।
(পৃঃ ৪০০)

(৩) মাৰ্চডেন বোলা আন এজনে বুৰঞ্জী লিখি কৈ গৈছিল বোলে, মহম্মদ টোগলকে হিন্দুৰ ওপৰত ছগুণ ৰাজহ বঢ়াইছিল। ৰাজহ দিব নোৱাৰি হাবিলৈ পলাই যোৱা প্ৰজাক সৈন্যৰদ্বাৰা বেঢ়াই ধৰি পশুৰ দৰে বধ কৰিছিল (মাৰ্চডেনৰ বুৰঞ্জী, পৃঃ ১০৮)।

(৪) শ্ৰকেজন মাৰ্চডেনেই একেখন বুৰঞ্জীত লিখি থৈ গৈছিল বোলে টাইমুৰে অকল দিল্লীতেই এক লাখৰ অধিক মানুহ বধ কৰিছিল, লুটপাত কৰিছিল, তিৰোতাৰ সতীত্ব নাশ কৰিছিল ।(পৃঃ ১১১)

(৫) একেখন বুৰঞ্জীত আছে জিজিয়া কৰৰ হেঁচাত ৰক্ষা নাপাই আওৰংগজেবৰ

ওচৰত কাকুতি-মিনতি কৰাত হাতী পঠিয়াই দি সেইসকল হিন্দু প্ৰজাক গচকাই মৰাইছিল।

(৬) ইলিয়টৰ ভাৰত বুৰঞ্জীত আছে—

ফিৰোজ টোগলকে নগৰকোট নগৰৰ হিন্দু মন্দিৰৰ মূৰ্তিবিলাক ভাঙি মন্দিৰৰ ভিতৰত গৰু কাটি, সেই মূৰ্তিবোৰৰ ভগা টুকুৰাবোৰৰ সৈতে গৰুৰ মঙহ মিলাই বামুণবিলাকৰ ডিঙিত আঁৰি দিছিল।

(৭) একেজন ইলিয়টে আন এঠাইত লিখি থৈ গৈছে বোলে ব্ৰহ্মণীৰাজ্যৰ মহম্মদ ছা নামে ৰজাজনে ১৭ বছৰৰ ভিতৰত পাঁচ লাখ হিন্দু বধ কৰিছিল ।

(৮) ইলিয়টে আন এঠাইত লিখি থৈ গৈছে যে আন এজন ৰজাই আলিৰে হিন্দুৰ নৱদম্পতী যোৱা দেখিলেই কইনাজনীক ধৰাই আনি ধৰ্ষণ কৰিহে এৰি দিছিল।[১]

ইংৰাজ পুৰুষসকলে লিখি থৈ যোৱা মুছলমানে হিন্দুৰ ওপৰত কৰা ইমানবোৰ অসহনীয় অত্যাচাৰ-অপমানৰ কথা জানি-শুনিও কৃপাবৰৰূপী লক্ষ্মীনাথে একেটা নিবন্ধতে লিখি থৈ গৈছে —

" সেইবোৰ দুখ-বেজাইৰ কথা কালৰ সোঁতত চিৰকাললৈ উটি গ'ল; হিন্দুৰ আউসীৰাতিৰ ওৰ পৰিল; হিন্দুয়ে পুৱাৰ হেঙুলীয়া বেলি দেখি গা টঙাই চৰাই-চিৰিকতিৰে সৈতে লগলাগি-সুখৰ বৰগীত ধৰিছে। হাড়ত বন গজা সেই পঁচা মত এই কুৰি শতিকাৰ সভ্যতা আৰু জ্ঞানৰ দিনত সৰহভাগ মুছলমানে কেতিয়াও বিশ্বাস নকৰে। এতিয়া শিক্ষিত হিন্দুৱে মুছলমানক ভাই বোলা বৰবৰুৱাই শুনিছে আৰু শিক্ষিত আৰু জ্ঞানী মুছলমানে হিন্দুক ককাই বোলাও বৰবৰুৱাৰ শুনিবলৈ বাকী নাই। এতিয়া হিন্দুৱে মুছলমানৰ ধৰ্মক সন্মান কৰিবলৈ শিকিছে আৰু মুছলমানে হিন্দুৰ ধৰ্মক উপলুঙা কৰিবলৈ সংকোচ কৰিছে। আৰু তৰোৱালতকৈ উদাৰ মন, মত, বিশ্বাস, ব্যৱহাৰ, আৰু শিক্ষাৰ ওপৰত বেছিকৈ ভিৰ দিবলৈ শিকিছে।"[২]

মন কৰিব লগা কথা এয়ে যে বেজবৰুৱাই ইংৰাজ পুৰুষসকলে লিখি থৈ যোৱা হিন্দু -নিৰ্যাতনৰ কথাবোৰ সত্য বুলি স্বীকাৰ কৰা নাই, আৰু যদি সত্যও, তেনেবোৰ নিৰ্যাতন সংঘটিত হৈছিলো, তথাপি যথাৰ্থ সংস্কৃতিসম্পন্ন মানুহৰ দৰে, সেই গ্লানিময় অতীতৰ কথা পাহৰি বৰ্তমানটো সুন্দৰ সম্প্ৰীতিপূৰ্ণকৈ গঢ়ি তোলাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছিল। আৰ্থ-সামাজিক বা চা-চাকৰিৰ বৈষম্যৰ কাৰণে বাদ-প্ৰতিবাদত লিপ্ত হোৱা কথা তেওঁ সমৰ্থন কৰিছে আৰু মন্তব্যস্বৰূপে কৈছে —

" তাত হানি নাই' কাৰণ সুস্থ খোৱা—কামোৰা, অৰিয়া—অৰি জাতীয় জীৱনৰ গাঁথনিৰ পক্ষে অৰ্থাৎ গাৰ ফালে ভাল।"[৩]

অৱশ্যে একেটা নিবন্ধৰে শেষৰ ফালে মুছলমানৰ পান-ইছলামিক চেতনাক কঠোৰভাৱে সমালোচনা কৰিবলৈ কিন্তু এৰা নাই। তেওঁ কৈছে—

" এতিয়া ৭০০ কি ৮০০ বছৰৰ পিছতো মুছলমানবিলাকে ভাৰতবৰ্ষত আলহী হৈ আছোঁ বুলি ভাবি, আৰব, পাৰস্য, তুৰস্ক, আফগানিস্থানলৈ চাই হুমুনিয়াহ কাঢ়ি থাকিলেই নহ'ব; তেওঁলোক ভাৰতৰ হিন্দুৰহে অংশীদাৰ,পাৰস্যৰ কাদিৰ স্যাৰ বা কাবুলৰ গুলজাৰ খাঁৰ নহয়।"

একে প্ৰসংগতে তেওঁ ভাৰতীয় হিন্দুসকলকো গভীৰভাৱে বিবেচনা কৰিবলৈ আবেদন জনাই কৈছে—

" ভাৰতবৰ্ষৰ মুছলমানৰ চাৰিভাগৰ তিনিভাগ আগেয়ে হিন্দু আছিল।"[৪]

এই সত্য তত্ত্বলৈ উভয়পক্ষই সহানুভূতিৰে লক্ষ্য কৰে মানে জাতীয় জীৱনলৈ তথা হিন্দু-মুছলমানৰ ঐক্য-সম্প্ৰীতি-সদ্‌ভাৱ স্থাপনৰ কাৰণে মংগলজনক ।

কালিৰাম মেধি আৰু হিন্দু-মুছলমান সম্পৰ্ক ঃ

কালিৰাম মেধিও আছিল বিশিষ্ট বৈষ্ণৱ। অথচ আছিল উদাৰ গণতান্ত্ৰিক চেতনাসম্পন্ন। সেই উদাৰ গণতান্ত্ৰিক চেতনাৰ পোহৰতে তেওঁ গভীৰ আন্তৰিকতাৰে অনুভৱ কৰিছিল যে অসম-ভাৰতত হিন্দু-মুছলমানৰ ঐক্য-সংহতি বিনে নতুন ভৱিষ্যৎ বুলিবলৈ একো নাই।

১৯১৮ চনত অসম মুছলিম ছাত্ৰ সংস্থা গঢ়লৈ উঠাত একাংশ হিন্দু উচাপ খাই উঠিছিল। কিন্তু মেধি ডাঙৰীয়াই তাক উদাৰ দৃষ্টিৰে গ্ৰহণ কৰি লিখিছিল,—

"বৰ্তমান আমাৰ মুছলমান বন্ধুসকলৰ মাজত স্বদেশপ্ৰেম জাগিছে। নতুন মুছলমান ছাত্ৰসভাৰ নাম শুনি দুই-এজনে ভয় খাইছে। আমাৰ বোধে তাৰ জন্মত আশাহে আছে, ভয়ৰ কাৰণ নাই। এই ছাত্ৰসভাই এটি মহতী শক্তিৰ সৃষ্টি কৰিব বুলি আশা কৰিব পাৰি। তেওঁলোকৰ সন্মিলিত শক্তিৰ পৰাও অসমীয়া সাহিত্যই বিশেষ সহায় আৰু উপকাৰ পাব বুলি আশা কৰিছোঁ। যোল লক্ষ অসমীয়াৰ প্ৰায় এক-চতুৰ্থাংশ মুছলমান। তেওঁলোকক এৰি হিন্দুই বা হিন্দুক এৰি তেওঁলোকে উন্নতি পথত আগুৱাব নোৱাৰে।"[৫]

ভাষাবিদ পণ্ডিত কালিৰাম মেধিয়ে একেখন অভিভাষণত অসমৰ অসমীয়া মুছলমানসকলৰ সাহিত্য কৃতি আদিৰ কথা শ্ৰদ্ধাৰে সুঁৱৰি গৌৰৱবোধ কৰি কৈছে যে—

" অসমৰ হিন্দু-মুছলমানৰ মিলা-প্ৰীতিৰ ভাব গোটেই-ভাৰতৰ আদৰ্শস্থানীয়। আমাৰ দেশত (অসমত) এই দুই সম্প্ৰদায়ৰ ভিতৰত ধৰ্ম বা জাতিলৈ বিদ্বেষ নাই, আগেয়েও নাছিল আৰু আশা কৰিব পাৰি আগলৈও নাথাকিব।"

একেখন অভিভাষণতে অসমীয়া ভাষাৰ কথা আলোচনা কৰি কৈছে—

" আমাৰ ভাষা-সংস্কৃতিৰ ওচৰত যেনে ধৰুবা, আৰবী আৰু ফাৰ্চীৰ ওচৰতো তেনে ধৰুবা। কেৱল মাত্ৰাতহে কম-বেছি আছে। আমাৰ ভাষাত যিমান আৰবী-ফাৰ্চী শব্দ আছে, ভাৰতৰ বহুত ভাষাত সিমান নাই। অসমীয়া ভাষা কেৱল হিন্দুৰ নহয়, মুছলমানৰো সম্পত্তি।"

উদাৰ গণতান্ত্ৰিকতাসম্পন্ন কালিৰাম মেধিৰ স্পষ্ট অভিমত যে,—

"কেতিয়াবা কেতিয়াবা হিন্দুৱে মুছলমানৰ আৰু মুছলমানে হিন্দুৰ শাস্ত্ৰ নপঢ়াকৈ বা নজনাকৈয়ে অমূলক তৰ্ক-বিৰ্তক কৰে।"

এনে বাদ-বিসম্বাদ লোপ কৰাৰ অৰ্থে অনুবাদ সাহিত্যৰ আৱশ্যকতাৰ কথাও তেওঁ গুৰুত্ব সহকাৰে অনুভৱ কৰিছে।

মৌলবাদ বনাম প্ৰগতি ঃ

আনন্দৰ কথা যে ৰবীন্দ্ৰনাথ, নজৰুল, লক্ষ্মীনাথ, কালিৰাম প্ৰভৃতি বিশিষ্ট সাহিত্যিক আৰু চিন্তাবিদ দেশপ্ৰেমীসকলে আশা কৰাৰ দৰে হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়ৰ মাজত বিজ্ঞানসন্মত শিক্ষা-দীক্ষাৰ বিকাশ সাধনৰ লগে লগে, আৰু বিশেষকৈ, বাম আৰু গণতান্ত্ৰিক মতাদৰ্শেৰে উদ্বুদ্ধ হোৱা অংশ অসমীয়া-ভাৰতীয়ই, সাম্প্ৰদায়িকতাকে ধৰি সকলো প্ৰকাৰৰ উগ্ৰতাৰ পৰা ক্ৰমে মুক্ত হ'বলৈ সমৰ্থ হোৱা দেখা গৈছে। সম্প্ৰতি ই সমগ্ৰ বিশ্বতেই সত্যৰূপে প্ৰতিপন্ন। সমগ্ৰ বিশ্বৰ য'তেই বাম আৰু গণতান্ত্ৰিক ভাবাদৰ্শৰ বিকাশ ঘটিছে, ত'তেই সাম্প্ৰদায়িকতাকে ধৰি সকলো প্ৰকাৰৰ উগ্ৰতাৰ উপশম ঘটিবলৈ উপক্ৰম কৰিছে। অসম বা ভাৰততো বাম আৰু গণতান্ত্ৰিকসকলে উগ্ৰ সাম্প্ৰদায়িক, উগ্ৰ ভাষিক বা উগ্ৰ জাতীয়তাবাদী আন্দোলন বা সংঘাত-সংগ্ৰামত জড়িত হোৱাৰ নিদৰ্শন নাই। আনকি বাংলাদেশ, পাকিস্তান আৰু আৰব জগতৰো দেশে দেশে ই সত্যৰূপে প্ৰতিপন্ন। সেইবোৰ দেশত বাম আৰু গণতান্ত্ৰিকসকলে ধৰ্ম, সম্প্ৰদায়, জাতি, আৰু ভাষাৰ সংখ্যালঘুসকললৈ উদাত্তচিত্তে ৰক্ষণাবেক্ষণ আগবঢ়াই থকা এক ঐতিহাসিক সত্য। আৰু সেইকাৰণে প্ৰতিক্ৰিয়াশীল ৰাজনৈতিক নেতা আৰু মৌলবাদীসকলৰ মানত বামপন্থীসকল প্ৰবল শত্ৰু, বামপন্থী নিধন তেওঁলোকৰ মানত পবিত্ৰতম ধৰ্ম। ই অসম-ভাৰততো সত্য, বাংলাদেশ-পাকিস্তানতো সত্য আৰু ইৰাণ-তুৰস্কতো সত্য।

কিছুদিন আগতে লনৰ পৰা পৰিৱেশিত এটা সংবাদ অসমীক্ষা অসম ট্ৰিবিউনত প্ৰকাশ হৈছিল। সেই সমীক্ষা অনুসৰি ইছলামিক দেশবোৰত প্ৰগতিশীল লেখক, সাহিত্যিক আৰু সাংবাদিকসকলৰ স্বাধীনতা সমূলি নাই। ধৰ্মীয় নেতা আয়াতোল্লা খোমেনিৰ নেতৃত্বাধীন ইৰাণত ধৰ্মান্ধতাই কিদৰে খোপনি পুতিছিল, তাক অনুসন্ধিৎসুসকলে জানে। ইৰাণত প্ৰগতিবাদীসকল কি নিষ্ঠুৰভাৱে নিপীড়িত-নিৰ্যাতিত হৈছে তাৰ আভাস দি সমীক্ষাটোত কৈছিল বোলে ১৯৯৪ চনৰ প্ৰাৰম্ভলৈ অন্ততঃ ষাঠিগৰাকী বিশিষ্ট

প্ৰগতিবাদী সাহিত্যিক নিহত হৈছিল, প্ৰায় এহাজাৰ আঠশজন সাহিত্যিক হৈছিল নিৰ্বাসিত আৰু তেনেকৈ অন্ততঃ এহাজাৰজন বিভিন্ন কাৰাগাৰত আবদ্ধ। তাৰ মোল্লাতন্ত্ৰ ইমান নিষ্ঠুৰ আৰু কুৎসিত যে প্ৰগতিবাদী লোকৰ বিয়াত দৰাক কইনাৰ পৰা কাঢ়ি নি গুলিয়াই হত্যা কৰি মৃতদেহ আনি কইনাক উপহাৰ দিয়াৰ আৰম্ভ কৰিছিল।

সমগ্ৰ পৃথিৱীব্যাপীয়ে মৌলবাদীসকল এনে গবাঞ্চ যে তেওঁলোকে সাহিত্য-সংস্কৃতি-কলা সকলোৰে বিকাশত তুমুল প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি আহিছে। সংবাদপত্ৰৰ মাধ্যমতে জানিবলৈ পোৱা গৈছিল যে ইছলামবাদৰ এহাল মুছলমান দম্পতীয়ে অভিনয়ত তিনি তালাক উচ্চাৰণ কৰা অপৰাধত দম্পতী যুগলৰ মিলন অৰ্থাৎ বিবাহ বিচ্ছেদ কৰিবলৈ বুলি ফটোৱা জাৰি কৰিবলৈ দ্বিধাবোধ কৰা নাছিল। মৌলবাদৰ বিৰোধিতা কৰা অপৰাধতে বাংলাদেশৰ মহিলা সাহিত্যিক তছলিমা নাছৰিনক মৌলবাদী অংশই মৃত্যুদণ্ডবিহিছিল। জীৱনৰ তাড়নাত পলাই গৈ তেওঁ ইউৰোপৰ দেশে দেশে আশ্ৰয় লৈ থাকিব লগাত পৰিছে। এই প্ৰসংগতে ইংৰাজ ঔপন্যাসিক ছ'লমান ৰুশ্চদিৰ কথাও মনত পৰে। মৌলবাদৰ বিৰুদ্ধে মাত মতা অপৰাধতে ইৰাণৰ আয়াতোল্লা খোমেনি প্ৰশাসনে তেওঁকো মৃত্যুদণ্ড বিহিছিল। যিয়ে ৰুশ্চদিক হত্যা কৰিব সিয়েই একোটি ডলাৰ মুদ্ৰা উপহাৰ লাভ কৰিব পাৰিব বুলিও ঘোষণা দিবলৈ এৰা নাছিল । খোমেনিৰ গুপ্তচৰে ৰুশ্চদিক গোপনে গোপনে পাত পাতকৈ বিচাৰিও ফুৰিছিল। বৰ্তমানেও তেওঁ মুকলিভাৱে চলা-ফিৰা কৰিবলৈ সমৰ্থ হোৱা বুলি জনা নাযায়।

পৃথিৱী বিখ্যাত প্ৰগতিবাদী ভাৰতীয় চিত্ৰতাৰকা শবনা আজমীক নজনা মানুহ বৰ কম। ক'লা মানুহৰ স্বাধীনতাৰ নেতা দক্ষিণ আফ্ৰিকাৰ নেলচন মাণ্ডেলাক এখন ৰাজহুৱা সভাত সম্মান প্ৰদৰ্শন কৰা অৰ্থত শাবনাই চুমা খাইছিল। ১৯৯৪ চনৰ তিনি জানুৱাৰীৰ দিনাৰ অসম ট্ৰিবিউনত বাতৰি প্ৰকাশ পাইছিল যে তেওঁৰ বিৰুদ্ধে ইছলাম জগত জকজকাই উঠিছিল। ভাৰতৰ মুছলিম একতা মঞ্চৰ আহ্বায়ক আকবৰ আহমদে বিজ্ঞপ্তিযোগে প্ৰচাৰ কৰিছিল যে শবনাই মুকলিভাৱে ক্ষমা প্ৰাৰ্থনা নকৰিলে তেওঁক সামাজিকভাৱে বৰ্জন কৰিব।

হিন্দু মৌলবাদ বনাম প্ৰগতি :

দেশ স্বাধীন হোৱাৰ আগলৈকে হিন্দু মৌলবাদীৰ প্ৰতিক্ৰিয়াও আছিল অমানবীয়ই। আজিও হিন্দু মৌলবাদীৰ সংখ্যা তেনেই কম নহয়। মুছলমান মৌলবাদী অংশই আহাৰ-বিহাৰ, বসন-ভূষণ,আচাৰ-ৰীতিতেই ধৰ্ম বৰ্তি থাকে বুলি ফটোৱা জাৰি কৰাৰ দৰে, হিন্দু মৌলবাদী অংশয়ো বসন-ভূষণ, ফালি-ফোট আদিৰে বিভূষিত হৈ হিন্দুত্ব সংৰক্ষণ কৰিব বিচাৰে। জগত বিখ্যাত সংস্কৃত পণ্ডিত আনন্দৰাম বৰুৱাই বিলাতত থাকোঁতে গো মাংস খোৱা বুলি সন্দেহ কৰিয়ে জানো প্ৰায়শ্চিত নোহোৱা কাৰণে অসমৰ হিন্দুত্ববাদী

সমাজ প্ৰভুসকলে তেওঁক এঘৰীয়া কৰি থোৱা নাছিল। সিমান হে নে, আনকি এই আশীৰ দশকত এই গ্ৰন্থৰ এইজন লেখকে শংকৰদেৱক সামন্তপ্ৰভু বুলি সাব্যস্ত কৰি আলোচনা প্ৰচাৰ কৰা অপৰাধত এগৰাকী উগ্ৰ শংকৰভক্তই বেচেৰাক নিহত কৰিবলৈ 'অৱতাৰ' বোলা সংবাদপত্ৰখনৰ বুকত অসমৰ ছাত্ৰ-যুৱকসকলক আহ্বান জনাবলৈ বাদ দিয়া নাছিল। হিন্দু মৌলবাদীৰ এনে তুচ্ছতাৰ নিদৰ্শনো অসংখ্য আছে।

প্ৰগতিবাদৰ জয়যাত্ৰাৰ সূচনা ঃ

আনন্দৰ কথা যে বিজ্ঞান আৰু প্ৰযুক্তবিদ্যাৰ বিকাশৰ লগে লগে ভাৰতীয় সমাজৰ পৰাও মৌলবাদ আৰু প্ৰতিক্ৰিয়াশীল শক্তিৰ প্ৰভাৱ ক্ৰমে টুটিবলৈ আৰম্ভ কৰা বুলি অনুমান হৈছে। আমি দেখিছোঁ যে ভো ভো পণ্ডিতৰ ঘৰৰ ল'ৰা-ছোৱালীয়ে অসবৰ্ণ বিবাহত মনোনিবেশ কৰিছে, হিন্দু সমাজপতিৰ ঘৰলৈ মুছলমান বোৱাৰী আহিছে, পূৰ্বৰ অস্পৃশ্য জনজাতিৰ বোৱাৰীও আহিছে। কঁচাইৰ দোকানৰ মাংস নোখোৱা হিন্দু পৰিয়াল সম্প্ৰতি কমি গৈছে। গোমাংস হিন্দুৰ ঘৰত সোমাইছে বুলি জনা নাই, কিন্তু মুৰ্গীৰ মাংসই হিন্দুৰ ঘৰতো অনুপ্ৰবেশ কৰা বুলি জানিবলৈ পোৱা হৈছে। বামুণে হাল বোৱা আছিল এসময়ত মহা অপৰাধ, কিন্তু সম্প্ৰতি বহু বামুণেই হাল বাই বুলি জানিব পৰা গৈছে আৰু তেনে মানুহক সামাজিকভাৱে বৰ্জন কৰাৰ সাহস সমাজপতিসকলে দেখুৱাব পৰা নাই। দাৰিদ্ৰ্য, অশিক্ষা আৰু কুশিক্ষাৰ কাৰণে একো একো অংশৰ মাজত মৌলবাদৰ প্ৰভাৱ অটুট থকা অৱশ্যে এতিয়াও পৰিলক্ষিত হয়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সুবিকাশ ঘটা ইউৰোপ-আমেৰিকা প্ৰভৃতি দেশৰ পৰা মৌলবাদ প্ৰায়েই বিলুপ্তি ঘটাৰ পথত। কিন্তু ভাৰতকে ধৰি এচিয়াৰ, বিশেষকৈ মুছলিম জগতত মৌলবাদে খোপনি এৰা নাই বুলিবই পাৰি। অৱশ্যে প্ৰগতিবাদী অংশই সংগঠিতভাৱে মৌলবাদৰ বিৰুদ্ধে থিয় দিবলৈ কুণ্ঠাবোধ কৰা নাই। হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ প্ৰগতিবাদীৰ মানত সাম্প্ৰদায়িক বিভেদ ক্ৰমে লোপ পাই আছে; তেওঁলোকৰ মানত ' সত্যতকৈ আন একো ধৰ্মই নাই।'

মৌলবাদী মুছলমানৰ মানত পৰধৰ্মৰ প্ৰতি, বিশেষকৈ মূৰ্তি উপাসনাৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰা কাৰ্য গুণাহ। কিন্তু সম্প্ৰতি প্ৰগতিবাদী মুছলমান অংশই তেনে নিষেধলৈ ভ্ৰূক্ষেপকে নকৰাত পৰিছে। বাব্ৰি মছজিদ ধ্বংস কৰাৰ দুমাহমান পিছৰ কথা, দিল্লীৰ ওচৰৰ আদাপুৰ গাঁৱৰ হিন্দু নাপিত ৰামমনোহৰে এটা শিৱ মন্দিৰ সজাবলৈ ল'লে। ৰামমনোহৰে তাৰ জীৱনৰ সকলো সঞ্চয় মন্দিৰটোৰ কাৰণে ব্যয় কৰিলে। কিন্তু মন্দিৰৰ কাম অসম্পূৰ্ণ হৈ থাকিল। তেতিয়া ৰামমনোহৰক সহায় কৰিবলৈ আগবাঢ়ি আহিল মুছলমান চিকিৎসক ডাঃ খলিল চিদ্দিকী। ডাঃ চিদ্দিকীৰ সহায়ৰ ফলত মন্দিৰ সম্পূৰ্ণ হ'ল আৰু সেই বছৰৰে শিৱৰাত্ৰিৰ দিনা আনুষ্ঠানিকভাৱে মন্দিৰটো উদ্বোধনো কৰিলে। বাব্ৰি মছজিদ উগ্ৰহিন্দুই বিধ্বংস কৰা সত্ত্বেও উদাৰপন্থী চিকিৎসক ডাঃ চিদ্দিকীক

হিন্দুৰ শিৱমন্দিৰ নিৰ্মাণত সহায় কৰাৰ পৰা মুছলমান মৌলবাদীয়ে বিৰত ৰাখিব নোৱাৰিলে।

অসমতো তেনে ভালেমান নিদৰ্শন আছে? বৰ্তমান বৰপেটা জিলাৰ অন্তৰ্ভুক্ত কঁয়াকুছি আৰু মকিন্দয়া দুখন মুছলমানপ্ৰধান গাঁও; তাত হিন্দু তেনেই সংখ্যালঘু। কিন্তু দুয়োখন গাঁওতে বামপন্থীৰ সংগঠন বেছ শক্তিশালী। দুয়োখন গাঁওৰে ৰাজহুৱা স্থানত কালী মন্দিৰ আছে। আমি প্ৰত্যক্ষভাৱে দেখি আনন্দিত হৈছোঁ যে সেই কালী মন্দিৰৰ পূজা-উপাসনা চলোৱাৰ সকলো দায়িত্ব বহন কৰে মুছলমান সমাজেহে; মৌলবাদী শক্তিয়ে প্ৰগতিবাদী অংশক তাৰ পৰা বিৰত কৰিব পৰা নাই। আনকি হিন্দুৰ মূৰ্তিপূজাত সহায় কৰা কাৰণে অনা-ইছলামিক কাৰ্যত লিপ্ত হোৱা বুলিও অনুভৱ নকৰে। বৰং হিন্দু-মুছলমানৰ মাজত সম্প্ৰীতিৰ পৰিবেশ গঢ়ি তুলিব পৰা কাৰণে গৌৰৱহে অনুভৱ কৰে।

মুছলমান মৌলবাদীসকলৰ দৃষ্টিত ইছলামধৰ্মীয় নৃত্য-গীতত বাদে অন্য নৃত্য-গীত ইছলামত নিষিদ্ধ। অভিনয়ো ইছলামত গুণাহ। কিন্তু দেখা গৈছে যে সম্প্ৰতি ধৰ্মত বাজে আনন্দ-বিনোদনৰ ক্ষেত্ৰতো মুছলমান যুৱক-যুৱতীসকলে নৃত্য-গীত-অভিনয়ত মুকলি মনেৰেযোগদান কৰে। হাউলীৰ ওচৰৰ কুঁজাৰপীঠ এখন মুছলমান অভিবাসীৰ গাঁও। গৈ দেখিলোঁ সেই গাঁওবাসীয়ে প্ৰতিবছৰে ৰঙালী বিহু উৎসৱ গীত-মাত আদিৰে অনুষ্ঠিত কৰে। তাৰ্তে হিন্দুও আমন্ত্ৰিত হয় আৰু মুকলি মনেৰে উভয় সম্প্ৰদায়ে মিলি বিহু উৎসৱ সম্পন্ন কৰে। সত্ৰাধিকাৰৰ ঘৰৰ ল'ৰাই সেই উৎসৱত যোগদান কৰি নিঃশংকচিত্তে অভ্যৰ্থনা গ্ৰহণ কৰা প্ৰত্যক্ষভাৱেই দেখিছোঁ। আজি দুবছৰ আগতে বৰপেটা অঞ্চলৰে বাঁহবাৰীত বড়ো আৰু মুছলমানৰ মাজত তুমুল সংঘৰ্ষ সংঘটিত হোৱাৰ কথা কোনোৱে পাহৰা নাই নিশ্চয়। কিন্তু এই বেলি (১৯৯৭) ৰঙালী বিহুৰ সময়ত প্ৰত্যক্ষ কৰিলোঁ যে বড়ো আৰু অভিবাসী মুছলমানসকলে বৰপেটা জিলাৰে কঁঠালৰতাৰীত কান্ধত কান্ধ মিলাই একেলগে বিহু উৎসৱ পালন কৰিছে।

এনে আৰু বহু নিদৰ্শন দাঙি ধৰি দেখুৱাব পাৰি যে একাংশ মৌলবাদী আৰু প্ৰতিক্ৰিয়াশীল ৰাজনীতিকে হিন্দু-মুছলমানৰ মাজৰ সম্পৰ্ক তিক্ত কৰি তুলিছে যদিও, আন এক ব্যাপক অংশই আনন্দেৰে আৰু মুকলি মনেৰে আগবাঢ়ি ওলাই আহিছে, ধৰ্ম-সম্প্ৰদায়ৰ ঠেক গণ্ডী উলংঘা কৰি মুক্ত মানুহৰ কাৰণে এখন মুক্ত আৰু সুবিশাল মানৱসমাজ গঢ়ি তুলিবলৈ। এইখন নতুন মানৱীয়বাদী সমাজৰ পূৰ্বেৰুণ অসমকে ধৰি সমগ্ৰ ভাৰততে পৰিলক্ষিত হৈছে।

মানৱীয়বাদী সমাজৰ পূৰ্বেৰুণ ঃ

মৌলবাদী আৰু প্ৰতিক্ৰিয়াশীল অংশ সাধাৰণেতে আৱেগসৰ্বস্ব; তেওঁলোক বিবেক-বিবেচনাহীন আৰু প্ৰকৃত অৰ্থতে মানৱ-বিদ্বেষী। কিন্তু সুখৰ আৰু আনন্দৰ কথা যে

সমগ্ৰ ভাৰতব্যাপী একাংশ বিবেকবান লোকৰ সৃষ্টি হৈছে আৰু তেওঁলোকৰ চিন্তা আৰু কাৰ্যৰ ফলত বিভেদ-বিচ্ছিন্নতাহীন নতুন মানৱীয় সমাজৰ পূবেৰুণে ভূমুকি মৰা সম্ভৱপৰ হৈছে বুলি অনুভৱ হৈছে।

১৯৯২ চনৰ ৩ আগষ্টৰ কথা। বাব্ৰি মছজিদক লৈ হিন্দু মৌলবাদীসকলে পৰিস্থিতি উত্তপ্ত কৰি তুলিছে। সুবিধাবাদী প্ৰতিক্ৰিয়াশীল অংশই তাৰ সুযোগ লৈ সাম্প্ৰদায়িকতাৰ নামত ৰাজনৈতিক মুনাফা লুটিবলৈ তৎপৰ হৈ উঠিছে। সেই সময়তে আৱশ্যকীয় ধৰণে কাৰ্যপন্থা গ্ৰহণৰ অৰ্থে দিল্লীত মুছলমান নেতৃবৰ্গৰ এখন সভা আহ্বান কৰিছে ছাহ ইমাম আব্দুল্লা বুখাৰিয়ে। দেশৰ আগশাৰীৰ মুছলমান নেতাসকলে সেই সভাত যোগদান কৰিছিল। সেই সভাত প্ৰাক্তন কংগ্ৰেছ সাংসদ আৰু উত্তৰ প্ৰদেশ শাখা বাব্ৰি মছজিদ একশ্যন কমিটিৰ সভাপতি মৌলানা কাচাউচভিয়ে যোগদান কৰি সাম্প্ৰদায়িকতাৰ জুই জ্বলাই দিয়াৰ প্ৰবৃত্তিৰে আৱেগবিহ্বল কণ্ঠে কৈছিল—

> "যি মুহূৰ্তত আপোনালোকে শুনিব যে বাব্ৰি মছজিদৰ ওপৰত আক্ৰমণ চলিছে, সেই মুহূৰ্তত আপোনালোকে নিজৰ নিজৰ এলাকাৰ হিন্দু মন্দিৰবোৰ ভাঙি গুৰি কৰি দিব।"

কিন্তু তেওঁৰ প্ৰতিক্ৰিয়াশীল ভাষণৰ তাৎকালিক প্ৰতিবাদ নোহোৱাকৈ নাথাকিল। জনতা দলৰ তদানীন্তন সাধাৰণ সম্পাদক ওৱাচিম আহমেদে লগে লগে সেই ভাষণৰ প্ৰতিবাদ কৰি ক'লে—

> " আপোনাৰ দৰে মানুহেই মুছলমানসকলৰ ধ্বংস মাতি আনিছে। আপোনালোকে জুই জ্বলাই দি আঁতৰি পলায় আৰু সেই জুইতি পুৰি মৰে শিক্ষ-দীক্ষাহীন সাধাৰণশ্ৰমকাৰী লোকসকলহে। এনে জ্বালাময়ী ভাষণে বিজেপি আৰু আৰ-এচ-এচৰ হাতহে শক্তিশালী কৰে।"

অনুসন্ধান কৰিলে দেখা যায় যে ভাৰতৰ মুছলমান সম্প্ৰদায়ৰ অন্ততঃ একাংশ লোক সম্প্ৰতি যেন নতুন অস্তিত্বৰ সন্ধানতহে তৎপৰ। তেওঁলোক বিবেকী, তেওঁলোকৰ নিৰপেক্ষ দৃষ্টিভংগীয়ে নতুন পুৰুষক নতুন মানৱীয় পথৰ সম্ভেদ দিব ধৰিছে। জাভেদ হবিবো বাব্ৰি মছজিদ একশ্যন কমিটিৰ অন্যতম সদস্য। সেই সভাত তেৰোঁ উপস্থিত আছিল। দূৰদৃষ্টিসম্পন্ন জাভেদ হবিবে মুছলমান নেতৃবৰ্গক কঠুৱা ভাষাৰে সমালোচনা কৰি কৈছিল —

> " ধৰ্মনিৰপেক্ষ হিন্দুসকলে ভাৰতক কেতিয়াও ধৰ্মতান্ত্ৰিক দেশৰূপে গঢ়ি তুলিব নিবিচাৰে। কিন্তু সমস্যাৰ সৃষ্টি হৈছে মুছলমান নেতৃবৰ্গক লৈহে। তেওঁলোকক কেৱল মুছলমানক লৈয়ে ব্যস্ত, ৰাষ্ট্ৰীয় সমস্যা আদিৰ ক্ষেত্ৰত তেওঁলোক নীৰৱ।"

একেটা প্ৰসংগৰ পৰা জনা যায় যে মুছলমান প্ৰগতিবাদী সাংবাদিক এজনে মুছলমানসকলক কঠোৰভাৱে সমালোচনা.কৰি কৈছে বোলে —

> " আমাৰ প্ৰধান সমস্যা হৈছে মুছলমানসকলক লৈহে। মুছলমান অধ্যুষিত ঠাইত মুছলমানবিলাকে দাবী কৰোঁ ধৰ্মতন্ত্ৰৰ আৰু মুছলমান সংখ্যালঘিষ্ঠ ঠাইত দাবী তোলো ধৰ্ম নিৰপেক্ষতাৰ।..... আনন্দৰ কথা যে যুৱ সমাজে এই ভণ্ডামিৰ স্বৰূপ উপলব্ধি কৰিব পাৰিছে।" [৬]

এনে ধৰণৰ উদাৰ আৰু সাহসী দৃষ্টিভংগীয়ে স্বাভাৱিকতেই নতুন পুৰুষৰ জীৱন-পথত আলোকৰ সন্ধান দিয়ে।

ঊনবিংশ শতিকাৰ আশী দশকৰ দ্বিতীয় অৰ্ধৰ পৰা আলিগড় আছিল হিন্দু-বিৰোধী প্ৰচাৰৰ মুছলমানসকলৰ প্ৰধান কেন্দ্ৰ। আলিগড় মুছলিম মহাবিদ্যালয় আৰু পিছত বিশ্ববিদ্যালয় আছিল মুছলমান মৌলবাদৰ আহল-বহল ক্ষেত্ৰ। কিন্তু আনন্দৰ বিষয় যে সম্প্ৰতি সেইখন আলিগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য চৈয়দ হামিদৰ নেতৃত্বত গঢ় লৈ উঠিছে 'তালিমী ক্যাৰাভান' বোলা এক বিশিষ্ট প্ৰগতিবাদী মুছলমান সংগঠন। সেই সংগঠনে মুছলমান সমাজৰ অনগ্ৰসৰতাৰ কাৰণে চৰকাৰ বা হিন্দু সমাজক দোষাৰোপ কৰাৰ পৰিবৰ্তে, মুছলমান সমজাৰ একাংশৰ কূপমণ্ডুকতা দৃষ্টিকহে দোষাৰোপ কৰিছে। আলিগড় বিশ্ববিদ্যালয়ৰ এক বিপুলসংখ্যক ছাত্ৰ-শিক্ষকে আজি মৌলাবাদৰ বিৰুদ্ধে প্ৰগতিবাদ আৰু জাতীয়তাবাদৰ সমৰ্থনত সৰব বৈ উঠিছে। ভাৰত বিখ্যাত প্ৰগতিবাদী ঐতিহাসিক ইৰফান হবিব আলিগড় বিশ্ববিদ্যালয়ৰে মধ্যমণিস্বৰূপ।

শ শ বছৰ যোৰা কুসংস্কাৰৰ একে দিনাই অৱসান ঘটা অসম্ভৱ। একাংশ বুদ্ধিজীৱীয়ে অন্ধপৰম্পৰাক পৰিহাৰ কৰি নতুন বিজ্ঞানসন্মত পৰম্পৰা প্ৰতিষ্ঠাত বা সকলো প্ৰকাৰৰ কুসংস্কাৰৰ পৰা মুক্ত হৈ মুক্ত মানুহৰ মুক্ত সমাজ গঢ়াৰ দৃঢ়তা প্ৰদৰ্শনত ব্যৰ্থ হৈ আছে সঁচা; কিন্তু ডি—ডি—কোশাম্বী, ৰমিলা থাপাৰ, বিপন চন্দ্ৰ , অমলেন্দু গুহ, হীৰেন গোহাঁই, প্ৰমুখ্যে আন এক বিশিষ্টসংখ্যক ঐতিহাসিক-বুদ্ধিজীৱীয়ে ভাৰতীয় সমাজজীৱনলৈ বিজ্ঞানসন্মত প্ৰগতিবাদী চিন্তাৰ ধাৰা বোৱাই দি নতুন ভাৰত গঢ়াৰ সবল সম্ভেদ নিদিয়াকৈ থকা নাই।

অসমকে ধৰি সমগ্ৰ ভাৰতৰ যুৱশক্তিৰ এক বিশিষ্টসংখ্যক আজি আৰু মৌলবাদী আৰু উগ্ৰজাতীয়তাবাদী চক্ৰৰ হাতৰ পুতলা হৈ থকা নাই, সাম্প্ৰদায়িক আৱেগৰ সলনি তেওঁলোকে গুৰুত্ব আৰোপ কৰিবলৈ লৈছে যুক্তি, বিচাৰ আৰু বিবেকৰ ওপৰত। এটা বাস্তৱ অভিজ্ঞতাৰ কথা উল্লেখ কৰিব বিচাৰিছোঁ।

বাবৰি মছজিদ বিধ্বংস হোৱাৰ দুমাহ পিছত ১৯৯৩ চনৰ ফেব্ৰুৱাৰীৰ শেষ সপ্তাহৰ এনিশা মৌলবাদী উগ্ৰহিন্দু সংগঠনৰ যুৱক এজনে বাবৰি মছজিদ ধ্বংসৰ কাৰণে

গৌৰৱবোধ কৰাত কঠোৰভাৱে সমালোচনা কৰা হৈছিল। তাৰ দুদিন পিছত ৰাতিপুৱাই আমাৰ ঘৰৰ এখন দেৱালত ৰঙা ৰঙেৰে লেখা ধ্বনি দেখা গ'ল—

" কংগ্ৰেছ, কমিউনিষ্ট, মুছলিমলীগ, এই তিনি দেশ ধ্বংসৰ তিনিটা দিশ।"

আন এটা বিশেষ উল্লেখযোগ্য কথা এয়ে যে আমাৰ চহৰখনৰ আন কোনো ঠাইত কিন্তু সেই ধ্বনি দেখা পোৱা নগ'ল। সন্তোষৰ কথা আছিল এয়ে যে তাৰ তিনিদিনমান পিছতে১৯৯৩ চনৰ ১ মাৰ্চৰ দিনা অনুষ্ঠিত নলবাৰী মহাবিদ্যালয়ৰ এখন বিশেষ সভাত ছাত্ৰ একতা সভাৰ উপ-সভাপতিয়ে দৃঢ়কণ্ঠে ঘোষণা দিলে,—

" আজিৰ যুৱশক্তি বিবেকী, বিবেকৰ অধীন, আৱেগ সৰ্বস্ব উতলা নহয়। এনেবোৰ দেৱাল লেখন বা ধ্বনিয়ে আমাক টলাব নোৱাৰে। আমি ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক সমাজৰ পক্ষত অটল।"

যুৱশক্তিৰ এনে দৃঢ়তা সঁচাকৈয়ে পৰম আনন্দদায়ক আৰু সোণালী ভৱিষ্যতৰ বাৰ্তাবাহক। অসমৰ নগাঁৱৰ জ্যোতিৰ্ময় জানা এগৰাকী বাংলাভাষী অসমীয়া প্ৰগতিবাদী বুদ্ধিজীৱী। বাব্‌ৰি মছজিদ বিধ্বংস হোৱাৰ পিছত অসমৰ ডবকা, হোজাই আদিত তাৰ বিষময় প্ৰতিক্ৰিয়া পৰিলক্ষিত হৈছিল, নাৰকীয় হত্যাকাণ্ডও সংঘটিত হৈছিল আৰু ঘৰ-দুৱাৰ ভস্মীভূত কৰাৰ উপৰি লুটপাতো চলিছিল। শ্ৰীজানাই সেই অমানবীয় কাৰ্যৰ তীব্ৰ প্ৰতিবাদত লেখা তেওঁৰ অন্যতম নিবন্ধ আছিল —

" আসামে ধৰ্মীয় মৌলবাদেৰ উত্থানে বিপন্ন বাঙালী ও বাঙালী সংস্কৃতি।" তাত তেওঁ বাঙালী নামধাৰী উগ্ৰসাম্প্ৰদায়িক অংশক, —

' বৰ্বৰ, পাষণ্ড, পশু' বুলি অভিহিত কৰিবলৈ দ্বিধাবোধ কৰা নাই। ন-অসমীয়া নামধাৰী অসমৰ বাংলাভাষীসকলকো একে সমান উষ্ণতাৰে তিৰস্কাৰ কৰি কৈছে —

"এইবোৰে অপৰাধে অন্যকে হত্যা কৰেছে, নিৰীহ নিৰপৰাধ হিন্দু বাঙালীৰ বাড়িঘৰ জ্বালিয়ে মছজিদ ভাঙাৰ প্ৰতিশোধ নিয়েছে, পাঁচ বছৰেৰ অবোধ শিশুৰ পা কাটি নিয়ে বোধ কৰি তা দিয়ে বানাতে চেয়েছে মছজিদেৰ পিলাৰ।"

অৱশ্যে সেই নিৰ্মমতাৰ মাজতো শ্ৰীজানাই প্ৰগতিশীল শক্তিৰ উত্থানৰ সম্ভেদ পাই আনন্দ অনুভৱ কৰি কৈছে যে—

" এই নৰপশু গুলিৰ হিংস্ৰ থাবায় আহত ৰক্তাক্ত পিংকি মজুমদাৰেৰ প্ৰাণ ৰক্ষা কৰাৰ জন্য শৰীৰেৰ ৰক্তপৰ্যন্ত দিয়েছে কমৰুদ্দিনৰা।"

আৰু সেই কমৰুদ্দিনহঁতেই হ'ল সমাজৰ নতুন ভৱিষ্যৎ, সকলো আশা-ভাৰসাৰ থল। কমৰুদ্দিনহঁত মানুহ। তেওঁলোকে আন্তৰিকতাৰে অনুভৱ কৰিছে যে মুছলমানে হিন্দুৰ জীৱন নাশ কৰিলেই বা হিন্দুৰ ঘৰ-দুৱাৰ পুৰি দিলেই বাব্‌ৰি মছজিদ পুনৰ স্বতঃস্ফূৰ্তভাৱে গঢ় লৈ নুঠে; বাব্‌ৰি মছজিদ গঢ়লৈ উঠিব পাৰে হিন্দু-মুছলমান এই দুই সম্প্ৰদায়ৰ

মানুহৰ পাৰস্পৰিক শ্ৰদ্ধা-সহানুভূতিপূৰ্ণ সুস্থ সমাজিক পৰিবেশৰ মাজতহে। এই মহান মানবীয় সত্য উপলব্ধি কৰিবলৈ কমৰুদ্দিনইতৰ দৰে নতুন প্ৰজন্মৰ জন্ম হৈছে কাৰণেই জাতিৰ উজ্জ্বল ভবিষ্যতেও পুনৰকণ দিছে বুলি আশা কৰিব পৰা হৈছে।

শ্ৰীজানাই সেই একেটা আলোচনাতেই ভাষা আৰু সংস্কৃতিৰ কাৰণে আত্ম বলিদান কৰিবলৈ দ্বিধাবোধ নকৰা মানসিকতাক প্ৰশংসা কৰিছে। কিন্তু সেই ক্ষেত্ৰতো উগ্ৰতাৰ তীব্ৰ বিৰোধ কৰিছে। হিন্দুত্ববাদী অংশৰ কৰসেবাৰ নামত সৃষ্টি হোৱা বাঙালী হিন্দুৰ উন্মাদনাৰ বিৰোধ কৰিও তেওঁ কৈছে,— "কৰ সেবাৰ নামে বাঙালিৰ উন্মাদনাৰ কোনও যুক্তিসংগত ভিত্তি খুঁজে পাওয়া কঠিন।"

'কৰসেবাৰ' নামত একাংশ বাঙালীয়ে " মানসিক সুস্থতা ও সুস্থিৰতা" হেৰুৱাই পেলোৱা কাৰণে দুখ প্ৰকাশ কৰি কৈছে যেন সেই অংশই,—

" নিজেৰ হিত ও শুভকে কিছু সৰ্বনাশ ৰাজনীতিকেৰ পায়ে সমৰ্পণ কৰিছে।"

তেওঁ আবেগ আৰু উন্মাদনাসৰ্বস্ব জীৱনৰ পৰিবৰ্তে যুক্তি আৰু বিবেচনাসম্পন্ন এখন নতুন সমাজহে বিচাৰিছে। ক্ষমতা খকুৱা ৰাজনীতিকৰ কবলৰ পৰা জনগণক মুক্ত কৰাৰ কথা বিচাৰ কৰি সতৰ্ক কৰি দি ক'ব পাৰিছে যে নৰঘাতী নৰপশুৰ স্ৰষ্টা ক্ষমতাত অধিষ্ঠিত চৰকাৰেই আৰু সেই কাৰণেই—

" সৰকাৰ ওদেৰ কেশাগ্ৰও স্পৰ্শ কৰছে না, কাৰণ ওৰাই সৰকাৰেৰ শক্তি।"

অশুভ ঘনান্ধকাৰৰ মাজেদি আলোকময় শুভ শক্তিৰ উদয় হোৱা কাৰণে আশা হৈছে যে সাম্প্ৰদায়িক বিদ্বেষ, হিংসা-ঘৃণাহীন প্ৰেম-প্ৰীতিময় নতুন সমাজ গঢ় লৈ উঠিবলৈ বহুকাল নালাগিব লাগে। অৱশ্যে নতুন সমাজ গঢ়াৰ পথত অন্তৰায় এতিয়াও বহুতেই আছে।

শ্ৰীজানাই তেওঁৰ নিবন্ধত মুছলমান যুবক কমৰুদ্দিনৰ উদাৰ মানসিকতা আৰু কৰ্মোদ্দীপ্ততাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰাৰ দৰে দৃষ্টান্ত হয়তো আৰু বহুতেই আছে। তেনে আন এটা উদাৰ মানসিকতাৰ দৃষ্টান্ত হ'ল দৰং জিলাৰ শিঙিমাৰীৰ যুব শিক্ষক-সাহিত্যিক খাইৰুল হুছেইন। অসমৰ একাংশ বুদ্ধিজীৱীৰ সংকীৰ্ণতা আৰু দায়িত্বহীনতালৈ লক্ষ্য কৰি তেওঁ ক্ষোভেৰে এখন ব্যক্তিগত চিঠিত আমালৈ লেখিছে,—

"এজন মুছলিম যুৱক হিচাবে মোৰ নিজৰ ধৰ্মাৱলম্বী তথা নিজ সম্প্ৰদায়ৰ এচাম লোকৰ প্ৰতিয়েই মোৰ ক্ষোভ আৰু অভিযোগ আছে। সাধাৰণ মুছলমান দূৰৰ কথা, বহু শিক্ষিত মুছলমানেই ভাৰতীয় সমাজ-সভ্যতা, ইয়াৰ ৰাষ্ট্ৰীয় অখণ্ডতা, জাতীয়তাবাদ আৰু স্বদেশৰ চিনাকি আপোন মাটিৰ গোন্ধতকৈ বিদেশী মুছলমানৰ কথা চিন্তা কৰি বিশ্বজনীনতাৰ দৃষ্টিভংগী পোষণ কৰিবলৈ যায়। অথচ তেওঁলোকে নাজানে যে বিশ্বৰ মুছলিমে ভাৰতীয় মুছলমানৰ কথা চিন্তা কৰি একো কৰিব নোৱাৰে;বৰং তেওঁলোকৰ

নিজৰ দেশৰেই এচাম মুছলিম আন এচাম মুছলিমক স্বধৰ্মী ভাই হিচাপে গ্ৰহণ নকৰে। পাকিস্তানৰ মহাজিৰ কৌমি আন্দোলন আৰু ইৰাণ-ইৰাক যুদ্ধ আদিৰ পৰা এওঁলোকে শিকনি নলয়। ভাৰত থাকিলেহে যে ভাৰতীয় মুছলমান, অসমীয়া মুছলমানো থাকিব, সেই কথাও এওঁলোকে পাহৰি যায়।"[৭]

জাতীয়তাবাদী যুৱ লেখক খাইৰুল হুছেইন যে পান-ইছলামিক চিন্তাধাৰাৰ বিৰোধী তাক তেওঁৰ চিঠিৰ উধৃতাংশই উপলব্ধি কৰিবলৈ দিছে। আমাক আকৰ্ষণ কৰিছে তেওঁৰ উদাত্ত সাহসিকতাই, তেওঁ অকলশৰীয়া ভাবে যে পান-ইছলামিক মৌলবাদৰ বিৰুদ্ধে মাত মাতিছে, সিয়ে অনুভৱ কৰিব দিছে যেন আৰু বহুতো খাইৰুল হুছেইন আমাৰ,মাজত উপজিছে।

একেখন ব্যাক্তিগত চিঠিতেই খাইৰুল হুছেইনে আকৌ লেখিছে,—

"যেতিয়ালৈকে এজন ভাৰতীয় মুছলমানে বিশ্বৰ মুছলিমৰ বিষয়ে চিন্তা কৰাৰ আগতে চিন্তা কৰিব এজন ভাৰতীয় হিন্দুৰ কথা, জীৱনত মহত্ত্বপূৰ্ণ গুৰুত্ব দিব ভাৰতৰ ৰাষ্ট্ৰীয় অখণ্ডতা তথা জাতীয়তাবাদক, আৰু এজন ভাৰতীয় হিন্দুয়েও মুছলমানৰ প্ৰতি হেয় ভাব দেখুওৱাৰ পৰিৱৰ্তে বাহাদুৰ ছাহ, আজাদ, তৈয়বুল্লা, হুছেইন আহমেদ মদনী আদিৰ ত্যাগ আৰু আত্ম বলিদানৰ কথা সুঁৱৰি বুকুৰ মাজত ঠাই দিব, সিদিনা হয়তো ভাৰতৰ অখণ্ডতাক পৃথিৱীৰ কোনো শক্তিয়ে পৰাভূত কৰিব নোৱাৰিব। এই হেৰাব খাজা সোণোৱালী ঐতিহ্যক ধৰি ৰখাৰ দায়িত্ব আহি পৰিছে আমাৰ নতুন প্ৰজন্মৰ ওপৰত।"

যুৱ লেখক খাইৰুল হুছেইনৰ এনে উদাত্ত আশা আৰু জাতীয়তাবোধৰ দৃঢ়তা সঁচাকৈয়ে আদৰণীয়। আৰু সেই কাৰণেই বিশ্বাস হৈছে যে এখন নতুন অসম তথা নতুন ভাৰতৰ পূবেৰুণে দেখা দিছে।

সংবাদপত্ৰ আৰু সাংবাদিকতা ঃ

কিন্তু ভাৰতত প্ৰবৰ্তি আছে এখন কদৰ্যপূৰ্ণ শ্ৰেণী সমাজ। শ্ৰেণীপ্ৰভুহঁতে কোনোপধ্যেও বিভেদ-বিচ্ছিন্নতাহীন সমাজ গঢ় লৈ উঠা কামনা নকৰে। ঐক্য সংহতিৰ পৰিবেশ বিনষ্ট কৰাই শ্ৰেণীপ্ৰভুহঁতৰ জীৱনৰ পৱিত্ৰতম লক্ষ্য। সেই লক্ষ্যসাধনৰ অৰ্থেও তেওঁলোকে সংবাদপত্ৰক অস্ত্ৰৰূপে ব্যৱহাৰ কৰে।

সাধাৰণতে সংবাদপত্ৰক দেশৰ ,জাতিৰ, সমাজৰ বিবেকৰূপে বিবেচনা কৰা হয়। নানা সুযোগ-সুবিধাদান আৰু প্ৰলোভনেৰে শ্ৰেণী প্ৰভুসকলে, সংবাদপত্ৰক কলুষিত কৰে। ই ইংৰাজ শাসনৰ কালত যিদৰে সম্ভৱপৰ হৈছিল, দেশ স্বাধীন হোৱাৰ পিছতো সেই একে ৰূপতে সম্ভৱপৰ হোৱা দেখা যায়। ইংৰাজৰ শাসন কালত একাংশ সংবাদপত্ৰ ৰ

মানত ইংৰাজ আছিল বাপ-মা আৰু ইংৰাজৰ ৰাজ্য আছিল ৰামৰাজ্য। সেই সংবাদপত্ৰসমূহে ভাৰতীয় মহাজাতিটোৰ মুক্তি সংগ্ৰামক কৰিছিল বিশ্বাসঘাতকতা আৰু সংবাদপত্ৰ একাংশয়ে সাম্প্ৰদায়িকতাৰ বিষবাষ্প বোৱাই দি অখণ্ড ভাৰতক দ্বিখণ্ড কৰাত যোগাইছিল ইন্ধন।

ভাৰত বিভাজনত নেতৃত্ব বহন কৰিছিল অবিভক্ত ভাৰতৰ একাংশ মুছলমানেই; দ্বিজাতিতত্ত্বৰ উগ্ৰ সমৰ্থক আছিল সেই অংশ মুছলমান। কিন্তু দেশ বিভাজনৰ পিছত সেই অংশ উগ্ৰ বিভাজনকামীৰ কিছুমান ভাৰততে ৰৈ গ'ল। সেই অংশক ভাৰতীয় হিন্দুসকলে ভালকৈয়ে জানিছিল। বিভাজনৰ পিছতো তেওঁলোকৰ অনেকেই পাকিস্তানমুখী হৈয়ে ৰ'ল। সেই অংশক ব্যাপক হিন্দু জনগণে পাকিস্তানৰ গুপ্তচৰৰূপে সন্দেহ কৰা একো অস্বাভাৱিক কথা নহয়। আৰু প্ৰকৃততে সেই অংশয়ে ভাৰতত ৰৈ যোৱা মুছলমান জনগণক কেৱল মুছলমান কৰি ৰাখিবলৈ সাম্প্ৰদায়িক চেতনাৰে উদ্বুদ্ধ কৰিবলৈও অপকৌশল অৱলম্বন নকৰাকৈ থকা নাই। আনহাতে ভাৰতৰ কোনো কোনো ৰাজ্য মুছমান সংখ্যাগৰিষ্ঠ হৈয়ো আছে। ১৯৯১ চনৰ লোকপিয়ল অনুসৰি লাক্ষাদ্বীপৰ ৯৪.৩% মুছলমান, কাশ্মীৰৰ ৬৫.৮%মুছলমান, অসমৰ ২৪% মুছলমান, পশ্চিম বংগৰ ২০.৪% মুছলমান, উত্তৰ প্ৰদেশত ১৬% মুছলমান, বিহাৰত১৪% মুছলমান, কৰ্ণাটকত ১১% মুছলমান। মুছলমানহীন ৰাজ্য ভাৰতত এখনো নাই। এনে পৰিস্থিতিত আৰু বিশেষকৈ ভাৰতৰ দৰে এখন গণতান্ত্ৰিক প্ৰজাতন্ত্ৰত মুছলমানক অৱজ্ঞা কৰাৰ প্ৰশ্নই উঠিব নোৱাৰে। মৌলবাদী আৰু পাকিস্তানমুখী মুছলমান অংশক জনগণৰ পৰা বিচ্ছিন্ন কৰাৰ অৰ্থে গণতান্ত্ৰিকতাৰ মহান প্ৰমূল্যবোধেৰে অনুপ্ৰাণিত কৰাহে কৰ্তব্য। আৰু প্ৰকৃততে এই দায়িত্ব পালনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে সংবাদপত্ৰই।

কোনো কোনো সংবাদপত্ৰই গণতান্ত্ৰিক দায়িত্ব পালন নকৰাকৈ থকা নাই; কিন্তু শ্ৰেণীপ্ৰভুৰ আজ্ঞাবাহী অনেক সংবাদপত্ৰই সেই সুমহান দায়িত্ব পালনত ব্যৰ্থ হৈছে। সাংবাদিকসকলৰ একাংশ শ্ৰেণীপ্ৰভুৰ মুখপাত্ৰ; সেই অংশ সাম্প্ৰদায়িকো । তেওঁলোকে মুছলমান মাত্ৰকে সাম্প্ৰদায়িকৰূপে গণ্য কৰিবলৈ লয় আৰু বহন কৰে আক্ৰমণাত্মকবা সন্দেহ-সন্দিগ্ধতাপূৰ্ণ ভূমিকা। ইতিহাসক তেওঁলোকে বিকৃত কৰি আছে। ভাৰততে যে জাতীয়তাবাদী মুছলমানৰ সংখ্যা ঢেৰ অকল তেনে নহয়, বংলাদেশ আৰু পাকিস্তানতো ,আন নহ'লেও বাম-গণতান্ত্ৰিক অংশ ভাৰতপ্ৰেমী মুছমান। মৌলবাদী আৰু ক্ষমতা খকুৱা নেতৃবৰ্গহে ভাৰত বিদ্বেষী হ'ব পাৰে কিন্তু পাকিস্তান বা বাংলাদেশৰ শ্ৰমকাৰী জনগণো ভাৰত বিদ্বেষী নহয়। ৰাজনৈতিক নেতা আৰু সাংবাদিকসকলে সম্ভৱ উত্তৰ-পশ্চিম সীমান্তপ্ৰদেশৰ পাখটুনসকলৰ বিভাজন বিৰোধী সংগ্ৰামৰ কথা পাহৰি গৈছে। ভৌগোলিক কাৰণতহে প্ৰকৃততে সেই প্ৰদেশখন পাকিস্তানৰ অন্তৰ্ভুক্ত হৈ থাকিল। কিন্তু তেওঁলোকে

স্বাধীন পাখ্টুনিস্তানৰ দাবী প্রত্যাহাৰ কৰা নাছিল। মহান স্বাধীনতা সংগ্রাম সীমান্তগামি আব্দুল গফুৰ খান পাখ্টুনসকলক এৰি ভাৰতলৈ নাহিল সঁচা, কিন্তু তেওঁৰ জীৱনকালৰ সৰহ দিন কটাব লগাত পৰিছিলপাকিস্তানৰ অন্ধ কাৰাগাৰত, কাৰণ তেওঁ আছিল সত্যান্বেষী।

সংবাদপত্রসমূহে এই বাস্তৱ সত্যবোৰ প্রচাৰ কৰিলেও বিভেদ-বিচ্ছিন্নতা বা সন্দেহ-সন্দিগ্ধতা আঁতৰিব পাৰে। আৰু সিয়ে নতুন সমাজৰ বাস্তবায়ন ত্বৰান্বিত কৰি তুলিব পাৰে।

বাংলাদেশী সংবাদপত্র আৰু হিন্দু-মুছলমান সম্পৰ্কৰ ভৱিষ্যৎ :

বাংলাদেশ অবিভক্ত ভাৰতৰ পূৰ্ববংগ। পূৰ্ববংগক কেন্দ্ৰ কৰিয়ে বৃটিছ প্ৰশাসনে হিন্দু-মুছলমান বিদ্বেষ গঢ়ি তুলিছিল; বাংলাদেশৰ ৰাজধানী ঢাকা নগৰতে সংগঠিত হৈছিল মুছলিমলীগ আৰু বাংলাদেশ পূৰ্ববংগৰ পৰাই চলিছিল অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰাৰ অৰ্থে ষড়যন্ত্ৰমূলক অভিযানবোৰ। গতিকে বাংলাদেশৰ একাংশ মোল্লা-মৌলবী আৰু ৰাজনৈতিক নেতাৰ অসম তথা ভাৰতবিদ্বেষ থকা কোনো অস্বাভাৱিক কথা নহয়। অৱশ্যে ছেখ মুজিবৰ ৰহমানৰ নেতৃত্বাধীন কালছোৱাত বাংলাদেশৰ লগত ভাৰতৰ সম্পৰ্ক অতি মধুৰ হৈয়ে উঠিছিল। মৌলবাদী আৰু প্ৰতিক্ৰিয়াশীল অংশই সেই সম্পৰ্ক কিন্তু ভাল চকুৰে চাব পৰা নাছিল;ছেখ মুজিবৰ ৰহমানক হত্যা কৰি প্ৰতিক্ৰিয়াশীল জিয়াউৰ ৰহমানক ক্ষমতাত অধিষ্ঠিত কৰা কালৰ পৰা সেই একে অংশ মৌলবাদী আৰু প্ৰতিক্ৰিয়াশীল শক্তি পুনৰ ভাৰতবিদ্বেষী হৈ উঠিছিল, সংবাদপত্ৰৰ মাধ্যমত ভাৰতৰ বিৰুদ্ধে ঘোষণা কৰিছিল যেন জেহাদহে। বাংলাদেশী বিশিষ্ট লেখক অমিত আহমেদৰ গ্ৰন্থ 'দৈনিক ইনকিলাবেৰ অপসাংবাদিকতা' আৰু নিবন্ধ 'ইনকিলাব পত্ৰিকা ভাৰত বিদ্বেষীদেৰ মুখপত্ৰ'ৰ অধ্যয়নে বাংলাদেশী সংবাদপত্ৰই ভাৰত-বাংলাদেশ তথা হিন্দু-মুছলমান সম্পৰ্কৰ অৱনতি ঘটোৱাত কেনে নিকৃষ্ট ভূমিকা বহন কৰিছে তাক সহজে উপলব্ধি কৰিব দিয়ে। অমিত আহমেদৰ গ্ৰন্থ আৰু নিবন্ধই কিন্তু জানিবলৈ দিয়ে যে ভাৰতৰ সাহায্যৰ ফলত স্বাধীন বাংলাদেশ সৃষ্টি সম্ভপৰ হোৱা কাৰণে বাংলাদেশৰ ব্যাপক জনগণ আৰু বুদ্ধিজীৱীসকল ভাৰতৰ প্ৰতি শ্ৰদ্ধাত অৱনত। বাংলাদেশৰ অগণন সংবাদপত্ৰৰ ভিতৰত কেবল 'দৈনিক ইনকিলাব', 'দৈনিক সংগ্ৰাম', 'দৈনিক দিনকাল' আৰু 'সাপ্তাহিক সোণাৰবাংলা'ত বাজে আন সকলো পত্ৰিকা জাতীয়তাবাদী আৰু বাংলাদেশ-ভাৰত সম্প্ৰীতিৰ দৃঢ় সমৰ্থক আৰু গণতান্ত্ৰিক। অমিত আহমেদে লেখিছে যে 'দৈনিক ইনকিলাব' পত্ৰিকাখন এনে প্ৰতিক্ৰিয়াশীল যে —

"বাংলাদেশেৰ 'ইনকিলাব' শব্দটি প্ৰকৃত ইছলামপন্থী অসাম্প্ৰদায়িক মানুষেৰ কাছে এক জঘন্য শব্দ হিসেবে পৰিচিত। 'ইনকিলাব' যদিও একটি জাতীয় দৈনিক

পত্রিকা, কিন্তু আমাদেৰ কাছে এটি একটি সাম্প্রদায়িকতা সৃষ্টিৰ কাৰখানা।"[৮]

'দৈনিক ইনকিলাব' ইমান সাম্প্ৰদায়িক আৰু ভাৰতবিদ্বেষী যে বাবৰি মছজিদ ধ্বংসপ্ৰাপ্ত নহওঁতেই ধ্বংসপ্ৰাপ্ত হোৱা বুলি পত্ৰিকাখনে বাতৰি পৰিবেশন কৰি বাংলাদেশৰ জনগণক উত্ৰাৱল কৰি তুলিব বিচাৰিছিল, যাৰ কাৰণে বাংলাদেশ চৰকাৰে পত্ৰিকাখন নিষিদ্ধ কৰি দিছিল আৰু মুকলিভাৱে পত্ৰিকাখনে ক্ষমা প্ৰাৰ্থনা কৰিবলৈও বাধ্য হৈছিল। অমিত আহমদে সেই পত্ৰিকাখনৰ পৰিচালক মৌলানা মান্নানক বুলিছে পাকিস্তানৰ দালাল, উগ্ৰসাম্প্ৰদায়িক আৰু উগ্ৰভাৰত বিদ্বেষী। সেই একেটা আলোচনাৰ এঠাইত কৈছে যে,—

> "দৈনিক ইনকিলাব' মিথ্যা, বানোয়াট, ভিত্তিহীন, গাজাখোড়ী সংবাদ ছেপে অসংখ্যবাৰ আওয়ামী লিগ ও বিভিন্ন সংগঠন ও ব্যক্তিৰ কাছে ক্ষমা চেয়েছে।"

অমিত আহমেদে তেওঁৰ গ্ৰন্থ আৰু নিবন্ধত সঠিকভাৱেই ক'ব পাৰিছে যে ভাৰতৰ সহযোগত বাংলাদেশে স্বাধীনতা লাভ কৰা কাৰণে ভাৰত পাকিস্তানী চৰকাৰৰো শত্ৰু, বাংলাদেশত থকা পাকিস্তানৰ দালাল, উগ্ৰসাম্প্ৰদায়িক মোল্লা আৰু একাংশ গুণ্ডাৰো শত্ৰু। তাত বাজে বাংলাদেশী হিন্দু-মুছলমানৰ ভাৰতৰ বিৰুদ্ধে কোনো বিদ্বেষ নাই।

বাংলাদেশৰ গণতান্ত্ৰিক নাগৰিক হিচাপে তেওঁ মুকলিভাৱে আত্মপ্ৰকাশ কৰি কৈছে বোলে,-

> "বাংলাদেশ ও ভাৰত দুইই আলদা স্বাধীন ৰাষ্ট্ৰ। আমৰা গংগাজলেৰ ন্যায্য অধিকাৰেৰ ব্যাপাৰে লিখতে পাৰি, বাবৃৰি মছজিদ ভাঙাৰ বিৰুদ্ধে গঠনমূলক সমালোচনা কৰতে পাৰি, সীমান্তে ভাৰতীয় বি, এচ,এফ যদি কোনো বাংলাদেশীৰে গুলি কৰে মাৰেন তাৰ বিৰুদ্ধেও লিখতে পাৰি। কিন্তু জাতি হিসাবে আমৰা উগ্ৰ ভাৰত বিদ্বেষ ও সাম্প্ৰদায়িকতাকে প্ৰশ্ৰয় দিতে পাৰি না।"

অমিত আহমেদৰ এনে জাতীয়তাবাদী গণতান্ত্ৰিক দৃষ্টি আদৰণীয়। আমাৰ অসম আৰু ভাৰতৰ হিন্দু সাম্প্ৰদায়িকতাক প্ৰশ্ৰয় দি থকা পত্ৰ-পত্ৰিকাবিলাকে বাংলাদেশী লেখক অমিত আহমেদৰ গণতান্ত্ৰিক দৃষ্টিৰ প্ৰতি মনোনিবেশ কৰিলে উগ্ৰ সাম্প্ৰদায়িকতাৰ বিপৰীতে জাতীয়তাবাদী গণতান্ত্ৰিক পৰিবেশ গঢ় লৈ উঠিব বুলি আশা কৰিব পাৰি আৰু তেতিয়াও অসম-ভাৰতৰ হিন্দু-মুছলমানৰ সম্পৰ্কও ক্ৰমে মধুৰ হৈ উঠিব বুলিও আশা কৰিব পাৰি।

গণতান্ত্ৰিক সংস্কৃতি লাগে ঃ

দেশ স্বাধীন হোৱাৰ আধা শতিকাকাল অতিবাহিত হোৱা সত্ত্বেও আমাৰ দেশত এটা গণতান্ত্ৰিক সংস্কৃতি গঢ় লৈ নুঠাটো সঁচাকৈয়ে পৰিতাপৰ বিষয়। সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিলে অনুভৱ হয় যে আমাৰ দেশত গণতন্ত্ৰৰ সলনি প্ৰতিষ্ঠিত হৈছে স্বৈৰতন্ত্ৰ-স্বেচ্ছাচাৰ,আনকি সামন্ততান্ত্ৰিক সংস্কৃতিৰ পয়োভৰো পূৰ্ণমাত্ৰাই পৰিদৃশ্যমান হৈয়ে আছে যেন লাগে।

সঁচা কথা যে গণতন্ত্ৰত সংখ্যাগৰিষ্ঠৰ দ্বাৰা চৰকাৰ গঠিত হয়। কিন্তু সেই বুলি সংখ্যাগৰিষ্ঠতাৰ বলত সংখ্যালঘিষ্ঠৰ ওপৰত বলেৰে জাপি দিয়া কাৰ্য গণতান্ত্ৰিক নহয়, স্বৈৰতান্ত্ৰিকা স্বেচ্ছাচাৰহে। কিন্তু চৰকাৰে সংখ্যাগৰিষ্ঠৰ সমৰ্থনৰ বলতে আজি অত বছৰে দেশ শাসন কৰি আহিছে, সংখ্যালঘিষ্ঠৰ ইচ্ছা-আকাংক্ষাৰ প্ৰতিতেনে বিশেষ শ্ৰদ্ধা-সহানুভূতি প্ৰদৰ্শন কৰা নহয়। সংখ্যালঘিষ্ঠৰ প্ৰতি প্ৰদৰ্শন কৰা অৱজ্ঞা বা অৱহেলাৰ কাৰণেই ভাৰত বিভাজন হৈছিল, সেই একে কাৰণতে ভাৰত পুনঃ খণ্ড-বিখণ্ড হোৱাৰ আশংকা ঘনীভূত হৈছে।

সামন্ততন্ত্ৰত ভালৰো ভালখিনি সামন্তপ্ৰভুৰ বিভৱ, আৰু সকলোবোৰ বেয়াৰ কাৰণে জগৰীয়া সামন্ত প্ৰজা। আনকি সামন্তপ্ৰভুৰ সন্তানটি ৰূপে-গুণে কুৎচ-কদাকাৰ হ'লেও সিটি শ্ৰদ্ধা' আৰু আদৰৰ পাত্ৰ, আনহাতে সামন্ত প্ৰজাৰ সন্তানটি ৰূপে-গুণে অতুলনীয় হ'লেও সি গোলাম-বহতীয়াহে আছিল। অসমতো সি পৰিলক্ষিত; জানিবা অসমৰ অসমীয়াভাষীৰ মাত-কথা, স্বভাৱ-চৰিত্ৰ, গুণ-জ্ঞান সকলো উন্নত আৰু জনজাতীয়সকলৰ মাত-কথা, স্বভাৱ-চৰিত্ৰ, আচাৰ-বিচাৰ সকলো অনুন্নত,সকলো উপেক্ষণীয়।

আৱাহন যুগৰ বিশিষ্ট গল্পকাৰ গোবিন্দ চন্দ্ৰ পৈৰা সম্প্ৰতি নগাভূমিৰ ডিমাপুৰবাসী। নগাভূমি অসমৰ পৰা বিচ্ছিন্ন হ'বলৈ লোৱাৰ ঠিক পূৰ্বক্ষণত নগাসকল অসমৰ পৰা কিয় বিচ্ছিন্ন হ'ব খোজে তাক জানিবলৈ বিচৰাত শ্ৰীপৈৰাই মনৰ খেদত কৈছিল বোলে অসমীয়াভাষী ভৈয়ামৰ অসমীয়া সকলৰ মনত—

(১) যি অসমীয়া বেয়া, সি নগা অসমীয়া,

(২) যি কচু খাব নোৱাৰি সি নগা কচু,

(৩)যি আদা খাব নোৱাৰি সি নগা আদা,

(৪) যি ঘা সতকাই নুশুকাই, সি নগা ঘা,

এনেদৰে বেয়াৰো বেয়াখিনি নগাৰ আৰু ভালখিনি অসমীয়াৰ। সিয়ে শিক্ষিত নগাসকলক আহত কৰে আৰু সেই কাৰণে অসমৰ পৰা বিচ্ছিন্ন হ'ব বিচাৰিছিল আৰু বিচ্ছিন্ন হ'ল।

প্ৰায় একে কথা অন্যান্য জনজাতিৰ ক্ষেত্ৰতো। খাচিয়া-জয়ন্তীয়া-গাৰোপাহাৰ অঞ্চল বিচ্ছিন্ন হৈ মেঘায়ল ৰাজ্য সংগঠন কৰাতো অসমীয়াভাষী ৰাজনৈতিক আৰু সাংস্কৃতিক নেতা সকলৰ সামন্তযুগীয়া আচৰণ-মনোভাৱেই ঘাইকৈ জগৰীয়া। ১৯৬১ চনৰ অক্টোবৰ মাহত এদিন আকস্মিকভাৱে লগ পাইছিলোঁ তেতিয়াৰ পাৰ্বত্যৰাজ্য দাবী পৰিষদৰ একাংশ বয়োজ্যেষ্ঠ নেতাক খিলঙৰ পাইনউড হোটেলত। সেই নেতাসকলে মনৰ আক্ষেপ প্ৰকাশ কৰি সুধিছিল—

"আপোনালোক আমাৰ মাজলৈ আহিছে, আমি আপোনালোকক সোধ-পোছ সেৱা-শুশ্ৰূষা কৰিছোঁ; আমি আপোনালোকৰ মাত-কথাও শিকিছোঁ। আমাৰ মাজত ঘৰ-দুৱাৰ সাজি বসতিও কৰিছে, আমি সকলো সুবিধা কৰি দিছোঁ। কিন্তু আপোনালোকে আমাক দিছে কি? আপোনালোকে আমাৰ মাত-কথাও শিকা নাই, আমাৰ প্ৰতি আপোনালোকৰ মৰম-শ্ৰদ্ধাও নাই, আপোনালোকে আমাৰ জীয়ৰী-বোৱাৰীক বেইজ্জতি কৰিবলৈও বাদ দিয়া নাই। আনকি আপোনালোকে আমাৰ মাজত মতিনগৰ, বিষ্ণু নগৰ সাজিবলৈও বাদ দিয়া নাই। ভৈয়ামত আমাৰ নেতাৰ নামত কিবা সজাইছেনে? কওক, আমি আপোনালোকৰ লগত থাকোঁ কেনেকৈ?"

বৰাক উপত্যকা বাংলাভাষী প্ৰধান। তেওঁলোক কেৱল অসমবাসীয়ে নহয়, অসমীয়া ভাষা -সংস্কৃতিৰো পৃষ্ঠপোষক। অসম চৰকাৰৰ মন্ত্ৰী-পাত্ৰ,আমোলা-মহৰীসকলে হয়তো নাজানেই যে মায়ামৰীয়া বিদ্ৰোহৰ সময়ত চৰকাৰী নিৰ্যাতনৰ হাত সাৰিবলৈ বহুতো অসমীয়াভাষী গৈ তাহানিৰ সুৰমা উপত্যকা অঞ্চল ভৰি পৰিছিল। মায়ামৰীয়া বিদ্ৰোহৰ শাম কটাত প্ৰত্যাবৰ্তন কৰিব বিচৰা সেই অসমীয়াসকলক ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ পৰামৰ্শৰে ঘুৰি আহিব দিয়া নহ'ল। তেওঁলোকে তাত অসমীয়া গাঁওপাতি অসমীয়া মাত-কথা-সংস্কৃতিক সাবটিয়ে থাকিল। কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়াভাষীৰ মানত তেওঁলোক বাঙালী, তেওঁলোকৰ লগত বৈবাহিক সম্পৰ্ক পৰ্যন্ত পাতিবলৈ অসমীয়াসকল অনিচ্ছুক। অসম সাহিত্য সভাই প্ৰকাশ কৰা বিশ্বনাথ ৰাজবংশীৰ জীৱনীখনেও দেখোন তাক দহদহীয়াকৈ সমৰ্থন কৰে। এনে আচৰণে তেওঁলোকক অসমৰ লগত একাত্মবোধ স্থাপনত সহায় কৰেনে?

কবিৰাজ হৰেশ চন্দ্ৰ ভট্টাচাৰ্যৰ নেতৃত্বত শিলচৰক কেন্দ্ৰ কৰি অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ এটি সুন্দৰ সংগঠন গঢ় লৈ উঠিছিল। বৰ্তমানেও শিলচৰৰ 'দিশাৰি' বোলা সাংস্কৃতিক অনুষ্ঠানে বৰাক-ব্ৰহ্মপুত্ৰ সম্প্ৰীতিৰ কাৰণে বিবিধ কাৰ্যসূচী গ্ৰহণ কৰি আছে। অথচ অসমৰ সাহিত্য জগতৰ নেতাই জঘন্য ধৰণে অপপ্ৰচাৰ কৰে— বোলে কাছাৰ কেঞ্চাৰ, কাছাৰ গেলা ঘা; কাছাৰক কাটি পেলাব লাগে। এনেবোৰ বিবৃতি আৰু প্ৰবন্ধপাতি প্ৰচাৰৰ পিছত কাছাৰ তথা বৰাক উপত্যকা কি সতে থাকে অসমৰ লগত।

অসম চৰকাৰ আৰু ব্ৰহ্মপুত্ৰ উপত্যাকাৰ অসমীয়াভাষীসকলৰ বিৰুদ্ধে অসমৰ পৰা বিচ্ছিন্ন হৈ যোৱা বা বিচ্ছিন্ন হ'বলৈ আন্দোলনত জড়িত জনজাতিসকলৰো অসম চৰকাৰ আৰু অসমীয়াভাষীসকলৰ বিৰুদ্ধে গুৰুত্বপূৰ্ণ অভিযোগ আছে। সেইসকলৰ অভিযোগ অনুসৰি অসমত সংগঠিত হোৱা চৰকাৰবোৰ অগণতান্ত্ৰিক আৰু অপসংস্কৃতিসম্পন্ন। যিবোৰ বিষয়া দুৰ্দান্ত বা অসামাজিক কামত টেটুলৈ নিমজ্জিত সেইসকলক বদলি কৰিছিল সাধাৰণতে মিজোৰাম বা নগাভূমিলৈ। সেই অংশই নতুন কৰ্মক্ষেত্ৰত অধিক দুৰ্দান্ত আৰু অধিক দুৰ্নীতিপৰায়ণ ৰূপেহে প্ৰতিপন্ন হৈছিল। নগা বা মিজোসকল বিৰক্ত হৈ উঠিছিল। তেওঁলোকৰ বাদ-প্ৰতিবাদলৈ কাণসাৰ দিয়াৰ আৱশ্যক পৰ্যন্ত অনুভৱ কৰা নাছিল অসম চৰকাৰে।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়াভাষীসকলে পাৰ্বত্য অঞ্চলৰ জনজাতিক অসমীয়া বুলি স্বীকাৰ কৰিবলৈয়ে টান পাইছিল। দিল্লীৰ গণৰাজ্য দিবসলৈ পাৰ্বত্য অঞ্চলৰ সাংস্কৃতিক দল পঠিওৱাৰ কাৰণেই জানো অসমৰ সাহিত্য-সংস্কৃতি জগতৰ ভোটাতৰাসকল তুমুলভাৱে প্ৰতিবাদমুখৰ হৈ উঠা নাছিল!

এনে অসংখ্য দৃষ্টান্ত দাঙি ধৰি ক'ব পাৰি যে অসমত গণতন্ত্ৰ প্ৰতিষ্ঠা হ'বলৈ আৰু বহুদিন বাকী। চৰকাৰ আৰু ৰাইজৰ অগণতান্ত্ৰিক কাম-কাজ, চিন্তা-ভাবনাই জনজাতিকে ধৰি অনাঅসমীয়া ভাষাভাষী জনগণক বিতৃষ্ট কৰি তুলিছে। অসমীয়া বাধ্যতামূলকভাৱে নিশিকিলে অসমৰ পৰা বিচ্ছিন্ন হ'বলৈ দাবী কৰাৰ বা আইন প্ৰণয়ন কৰাৰ গণতান্ত্ৰিক অধিকাৰ অসম চৰকাৰ বা অসম সাহিত্য সভাৰ নেতৃমণ্ডলীকে ধৰি সাহিত্য-সংস্কৃতি জগতৰভোটাতৰাসকলে ক'ত পালে?

অন্যান্য জনগোষ্ঠীৰ মাজত সন্দেহ-সন্দিগ্ধতা আৰু বিচ্ছিন্নতাবাদী মনোভাব গঢ়ি তোলাৰ কাৰণে অসম চৰকাৰ আৰু অসমৰ অসমীয়াভাষী জনগণৰ নেতৃমণ্ডলী যেনেকৈ জগৰীয়া, মুছলমানসকলৰ মাজত সন্দেহ-সন্দিগ্ধতা আৰু বিচ্ছিন্নতাবাদী মনোভাব গঢ়ি তোলাৰ কাৰণেও জগৰীয়া অসম চৰকাৰ আৰু সাহিত্য-সংস্কৃতি জগতৰ অসমীয়াভাষী ভোটাতৰাস্বৰূপ নেতৃমণ্ডলী। তেওঁলোকৰ বহুতেই অগণতান্ত্ৰিক, স্বেচ্ছাচাৰী,শান্তিপূৰ্ণ সহঅৱস্থানৰ পৰিবেশ যে গণতন্ত্ৰত বিশেষ আৱশ্যক,সেই কথা তেওঁলোকৰ চিত্তত নাই। তেওঁলোকে কথাৰেও ঢালি দিয়ে বিষ আৰু কামেৰেও কৰি তোলে তিক্ত। ভাত আৰু মাত উভয়ক্ষেত্ৰতে চৰকাৰ আৰু নেতৃবৰ্গই ভাষিক, সাম্প্ৰদায়িক আৰু সাংস্কৃতিক সংখ্যালঘিষ্ঠক তিতা-কেঁহা লগাই থকা কাৰণেই শান্তি-সম্প্ৰীতিৰ পৰিবেশ ক্ৰমে বিনষ্ট হৈ আছে; সি অসহনীয় হৈ উঠিলে ভূমিকম্পৰ জোকাৰণি বা আগ্নেয়গিৰিৰ উদ্‌গিৰণ হোৱা জানো কিবা অস্বাভাৱিক কাৰ্য। আমাক এনে এটা গণতান্ত্ৰিক সংস্কৃতিৰ প্ৰয়োজন হৈছে, যিয়ে দেশৰ প্ৰতিটো ধৰ্ম-সম্প্ৰদায়, ভাষা-সংস্কৃতিৰ অবাধ বিকাশ সুনিশ্চিত কৰে; সিমানেই নহয়,য'ত প্ৰতিগৰাকী নাগৰিকৰ ন্যায়সংগত দাবীও যথাৰ্থ গণতান্ত্ৰিক

সহানুভূতিৰে সমাধানৰ অনুকূলে বিবেচিত হয়। ই দেশৰ নাগৰিকৰ জন্মগত অধিকাৰ,সেই অধিকাৰ সাব্যস্ত কৰাত জনগণক সহায় কৰা গণতান্ত্ৰিক দেশৰ চৰকাৰৰ অৱশ্যকৰ্তব্য; সি চৰকাৰৰ বা নেতৃবৰ্গৰ বদান্যতা নহয়।

মৌলবাদী বা ক্ষমতাখকুৱা নেতৃবৰ্গ কোনোপধ্যেও সমাজৰ প্ৰতিনিধি হ'ব নোৱাৰে; কাৰণ দেশ বা সমাজমানে দেশৰ জনগণহে। জনগণ শান্তিপ্ৰিয়, শান্তিপূৰ্ণ গণতান্ত্ৰিক সহঅৱস্থান তেওঁলোকৰ জীৱনৰ আদৰ্শ; ই হিন্দুৰ ক্ষেত্ৰত যে নেকৈ সত্য, মুছলমান, শিখ-খ্ৰীষ্টান,বৌদ্ধ-জৈন প্ৰভৃতিৰ ক্ষেত্ৰতো সমানেই সত্য। যেতিয়া নেতৃবৰ্গই, ৰজা-ৰাজবিষয়াই,মন্ত্ৰী-আমোলাই সেই সত্য উপলব্ধি কৰি জনগণৰ মাজত শান্তিপূৰ্ণ সহঅৱস্থানৰ পৰিবেশ গঢ়ি তোলাৰ অৰ্থে মনোনিৱেশ কৰে, তেতিয়াই গঢ় লৈ উঠে সাংস্কৃতিক সম্প্ৰীতিৰ পৰিবেশ। উদাহৰণস্বৰূপে কাশ্মীৰৰ কথালৈয়ে লক্ষ্য কৰিব পাৰি। অন্ততঃ খ্ৰীষ্টীয় সপ্তম শতিকাৰ কাশ্মীৰৰ ৰজা ললিতাদিত্যৰ ৰাজত্বকালৰ পৰা কাশ্মীৰ আছিল শান্তিপূৰ্ণ সহঅৱস্থানৰ কাৰণে অকল ভাৰতবিখ্যাতেই নহয়, পৃথিৱীবিখ্যাতো, জয়নাল অবেদীনৰ দৰে প্ৰজাৰঞ্জক বাদছাহো আছিল কাশ্মীৰৰ শাসক। কাশ্মীৰৰ বুৰঞ্জীয়ে জানিবলৈ দিয়েযেদেশ স্বাধীন হোৱাৰ কাললৈ কাশ্মীৰ আছিল সম্প্ৰদায় নিৰপেক্ষ ৰাজ্য। হিন্দু তাত সংখ্যালঘু, অথচ কাশ্মীৰত হিন্দু পণ্ডিতসকল আছিল সংখ্যাগুৰু মুছলমান সকলৰ শ্ৰদ্ধা-আদৰ আৰু গৌৰৱৰ পাত্ৰ। কিন্তু দেশ স্বাধীন হোৱাৰ পিছত ভাৰত চৰকাৰৰ অগণতান্ত্ৰিক আচৰণে কাশ্মীৰবাসীক বীতশ্ৰদ্ধ কৰি তুলিছে, আনকি সংখ্যালঘু আৰু সংখ্যাগুৰুৰ মাজত সন্দেহ-সন্দিগ্ধতা পৰ্যন্ত ভাৰত চৰকাৰেই প্ৰৱৰ্তন কৰিলে বুলি কাশ্মীৰৰ জনগণৰ দৃঢ় অভিমত। চাওঁতে চাওঁতে কাশ্মীৰ হৈ পৰিল সাম্প্ৰদায়িক সংঘৰ্ষৰ যুদ্ধক্ষেত্ৰ। কাশ্মীৰ সমস্যা এক আন্তৰ্জাতিক সমস্যাত পৰিণত হ'ল। কেন্দ্ৰীয় চৰকাৰে স্বেচ্ছাচাৰীভাৱে ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰি কাশ্মীৰৰ জনগণৰ সততা আৰু নিষ্ঠাৰ ওপৰত যি বজ্ৰম আঘাত হানিলে, তাক কাশ্মীৰবাসী জনগণে চৰম অপমানজনকৰূপে অনুভৱ কৰা কাৰণেহে কাশ্মীৰ সমস্যাৰ সমাধান সম্ভৱপৰ হোৱা নাই। তাৰ দ্বাৰা মৌলবাদী আৰু ক্ষমতা খকুৱা প্ৰতিক্ৰিয়াশীল চক্ৰকো প্ৰশ্ৰয় দিয়া হৈছে আৰু বিদেশী শক্তিকো মুনাফা লুটাৰ সুযোগ দিয়া হৈছে। গণতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ চেতনাৰে উদ্বুদ্ধ সমাজ-সংস্কৃতি গঢ় লৈ নুঠেমানে কাশ্মীৰ সমস্যা সমাধান হ'ব বুলি আশা কৰিব নোৱাৰি।

মৌলবাদী আৰু সাম্প্ৰদায়িক সকলে সমাজ বাস্তৱক কেৱল অৱজ্ঞা কৰি আছে। তেওঁলোক সিয়ান, ধৰ্ম-সম্প্ৰদায় তেওঁলোকৰ মানত ৰাজনৈতিক মুনাফা লুটা শক্তিশালী অস্ত্ৰহে। দেশ যাওক ৰসাতললৈ,জনগণ উচ্ছন্ন হওক; তালৈ সেই ক্ষমতাখকুৱা তথাকথিত নেতৃত্ববৰ্গৰ ভ্ৰূক্ষেপ নাই। তেওঁলোকক লাগে কেৱল ক্ষমতাৰ গাদী। গণতান্ত্ৰিক-মানবীয়-চৰিত্ৰহীন এই ক্ষমতাখুকৱা নেতৃবৰ্গই হ'ল সকলো প্ৰকাৰৰ অনৰ্থৰ মূল। দেশক,জাতিক তেওঁলোকে কেৱল অপমান কৰি আছে।

ক্ষমতাখকুৱা সাম্প্ৰদায়িক শক্তিসমূহে অসমৰ সাম্প্ৰদায়িক সম্প্ৰীতিৰ অমৃতময় কলহত বিষক্ৰিয়া কৰিবলৈ নানা অপকৌশল চলাই থকা সত্বেও প্ৰকৃততে দেশ বিভাজনৰ কাললৈ অসম আছিল শান্তিৰ উপত্যকাস্বৰূপ। সেই শান্তিপূৰ্ণ পৰিস্থিতিলৈ লক্ষ্য কৰিয়ে প্ৰাক স্বাধীনতা যুগৰ বিশিষ্ট অসমীয়া সাহিত্যিক মোছলেহ উদ্দিন আহমদে ক'ব পাৰিছিল-

" ভাৰত যদি হিন্দু-মুছলমানৰ মিলনৰ তীৰ্থস্থান নহয়, তেন্তে আৰু এই ভূভাগত তেনে আন এখন দেশ ক'ত?" ১

ই কেৱল এগৰাকী মোছলেল উদ্দিনৰ অন্তৰৰ অনুভূতিয়ে নাছিল, ই আছিল সমগ্ৰ অসম তথা ভাৰতবাসীৰো আন্তৰিক অনুভূতি। গণতন্ত্ৰৰ সলনি ব্যক্তিত্ববাদৰ ভেটিত স্বৈৰতন্ত্ৰ-স্বেচ্ছাচাৰে বাহ লোৱাৰ লগে লগে দেশৰ ৰাজনীতিয়ে মিলনতীৰ্থস্বৰূপ অসম-ভাৰতক কেৱল বিভেদ-বিচ্ছিন্নতা আৰু সন্দেহ-সন্দিগ্ধতাজনিত সাম্প্ৰদায়িকতাকে ধৰি সকলো প্ৰকাৰৰ মানৱবিদ্বেষী সংঘাত-সংগ্ৰামৰ ৰণথলীলৈকে ৰূপান্তৰ কৰিলে। যথাৰ্থ বৈজ্ঞানিক গণতন্ত্ৰ বা গণতান্ত্ৰিক সমাজতন্ত্ৰ তথা প্ৰজাতন্ত্ৰ গঢ় লৈ নুঠে মানে শান্তি-সম্প্ৰীতিৰ প্ৰয়াস কেৱল বৃথা আস্ফালন বা অৰণ্যৰোদন হে। গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ গঢ় লৈ উঠিলে কেৱল ভিন ভিন সম্প্ৰদায়েই নহয়, ভিন ভিন জনগোষ্ঠীয়েও আত্মনিয়ন্ত্ৰণৰ আদৰ্শৰ ভেটিত পাৰস্পৰিক শ্ৰদ্ধা-সন্মান আৰু শান্তিপূৰ্ণ সহঅৱস্থানৰ আদৰ্শৰে পুনঃ এখন আনন্দমুখৰ সমাজ সম্ভৱপৰ কৰি তুলিব যে নিশ্চিত।

গণতান্ত্ৰিক সংস্কৃতি আৰু শিক্ষা ঃ

প্ৰকৃততে শিক্ষা হ'ল সৰ্বোৎকৃষ্ট সাংস্কৃতিক উপাদান। শ্ৰেণীসমাজ গঢ লৈ উঠাৰে পৰা শিক্ষাই গণতান্ত্ৰিক চেতনা হেৰুৱাইছে। শ্ৰেণীসমাজ প্ৰৱৰ্তন হোৱাৰ পিছতেই সম্ভৱ যোজনা গঢ় লৈ উঠিছিল—

'সমানে সমানে কৰিবা কাজ, হাৰিলে জিকিলে নাই লাজ;

এই যোজনাৰ ভেটিতেই গণিতৰ সূত্ৰ—

'ধনাত্মকে ধনাত্মকে ধনাত্মক হয়, ঋণাত্মকে ঋণাত্মকেও হয় ধনাত্মক ।

ধনাত্মকে ঋণাত্মকে হয় ঋণাত্মক আৰু ঋণাত্মকে ধনাত্মকেও হয় ঋণাত্মকহে।'

জীৱন-সমুদ্ৰ মন্থন কৰি লাভ কৰা সূত্ৰস্বৰূপ এই মহা অভিজ্ঞতাই আছিল শিক্ষাৰ প্ৰাথমিক ভেটি। এই সূত্ৰই যে অকল গণিত বা বিজ্ঞান জগতকহে আগবাঢ়ি যোৱাত সহায় কৰিছে তেনে নহয়, আচলতে সমাজত সাংস্কৃতিক সম্পৰ্কতো সিয়েই প্ৰধানভাৱে সহায় কৰিছে। কিন্তু দুখৰ বিষয় যে বৰ বৰ গণিতজ্ঞ বা বিজ্ঞানীসকলৰো বহুতে সেই সূত্ৰৰ প্ৰয়োগৰ ভেটিত সমাজ-জীৱন গঢ়ি তোলাৰ আৱশ্যকতাহে অনুভৱ নকৰে। সমতাৰ আদৰ্শহীন ব্যক্তিগত আৰু সমাজ-জীৱন গঢ় লৈ উঠা কাৰণেই যে সকলো প্ৰকাৰৰ অশান্তি-অসূয়া, হিংসা-ঘৃণা,ভয়-সন্ত্ৰাসৰ সৃষ্টি সম্ভৱপৰ হৈছে তাকো যেন সেই বিজ্ঞ লোকসকলে জানিও নজনাৰ ভাওহে জুৰিছে।

জীৱনৰ সাধাৰণ অভিজ্ঞতাই জানিবলৈ দি আছে যে ধনাত্মক অৰ্থাৎ ধনীয়ে ধনীয়েহে একপ্ৰকাৰ মধুৰ সম্পৰ্ক গঢ় লৈ উঠা সম্ভৱপৰ হয়। কিন্তু ধনাত্ম-ঋণাত্মক অৰ্থাৎ ধনী আৰু নিৰ্ধনৰ মাজত মধুৰ সম্পৰ্ক গঢ় লৈ উঠা কোনোপধ্যেও আশা কৰিব নোৱাৰি। অৱশ্যে ঋণাত্মকে ঋণাত্মকে অৰ্থাৎ নিৰ্ধনে নিৰ্ধনে স্বাভাৱিকতেই মধুৰ সম্পৰ্ক গঢ় লৈ উঠেই।

এই পৰম সত্যৰ ভেটিত গঢ় লৈ উঠিছিল গণিতৰ সেই বিদগ্ধ সূত্ৰ। অৱশ্যে শ্ৰেণী সমাজত ধনাত্মকে ধনাত্মকেও ঘৃণা-হিংসাৰ সৃষ্টি নোহোৱাকৈ নাথাকে; কাৰণ ধনীসকলে আনক উধাবলৈ নিদি কেৱল নিজক সৰ্বমান্য আৰু সৰ্বশ্ৰেষ্ঠৰূপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দি অসৎ প্ৰতিযোগিতাত লিপ্ত নোহোৱাকৈ নাথাকে। তেনেকৈ দুখী-দৰিদ্ৰৰ মাজতো একপ্ৰকাৰ অসৎ প্ৰতিযোগিতা নচলাকৈ নাথাকে। চিন্তাশীল মাত্ৰেই অনুভৱ কৰে যে আপেক্ষিকভাৱে বেছি দুৰ্বল বা দৰিদ্ৰজনৰ ওপৰত কিছু কম দুৰ্বল বা দৰিদ্ৰজনে অসৎ আচৰণ বা শোষণ চৰিতাৰ্থ নকৰাকৈ নাথাকে আৰু সিয়েও সমাজত মহা অশান্তিৰ সৃষ্টি নকৰাকৈ নাথাকে। জীৱন সমুদ্ৰলব্ধ অভিজ্ঞতাই জানিবলৈ দিয়ে যে কেৱল ভিন ভিন সম্প্ৰদায়ভুক্ত মানুহৰ মাজতেই যে শোষণ-নিপীড়ন, অত্যাচাৰ-উৎপীড়ন চলে তেনে নহয়, নিজৰ নিজৰ সম্প্ৰদায়ৰ মাজতো সেই অত্যাচাৰ-উৎপীড়ন শ্ৰেণীসমাজ সৃষ্টি হোৱা কালৰে পৰা চলি আছে। ইয়াৰ ফলত কেৱল হিন্দু-মুছলমানৰ মাজতহে যে কন্দল আছে তেনে নহয়, হিন্দু আৰু হিন্দুৰ মাজতো আছে আৰু মুছলমান আৰু মুছলমানৰ মাজতো সি অব্যাহত আছে? ই সমগ্ৰ বিশ্বৰ সকলো বৰ্ণ-ধৰ্ম সম্প্ৰদায়ৰ মাজতেই বিদ্যমান। সম্প্ৰতি শোষণমুক্ত শান্তিপূৰ্ণ সহঅৱস্থানৰ জীৱন নিৰ্বাহ কৰি আছে মাথোঁ এস্কিমো, পিগমী,ভেদ্‌দা, চেংমা, ওংগেছ প্ৰভৃতিৰ জনজাতিসকলেহে; কাৰণ তেওঁলোকৰ মাজত শ্ৰেণী-সমাজ গঢ় লৈ উঠা নাই; তেওঁলোকে আদিম সাম্যবাদী সমাজৰ দৰে সম্পূৰ্ণৰূপে সমূহীয়া জীৱন নিৰ্বাহ কৰে।

আমাৰ শিক্ষাই আমাক সেই শ্ৰেণীহীন বিভেদহীন জীৱন গঢ়িবলৈ শিকোৱা নাই; আমাৰ শিক্ষাৰ লক্ষ্য হৈ আছে মানুহক শ্ৰেণী প্ৰভুৰূপে গঢ়ি তোলাহে । সেই কথালৈ লক্ষ্য কৰিয়ে কোনোৱে যোজনা ৰচনা কৰিছিল—"লেখা পঢ়া কৰে যি হাতী-ঘোঁৰাই চৰে সি।"

হাতী-ঘোঁৰাত চৰি ফুৰা, বিলাসী জীৱন যাপন কৰাৰ অৰ্থে দেশ-বিদেশৰ বৰ বৰ উপাধি লাভ কৰাতে আমাৰ দেশৰ শিক্ষাৰ লক্ষ্য সীমিত থকা কাৰণেই সৰহসংখ্যক শিক্ষিত লোকেই হৈ পৰিছে অপসংস্কৃতিৰ বাহস্বৰূপ। বিভেদ-বিচ্ছিন্নতা, হিংসা-ঘৃণাৰ উদ্‌গাতা লোকৰ যিমানেই বৰ বৰ দেশ-বিদেশৰ শিক্ষাৰ উপাধি নাথাকক বা সেই উপাধিৰ বলত যিমানেই লাগে উচ্চ বিষয়বাবত অধিষ্ঠিত নাথাকক কিয়;তেনে লোক সংস্কৃতিসম্পন্ন হ'ব পৰা নাই। তেনে লোকলৈ লক্ষ্য কৰিয়ে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বিশিষ্ট মনস্তাত্ত্বিক পণ্ডিত

গৰ্ডন ৱাইপ্ট এলপোৰ্ট (Gorden Wypt Allport)এ তেওঁৰ গ্ৰন্থ 'ঈৰ্ষাৰ প্ৰকৃতি'ত (Nature of Prejudice) কৈছিল —

"পদাৰ্থ, শক্তি আৰু জড়জগতক সভ্য মানুহে সাধাৰণভাৱে আয়ত্ত কৰিব পাৰিছে। শাৰীৰিক দুখ-যন্ত্ৰণা আৰু অকাল মৃত্যুকো জয় কৰিবলৈ দ্ৰুতগতিত আগবাঢ়িছে। কিন্তু তাৰ বিপৰীতে মানৱ-সম্পদসমূহ প্ৰতিপালন কৰাৰ ক্ষেত্ৰত মানুহ প্ৰস্তৰ যুগত বাস কৰা যেনহে লাগে।"

ই এক বিৰাট উপলব্ধি; শ্ৰেণীহীন সমাজৰ ভেটিত সমাজমুখী সমাজ গঢ়ি তোলাৰ পক্ষে শিক্ষা-সংস্কৃতিক ৰূপদান কৰা নহয় মানে মানৱ-সম্পদ প্ৰেম-প্ৰীতি, দয়া-ধৃতি, আত্মপ্ৰতীতি—মনুষ্যত্ববোধ আদিক প্ৰকৃত অৰ্থত প্ৰতিপালন কৰা অসম্ভৱ আৰু সেই কাৰণেই শ্ৰেণী-সমাজৰ অৱসান বিনে শোষণ-নিপীড়ন, হিংসা-দ্বেষ আদিৰ অৱসানো অসম্ভৱ।

আমাৰ শিক্ষাই আমাক কৰি তুলিছে চূড়ান্তভাৱে ব্যক্তিত্ববাদী আত্মকেন্দ্ৰী,—'সকলো মগনীয়াই মৰক, আপোনাৰ জলঙাখনহে ভৰক'ৰ দৰে সুবিধাবাদী আদৰ্শৰ অনুগামী হোৱা কাৰণেই শিক্ষিতসকলে জনগণক শেক্সপীয়েৰৰ হেমলেটৰ দৰে নিশ্চিত ধ্বংসৰ মাজলৈহে যেন ঠেলি দি আছে; গ্যেটেৰ ফাউষ্টৰ দৰে সমাজমুখী জীৱন গঢ়াৰ পক্ষত থিয় দিয়াৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰাত ব্যৰ্থ হৈ আছে। তাতোকৈও দুখৰ বিষয় যে শিক্ষিতসকলৰ এক গৰিষ্ঠসংখ্যক মতান্ধও। মতান্ধতা যে অপৰসায়ন তাকো তেওঁলোকে অনুভৱ কৰিবলৈ চেষ্টা নকৰে। জাতি আৰু ৰাষ্ট্ৰীয় জীৱন যে অপুৰসায়ন নহয় তাকো তেওঁলোকে অনুভৱ কৰিবলৈ চেষ্টা নকৰে। জাতীয় বা ৰাষ্ট্ৰীয় জীৱন গঢ় লৈ উঠিব লাগে স্বতঃ প্ৰণোদিত মিলন-মিশ্ৰণ,সমন্বয়-সমাহৰণৰ ভেটিতহে; বাধ্য-বাধকতাই সৃষ্টি কৰে অপৰসায়নমূলক বিভেদ-বিচ্ছিন্নতা, হিংসা-ঘৃণাৰহে। শোষণ-নিপীড়ন, অবিচাৰ-অনাচাৰ,দমন-পীড়নৰ পৰা সমাজ-জীৱন মুক্ত নহয় মানে সুখময়-আনন্দময়-মিলাপ্ৰীতিময় সমাজ-জীৱন কোনোপধ্যেও গঢ় লৈ উঠা সম্ভৱপৰ নহয়। পাৰস্পৰিক সহায়, সৰ্বতোমুখী সহযোগিতা আৰু উমৈহতীয়া স্বাৰ্থ আৰু আদৰ্শযুক্ত সমান সমান অধিকাৰ সম্পন্ন জাতি-গোষ্ঠী, ধৰ্ম-সম্প্ৰদায়,জনজাতি, উপজাতি বিনে শক্তিশালী জাতি বা ৰাষ্ট্ৰ কোনোপধ্যেও গঢ় লৈ উঠা সম্ভৱপৰ নহয়।

আমাৰ শিক্ষা ব্যৱস্থাই সমাজক এনে যথাৰ্থ গণতান্ত্ৰিক আৰু শান্তিপূৰ্ণ সহ অৱস্থানৰ অভিমুখীকৈ গঢ়ি তুলিব নোৱাৰেমানে, সমাজৰ নতুন ভৱিষ্যৎ ঘনঘটাচ্ছন্ন হ'বলৈ বাধ্য। আৰু প্ৰকৃততে সূত্ৰক বাস্তৱত প্ৰয়োগ কৰা নহয় মানেও নতুন সমাজৰ আকাংক্ষা কেৱল পৰ্বতত কাছকণী বিচৰা নিৰ্মূল প্ৰয়াস মাথোন।

সামৰণি :

হিন্দু-মুছলমানৰ সম্পৰ্কপ্ৰস্তাৱ গ্ৰহণ কৰিলেই বা বিধানসভা-লোকসভাকে ধৰি ৰাজহুৱা মঞ্চত বক্তৃতা কৰিলেই মধুৰ হৈ নপৰে। সি সম্ভৱপৰ হ'ব একমাত্ৰ শ্ৰেণীহীন, বিভেদ-বিচ্ছিন্নতা হীন, জাত-বৰ্ণ, ধৰ্ম-সম্প্ৰদায়ভেদে সমূহ জনগণৰ সৰ্বাত্মক অবাধ বিকাশমুখী গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ বা বৈজ্ঞানিক গণতন্ত্ৰতহে। প্ৰগতিবাদী বুদ্ধিজীৱীসকলে এই সত্য অনুভৱো কৰে। কিন্তু তেওঁলোক সংখ্যালঘু; তেওঁলোকৰ গণ সম্পৰ্কও উৎসাহজনক নহয়। তাতোকৈ দুৰ্ভাগ্যৰ বিষয় যে সকলো সম্প্ৰদায়ৰে ব্যাপকসংখ্যক বুদ্ধিজীৱীয়েই প্ৰতিক্ৰিয়াশীল, দুৰ্দান্তভাৱে আত্মকেন্দ্ৰী বা ব্যক্তিত্ববাদীও। অৱশ্যে সেই অংশ নেতৃত্ব অভিলাষীও। নেতৃত্ব লাভ কৰি ব্যক্তিগত জীৱন সুখময়-আনন্দময় কৰি তোলাৰ অৰ্থে এই অংশ বুদ্ধিজীৱীয়ে শ্ৰমকাৰী জনগণক উগ্ৰসাম্প্ৰদায়িকতা, উগ্ৰজাতীয়তা, উগ্ৰবৰ্ণবাদ আদিৰে উত্তেজিত কৰি ভাতৃঘাতী সংঘাতৰ অভিমুখে পৰিচালনা কৰিবলৈও নেৰে।

প্ৰগতিবাদী অংশই শ্ৰমকাৰী জনগণক লগত লৈ শক্তিশালী গণসংগঠন গঢ়ি তুলি শ্ৰেণীপ্ৰভু আৰু প্ৰতিক্ৰিয়াশীল বুদ্ধিজীৱীৰ বিৰুদ্ধে সংগ্ৰামী চেতনাৰে পৰিচালিত কৰি অপসংস্কৃতিৰ ঠাইত বৈজ্ঞানিক গণতান্ত্ৰিক সংস্কৃতি গঢ়ি নোতোলে মানে সকলো প্ৰচেষ্টা হ'ব কেৱল অৰণ্যৰোদন। বৈজ্ঞানিক গণতন্ত্ৰত সকলোৰে অবাধ বিকাশ হ'ব সুনিশ্চিত। তেতিয়া দেশৰ নাগৰিক ব্যস্ত থাকিব ন ন উপায়, ন ন তত্ত্ব আৰু ন ন প্ৰযুক্তি উদ্ভাৱন কৰি মানুহৰ দুখ-দুৰ্গতিৰ উপশম ঘটোৱাৰ সংগ্ৰামতহে; ধৰ্ম-সম্প্ৰদায়, জাত- ধৰ্মৰ বিভেদৰ কথা ভাবিবলৈ তেতিয়া সময়ো নহ'ব আৰু আৱশ্যকো নহ'ব। সেইখন সৰ্বাত্মক বিকাশমুখী সমাজতহে উদগতিকামী মানুহ মাত্ৰৰে লক্ষ্য হোৱা উচিত। সেইখন সমাজত মানুহৰ বিবেকৰ স্বাধীনতা থাকিব সুৰক্ষিত, মানুহ মাত্ৰেই পৰিচালিত হ'ব বিবেক-বিবেচনা অনুসৰিহে।

উভয় সম্প্ৰদায়ৰ মৌলবাদী আৰু উগ্ৰ সাম্প্ৰদায়িকতাবাদীসকলে নিজৰ নিজৰ বিবেকৰ পোহৰত মনুষ্যত্ববোধক সমজ্জ্বল কৰি তুলি শুদ্ধ গণতান্ত্ৰিক সংস্কৃতি গঢ়ি তোলাত মনোনিৱেশ কৰিলে অসম-ভাৰত পুনঃ শান্তিৰ উপত্যকাৰূপে বিশ্ববন্দিত হ'ব যে নিশ্চিত।

সংকেত সূচী

১। লক্ষ্মীনাথ বেজবৰুৱা : *কৃপাবৰ বৰুৱাৰ প্ৰত্যাগমন* (হিন্দু আৰু মুছলমান) নিবন্ধৰ পৰা উধৃত।

২। *প্ৰাগুক্ত* নিবন্ধ ।

৪। *প্ৰাগুক্ত* নিবন্ধ।

৫। কালিৰাম মেধি : অসম সাহিত্য সভাৰ *সভাপতিৰ অভিভাষণ*।

৬। *সাময়িক প্ৰসংগ* : ২৫ মাৰ্চ, ১৯৯৩, সংখ্যাত উধৃত।

৭। *খাইৰুল হুছেইনৰ ব্যক্তিগত চিঠি,* ১৯৯৭/১৯ জুলাই।

৮। অমিত আহমেদ : *ইনকিলাব পত্ৰিকা, ভাৰত বিদ্বেষীদেৰ মুখপত্ৰ,* ১৯৯৭ চনৰ ১৩ জানুৱাৰী সংখ্যা *সাময়িক প্ৰসংগত* প্ৰকাশিত।

৯। ইন্দ্ৰেশ্বৰ গোস্বামীৰ নিবন্ধ : *মোছলেহ উদ্দিন আহমদৰ সাহিত্যকৰ্ম আৰু অসমীয়া মুছলমান সমাজ,*১৯৯৭/২৮ আগষ্ট সংখ্যা, 'আজিৰ বাতৰি'ত প্ৰকাশিত।

গ্ৰন্থপঞ্জী

অসমীয়া ঃ

১। অসম চৰকাৰ ঃ গোপীনাথ বৰদলৈ জন্মশতবাৰ্ষিকী স্মৃতি গ্ৰন্থ
২। আলী, নজৰ ঃ মোৰ জীৱনৰ কিছুকথা
৩। আলী, বি, শেখ ঃ টিপু চুলতান
৪। কাকতী, ৰবীন ঃ খান আব্দুলগফুৰ খান
৫। কৌলম্বী, ড° ডি, ডি ঃ ভাৰতৰ ইতিহাস
৬। গোস্বামী, ড° প্ৰফুল্লদত্ত ঃ বুৰঞ্জী আৰু সংস্কৃতি
৭। চাত্তাৰ, আব্দুল ঃ বাহাদুৰ গাঁওবুঢ়া
৮। চৌধুৰী, মেদিনী ঃ লুইত,বৰাক ইছলাম
৯। তামুলী লক্ষ্মীনাথ ঃ ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান
১০। দাস, শ্ৰীৰামচন্দ্ৰ ঃ জনসাহিত্যৰ মধুকৰ
১১। দাস, নৰোত্তম ঃ দলিপুৰাণ
১২। নেওগ, ড° মহেশ্বৰ (সম্পা) ঃ গুৰুচৰিত কথা
১৩। নেহৰু,জৱাহৰলাল ঃ ভাৰত সন্ধেদ
১৪। পথৰুঘাট ঃ ৰাইজমেল শতবাৰ্ষিকী স্মৃতি গ্ৰন্থ
১৫। বৰকটকী, সত্যেন ঃ অসমৰ জনজাতি
১৬। বৰুৱা, ৰফিউল হুছেইন ঃ ইছলামিক ঐতিহ্য আৰু অসম, ১ম+২য় খণ্ড
১৭। বেজবৰুৱা, লক্ষ্মীনাথ ঃ ৰচনাৱলী, ২য় খণ্ড
১৮। ভাৰত চৰকাৰ ঃ অযোধ্যা বিষয়ক শ্বেতপত্ৰ
১৯। ভূঞা, ড° সূৰ্য কুমাৰ (সম্পা) ঃ সাতসৰী অসম বুৰঞ্জী
২০। ঐ ঃ দেওধাই অসম বুৰঞ্জী
২১। ঐ ঃ তুংখুঙীয়া বুৰঞ্জী
২২। ঐ ঃ স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ
২৩। ললিত চন্দ্ৰ ভৰালী কলেজৰ স্মৃতিগ্ৰন্থ
২৪। মালিক, চৈয়দ আব্দুল (সম্পা) ঃ অসমীয়া জিকিৰ আৰু জাৰী
২৫। ৰাইজমেল ঃ সৰ্থেবাৰী ৰাইজমেল শতবাৰ্ষিকীৰ স্মৃতি গ্ৰন্থ
২৬। ৰাইজমেল ঃ সৰুক্ষেত্ৰী ৰাইজমেল শতবাৰ্ষিকীৰ স্মৃতি গ্ৰন্থ
২৭। ৰাইজমেল ঃ নলবাৰী ৰাইজমেল শতবাৰ্ষিকীৰ স্মৃতিগ্ৰন্থ
২৮। ৰায় চৌধুৰী, অম্বিকাগিৰী ঃ ৰচনাৱলী
২৯। শৰ্মা, দেবেন্দ্ৰনাথ ঃ ভাৰতৰ স্বাধীনতা সংগ্ৰাম

৩০। শর্মা, ড° নবীন চন্দ্ৰ ঃ ওজাপালি
৩১। শর্মা, শশী ঃ আমাৰ স্বাধীনতা সংগ্ৰাম।
৩২। ঐ ঃ নলবাৰী অঞ্চলত অভিনয় কলাৰ ক্ৰমবিকাশৰ ধাৰা
৩৩। ঐ ঃ অসমৰ লোক সাহিত্য
৩৪। ঐ ঃ সাহিত্য বিবৰ্তনুপ্ত। ঐ ঃ সাহিত্য বাস্তবৰ স্বপ্ন
৩৫। ঐ ঃ সাহিত্য বাস্তবৰ স্বপ্ন
৩৬। হোছেইন, ইছমাইল ঃ হিন্দু-মুছলমান প্ৰশ্ন ঃ সমন্বয় আৰু সংঘাত

বঙলা ঃ

৩৭। খাঁ চৌধুৰী, আমানতউল্লা ঃ কোচবেহাৰেৰ ইতিহাস
৩৮। দে, অমলেন্দু ঃ বাঙালী বুদ্ধিজীবী ও বিচ্ছিন্নতাবাদ
৩৯। পাণ্ডে, ডঃ বি, এন ঃ ইস্‌লাম ও ভাৰতীয় সংস্কৃতি
৪০। বন্দোপাধ্যায়, শৈলেন কুমাৰ ঃ জিন্না / পাকিস্তান
৪১। ভট্টাচাৰ্য, উপেন্দ্ৰ নাথঃ বাংলাৰ বাউল ও বাউল গান
৪২। মোৰ্ত্তজা, গোলাম আহমদ ঃ চেপেৰাখা ইতিহাস
৪৩। ৰায়, এম্, এন্ ঃ ইস্‌লামেৰ ঐতিহাসিক অবদান
৪৪। হক, সেখ আজিবুল ঃ আওৰংগজেব, ধৰ্মনিৰপেক্ষতা ও ইসলাম

সংস্কৃত ঃ

৪৫। মনুসংহিতা
৪৬। যোগিনীতন্ত্ৰ
৪৭। ৰামায়ণ

ইংৰাজী ঃ

৪৮। Al-Biruni : India (Abridged)
৪৯। Altaksr : State and Governments in Ancient India
৫০। Barpujari, Dr. H.K.(Ed) : Political History of Assam, Vol I
৫১। Barua, K.L : Early History of Kamarupa
৫২। Barua, Hem : The Red River and the Blue Hills
৫৩। Bhuyan, Dr. S.K. : Aton Buragohain and His Time.
৫৪। Do : Studies in the History of Assam

৫৫। Bhuyan, A.C & Others (Ed) Political History of Assam
Vol II + III
৫৬। Bhattacharyya, Haridas (Ed) : Cultural Heritage of India, Vol IV.
৫৭। Chand, Dr. Tara : Influence of Islam on Indian Culture
৫৮। Do : Hindu-Muslim Relation
৫৯। Chandra, Bipan and others : India's struggle for Independence
৬০। Draper, J.W. : History of the Intellectual Development of Europe.
৬১। Dutta, K.N. : Land Marks of the Freedom struggle in Assam.
৬২। Gail, E.A : History of Assam.
৬৩। Gorky, M : On Literature
৬৪। Guha, Dr. A : Planter Raj to Swaraj
৬৫। Gulam, Mahammad Boxi : Secularism : Kashmir's Recent Heritage.
৬৬। Hammerton, J.A. : Illustrated Encyclopaedia of world History
৬৭। Haque, Talimul : Teachings of Islam.
৬৮। Hitti, Phillips K: History of the Arabs.
৬৯। Kidwai, Ikramuddin : Lucknow : Past & Present
৭০। Laski, Herald J : Grammar of Politics
৭১। Lenin, V.I. : Culture and the Cultural Revolution
৭২। Mahajan, V.D. : Mughal Rule in India
৭৩। Do : The Muslim Rule in India.
৭৪। Majumdar, R.C. (Ed) : History and Culture of the Indian People, Vol IX -- XI
৭৫। Mujtafa, F: Hindu-Muslim Cultural Relations.
৭৬। Namboodiripad, E.M.S. : History of Indian's Freedom Struggle
৭৭। Pande, Dr. B.N. : Islam and Indian Culture

৭৮। Saikia,Dr. M. : Assam -Muslim Relations and its Çultural Significance.
৭৯। Sarkar, Sir Jadunath : History of Aurangjeb, Vol-II
৮০। Sarma, R.S. Communal History and Ram's Ayodhya.
৮১। অসমীয়া, বঙলা আৰু ইংৰাজী কিছু আলোচনী আৰু সংবাদপত্ৰত প্ৰকাশিত সংবাদ-সমীক্ষা, চিঠি-পত্ৰ আৰু সাক্ষাৎকাৰ ব্যৱহাৰ কৰা হৈছে।

---x---